**UG SO S3-01**
**(DSC/DSE)**

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

# সামাজিক সমস্যা আৰু সমাজ কল্যাণ

# সমাজতত্ত্ব




সূর্য্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, মূৰব্বী, সমাজতত্ত্ব বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়
ড° নির্মালি গোস্বামী, সহকাৰী অধ্যাপিকা, তেজপুৰ বিশ্ববিদ্যালয়

## সমন্বয়ৰক্ষী ঃ

ড° গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° মৌৰীণ কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাৰ্গৱ লিগিৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## প্রস্তুতি গোটৰ সদস্য

| *অধ্যায়* | *অৰিহণা যোগাইছে* | *ভাষান্তৰকাৰী* |
|---|---|---|
| ১ | ড° জোনালী দেৱী, কটন কলেজ | ড° সুমন বর্মন (অধ্যায় ১, ৩ আৰু ৫) |
| ২ | ড° জোনালী দেৱী, কটন কলেজ আৰু<br>ড°গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | দিপাঞ্জলী শর্মা (অধ্যায় ২ আৰু ৭) |
| ৩ | ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু<br>ড°গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | |
| ৪ | ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | গোৰিন্দ প্রসাদ ভূঞা (অধ্যায় ৪) |
| ৫ | ড° কৰবী কোচ, সহকাৰী অধ্যাপিকা, মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় | |
| ৬ | ড° কান্তা চক্রৱর্তী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | প্রভাত বৰদলৈ, সহকাৰী শিক্ষক<br>মডার্ণ ইংলিছ স্কুল (অধ্যায় ৬ আৰু ৮) |
| ৭ | প্রীতিমা গগৈ, গৱেষণা শিক্ষার্থী, জৱাহৱলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লী | |
| ৮ | স্বর্গীয়া ড° সংগীতা দাস, সহকাৰী অধ্যাপিকা, মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় | |
| ৯ | ড° কান্তা চক্রৱর্তী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | ব্রজকিশোৰ শইকীয়া (অধ্যায় ৯ আৰু ১৫) |
| ১০ | স্বর্গীয়া ড° সংগীতা দাস, সহকাৰী অধ্যাপিকা, মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় | অতুল তামুলী (অধ্যায় ১০ আৰু ১১) |
| ১১ | ড°গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | |
| ১২, ১৩ | | |
| আৰু ১৪ | চিহ্নিতা বৰুৱা, গৱেষণা শিক্ষার্থী, জৱাহৱলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লী | দিপাঞ্জলী শর্মা |
| ১৫ | শান্তনা দত্ত, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় | |

## সম্পাদনা ঃ

| | | |
|---|---|---|
| **মূল ইংৰাজী** | ঃ | অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, মূৰব্বী, সমাজতত্ত্ব বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয় |
| **ভাষা সম্পাদনা** | ঃ | সুশীলা দেৱী, প্রবক্তা, উলুবাৰী নৈশ কনিষ্ঠ মহাবিদ্যালয় |
| **গাঁথনিক সম্পাদনা** | ঃ | ড° গার্গী গায়ন, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় |

*প্রথম প্রকাশ ঃ চেপ্তেম্বৰ, ২০২৪*

*This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http:// creativecommons.org/licenses/by-nc-sa/4.0/*

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

**মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭**

**নগৰ চৌহদ ঃ** N.H. - 37, **ৰেশম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২, Web : www.kkhsou.in**

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
**দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

# বিষয়সূচী


পৃষ্ঠা নং

**অধ্যায় ১ ঃ** **সামাজিক সমস্যা** ৭ - ১৯

সামাজিক সমস্যাৰ ধাৰণাঃসামাজিক সমস্যাৰ অৰ্থ,সামাজিক সমস্যাৰ সংজ্ঞা; সামাজিক সমস্যাৰ প্ৰকাৰ; সামাজিক সমস্যাৰ কাৰণ; সামাজিক সমস্যাৰ ফলাফল

**অধ্যায় ২ ঃ** **অপৰাধ** ২০-৩৩

অপৰাধৰ অৰ্থ; অপৰাধৰ প্ৰকাৰ; অপৰাধৰ কাৰণ; অপৰাধৰ কাৰণ, অপৰাধমূলক আচৰণ আৰু শাস্তি ব্যাখ্যাকাৰী তত্ত্ব; ভাৰতবৰ্ষত অপৰাধৰ ৰূপ

**অধ্যায় ৩ ঃ** **জনসংখ্যা বিস্ফোৰণ আৰু নিৰক্ষৰতা** ৩৪-৪৬

জনসংখ্যা বিস্ফোৰণৰ অৰ্থ ঃ জনসংখ্যা মাত্ৰাধিক হোৱাৰ কাৰণসমূহ, ভাৰতবৰ্ষত মাত্ৰাধিক জনসংখ্যাৰ প্ৰভাৱ, ভাৰতবৰ্ষৰ জনসংখ্যা নীতি; নিৰক্ষৰতাৰ অৰ্থ ঃ নিৰক্ষৰতাৰ প্ৰকাৰ, নিৰক্ষৰতাৰ কাৰণ, নিৰক্ষৰতাৰ ফলাফল; অসমত নিৰক্ষৰতা

**অধ্যায় ৪ ঃ** **নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা** ৪৭-৫৯

নিবনুৱা সমস্যা ঃ নিবনুৱাৰ অৰ্থ আৰু প্ৰকাৰ, ভাৰতৰ নিবনুৱা সমস্যাৰ কাৰণ, ভাৰতৰ কৰ্মসংস্থাপন সৃষ্টিকাৰী আঁচনি; দৰিদ্ৰতাৰ অৰ্থ ঃ দৰিদ্ৰতাৰ সম্পৰ্কে বুজাত সহায় কৰা দৃষ্টিভঙ্গীবোৰ, দৰিদ্ৰতাৰ কাৰণ, ভাৰতৰ দৰিদ্ৰতাৰ পৰিমাপন, ভাৰতৰ দৰিদ্ৰতা দূৰীকৰণ আঁচনি

**অধ্যায় ৫ ঃ** **যুৱ উচ্ছৃংখলতা** ৬০-৭২

যুৱ উচ্ছৃংখলতা, যুৱ উচ্ছৃংখলতাৰ প্ৰকাৰবোৰ; যুৱ আন্দোলন ঃ যুৱ আন্দোলনৰ প্ৰকাৰ, যুৱ আন্দোলন বৃদ্ধিৰ প্ৰক্ৰিয়া, ভাৰতবৰ্ষৰ যুৱ প্ৰজন্মই কৰা কেইটামান আন্দোলন; যুৱ আন্দোলনৰ কাৰণ

**অধ্যায় ৬ ঃ** **নাৰীকেন্দ্ৰিক সামাজিক সমস্যাসমূহ** ৭৩-৮৫

দেহ ব্যৱসায় ঃ দেহ ব্যৱসায়ৰ অৰ্থ, দেহ ব্যৱসায়ৰ প্ৰকাৰ, দেহ ব্যৱসায়ৰ গ্ৰহণৰ কাৰণসমূহ, দেহ ব্যৱসায়ৰ, যৌন সৰবৰাহ আৰু এইছ-আই-ভিৰ দৰে ৰোগ; যৌতুক প্ৰথা ঃ ভাৰতত যৌতুক ব্যৱস্থা, যৌতুক নিষিদ্ধকৰণ আইন, যৌতুক প্ৰথাৰ কাৰণসমূহ, যৌতুক প্ৰথাৰ পৰিণাম; নাৰী নিৰ্য্যাতন ঃ নাৰী নিৰ্য্যাতনৰ অৰ্থ, প্ৰকাৰ

**অধ্যায় ৭ ঃ** **যৌন সংক্ৰামক ৰোগসমূহ** ৮৬-৯৯

ইতিহাস; ৰোগ আৰু লক্ষণ; সংক্ৰমণৰ কাৰণ; সুৰক্ষামূলক ব্যৱস্থা

**অধ্যায় ৮ ঃ** **অন্ধবিশ্বাস** ১০০-১১১

অন্ধবিশ্বাসৰ প্ৰকৃতি; অন্ধবিশ্বাস আৰু ভাৰতীয় সমাজ; অন্ধবিশ্বাসকেন্দ্ৰিক কু-সংস্কাৰৰ কাৰণসমূহ; সমাজত অন্ধবিশ্বাসৰ প্ৰভাৱ; অন্ধবিশ্বাস আৰু আইন

**অধ্যায় ৯ ঃ** **শিশু শ্রমিক আৰু শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰ** **১১২-১২৩**

শিশু শ্রমিকৰ সমস্যা ঃ শিশু শ্রমিকৰ সংজ্ঞা, শিশু শ্রমিকৰ প্রকাৰ, শিশুৱে কাম কৰা প্রধান খণ্ডবিলাক, শিশু শ্রমিকৰ কাৰণবোৰ, শিশু শ্রমিক বিলোপকৰণৰ ক্ষেত্রত গ্রহণ কৰা উদ্যমসমূহ; শিশুৰ প্রতি দুর্ব্যৱহাৰ বা উৎপীড়ণৰ সমস্যা ঃ অর্থ আৰু সংজ্ঞা, শিশুৰ প্রতি দুর্ব্যৱহাৰ বা উৎপীড়ণৰ প্রকাৰ, শিশু উৎপীড়ণৰ কাৰণবোৰ

**অধ্যায় ১০ ঃ** **পিছপৰা শ্রেণীসমূহৰ সমস্যা** **১২৪-১৩৬**

পিছপৰা শ্রেণীসমূহ; অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ আর্থ-সামাজিক সমস্যা; নীতি আৰু সমস্যা সমাধানৰ ব্যৱস্থা ঃ সাংবিধানিক ব্যৱস্থা, নীতি; জাতিভেদৰ নির্মমতা

**অধ্যায় ১১ ঃ** **সন্ত্রাসবাদ** **১৩৭-১৪৯**

সন্ত্রাসবাদৰ সংজ্ঞা আৰু অর্থ ঃ সন্ত্রাসবাদ আৰু ইয়াৰ সমার্থক পৰিভাষা, সন্ত্রাসবাদৰ বৈশিষ্ট্য; সন্ত্রাসবাদ বিষয়ক দৃষ্টিভঙ্গী; সন্ত্রাসবাদ উৎপত্তিৰ বাবে দায়ী উপাদানসমূহ; সন্ত্রাসবাদীৰ দলৰ লক্ষ্য; সন্ত্রাসবাদৰ প্রভাৱ; ভাৰত চৰকাৰে সন্ত্রাসবাদৰ বিৰুদ্ধে লোৱা ব্যৱস্থাসমূহ

**অধ্যায় ১২ ঃ** **সমাজ কল্যাণৰ অর্থ, গুৰুত্ব, প্রকৃতি আৰু পৰিসৰ** **১৫০-১৬৩**

সমাজ কল্যাণৰ সংজ্ঞা; সমাজ কল্যাণৰ ক্রমবিকাশ ঃ ভাৰতবর্ষ সমাজ কল্যাণৰ ক্রমবিকাশৰ ধাৰা, প্রাক্-বৃটিছ যুগ, বৃটিছ যুগ, স্বাধীনতাৰ পৰৱর্তী যুগ; সমাজ কল্যাণৰ গুৰুত্ব; সমাজ কল্যাণৰ প্রকৃতি ঃ সমাজ কল্যাণ আৰু কলা, সমাজ কল্যাণ আৰু বিজ্ঞান; সমাজ কল্যাণৰ পৰিসৰ (Scope) ঃ POSDCORB সম্পূর্ণ ৰূপটো কি? দৃষ্টিভঙ্গী, সর্বাত্মক মতবাদ

**অধ্যায় ১৩ ঃ** **সমাজ কল্যাণ সংস্থাসমূহ** **১৬৪-১৭৭**

সমাজ কল্যাণ সংস্থাসমূহৰ শ্রেণীবিভাগ ঃ সমাজ কল্যাণৰ আন্তর্জাতিক সংস্থা, সমাজ কল্যাণৰ দেশীয় সংস্থা; সমাজ কল্যাণ প্রশাসনৰ বিকাশ আৰু সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ ঃ সমাজ কল্যাণ প্রশাসনৰ সংজ্ঞা, সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ, সমাজ কল্যাণ বিভাগ, কেন্দ্রীয় সমাজ কল্যাণ বোর্ড, আন্তর্জাতিক শিশু কল্যাণ সংস্থাসমূহ

**অধ্যায় ১৪ ঃ** **সমাজ কল্যাণ আঁচনি** **১৭৮-১৯১**

নাৰী আৰু শিশু কল্যাণ; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ; অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ; তথ্য জনাৰ অধিকাৰ আইন আৰু ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চিতি আইন, ২০০৫ (NREGA); সাম্প্রতিক সমাজ কল্যাণমূলক উদ্যোগ

**অধ্যায় ১৫ ঃ** **সামাজিক সুৰক্ষা** **১৯২-২০০**

সামাজিক সুৰক্ষাৰ অৱধাৰণা ঃ সামাজিক সাহায্য, সামাজিক বীমা; সামাজিক সুৰক্ষাৰ উৎপত্তি আৰু বিকাশ; ভাৰতত সামাজিক সুৰক্ষাৰ গুৰুত্ব; ভাৰতত সামাজিক সুৰক্ষাৰ পদ্ধতি ঃ কর্মচাৰীৰ ক্ষতিপূৰণ আইন, প্রসুতি সাহায্য আইন, ন্যূনতম মজুৰী আইন; সামাজিক সুৰক্ষাৰ আঁচনিবোৰ

## পাঠ্যবিষয়ৰ পৰিচয়

এই পাঠ্যবিষয়টো কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত ষান্মাসিক পদ্ধতিৰ অধীনত সমাজতত্ত্ব বিষয়ৰ স্নাতক মহলাৰ চতুর্থ ষান্মাসিকৰ বাবে এই পাঠ্যবিষয়টো প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল সামাজিক সমস্যা আৰু সমাজ কল্যাণ। এই পাঠ্যবিষয়টো পঢ়ি শিক্ষার্থীসকলে আমাৰ সমাজত থকা বিভিন্ন প্ৰকাৰৰ সমস্যা আৰু সমস্যাবোৰৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব। পাঠ্যবিষয়টোৰ পৰা শিক্ষার্থীসকলে সমাজ কল্যাণৰ অর্থ, তাৎপর্য্য তথা সমাজৰ উপযোগী হোৱাকৈ চৰকাৰী তথা অনা-চৰকাৰী সংস্থাবোৰে চলাই থকা বিভিন্ন সমাজ কল্যাণমূলক ব্যৱস্থাৰ বিষয়েও বুজি পাব।

এই পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ নাম হ'ল সামাজিক সমস্যা। অধ্যায়টোত সামাজিক সমস্যাৰ অর্থ, প্ৰকৃতি, বৈশিষ্ট্য, সামাজিক সমস্যাৰ কাৰণ তথা প্ৰকাৰ ইত্যাদি বিষয় আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়টোৰ নাম হ'ল অপৰাধ। এই অধ্যায়টোৰ আলোচনাৰ মূল বিষয়বোৰ হ'ল অপৰাধৰ অর্থ, ধাৰণা, প্ৰকৃতি, বৈশিষ্ট্য আৰু অপৰাধৰ প্ৰকাৰ। তৃতীয় অধ্যায়টোৰ নাম হ'ল জনসংখ্যা বিস্ফোৰণ আৰু নিৰক্ষৰতা। অধ্যায়টোত জনসংখ্যাৰ অর্থ, ধাৰা, মাত্ৰাধিক জনসংখ্যাৰ কাৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। নিৰক্ষৰতাৰ অর্থ, কাৰণ আৰু পৰিণাম হ'ল অধ্যায়টোত আলোচনা কৰা আন এক গুৰুত্বপূর্ণ বিষয়। চতুর্থ অধ্যায়টোৰ নাম হ'ল দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা। অধ্যয়টোত দৰিদ্ৰতাৰ অর্থ, কাৰণ আৰু দৰিদ্ৰতা নিয়ন্ত্ৰণৰ ব্যৱস্থা সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। নিবনুৱা সমস্যাৰ বিষয়েও অধ্যায়টোত আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়টোৰ নাম হ'ল যুৱ সমাজৰ উচ্ছৃংখলতা। অধ্যায়টোত এই উচ্ছংখলতাৰ অর্থ, প্ৰকাৰ আৰু কাৰণবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়টোৰ নাম হ'ল নাৰীকেন্দ্ৰিক সামাজিক সমস্যা। ইয়াত নাৰীকেন্দ্ৰিক বিভিন্ন সমস্যা, যেনে— দেহ ব্যৱসায়, যৌতুক আৰু নাৰীৰ বিৰুদ্ধে চলা নানা হিংসাত্মক উৎপীড়নৰ বিষয়ে আলোচনা কৰা হৈছে। সপ্তম অধ্যায়টোৰ নাম হ'ল যৌন সংক্ৰামক ৰোগ। এই অধ্যায়টোৰ আলোচনাৰ মূল বিষয় হ'ল যৌন সংক্ৰামক ৰোগ বিষয়ক ধাৰণা, এনে ৰোগবোৰৰ গুৰুতৰ ব্যাপ্তি আৰু এনে ৰোগ বিয়পাৰ কাৰণ। অষ্টম অধ্যায়টোৰ নাম হ'ল অন্ধবিশ্বাস। এই অধ্যায়টোত অন্ধবিশ্বাসৰ অর্থ, কাৰণ আৰু প্ৰভাৱৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। নৱম অধ্যায়টোৰ নাম হ'ল শিশু শ্ৰমিক আৰু শিশুৰ প্ৰতি দুর্ব্যৱহাৰ। ইয়াত শিশুৰ ওপৰত চলা বিভিন্ন নির্যাতন— উৎপীড়নৰ অর্থ, এইবোৰৰ কাৰণ আৰু পৰিণাম সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। দশম অধ্যায়টোৰ নাম হ'ল পিছপৰা শ্ৰেণীসমূহৰ সমস্যা। ইয়াত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্য পিছপৰা জাতিবোৰ আর্থ-সামাজিক সমস্যাবোৰ আলোচনা কৰা হৈছে। জাতিগত স্বেচ্ছাচাৰিতাৰ সমস্যাটো সমাধানৰ বাবে লোৱা নীতি আৰু ব্যৱস্থাসমূহৰ বিষয়েও অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে। একাদশ অধ্যায়টোৰ নাম হ'ল সন্ত্ৰাসবাদ। এই অধ্যায়টোত সন্ত্ৰাসবাদৰ ধাৰণা, উৎস, কাৰণ আৰু পৰিণাম সম্পৰ্কে আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়টোৰ নাম হ'ল সমাজ কল্যাণৰ অর্থ, গুৰুত্ব, প্ৰকৃতি আৰু পৰিসৰ।এই অধ্যয়টোত সমাজ কল্যাণৰ অর্থ, গুৰুত্ব, প্ৰকৃতি আৰু পৰিসৰ বহলাই আলোচনা কৰা হৈছে। ত্ৰয়োদশ অধ্যায়টোৰ নাম হ'ল সমাজ কল্যাণ সংস্থাসমূহ। সমাজ কল্যাণৰ ক্ষেত্ৰত চৰকাৰী আৰু অনা-চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ ভূমিকা সম্পৰ্কে অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে।

চতুর্দশ অধ্যায়টোৰ নাম হ'ল সমাজ কল্যাণ আঁচনি। অধ্যায়টোৰ আলোচনাৰ বিষয় হ'ল সমাজৰ দুর্বল শ্ৰেণীৰ লাভালাভৰ বাবে চলাই থকা বিভিন্ন সমাজ কল্যাণমূলক কার্যকলাপ। পঞ্চদশ অধ্যায়টোৰ নাম হ'ল সামাজিক সুৰক্ষা। অধ্যায়টোত সামাজিক সুৰক্ষাৰ অর্থ, উৎপত্তি আৰু বিকাশ বহলাই আলোচনা কৰা হৈছে। ভাৰতে গ্ৰহণ কৰা বিভিন্ন সামাজিক সুৰক্ষামূলক ব্যৱস্থা হ'ল অধ্যায়টোত আলোচনা কৰা আন এটা গুৰুত্বপূর্ণ বিষয়।

# অধ্যায় ১ ঃ সামাজিক সমস্যা

## অধ্যায় গাঁথনি


১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সামাজিক সমস্যাৰ ধাৰণা
    ১.৩.১ সামাজিক সমস্যাৰ অর্থ
    ১.৩.২ সামাজিক সমস্যাৰ সংজ্ঞা
১.৪ সামাজিক সমস্যাৰ প্ৰকাৰ
১.৫ সামাজিক সমস্যাৰ কাৰণ
১.৬ সামাজিক সমস্যাৰ ফলাফল
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক সমস্যাৰ ধাৰণাটো বুজিব পাৰিব
- সামাজিক সমস্যাৰ প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব
- সামাজিক সমস্যাৰ প্ৰকাৰসমূহ নিৰ্ধাৰণ কৰিব পাৰিব
- সামাজিক সমস্যাৰ ফলাফলসমূহ মূল্যায়ন কৰিব পাৰিব।

## ১.২ পৰিচয়

এই অধ্যায়টিত আমি সমাজ অধ্যয়নৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰিম। দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে আমি পৰিৱেশ প্ৰদূষণ, সম্পদ সঙ্কোচন, নিবনুৱা সমস্যা, শিশু শ্ৰমিকৰ সমস্যা, দৰিদ্ৰতা, যৌতুকজনিত কাৰণত মৃত্যু, নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ, সাম্প্ৰদায়িক আৰু ধৰ্মীয় বিভাজন আদি বিভিন্ন সমস্যাৰ মুখামুখি হ'বলগীয়া হয়। এনে প্ৰতিটো সমস্যাকে বিশ্বৰ বহুতো দেশৰ প্ৰচলিত ব্যৱস্থাৰ প্ৰতি এক চৰম ভাবুকি বুলি বিবেচনা কৰিব পাৰি। কিন্তু এই কথা আমি সকলোৱে উপলব্ধি কৰিছোঁ যে উল্লিখিত পৰিস্থিতিসমূহে প্ৰয়োজন অনুপাতে জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিব পৰা নাই। এই সমস্যাসমূহে বিশ্বৰ সকলো সমাজকে সামগ্ৰিকভাৱে প্ৰভাৱিত কৰা নাই। উদাহৰণ স্বৰূপে, জাতিগত বৈষম্যৰ দৰে সমস্যা অৰুণাচল

প্রদেশৰ ভিতৰুৱা অঞ্চলৰ পাহাৰীয়া লোকসকলৰ মাজত দেখা পোৱা নাযায়। এই অৱস্থাটোৰ ভাৰতীয় সামাজিক জীৱনৰ পৰিস্থিতিৰ লগত গভীৰ সম্পৰ্ক নাই। কিন্তু আফ্ৰিকা আৰু আমেৰিকাৰ জনসাধাৰণৰ মাজত জাতিগত বৈষম্যএটা ব্যাপকভাৱে চৰ্চিত বিষয়।

প্ৰচলিত পৰম্পৰাগত ধাৰণা অনুযায়ী জীৱনৰ বিস্তৰ ক্ষতিসাধন নোহোৱা পৰ্য্যন্ত আৰু সমাজ জীৱনৰ ব্যাপক হাৰত প্ৰমূল্য সঙ্কট নঘটালৈকে স্পৰ্শকাতৰ বিষয়সমূহত জনসাধাৰণে মনোনিৱেশ নকৰে। যদি এক বিশেষ সামাজিক প্ৰভাৱে সমাজে জীৱনলৈ বিপৰ্য্যয় মাতি আনে তেনে ক্ষেত্ৰত পৰিস্থিতিৰ প্ৰতি মানুহ মনোযোগী হোৱা দেখা যায়। ই এক সাৰ্বজনীন চিন্তাৰ বিষয় হৈ পৰে। এনে সমস্যা সমাধানৰ উপায় উদ্ভাৱনৰ প্ৰচেষ্টা সমজে অব্যাহত ৰাখে। কাৰণ, এনে পৰিস্থিতিয়ে মানুহৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত কৰি তোলে। সম্প্ৰতি এনে বহু অনাকাংক্ষিত সামাজিক পৰিস্থিতিয়ে সামাজিক সমস্যাৰ ৰূপ ধাৰণ কৰিছে।

বৰ্তমান বিশ্বৰ সমাজবোৰ বিভিন্ন সামাজিক সমস্যাৰ দ্বাৰা আক্ৰান্ত। ভাৰতীয় সমাজ জীৱনতো এনে কিছু সমস্যাই ভূমুকি মাৰিছে যিবোৰ পৃথিৱীৰ আন ৰাষ্ট্ৰত নাই। সেয়েহে সামাজিক সমস্যাৰ প্ৰকৃত অৰ্থ চিনাক্তকৰণৰ লগতে, ইয়াৰ স্বৰূপ আৰু প্ৰকাৰসমূহ ভালদৰে বুজি পোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। সামাজিক সমস্যা হৈছে এনে এক সোঁচোৰা ব্যাধি যিটোৱে সমাজত আন আন বিভিন্ন সমস্যাত সৃষ্টিৰ উদ্‌গনি যোগায়। এনে সামাজিক সমস্যাসমূহৰ অন্তৰালত থকা কাৰণসমূহ বিচাৰি উলিওৱাতো সেয়েহে বিশেষভাৱে গুৰুত্বপূৰ্ণ।কাৰণ সামাজিক সমস্যাসমূহৰ উৎসৰ প্ৰকৃতি ভিন্ ভিন্। সমস্যা সমাধানৰ পথ সম্বন্ধে জানিবৰ বাবেও সমস্যা সৃষ্টিৰ কাৰণ সম্বন্ধে জনাটো প্ৰয়োজন। কাৰণ সমস্যা সৃষ্টিৰ উৎসৰ প্ৰকৃতি সম্বন্ধে বুজি পালেহে সমাধানৰ উপায় সহজ সাধ্য হৈ পৰে। সমস্যা এটা মিতাবৰ ববে তাৰ সঠিক সমাধানৰ পন্থা অপৰিহাৰ্য্য। কিয়নো যিকোনো সামাজিক সমস্যাই সংশ্লিষ্ট সমাজ এখনৰ পক্ষে ক্ষতিকাৰক।

এই অধ্যায়টিত আমি সামাজিক সমস্যাৰ অৰ্থ, প্ৰকৃতি, প্ৰকাৰ, কাৰণ আৰু ফলাফলৰ বিষয়ে আলোচনা কৰিম।

## ১.৩ সামাজিক সমস্যাৰ ধাৰণা

### ১.৩.১ সামাজিক সমস্যাৰ অৰ্থ

সামাজিক সমস্যাৰ অৰ্থ আৰু প্ৰকৃতি গভীৰভাৱে চিন্তা কৰাৰ সময়ত মানৱ মনত সততে কিছুমান প্ৰশ্নৰ উদয় হয়, যিবোৰৰ উত্তৰ বিচাৰি উলিওৱাটো অতীব প্ৰয়োজনীয়। এনে কিছুমান প্ৰশ্ন হ'ল— প্ৰকৃততে সামাজিক সমস্যা বুলিলে কি বুজা যায়?এই সমস্যাই মুষ্টিমেয় কিছুমান মানুহক নে সমগ্ৰ জনগণক প্ৰভাৱিত কৰে? যদিহে এটা নিৰ্দিষ্ট দল কোনো এক সামাজিক সমস্যাৰ দ্বাৰা প্ৰভাৱিত হয় তেনেহ'লে সেই দলটোৰ অন্তৰ্ভুক্ত কিমানগৰাকী সদস্য সমস্যাটোৰ দ্বাৰা প্ৰভাৱিত হ'লে তাক সামাজিক সমস্যা বুলি গণ্য কৰা হ'ব? অতীতৰ সমস্যা আৰু বৰ্তমান উদ্ভৱ হোৱা সমস্যাবোৰ একেপ্ৰকৃতিৰ নেকি?

বিশ্বৰ বিভিন্ন দেশত সংঘটিত হৈথকা সমস্যাবোৰ একে নহয়।তথাপি কিছুমান বিশেষ সমস্যা, যেনে— নিবনুৱা অৱস্থা, জুৱা খেল, অপৰাধমূলক কার্য্য আদি হ'ল পৃথিৱীৰ বিভিন্ন দেশৰ উমৈহতীয়া সমস্যা। আনহাতে, কোনো এখন দেশ নাইবা কোনো এক অঞ্চলৰ এনে কিছুমান বিশেষ সমস্যা আছে, যিবোৰ সেই দেশ নাইবা এলেকাটোৰ বৈশিষ্ট্য ৰূপে পৰিগণিত হৈছে। উদাহৰণ স্বৰূপে, ভাৰতবর্ষৰ জনজাতীয় আৰু জনগোষ্ঠীয় সমস্যা (SC/ST) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আফ্রিকান-আমেৰিকান সম্প্রদায়ৰ সমস্যা দুটা হ'ল দুয়োখন দেশৰে বিশেষ সমস্যা।

সময়ৰ অগ্রগতিৰ লগে লগে সামাজিক সমস্যাৰ প্রকৃতিৰো পৰিৱর্তনৰো হৈছে। অতীতৰ সমস্যা এটা বর্তমান সময়ত সমস্যা হিচাপে বিবেচিত নহ'বও পাৰে। একে ধৰণে, বর্তমান সময়ৰ কোনো এটা স্পর্শকাতৰ সমস্যা বিগত কিছু দশকৰ আগলৈ সমস্যা হিচাপে গণ্য কৰা নহ'বও পাৰে। উদাহৰণ স্বৰূপে, আমাৰ দেশত বিংশ শতাব্দীৰ শেষৰ চাৰিটা দশকত জনসংখ্যা বিস্ফোৰণক সামাজিক সমস্যা হিচাপে বিবেচনা কৰা হোৱা নাছিল। কিন্তু ১৯৫০ চনৰ আৰম্ভণিৰ পৰা এক অত্যন্ত গুৰুত্বপূর্ণ সমস্যাৰ ৰূপ লৈছিল। সামাজিক পৰিৱর্তনে এনে কিছু মান নতুন পৰিস্থিতিৰ সৃষ্টি কৰে যিবোৰ সমসাময়িক সমাজত সামাজিক সমস্যাৰূপে চিহ্নিত হয়। একে ধৰণে, ১৯৪০ চনলৈকে যুৱসমাজৰ উচ্ছৃংখলতা ভাৰতৰ বাবে কোনো সমস্যা নাছিল। কিন্তু ১৯৫০ আৰু ১৯৬০ চনত ই এক সমস্যাৰ ৰূপ ধাৰণ কৰে। ১৯৭০ আৰু ১৯৮০ চনত এই সমস্যা জটিল হৈ পৰে। বর্তমান সময়লৈকে সমস্যাটো জটিল হৈয়েই আছে।

## ১.৩.২ সামাজিক সমস্যাৰ সংজ্ঞা

বিভিন্ন পণ্ডিতে সামাজিক সমস্যাৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। ১৯৫২ চনত ৰেইনহার্ডে সামাজিক সমস্যাৰ সংজ্ঞা দি কৈছিল যে, "ই হৈছে সমাজৰ এটা অংশৰ মানুহ অথবা এটা দলে সন্মুখীন হোৱা এক পৰিস্থিতি, যাৰ পৰিণতি ক্ষতিকাৰক প্রকৃতিৰ আৰু এনে পৰিস্থিতি সমূহীয়াভাৱে নিয়ন্ত্রণ কৰিব পৰা যায়।"

১৯৬১ চনত ৰাল্শ্ব আৰু ফাৰফেই সামাজিক সমস্যাৰ সংজ্ঞা দি কৈছিল যে "সামূহিক প্রচেষ্টাৰ দ্বাৰা নিৰাময়সাধ্য সামাজিক অৱস্থাৰপৰা বিচ্যুত এক অৱস্থা ই হ'ল সামাজিক সমস্যা।" এই সংজ্ঞাটোৱে মূলতঃ দুটা দিশ প্রতিফলিত কৰিছে—

i) এক আদর্শবিহীন অথবা অনাকাংক্ষিত (অস্বাভাৱিক)পৰিস্থিতি,
ii) এই পৰিস্থিতি দলীয় প্রচেষ্টাৰ দ্বাৰা নিয়ন্ত্রণ কৰিব পাৰি। যদিও অপ্রত্যাশিত পৰিস্থিতি নির্ধাৰণৰ কোনো নির্দিষ্ট পৰিমাপন পদ্ধতি নাই তথাপি সামাজিক সমস্যা শব্দটোৰ দ্বাৰা সমাজে নিবিচৰা ধৰণৰ আৰু সামাজিক মঙ্গলৰ বাবে অনুপযুক্ত পৰিস্থিতিৰ কথাকে বুজোৱা হয়।

হ'র্টন আৰু লেচ্‌লীৰৰ মতে, "সামাজিক সমস্যা হ'ল এনেবোৰ অৱস্থা যিবোৰ সামাজিকভাৱে চিনাক্ত কৰা হয় আৰু সামাজিকভাৱে বিতর্কিত।" তেওঁলোকৰ মতে "ই হৈছে এনেকুৱা এক পৰিস্থিতি যিয়ে অবাঞ্ছিত উপায়ৰ দ্বাৰা যথেষ্ট সংখ্যক মানুহক প্রভাৱিত কৰে আৰু তেওঁলোকে অনুভৱ কৰে যে তেনে অৱস্থাৰ পৰা উপশম পাবলৈ যৌথ প্রচেষ্টাচলাব লাগিব। এই সংজ্ঞাটোৱে সামাজিক সমস্যাৰ লগত সংলগ্ন চাৰিটা স্পষ্ট ধাৰণাৰ ইঙ্গিত দিয়ে—

i) যথেষ্ট সংখ্যক মানুহক প্রভাৱিত কৰিব পৰা এক পৰিস্থিতি,
ii) অপ্রত্যাশিত হিচাপে বিবেচনাযোগ্য,
iii) কিবা এটা কৰাৰ অনুভৱ সৃষ্টিকাৰী,
iv) সমূহীয়া সামাজিক কার্য্যপন্থাৰ দ্বাৰা নিয়ন্ত্রণ কৰিব পৰা ধৰণৰ।

ৰেইনবার্গ (১৯৬৪)ৰ মতে, "সামাজিক সমস্যাবোৰ হ'ল সামাজিক প্রক্রিয়াবোৰৰ পৰা নির্গত হোৱা আচৰণৰ ধৰণ অথবা অৱস্থা যিবোৰ সমাজৰ অধিকাংশ লোকেই আপত্তিজনক অথবা অপ্রত্যাশিত বুলি ভাবে আৰু তেওঁলোকে সংশোধন নীতি, আঁচনি আৰু সেৱাসমূহৰ প্রয়োগৰ দ্বাৰা এই অৱস্থা আৱশ্যকীয় বুলি বিবেচনা কৰে।" ৰেইনবার্গে সামাজিক সমস্যাৰ ছটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে।

ই. চন্দ্রনে (১৯৯০)য়ে সামাজিক সমস্যাৰ সংজ্ঞা দি কৈছে যে, "সামাজিক সমস্যা হ'ল এক স্থায়ী, প্রধান সাম্প্রদায়িক বিষয়ৰ ৰূপত উন্মেষিত হোৱা সমস্যা যি বহু বছৰ ধৰি সমাজত প্রৱহমান হৈ আছে। হয়তো কিছু দশক অথবা শতিকা জুৰি সমস্যা এটাৰ প্রৱাহ সক্রিয় হৈ আছে।"

ল'ৰেল ডে. কাৰ (১৯৩৫)-এ কৈছে যে "যেতিয়াই আমি কোনো এক কঠিন পৰিস্থিতিৰ প্রতি সচেতন হওঁ, আমাৰ পছন্দ আৰু বাস্তৱিকতাৰ মাজত ব্যৱধানে দেখা দিয়ে তেতিয়াই সামাজিক সমস্যাই ভূমুকি মাৰে।"

মার্ট'ন আৰু নিচবেট (১৯৭১)-এ কৈছে যে "সামাজিক সমস্যা হ'ল আচৰণৰ এনে এক বা পদ্ধতি যিটো সামাজিক শৃংখলাৰ এক গুৰুত্বপূর্ণ অংশ স্বৰূপ। সামাজিক সমস্যা এটাই সাধাৰণতে এক অথবা ততোধিক গৃহীত অথবা স্বীকৃত প্রতিমান উলংঘা কৰে। তাৎপর্য্যপূর্ণভাৱে সামাজিক সমস্যাৰ এই সংজ্ঞাটো দুর্নীতি, মাদকদ্রব্যৰ সমস্যা আৰু সাম্প্রদায়িকতাবাদ আদিৰ দৰে কেতবোৰ বিশেষ সমস্যাৰ ক্ষেত্রত প্রযোজ্য, কিন্তু জনসংখ্যা বিস্ফোৰণৰ দৰে সমস্যাৰ ক্ষেত্রত ইয়াক প্রয়োগ কৰিব নোৱাৰি।"

সমাজবিদসকলে আগবঢ়োৱা উল্লেখিত সংজ্ঞাসমূহৰ উপৰিও এনে বহুতো সংজ্ঞা আছে যিবোৰে সামাজিক সমস্যাৰ স্বৰূপ প্রকাশক অর্থৰ ব্যাখ্যা প্রদানৰ প্রয়াস কৰে। এনে স্বৰূপ প্রকাশক সংজ্ঞাসমূহৰ পৰা ওলোৱা সামাজিক সমস্যাৰ বৈশিষ্ট্যবোৰ বিবেচনাযোগ্য। সামাজিক সমস্যা উদ্ভৱ হোৱাৰ মূল কাৰণবোৰ হ'ল—(১) সামাজিক পৰিস্থিতি আৰু (২) সামাজিক বাতাবৰণ দুয়োটা কাৰকে প্রায়েই একত্রিত হৈ সামাজিক

সমস্যাক উমৈহতীয়া বৈশিষ্ট্য প্রদান কৰে। অ-সামাজিক কার্য্যকলাপ, ব্যক্তিগত অদক্ষতা, পৰিয়াল অথবা ক্ষুদ্র দলৰ সমস্যাবোৰত প্রত্যক্ষভাৱে মানৱ পৰিৱেশৰ কিছুমান সংজ্ঞা প্রকট হৈ উঠা দেখা যায়। এনে বিসঙ্গতিসমূহক সামাজিক পৰিস্থিতিৰ শ্রেণীত অন্তর্ভুক্ত কৰিব পাৰি।এক আদর্শ সমাজ ব্যৱস্থাত ব্যক্তিগত গোটসমূহ একেই থাকে যদিও এনে বিসঙ্গতিসমূহ বিদ্যমান নহয়। উদাহৰণ স্বৰূপে, এই শ্রেণীৰ অন্তর্গত সমস্যাপূর্ণ দিশসমূহ হ'ল, কর্মসংস্থাপনহীন অৱস্থা, বেমাৰ-আজাৰ, নিঃসংগতা, অনৈতিক আচৰণ ইত্যাদি। সামাজিক গাঁথনি আৰু কার্য্যাৱলীৰ অসামাজিক আৰু বিসঙ্গতিপূর্ণ দিশসমূহ দ্বিতীয় শ্রেণীৰ অন্তর্ভুক্ত। এনে ত্রুটিপূর্ণ দিশসমূহ শুদ্ধ কৰাৰ ক্ষমতা কোনো ব্যক্তি অথবা ক্ষুদ্র দলৰ পৰিধিৰ বাহিৰত। সামাজিক সমস্যাৰ এই শ্রেণীৰ অন্তর্গত সমস্যাবোৰ হ'ল— যুদ্ধ, অবিৰত নিবনুৱা সমস্যা , ৰাজনৈতিক দূর্নীতি, ইত্যাদি।

সামাজিক সমস্যাৰ দুয়োটা প্রকাৰেই সমাজৰ উন্নতিৰ হকে সামাজিক শক্তি আৰু সামাজিক উপায়সমূহ প্রয়োগৰ প্রয়োজনীয়তাক দাবী কৰে। প্রথম প্রকাৰৰ সামাজিক সমস্যাসমূহ সমাধানৰ বাবে এক প্রকাৰৰ সামাজিক সংস্কাৰমূলক ব্যৱস্থা কিছুমান আছে আৰু দ্বিতীয় প্রকাৰৰ সমস্যাৰ অন্তর্ভুক্ত বিষয়সমূহ মুখ্যতঃ সামাজিক গাঁথনিৰ লগত সম্পর্ক আছে। সামাজিক গাঁথনি আৰু সামাজিক সংস্কাৰ ভিন্ন প্রকৃতিৰ। সামাজিক গাঁথনি প্রধানতঃ কার্য্যাৱলীৰ পৰিৱর্তে আন্তঃগাঁথনিৰ সৈতে জড়িত আৰু প্রচলিত প্রতিমানসমূহৰ ক্ষেত্রত মানৱ আচৰণত নব্য ধাৰণাৰ আৰু নতুন গাঁথনিৰ সৃষ্টি কৰে।

হ'র্টন আৰু লেচলী্ৰ সংজ্ঞা বিশ্লেষণ কৰি বর্তমান আমি কোন সময়ত আৰু কেনেকৈ এটা সামাজিক পৰিস্থিতিয়ে সামাজিক সমস্যাৰ ৰূপ পৰিগ্রহণ কৰিব পাৰেসেই কথা বুজিবলৈ সক্ষম হম। তেওঁলোকৰ মতে যিবোৰ পৰিস্থিতিয়ে এক বুজনসংখ্যক মানুহক নেতিবাচক ভাৱে প্রভাৱিত কৰে সেইবোৰেই সামাজিক সমস্যা। যদি আপোনাৰ কুকুৰৰ পোৱালিটোৱে আপোনাক নিতৌ অসুবিধা প্রদান কৰে, তেতিয়া হ'লে তাক সামাজিক সমস্যা বুলি বিবেচনা কৰিব নোৱাৰি।কাৰণ, এইটো এক বৃহৎ সংখ্যক মানুহৰ বাবে অসুবিধাৰ উৎস নহয়। আনহাতে, ভাৰতবর্ষত দুর্নীতিৰ সমস্যাটো এক ডাঙৰ সামাজিক সমস্যা। কাৰণ, ই এক বৃহৎ সংখ্যক মানুহক প্রভাৱিত কৰিছে। প্রতিদিনে বাতৰিকাকত, টিভি, আদিত দুর্নীতিৰ বিষয়ে বিভিন্ন কথা-বতৰা আৰু বিতর্ক চলিয়েই থাকে। এইবোৰে জনগণক যথেষ্ট প্রভাৱিত কৰে। এই পৰিস্থিতিৰ দ্বাৰা প্রভাৱিত হোৱা মানুহৰ পৰিমাণ সাংখ্যিকভাৱে প্রকাশ কৰাটো অত্যন্ত জটিল। দুর্নীতি নামৰ ব্যাধিটোৰ দ্বাৰা আক্রান্ত মানুহৰ সংখ্যা জনাৰ এটা উপায় হ'ল জনপ্রিয় প্রৱন্ধ আলোচনী, সংবাদ আলোচনী, বাতৰিকাকত আদিত প্রকাশ পোৱা লেখা-মেলাসমূহৰ পৰিসংখ্যা ৰখা। নিবনুৱা সমস্যা, জুৱা, অপৰাধমূলক কার্য্য আদিক সকলো দেশৰ উমৈহতীয়া সমস্যাৰূপে বিবেচনা কৰিব পৰা যায়। কোনো এখন দেশ নাইবা অঞ্চলত চলি থকা নির্দিষ্ট কিছুমান সমস্যাই সেই দেশ নাইবা অঞ্চলটোৰ প্রকৃতি প্রকাশ কৰে।

সামাজিক আদর্শ আৰু সামাজিক বাস্তৱিকতাৰ মাজত সৃষ্টি হোৱা ব্যৱধানৰ পৰিণতি স্বৰূপে দুর্নীতিৰ দৰে সামাজিক সমস্যাই ভুমুকি মাৰিব পাৰে।কথাটোৱে ইয়াকে বুজায় যে দুর্নীতি সমাজৰ প্রতিমানসমূহৰ দ্বাৰা আকাংক্ষিত বিষয় নহয়। দুর্নীতি নিবাৰণ কৰিবলৈ বৃহত্তৰ সমাজৰ প্রমূল্যসমূহ ধৰি ৰখাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত ল'ব লাগিব। বিংশ শতাব্দীৰ আৰম্ভণিতে নিচাযুক্ত দ্রব্য সেৱন প্রক্রিয়াক এক গুৰুতৰ সামাজিক সমস্যা ৰূপে চিহ্নিত কৰা হৈছে। ইয়াৰ ফলত পৰিয়ালত ভাঙোনমুখী চিন্তা, ল'ৰা-ছোৱালীৰ গুৰুত্বহীনতা, কর্মক্ষেত্রত আকস্মিক মৃত্যু আৰু সামাজিক হিংসাৰ দৰে পৰিঘটনাসমূহে মূৰ দাঙি উঠিছিল। সেয়েহে সমাজৰ সদস্যসকলে নিচাযুক্ত দ্রব্য সেৱনক এক ক্ষতিকাৰক অভ্যাসলৈ গণ্য নকৰালৈকে ইয়াক সামাজিক সমস্যাৰ শাৰীত ধৰিব পৰা নাযায়।সমাজৰ অধিকাংশ মানুহে শিশু শ্রমিক ব্যৱহাৰৰ প্রথাক সমাজৰ বাবে গ্রহণযোগ্য নহয় বুলি ভাবিবলৈ লোৱাৰ লগে লগে ই এক সামাজিক সমস্যাত পৰিণত হ'ল। সেয়েহে সামাজিক সমস্যা হিচাপে চিহ্নিত হ'বলৈ হ'লে সমাজৰ অধিকাংশ মানুহে কোনো কার্য্যৰ ক্ষতিকাৰক প্রভাৱৰ বিষয়ে চিন্তিত হোৱাৰ প্রয়োজন। সেই বাবে সামাজিক সমস্যা চিনাক্ত কৰাৰ উচিত বিচাৰ প্রক্রিয়া থকাটো প্রয়োজনীয়। অর্থাৎ,কোনো পৰিস্থিতিয়ে এক বৃহৎ সংখ্যক মানুহৰ ওপৰত ভাল নে বেয়া প্রভাৱ পেলাইছে তাক সঠিক ৰূপত বিশ্লেষণ কৰাটো আৱশ্যক।

সামাজিক সমস্যা এটাৰ সমাধানৰ উপায় থকাটো বাঞ্ছনীয়। উদাহৰণ স্বৰূপে, দুর্ভিক্ষৰ কথা উল্লেখ কৰিব পাৰি। যেতিয়ালৈকে দুর্ভিক্ষক নিয়তি অথবা প্রকৃতিৰ অংশ হিচাপে ধৰা হৈছিল তেতিয়ালৈকে ই সামাজিক সমস্যাত পৰিণত হোৱা নাছিল। কাৰণ, প্রাকৃতিক ঘটনাসমূহক মানুহে ইচ্ছাকৃতভাৱে পৰিৱর্তন কৰিব নোৱাৰে। একেদৰে, বানপানী নিয়ন্ত্রণক তেতিয়াহে এক সমস্যা ৰূপে বিবেচনা কৰা হৈছিল যেতিয়া ইয়াৰ প্রতিৰোধৰ উপায় সম্পর্কীয় চিন্তা-চর্চা আৰম্ভ হৈছিল। অন্যথা, ইয়াক মানুহৰ দুর্ভাগ্যৰ সমূহীয়া পৰিণতি অথবা পৰিহাস হিচাপে ধৰি লৈছিল। অর্থাৎ; সমাধানবিহীন পৰিস্থিতি এটাক কেতিয়াও সমস্যা বুলি ক'ব নোৱাৰি। একেদৰে কোনো গৰাকী ব্যক্তিয়ে যদি গণমাধ্যমৰ কোনো এটা চেনেলত প্রচাৰিত কোনো বিষয়ৰ লগত একমত হ'ব নোৱাৰে তেন্তে তেওঁ অসন্তোষ প্রকাশ কৰে অথবা বিৰুদ্ধাচৰণ কৰে। কিন্তু এই পৰিস্থিতিটোক সামাজিক সমস্যা বুলি ক'ব নোৱাৰি। যদি হেজাৰ হেজাৰ শ্রোতা-দর্শকে বিষয়টোক লৈ অসন্তুষ্টি প্রকাশ কৰে আৰু সমূহীয়া ৰূপত ইয়াৰ বিৰুদ্ধাচৰণ কৰে, তেন্তে সামাজিক সমস্যাৰ উদ্ভৱ হ'ব পাৰে। ইয়াৰ পৰা বুজা যায় যে এক সামাজিক পৰিস্থিতিৰ সমূহীয়া প্রভাৱৰ ওপৰত ভিত্তি কৰিহে পৰিস্থিতিটোক সামাজিক সমস্যা বুলি গণ্য কৰা হয়। সামাজিক সমস্যাৰ বিভিন্ন সংজ্ঞাই আমাক ইয়াৰ স্বৰূপ স্পষ্টভাৱে বুজি উঠাত বিশেষভাৱে সহায় কৰে। সংজ্ঞাসমূহৰ পৰা আমি গম পাওঁ যে সামাজিক সমস্যা হ'ল এনে এক পৰিস্থিতি

যিটোয়ে সমাজত প্রতিষ্ঠিত আৰু প্রচলিত প্রমূল্যসমূহক সঙ্কটাপন্ন কৰে। ই সমাজৰ গৰিষ্ঠসংখ্যক ব্যক্তিৰ সৈতে জড়িত। সামাজিক সমস্যাৰ পৰিণাম স্বৰূপ দমনকাৰী আৰু চিন্তাজনক পৰি স্থিতিয়ে তিনি প্রকাৰৰ উপাদানক সামৰি লয়—

- চিন্তাজনক বিষয় নাইবা উপাদান যিবোৰ সমাজৰ কেতবোৰ প্রমূল্যক প্রত্যাহ্বান জনায়।
- প্রত্যাহ্বানৰ মুখামুখি হোৱা সামাজিক প্রমূল্যবোৰ আৰু
- ব্যক্তি আৰু দলৰ এই প্রত্যাহ্বানৰ প্রতি তীব্র প্রতিক্রিয়া প্রকাশ।

এনে এক পটভূমিত ৰেইনবার্গে আগবঢ়োৱা সামাজিক সমস্যাৰ বৈশিষ্ট্যবোৰ এনে ধৰণৰ—

- সম্প্রদায়ৰ অধিকাংশ সদস্যৰ আপত্তিজনক অভিমতৰপৰা সামাজিক সমস্যাৰ সৃষ্টি হয়। সম্প্রদায়ৰ দ্বাৰা সমাজৰ বাবে প্রতিকূল কোনো পৰিস্থিতিক বর্জনীয় অথবা নিন্দনীয় হিচাপে বিবেচনা নকৰালৈকেই সামাজিক সমস্যা ৰূপে পৰিগণিত নহয়। উদাহৰণ স্বৰূপে, নিচাযুক্ত দ্রব্য সেৱনক যদি সমাজৰ দ্বাৰা আপত্তিজনক কার্য্য বুলি ভবা নহয় তেন্তে ইয়াক সামাজিক সমস্যা বুলি গণ্য কৰা নহয়। কিন্তু নিচাযুক্ত দ্রব্যৰ সেৱনক যদি সমাজে এক সমস্যা হিচাপে আলোচনা কৰি ইয়াৰ পৰিণতি নিয়ন্ত্রণৰ বাবে এক সঠিক কর্মপন্থাৰ পৰিকল্পনা কৰে, তেন্তে এই কার্য্যটোক সামাজিক সমস্যা হিচাপে সংজ্ঞায়িত কৰিব পাৰি।
- যেতিয়া সংশ্লিষ্ট আচৰণ গাঁথনিবোৰ বিভিন্ন ধৰণে ব্যাখ্যা কৰা হয় তেতিয়া সামাজিক সমস্যাবোৰৰ ৰূপ সলনি হয়। উদাহৰণ স্বৰূপে, কিছু দশক আগলৈকে মানসিক অসুস্থতাক এক উন্মাদজনক আচৰণ হিচাপে বিবেচনা কৰা হৈছিল আৰু পৰিয়ালৰ সদস্যসকলে ইয়াকএক অপমানজনক কথা বুলি ধৰি লৈ গোপনে ৰাখিছিল। বর্তমান মানসিকভাৱে অসুস্থ ব্যক্তি এগৰাকীৰ আচৰণক কেৱল বিচ্যুত আচৰণৰ এটা প্রকাৰ হিচাপে ধৰা হয়। এই সমস্যা আঁতৰ কৰিবলৈ মনোৰোগ চিকিৎসক আৰু সামাজিক চিকিৎসাৰ প্রয়োজন। একেদৰে, বর্তমান মানসিক অসুস্থতাৰ সমস্যাক বাস্তৱসন্মতভাৱে আৰু কার্য্যকৰীভাৱে নাইকিয়া কৰিব পাৰি।
- গণমাধ্যমসমূহে (বাতৰিকাকত, আলোচনী, দূৰদর্শন, অনাতাঁৰ যন্ত্র, বোলছবি) সামাজিক সমস্যাৰ পৰিসৰ বুজোৱা আৰু জৰুৰীকালীন অৱস্থাৰ প্রতি সজাগতা সৃষ্টিৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- সামাজিক সমস্যাসমূহক সমাজ এখনৰ প্রমূল্য আৰু সামাজিক অনুষ্ঠানসমূহৰ পটভূমিত বিশ্লেষণ কৰা প্রয়োজন। উদাহৰণ স্বৰূপে, ভাৰতবর্ষৰ অস্পৃশ্যতাৰ সমস্যাটোতকৈ আমেৰিকা যুক্তৰাষ্ট্রৰ জাতিগত সংঘাতৰ সমস্যাটো পৃথক বৈশিষ্ট্যযুক্ত।
- সামাজিক সমস্যাসমূহ দলীয় প্রক্রিয়া আৰু সামাজিক সম্পর্কসমূহৰ প্রভাৱৰ ভিত্তিত বিশ্লেষণ কৰা উচিত।

- সামাজিক সমস্যাসমূহ ঐতিহাসিকভাৱে ভিন্ন ধৰণৰ। সমসাময়িক সামাজিক সমস্যাসমূহৰ সামাজিক জীৱন প্ৰক্ৰিয়াৰ লগত গভীৰ সম্পৰ্ক আছে। উদাহৰণ স্বৰূপে, ১৯৪৭-৪৮ চনত সৃষ্টি হোৱা শৰণাৰ্থীৰ বসতি স্থাপনৰ সমস্যাটো ১৯৮৮-৮৯ চনত শ্ৰীলঙ্কাৰ পৰা অহা তামিল শৰণাৰ্থীৰ সমস্যাটোতকৈ ভিন্ন প্ৰকৃতিৰ।

সামাজিক সমস্যা এটা গভীৰভাৱে বুজি উঠিবৰ বাবে ইয়াৰ লগত জড়িত আন কেতবোৰ উপাদানো আলোচনা কৰা উচিত। মাজে সময়ে কিছুমান প্ৰভাৱশালী শ্ৰেণীয়ে কোনো এক সমস্যাক সামাজিক সমস্যা বুলি আখ্যা কৰে।

সামাজিক সমস্যা এটা পোহৰলৈ অনাত গণমাধ্যমসমূহেও এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা দেখা যায়। কোনো পৰিস্থিতিৰ দ্বাৰা প্ৰভাৱিত লোকৰ দ্ৰুত সংখ্যা বৃদ্ধিয়েও মাজে সময়ে বিভিন্ন সমস্যাক সমস্যাৰ সংজ্ঞা প্ৰদান কৰে।

কেতিয়াবা এক কাল্পনিক পৰিস্থিতিয়েও সামাজিক সমস্যাৰ সংজ্ঞা লাভ কৰিব পাৰে। বেছিভাগ সামাজিক পৰিস্থিতি প্ৰকৃতপক্ষে বাস্তৱিক। কিন্তু, গণ-বিভ্ৰান্তিৰ ওপৰত আধাৰিত সমস্য সমূহৰ বেছিভাগেই সময় সাপেক্ষ। এটা সামাজিক সমস্যা সমাধানৰ বাবে সমস্যাটোৰ লগত জড়িত বিভিন্ন দিশ চিন্তা কৰি চোৱাটো প্ৰয়োজনীয়। সমস্যা সৃষ্টিকৰী পৰিস্থিতি বস্তুনিষ্ঠভাৱে সঠিক দৃষ্টিভঙ্গীৰ ওপৰত আধাৰিত নহয়। সামাজিক পৰিস্থিতিৰ অস্তিত্বৰ প্ৰতি গুৰুত্ব দিয়া সম্পৰ্কে অথবা সামাজিক পৰিস্থিতি সম্পৰ্কে সঠিক নিৰ্ণয় লোৱা লোকসকলে সামূহিক জীৱন প্ৰক্ৰিয়াৰ সামান্যতম ক্ষতিসাধন কৰিব পৰা বিষয়সমূহক লৈ চিন্তিত হোৱা দেখা যায় আৰু সম্প্ৰদায়ৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাব পৰা বিধৰ গুৰুতৰ বিষয়সমূহ এৰাই চলিব বিচাৰে।

ৱেইনবাৰ্গৰ বৈশিষ্ট্যসমূহৰ উপৰি আলোচিত সংজ্ঞাসমূহৰ ওপৰত ভিত্তি কৰি পোৱা সামাজিক সমস্যাৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ—

- সকলোবোৰ সামাজিক সমস্যাৰে কিছুমান উমৈহতীয়া মূল নাইবা উৎস আছে।
- সকলোবোৰ সামাজিক সমস্যা উৎপত্তিৰ আধাৰ সামাজিক।
- সকলো ধৰণৰ সামাজিক সমস্যাই আদৰ্শগত পৰিস্থিতিৰ পৰা বিচ্যুত ধৰণৰ।
- সকলোবোৰ সামাজিক সমস্যাযুক্ত পৰিস্থিতিৰ পৰিণতি সমাজৰ বাবে ক্ষতিকাৰক আৰু দুখজনক।
- সকলোবোৰ সামাজিক সমস্যাই আন্তঃসম্পৰ্কযুক্ত।
- সকলো ধৰণৰ সামাজিক সমস্যা অসুস্থ সামাজিক পৰিস্থিতিৰ পৰা উদ্ভৱ হয়।
- সামাজিক সমস্যাবোৰ সকলো সমাজতে সংঘটিত হয়।
- সামাজিক সমস্যাসমূহৰ ফলাফল সামাজিক। অৰ্থাৎ, ই সমাজৰ সকলো স্তৰৰ মানুহকে প্ৰভাৱিত কৰে।
- সামাজিক সমস্যাসমূহ আঁতৰ কৰাত সমাজে এক মুখ্য ভূমিকা লয়। অৰ্থাৎ, এই সমস্যাসমূহ সমাধানৰ বাবে সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন।

## ১.৪ সামাজিক সমস্যাৰ প্ৰকাৰ

সামাজিক সমস্যাৰ প্ৰকাৰ সম্বন্ধে ভিন্ন দৃষ্টিভঙ্গী আছে।সামাজিক সমস্যাৰ উৎসৰ ওপৰত ভিত্তি কৰি ১৯৬৪ চনত কেছে (Case) চাৰিটা প্ৰকাৰ চিনাক্ত কৰিছিল। প্ৰকাৰকেইটা হ'ল—

- কিছুমান সামাজিক সমস্যাৰ কিছুমান দিশ সমাজ এখনৰ ভৌতিকপৰিৱেশত নিহিত হৈ থাকে।
- সামাজিক সমস্যা হ'ল জনসংখ্যাৰ প্ৰকৃতি অথবা বিতৰণৰ অন্তঃৰ্নিহিত সমস্যা।
- সামাজিক সংগঠনৰ দুৰাৱস্থাৰ ফলত সৃষ্টি হোৱা সমস্যাকে সামাজিক সমস্যা বুলিব পাৰি।
- সমাজৰ সাংস্কৃতিক প্ৰমূল্যৰ সংঘাতৰফলত সৃষ্টি হোৱা সমস্যাই সামাজিক সমস্যা।

ফুলেৰ আৰ মায়ার্চ (১৯৪১)ৰ মতে সামাজিক সমস্যাক তিনিটা ভাগত বিভক্ত কৰিব পাৰি—

- **ভৌতিক সমস্যা ঃ** প্ৰকৃতিৰ প্ৰতিকূল পৰিস্থিতিৰ পৰা উদ্ভৱ হোৱা সমস্যাবোৰ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। বানপানী, দুৰ্ভিক্ষ আদিৰ দৰে সামাজিক সমস্যাসমূহ প্ৰমূল্য সঙ্কটৰ ফলাফল নহয়। কেতবোৰ প্ৰাকৃতিক কাৰণবশতঃ এইবোৰ সমস্যাৰ উদ্ভৱ হয়।
- **উন্নয়নমুখী সমস্যা ঃ** এই শ্ৰেণীত সেইবোৰ সমস্যা অন্তৰ্ভুক্ত কৰা হৈছে যিবোৰ সমস্যা সম্পৰ্কে মানুহে সহমত পোষণ কৰে কিন্তু এই সমস্যাসমূহৰ সমাধান সন্দৰ্ভত বিভিন্ন ধৰণৰ অভিমত আগবঢ়ায়। উদাহৰণ স্বৰূপে, অপৰাধমূলক কাৰ্য্য, দৰিদ্ৰতা, এইড্‌ছ ইত্যাদি।
- **নৈতিক সমস্যা ঃ** নৈতিক সমস্যাবোৰ হ'ল সেইবোৰ সমস্যা যিবোৰৰ প্ৰকৃতি আৰু কাৰণ বুজোৱা দিশসমূহক লৈ কোনেও সহমত প্ৰকাশ নকৰে। উদাহৰণ স্বৰূপে, জুৱা খেল, নিচাযুক্ত দ্ৰব্যৰ সেৱন আৰু বিবাহ বিচ্ছেদ ইত্যাদি।

## ১.৫ সামাজিক সমস্যাৰ কাৰণ

একোটা বিশেষ সামাজিক সমস্যা সৃষ্টি হোৱাৰ অন্তৰালত বিভিন্ন কাৰকে ক্ৰিয়া কৰে। এটা সামাজিক সমস্যাৰ আন এটা সামাজিক সমস্যাৰ লগত সম্পৰ্ক থাকিব পাৰে। উদাহৰণ স্বৰূপে, দৰিদ্ৰতাৰ সমস্যাৰ লগত দুৰ্বল স্বাস্থ্য, পুষ্টিহীনতা, অপৰাধমূলক কাৰ্য্য ইত্যাদিবোৰৰ সম্পৰ্ক আছে। সকলো ধৰণৰ সমাজ ব্যৱস্থাতে সহজ কিম্বা জটিল ৰূপত সামাজিক সমস্যাৰ উপস্থিতি থাকে। মূলতঃ প্ৰতিকূল সামাজিক পৰিৱেশৰ বাবে এনে সমস্যাৰ সৃষ্টি হয় বুলি ক'ব পাৰি। কোনো এক সামাজিক দলৰ সদস্যসকলৰ মাজত সমাযোজনৰ অভাৱ আৰু সংঘাটপূৰ্ণ পৰিস্থিতিয়ে সামাজিক সম্পৰ্কবোৰ দুৰ্বল কৰি পেলায় যাৰ দ্বাৰা সামাজিক সমস্যাৰ সৃষ্টিৰ এক মুখ্য কাৰণ হ'ব পৰে।

ৰাম আহুজাৰ মতে সামাজিক সমস্যাৰ লগত জড়িত তিনিটা মূল উপাদান হ'ল—

- সামাজিক সমস্যা সৃষ্টিকাৰী উপাদানসমূহ অলেখ। সামাজিক পৰিৱেশত বহুলভাৱে দেখিবলৈ পোৱা সামাজিক সমস্যাৰ কাৰণবোৰ হ'ল—

- সামাজিক ব্যৱস্থাৰ মাজত হোৱা বিৰোধভাৱ নাইবা দ্বন্দ্ব।
- অর্থনৈতিক ব্যৱস্থাৰ অফলপ্রসূতা।
- ধর্মীয় ব্যৱস্থাত পৰিৱর্তনৰ অভাৱ।
- ৰাজনৈতিক ব্যৱস্থাৰ ত্রুটিপূর্ণ কার্য্য সম্পাদন পদ্ধতি।

- সামাজিক সমস্যাবোৰে উমৈহতীয়া কাৰণজনিত উপাদানসমূহক সবল ভিত্তি প্রদান কৰে।
- সামাজিক সমস্যাসমূহৰ মাজত থকা আন্তঃসম্পর্কবোৰ হ'ল যৌথভাৱে সঞ্চয়মূলক আৰু উত্তেজক। অর্থাৎ, সমস্যাবোৰে এটাই আনটোক উৎসাহিত কৰিব পাৰে।

  ৰেইনহার্ড (১৯৫৪)ৰ মতে সামাজিক সমস্যাসমূহৰ বিকাশত তিনিটা উপাদান জড়িত হৈ থাকে—

- ন্যস্ত স্বার্থ আৰু কার্য্যৰ বিভেদকৰণ তথা বিভেদৰ গুণাঙ্কভৱন ঃ

  যদি বিভিন্ন ব্যক্তি, গোষ্ঠী, প্রতিষ্ঠান আৰু পদ্ধতিৰ মাজত স্বার্থক লৈ সংঘাতৰ সৃষ্টি হয় তেন্তে এনে সংঘাতে নতুন সামাজিক সমস্যাৰ সৃষ্টি কৰে। ৰেইনহার্ডে এনে পৰিস্থিতিক এক বৃহৎ সংস্থাৰ লগত তুলনা কৰিছে, য'ত বিভিন্ন অংশৰ মাজত অপ-সমাযোজনৰ সম্ভাৱনা প্রবল। অস্পৃশ্যতা, সাম্প্রদায়িক সংঘর্ষ আৰু ৰাজনৈতিক অপৰাধজনিত কার্য্যসমূহৰ দৰে সামাজিক সমস্যাবোৰ হ'ল মূলতঃ বিভিন্ন জাতি আৰু শ্রেণীৰ মাজত হোৱা বিবাদৰ ফলাফল।

- সামাজিক পৰিৱর্তন অথবা সভ্যতাৰ বিকাশৰ দ্রুততা ঃ

  কেতিয়াবা বৈজ্ঞানিক আৰু যান্ত্রিক অভিনৱত্বৰ আগ্রাসনৰ ফলস্বৰূপে সামাজিক সমস্যাৰ সৃষ্টি হোৱা যেন অনুভৱ হয়। উদাহৰণ স্বৰূপে, যন্ত্রৰ আৱিষ্কাৰ আৰু ব্যৱহাৰে পৰম্পৰাগত নিয়োগ ব্যৱস্থা সলনি কৰাৰ ফলত কোটি কোটি মানুহ হৈ পৰিছে কর্মসংস্থাপনহীন। ই শ্রেণী সংঘাতৰ বীজ ৰোপণ কৰিছে। এনেধৰণৰ বৈপ্লৱিক আৱিষ্কাৰবোৰেও সংৰচনাত্মক আৰু ক্রিয়াত্মক অপ-সমাযোজনৰ দ্বাৰা যথেষ্ট সংখ্যক সামাজিক সমস্যাৰ সৃষ্টি কৰে।

- মানুহৰ মাজত বিজ্ঞানসম্মত বিশ্লেষণৰ অন্তর্দৃষ্টিৰ বিকাশ ঃ

  মানুহে সামাজিক অন্তর্দৃষ্টিৰ বিকাশৰ দ্বাৰা কর্মৰ প্রকৃতি আৰু বিভিন্ন বিষয় সহজ বুলি ভাবিবলৈ লৈছিল। সম্প্রতি সেই বিষয়সমূহক মানুহ আৰু সমাজক প্রভাৱিত কৰিব পৰা বিভিন্ন প্রাকৃতিক অৱস্থাৰ ফলাফল বুলি ভবা হয়।

- **ৰাজনৈতিক অধীনতা ঃ**
  - দৰিদ্রতাৰ সমস্যা, নিবনুৱা সমস্যা, জনসংখ্যা বৃদ্ধি, জীৱনৰ নিম্ন গুণগত মান আৰু নিৰক্ষৰতা আদিবোৰ হ'ল ৰাজনৈতিক অধীনতা নাইবা অৱদমনৰ পৰিণতি।
  - দ্রুত উদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলত যুৱ অপৰাধ প্রৱণতা, বেশ্যাৰ সমস্যা, চৰম দৰিদ্রতা ইত্যাদিসমস্যাৰ সৃষ্টি হয়।
  - ধর্মৰ ক্ষেত্রত অধিক আনুষ্ঠানিকতা ঃ দুর্নীতি, নৈতিক অধঃপতন ইত্যাদিৰ কাৰণ।
  - নব্য সামাজিক গাঁথনি ঃ সাম্প্রদায়িত সংঘর্ষ, আঞ্চলিকতাবাদ, ভাষাবাদ, সাম্প্রদায়িকতাবাদ ইত্যাদি।

## ১.৬ সামাজিক সমস্যাৰ ফলাফল

সাধাৰণতে সামাজিক সমস্যাৰ পৰিণতি অতি ক্ষতিকাৰক হোৱা দেখা যায়। কিন্তু সমস্যাৰ গভীৰতা অনুযায়ী ইয়াৰ কুপ্রভাৱসমূহ বেলেগ বেলেগ ধৰণৰ হ'ব পাৰে। সামাজিক সমস্যাৰ সংজ্ঞাসমূহৰ পৰা এইটো জানিব পৰা গৈছে যে সামাজিক সমস্যাই এক বিসংগতি সামাজিক সম্পর্ক আৰু প্রত্যাশিত সামাজিক মানসমূহৰ উলংঘণক বুজায়। প্রকৃতার্থত সামাজিক সমস্যাবোৰ আৰু সামাজিক বিসংগঠনৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে। অধ্যাপক টিম্চে এক পর্য্যবেক্ষণৰ অন্তত কৈছিল যে সামাজিক সমস্যাসমূহ বৃদ্ধি কৰা অৱস্থাসমূহক সামাজিকভাৱে অস্থিৰ অৱস্থা, সামাজিক বিসংগঠন আৰু সামাজিক বিচ্যুতি হিচাপে ব্যাখ্যা কৰিব পাৰি। তেওঁ পুনৰ কৈছিল যে কিছুমান বিশেষ পৰিস্থিতিৰ দ্বাৰা সমাজ বিচ্যুত ব্যক্তিসকলে নিজাববীয়াকৈ দল গঠনৰ চেষ্টা কৰে আৰু ইয়ে এটা সময়ত সামাজিক সমস্যাৰ সৃষ্টি কৰে। এনে এক অসুস্থকৰ অৱস্থাত ব্যক্তি আৰু সমাজৰ মাজত ইতিবাচক চিন্তাৰ বিকাশ ঘটোৱাটো অত্যন্ত জটিল। সকলো ধৰণৰ সামাজিক সমস্যাই বিকাশৰ পথত প্রতিবন্ধকতাৰ সৃষ্টি কৰে। এটা সামাজিক সমস্যাই সমাজ এখনৰ বিস্তৰ ক্ষতিসাধন কৰিব পাৰে। উদাহৰণ স্বৰূপে, নিবনুৱাৰ দৰে ভয়াবহ সামাজিক সমস্যাই দৰিদ্রতা, ভিক্ষাবৃত্তি, নিচাযুক্ত দ্রব্যৰ ব্যৱহাৰ, দুর্বল স্বাস্থ্য, অপৰাধমূলক কার্য্য ইত্যাদিৰ উত্থান ঘটাব পাৰে। একেদৰে, ভাৰতবর্ষৰ জনজাতীয় আৰু জনগোষ্ঠীয় লোকসকলে সন্মুখীন হোৱা সমস্যাবোৰে সামাজিক আন্দোলনৰ সৃষ্টি কৰিব পাৰে।ইয়ে আকৌ সমগ্র ৰাজনৈতিকপৰিস্থিতিত প্রভাৱ পেলাব পাৰে।বানপানী অথবা দুর্ভিক্ষৰ সমস্যাই জৰুৰীকালীনভাৱে নতুন অসহায় মানুহৰ সমষ্টি একোটা গঠন কৰিব পাৰে। সামগ্রিকভাৱে সামাজিক সমস্যাবোৰে এখন সমাজৰ অর্থনৈতিক, ৰাজনৈতিক আৰু ধর্মীয় বাতাবৰণক প্রভাৱিত কৰে। সেয়েহে সামাজিক সমস্যাবোৰক এখন সমাজৰ দুর্ভাগ্যজনক অৱস্থা বুলিব পাৰি। এখন সমাজৰ প্রগতিৰ বাবে সমূহীয়া প্রচেষ্টাৰ জৰিয়তে এনে অবাঞ্ছিত পৰিস্থিতিক সমাজৰ পৰা আঁতৰ কৰা প্রয়োজন।

সমসাময়িক সমাজতাত্ত্বিক তত্ত্ব আৰু অনুশীলনৰ প্রৱণতা হ'ল সমাজৰ বর্ধিত সামাজিক সমস্যাবোৰ বিবেচনা কৰা। এনে ধৰণৰ পৰম্পৰাই আধুনিক জীৱন প্রক্রিয়াত থকা জটিলতাসমূহ চিনাক্ত কৰাৰ প্রয়াস কৰে।



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** তলত দিয়া উক্তিসমূহ সঁচানে মিছা কওক—

ক) ভাৰতবর্ষত দুর্নীতি এক সামাজিক সমস্যা।

খ) সামাজিক পৰিস্থিতি এটাক সামাজিক সমস্যালৈ ৰূপান্তৰ কৰিবলৈ সমূহীয়া প্রচেষ্টাৰ প্রয়োজন।

গ) যদি আপোনাক আপোনাৰ কুকুৰৰ পোৱালিটোৰে নিতৌ অসুবিধা প্রদান কৰে তেতিয়া হ'লে ই এক সামাজিক সমস্যা হৈ পৰিব।

ঘ) নৈতিক সমস্যাই সেইবোৰ সমস্যাৰ কথা বুজায় যিবোৰৰ প্ৰভাৱ সম্পৰ্কে মানুহে সহমত প্ৰকাশ কৰে।



## ১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি শিকিলোঁ যে—

- সামাজিক সমস্যাৰ ধাৰণাটো সম্পৰ্কে বিভিন্ন দৃষ্টিভঙ্গী আছে। অধিকাংশ মানুহেই সামাজিক সমস্যা সম্পৰ্কে কিছু কথা জানে কিন্তু তেওঁলোকৰ জ্ঞান প্ৰায়ে অসংলগ্ন আৰু বিৰোধী ভাৱাপন্ন।
- সামাজিক সমস্যাৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰিবলৈ সমাজবিদসকলে যথেষ্ট সংখ্যক সংজ্ঞা আগবঢ়াইছে।
- বিশ্বৰ বিভিন্ন দেশৰ সামাজিক সমস্যাবোৰ একে নহয়। কিন্তু কিছুমান বিশেষ সামাজিক সমস্যা সকলো দেশৰে উমৈহতীয়া সমস্যা। আনহাতে, কিছুমান বিশেষ সামাজিক সমস্যাই এখন বিশেষ দেশ নাইবা অঞ্চলৰ বৈশিষ্ট্য প্ৰকাশ কৰে।
- হ'ৰ্টন আৰু লেচলীৰ সংজ্ঞা অনুযায়ী যেতিয়া কোনো একপৰিস্থিতিয়ে এক বৃহৎ সংখ্যক মানুহক প্ৰভাৱিত কৰে তেতিয়া তেনে সামাজিক পৰিস্থিতিটো সামাজিক সমস্যাত পৰিণত।
- সামাজিক সমস্যা এটা নাইকিয়া কৰিবলৈ সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন।
- সামাজিক সমস্যা এটা পোহৰলৈ অনাত গণমাধ্যমসমূহেও এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- সামাজিক সমস্যাৰ প্ৰকাৰ বিষয়ক বিভিন্ন দৃষ্টিভঙ্গী আছে।
- মূলতঃ প্ৰতিকূল সামাজিক পৰিস্থিতিৰ বাবে সামাজিক সমস্যাবোৰ সৃষ্টি হয় বুলি ক'ব পাৰি। কোনো এক সামাজিক দলৰ সদস্যসকলৰ মাজতসৃষ্টি হোৱা সমাযোজনৰ অভাৱ আৰু সংঘাটপূৰ্ণ পৰিস্থিতিয়ে সামাজিক সম্পৰ্কবোৰ দুৰ্বল কৰি তোলে। ই সামাজিক সমস্যা সৃষ্টিৰ এক মুখ্য কাৰণ।



## ১.৮ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*

১) শইকীয়া, জে. পি. (২০০৪) ঃ *সমাজ ঃ সমস্যা আৰু সমাধান*; যোৰহাট ঃ বিদ্যা ভৱন।

*ইংৰাজী গ্ৰন্থ ঃ*

1) Ahuja, Ram (2006): *Social Problems in India*. New Delhi: Rawat Publications.

2) Chanddran, E. (1990): *Social Problems of India*. New Delhi: Cosmos Bookhive (P.) Ltd.
3) Ghosh, Biswanath (1988): *Contemporary Social Problems of India*. New Delhi: Himalaya Publishing House.
4) Horton, Paul B. & Gerald. R. Leseie (1955): *The Sociology of Social Problems*. New Jersey: Prentice-hall, Inc., Englewood Cliffs.
5) Madan, G. R. (1990): *Indian Social Problems*. New Dras Nagpur, Ahmedabad, Bangalore Hyderabad, Lukhnow: Allied Publishers Limited.
6) Prasad, B. K. (2004): *Social Problems in India*. New Delhi: Anmol Publications Pvt. Ltd.

## ১.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ক) সত্য, খ) অসত্য, গ) অসত্য, ঘ) অসত্য

## ১.১০ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** সামাজিক সমস্যাৰ সংজ্ঞা দিয়ক।

**প্রশ্ন ২ ঃ** আপোনাৰ অঞ্চলত থকা সামাজিক সমস্যাসমূহৰ তালিকা এখন প্রস্তুত কৰক।

**প্রশ্ন ৩ ঃ** সামাজিক সমস্যাৰ প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ৪ ঃ** সামাজিক সমস্যাৰ দুটা কাৰণ লিখক।

**প্রশ্ন ৫ ঃ** সামাজিক পৰিস্থিতি এটাক সামাজিক সমস্যালৈ ৰূপান্তৰ কৰা উপাদানসমূহ কি কি?

*** ***** ***

# অধ্যায় ২ ঃ অপৰাধ

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ অপৰাধৰ অর্থ
২.৪ অপৰাধৰ প্রকাৰ
২.৫ অপৰাধৰ কাৰণ
২.৬ অপৰাধৰ কাৰণ, অপৰাধমূলক আচৰণ আৰু শাস্তি ব্যাখ্যাকাৰী তত্ত্ব
২.৭ ভাৰতবর্ষত অপৰাধৰ ৰূপ
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আর্হি প্রশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অপৰাধনো কি তাৰ জ্ঞান লাভ কৰিব
- বিভিন্ন প্রকাৰৰ অপৰাধ চিনাক্ত কৰিব পাৰিব
- অপৰাধৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব
- ভাৰতবর্ষত অপৰাধ ৰোধ কৰাৰ বাবে প্রণয়ন কৰা আইন আৰু ধাৰাসমূহৰ বিষয়ে জানিব পৰিব।

## ২.২ পৰিচয়

সাধাৰণভাৱে, অপৰাধ হ'ল সামাজিক আইনসমূহৰ অৱমাননা। মানুহে সমাজ জীৱন আৰম্ভ কৰাৰ সময়ৰে পৰাই অপৰাধৰ সূচনা ঘটে বুলিব পাৰি। ইয়াক এক অসামাজিক ব্যৱহাৰ বুলি গণ্য কৰা হয়। এই কার্য্যবোৰত এটা শ্রেণীৰ লোকে অসন্তুষ্টি প্রকাশ কৰে আৰু একে কামৰ বাবে দণ্ড নাইবা শাস্তিৰ নিয়ম আছে। শাস্তি বিহীন কিছুমান কার্য্যক কু-কার্য্য (Sinful) বুলি গণ্য কৰিলেও অপৰাধ (Crime) বুলি ধৰা নহয়। কিন্তু, বর্তমান সময়ত এজন অপৰাধীক অকল দোষী বুলি গণ্য নকৰি, পৰিৱেশৰ দ্বাৰা আক্রান্ত, মানসিকভাৱে বিভ্রান্ত নাইবা অসুস্থ হৈ পৰা বুলিও গণ্য কৰা হয়। এসময়ত অপৰাধমূলক কার্য্যৰ বাবে শিশু নাইবা নাবালক এটিকো শাস্তি দিয়াৰ নিয়ম আছিল। কিন্তু বর্তমান সময়ত এই ব্যৱস্থাৰ আমূল পৰিৱর্তন ঘটিছে। প্রত্যেক দেশতেই

অপৰাধী সংশোধন আৰু অপৰীধীক পথ নির্দেশ শুদ্ধপ্রদানৰ প্রচেষ্টা হাতত লোৱা হয় আৰু এইসকল ব্যক্তিক সৎ নাগৰিক হিচাপে গঢ়ি তুলিবলৈ প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰা হয়। এই পাঠটিত আমি অপৰাধ সম্বন্ধীয় ধাৰণাটো বুজাৰ চেষ্টা কৰিম।

## ২.৩ অপৰাধৰ অর্থ

অপৰাধ তত্ত্ববিদসকলে (Criminologists) অপৰাধৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। এগৰাকী বিখ্যাত অপৰাধ তত্ত্ববিদ চি. দাৰ'ই কৈছিল যে, "অপৰাধ হ'ল এনে এক কার্য্য যিটো দেশৰ আইনে নিষিদ্ধ গণ্য কৰে আৰু দোষীক শাস্তিৰ বিধান দিয়ে।" এই সংজ্ঞা ভালদৰে নিৰীক্ষণ কৰিলে দেখা যায় যেএই সংজ্ঞাই সামাজিক দৃষ্টিকোণক যথেষ্ট গুৰুত্ব দিছে।ন্যায়িক দৃষ্টিকোণেৰে আইন অমান্য কৰাই হ'ল অপৰাধ। বার্নচ আৰু জিতার্চ-এ কৈছিল যে, "অপৰাধ শব্দটোৱে কাৰিকৰীগত (Technically)ভাৱে একধৰণৰ অসামাজিক আচৰণকে বুজায় যিবোৰ আচৰণে সামাজিক বিচাৰধাৰাক এনেভাৱে উলংঘন কৰে যিটো দেশীয় আইনে নিষিদ্ধ বুলি গণ্য কৰে।"এই সংজ্ঞাই দেশীয় আইনে নিষিদ্ধ ঘোষণা নকৰা অসামাজিক কার্য্যসমূহক অন্তর্ভুক্ত কৰা নাই। এইটো সত্য যে দুষ্কার্য্য (Criminality) ই সামাজিক কার্য্যসমূহৰ লগতে আইনে নিষিদ্ধ ঘোষণা কৰা সকলো কার্য্যক বুজায়। আন এগৰাকী বিখ্যাত অপৰাধতত্ত্ববিদ ই. এইছ. ছুথেৰলেণ্ডৰ মতে অসামাজিক আচৰণসমূহৰ বাবে যদিও শাস্তি দিয়া নহয়, তথাপিও জনসাধাৰণে এই কার্য্যকসমূহ সদায় নিন্দা কৰে।

গাৰ'ফেল'ৰ মতে দয়া আৰু সত্যৰ প্রচলিত ধাৰণা বিৰুদ্ধ আচৰণকেই অপৰাধ বুলি গণ্য কৰা উচিত। অপৰাধৰ অভিধাটো আমি সামাজিক আৰু আইনগত দুয়োটা দৃষ্টিভঙ্গীৰে বিবেচনা কৰিব পাৰোঁ।

অপৰাধৰ বিধিসম্মত সংজ্ঞা বুলিলে আমি নীতিগত সূত্রসমূহৰ উলংঘন কৰা আচৰণবোৰৰ কথাকে বুজো। এই ক্ষেত্রত সবাতোকৈ গ্রহণযোগ্য সংজ্ঞাটো হ'লপ'ল থাপ্পাৰ (১৯৪৭)ৰ সংজ্ঞা। তেওঁ অপৰাধৰ সংজ্ঞা দি কয় যে, "এক অভিপ্রায়মূলক আইনৰ উলংঘন য'ত প্রতিৰক্ষাৰ অৱকাশ নাই আৰু এনে কার্য্যৰ বাবে দেশৰ আইনৰ দ্বাৰা দণ্ডিত কৰা হয়।"

সেয়েহে, অপৰাধ হ'ল অপৰাধ আইনৰ উলংঘনকাৰী কার্য্য। ইয়াৰ শাস্তি নির্ধাৰণ কৰা হয়। অপৰাধী ব্যাক্তিজনে সজ্ঞানেএই কার্য্য কৰে আৰু ইয়াকে কৰোতে তেওঁ বৈধ্য নিয়ম আৰু যুক্তিযুক্ততাক গ্রাহ্য নকৰে।

থাপ্পনৰ এই সংজ্ঞা গ্রহণযোগ্য আৰু ইয়েই আমাক মনত পেলাই দিয়ে যে একমাত্র ৰাষ্ট্রৰহে অপৰাধ নির্ধাৰিত কৰাৰ ক্ষমতা আছে। এই অপৰাধৰ সংজ্ঞাই আমাক অপৰাধৰ নিম্নলিখিত প্রাথমিক তত্ত্ব নাইবা অংশ কেইটা জনাত সহায় কৰে—

- কোনো এটা কার্য্য অপৰাধ হ'বলৈ হ'লে ইনীতিগত দিশৰ পৰা আঁতৰি আহিব লাগিব ।
- কার্য্যটো স্বৈচ্ছিক আৰু নিজ ইচ্ছাৰ দ্বাৰা নিয়ন্ত্রিত হ'ব লাগিব।
- কার্য্যটো উদ্দেশ্যধর্মী আৰু উদ্দেশ্যটো সাধাৰণ অথবা বিশিষ্ট হ'ব পাৰে।

- কার্য্যটো অপৰাধ আইন উলংঘাকাৰী হ'ব লাগিব।
- তেনে কার্য্যৰ কোনো যৌক্তিক কাৰণ নাথাকে।
- তেনেকুৱা কর্ম গুৰুতৰ অপৰাধ নাইবা দুষ্কর্ম বুলি স্বীকৃত।

ম'ৰাৰে এই কার্য্যসমূহক 'অ-সামাজিক কার্য্য' বুলি কৈছে। থ'নষ্টেনচেলিনৰ সংজ্ঞা অনুসৰি, "অপৰাধ হ'ল আদর্শবাদী গোটসমূহৰ আদর্শৰ উলংঘন।"

**অপাৰধৰ সামাজিক সংজ্ঞা (Social Definition of Crime) ঃ** বহুকেইগৰাকী অপৰাধতত্ত্ব বিশেষজ্ঞই অপৰাধৰ সামাজিক দৃষ্টিভঙ্গীযুক্ত সংজ্ঞা আগবঢ়াইছে। অপৰাধৰ সামাজিক সংজ্ঞা মতে, ই হ'ল এনে এক কর্ম নাইবা আচৰণ যিয়ে এক বিশেষ শ্রেণীৰ সামাজিক আদর্শক বিঘ্নিত কৰে। ক'ল্ডৱেল (১৯৫৬)ৰ মতে, "অপৰাধ হ'ল সমাজৰ কল্যাণৰ বাবে প্রয়োজনীয় বুলি গ্রহণ কৰা কার্য্যসমূহ সম্পাদনৰ অকৃতকার্য্যতা। সেয়েহে প্রচলিত ধাৰণাৰ বিপৰীতপন্থী কোনো অস্থিৰ আৰু ব্যক্তিগত উদ্দেশ্যধর্মী কর্মক স্বীকৃতি দিয়াৰ সলনি এক সু-সংবদ্ধ পৰীক্ষামূলক প্রক্রিয়াকহে মানিলোৱা হয়।"

থ'ৰ্ষ্টেন চেলিঙে অপৰাধৰ বিশ্লেষণ কৰি কৈছে যে, "আদর্শবাদী গোটসমূহৰ আদর্শৰ উলংঘন।"

ম'ৱেৰে অপৰাধক এক অ-সামাজিক কর্ম বুলি আখ্যা দিছে।

নিচবেটৰ মতে অপৰাধে সামাজিক ব্যৱস্থাসমূহলৈ প্রত্যাহ্বান কঢ়িয়াই আনে আৰু সততাৰ অৱমাননাৰ দ্বাৰা সমাজ আৰু ৰাষ্ট্রলৈ বিপদ মাতি আনে।

ৰেডক্লিফ ব্রাউনৰ মতে, অপৰাধ হ'ল প্রথা প্রয়োগ বিধিৰ উলংঘন যিয়ে প্রতিবন্ধকতা (Sanction)ৰ জন্ম দিয়ে। অপৰাধ হ'ল এনে এক কর্ম যিটোৱে মানুহৰ সামাজিক স্বার্থ বিঘ্নিত কৰে।

সেয়েহে, আমি ক'ব পাৰো যে অপৰাধৰ আইন সঙ্গত (Legal) আৰু আইন বহির্ভূত সংজ্ঞাসমূহে আমাক অপৰাধৰ বিষয়ে বিশেষ স্থান দিয়ে।

**অপৰাধৰ বৈশিষ্ট্য (Characterstics of Crime)ঃ** ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ সহায়ত আমি অপৰাধৰ সাধাৰণ বৈশিষ্ট্য সম্বন্ধে জানিব পাৰোঁ। সাধাৰণভাৱে কিছুমান ব্যৱহাৰ অপৰাধ বুলি গণ্য কৰা নহয়, যেতিয়ালৈকে ব্যৱহাৰসমূহত নিম্নোক্ত দিশসমূহ ফুটি নুঠে।

- **অবৈধ** (Illegal) ঃ অপৰাধৰ পৰা হ'ব পৰা ক্ষতিৰ বিপৰীতে আইনগত শাস্তিৰ ব্যৱস্থা থাকিব নালাগিব, আৰু দণ্ডবিধি আইনত (Penal law) এই বিষয়ে উল্লেখ থাকিব লাগিব। অসামাজিক আচৰণক আইনৰ দ্বাৰা নিষিদ্ধ গণ্য কৰা নহ'লে ইয়াক অপৰাধ বুলি ধৰা নহয়।
- **ক্ষতি** (Harm) ঃ কিছুমান আচৰণক অপৰাধ আখ্যা দিবলৈ হ'লে তাৰ কিছুমান ক্ষতি থাকিব লাগিব। অপৰাধে সামাজিক স্বার্থত হানিকাৰক প্রভাৱ পেলায়।
- **কু-মনোভাৱ** (Malafide Intention) ঃ এক অপৰাধমূলক আচৰণত ইচ্ছাকৃত অভিপ্রায় অভিপ্রায়ৰ দ্বাৰা ক্ষতি কৰাৰ প্রৱণতা থাকিব লাগিব।

- **অপৰাধমূলক অভিপ্ৰায় ঃ** কোনো অপৰাধ সংঘটিত কৰাৰ আঁৰত সৎ উদ্দেশ্য থাকিলেও অভিপ্ৰায় অপৰাধমূলক হ'ব পাৰে।
- **অনানুষ্ঠানিক সম্বন্ধ** (Casual Relationship) ঃ নীতিগতভাৱে নিষিদ্ধ ক্ষতি আৰু স্বৈচ্ছিক কু-কৰ্মৰ মাজত অনানুষ্ঠানিক সম্বন্ধ আছে।
- **অভিপ্ৰায় আৰু আচৰণৰ সহ-অৱস্থান** (Concerrence of Intention and Conduct) ঃ অপৰাধমূলক কৰ্মত অপৰাধপ্ৰৱণ অভিপ্ৰায় আৰু আচৰণৰ মাজত এক বা সহ-অৱস্থান থাকে।
- **নির্ধাৰিত শাস্তি** (Prescription of Punishment) ঃ নির্ধাৰিত শাস্তি বিধানৰ ব্যৱস্থা থাকিব লাগিব। ইচ্ছাকৃত দুষ্কাৰ্যৰ বাবে আইনগত শাস্তিৰ ব্যৱস্থা নিশ্চয় থাকিব লাগিব।

ৱেডক্লিফ ব্ৰাউনে অপৰাধৰ সংজ্ঞা দি কয় যে, "প্ৰথা নাইবা প্ৰচলিত প্ৰয়োগ বিধিৰ উলংঘনে,অপৰাধ প্ৰতিবন্ধকতাই বলবৎ কৰাৰ প্ৰয়োজনীয়তা সৃষ্টি কৰে।" সমাজৰ স্বাৰ্থৰ ক্ষতি কৰিব পৰা যিকোনো কামেই অপৰাধ।

## ২.৪ অপৰাধৰ প্ৰকাৰ

অপৰাধ বিশেষজ্ঞসকলে বিভিন্ন আধাৰৰ ওপৰত নির্ভৰ কৰি অপৰাধক শ্ৰেণীবিভক্ত কৰিছে। ছুথেৰলেণ্ডে বৰ্বৰতা আৰু গভীৰতাৰ ওপৰত নির্ভৰ কৰি অপৰাধক মহা অপৰাধ (Felony) আৰু ক্ষুদ্ৰ দুষ্কৰ্ম (Misdemeanor) এই দুভাগত ভাগ কৰিছে। মহা অপৰাধ হ'ল অতিগুৰুতৰ ধৰণৰ অপৰাধ যাৰ বাবে অপৰাধীক দীৰ্ঘসময়ৰ বাবে কাৰাবাস বা মৃত্যুদণ্ড দিয়া হয়। আনহাতে, ক্ষুদ্ৰ দুষ্কৰ্ম হ'ল বিশেষ ক্ষতি নথকা অপৰাধ যাৰ বাবে এক হ্ৰস্বকালীন কাৰাবাস অথবা জৰিমনা বিহা হয়।

লিমার্টে অপৰাধক পৰিস্থিতিগত (Situational) আৰু পদ্ধতিগত (Systematic) এই দুই শ্ৰেণীত ভাগ কৰিছিল। পৰিস্থিতিগত অপৰাধ হ'ল পৰিকল্পিতভাৱে কৰা অপৰাধ।

ক্লিনার্চ আৰু কুইৰীয়ে অপৰাধৰ ৬টা শ্ৰেণীবিভাগ কৰিছে।

- উগ্ৰ ব্যক্তিগত অপৰাধ (Violent Personal Crime)
- অনিয়মিত সম্পত্তিজনিত অপৰাধ (Occational Property Crime)
- বৃত্তি সম্বন্ধীয় অপৰাধ
- ৰাজনৈতিক অপৰাধ
- ৰাজহুৱা নিয়ম-শৃংখলাজনিত অপৰাধ
- পৰম্পৰাগত অপৰাধ

হয়েচে আকৌ তিনিপ্ৰকাৰৰ অপৰাধৰ বিষয়ে উল্লেখ কৰিছে—

- সম্পত্তি বিষয়ক অপৰাধ
- কোনো ব্যক্তিৰ বিৰুদ্ধে কৰা অপৰাধ
- নিয়ম-শৃংখলা ভঙ্গকাৰী অপৰাধ

ডব্লিউ. এ. বেঙ্গাৰৰ মতে অভিপ্ৰায় (Motive)ৰ ওপৰত ভিত্তি কৰি অপৰাধৰ শ্ৰেণীবিভাগ কৰা হয়। অভিপ্ৰায়ৰ আধাৰত তেওঁ চাৰি প্ৰকাৰৰ অপৰাধৰ বিষয়ে উল্লেখ কৰিছিল। সেইবোৰ হ'ল—

- ৰাজনৈতিক অপৰাধ,
- অৰ্থনৈতিক অপৰাধ
- যৌন অপৰাধ,
- অন্যান্য অপৰাধ

হাৰ্ৱাৰ্ড বেকাৰে অপৰাধক তলত দিয়া ধৰণে চাৰি ভাগত ভাগ কৰিছে—

- **ব্যক্তিগত অপৰাধ** (Individual Crime) ঃ যদি মাত্ৰ এজন ব্যক্তিয়ে সমগ্ৰ অপৰাধটোৰ পৰিকল্পনা আৰু কাৰ্য্যকৰীকৰণত জড়িত থাকে, তেন্তে তেনে কাৰ্য্যক ব্যক্তিগত অপৰাধ বোলা হয়। মনো-চিকিৎসক আৰু মনোবিজ্ঞানীকসকলৰ মতে ব্যক্তিগত অপৰাধ সাধাৰণতে পৰিয়ালৰ পাৰস্পৰিক সম্বন্ধ আৰু আচৰণৰ লগত জড়িত।
- **গোট সমৰ্থিত অপৰাধ** (Group Supported Crime) ঃ কোনো অপৰাধমূলক কাৰ্য্য যেতিয়া এজন ব্যক্তিতকৈ বেছি ব্যক্তিৰ দ্বাৰা পৰিকল্পিত আৰু কাৰ্য্যকৰী কৰা হয়, তেতিয়া ইয়াক গোট সমৰ্থিত অপৰাধ বুলি কোৱা হয়।
- **সংগঠিত অপৰাধ** (Organised Crime) ঃ যেতিয়া সংগঠিত গোটসমূহে নিখুঁতভাৱে কোনো অপৰাধমূলক কাৰ্য্য সংঘটিত কৰাৰ উদ্দেশ্যেৰে একগোট হয়, তেতিয়া তাক সংগঠিত অপৰাধ বোলে। এই ধৰণৰ অপৰাধ ১৯৫০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰথমবাৰৰ বাবে দৃষ্টিগোচৰ হৈছিল। নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, অপহৰণ, অবৈধ দেহ ব্যৱসায়, মাফিয়া দলৰ গঠন আদি হ'ল এনে অপৰাধৰ উদাহৰণ।
- **পৰিস্থিতি অপৰাধ** ঃ কোনো ব্যক্তিয়ে এক বিশেষ পৰিস্থিতিত অপৰাধৰ বশৱৰ্তী হ'বলগীয়া হ'লে তেনে অপৰাধক পৰিস্থিতি অপৰাধ বোলা হয়। এনে পৰিস্থিতি অবিহনে ব্যক্তিগৰাকী হয়তো অপৰাধৰ পৰা আঁতৰি থাকিলহেঁতেন।

ওপৰত উল্লেখ কৰা শ্ৰেণীৰ অপৰাধসমূহৰ বাহিৰেও অপৰাধক নিজে প্ৰত্যক্ষভাৱে জড়িত নথকা অকায়িক অপৰাধ (White Collared Crime), বৃত্তিগত অপৰাধ (Proffesional Crime) আৰু সাংগঠনিক অপৰাধ (Organised Crime) আদি শ্ৰেণীত ভাগ কৰিব পাৰি।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন নং ১** ঃ দুই ধৰণৰ অপৰাধ বৰ্ণনা কৰক।

.....

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ** কোন দেশত প্রথমে সংগঠনাত্মক অপৰাধ ধৰা পেলোৱা হয়?

.....

## ২.৫ অপৰাধৰ কাৰণ

অপৰাধৰ বিভিন্ন কাৰণ আছে। অপৰাধৰ মুখ্যকাৰণসমূহ তলত আলোচনা কৰা হ'ল—

- সামাজিক কাৰণ (Social Causes)
- অর্থনৈতিক কাৰণ (Economic Causes)
- ৰাজনৈতিক কাৰণ (Political Causes)
- **সামাজিক কাৰণ (Social Causes) ঃ**
  - **বিসংগঠিত পৰিয়াল** (Disorganised Family) ঃ অপৰাধতত্ত্ব বিশেষজ্ঞ সকলৰ মতে, অপৰাধৰ সামাজিক কাৰণসমূহৰ ভিতৰত পৰিয়াল অন্যতম। পৰিয়াল এটা বিসংগঠিত হ'লে ইয়াৰ সদস্যসমূহ নিয়ন্ত্রণহীন হ'ব পাৰে। এনে পৰিয়ালৰ শিশুহঁতৰ অপৰাধ প্ৰৱণতাও নিয়ন্ত্রণহীন হ'ব পাৰে। পৰিয়ালৰ সদস্যসকল স্বাভাৱিক সম্বন্ধৰ পৰা বঞ্চিত হ'লে, তেওঁলোক সহজে অপৰাধমূলক কার্য্যৰ প্রতি আসক্ত হয়।
  - **সামাজিক নিয়ন্ত্রণ ব্যৱস্থাৰ অভাৱ** (Absence of Social Control) ঃ বর্তমান ব্যৱস্থাত সামাজিক সংগঠনসমূহ বিশেষ কার্য্যক্ষম নহয়। ইয়াৰ উপৰি, অপৰাধীসকলৰ পক্ষেও অপৰাধসংঘটিত কৰি সহজে যাতায়ত ব্যৱস্থাৰ সহায়ত পলাই যোৱাটো সহজ হৈ পৰিছে।
  - **ত্রুটিপূর্ণ শিক্ষা ব্যৱস্থা** ঃ ভাৰতৰ শিক্ষা ব্যৱস্থা সম্পূর্ণ ত্রুটিমুক্ত নহয়। সেয়েহে, এনে শিক্ষা ব্যৱস্থাত ছাত্রসকল স্বার্থপৰ,উশৃংখল আৰু শিষ্টাচাৰহীন হোৱাৰ সম্ভাৱনা থাকে। কিশোৰ-কিশোৰীসকল উপযুক্ত শিক্ষা ব্যৱস্থাৰ অভাৱত সামাজিক ৰীতি বিচ্যুত হোৱা দেখা যায়।
  - **বোলছবি** ঃ বোলছবি আদিকে ধৰি বিনোদনৰ মাধ্যমসমূহ অপৰাধ বৃদ্ধিৰ এক মুখ্য কাৰণ। বেছিভাগ বোলছবি আৰু দর্শনমাধ্যমসমূহত হিংস্রতা আৰু অপৰাধ অতিবাহিত কৰি উপস্থাপন কৰা হয়।
  - **বাতৰিকাকত** ঃ কিছুমান বাতৰিকাকতে অপৰাধৰ খবৰ সমূহ নিজ স্বার্থ সিদ্ধিৰ উদ্দেশ্যেৰে চাঞ্চল্যকৰ ৰূপত প্রকাশ কৰাত অধিক গুৰুত্ব দিয়ে। এনে বাতৰিয়ে কেতিয়াবা অপৰাধ প্ৰৱণতাৰ সৃষ্টি কৰি অপৰাধী সকলক অনুপ্রেৰণা যোগায় আৰু অপৰাধমূলক কার্য্যৰ প্রতি আগ্রহী কৰি তোলে।
  - **মাদক দ্রব্যৰ ব্যৱহাৰ** ঃ বর্তমান সময়ত অপৰাধ বৃদ্ধিৰ কাৰকসমূহৰ ভিতৰত ভাৰতবর্ষত বৃদ্ধি পোৱা মাদক দ্রব্যৰ ব্যৱহাৰকো এক মুখ্য কাৰণ বুলিব পাৰি। অর্থনৈতিকভাৱে দুর্বল শ্রেণীৰ মাজত নিচাসক্তি খুবেই প্রাসঙ্গিক (Relevant) আৰু ই অপাৰধৰ এক মুখ্য কাৰণ।

- **ধর্ম** (Relegion) ঃ ধর্মই সৃষ্টি কৰা কাল্পনিক আৰু অবাস্তৱ ধাৰণাই অপৰাধ বৃদ্ধি কৰে। ভাৰতবর্ষত উদ্ভট ধর্মীয় ধাৰণাও অপৰাধ বৃদ্ধিৰ বাবে দায়ী।
- **সামাজিক প্রমূল্যবোধৰ পৰিৱর্তন** ঃ ভাৰতবর্ষত সামাজিক প্রমূল্যবোধৰ দ্রুতগতিত পৰিৱর্তন হৈ আহিছে। বস্তুবাদ (Materialism) আৰু উপভোক্তাবাদ (Consuemerism)-এ সহজলভ্য ধনৰ প্রতি আসক্ত কৰি তুলি ব্যক্তিৰ বাবে অপৰাধৰ পথ প্রশস্ত কৰিছে।
- **যৌতুক প্রথা** ঃ ভাৰতবর্ষত যৌতুক প্রথা এক কু-সংস্কাৰ। নাৰীসকল হ'ল বিভিন্ন যৌতুকজনিত অপৰাধৰ ভুক্তভোগী।

- **অর্থনৈতিক কাৰণ (Economic Causes)** ঃ
  - **দৰিদ্রতা** (Proverty) ঃ অপৰাধৰ মুখ্য কাৰণসমূহৰ এক প্রধান কাৰণ হ'ল দৰিদ্রতা। এজন দৰিদ্র-ভোকাতুৰ লোকে তেওঁৰ ক্ষুধা নিবাৰণৰ কাৰণে যিকোনো কামেই কৰিব পাৰে। অর্থাভাৱেই দেহ ব্যৱসায় মুখ্য কাৰণ।
  - **কর্ম সংস্থাপনহীনতা** ঃ ভাৰতবর্ষত কর্মসংস্থাপনহীনতা অপৰাধ বৃদ্ধিৰ আন এক মুখ্য কাৰণ। দীর্ঘদিন ধৰি কর্ম-সংস্থাপনহীন হৈ থকাৰ পাছত বহু ডেকা-গাভৰুৱে আত্মহত্যাৰ পথ বাচি লয়। ই বহু অসামাজিক কার্য্য, যেনে— ডকাইতি, চুৰি, পকেটমাৰ, অপহৰণ, হত্যাকাণ্ড আদিৰ বাবে দায়ী।
  - **উদ্যোগিকীকৰণ** ঃ উদ্যোগিকীকৰণ ভাৰতবর্ষৰ অপৰাধ বৃদ্ধিৰ মুখ্য কাৰণসমূহৰ ভিতৰত এটা। উদ্যোগিকীকৰণে বহুসময়ত পাৰিবাৰিক জীৱনলৈ বিশৃংখলতা নমাই আনে। শ্রমিকসকলে বহুসময়ত কঠিন, অপ্রত্যাশিত পৰিৱেশত বহু দিন কাম কৰিবলগীয়া হয় আৰ দীর্ঘদিনলৈ পৰিয়ালৰ পৰা আঁতৰি থাকিবলগীয়া হয়। এনেকুৱা পৰিৱেশত সুস্থ মনোৰঞ্জনৰো কোনো সুবিধা নাথাকে। এই পৰিৱেশেই মাদক দ্রব্য আসক্তি, জুৱা, দেহ ব্যৱসায়, ডকাইতি আদিৰ অভ্যাস গঢ়ি তোলে।
  - **নগৰকেন্দ্রিকতা আৰু নগৰীকৰণ** ঃ নগৰীকৰণ হ'ল উদ্যোগিকীকৰণৰ ফল। নগৰসমূহত ব্যক্তিৰ ওপৰত কাৰো বিশেষ নিয়ন্ত্রণ নাথাকে। অপৰাধীয়ে ইয়াত অপৰাধ সংঘটিত কৰে আৰু বিশাল জনসাধাৰণৰ সোঁতত মিলি যায়।

- **ৰাজনৈতিক কাৰণ (Political Causes)** ঃ
  - **নীতিগত সুৰুঙা** ঃ বহুতো অপৰাধীয়ে কাৰিকৰী বিসঙ্গতি আৰু বৈধতা (Legalities) সম্বন্ধীয় অস্পষ্টতাৰ কাৰণে শাস্তি লাভ নকৰাকৈ যায়। সত্য নাইবা প্রকৃত ঘটনাক বিকৃত কৰি দোষী আৰু অসত্য নাইবা নীতিবিৰুদ্ধ ঘটনাক নির্দোষী ৰূপ দিয়াৰ অহৰহ প্রচেষ্টা চলি থাকে। ফলস্বৰূপে, বহু নির্দোষী ব্যক্তি অবাবতে শাস্তিৰ সন্মুখীন হয় আৰু কাৰদণ্ড পায়। পুলিচ বিভাগত কেতিয়াবা অসৎ বিষয়াৰ অপাৰদর্শিতা, অনৈতিকতা আৰু দুর্নীতিৰ বাবে অপৰাধৰ প্রকৃত ছবিখন অদৃশ্য হৈ ৰয়।

- **ৰাজনৈতিক হস্তক্ষেপ ঃ** বহুসময় দুর্নীতিপৰায়ণ ৰাজনৈতিক নেতাই তেওঁলোকৰ ঠেক ৰাজনৈতিক অভিসন্ধি পূৰণৰ বাবে যুৱচামক প্ৰলোভিত কৰি অপৰাধমূলক কার্য্যসম্পাদন কৰায়। ৰাজনৈতিক নেতা আৰু অপৰাধীৰ মাজত বহুসময়ত সন্দেহজনক সম্পর্ক দেখা যায়।

## ২.৬ অপৰাধৰ কাৰণ, অপৰাধমূলক আচৰণ আৰু শাস্তি ব্যাখ্যাকাৰী তত্ত্ব

**ধ্রুপদী ব্যাখ্যা ঃ** ইটালিৰ চিন্তাবিদ বেকাৰিয়াই অপৰাধৰ ধ্রুপদী ব্যাখ্যা আগবঢ়াইছিল। ৰুচোৰ ধ্রুপদী তত্ত্বৰ দ্বাৰা অনুপ্রাণিত হৈ এই চিন্তাবিদগৰাকীয়ে অপৰাধ সম্পৰ্কে নিজৰ ব্যাখ্যা আগবঢ়াইছিল।

- শাস্তি ব্যৱস্থাৰ দ্বাৰা দুষ্কার্য সংঘটিত কৰি পোৱা তৃপ্তি অথবা আনন্দতাই বাধাৰ সৃষ্টি কৰা হয়। সেয়েহে আইন প্রণয়নৰ দ্বাৰা আইন সঙ্গত নীতিসমূহৰ সঠিক নির্দেশনা আৰু নীতি ভঙ্গকাৰীসকলৰ বাবে শাস্তিৰ বিধান কৰাটো হ'ল বিধান পৰিষদৰ প্রধান কর্তব্য।
- শাস্তি সদায় অপৰাধৰ সমানুপাতিক হ'ব লাগে আৰু শাস্তি পূর্ব-নির্ধাৰিত, ক্ষীপ্র তথা জনসাধাৰণৰ দৃষ্টিগোচৰ হোৱাকৈ প্রদান কৰিব লাগে।
- সমাজৰ সকলো নাগৰিককে সমভাৱে আইন মানি চলিবলৈ বাধ্য কৰাব লাগে।
- ন্যায়পালিকাৰ কর্তব্য হ'ল ব্যক্তি এগৰাকী সঁচাই অপৰাধী হয়নে নহয় সঠিকভাৱে উদ্‌ঘাটন কৰা আৰু সেই অনুযায়ী পূর্ব-নির্ধাৰিত শাস্তি বিধানৰ দ্বাৰা অপৰাধীক দণ্ডিত কৰা।

**জনন সম্বন্ধীয় (Biogenic) ব্যাখ্যা ঃ** এই ধাৰাৰ চিন্তাবিদসকলৰ মতে অপৰাধমূলক আচৰণে ব্যক্তিক বংশানুক্রমিক (Hereditary) আৰু আনুবংশিক (Genetic) ভাৱে প্রভাৱিত কৰে।এই তত্ত্বমতে কোনো এজন ব্যক্তিয়ে লাভ কৰা অপৰাধ প্রৱণতা ব্যক্তিৰ শাৰীৰিক অবয়ত প্রকাশ পায়।ল'মব্র'চ'ৰ মতে, জনন সম্পন্ধীয় অপৰাধী আৰু অনাপৰাধী (Non-criminals)ৰ মাজত পার্থক্য আছে। তেওঁ বহুকেইটা শাৰীৰিক বৈশিষ্ট্যৰ কথা কৈছিল। যিবোৰে অপৰাধী অভিব্যক্তি প্রকট কৰে। যেনে— অসমানুপাতিক মুখাবয়ৱ, স্বাভাৱিকতকৈ ডাঙৰ কাণ, অস্বাভাৱিক দীঘল বাহু, চেপেটা নাক, উঠঙা কপাল, কেঁকোৰা-শুকান চুলি, বিষ-বেদনাৰ অনুভূতিহীনতা, ত্রুটিপূর্ণ চকু আৰ অন্যদৈহিক অস্বাভাৱিকতা। অৱশ্যে ল'মব্র'ই এই মন্তব্যও কৰিছিল যে সকলো অপৰাধীয়েই অপৰাধী হিচাপে জন্ম নলয়। হার্ভাডৰ ভৌতিক নৃতত্ত্ববিদ হুটনে জনন অপৰাধ ব্যাখ্যাৰ সংশোধন আগবঢ়াইছিল। তেওঁৰ মতে, প্রত্যেক সমাজতে কম পৰিমাণত বুদ্ধিমান লোকে থাকে যদিও একেখন সমাজতেএক বৃহৎসংখ্যক নিম্নবর্গৰ লোক আৰু মূর্খৰ দল থাকে আৰু অপৰাধৰ সংখ্যাও অগণন। নিজৰ ব্যাখ্যাৰ ওপৰত ভিত্তি কৰি হুটনে মন্তব্য কৰিছিল যে, অপৰাধৰ প্রাথমিক কাৰণ হ'ল— "জৈৱিক নীচাত্মিকা"(Biological Inferiority)। তেওঁৰ তত্ত্বৰপৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে—

- **অপৰাধীসকল জৈৱিকভাৱে নিম্ন স্তৰৰ ঃ** অপৰাধপ্ৰৱণ আচৰণৰ ব্যক্তি এজনে বংশানুক্ৰমিকভাৱে আহৰণ কৰা বৈশিষ্ট্যবোৰ ব্যক্তিজনৰ আচৰণ আৰু স্বভাৱত ফুটি উঠে। তেওঁ কৈছিল যে, উখহা কপাল, পাতল ওঁঠ, পাতল-ঠৰঙা চুলি, শৰীৰত গজি উঠা নোম, সৰু নাইবা অতি ডাঙৰ কাণ, দীঘল-লাহি ডিঙি আৰু পৰি যোৱা কান্ধ আদি হ'ল এনে বৈশিষ্ট্যৰ উদাহৰণ।
- এক নিৰ্দিষ্ট ধৰণৰ শাৰীৰিক গঠনে ব্যক্তিক কিছুমান নিৰ্দিষ্ট ধৰণৰ অপৰাধত যুক্ত কৰোৱা দেখা যায়। উদাহৰণ স্বৰূপে, ওখ আৰু ক্ষীণ শৰীৰিক গঠনৰ লোক ডকাইতি আৰু হত্যাকাণ্ডত জড়িত হোৱাৰ বিপৰীতে শকত-চাপৰ শৰীৰিক গঠনৰ লোক সাধাৰণতে যৌন অপৰাধৰ সৈতে যুক্ত হয়।
- এই জনন ব্যাখ্যাৰ সমালোচনা হিচাপে বহুতে মন্তব্য আগবঢ়ায় যে অপৰাধ হ'ল এক সামাজিক প্ৰক্ৰিয়া আৰু ই জৈৱিকভাৱে গঢ় লৈ নুঠে।

মনোবৈজ্ঞানিক বিশ্লেষণ তত্ত্বমতে অপৰাধমূলক কাৰ্য্যৰ প্ৰতি আসক্তি বা আকৰ্ষণ "মন্দ বুদ্ধি"ৰ ফল। হেনৰী গোডার্ডৰ এই তত্ত্বৰ এজন সমৰ্থক। তেওঁৰ মতে 'মন্দবুদ্ধি' বংশগতভাৱে আৰ্জিত।অৱশ্যে গোডার্ডে মন্তব্য কৰে যে এজন মন্দবুদ্ধিৰ লোক সদায় অপৰাধী নহয়। ব্যক্তিজন অপৰাধৰ প্ৰতি আকৰ্ষিত হ'লেও অপৰাধ সংঘটিত নকৰিব পাৰে।এজন ব্যক্তি অপৰাধী হোৱা অথবা নোহোৱাটো দুটা কাৰকৰ দ্বাৰা নিৰ্ধাৰিত হয়— প্ৰথমটো হ'ল হীলিৰ মতে বেছিভাগ অপৰাধীয়ে ব্যক্তিত্ব বিকাৰত ভোগে। মনঃস্বত্ববিদ সকলে তিনিধৰণৰ মানসিক বিকাৰৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল—

- ছিজ'ফ্ৰেনিয়া (Schizophrenia) ঃ ই এনে এক মানসিক বিকাৰ যিটোত আক্ৰান্ত ব্যক্তিয়ে ভ্ৰম (Delusions) আৰু দুঃস্বপ্ন (Hallucinations) ৰ চিকাৰ হয়।
- তীব্ৰ অৱসাদ জনিত বিকাৰ (Manic-depressive Disorder) ঃ সৰল মানসিকতাৰ পৰিৱৰ্তন অথবা মনঃস্থিতিৰ অস্থিৰতা।
- উন্মাদনা (Paranoia) ঃ উন্মাদনাৰ মনোবিশ্লেষণাত্মক ব্যখ্যা (Psycho-analytic Explanation)ৰ মতে অপৰাধী মনোবৃত্তিৰ বিষয়ে বিশ্লেষণাত্মক অনুসন্ধানমূল উদ্দেশ্য হ'ল অপৰাধী।

চিগমণ্ড ফ্ৰয়ডৰ মনো-বিশ্লেষণাত্মক ব্যাখ্যাৰ দ্বাৰা এই তত্ত্ব বিশেষভাৱে প্ৰভাৱিত। এই তত্ত্বই মানৱ ব্যক্তিত্বৰ তিনিটা গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰে। সেইকেইটা হ'ল— 'অহম' (I), অহঙ্কাৰ (Ego), অতি অহঙ্কাৰ (Super Ego) 'অহম' হ'ল ব্যক্তি এগৰাকীৰ পৰিশোধিত বাধাহীন ইচ্ছা (Raw Desire) অথবা তীব্ৰ ইচ্ছা (Urge)। অহঙ্কাৰে ই নিজক লৈ কৰা গৰ্ব আৰু অতি অহঙ্কাৰে ই ব্যক্তিৰ বিবেকক বুজায়। এইবোৰে ব্যক্তিৰ কৰ্মতো প্ৰভাৱ পেলায়। এই তিনি ধৰণৰ ধাৰণাৰ দ্বাৰা মনো-বিশ্লেষণাত্মক ব্যাখ্যাৰ সমৰ্থকসকলে যুক্তি আগবঢ়ায় যে—

ক) ব্যক্তিৰ ব্যৱহাৰত তেওঁৰ অৱচেতন মনৰ আশা-আকাংক্ষা আৰু চাপে বিশেষ প্ৰভাৱ পেলায়।

- কোনো এগৰাকী ব্যক্তিৰ মনৰ তীব্র আশঙ্কাই সৃষ্টি কৰা আৱেগিক প্রতিক্রিয়াই অপৰাধকেন্দ্রিক ব্যৱহাৰৰ জন্ম দিয়ে।
- ব্যক্তিৰ অৱচেতন মনত থকা অপৰাধমূলক প্রবৃত্তি নিয়ন্ত্রণ আৰু ৰোধ কৰিবলৈ হ'লে ব্যক্তিয়ে কোনবোৰ আৱেগিক প্রতিক্রিয়াৰ বশৱর্তী হৈ অপৰাধৰ প্রতি আকর্ষিত হয় তাক জানিব লাগিব তেতিয়াহে তেওঁক এনে অপৰাধমূলক প্রবৃত্তিৰ পৰা মুক্ত কৰিব পৰা যাব।

এই তত্ত্বমতে ব্যক্তিৰ অন্তৰত আৰু ব্যক্তিত্বত অহম, অহঙ্কাৰ আৰু অতি অহঙ্কাৰি অহৰহ ক্রিয়া কৰি থাকে। উদাহৰণ স্বৰূপে, সুস্থ মানসিকতাৰ ব্যক্তিয়ে অতি ভোকাতুৰ অৱস্থাতো নিজৰ ভাগৰ খাদ্যৰ বাবে ধৈর্য্যেৰে অপেক্ষা কৰি থাকিব পাৰে আৰু আনৰ পৰা খাদ্য কাঢ়ি নাখায়। খাদ্য যোগানত বিলম্ব হ'লেও তেওঁ অপেক্ষা কৰিব পাৰে। আকৌ, এনে সুস্থ মানসিকতাৰ ব্যক্তিয়ে নিজৰ ইচ্ছা পূৰণৰ বাবে অহেতুক আৱেগিক হৈ নপৰে। নিজ ইচ্ছাৰ যুক্তিসঙ্গত অর্থ বিচাৰ কৰিহে তাৰ পূৰণৰ চেষ্টা কৰে। চিন্তাৰ এই যুক্তিসঙ্গৰ পথটো অতি অহঙ্কাৰৰ লগত জড়িত আৰু অতি অহঙ্কাৰৰ সঠিক বিকাশ নহ'লে অৱদমিত ইচ্ছা-বাসনাই অবাঞ্চনীয় আচৰণৰ সৃষ্টি কৰে।

## ২.৭ ভাৰতবর্ষত অপৰাধৰ ৰূপ

ইমাইল ডাৰখেইমৰ মতে অপৰাধ সমাজ জীৱনৰ এক সাধাৰণ বাস্তৱিকতা। প্রত্যেক সমাজতে আদিৰে পৰা বর্তমানলৈ ইয়াৰ অস্তিত্ব আছে। তেওঁৰ মতে অপৰাধ হ'ল সমাজে নির্ধাৰিত কৰি লোৱা সামূহিক নির্দেশনাৰ এক বিচ্যুতি। কেতিয়াবা কিছুমান বৃত্তিগত অপৰাধ (Occupational Crime) সমাজত ক্রিয়াশীল হৈ পৰে আৰু সমূহীয়া সামাজিক স্বার্থত আঘাত হানে। এনে ক্ষেত্রত সমাজে নিজৰ শক্তিশালী স্থিতিৰে সামাজিক স্থিৰতা ৰক্ষা কৰে। অৱশ্যে, সমাজত অপৰাধৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পালে ই সমাজৰ অস্থিৰতাৰ কাৰক হৈ পৰে। ভাৰতীয় সমাজত বর্তমান সময়ত ঘটি থকা অপৰাধৰ ক্ষেত্রখন যথেষ্ট বিশাল আৰু এটা মাত্র অধ্যায়ত ইয়াৰ আলোচনা শেষ কৰিব নোৱাৰি। এনে এক অনিয়ন্ত্রিত অথচ চিন্তাজনক অপৰাধ হ'ল—চাইবাৰ ক্রাইম। ইয়াক নিয়ন্ত্রণ কাৰিবলৈ অধিক সজাগতা সৃষ্টিৰ প্রয়োজন আহি পাৰিছে। চাইবাৰ ক্রাইমৰ দ্বাৰা কোনো এজন ব্যক্তি অথবা এটা গোটে সহজে ইণ্টাৰনেট ব্যৱহাৰ কৰি বিভিন্ন অপৰাধ সংঘটিত কৰিব পাৰে।

বর্তমান সময়ত ভাৰতবর্ষৰ দণ্ডবিধি সংহিতাই (Cr.P.C.) অপৰাধক দুটা শ্রেণীত ভাগ কৰিছে। ভাগ কেইটা হ'ল— বিচাৰযোগ্য আৰু অনা-বিচাৰযোগ্য অপৰাধ।

i) **বিচাৰযোগ্য অপৰাধ** (Cognizable Crime) ঃ বিচাৰযোগ্য (Cognizable) অপৰাধৰ ক্ষেত্রত নির্দিষ্ট গোচৰৰ ভিত্তিত অপৰাধৰ ক্ষেত্র পর্য্যৱেক্ষণ, ঘটনাৰ তদন্ত, অপৰাধী গ্রেপ্তাৰ আৰু দোষী সাব্যস্ত কৰাৰ বাবে নির্দিষ্ট আদালতত ঘটনাটোৰ ন্যায়িক তদন্ত সম্পাদনা কৰা হয়। বিচাৰযোগ্য অপৰাধকভাৰতীয় দণ্ডবিধি আইন (IPC) অথবা বিশেষ আৰু স্থানীয় আইন (SLL) যিকোনো এটা ভাগত অন্তর্ভুক্ত কৰা হয়।

ii) **অনা-বিচাৰযোগ্য অপৰাধ** (Non-Cognizable Crime) ঃ এই ধৰণৰ অপৰাধত উপযুক্ত ন্যায়াধীশৰ অনুমোদন নোহোৱাকৈ আৰক্ষী বিভাগে নিজাকৈ অনুসন্ধান কৰিব নোৱাৰে। ন্যায়াধীশৰ অনুমোদন পোৱাৰ পাছতহে আৰক্ষীয়ে অপৰাধৰ অনুসন্ধান আৰম্ভ কৰিব পাৰে। ভাৰতীয় দণ্ডবিধি সংহিতাৰ শ্রেণী-বিভাগ অনুসৰি এনে অপৰাধক ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ বিচাৰসাধ্য আৰু অনা-বিচাৰসাধ্য অপৰাধক ভাগ কৰা হয়। তলৰ অপৰাধসমূহ ভাৰতীয় দণ্ডবিধি আইন (IPC)ৰ অধীনস্থ—

i) মানৱ দেহ সম্পৰ্কীয় ভাৰতীয় দণ্ডবিধি আইনে সামৰিলোৱা অপৰাধ (IPC Crimes against Body) ঃ হত্যাকাণ্ড, হত্যাৰ চেষ্টা, নশংসভাৱে আৰু দুষ্ট অভিপ্রায়েৰে কৰা নৰহত্যা, নৰহত্যাৰ চেষ্টা, অপহৰণ, ক্ষতিকাৰক আঘাত, অসাৱধানতাৰ বাবে ঘটোৱা মৃত্যু, অসাৱধানভাৱে গাড়ী চলাই কৰা দুর্ঘটনাৰ ফলতহোৱা মৃত্যু নাইবা আঘাত আৰু মানৱ সৰবৰাহ (370/370 A IPCৰ অধীনত)।

ii) ভাৰতীয় দণ্ডবিধি আইনে সামৰি লোৱা যৌন অপৰাধসমূহ—ধর্ষণ, ধর্ষণৰ চেষ্টা, মহিলাৰ শালীনতা হানিৰ দ্বাৰা কৰা অপমান আৰু মহিলাৰ মর্য্যাদা হানিকাৰক কার্য্য।

iii) ভাৰতীয় দণ্ডবিধি আইনে সামৰি লোৱা সম্পত্তি বিষয়ক অপৰাধসমূহ— ডকাইতি, ডকাইতিৰ চেষ্টা, লুটপাত, অপৰাধমূলক আতিশয্য, চুৰি কার্য্য আদি।

iv) ভাৰতীয় দণ্ডবিধি আইনে সামৰি লোৱা ৰাজহুৱা ব্যৱস্থা বিষয়ক অপৰাধসমূহ— ব্যাপক হিংসাত্মক সংঘাত অগ্নিসংযোগ, নিয়ম-বিৰুদ্ধ সভা আৰু সমাজৰ বিভিন্ন গোটৰ বিৰুদ্ধে শত্রুতামূলক আচৰণ।

v) ভাৰতীয় দণ্ডবিধি আইনে সামৰি লোৱা বিত্তীয় অপৰাধসমূহ— বিশ্বাস ভঙ্গৰ অপৰাধ, ঠগ-প্রৱঞ্চনা, জাল আৰু নকল আদি।

vi) মানৱ সৰবৰাহ ঃ ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭০/৩৭০A ধাৰাৰ অন্তর্গত মোকর্দমা, নাবালকসকলৰ দ্বাৰা উপার্জন, কিশোৰী-যুৱতীৰ সৰবৰাহ, দেহ ব্যৱসায়ৰ বাবে নাবালিকাৰ বেচা-কিনা।

vii) ৰাষ্ট্রৰ বিৰুদ্ধে অপৰাধ ঃ ভাৰতীয় দণ্ডবিধি আইনৰ ১২১/১২৪A ধাৰা অনুসৰি ৰাষ্ট্রৰ অন্তর্গত বিভিন্ন গোটৰ মাজত শত্রুতা সৃষ্টিত উৎসাহ যোগোৱা কার্য্যক অপৰাধ বুলি গণ্য কৰা হয় ।

viii) মহিলাৰ বিৰুদ্ধে অপৰাধ ঃ মহিলাৰ অপকাৰ আৰু শানীলতা হানি; পৰিয়াল, স্বামী নাইবা আত্মীয়ৰ নিষ্ঠুৰ ব্যৱহাৰ।

ix) অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসকলৰ বিৰুদ্ধে অপৰাধ ঃ নাগৰিক অধিকাৰ আইনৰ অধীনত মোকর্দমা ৰুজু কৰা হয় আৰু ইয়াৰ দ্বাৰা সমাজৰ অনুসূচিত জাতি-জনজাতিৰ স্বার্থ ৰক্ষা কৰা হয়।

x) অন্যান্য অপৰাধ।

তেলেঙ্গনা (২৯০.৭), ৰাজস্থান (২৭৩.৯) আৰু তামিলনাড়ু (২৭১.২)ৰ দৰে ৰাজ্যসমূহত দেশৰ গড় অপৰাধৰ হাৰ ২৩৪.২টাতকৈ অধিক হাৰত অপৰাধ সংঘটিত হোৱা তথ্য পোৱা যায়।

**বিশেষ আৰু স্থানীয় আইন (SLL)ৰ অধীন অপৰাধ ঃ** এই আইনৰ অধীনত কেন্দ্রীয় ন্যায়পালিকাই বিশেষ বিষয়ত প্রণয়ন কৰা আইনী ব্যৱস্থাবোৰ গোটেই দেশতেই প্রযোজ্য হয় SLLৰ অধীনত এনে অপৰাধৰ পঞ্জীকৰণ কৰা হয়। স্থানীয় আইন আৰু কেন্দ্রীয় আইনৰ অধীনৰ অপৰাধবোৰক অন্যান্য একেলগে অপৰাধ শাখাত অন্তর্ভুক্ত কৰা হয়।

বিশেষ আৰু স্থানীয় আইনৰ অধীনত তলৰ আইনসমূহ প্রণয়ন কৰি বিভিন্ন প্রকাৰৰ অপৰাধ প্রতিৰোধৰ চেষ্টা কৰা হৈছে।

১) ১৯৫৯ চনৰ মাৰণাস্ত্র আইন
২) ১৯৮৫ চনৰ চাইক'ত্রপিক উপাদানৰ ৰাগিয়াল দ্রব্য আইন
৩) ১৮৬৭ চনৰ জুৱা নিষিদ্ধকাৰী আইন
৪ ) ১৯৪৪ চনৰ আবকাৰী আইন
৫ ) নিষিদ্ধ আইন
৬) ১৮৮৪ আৰু ১৯০৮ চনৰ বিস্ফোৰক আৰু বিস্ফোৰক উপাদান বিষয়ক আইন
৭) ১৯৫৬ চনৰ অনৈতিক মানৰ সৰবৰাহ (প্রতিৰোধকাৰী) আইন
৮ ) ১৮৮৯ চনৰ ভাৰতীয় ৰে'লৱে'জ আইন
৯ ) ১৯৪৬ চনৰ বিদেশী নাগৰিক আইন
১০) ১৯৫৫ চনৰ নাগৰিক অধিকাৰ সুৰক্ষা আইন
১১) ১৯৬৭ চনৰ ভাৰতীয় পাৰপত্র আইন
১২) ১৯৫৫ চনৰ নাগৰিক আৱশ্যকীয় পণদ্রব্য আইন
১৩) ১৯৭২ চনৰ সম্পদৰ প্রাচীনত্ব অক্ষুণ্ণ ৰখা আইন
১৪ ) ১৯৬১ চনৰ যৌতুক নিষেধকাৰী আইন
১৫) ২০০৬ চনৰ বাল্য বিবাহ নিষেধকাৰী আইন
১৬) ১৯৮৬ চনৰ নাৰীৰ মর্যাদাহানিকৰ উপস্থাপন (নিষেধকাৰী) আইন
১৭) ১৯৫৭ চনৰ গ্রন্থস্বত্ব আইন
১৮ ) ১৯৮৭ চনৰ সতীপ্রথা- প্রতিৰোধকাৰী আয়োগ আইন
১৯ ) ১৯৮৯ চনৰ অনুসূচিত জাতি জনজাতি (নিষ্ঠুৰ আচৰণ নিষেধকাৰী) আইন
২০) ১৯২৭ চনৰ বনাঞ্চল আইন
২১) ১৯৩৯ চনৰ বিদেশী পঞ্জীয়নকাৰী আইন
২২) ১৯৭৬ চনৰ বন্ধুৱা প্রথা (নির্মূলকৰণ) আইন
২৩) ১৯৮৬ চনৰ পাৰিপার্শ্ব (সুৰক্ষা) আইন
২৪) ১৯৮১ চনৰ বায়ুমণ্ডল (প্রদূষণ প্রতিৰোধ নিষেধ তথা নিয়ন্ত্রণ) আইন
২৫) ১৯৭৪ চনৰ জল (প্রদূষণ প্রতিৰোধ তথা নিয়ন্ত্রণ) আইন
২৬) ১৯৮০ চনৰ ৰাষ্ট্রীয় সুৰক্ষা আইন



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ৩ ঃ** অপৰাধৰ দুটা সামাজিক কাৰণ লিখক।

.....

**প্রশ্ন নং ৩ ঃ** ভাৰতীয় দণ্ডবিধি সংহিতা (Cr.P.C)ত সন্নিৱিষ্ট দুই প্রকাৰৰ অপৰাধৰ বিষয়ে লিখক।

.....



## ২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প'ল থাপ্পনে অপৰাধক যুক্তিযুক্ততাহীন আৰু ইচ্ছাকৃতভাৱে কৰা আইনৰ উলংঘন বুলি কৈছে।
- যেতিয়া মাত্র এজন লোক কোনো অপৰাধমূলক কার্য্যৰ পৰিকল্পনা আৰু কার্য্যকৰীকাৰণত যুক্ত হয় তেতিয়া তাক ব্যক্তিগত অপৰাধ বোলা হয়।
- গোট এটাই পৰিকল্পিতভাৱে নাইবা সহযোগীতাৰে কৰা অপৰাধক সংগঠিত অপৰাধ বোলা হয়।
- শাস্ত্রীয় ব্যাখ্যা মতে অপৰাধ হ'ল ব্যক্তিৰ ভোগবাদী মানসিকতাৰ পৰিণতি আৰু ব্যক্তিক এনে কার্য্যৰ বাবে শাস্তি দিয়া আৱশ্যক।
- জনন ব্যাখ্যা (Biogenic Explanation) মতে অপৰাধমূলক আচৰণ ব্যক্তিৰ বংশগত আৰু আনুবংশিক (Genetic) কাৰকৰ দ্বাৰা নির্ধাৰিত হয়।
- মনোবৈজ্ঞানিক ব্যাখ্যা মতে অপৰাধমূলক কার্য্যৰ প্রতি আসক্তি মন্দবুদ্ধিৰ পৰিণতি।
- মনোচিকিৎসা সম্বন্ধীয় ব্যাখ্যা মতে মনোৰোগ সম্বন্ধীয় সমস্যাসমূহৰ বাবে মানুহ অপৰাধত প্রবৃত্ত হয়।
- মনোবিশ্লেষণাত্মক সিদ্ধান্ত মতে অপৰাধমূলক আচৰণ হ'ল ব্যক্তিৰ ইচ্ছাৰ তীব্রতা অথবা মনৰ উগ্র বাসনাই সৃষ্টি কৰা আৱেগিক প্রতিক্রিয়া।



## ২.৯ অধিক জানিবলৈ

*অসমীয়া গ্রন্থ ঃ*

১) শইকীয়া, জে. পি. (২০০৪) ঃ *সমাজ ঃ সমস্যা আৰু সমাধান*; যোৰহাট ঃ বিদ্যা ভৱন।

*ইংৰাজী গ্ৰন্থ ঃ*

1) Ahuja, Ram (2006): *Social Problems in India*. New Delhi: Rawat Publications.
2) Barlow, Hugh D. (1978): *Introduction to Criminology*. Boston: Little, Brown.
3) Caldwell, R. G. (1956): *Criminology*. New York: Ronald Press Co.
4) Sharma, R. N. (1993): *Criminology and Penology*. New Delhi, Kamala Nagar: Surjee Publications.



## ২.১০ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ছুথেৰলেণ্ডে বৰ্বৰতা আৰু গভীৰতাৰ ওপৰত নিৰ্ভৰ কৰি অপৰাধক মহা অপৰাধ (Felony) আৰু ক্ষুদ্ৰ দুষ্কৰ্ম (Misdemeanor) এই দুভাগত ভাগ কৰিছে। মহা অপৰাধ হ'ল অতিগুৰুতৰ ধৰণৰ অপৰাধ যাৰ বাবে অপৰাধীক দীৰ্ঘসময়ৰ বাবে কাৰাবাস বা মৃত্যুদণ্ড বিহা হয়। আনহাতে, ক্ষুদ্ৰ দুষ্কৰ্ম হ'ল বিশেষ ক্ষতি নথকা অপৰাধ যাৰ বাবে এক হ্ৰস্বকালীন কাৰাবাস অথবা জৰিমনা বিহা হয়।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৫০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ত্ৰুটীপূৰ্ণ শিক্ষা ব্যৱস্থা আৰু যৌতুক প্ৰথা।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** জ্ঞাত অথবা সচেতন আৰু অজ্ঞাত অথবা অসচেতন অপৰাধ।



## ২.১১ আৰ্হি প্ৰশ্ন

**ক) চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখিব)

**প্ৰশ্ন ১ ঃ** অপৰাধৰ অৰ্থনৈতিক কাৰণসমূহ ব্যাখ্যসমূহ কৰক।

**প্ৰশ্ন ২ ঃ** অপৰাধৰ বৈশিষ্ট্যসমূহ বণনা কৰক।

**খ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** অপৰাধমূলক ব্যৱহাৰ সম্পৰ্কীয় বিভিন্ন তত্ত্ব আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** অপৰাধৰ বিভিন্ন প্ৰকাৰ আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৩ ঃ জনসংখ্যা বিস্ফোৰণ আৰু নিৰক্ষৰতা

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ জনসংখ্যা বিস্ফোৰণৰ অর্থ

- ৩.৩.১ জনসংখ্যা মাত্রাধিক হোৱাৰ কাৰণসমূহ
- ৩.৩.২ ভাৰতবর্ষত মাত্রাধিক জনসংখ্যাৰ প্রভাৱ
- ৩.৩.৩ ভাৰতবর্ষৰ জনসংখ্যা নীতি

৩.৪ নিৰক্ষৰতাৰ অর্থ

- ৩.৪.১ নিৰক্ষৰতাৰ প্রকাৰ
- ৩.৪.২ নিৰক্ষৰতাৰ কাৰণ
- ৩.৪.৩ নিৰক্ষৰতাৰ ফলাফল

৩.৫ অসমত নিৰক্ষৰতা

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতি নিৰীক্ষণ

৩.৯ আৰ্হি প্রশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি—

- জনসংখ্যা বিস্ফোৰণৰ অর্থ, কাৰণ আৰু ফলাফল জানিব পাৰিব
- নিৰক্ষৰতাৰ সংজ্ঞা দিব পাৰিব
- নিৰক্ষৰতাৰ কাৰণ আৰু ফলাফল ব্যাখ্যা কৰিব পাৰিব।

## ৩.২ পৰিচয়

ভাৰত এখন ৰাষ্ট্র ৰূপে তীব্র গতিৰে উন্নতিৰ জখলাৰে আগুৱাই গৈ আছে। কিন্তু একে সময়তে ই বিশ্বৰ দ্বিতীয় জনবহুল ৰাষ্ট্র হিচাপেও পৰিগণিত হৈছে। দেশখনত সম্পদসমূহৰ পর্য্যাপ্ততাৰ তুলনাত জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বেছি। পৰিণতি স্বৰূপে ইয়ে দেশখনৰ সামগ্রিক বিকাশ প্রক্রিয়াত প্রতিবন্ধকতাৰ সৃষ্টি কৰিছে। যদিও জনসংখ্যাৰ পর্য্যাপ্ততাক দেশ এখনৰ বাবে সম্পদ হিচাপে বিবেচনা কৰা হয়, তথাপিও সেই জনসংখ্যাক প্রকৃতার্থত স্তৰলৈ উন্নীতকৰণৰ বাবে প্রতিগৰাকী নাগৰিক সাক্ষৰ হোৱাটো আৱশ্যক। চৰকাৰৰ ফালৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ

বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা সত্ত্বেও ভাৰতবৰ্ষৰ জনসংখ্যৰ এক বুজনসংখ্যক লোক বৰ্তমানেও নিৰক্ষৰ। নিৰক্ষৰ লোকসকলে আকৌ অন্ধবিশ্বাসৰ বলি হয়। অথবা সন্তানৰ মাধ্যমেদি অৰ্থনৈতিক অৱস্থা উন্নত কৰিব পাৰিব বুলি ধৰি লৈ অধিক সন্তান জন্ম দিয়াৰ প্ৰৱণতা দেখুৱায়। ই জনসংখ্যাৰ দ্ৰুত বৃদ্ধিত অৱদান আগবঢ়ায়। সেয়েহে ক'ব পাৰি যে জনসংখ্যা বিস্ফোৰণ আৰু নিৰক্ষৰতা উভয়ৰে আন্তঃসম্পৰ্ক আছে।

এই অধ্যায়টোত আমি দুয়োটা সমস্যা সম্পৰ্কে বহলাই আলোচনা কৰিম।

## ৩.৩ জনসংখ্যা বিস্ফোৰণৰ অৰ্থ

জনসংখ্যা বিস্ফোৰণ হ'ল জনসংখ্যাৰ আকস্মিক আৰু দ্ৰুত বৃদ্ধি। ই হৈছে এনেকুৱা এক পৰিস্থিতি য'ত জনসংখ্যাৰ বৰ্তমান আকাৰে পৃথিৱীৰ বহন ক্ষমতা অতিক্ৰম কৰে। ই হৈছে জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ মাজত সৃষ্টি হোৱা পাৰ্থক্যৰ পৰিণতি। জনসংখ্যা বিস্ফোৰণৰ এই ভয়াৱহ সমস্যাটো মূলতঃ মৃত্যুৰ হাৰ হ্ৰাস, চিকিৎসামূলক সা-সুবিধাৰ বৃদ্ধি, প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতি, প্ৰজনন ক্ষমতা বৃদ্ধি, পৰি পুষ্টিৰ ইত্যাদি বিভিন্ন কাৰকে প্ৰভাৱিত কৰে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰই জনসংখ্যাবিস্ফোৰণৰ নেতিবাচক প্ৰভাৱবোৰ ভূগিবলগীয়া হয়।

### ৩.৩.১ জনসংখ্যা মাত্ৰাধিক হোৱাৰ কাৰণসমূহ

জনসংখ্যা বৃদ্ধিৰ অন্তৰালত বিভিন্ন কাৰকে ক্ৰিয়া কৰে। সেইবোৰক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- **মৃত্যুৰ হাৰ হ্ৰাস ঃ** জনসংখ্যা বৃদ্ধিৰ এটা মুখ্য কাৰণ হ'ল জন্ম আৰু মৃত্যুৰ হাৰৰ মাজৰ পাৰ্থক্য। জন্মৰ হাৰ বৃদ্ধি আৰু একে সময়তে মানুহৰ প্ৰত্যাশিত আয়ুস বৃদ্ধিয়ে মৃত্যুৰ হাৰ কমাই আনিছে।
- **পৰিয়াল পৰিকল্পনাৰ অভাৱ ঃ** সাধাৰণতে উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰসমূহৰ অধিকাংশ জনসাধাৰণেই নিৰক্ষৰ, দৰিদ্ৰ, অসচেতন আৰু পৰিয়াল পৰিকল্পনা সম্বন্ধে অজ্ঞ। এনে ধৰণৰ দুখীয়া সমাজবোৰত বাল্য বিবাহৰ প্ৰচলনে অধিক সন্তান জন্ম হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে। ইয়াৰ উপৰি তেওঁলোকে জনসংখ্যা বৃদ্ধিৰ ক্ষতিকাৰক প্ৰভাৱবোৰ উপলব্ধি কৰাত ব্যৰ্থ হয় আৰু সেয়েহে পৰিয়াল পৰিকল্পনাৰ উপায়সমূহ অৱলম্বন নকৰে।এনে পৰিস্থিতিয়ে জনসংখ্যা বৃদ্ধিৰপ্ৰক্ৰিয়াক অধিক উৎসাহিত কৰে।
- **প্ৰব্ৰজন ঃ** বেছিভাগ মানুহেই উন্নত চিকিৎসা সেৱা, শিক্ষা, নিৰাপত্তা আৰু কৰ্মসংস্থাপনৰ সুবিধাসমূহৰ ভৱিষ্যৎ সম্ভাৱনীয়তাৰ দ্বাৰা আকৰ্ষিত হৈ পিছপৰা অঞ্চলৰপৰা উন্নত অঞ্চললৈ প্ৰব্ৰজন কৰে। সেইবাবে বিভিন্ন অঞ্চলত জনসংখ্যাৰ ব্যাপক প্ৰৱাহ ঘটে। সম্পদফলত আৰু আন্তঃগাঁথনিৰ সুবিধাবোৰ হ্ৰাস পায়। অৰ্থাৎ, সম্পদৰ সঙ্কোচ জনসংখ্যা বৃদ্ধিয়ে বৃদ্ধি কৰে। বৰ্ধিত জনসংখ্যাৰ চাহিদা উপলব্ধ সম্পদবোৰে কৰিবলৈ অপাৰগ হয়।

- **শ্ৰম নিৰ্ভৰশীল কৃষি ব্যৱস্থা ঃ** বৰ্তমান সময়লৈকে ভাৰতবৰ্ষৰ এক বুজনসংখ্যক লোক কৃষি কাৰ্য্যৰলগত জড়িত হৈ আছে।বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিৰ সময়ছোৱাতো কৃষি কাৰ্য্যৰ লগত জড়িত লোকসকলে পৰম্পৰাগত পদ্ধতিৰ জৰিয়তে খেতি কৰি আছে। তেওঁলোকে অধিক শ্ৰমিকৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে পৰিয়ালৰ আকাৰ বৃদ্ধি কৰে।

## ৩.৩.২ ভাৰতবৰ্ষত মাত্ৰাধিক জনসংখ্যাৰ প্ৰভাৱ

- **পৰিৱেশৰ গুণগত মান হ্ৰাস ঃ** অতিমাত্ৰা জনসংখ্যা বৃদ্ধিয়ে সম্পদৰ সঙ্কোচন ঘটায়। জনসংখ্যাৰ অত্যধিক বৃদ্ধিয়ে অধিক ঠাই, খাদ্য, বাসস্থান আৰু আন্তঃগাঁথনিমূলক সুবিধাসমূহ দাবী কৰে। বৰ্ধিত চাহিদাবোৰ পূৰণ কৰাৰ বাবে মানুহে অনিয়ন্ত্ৰিতভাৱে বনাঞ্চল ধ্বংস কৰি বন্যপ্ৰাণীৰ সংক্ৰমণ আৰু প্ৰদূষণৰ সমস্যাক অধিক শক্তিশালী কৰি তোলে। বৰ্ধিত জনসংখ্যাৰ প্ৰয়োজনবোৰ পূৰণ কৰা প্ৰক্ৰিয়াই পাৰিপাৰ্শ্বিকৰ ভাৰসাম্যতা বিনষ্ট কৰিছে। গোলকীয় উষ্ণতা, জলবায়ু পৰিৱৰ্তন ইত্যাদিবোৰ হ'ল পৰিৱেশ অৱনতিৰ উদাহৰণ। ভাৰতবৰ্ষত মানুহে নিজৰ সুবিধাৰ্থে নিৰ্বনানিকৰণ প্ৰক্ৰিয়া বৃস্তৃত কৰাৰ ফলত বনাঞ্চলসমূহ হ্ৰাস পাই আহিছে।
- **দৰিদ্ৰতা বৃদ্ধি ঃ** থমাছ মালথাছৰ (Thomas Malthus) মতে জনসংখ্যা এক জ্যামিতিক অনুক্ৰমত আৰু সম্পদ সমান্তৰ শ্ৰেণীক্ৰমত বাঢ়ে। অৰ্থাৎ, সম্পদৰ প্ৰয়োজনীয়তা থকা ব্যক্তিৰ তুলনাত সম্পদৰ পৰিমাণ কম হয়। ইয়াৰ ফলতেই কিছুমান লোক তেওঁলোকৰ প্ৰয়োজনীয়তাবোৰ পূৰণৰ সা-সুবিধা লাভৰ পৰা বঞ্চিত হৈ ৰয় আৰু একো একোটা দৰিদ্ৰ জীৱন যাপন কৰে।
- **নিবনুৱা সমস্যা ঃ** জনসংখ্যা বৃদ্ধি আৰু নিবনুৱা সমস্যা বৃদ্ধি আন্তঃসম্পৰ্কত আছে। জনসংখ্যা বৃদ্ধিৰ অনুপাতে কৰ্মসংস্থাপনৰ সুবিধাসমূহ বৃদ্ধি নহয়, সেয়েহে বহুলোকে কৰ্মহীন হৈ থাকিবলৈ এক প্ৰকাৰ বাধ্য হৈ পৰে। ইয়ে তেওঁলোকক সমাজ বিৰোধী কামবোৰত জড়িত হ'বলৈ পৰোক্ষভাৱে প্ৰৰোচিত কৰে। যেতিয়া মানুহ নিজৰ মৌলিক প্ৰয়োজন পূৰণ কৰিবলৈ অপৰাগ হয়, তেতিয়া চুৰি, ডকাইতি আদি কৰে। এনেকৈয়ে মাত্ৰাধিক জনসংখ্যাই সমাজত অপৰাধমূলক কাৰ্য্যকলাপ সংঘটিত হোৱাত সাৰ-পানী যোগায়।
- **জীৱন-যাপনৰ ব্যয় বৃদ্ধি ঃ** জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ দৰে মৌলিক প্ৰয়োজনসমূহকে ধৰি অন্যান্য পণ্য সামগ্ৰীসমূহৰ যোগান আৰু চাহিদাৰ মাজত ব্যাপক ব্যৱধানৰ সৃষ্টি কৰে। চাহিদা অনুপাতে যোগান কম হোৱাৰ বাবে মানুহে নিজৰ অস্তিত্ব বজাই ৰাখিব পৰা প্ৰয়োজনসমূহ পূৰণ কৰাৰ নামত অধিক ধন ব্যয় কৰিবলগীয়া হৈছে।

- **পৰিয়ালৰ সংহতিহীনতা ঃ** যেতিয়া পৰিয়াল এটাত সদস্যৰ সংখ্যা বাঢ়ে আৰু সেই অনুপাতে ভৰণ-পোষণত অসুবিধাৰ সৃষ্টি হয়, তেতিয়াই কমবয়সীয়া ল'ৰা-ছোৱালীক কামলৈ পঠিয়াবলৈ অভিভাৱকসকল এক প্ৰকাৰ বাধ্য হৈ পৰে। এনে পৰিয়ালে ভিতৰে বাহিৰে সৰ্বত্ৰ সংঘাত আৰু বিপৰ্য্যয়ৰ সন্মুখীন হ'বলগীয়া হয়। ফলস্বৰূপে এনে পৰিয়ালৰ সদস্যসকল পাৰিবাৰিক জীৱনৰ সুখ অৰ্জনত ব্যৰ্থ হয় আৰু ল'ৰা-ছোৱালীবোৰো অধিক সংবেদনশীল হৈ পৰে। ইয়ে পৰৱৰ্তী পৰ্য্যায়ত গোটেই সমাজ ব্যৱস্থাটোক প্ৰভাৱিত কৰে।

**তালিকা ৩.৩.২ (ক)**

| লোকপিয়ল বছৰ | জনসংখ্যা | লোকপিয়লসমূহত জনসংখ্যাৰ পৰিৱৰ্তন |
|---|---|---|
| ১৯০১ | ২৩,৩৯,৬৩২৭ | — |
| ১৯১১ | ২৫,২০,৯৩,৩৯০ | ১,৩৬,৯৭,০৬৩ |
| ১৯২১ | ২৫,১৩,২১,২১৩ | ৭,৭২,১১৭ |
| ১৯৩১ | ২৭,৮৯,৭৭,২৩৮ | ২,৭৬,৫৬,০২৫ |
| ১৯৪১ | ৩১,৮৬,৬০,৫৮০ | ৩,৯৬,৮৩,৩৪২ |
| ১৯৫১ | ৩৬,১০,৮৮,০৯০ | ৪,২৪,২৭,৫১০ |
| ১৯৬১ | ৪৩,৯২,৩৪,৭৭১ | ৭,৮১,৪৬,৬৮১ |
| ১৯৭১ | ৫৪,৮১,৫৯,৬৫২ | ১০,৮৯,২৪,৮৮১ |
| ১৯৮১ | ৬৮,৩৩,২৯,০৯৭ | ১৩,৫১,৬৯,৪৪৫ |
| ১৯৯১ | ৮৪,৬৪,২১,০৩৯ | ১৬,৩০,৯১,৯৪২ |
| ২০০১ | ১,০২,৮৭,৩৭,৪৩৬ | ১৮,২৩,১৬,৩৯৭ |
| ২০১১ | ১,২১,০১,৯৩,৪২২ | ১৮,১৪,৫৫,৯৮৬ |

*উৎস ঃ* Register General of India, Census 2011, Provisional Population Totals.

## ৩.৩.৩ ভাৰতবৰ্ষৰ জনসংখ্যা নীতি

তালিকা ৩.৩.২(ক)ৰ পৰা ভাৰতবৰ্ষৰ দ্ৰুত জনসংখ্যা বৃদ্ধিৰ এখন সামগ্ৰিক ছবি প্ৰতিফলিত হৈছে। জনসংখ্যা বিস্ফোৰণৰ সমস্যাটো সমাধান কৰাৰ বাবে ভাৰতবৰ্ষই জনসংখ্যা নীতি প্ৰস্তুত কৰিছে। স্বাধীনোত্তৰ ভাৰতবৰ্ষত ১৯৫২ চনত জনসংখ্যা নীতি সমিতি (Population Policy Committee) আৰু ১৯৫৩ চনত পৰিয়াল পৰিকল্পনা গৱেষণা আৰু কাৰ্য্যপৰিকল্পনা সমিতি (Family Planning Research and Programming Committee) গঠন কৰা হৈছিল। ১৯৫৬ চনত কেন্দ্ৰীয় পৰিয়াল পৰিকল্পনা বোৰ্ড (Central Family Planning Board) গঠন কৰা হৈছিল ইয়াৰ

জৰিয়তে জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ বন্ধ্যাকৰণৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছিল। ১৯৬০ চনৰ সময়ছোৱাত ভাৰত চৰকাৰে জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ কৰাৰ অভিপ্রায়েৰে বিভিন্ন পৰিয়াল পৰিকল্পনা আঁচনিৰ কাম আৰম্ভ কৰিছিল। ১৯৭৬ চনৰ সময়ছোৱাত স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা মন্ত্রালয়ে জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ বিবাহৰ বয়স বৃদ্ধি, মহিলা সাক্ষৰতা আদি বিষয়ত গুৰুত্বদি গণমাধ্যমসমূহৰ জৰিয়তে জনসচেতনতা বৃদ্ধি আৰু পুৰুষ বন্ধ্যাকৰণৰ দৰে বিভিন্ন উপায় অৱলম্বন কৰিছিল। ২০০০ চনত ভাৰত চৰকাৰে জনসংখ্যা নীতি (NPP, 200) গ্রহণ কৰে। এই নীতিৰ দ্বাৰা প্রাথমিক স্বাস্থ্যসেৱা প্রদানৰ ব্যৱস্থা গ্রহণ কৰাৰ লগতে পৰিয়াল পৰিকল্পনা সেৱাৰ লক্ষ্য অব্যাহত ৰখাৰ কামত নাগৰিকৰ স্বৈচ্ছিক, সুনির্দিষ্ট সিদ্ধান্ত আৰু সন্মতিৰ প্রতি চৰকাৰমনোযোগী হৈ ৰ'ব বুলি প্রতিশ্রুতি ব্যক্ত কৰা হৈছিল। এই জনসংখ্যা নীতিৰ কিছুমান উদ্দেশ্য তলত উল্লেখ কৰা হ'ল—

- ২০৪৫ চনৰ ভিতৰত ভাৰতৰ জনসংখ্যাৰ স্থিৰতা সুনিশ্চিত কৰা।
- স্বাস্থ্যৰ লগত জড়িত মৌলিক সুবিধাসমূহ বৃদ্ধি কৰা
- গর্ভনিৰোধক উপায়সমূহৰ ব্যৱহাৰক উৎসাহিত কৰা।
- শিশু মৃত্যুৰ হাৰ কমোৱা।
- প্রসূতি মাতৃৰ মৃত্যুৰ হাৰ কমোৱা।
- সার্বজনীন টিকাকৰণ কার্য্যসূচী পৰিচালনা কৰা।
- ১৮ বছৰৰ তলৰ কণ্যা শিশুৰ বিবাহ বন্ধ কৰা আৰু ২০ বছৰৰ পাছত বিয়া দিয়াৰ বাবে সচেতনতা সৃষ্টি কৰা।
- শিশু প্রসৱৰ সময়ত প্রশিক্ষণ প্রাপ্ত নার্ছৰ দ্বাৰা সেৱা আগবঢ়োৱাটো নিশ্চিত কৰা।
- জন্ম, মৃত্যু আৰু বিবাহৰ পঞ্জীয়ন কৰাটো ১০০ শতাংশই সুনিশ্চিত কৰা।
- এইড্‌ছ আৰু অন্যান্য যৌন ৰোগবোৰ নিয়ন্ত্রণ আৰু প্রতিৰোধ কৰা।
- বিভিন্ন ধৰণৰ মহামাৰী নিয়ন্ত্রণ আৰু প্রতিৰোধ কৰা।
- সৰু পৰিয়ালৰ আদর্শৰ প্রতি সচেতনতা বৃদ্ধি কৰা।
- বিভিন্ন সামাজিক ক্ষেত্রৰ পৰিয়াল কল্যাণ কার্য্যসূচীসমূহৰ লগত সমন্বয় স্থাপন কৰা।

যেতিয়া জনসংখ্যাৰ পৰিমাণ সমাজত উপলব্ধ সম্পদৰাজিৰ তুলনাত অধিক হয়, তেতিয়াই সমাজৰ এচাম মানুহে প্রয়োজনীয় সম্পদ লাভৰ পৰা বঞ্চিত হয়। মানুহে অন্ন, বস্ত্র আৰু বাসস্থানৰ দৰে মৌলিক প্রয়োজনসমূহ পূৰণ কৰাত ব্যর্থ হ'লে। সাক্ষৰ হৈ উঠাটো তেওঁলোকৰ বাবে দূৰণিৰ তৰা যেন হৈ পৰে।পৰিণতিস্বৰূপে সমাজৰ এক বৃহৎ অংশ নিৰক্ষৰ হৈ ৰৈ যায়।

ঐতিহাসিকভাৱে ভাৰতবর্ষত আনুষ্ঠানিক শিক্ষা লাভৰ অধিকাৰ মুষ্টিমেয় প্রদান কৰা হৈছিল। ফলস্বৰূপে এক বৃহৎসংখ্যক লোক নিৰক্ষৰ হৈ থাকিবলৈ বাধ্য হৈছিল। ভাৰতবর্ষত বৃটিছ প্রশাসনৰ আগমনে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰৰ প্রচেষ্টাক

শক্তিশালী কৰি তুলিছিল। কিন্তু বৃটিছসকলৰ প্ৰচেষ্টাই বৃহৎসংখ্যক লোকক শিক্ষিত কৰি তুলিব পৰা নাছিল। কেৱল সীমিত সংখ্যক লোকেহে আধুনিক শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। দুখীয়া আৰু উপান্ত শ্ৰেণীৰ জনগণে শিক্ষা লাভত ব্যৰ্থ হৈছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত এই কথা ধৰা পৰিছিল যে দেশখনৰ অধিক সংখ্যক লোকেই নিৰক্ষৰতা নামৰ ব্যাধিৰে আক্ৰান্ত হৈ আছে আৰু সমান্তৰালভাৱে এই কথাও গভীৰভাৱে উপলব্ধি কৰা হয় যে দেশখনৰ প্ৰগতি তথা বিকাশৰ বাবে নাগৰিকৰ সাক্ষৰতা অত্যন্ত জৰুৰী। কিন্তু জনসংখ্যাৰ আকাৰ বাঢ়িবলৈ লোৱাৰে পৰা মানুহৰ মাজত দৰিদ্ৰতাৰ সমস্যাই গা কৰি উঠিছিল। ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ শিক্ষা গ্ৰহণ কাৰ্য্য স্থবিৰ হৈ পৰিছিল অথবা সিহঁতৰ বিদ্যালয় এৰাৰ প্ৰৱণতা বৃদ্ধি পাইছিল। নিৰক্ষৰতা বৰ্তমানেও দেশৰ বিকাশৰ পথত এক প্ৰধান হেঙাৰ হৈ আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** জনসংখ্যা বিস্ফোৰণৰ চাৰিটা কাৰণ উল্লেখ কৰক ?

.....

.....

**প্ৰশ্ন নং ২ ঃ** কেন্দ্ৰীয় পৰিয়াল পৰিকল্পনা বোৰ্ড 'Central Family Planning Board' কেতিয়া গঠন কৰা হৈছিল ?

.....

## ৩.৪ নিৰক্ষৰতাৰ অৰ্থ

ইউনেস্ক'ৰ মতে, "ব্যক্তিগত পৰিচয় আৰু সমাজৰ অন্তৰ্ভুক্ত হোৱাৰ প্ৰক্ৰিয়াটোক প্ৰভাৱিত কৰা সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত মানুহৰ পঠন (Reading), লেখন (Writing) আৰু গাণিতিক (Mathematical) দক্ষতাৰ মূল্যায়নৰ দ্বাৰা নিৰক্ষৰতা জুখিব পাৰি।" এই দৃষ্টিভঙ্গী অনুসৰি সাক্ষৰতাই কেৱল পঠন আৰু লেখন দক্ষতাকে সামৰি নলয়, ই ভিতৰত সমাজৰ উৎপাদনশীল ফলপ্ৰসূ তথা বাবে প্ৰয়োজনীয় কৌশলবোৰ আহৰণপাৰদৰ্শিতা প্ৰদৰ্শনৰ বুজায়। অন্য অৰ্থত এগৰাকী ব্যক্তিয়ে লিখা-পঢ়া আৰু গণনাৰ আনুষ্ঠানিক প্ৰশিক্ষণ পোৱা সত্ত্বেও যদি দৈনন্দিন জীৱনৰ কাম-কাজ, যেনে— দৰৱৰ ওপৰত থকা নাম পঢ়া, প্ৰ-পত্ৰ পূৰণ কৰা আদি কামত নাইবা উপযোগী চৰকাৰী নীতি আৰু আঁচনিবোৰ সুবিধাসমূহৰ বিষয়ে অজ্ঞ হয়, তেন্তে তেনে ব্যক্তিক প্ৰকৃতাৰ্থত সাক্ষৰ ব্যক্তি হিচাপে বিবেচনাকৰা নহয়।

ভাৰতৰ লোকপিয়ল অনুসৰি, ৭ বছৰ অথবা ততোধিক বয়সৰৰ ব্যক্তিৰ যদি যিকোনো ভাষাত লিখা-পঢ়া আৰু বুজি পোৱাৰ ক্ষমতা আছে তেন্তে, তেওঁক সাক্ষৰ হিচাপে বিবেচনা কৰা হয়। কিন্তু যি ব্যক্তিয়ে কেৱল পঢ়িব পাৰে কিন্তু লিখিব নোৱাৰে, তেওঁক সাক্ষৰ বুলি গণ্য কৰা

নহয়। ২০১১ চনৰ ভাৰতীয় লোকপিয়ল মতে ভাৰতৰ সাক্ষৰতাৰ হাৰ ৭৪.০৪ শতাংশলৈ বৃদ্ধি পাইছে। ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ভিতৰত সাক্ষৰতাৰ ফালৰ পৰা কেৰালা প্ৰথম স্থানত আছে; য'ত সাক্ষৰতাৰ হাৰ ৯৩.৯১ শতাংশ। ক্ৰম তালিকাত ইয়াৰ পাছতেই মিজোৰামৰ সাক্ষৰতাৰ হাৰ ৯১.৫৮ শতাংশ আৰু ত্ৰিপুৰাৰ সাক্ষৰতাৰ হাৰ ৮৭.৭৫ শতাংশ। বিহাৰৰ সাক্ষৰতাৰ হাৰ দেশৰ ভিতৰতে সৰ্বনিম্ন ৬৩.৮২ শতাংশ আৰু একেদৰে, অৰুণাচল প্ৰদেশৰ সাক্ষৰতাৰ হাৰ ৬৬.৯৫ শতাংশ আৰু ৰাজস্থানৰ সাক্ষৰতাৰ হাৰ হ'ল ৬৭.০৬ শতাংশ।

## ৩.৪.১ নিৰক্ষৰতাৰ প্ৰকাৰ

ইউনেস্ক'ৰ মতে নিৰক্ষৰতা দুই প্ৰকাৰৰ। সেইবোৰ তলত উল্লেখ কৰা ধৰণে চিনাক্ত কৰিব পাৰি—

- **সম্পূৰ্ণ নিৰক্ষৰতা ঃ** সম্পূৰ্ণ নিৰক্ষৰতা হ'ল লিখা-পঢ়াৰ দৰে মৌলিক দক্ষতাৰ অভাৱ। জীৱনত কেতিয়াও বিদ্যালয়লৈ যোৱাৰ অভিজ্ঞতা নথকা ব্যক্তিসকলক সম্পূৰ্ণ নিৰক্ষৰ শিতানত ধৰা হয়।
- **কাৰ্য্য সম্পাদনাত্মক ঃ** কাৰ্য্য সম্পাদনাত্মক নিৰক্ষৰতা মানে হ'ল ব্যক্তিয়ে অৰ্জিত শিক্ষাক দৈনন্দিন জীৱনত প্ৰয়োগৰ ক্ষেত্ৰত দেখুওৱা নিম্নতম সামৰ্থৰ অভাৱ।

## ৩.৪.২ নিৰক্ষৰতাৰ কাৰণ

ৰাম আহুজাৰ মতে তলত উল্লেখ কৰা কাৰণবোৰেই হ'ল নিৰক্ষৰতাৰ মূল—

- **দৰিদ্ৰতা ঃ** দেশৰ জনসংখ্যাৰ অধিকাংশই কথমপি তেওঁলোকৰ জীৱনৰ অস্তিত্ব বৰ্তাই ৰাখিছে। এনে এক পৰিস্থিতিত জীয়াই থকাৰ সংগ্ৰামত মানুহবিলাকৰ বাবে শিক্ষা লাভ কৰাটো আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰি তোলাটো এক বিলাসী সপোন সদৃশ।
- **উচ্চ হাৰত হোৱা জনসংখ্যা বৃদ্ধি ঃ** কিছুসংখ্যক মানুহৰ বাবে পৰিয়ালত ল'ৰা-ছোৱালীৰ সংখ্যা বৃদ্ধি মানে হ'ল আয় উপাৰ্জনৰ উৎস বৃদ্ধি। কিন্তু তেওঁলোকৰ সন্তানেও বিচৰা ধৰণে উপাৰ্জন কৰিব নোৱাৰে আৰু পৰিণতি স্বৰূপে দৰিদ্ৰতাৰ সমস্যাই অধিকগুৰুতৰ ৰূপত মূৰ দাঙি উঠে।এনেএক পৰিস্থিতিত ল'ৰা-ছোৱালীয়ে জীৱনৰ আদি কালতে কৰ্মজীৱনৰ পাতনি মেলিবলৈ এক প্ৰকাৰ বাধ্য হৈ পৰে অথবা ভাতৃ-ভগ্নীক চোৱা-চিতা কৰাৰ দায়িত্ব ল'বলগীয়া হয়। ফলস্বৰূপে ল'ৰা-ছোৱালী আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হয়।
- **সজাগতাৰ অভাৱ ঃ** নিৰক্ষৰ লোক বেছিকৈ থকা অঞ্চলসমূহত আনুষ্ঠানিক শিক্ষাক ধন আৰু সময়ৰ অপচয় বুলি বিবেচনা কৰা হয়। ইয়াৰ কাৰণ হ'ল তেওঁলোকে অনুভৱ কৰে যে শিক্ষা অবিহনেই তেওঁলোকে ভালদৰে নিজৰ জীৱন অতিবাহিত

কৰিছে। সেয়েহে তেওঁলোকৰ উত্তৰ পুৰুষক আনুষ্ঠানিকভাৱে শিক্ষিত কৰাৰ কোনো প্ৰয়োজন নাই।

- বিদ্যালয়ৰ সংখ্যা বৃদ্ধিৰ বাবে কৰা বিনিয়োগ সত্ত্বেও চৰকাৰী বিদ্যালয়বোৰে শিক্ষার্থীৰ সংখ্যা বঢ়োৱাত বিফল হৈছে। বিভিন্ন নীতি গ্ৰহণ কৰি সেইবোৰৰ সম্প্ৰসাৰণ ঘটোৱা সত্ত্বেও এইটো দেখা গৈছে যে নীতিসমূহ কার্য্যক্ষেত্ৰত ভালদৰে প্ৰয়োগ কৰা হোৱা নাই। সেইবাবে শৈক্ষিক নীতিসমূহৰ সুবিধাই সমাজৰ এটা অংশৰ মানুহৰ কায চপাত ব্যর্থ হৈছে।
- স্বাধীনতা লাভৰ বহু বছৰ পাছতো জাতিগত সীমাৱদ্ধতাই ভাৰতৰ বিভিন্ন অঞ্চলত এক জ্বলন্ত সমস্যাৰ ৰূপ ধাৰণ কৰি আছে। সামাজিক বৈষম্যৰ মুখামুখি হোৱা বিভিন্ন জাতি-সম্প্ৰদায়ৰ বহুতো ল'ৰা-ছোৱালীৰ মাজত স্কুল এৰাৰ প্ৰৱণতাই গা কৰি উঠে আৰু বহুলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়ত নামভর্তি কৰি দিয়াৰ পৰা বিৰত থাকে।
- বহু সমাজত বালিকা শিক্ষাক ধনৰ অপচয় বুলি বিবেচনা কৰা হয়। পৰিণতি স্বৰূপে এক বৃহৎ সংখ্যক ছোৱালী আৰু মহিলা নিৰক্ষৰ হৈ ৰৈ যায় হয়।
- সপ্তম পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱালৈকে সাধাৰণ আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত পুঁজিৰ নিম্ন আবণ্টনক নিৰক্ষৰতাৰ আন এক কাৰণ বুলি বিবেচনা কৰা হয়।

## ৩.৪.৩ নিৰক্ষৰতাৰ ফলাফল

ইউনেস্ক'ৰ মতে মানুহে পৃথিৱীত ভূমিষ্ঠ হোৱা দিনৰে পৰা জীৱনৰ অন্তিম মুহূর্তলৈ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াটো নিৰৱচ্ছিন্নভাৱে চলি থাকে আৰু সেইদৰে নিৰক্ষৰতাৰ প্ৰভাৱো সমগ্ৰ জীৱন জুৰি অনুভৱ কৰা যায়। নিৰক্ষৰতাৰ কেইটামান প্ৰভাৱ তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি—

- নিৰক্ষৰ ব্যক্তিসকল দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজ কৰাৰ ক্ষেত্ৰত তুলনামূলকভাৱে সহজতে প্ৰৱঞ্চনাৰ বলি হ'ব লগীয়া হয়।
- মনোবিজ্ঞান, স্নায়ুবিজ্ঞান আৰু পুষ্টি আদি বিভিন্ন বিষয়কলৈ ইউনেস্ক'ই কৰা গৱেষণামূলক অধ্যয়নৰ পৰা গম পোৱা গৈছে যে শিশুৰ সামাজিক আচৰণ, স্বাস্থ্য, বৌদ্ধিক ক্ষমতা আৰু ব্যক্তিত্বৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰথম ৫ বছৰ হ'ল সোণালী সময়। এই পাঁচ বছৰৰ সময়ছোৱাত শিশুৱে তাৰ চৌপাশৰ সামাজিক পৰিৱেশৰ পৰা ভৱিষ্যৎ জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশ আহৰণ কৰে। শিশুৰ অভিভাৱক যদি নিৰক্ষৰ হয়, তেন্তে উল্লিখিত দিশসমূহত শিশুৰ বিকাশ প্ৰক্ৰিয়াও তুলনামূলকভাৱে লেহেমীয়া প্ৰকৃতিৰ হয়।

- **সামাজিক গতিশীলতা স্থবিৰ কৰে ঃ** মানুহবোৰ যেতিয়া নিৰক্ষৰ হয়, তেতিয়া প্ৰচলিত আৰু কম মজুৰিৰ কামবোৰ কৰিবলৈ এক প্ৰকাৰ বাধ্য হৈ পৰে। তেওঁলোক নতুন আৰু উন্নত সুবিধা থকা কৰ্মসংস্থাপন লাভ কৰিবলৈ অসমৰ্থ হয়। ফলস্বৰূপে তেওঁলোকৰ সামাজিক স্থিতি একেই হৈ ৰয়। ইউনেস্ক'ৰ মতে প্ৰাপ্তবয়স্ক নিৰক্ষৰতাই বৰ্তমান আৰু ভৱিষ্যতৰ আৰ্থ-সামাজিক সঙ্কটাৱস্থাৰ সম্ভাৱনীয়তাক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চৰিত কৰে। অভিভাৱকসকলে যেতিয়া ল'ৰা-ছোৱালীক আনুষ্ঠানিক শিক্ষা লাভত সহায় কৰিবলৈ আৰু উৎসাহিত কৰাত উদাসীনতা দেখুৱায় তেতিয়া ল'ৰা-ছোৱালীবোৰেও উন্নত প্ৰদৰ্শন দেখুৱাবলৈ অসমৰ্থ হয়।
- শিক্ষিত মানুহ যুক্তিসংগতভাৱে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সক্ষম। ইয়ে জাতিৰ প্ৰগতিত সহায়ৰ হাত আগবঢ়াব পাৰে। ৰাষ্ট্ৰ এখনৰ বৃহৎ সংখ্যক লোক নিৰক্ষৰ হৈ থাকিলে তেওঁলোকৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক আনে প্ৰভাৱিত কৰিব পাৰে। এই কথাটোৱে সামগ্ৰিকভাৱে গোটেই দেশখনকে প্ৰভাৱিত কৰে। এনে অৱস্থাত ন্যস্তস্বাৰ্থ জড়িত লোকসকলৰ বাবে নিৰক্ষৰ লোকসকলক বিভ্ৰান্ত কৰি তেওঁলোকৰ হতুৱাই কোনো অবৈধ কাৰ্য্য সম্পাদন কৰাটো যথেষ্ট পৰিমাণে সহজ হৈ পৰে।সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ছোৱাত এনে ন্যস্তস্বাৰ্থ জড়িত মানুহে এটা সম্প্ৰদায়ৰ প্ৰতি আন এটা সম্প্ৰদায়ৰ মাজত ঘৃণাৰ ভাৱ তীব্ৰতৰ কৰি তোলে।
- বিভিন্ন ধৰণৰ অধ্যয়নে এই কথা পোহৰলৈ আনিছে যে যিসকল মহিলা নিৰক্ষৰ অথবা সৰুতেই বিদ্যালয় এৰিছে তেওঁলোকৰ মাজত তুলনামূলকভাৱে ব্যক্তিগত পৰিচ্ছন্নতা, পুষ্টি আৰু স্বাস্থ্য সম্পৰ্কিয় বিষয়বোৰক লৈ সজাগতাৰ অভাৱ দেখা যায়।
- **নিম্ন মজুৰিঃ** সাক্ষৰ ব্যক্তিসকলৰ দৰ-দাম কৰাৰ ক্ষমতা অধিক। এইটো দেখা যায় যে যথেষ্ট অভিজ্ঞতা থকা আৰু অধিক কষ্ট কৰা সত্ত্বেও নিৰক্ষৰ লোকসকলক নিম্ন হাৰত মজুৰি দিয়া হয়। কিছুমান মানুহে নিৰক্ষৰ লোকৰ পৰা সহজে সুবিধা আদায় কৰিব পাৰে।
- **অন্ধবিশ্বাস ঃ** ভাৰতবৰ্ষত বহুত যুক্তিহীন অন্ধবিশ্বাসৰ প্ৰচলন আছে। নিৰক্ষৰতাই এনে কু-প্ৰথাবোৰৰ অনুশীলন ভৱিষ্যতলৈও চলি থকাত সহায় কৰে। উদাহৰণ স্বৰূপে, ডাইনী হত্যাৰ বিষয়টোলৈ চাওক। মানুহবোৰ নিৰক্ষৰ হোৱা বাবে এনে কাৰ্য্যৰ বৈধতা সম্পৰ্কে কোনো প্ৰশ্ন কৰিব নোৱাৰে আৰু তাৰেই সোণালী সুযোগ গ্ৰহণ কৰি এচাম ব্যক্তিয়ে ন্যস্তস্বাৰ্থ চৰিতাৰ্থ কৰাৰ অভিপ্ৰায়েৰে ডাইনী হত্যাৰ দৰে কাৰ্য্য সম্পাদন কৰিবলৈ প্ৰৰোচিত কৰে।
- যেতিয়া দেশএখনৰ বেছিভাগ লোকেই নিৰক্ষৰ হৈ থাকে, তেতিয়া মুষ্টিমেয় এচামে আত্মস্বাৰ্থ ৰক্ষাৰ বাবে নিৰক্ষৰ সকলৰ সিদ্ধান্তক প্ৰভাৱিত কৰাৰ সম্ভাৱনা প্ৰবল হৈ পৰে। আকৌ, নিৰক্ষৰ নাগৰিকসকলে সামাজিক আৰু ৰাজনৈতিক জীৱন প্ৰক্ৰিয়াত

দক্ষতাৰে অংশগ্রহণ কৰিবলৈ প্রয়োজন হোৱা নৈপুণ আহৰণত ব্যর্থতা দেখুৱায়। নাগৰিকসকলৰ নিজ অধিকাৰ আৰু কর্তব্য সম্পর্কে সজাগতা নাথাকিলে স্বার্থবোৰ ৰক্ষা কৰিবনোৱাৰে। ফলস্বৰূপে অর্থনৈতিক উন্নয়ন বাস্তৱ হোৱা সত্ত্বেও সম্পদসমূহৰ অসম বিতৰণ প্রক্রিয়াৰ বাবে ভাৰতে প্রকৃতার্থত বিকাশৰ সেন্দূৰীয়া পথেৰে অগ্রসৰ হ'ব পৰা নাই।

## ৩.৫ অসমত নিৰক্ষৰতা

অসম হৈছে এনেকুৱা এখন ৰাজ্য য'ত মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ নিৰক্ষৰ। ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাজ্যখনত সাক্ষৰতাৰ হাৰ হ'ল ৭৩ শতাংশ। অসমে ৩৫খন ৰাজ্যৰ ভিতৰত সাক্ষৰতাৰ ফালৰ পৰা ২৬ সংখ্যক স্থান লাভ কৰিছে। আকৌ, ৰাষ্ট্রীয় পর্য্যায়ৰ গৃহ জৰীপ অনুসৰি অসমৰ শিক্ষাৰ মান ৰাষ্ট্রীয় মানৰ তুলনাত কম। অৱশ্যে অসমৰ গ্রামাঞ্চল আৰু চহৰ অঞ্চলত মহিলাৰ সাক্ষৰতাৰ হাৰ ৰাষ্ট্রীয় পর্য্যায়ৰ সাক্ষৰতাৰ তুলনাত অধিক। অসমৰ মানৱ উন্নয়ন জৰীপৰ তথ্য অনুসৰি মুছলমান সম্প্রদায়ৰ ১৫+ বয়সৰ মানুহখিনিৰ মাজত সাক্ষৰতাৰ হাৰ যথেষ্ট নিম্ন। আঞ্চলিকভাৱে চৰ অঞ্চলবোৰত সাক্ষৰতাৰ হাৰ নিম্ন হোৱা দেখা গৈছে। চৰ অঞ্চলবোৰ পাৰিপার্শ্বিকতাৰ দিশেৰে যথেষ্ট স্পর্শকাতৰ। চৰ অঞ্চলত বসবাস কৰা মানুহখিনি নিৰৱচ্ছিন্নভাৱে বাসস্থান স্থানান্তৰ কৰিবলৈ বাধ্য। এনে অৱস্থাই মানুহবোৰৰ জীৱন-যাপনৰ মান আৰু সাক্ষৰতাৰ হাৰ উভয়কে প্রভাৱিত কৰে।

অসম মানৱ উন্নয়ন জৰীপত পুনৰ কোৱা হৈছে যে কিছুমান নির্দিষ্ট ৰাজ্যত নিৰক্ষৰতা অসামানুপাতিক ভাৱে সম্প্রসাৰিত হৈ আছে। অসমৰ ২৭খন জিলাৰ ভিতৰত ১২খন জিলা, যেনে— বাক্সা, বৰপেটা, কাছাৰ, দৰং, ধুবুৰী, গোৱালপাৰা, কামৰূপ, কার্বি আংলং, নগাঁও, শোণিতপুৰ, তিনিচুকীয়া আৰু ওদালগুৰিত নিৰক্ষৰ লোকৰ সংখ্যা অধিক। এইখিনিতে মন কৰিবলগীয়া যে ১২খন জিলাৰ ভিতৰত ৯খন জিলাত মুছলমান জনবসতিপ্রধান আৰু তাত নিৰক্ষৰতা হাৰ অধিক। মুছলমান সম্প্রদায়ৰ উপৰি ওপৰোক্ত জিলাসমূহত আদিবাসী আৰু জনজাতীয় লোক সিঁচৰতি হৈ আছে। প্রতিবেদন অনুসৰি যদিও সাম্প্রতিক সময়ত প্রাথমিক পর্য্যায়ত অধিক শিক্ষার্থীয়ে নামভর্তি কৰিছে তথাপিও পৰৱর্তী পর্য্যায়ত এই শিক্ষার্থীসকলৰ বিদ্যালয় এৰাৰ প্রৱণতা বৃদ্ধি পাইছে। অসম মানৱ উন্নয়ন প্রতিবেদন ২০১৪ অনুসৰি যদিও বিদ্যালয় ভিত্তিক জৰীপে শিক্ষাৰ এখন সুকীয়া ছবি দাঙি ধৰিছে তথাপি গৃহ জৰীপৰ তথ্য অনুসৰি বিদ্যালয়লৈ যোৱা মুঠ শিক্ষার্থীৰ ভিতৰত ২৮ শতাংশ ল'ৰা-ছোৱালীয়ে প্রকৃত অর্থত কেতিয়াও নামভর্তি নকৰে, ৬৭.১৪ শতাংশ নামভর্তি কৰা ছাত্র-ছাত্রীয়ে পৰৱর্তী শ্রেণীসমূহৰ পৰা বিদ্যালয়লৈ যোৱাটো বাদ দিয়ে আৰু ৪.৪৭ শতাংশ ল'ৰা-ছোৱালীয়ে আনুষ্ঠানিকভাৱে নামভর্তি কৰে যদিও তেওঁলোকৰ অধিক অংশই বিদ্যালয়ত অনুপস্থিত থাকে। কামৰূপ, নলবাৰী, তিনিচুকীয়া, দৰং আৰু ধুবুৰী জিলাৰ ক্ষেত্রত নামভর্তি নকৰা ল'ৰা-ছোৱালীৰ সংখ্যা বেছি। শিৱসাগৰ, লখিমপুৰ, যোৰহাট, ডিব্রুগড়, বঙাইগাঁও আৰু ধেমাজিৰ দৰে জিলাসমূহত শৈক্ষিক দিশত অসমৰ আগশাৰীৰ

জিলা হিচাপে চিনাক্ত কৰা হয় যদিও এই জিলাকেইখনত শিক্ষার্থীৰ বিদ্যালয় এৰাৰ প্ৰৱণতাই গুৰুতৰ ৰূপ লৈছে।

জৰীপৰ তথ্য অনুসৰি শিক্ষাৰ স্তৰ আৰু প্ৰকাৰৰ সৈতে বৃত্তিমুখী শিক্ষা সংলগ্ন কৰা উচিত। শিক্ষাৰ স্তৰ যিমানেই উন্নত হয়, সিমানেই স্থায়ী কৰ্মসংস্থাপন লাভৰ সম্ভাৱনীয়তা বৃদ্ধি পায়।অসমত প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতা থকা সত্ত্বেও নিৰক্ষৰতাৰ বাবে আন ৰাজ্যসমূহৰ তুলনাত বিকাশৰ গতি লেহেমীয়া প্ৰকৃতিৰ হৈ আছে। নিৰক্ষৰতাৰ বাবে মানুহৰ মাজত গণতান্ত্ৰিক জীৱন প্ৰক্ৰিয়াত ফলপ্ৰসূভাৱে অংশগ্ৰহণ কৰিবলৈ প্ৰয়োজন হোৱা সজাগতাৰ অভাৱ দেখা যায়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰচলন হৈ থকা অন্ধবিশ্বাস, যেনে— ডাইনী হত্যা, তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা ৰোগ নিৰাময় আদিৰ দৰে কুপ্ৰথাবোৰ আঁতৰাবলৈ শিক্ষা বিস্তাৰৰ প্ৰয়োজনীয়তা আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** উইনেস্ক'ৰ মতে নিৰক্ষৰতাৰ প্ৰকাৰ দুটা কি কি?

.....

**প্ৰশ্ন নং ৪ ঃ** অসমৰ এনে চাৰিখন জিলাৰ নাম উল্লেখ কৰক য'ত ল'ৰা-ছোৱালীৰ বিদ্যালয় এৰাৰ প্ৰৱণতা সৰ্বাধিক।

.....



## ৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা বিস্ফোৰণ মানে হ'ল জনসংখ্যাৰ আকস্মিক আৰু দ্ৰুত বৃদ্ধি।
- জনসংখ্যা বৃদ্ধি হৈছে এনে এক পৰিস্থিতি য'ত জনসংখ্যাৰ আকাৰে পৃথিৰীৰ বহন ক্ষমতাক অতিক্ৰম কৰে।
- জনসংখ্যাৰ মাত্ৰাধিক বৃদ্ধিয়ে সম্পদসমূহৰ সঙ্কোচন ঘটায়।
- জনসংখ্যাৰ অত্যধিক বৃদ্ধিয়ে অধিক পৰিমাণৰ ঠাই, খাদ্য, বাসস্থান আৰু আন্তঃগাঁথনি মূলক সুবিধা দাবী কৰে।
- মাত্ৰাধিক জনসংখ্যা বৃদ্ধিৰ এটা প্ৰধান কাৰণ হ'ল জন্ম-মৃত্যুৰ হাৰৰ মাজত দেখা দিয়া পাৰ্থক্য।
- জনসংখ্যা বৃদ্ধি আৰু নিবনুৱা সমস্যাৰ মাজত সম্পৰ্ক আছে।
- সাক্ষৰতাই কেৱল মাত্ৰ পঠন আৰু লেখন ক্ষমতাকে নুবুজায়। ই বৰং সমাজৰ বিভিন্ন উ ৎপাদনমূলক কামত ফলপ্ৰসূভাৱে অংশগ্ৰহণ কৰিবলৈ প্ৰয়োজন হোৱা কৌশলসমূহ আহৰণ দিশটোকো সামৰি লয়।
- জনসংখ্যা বৃদ্ধিয়ে সমাজ এখনৰ সামাজিক গাঁথনিৰ ওপৰতো প্ৰভাৱ পেলায়।

- জনসংখ্যা বৃদ্ধিৰ ফলত সমাজৰ সম্পদসমূহৰ নাটনি ঘটে।
- মানুহ সৰু কালৰে পৰাই জীৱনৰ মৌলিক প্ৰয়োজনসমূহ পূৰণৰ বাবে সংগ্ৰামত লিপ্ত হ'বলগীয়া হয়। বিভিন্ন কাৰণবশতঃ বহুতো ল'ৰা-ছোৱালী বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰি নিৰক্ষৰ হৈ ৰয়।
- সম্পূৰ্ণ নিৰক্ষৰতাই পঠন আৰু লেখনৰ মৌলিক দক্ষতাৰ অভাৱক বুজায়। ই সম্পূৰ্ণ ৰূপে আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত লোকসকলৰ কথা বুজায়।
- কাৰ্য্য সম্পাদনাতমক নিৰক্ষৰতাই দৈনন্দিন জীৱনত শিক্ষাক প্ৰয়োগ কৰাৰ বাবে প্ৰয়োজন হোৱা ন্যূনতম সামৰ্থৰ অভাৱক বুজায়।
- নিৰক্ষৰ লোকসকল দৈনন্দিন জীৱনৰ কাম-কাজসমূহ সম্পাদনৰ ক্ষেত্ৰত তুলনামূলকভাৱে সহজে প্ৰবঞ্চনাৰ বলি হয়।
- অভিভাৱকৰ নিৰক্ষৰতাই শিশুৰ সামগ্ৰিক বিকাশত প্ৰভাৱ পেলায়।
- নিৰক্ষৰতাই সমাজৰ ঊৰ্ধ্বগামী গতিশীলতা স্থাবিৰ কৰে।
- নিৰক্ষৰতাই ব্যক্তিক গণতান্ত্ৰিক জীৱনত সম্পূৰ্ণৰূপে অংশগ্ৰহণ কৰাত বাধা দিয়ে।
- নিৰক্ষৰতাই অন্ধবিশ্বাস বৰ্তি থাকিব পৰা পৰিৱেশ সৃষ্টি কৰে।
- ২০১১ চনৰ লোক পিয়ল অনুসৰি দেশৰ কেৱল ৭৩ শতাংশ লোকহে সাক্ষৰ।



## ৩.৭ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Ahuja, Ram (2009): *Social Problems in India*. Jaipur: Rawat Publications.
2) Atal, Yogesh (2006): *Changing Indian Society*. Jaipur: Rawat Publications.



## ৩.৮ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** মৃত্যুৰ হাৰ আৰু প্ৰব্ৰজন কমোৱা, পৰিয়াল পৰিকল্পনাৰ অভাৱ, শ্ৰম নিৰ্ভৰশীল কৃষি ব্যৱস্থা।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৫৬

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** সম্পূৰ্ণ নিৰক্ষৰতা।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** শিৱসাগৰ, লখিমপুৰ, যোৰহাট আৰু ডিব্ৰুগড়।



## ৩.৯ আৰ্হি প্ৰশ্ন

**ক) চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখিব)

**প্ৰশ্ন ১ ঃ** নিৰক্ষৰতা বুলিলে কি বুজে ?

**প্ৰশ্ন ২ ঃ** নিৰক্ষৰতাৰ চাৰিটা পৰিণাম উল্লেখ কৰক।

**খ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** "জনসংখ্যা বিস্ফোৰণ আৰু নিৰক্ষৰতা হ'ল আন্তঃসম্পৰ্ক থকা সমস্যা।" —কথাষাৰি উপযুক্ত উদাহৰণৰ সহায়ত ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** নিৰক্ষৰতাৰ কাৰণ আৰু ফলাফলবোৰ আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৪ ঃ নিবনুৱা সমস্যা আৰু দৰিদ্রতা

## অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ নিবনুৱা সমস্যা
৪.৩.১ নিবনুৱাৰ অর্থ আৰু প্রকাৰ
৪.৩.২ ভাৰতৰ নিবনুৱা সমস্যাৰ কাৰণ
৪.৩.৩ ভাৰতৰ কর্মসংস্থাপন সৃষ্টিকাৰী আঁচনি
৪.৪ দৰিদ্রতাৰ অর্থ
৪.৪.১ দৰিদ্রতাৰ সম্পর্কে বুজাত সহায় কৰা দৃষ্টিভঙ্গীবোৰ
৪.৪.২ দৰিদ্রতাৰ কাৰণ
৪.৪.৩ ভাৰতৰ দৰিদ্রতাৰ পৰিমাপন
৪.৪.৪ ভাৰতৰ দৰিদ্রতা দূৰীকৰণ আঁচনি
৪.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিবনুৱাৰ অর্থ আৰু প্রকাৰবোৰৰ বিষয়ে জানিব পাৰিব
- দৰিদ্রাতাৰ অর্থ আৰু কাৰণসমূহ জানিব পাৰিব।

## ৪.২ পৰিচয়

আগৰ অধ্যায়ত আমি ইতিমধ্যে সামাজিক সমস্যাৰ বিষয়ে আলোচনা কৰাৰ লগতে সামাজিক সমস্যাৱলীৰ প্রকৃতি আৰু প্রকাৰ চিহ্নিত কৰিবলৈ যত্ন কৰিলোঁ। তদুপৰি সামাজিক সমস্যাৰ কাৰণ আৰু ফলাফলসমূহ বুজিবলৈও চেষ্টা কৰিলো। এই অধ্যায়ত আমি সমাজৰ দুটা গুৰুত্বপূর্ণ সমস্যাৰ বিষয়ে আলোচনা কৰিম। সমাজক ভাৰাক্রান্ত কৰি ৰখা এই দুটা সমস্যা হৈছে অৱস্থা সমস্যা আৰু দৰিদ্রতা। অধ্যায়টিত আমি দৰিদ্রতাৰ অর্থ, প্রকাৰ আৰু কাৰণ সম্পর্কেও আলোচনা কৰিম।

## ৪.৩ নিবনুৱা সমস্যা

### ৪.৩.১ নিবনুৱাৰ অর্থ আৰু প্রকাৰ

কর্মক্ষম বয়সত ইচ্ছা থকা সত্ত্বেও কর্মসংস্থাপন লাভ কৰাৰ সুযোগ নোপোৱাটোৱেই হ'ল নিবনুৱা অৱস্থা। নিবনুৱা অৱস্থাক ইয়াৰ কাৰণৰ ওপৰত ভিত্তি কৰি আমি কেইবাটাও ভাগত ভগাব পাৰোঁ। সমাজভেদেও নিবনুৱা অৱস্থাৰ প্রকাৰ ভিন্ ভিন্ হ'ব পাৰে। কিছুমান বিশেষ ধৰণৰ নিবনুৱা অৱস্থা সকলো সমাজতে একে। নগৰাঞ্চলত কিছুমান অৱস্থা প্রভাৱশালী আৰু অইন কিছুমান গ্রামাঞ্চলত অধিক পৰিমাণে দেখা পোৱা যায়। নিবনুৱাৰ ভিন্ ভিন্ প্রকাৰ সম্পর্কে তলত আলোচনা কৰা হ'ল।

- **চক্রীয় নিবনুৱা** (Cyclical Unemployment) ঃ অর্থনৈতিক উত্থান-পতন অথবা অর্থনৈতিক মন্দাৱস্থাৰপৰা চক্রীয় নিবনুৱাৰ সৃষ্টি হয়। উদাহৰণ স্বৰূপে, মন্দাৱস্থাৰ সময়ত যেতিয়া ব্যৱসায়ত উৎপাদিত দ্রব্যৰ চাহিদা নিম্নগামী হয়, তেতিয়া নিয়োগকর্তাই তেওঁৰ কর্মচাৰীৰ সংখ্যা হ্রাস কৰিবলৈ বাধ্য হয় অথবা নতুনকৈ কর্মচাৰী নিয়োগ কৰিব নিবিচাৰে। এনে ধৰণৰ সঙ্কটৰ সময়ত নিবনুৱা সমস্যাৰ প্রকোপ বাঢ়ে, বহুতো মানুহে চাকৰি হেৰুৱায় নতুনকৈ কর্মসংস্থাপন লাভ কৰাটো অত্যন্ত কঠিন হৈ পৰে। অর্থাৎ ব্যৱসায়-বাণিজ্যৰ উত্থান-পতনৰ বাবেই চক্রীয় নিবনুৱা সমস্যাৰ সৃষ্টি হয়। কিন্তু মন্দাৱস্থা নাইকিয়া হ'লে অথবা অর্থনৈতিক সমৃদ্ধিৰ সময়ত বিনিয়োগ বৃদ্ধি পালে এনে ধৰণৰ নিবনুৱা সমস্যা ক্রমে হ্রাস পাবলৈ ধৰে।
- **সংৰচনাত্মক নিবনুৱা** (Structural Unemployment) ঃ সংৰচনাত্মক নিবনুৱা সমস্যাটো একোটা অর্থনৈতিক পদ্ধতিত দেখা দিব পৰা এক অত্যন্ত গুৰুত্বপূর্ণ সমস্যা। একোটা অর্থনৈতিক পদ্ধতিত যেতিয়া নিয়োগকর্তাই আগবঢ়োৱা নিয়োগৰ সুবিধাৰ সৈতে কর্মচাৰীৰ কৌশল, অভিজ্ঞতা, শিক্ষা আৰু ভৌগোলিক স্থানৰ সামঞ্জস্য নাথাকে, তেতিয়াই এনে ধৰণৰ নিবনুৱা সমস্যাৰ উৎপত্তি হয়। উপলব্ধ চাকৰিৰ সৈতে মানুহৰ কৌশল অথবা পাৰদর্শিতাৰ সামঞ্জস্য নাথাকিলে কর্মসংস্থাপন লাভ কৰাৰ ক্ষেত্রত অসুবিধাৰ সৃষ্টি হয় অথবা তেওঁলোক কর্মসংস্থাপনহীন হৈ থাকিবলগীয়া হয়। সংৰচনাত্মক নিবনুৱা সমস্যাৰ এটা গুৰুত্বপূর্ণ কাৰণ হৈছে বিভাগীয় সালসলনি (Sectoral Shift)। অর্থাৎ, এনে অৱস্থাত কিছুমান খণ্ডত কর্মসংস্থাপন বৃদ্ধি পায় আৰু কিছুমান খণ্ডত হ্রাস হয়।
- **ঔদ্যোগিক নিবনুৱা** (Industrial Unemployment) ঃ ঔদ্যোগিক খণ্ডৰ লোকচান, লেহেমীয়া বিকাশ, বৈদেশিক উদ্যোগসমূহৰ সৈতে হোৱা প্রতিযোগিতা, অপৰিকল্পিত ঔদ্যোগিকীৰণ, ত্রুটীপূর্ণ ঔদ্যোগিক নীতি, কর্মচাৰীৰ ধর্মঘট এইবোৰৰ ফলত ঔদ্যোগিক নিবনুৱা সমস্যাৰ উদ্ভৱ হয়। এনে অৱস্থাৰ সৃষ্টি হ'লে ঔদ্যোগিক

খণ্ড অর্থনৈতিক সঙ্কটৰ সন্মুখীন হয়।ফলত উদ্যোগবোৰত নতুন নিয়োগ বন্ধ হোৱাই নহয়, উদ্যোগত কর্মৰত অৱস্থাত থকা কর্মচাৰীকো চাকৰিৰ পৰা আঁতৰাবলগীয়া হ'ব পাৰে। এনেকৈয়ে সমাজত নিবনুৱাৰ সংখ্য বৃদ্ধি পায়। কর্মসংস্থাপনৰ বাবে মানুহে হাহাকাৰ কৰিবলগীয়া হয়।

- **ঐচ্ছিক নিবনুৱা** (Voluntary Unemployment) ঃ কর্মচাৰীয়ে ইচ্ছাকৃতভাৱে কাম কৰিব নিবিচাৰিলে সৃষ্টি হ'ব পৰা কর্মসংস্থাপনহীন অৱস্থাটোক ঐচ্ছিক নিবনুৱা সমস্যা আখ্যা দিয়া হয়। কম দৰমহা, অসুবিধাজনক অথবা কষ্টকৰ পৰিৱেশ ইত্যাদি কাৰণত কর্মচাৰীসকলে কাম কৰিব নিবিচাৰিলে তেওঁলোক পুনৰ নিবনুৱা হৈ পৰে। তেওঁলোকে শ্রমৰ বজাৰত অংশগ্রহণ কৰিব নোখোজে অথবা অইনে জোৰ নকৰাকৈয়ে তেওলোকে নিজে কামৰ পৰা অব্যাহতি লোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। উপযুক্ত দৰমহাতকৈ যেতিয়া দৰমহা কম হয়, তেতিয়া কর্মচাৰীসকলে কাম কৰিবলৈ উৎসাহবোধ নকৰে আৰু ঐচ্ছিক নিবনুৱাৰ সৃষ্টি হয়। অর্থাৎ, কর্মচাৰীসকলে ইচ্ছাকৃতভাৱে নাইবা নিজা বিচাৰ-বিবেচনাৰে কোনো ধৰণৰ অর্থনৈতিক কার্য্যকলাপত অংশগ্রহণ কৰিব নোখোজা সমস্যাটোকে ঐচ্ছিক নিবনুৱা অৱস্থা আখ্যা দিয়া হয়।
- **ঋতুকালন (বতৰীয়া) নিৱনুৱা সমস্যা** ঃ অর্থব্যৱস্থাৰ কিছুমান বিশেষ শাখাই বছৰটোৰ এটা নির্দিষ্ট সময়তহে বস্তু উৎপাদন কৰে নাইবা তেওঁলোকৰ উৎপাদিত বস্তু বিতৰণ কৰে যাৰ ফলত ঋতু কালীন (বতৰীয়া) নিবনুৱাৰ সৃষ্টি হয়। বছৰৰ এটা নির্দিষ্ট সময়ত যেতিয়া উৎপাদন নাইবা বিতৰণমূলক কার্য্য কেন্দ্রীভূত হয় তেতিয়া শ্রমিকবিলাক বছৰৰ বাকীথকা সময়খিনিত বাবে কর্মহীন, হৈ পৰে। এইদৰে তেওঁলোকে এটা বিশেষ ঋতু নাইবা এটা নির্দিষ্ট সময়সীমাৰ বাবে মাত্র নিয়োজিত হয়।কৃষি, পর্য্যটন আৰু গড়কাপ্তানী বিভাগত ঋতুকালীন (বতৰীয়া) নিবনুৱা সমস্যা দেখা যায়।
- **ছদ্মৱেশী প্রচ্ছন্ন নিবনুৱা** (Disguised Unemployment) ঃ প্রয়োজনতকৈ অধিক শ্রমিক নিয়োজিত হোৱা অৱস্থাক ছদ্মৱেশী নাইবা প্রছন্ন নিবনুৱা অৱস্থা আখ্যা দিয়া হয়। ইয়াৰ উৎকৃষ্ট উদাহৰণ কৃষিখণ্ড। য'ত তিনি-চাৰিজন ব্যক্তিৰ জৰিয়তেই কাম সম্পাদন কৰিব পৰা যায়। তাত কৃষি কার্য্যত একোটা পৰিয়ালৰ সকলো সদস্য জড়িত হৈ থাকে। অইন ক'তো নিয়োগৰ সুযোগ লাভ নকৰে বাবে কর্মহীন হৈ থকাতকৈ পৰিয়ালৰ অইন সদস্যসকলৰ সৈতে আটায়ে কৃষিকার্য্যত নিয়োজিত হৈ ৰয়। ইয়াক ছদ্মৱেশী নিবনুৱা অৱস্থা আখ্যা দিয়া হয়। এই অৱস্থাত প্রয়োজনতকৈ অধিক ব্যক্তি একোটা কামতে নিয়োজিত হৈ থাকে যদিও শ্রমিক অনুপাতে উৎপাদন বৃদ্ধি নহয়।

## ৪.৩.২ ভাৰতৰ নিবনুৱা সমস্যাৰ কাৰণ

ভাৰতত নিবনুৱা সমস্যা সৃষ্টি হোৱাৰ কাৰণ একাধিক। দেশৰ নিবনুৱা সমস্যাটো তীব্ৰতৰ কৰি তোলা অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণসমূহ এনে ধৰণৰ—

- **জনসংখ্যা বিস্ফোৰণ** (Population Explosion) ঃ ভাৰতৰ নিবনুৱা সমস্যাৰ সৰ্বপ্ৰথম কাৰণটো হ'ল অত্যাধিক জনসংখ্যা বিশেষকৈ গ্ৰামাঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক। জনসংখ্যা বৃদ্ধিয়ে নিৰন্তৰভাৱে অতিৰিক্ত শ্ৰম শক্তিৰ সৃষ্টি কৰে। অবিৰতভাৱে বৃদ্ধি পাই থকা এই কৰ্মশক্তি কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধিৰ হাৰৰ সৈতে সমানুপাতিক নহয়। তদুপৰি বৃহৎ পৰিমাণৰ জনসংখ্যাৰ প্ৰয়োজন পূৰণৰ বাবে বৃহৎ পৰিমাণৰ ব্যয় কৰিবলগীয়ান হয়। পৰিণাম স্বৰূপে অন্ন, বস্ত্ৰ, বাসস্থানৰ দৰে ব্যক্তিগত সম্পদ আৰু খোৱাপানী, চিকিৎসা তথা শৈক্ষিক সা-সুবিধা ইত্যাদি ৰাজহুৱা সম্পদৰ উপভোগৰ মাত্ৰা বৃদ্ধি পায়। আয়ৰ এক বৃহৎ অংশ এইবোৰত খৰছ হোৱাৰ ফলত সঞ্চয় আৰু বিনিয়োগ কমি যায়। এই ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ আমি অসমৰ উদাহৰণ দিব পাৰোঁ। অসমলৈ হোৱা প্ৰব্ৰজনৰ সংখ্যা বৃদ্ধিয়ে জনসংখ্যাৰ মাত্ৰাও বৃদ্ধি কৰিছে। নিৰন্তৰভাৱে হোৱা প্ৰব্ৰজনে কৰ্মসংস্থপনৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে আৰু এই অঞ্চলৰ লোকসকল জীৱিকাৰ লৈ সঙ্কটৰ সন্মুখীন হৈছে।
- **ভূমিৰ সীমাৱদ্ধতা** (Limited Availability of Land) ঃ প্ৰকৃতিৰ দান ভূমিভাগ অস্থিতিস্থাপক আৰু অপৰিৱৰ্তনশীল। জনসংখ্যা বৃদ্ধিৰ লগে লগে মাটিৰ পৰিমাণ বৃদ্ধি নহয়। ভাৰতত দ্ৰুতহাৰত জনসংখ্যা বৃদ্ধি পাই আহিছে। এনে এক বিশাল জনসংখ্যাৰ প্ৰয়োজন পূৰাব পৰাকৈ ইয়াৰ ভূমিভাগ অপৰ্য্যাপ্ত হৈ থকা নাই। গ্ৰামাঞ্চলৰ অধিকাংশ লোকেই জীৱিকাৰ বাবে ভূমিৰ ওপৰত নিৰ্ভৰ শীল। এনে অৱস্থাত ভূমিভাগত এক বৃহৎ হেঁচাৰ সৃষ্টি হৈছে আৰু নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে।
- **ঋতুকালীন বতৰীয়া কৃষি** (Seasonal Agriculture) ঃ গ্ৰামাঞ্চলৰ লোকসকলৰ অধিকাংশই প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে কৃষি কাৰ্য্যৰ সৈতে জড়িত হৈ থাকে। কিন্তু ভাৰতবৰ্ষত কৃষি কৰ্ম ঘাইকৈ ঋতুকালীন। সেয়ে বছৰৰ একোটা বিশেষ ঋতুতহে কৃষিখণ্ডই কৰ্মসংস্থানৰ সুবিধা দিয়ে। উদাহৰণ স্বৰূপে, বীজ ৰোপণ আৰু শস্য চপোৱাৰ সময়ত সম্পূৰ্ণভাৱে লোকসকল সেই কামত নিয়োজিত হৈ পৰে। শস্য চপোৱাৰ পৰা পাচৰবাৰ বীজ ৰোপণৰ সময়লৈকে তেওঁলোক কৰ্মহীন হৈ পৰে আৰু দৰিদ্ৰতাত ভোগে।
- **কুটীৰ শিল্পৰ অৱনতি** (Decline of Cottage Industries) ঃ ভাৰতৰ গ্ৰামাঞ্চলত উপাৰ্জনৰ বিশেষকৈ ভূমিহীন লোকসকলৰ বাবে এক উপায় হ'ল গ্ৰাম্য অথবা কুটীৰ শিল্প। তেওঁলোকে জীৱিকাৰ বাবে বিভিন্ন কুটীৰ শিল্পৰ ওপৰত নিৰ্ভৰশীল।

সম্প্ৰতি ঔদ্যোগিকীকৰণৰ বাবে গ্ৰামাঞ্চলৰ এই কুটীৰ শিল্পসমূহ সঙ্কটৰ সন্মুখীন হৈছে। সীমিত সা-সুবিধা তথা সম্পদেৰে এই ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগসমূহে আধুনিক উদ্যোগ আৰু কাৰখানাবোৰৰ সৈতে ফেৰ মাৰিবলৈ অপাৰগ। ফলত কুটীৰ উদ্যোগসমূহে বৃহৎ লোকচানৰ সন্মুখীন হৈছে আৰু লাহে লাহে এইবোৰ বন্ধ হৈ আহিছে। মানুহে নিজাকৈ ক্ষুদ্ৰ অথবা কুটীৰ উদ্যোগ স্থাপনৰ উৎসাহ হেৰুৱাই পেলাইছে। ফলত ই নিবনুৱা সমস্যা বৃদ্ধিত অৰিহণা যোগাইছে।

- **শিক্ষাব্যৱস্থাৰ সীমাৱদ্ধতা** (Limitations of the Education System) ঃ সাম্প্ৰতিক শিক্ষাব্যৱস্থা ঘাইকৈ শ্ৰেণীকোঠাতে সীমাৱদ্ধ। এইটোৱে প্ৰায়োগিক আৰু (বৃত্তি) কৰ্মমুখী হোৱাৰ বিপৰীতে ডিগ্ৰী লাভৰ ওপৰত গুৰুত্ব দিয়ে। বৃত্তিমুখী শিক্ষাত গুৰুত্ব দিয়া হোৱ নাই। ফলত আধুনিক শিক্ষা ব্যৱস্থাই কৰ্মসংস্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ভূমিকা পালন কৰিব পৰা নাই। স্ব-নিয়োজন (Self Employment) অথবা উদ্যমিতা (Enterpreneurship)ৰ বাবে প্ৰয়োজনীয় কৌশল যোগান ধৰাত আধুনিক শিক্ষাব্যৱস্থাই সফলতা লাভ কৰিব পৰা নাই।
- **পৰিবহন আৰু যোগাযোগৰ অভাৱ** (Lack of Transport and Communication) ঃ ভাৰতত, বিশেষকৈ গ্ৰামাঞ্চলত, যাতায়ত আৰু যোগাযোগৰ পৰ্য্যাপ্ত সা-সুবিধাৰ এতিয়াও অভাৱ। ইয়াৰ ফলস্বৰূপে গ্ৰামাঞ্চলৰ যিসকল লোক কৃষি কৰ্মত নিয়োজিত নহয় তেওঁলোক নিবনুৱা হৈ বহি থাকে। গ্ৰামাঞ্চলৰ নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰতে আৱদ্ধ হৈ থাকিবলৈ বাধ্য বাবে তেওঁলোক জীৱিকা অৰ্জনৰ বাবে কোনোধৰণৰ ব্যৱসায় আৰম্ভ কৰিবলৈ অসমৰ্থ। যাতায়ত আৰু যোগাযোগৰ অত্যাধুনিক সা-সুবিধাবোৰ ব্যৱসায়-বাণিজ্যৰ বাবে অত্যন্ত প্ৰয়োজনীয়। যাতায়াত আৰু যোগাযোগৰ অভাৱে গ্ৰামাঞ্চলৰ লোকসকলৰ মাজত এনেকৈয়ে নিবনুৱাৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।
- **স্বল্প নিয়োগ আঁচনি** (Inadequate Employment Planning) ঃ জনসংখ্যা বৃদ্ধিৰ অনুপাতে চৰকাৰৰ নিয়োগ নীতি পৰ্য্যাপ্ত নহয়। ভাৰতত বছৰি প্ৰায় দুই লাখকৈ জনসংখ্যা বাঢ়ে। এনে পৰিস্থিতিত, নিয়োগৰ সা-সুবিধা আৰু জনসংখ্যা বৃদ্ধিৰ মাজত এক বৃহৎ পাৰ্থক্য আছে। অন্যহাতে, সকলো লোকৰ বাবে নিয়োগৰ পৰ্য্যাপ্ত সা-সুবিধা প্ৰদান কৰাটো চৰকাৰৰ বাবে এক দূৰূহ কাম। চৰকাৰৰ ত্ৰুটীপূৰ্ণ নিয়োগ আঁচনিয়ে নিবনুৱা সমস্যা দ্ৰুত হাৰত বৃদ্ধি হোৱাত অৰিহণা যোগাইছে।

## ৪.৩.৩ ভাৰতৰ কৰ্মসংস্থাপন সৃষ্টিকাৰী আঁচনি

- **স্বৰ্ণজয়ন্তী গ্ৰামস্ব ৰোজগাৰ যোজনা** ঃ ১৯৯৯ চনত আৰম্ভ কৰা এই আঁচনিয়ে দৰিদ্ৰ পৰিয়ালসমূহৰ মাজত আত্মসহায়ক গোট ক্ষুদ্ৰ উদ্যোগী নিৰ্মাণকাৰীসকলক সহায় কৰে।গাঁও অঞ্চলৰ দৰিদ্ৰ লোকসকলৰ বাবে চলোৱা আত্ম স্ব-নিয়োগ আঁচনি

বোৰৰ ভিতৰত ই অন্যতম। বেঙ্কৰ ঋণ আৰু ৰাজসাহায্য (Subsidy)ৰ জৰিয়তে তেওঁলোকক আয় উৎপাদনকাৰী অৰ্থ সাহায্য প্ৰদান কৰি দৰিদ্ৰ ৰেখাৰ তলৰ লোকসকলক আত্ম-নিয়োজনত সহায় কৰাই এই আঁচনিৰ উদ্দেশ্য।

- **ৰাষ্ট্ৰীয় কৰ্মৰ বিনিময়ত খাদ্য যোগান কাৰ্য্যসূচী** (NFFWP) ঃ খাদ্য সুৰক্ষা সমন্বিতে অতিৰিক্ত পৰিপূৰক কৰ্মসংস্থাপন সুযোগ সৃষ্টিৰ বাবে গ্ৰাম্য উন্নয়ন মন্ত্ৰালয় (Ministry of Rural Development) আৰু ৰাজ্য চৰকাৰসমূহৰ সৈতে কৰা আলোচনাৰ অন্তত পৰিকল্পনা আয়োগৰ দ্বাৰা চিহ্নিত ১৫০খন জিলাত ২০০৪ চন নৱেম্বৰত এই আঁচনিখন প্ৰৱৰ্তন কৰা হয়। জল সংৰক্ষণ, অনাবৃষ্টি নিৰাময় (বনানি কৰণ/ বৃক্ষৰোপণ আদি), ভূমি-উন্নয়ন, বান নিয়ন্ত্ৰণ/সুৰক্ষা (প্লাৱিত অঞ্চলৰ জলনিষ্কাশনকে ধৰি) আৰু সকলো ধৰণৰ বতৰতে উপযোগী হোৱাকৈ গ্ৰাম্য বাট-পথৰ উন্নয়ন আদি কামৰ বাবে ১০০ শতাংশ কেন্দ্ৰীয় অৰ্থ সাহায্যত এই আঁচনিৰ কাম আৰম্ভ কৰা হয়।
- **মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য কৰ্মসংস্থাপন নিশ্চিতকৰণ আইন** (Mahatma Gandhi National Rural Employment Guarantee Act) ঃ নিবনুৱাসকলৰ বাবে ই এক শেহতীয়া আৰু অত্যন্ত উপযোগী আঁচনি। এই আঁচনিয়ে প্ৰতিদিনে ন্যূনতম ১২০ টকা মজুৰিত বছৰি এশ দিনৰ বাবে কৰ্মসংস্থাপন নিশ্চিত কৰে। এই আঁচনি অনুসৰি গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিজন প্ৰাপ্তবয়স্ক নিবনুৱা লোককে আবেদন কৰাৰ ১৫ দিনৰ পিছত একোখনকৈ জবকাৰ্ড দিয়া হয়। এই জবকাৰ্ড প্ৰাপ্ত প্ৰতিজন লোকেই নিবনুৱা ভাট্টা লাভ কৰাৰ বাবে উপযুক্ত বুলি গণ্য কৰা হয়।

আঁচনিখন যদিও প্ৰকৃততে উপযোগী তথাপিও তৃণমূল পৰ্য্যায়ত ইয়াক যথাৰ্থ ৰূপত প্ৰয়োগ কৰিব নোৱাৰা বাবে প্ৰত্যাশিত সফলতা লাভ কৰিব পৰা নাই। ভাৰতবৰ্ষত শিক্ষিত নিবনুৱাৰ সমস্যা এক ভয়াৱহ সমস্যা। নিবনুৱা সমস্যাই এসময়ত সমাজত আত্মহত্যা, নাৰী সৰবৰাহ আৰু সামাজিক সম্পৰ্কৰ পৰা বিচ্ছিন্ন হোৱাৰ দৰে গভীৰ সংকটৰ সৃষ্টি কৰিব পাৰে। নিবনুৱা সমস্যাৰ সৈতে সম্পৰ্ক থকা আন এটা প্ৰধান সমস্যা হৈছে দৰিদ্ৰতা। দৰিদ্ৰতাৰ নাগপাশেৰে বান্ধ খাই থকা অধিকাংশ জনসংখ্যাৰ বাবে ভাৰতৰ উন্নয়ন সম্ভৱপৰ হৈ উঠা নাই। সেয়েহে, ভাৰতৰ সমুখত দৰিদ্ৰতা নিৰ্মূলকৰণে এক প্ৰধান প্ৰত্যাহ্বান ৰূপে থিয় দিছে। ইয়াৰ পাছৰ শিতানত আমি দৰিদ্ৰতাৰ বিষয়ে আলোচনা কৰিম।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১** ঃ দুই ধৰণৰ নিবনুৱা সমস্যাৰ বিষয়ে উল্লেখ কৰক।

.....

**প্ৰশ্ন নং ২ ঃ** MGNREGAৰ সম্পূৰ্ণ ৰূপটো লিখক।

.....



**চিন্তা-চৰ্চা কৰক ৪.১**

আপোনাৰ অঞ্চলৰ নিবনুৱা লোকসকলৰ সংখ্যা নিৰ্ণয় কৰিবলৈ যত্ন কৰক। নিবনুৱা লোকৰ সংখ্যা কমোৱাৰ দুটা উপায় উল্লেখ কৰক।

.....

.....

.....

## ৪.৪ দৰিদ্ৰতাৰ অৰ্থ

দৰিদ্ৰতা একপ্ৰকাৰৰ আৰ্থ-সামাজিক অৱস্থা।এই অৱস্থাত সমাজৰ একাংশই অন্ন, বস্ত্ৰ, বাসস্থান, প্ৰাথমিক শিক্ষা আৰু জীৱনৰ অন্যান্য ন্যূনতম প্ৰয়োজনীয়তাখিনি গোটাবলৈ অসমৰ্থ হৈ ৰয়। সামাজিক অসমতাৰ সৈতে ইয়াৰ ঘনিষ্ঠ সম্পৰ্ক আছে। সমাজৰ একাংশ সদস্য যেতিয়া আৰ্থ-সামাজিকভাৱে আনএকাংশৰ সমকক্ষ নহয় আৰু জীৱনৰ প্ৰাথমিক প্ৰয়োজনীয়তাখিনিৰ পৰা বঞ্চিত হৈ থাকে, তেওলোককে দৰিদ্ৰ হিচাপে গণ্য কৰা হয়।দৰিদ্ৰতাৰ ফলত কেৱল ভৌতিক প্ৰাথমিক প্ৰয়োজনীয়তাখিনিৰ অভাৱ হোৱাই নহয়, ই এটা যথোপযুক্ত জীৱন-নিৰ্বাহৰ পৰাও মানুহক বঞ্চিত কৰে। দৰিদ্ৰ অৱস্থাত ব্যক্তিৰ কি থকা উচিত আৰু কি আছে তাৰ মাজত যথেষ্ট ব্যৱধান থাকে।

### ৪.৪.১ দৰিদ্ৰতা সম্পৰ্কে বুজাত সহায় কৰা দৃষ্টিভঙ্গীবোৰ

দৰিদ্ৰতা ঘাইকৈ দুই প্ৰকাৰৰ—

- **সম্পূৰ্ণ দৰিদ্ৰতা** (Absolute Poverty) ঃ সম্পূৰ্ণ দৰিদ্ৰতাই এনে এটা অৱস্থাৰ কথা বুজায় য'ত মানুহ পৰ্য্যাপ্ত অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ দৰে জীৱন-ধাৰণৰ প্ৰয়োজনীয় মৌলিক সুবিধাবোৰ গোটাবলৈ অসমৰ্থ হয়।
- **আপেক্ষিক দৰিদ্ৰতা** (Relative Poverty) ঃ এই প্ৰকাৰৰ দৰিদ্ৰতাৰ একোখন সমাজৰ সাৰ্বিক জীৱন-ধাৰণৰ মানৰ সৈতে সম্পৰ্ক আছে। এনে ধৰণৰ দৰিদ্ৰতাৰ ধাৰণা সাংস্কৃতিকভাৱে সংজ্ঞাৱদ্ধ সেয়েহে, সমগ্ৰ বিশ্বতে প্ৰযোজ্য অভাৱৰ স্বীকৃত মানৰ জৰিয়তে এনেধৰণৰ দৰিদ্ৰতা জুখিব নোৱাৰি।
- **আয়ভিত্তিক দৃষ্টিভঙ্গী** (Income Perspective) ঃ এই ক্ষেত্ৰত দৰিদ্ৰতা নিৰ্ণয়ৰ বাবে আয়ক প্ৰধান স্বীকৃত মান হিচাপে বিবেচনা কৰা হয়। এজন ব্যক্তিৰ উপাৰ্জন দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত হ'লে তেওঁক দৰিদ্ৰ বুলি বিবেচনা কৰা হয়। এক

নির্দিষ্ট পৰিমাণৰ খাদ্য দ্রব্য ক্রয়ৰ বাবে পর্য্যাপ্ত উপার্জনৰ পৰিমাণৰ ওপৰত ভিত্তি কৰিয়েই দাৰিদ্রতা ৰেখা নির্ধাৰণ কৰা হয়।

- **মৌলিক প্রয়োজনীয়তাৰ দৃষ্টিভঙ্গী** (Basic Needs Perspective) ঃএই দৃষ্টিভঙ্গী অনুসৰিব্যক্তিৰ আয়ৰ পৰা সম্পূর্ণ ৰূপে দৰিদ্রতা জুখিব পৰা নাযায়। কাৰণ, উপার্জন যদিও গুৰুত্বপূর্ণ, তথাপি ই মানুহৰ জীৱনৰ মাত্র এটা উপাংশহে। সেয়েহে, স্বাস্থ্য, শিক্ষা, নিয়োগ ৰসা-সুবিধা ইত্যাদিৰ দৰে অন্যান্য সূচকসমূহৰ জৰিয়তেহে দৰিদ্রতাৰ পৰিমাপন হোৱা উচিত।যিসকল ব্যক্তিয়ে জীৱন-ধাৰণৰমৌলিক প্রয়োজনীয়তাখিনি আহৰণ কৰিবলৈ অসমর্থ হয়, এই দৃষ্টিভঙ্গী অনুসৰি তেওঁলোকক দৰিদ্র বুলি গণ্য কৰা হয়।
- **সামর্থ্য কেন্দ্রি দৃষ্টিভঙ্গী** (Capability Perspective) ঃ এই দৃষ্টিভঙ্গীত এজন ব্যক্তিয়ে লাভ কৰা সা-সুবিধাৰ পৰা কি আহৰণ কৰিব পাৰিছে অথবা পৰা নাই, তাৰ কার্য্যকাৰিতাৰ ওপৰত গুৰুত্ব দিয়া হয়। কাম-কাজৰ বাবে কিছুমান মৌলিক সামর্থৰ অভাৱ অনুসৰি দৰিদ্রতা নির্ধাৰণ কৰা হয়। পর্য্যাপ্ত খাদ্য, যথোচিত বস্ত্র, বাসস্থান —এইবোৰেই হ'ল আহৰণ কৰিবলগীয়া মৌলিক সামর্থ। সামাজিক কার্য্যকলাপ, অনুষ্ঠান আদিত অংশগ্রহণো এনে সামর্থৰ অন্তর্ভুক্ত।

## ৪.৪.২ দৰিদ্রতাৰ কাৰণ

বিভিন্ন পণ্ডিতে দৰিদ্রতাৰ ভিন্ ভিন্ কাৰণ দর্শাইছে। হেনৰী জর্জৰ মতে ভূমিৰ ওপৰত ব্যক্তিগত মালিকীস্বত্ব আৰু ব্যক্তিৰ একাধিপত্যই দৰিদ্রতাৰ ঘাই কাৰণ। কার্ল মার্ক্সৰ মতে পুঁজিপতি গোষ্ঠীয়ে শ্রমিকসকলৰ ওপৰত চলোৱা শোষণকেই দৰিদ্রতাৰ প্রধান কাৰণ। থমাছ ৰবার্ট মালথাছৰ মতে, জনসংখ্যা বৃদ্ধি হয় গাণিতিক হাৰত আৰু সম্পদৰ হ্রাস ঘটে জ্যামিতিক হাৰত আৰু এইটোৱেই দৰিদ্রতাৰ এটা মুখ্য কাৰণ। আমি দেখিলোঁ যে দৰিদ্রতাৰ কাৰণ সম্পর্কে বিভিন্ন মতামত আৰু দৃষ্টিভঙ্গী আছে। দৰিদ্রতা সৃষ্টি কৰা অন্যান্য কিছুমান কাৰকৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **সামাজিক কাৰক ঃ**
  - **অত্যধিক জনসংখ্যা** (Overpopulation) ঃ অত্যধিক জনসংখ্যা এনেকুৱা এটা অৱস্থা,য'ত বৃহৎসংখ্যক মানুহ অত্যন্ত কম সম্পদেৰে তেনেই কম ঠাইত থাকিবলগীয়া হয়। বিপুল পৰিমাণৰ জনসংখ্য বৃদ্ধি নিয়োগ সুবিধাৰ সমানুপাতিক হৈ পৰিলে জীৱিকাৰ অভাৱ হয়। এনেকৈয়ে বহুসংখ্যক লোক নিবনুৱা হৈ পৰে অথবা জীৱন-নির্বাহৰ সা-সুবিধাৰ পৰা বঞ্চিত হয়। সর্বোপৰি, অন্ন, বস্ত্র, বাসস্থান আদি জীৱন-ধাৰণৰ বাবে প্রয়োজনীয় মৌলিক প্রয়োজনীয়তাখিনি আহৰণৰ ক্ষেত্রতো সঙ্কটৰ সৃষ্টি হয় আৰু এনেকৈয়ে মানুহ দৰিদ্রতাৰ কবলত পৰে।

- **শিক্ষাৰ অভাৱ** (Lack of Education) ঃ শিক্ষাৰ সৈতেও দৰিদ্ৰতাৰ সম্পৰ্ক আছে। নিৰক্ষৰতা আৰু শিক্ষাহীনতাই দৰিদ্ৰতাৰ সৃষ্টি কৰে। শিক্ষাৰ অভাৱে ব্যক্তিৰ উপাৰ্জনো কমায়।
- **পৰিৱেশৰ অৱনতি** (Degradation of the Environment) ঃ বায়ুমণ্ডল, পানী, মাটি আৰু অৰণ্যকে ধৰি প্ৰাকৃতিক পৰিৱেশৰ অৱনতি দৰিদ্ৰতাৰ এক গুৰুত্বপূৰ্ণ কাৰক। পৰিৱেশজনিত সমস্যাই খাদ্য, পৰিষ্কাৰ পানী, বাসস্থান নিৰ্মাণৰ সঁজুলি আৰু অন্যান্য গুৰুত্বপূৰ্ণ সম্পদৰ নাটনিৰ সৃষ্টি কৰে। অৰণ্য, মাটি আৰু পানীৰ নাটনি ঘটাৰ ফলত এই প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল লোকসকলৰ জীৱন-নিৰ্বাহ কঠিন হৈ পৰে।

➢ **অৰ্থনৈতিক কাৰক ঃ**

- **পুঁজিৰ অভাৱ** (Lack of Capital) ঃ উৎপাদনৰ বাবে মূলধন এক গুৰুত্বপূৰ্ণ উপাদান। মূলধনৰ অভাৱে ঔদ্যোগিক বিকাশত বাধা জন্মায়। ফলত পৰ্য্যাপ্ত নিয়োগ সুবিধাৰ অভাৱ ঘটে। সেয়েহে যিবোৰ ৰাষ্ট্ৰত মূলধনৰ অভাৱ, তেনেবোৰ ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশ অত্যন্ত লেহেমীয়া হোৱা দেখা যায়। দৰিদ্ৰতাৰ ই এক ঘাই কাৰণ।
- **উচ্চ হাৰৰ নিবনুৱা সমস্যা** (High Rate of Unemployment) ঃ নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা দুয়োটা আন্তঃসম্বন্ধযুক্ত। যেতিয়া নিয়োগৰ সা-সুবিধা সীমিত হয়, তেতিয়া দৰিদ্ৰতাৰ প্ৰকোপ বাঢ়ে। সেইবাবে, যিবোৰ ৰাষ্ট্ৰত নিয়োগৰ সা-সুবিধা কম, সেইবোৰত বৃহৎ সংখ্যক লোক দাৰিদ্ৰ্য ৰেখাৰ তলত বাস কৰে। বৃহৎ পৰিমাণৰ নিবনুৱা লোক থকা এনেবোৰ দেশত অপৰাধীৰ হাৰ অধিক। জীৱন-ধাৰণৰ অন্য কোনো ধৰণৰ পথ নোহোৱাৰ বাবে ক্ষুধা নিবাৰণৰ বাবে এই লোকসকল অপৰাধমূলক কাৰ্য্যকলাপত জড়িত হৈ পৰে।
- **সামাজিক গাঁথনি** (Social Structure) ঃ সমাজতত্ত্ববিদসকলৰ মতে, সমাজৰ গাঁথনিৰ সৈতে দৰিদ্ৰতা সাঙোৰ খাই থাকে। ভাৰতীয় সমাজ ঐতিহাসিকভাৱে পদানুক্ৰমিক প্ৰকৃতিৰ। ব্যক্তিৰ সামৰ্থতকৈ জন্মৰ জৰিয়তেহে এই পদানুক্ৰম পৰিচয় নিৰ্ধাৰিত হয়। ক্ষমতা লাভ আৰু প্ৰতিষ্ঠাৰ পথবোৰ (শিক্ষাৰ দৰে) অতি কমসংখ্যকৰ কাৰণেহে মুকলি থাকে। আনহাতে, জনসংখ্যাৰ এক বিপুল অংশৰ জীৱন দৰিদ্ৰতা আৰু দুখ-দুৰ্গতিৰে পৰিপূৰ্ণ ।

➢ **ঐতিহাসিক কাৰক (Historical Factors) ঃ**

- **ঔপনিৱেশিক শাসন** (Colonial Rule) ঃ বহুসংখ্যক পণ্ডিতে মত পোষণ কৰে যে দৰিদ্ৰতা ঔপনিৱেশিক শাসনৰ ফল। ঔপনিৱেশিক শাসকসকলে উৎপাদনৰ বাবে উপনিৱেশবোৰৰ পৰা কেঁচামাল সংগ্ৰহ কৰিছিল আৰু উৎপাদিত দ্ৰব্যবোৰ পুনৰ উপনিৱেশবোৰতে ই উচ্চ মূল্যত বিক্ৰী কৰিছিল।

সেয়ে, উপনিৱেশবোৰে ঔপনিৱেশিক শাসকসকলৰ দ্বাৰা উৎপাদিত দ্ৰব্যৰ বাবে কেঁচামালৰ যোগান ধৰিছিল আৰু উপনিৱেশবোৰ নিজেই সেই উৎপাদিত দ্ৰব্যৰ বজাৰ আছিল। ঔপনিৱেশিক শাসকসকলে উপনিৱেশবোৰৰপৰা আহৰণ কৰা সম্পদ আৰু কেঁচামালৰ জৰিয়তে নিজৰ অৰ্থনৈতিক বিকাশ সাধন কৰিছিল আৰু সৰ্বাধিক লাভ আহৰণ কৰিছিল। এনে কাৰ্য্যকলাপৰ বাবে উপনিৱেশবোৰৰ বাসিন্দাসকল শোষণৰ বলি হৈছিল আৰু অৰ্থনৈতিক দিশেৰে নিঃস্ব হৈ পৰিছিল।

- **যুদ্ধ** (War) ঃ যুদ্ধ আৰু যুদ্ধৰ ভাবুকিৰ ফলত বিপুল পৰিমাণৰ ধন সামৰিক আৰু সুৰক্ষাৰ ক্ষেত্ৰত ব্যয় কৰিবলগীয়া হোৱাৰফলত উন্নয়ন ব্যাহত হৈছিল। ধাৰাবাহিক যুদ্ধই উন্নয়নত বাধাৰ সৃষ্টি কৰাৰ ফলত ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়ন বাধাগ্ৰস্ত। এনে পৰিস্থিতিত ৰাষ্টৰ উন্নয়ন নঘটিছিল। উদাহৰণ স্বৰূপে, স্বাধীনতাৰ পাছত ভাৰতে চীন আৰু পাকিস্তানৰ সৈতে যুদ্ধ কৰিবলগীয়া হৈছিল। চুবুৰীয়া ৰাষ্ট্ৰৰ অবিৰত ভাবুকিৰ ফলত উন্নয়নতকৈ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত অধিক ব্যয় কৰিবলগীয়া হৈছিল। এনেকৈয়ে দেশৰ অৰ্থনৈতিক উন্নয়ন অত্যন্ত লেহেমীয়া হৈ পৰিছিল আৰু মানুহৰ অৰ্থনৈতিক অৱস্থাই পুতৌজনক ৰূপ লৈছিল।
- **প্ৰাকৃতিক দুৰ্যোগ** (Natural Disasters) ঃ ঘূৰ্ণীবতাহ আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগবোৰৰ ফলত মানুহৰ জীৱন আৰু কোটি কোটি টকাৰ আন্তঃগাঁথনি নষ্ট হয়। উন্নয়নশীল দেশসমূহ প্ৰায়েই বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হয়। সীমিত সম্পদৰ বাবে বিপদৰ সন্মুখীন হ'ব পৰাকৈ উপযুক্ত গৃহনিৰ্মাণ, আন্তঃগাঁথনি আৰু কাৰ্য্যপদ্ধতি প্ৰয়োগৰ ক্ষেত্ৰত এই দেশবোৰ বাধাৰ সন্মুখীন হ'ব লগীয়া হয়।প্ৰাকৃতিক দুৰ্যোগসমূহ অৰ্থনৈতিক প্ৰগতিৰ অন্তৰায় হৈ পৰাৰ ফলত মানুহ যথেষ্ট পৰিমাণে অৰ্থনৈতিক সঙ্কটত ভোগে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** দৰিদ্ৰতাৰ চাৰিটা কাৰণ উল্লেখ কৰক।

.....

**প্ৰশ্ন নং ৪ ঃ** গাণিতিক বৃদ্ধি আৰু জ্যামিতিক বৃদ্ধিৰ সংজ্ঞটো কোনে আগবঢ়াইছিল?

.....

## ৪.৪.৩ ভাৰতত দৰিদ্ৰতাৰ পৰিমাপন (Estimation of Poverty in India)

দৰিদ্ৰতা ভাৰতে সম্প্ৰতি সন্মুখীন হোৱা এটা ঘাই সামাজিক সমস্যা। পুষ্টিহীনতা, নিম্ন ব্যয় ক্ষমতা, দীৰ্ঘকালীনভাৱে ৰোগত ভূগি থকা, নিবনুৱা সমস্যা, পুতৌজনক অনাময়

আৰু গৃহনির্মাণ ব্যৱস্থা আদিবোৰ হ'ল ভাৰতৰ দৰিদ্ৰতা সমস্যাৰ অত্যন্ত গুৰুত্বপূর্ণ সূচক। আমাৰ দেশত 'লোক গণনাঅনুপাত' (Head Count Ratio) অথবা ন্যূনতম ব্যয় সামর্থ (Minimum Consumption Expenditure) ৰ ভিত্তিত দৰিদ্ৰতা নির্ণয় কৰা হয়। ১৯৭৩-১৯৭৮ত ভাৰতত প্ৰায় ৩১.১ কোটি মানুহে দ্ৰৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। এই সংখ্যা ১৯৭৩-১৯৮৪ লৈ স্থিৰ আছিল, কিন্তু ১৯৯৯-২০০০ চনত এই সংখ্যা ২৬ কোটিলৈ হ্ৰাস পায় আৰু ২০০৪-০৫ চনত ২২ কোটি হয়গৈ। নগৰাঞ্চলতকৈ গ্ৰামাঞ্চলত দৰিদ্ৰতাৰ হাৰ অধিক। ভাৰতৰ ভিন্ ভিন্ ৰাজ্যত দৰিদ্ৰ্য ৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যাও ভিন্ ভিন্। উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান, উত্তৰাখণ্ড, মধ্যপ্ৰদেশ আদি ৰাজ্যসমূহত অইন ৰাজ্যতকৈ দৰিদ্ৰ লোকৰ সংখ্যা তুলনামূলকভাৱে অধিক। ওড়িশাত দাৰিদ্ৰ্য ৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা সবাতোকৈ অধিক, ৪৩ শতাংশ। পঞ্জাৱত সবাতোকৈ কম, ৬ শতাংশ। ২০০৯-২০১০ চনৰ এক সমীক্ষা অনুসৰি অসমত ৩৭.৯ শতাংশ, অর্থাৎ অসমৰ ১১.৬৪ মিলিয়ন লোক দাৰিদ্ৰ্য ৰেখাৰ তলত বাস কৰে।

## ৪.৪.৪ ভাৰতৰ দৰিদ্ৰতা দূৰীকৰণ আঁচনি

আমি ইতিমধ্যে গম পালোঁ যে সাম্প্ৰতিক সময়ত ভাৰতত দৰিদ্ৰতাৰ সমস্যাটো অত্যন্ত জটিল সমস্যা হৈ পৰিছে।দেশৰ হাজাৰ হাজাৰ লোক দৰিদ্ৰতাত পীড়িত লোক তেওঁ এটা সুস্বাস্থ্যকৰ আৰু মর্য্যাদাপূর্ণ জীৱন-যাপন কৰাৰ পৰা বঞ্চিত হৈছে। সেয়ে দৰিদ্ৰতা হ্ৰাস অথবা দূৰীকৰণ আৰু বঞ্চিত লোকসকলৰ আর্থ-সামাজিক উত্তৰণৰ বাবে চৰকাৰে বহুধৰণৰ আঁচনি আৰু পৰিকল্পনা প্ৰৱর্তন কৰিছে। দৰিদ্ৰতা দূৰীকৰণ আঁচনি ভাৰতৰ উন্নয়ন পৰিকল্পনাৰ এক গুৰুত্বপূর্ণ দিশ।

দৰিদ্ৰতা দূৰীকৰণৰ উদ্দেশ্য ভাৰত চৰকাৰে উন্নয়নমূলক আঁচনি আৰু পৰিকল্পনাসমূহৰ সংশোধন ঘটাইছে আৰু সেইবোৰ পর্য্যায়ক্ৰমে উন্নতৰ কৰি তুলিছে। পৰিকল্পনাসমূহৰ সম্প্ৰসাৰণো ঘটোৱা হৈছে।

- **কুৰিদফীয়া আঁচনি** (20 Point Programme) ঃ ১৯৭৫ চনত ইন্দিৰা গান্ধীয়ে দৰিদ্ৰতা তথা অর্থনৈতিক শোষণ হ্ৰাস কৰা আৰু সমাজত শ্ৰমিকসকলৰ উত্তৰণ ঘটোৱাৰ উদ্দেশ্যেৰে এই আঁচনিখন প্ৰৱর্তন কৰিছিল। এই আচনিখনৰ পাঁচটা গুৰুত্বপূর্ণ লক্ষ্য এনেধৰণৰ—
  - মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ (Controling Inflation)
  - উৎপাদনৰ বাবে উৎসাহ যোগোৱা (Giving Incentive to Production)
  - গ্ৰামাঞ্চলৰ লোকসকলৰ উন্নয়ন (Welfare of Rural Population)
  - নগৰাঞ্চলৰ মধ্যবিত্তীয় লোকসকললৈ সাহায্য (Lending help to the Urban Middle Classes) সহায় আগবঢ়োৱা

- অৰ্থনৈতিক আৰু সামাজিক অপৰাধ নিয়ন্ত্ৰণ (Controling Economic and Social Crimes)

➢ **প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা** (Prime Minister's Rozgar Yojana, PMRY) ঃ নগৰ আৰু গ্ৰামাঞ্চল উভয়ৰে বছৰি ৪০,০০০ টকা আয় কৰা পৰিয়ালৰ শিক্ষিত নিবনুৱা লোকসকলক আত্মসংস্থাপনৰ দিয়াৰ লক্ষ্যেৰে ১৯৯৩ চনত এই আঁচনিখন প্ৰৱৰ্তন কৰা হয়। এই সামাজিক স্তৰটোৰ লোকক আঁচনিখনে যিকোনো ধৰণৰ অৰ্থনৈতিক ভাৱে লাভজনক কাৰ্য্যকলাপ সহায়ৰ হাত আগবঢ়ায়। এই আঁচনিখনৰ অধীনত প্ৰায় ২০লাখটা গোট স্থাপন কৰা হৈছে আৰু৩০.৪লাখ অতিৰিক্ত নিয়োগৰ সা-সুবিধাৰ সৃষ্টি কৰা হৈছে।

➢ **ৰাষ্ট্ৰীয় কৰ্মসংস্থাপন নিয়োগ নিশ্চিত আঁচনি** (National Rural Employment Guarantee Act, NREGA) ঃ গাঁৱৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰ উদ্দেশ্যে ২০০৫ চনত এই আইনখন গৃহীত হয়। এই আঁচনিয়ে প্ৰতিটো বিত্তীয় বৰ্ষত গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালৰ কাম কৰিবলৈ ইচ্ছুক প্ৰাপ্তবয়স্ক লোকৰ বাবে এশ দিনৰ বাবে বেতনসহ নিয়োগৰ নিশ্চিতি প্ৰদান কৰে।পাচত, এই আঁচনিখনৰ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (MNREGA) হিচাপে নামকৰণ কৰা হয়।



## ৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৰ্মক্ষম অৱস্থাত সম্পূৰ্ণ কৰ্মসংস্থাপন লাভৰ ইচ্ছা থকা সত্ত্বেও কাম কৰিবলৈ নোপোৱা অৱস্থাটোৱেই হৈছে নিবনুৱা অৱস্থা।
- নিবনুৱা লোকৰ সংখ্যা বৃদ্ধিয়ে দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি কৰে।
- দৰিদ্ৰতা এক প্ৰকাৰৰ আৰ্থ-সামাজিক অৱস্থা, য'ত সমাজৰ একাংশ লোক জীৱন-ধাৰণৰ মৌলিক প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবলৈ অসমৰ্থ হৈ ৰয় ।
- সম্পূৰ্ণ দৰিদ্ৰতাই এনে এটা অৱস্থাৰ কথা বুজায় য'ত মানুহে পৰ্য্যাপ্ত অন্ন, বস্ত্ৰ, বাসস্থানৰ দৰে জীৱন-ধাৰণৰ মৌলিক প্ৰয়োজনীয়তাবোৰ আহৰণ কৰিবলৈ 'অসমৰ্থ হৈ ৰয়।
- আপেক্ষিক দৰিদ্ৰতাৰ একোখন সমাজৰ সাৰ্বিক জীৱন-ধাৰণৰ মানৰ সৈতে সম্পৰ্ক আছে।
- মৌলিক প্ৰয়োজনীয়তাৰ ফালৰ পৰা দৰিদ্ৰতাৰ অৰ্থ বিস্তৃত আৰু সেয়েহে স্বাস্থ্য, শিক্ষা, নিয়োগ ইত্যাদিৰ দৰে অন্যান্য স্বীকৃত মানসমূহৰ জৰিয়তে দৰিদ্ৰতাৰ পৰিমাপন কৰা উচিত।



## ৪.৬ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Ahuja, Ram (2009): *Social Problems in India*. Jaipur: Rawat Publications.



## ৪.৭ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** সংৰচনাত্মক নিবনুৱা, চক্ৰীয় নিবনুৱা।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ কৰ্মসংস্থাপন নিশ্চিত কৰণ আঁচনি।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** অত্যধিক জনসংখ্যা, শিক্ষাহীনতা, যুদ্ধ, পৰিৱেশজনিত অৱনতি।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** থমাছ ৰবাৰ্ট মালথাছ।



## ৪.৮ আৰ্হি প্ৰশ্ন

**ক) চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখিব)

**প্ৰশ্ন ১ ঃ** চক্ৰীয় নিবনুৱা বুলিলে কি বুজাই লিখক।

**প্ৰশ্ন ২ ঃ** আপেক্ষিক নিবনুৱা বুলিলে কি বুজাই লিখক।

**খ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** দৰিদ্ৰতাৰ সামাজিক কাৰণসমূহ আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** নিবনুৱা সমস্যাৰ কাৰণসমূহ ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ৫ ঃ যুৱ উচ্ছৃংখলতা

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.২.১ যুৱ উচ্ছৃংখলতা

৫.২.২ যুৱ উচ্ছৃংখলতাৰ প্ৰকাৰবোৰ

৫.৩ যুৱ আন্দোলন

৫.৩.১ যুৱ আন্দোলনৰ প্ৰকাৰ

৫.৩.২ যুৱ আন্দোলন বৃদ্ধিৰ প্ৰক্ৰিয়া

৫.৩.৩ ভাৰতবৰ্ষৰ যুৱ প্ৰজন্মই কৰা কেইটামান আন্দোলন

৫.৪ যুৱ আন্দোলনৰ কাৰণ

৫.৫ অধ্যটিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যুৱ উচ্ছৃংখলতাৰ অর্থ জানিব পাৰিব
- যুৱ উচ্ছৃংখলতাৰ বিভিন্ন প্ৰকাৰ জানিব পাৰিব
- যুৱ আন্দোলনৰ ধাৰণাটো বুজিবলৈ সক্ষম হ'ব
- যুৱ আন্দোলনৰ বিভিন্ন প্ৰকাৰ আৰু প্ৰক্ৰিয়াৰ বিষয়ে জানিব পাৰিব
- যুৱ উচ্ছৃংখলতাক প্ৰভাৱিত কৰা উপাদানসমূহৰ বিষয়ে জানিব পাৰিব
- ভাৰতবৰ্ষত যুৱ উচ্ছৃংখলতাৰ সমসাময়িক দৃশ্যপট বুজিবলৈ সক্ষম হ'ব।

## ৫.২ পৰিচয়

যুৱ উচ্ছৃংখলতা হ'ল ভাৰতীয় সমাজ জীৱনৰ এক স্পৰ্শকাতৰ বিষয়। বহুসংখ্যক যুৱক-যুৱতীয়ে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে বিভিন্ন সামাজিক সমস্যাৰ লগত যুক্ত হৈ পৰিছে। অত্যধিক হিংসাত্মক চিন্তা, হতাশা, জটিলতা আৰু মানসিক চাপক দৰে বিভিন্ন কাৰণৰ ফলশ্ৰুতিত যুৱক-যুৱতীসকল নানা ধৰণৰ অসামাজিক কাম-কাজত লিপ্ত হৈ পৰা দেখা যায়। পৰিয়ালকেন্দ্ৰিক সমস্যা, অর্থনৈতিক সমস্যা, শৈক্ষিক, ধর্মীয়, সামাজিক আৰু সাংস্কৃতিক সমস্যা হ'ল যুৱক-

যুৱতীসকলৰ মাজত দেখা দিয়া হতাশাৰ কাৰণ। পৰিণতি স্বৰূপে বহুসংখ্যক যুৱক-যুৱতীয়ে হত্যা, লুণ্ঠন, ডকাইতি, অপহৰণ, যৌন দুষ্কার্য্য, সন্ত্রাসবাদী কার্য্যকলাপৰ দৰে বিভিন্ন অপৰাধমূলক ক্ষেত্রত জড়িত হৈ পৰে। যৌৱন প্রাপ্তিৰ এই কালছোৱাত বহুতে আকৌ মদ, ভাং, চিগাৰেট আদিৰ দৰে নিচাযুক্ত দ্রব্য সেৱনৰ বদ অভ্যাস গঢ়ি তোলে। এই বদঅভ্যাসবোৰে তেওঁলোকক কেতিয়াবা অপৰাধী সজাই তুলিব পাৰে। ইয়াৰ উপৰি ত্রুটিপূর্ণ শিক্ষা পদ্ধতি, নিবনুৱা সমস্যা, ধর্মীয় সংঘর্ষ, আঞ্চলিক সংঘর্ষ, ত্রুটিপূর্ণ ৰাজনৈতিক ব্যৱস্থা আদিও সমাজত যুৱ উচ্ছৃংখলতা সৃষ্টিৰ কাৰক হিচাপে সমানেই দায়ী। আনহাতে, মানৱীয় প্রমূল্যৰ অৱক্ষয়, স্বার্থন্বেষী মনোভাৱ বৃদ্ধি, প্রত্যেক ধর্মতে দেখা দিয়া সময় সাপেক্ষ বৌদ্ধিক স্পৃহা পূৰণ কৰিব পৰা মূল্যবোধৰ অভাৱ, ভৱিষ্যৎ সম্বন্ধে অনিশ্চয়তা ইত্যাদিবোৰে যুৱ সমাজক বৃহত্তৰ সমাজখনত এক অশান্তিময় পৰিৱেশ সৃষ্টি কৰিবলৈ উদ্বুদ্ধ কৰিছে।

## ৫.২.১ যুৱ উচ্ছৃংখলতা

যুৱ উচ্ছৃংখলতা হ'ল যুৱক-যুৱতীসকলৰ সমূহীয়া অসন্তুষ্টিৰ বহিৰ্প্রকাশ। যেতিয়া সমাজত প্রচলিত আদর্শসমূহ যুৱ সমাজে অকার্য্যকৰী আৰু ক্ষতিকাৰক বুলি অনুভৱ কৰে, তেতিয়া এনে ধৰণৰ অসন্তুষ্টি প্রকট হৈ উঠে। যুৱক-যুৱতীসকলক মানৱ সমাজৰ এক সমূহ নাইবা দল হিচাপে বিবেচনা কৰা হয়। ই মানুহৰ এছোৱা বয়সৰ কথা বুজায়। ই হৈছে এনেকুৱা এক ধাৰণা যিটোৱে ভিন্ন ধৰণৰ সাহিত্যতো স্থান পাইছে। মৌলিকভাৱে ই মানুহৰ বৃদ্ধি আৰু বিকাশৰ সৈতে জড়িত জীৱ বিজ্ঞানৰ এক ধাৰণা যদিও শিক্ষা, মনোবিজ্ঞান, নৃতত্ত্ব, সমাজতত্ত্বত আৰু জনসংখ্যা গাঁথনিৰ দৰে বিষয়বোৰতো ই এক অধ্যয়ন ক্ষেত্র হিচাপে চিহ্নিত হৈছে। ২১-৩৫ৰ এই সময়ছোৱা জীৱনৰ বাবে বিশেষ গুৰুত্বপূর্ণ। কিয়নো যুৱক-যুৱতীসকল এই সময়ছোৱাত বিভিন্ন অভিজ্ঞতাৰে পৰিপক্ক হৈ উঠে। এই অভিজ্ঞতাবোৰে তেওঁলোকক পৰৱর্তী জীৱনত সিদ্ধান্তগ্রহণত সহায় কৰে। ই হৈছে এনেকুৱা এক সময় য'ত পৰিয়াল, বৃত্তিগত দিশ, অর্থনৈতিক, সামাজিক উদ্দেশ্যসমূহে সমাজত প্রতিষ্ঠা লাভৰ পথ বিচাৰি ফুৰে। সেয়েহে এই সময়ছোৱাক মানৱ জীৱনৰ বিকাশৰ এক গুৰুত্বপূর্ণ সময় হিচাপে চিহ্নিত কৰা হয়। যুৱক-যুৱতীসকলক মানৱ সমাজৰ এক বিশেষ শ্রেণী অথবা সমূহ হিচাপে বিবেচনা কৰা হয়। এই শ্রেণীটোত এক নির্দিষ্ট বয়সৰ ব্যক্তিসকলক সামৰা হয়।

উচ্ছৃংখলতা হৈছে এক অস্বাস্তিকৰ সামাজিককৰ পৰিস্থিতি। এনে পৰিস্থিতিয়ে অসন্তুষ্টি আৰু বিভ্রান্তিৰ কথা প্রকাশ কৰে। যুৱ উচ্ছৃংখলতা বুলিলে সমাজত যুৱক-যুৱতীসকলৰ সমূহীয়া অসন্তুষ্টি, নৈৰাশ্য আৰু বিভ্রান্তিৰ প্রকাশ ঘটাৰ কথাকে বুজোৱা হয়। যেতিয়া সমাজত প্রচলিত প্রতিমান অথবা আদর্শসমূহ অচল অথবা অকার্য্যকৰী আৰু ক্ষতিকাৰক বুলি যুৱক-যুৱতীসকল অনুভৱ কৰে তেতিয়াই তেওঁলোকে নৈৰাশ্য অথবা অসন্তুষ্টি ব্যক্ত কৰে। পৰিণতি স্বৰূপে তেওঁলোকে প্রচলিত প্রতিমানসমূহ পৰিৱর্তনৰ

বাবে উদ্যত হৈ পৰে। সমাজত বিৰক্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা প্ৰতিমানসমূহৰ বিপক্ষে যুৱক-যুৱতীসকলে মাজে সময়ে বিদ্রোহাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰি এইবোৰ নতুন ৰূপত সংগঠিত কৰাৰ প্ৰয়াস কৰে। যুৱ উচ্ছৃংখলতা আৰু সামাজিক উচ্ছৃংখলতাৰ ধাৰণাৰ মাজত আন্তঃসম্পৰ্ক আছে। যেতিয়া যুৱক-যুৱতীসকলে সমাজৰ অসন্তুষ্টিদায়ক আৰু নৈৰাশ্যপূৰ্ণ পৰিস্থিতিৰ প্ৰতি সমূহীয়াভাৱে বিদ্রোহাত্মক মনোভাৱ কৰে, তেতিয়াই ইয়াক যুৱ উচ্ছৃংখলতা বুলি জনা যায়।সমাজৰ সমতাহীনপৰিস্থিতিৰ লগত সমাযোজিত হোৱাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰাজিয়ে যুৱক-যুৱতীসকলক আক্ৰোশপূৰ্ণ কৰি তোলে। বিভিন্ন ধৰণৰ যুৱ আন্দোলনৰ সূত্ৰপাত হোৱাৰ মূলতে হ'ল যুৱ সমাজৰ উচ্ছৃংখলতা। যুৱক-যুৱতীসকলৰ আচৰণৰ আঁৰত যিবোৰ অনুভূতি আৰু চেতনাই কাম কৰে তেনে অনুভূতি আৰু চেতনাবোৰৰ মাজত দৃষ্টিগোচৰ হোৱা বিশেষত্ববোৰ তলত দিয়া ধৰণৰ—

- সমূহীয়া অসন্তুষ্টি,
- দুস্কৃতি সৃষ্টিকাৰী অৱস্থাসমূহ
- ৰাজহুৱা স্বাৰ্থ আৰু
- প্ৰচলিত প্ৰতিমানসমূহৰ পৰিৱৰ্তনৰ আকাংক্ষা

## ৫.২.২ যুৱ উচ্ছৃংখলতাৰ প্ৰকাৰ

যুৱ উচ্ছৃংখলতা বিভিন্ন ধৰণে বিভিন্ন ৰূপত প্ৰকট হৈ উঠে। তলত যুৱ উচ্ছৃংখলতাৰ সাধাৰণতে দেখা পোৱা প্ৰকাৰসমূহৰ চমু আভাস দিয়া হ'ল—

- **ৰাজনৈতিক কাৰ্য্যকলাপ আৰু আন্দোলন ঃ** কোনো কোনো ক্ষেত্ৰত যুৱ উচ্ছৃংখলতা বৃহৎ ৰাজনৈতিক আন্দোলনৰ সৈতে জড়িত হৈ থকা দেখা যায়। ছাত্ৰ সমাজে প্ৰায়ে ৰাজনৈতিক বিষয়বস্তু সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰে আৰু অন্য অ-যুৱ সংগঠন আৰু ৰাজনৈতিক দলৰ সৈতে হাতে হাত মিলাই সেই বিষয়বস্তুৰ সপক্ষে নাইবা বিপক্ষে যুদ্ধত লিপ্ত হৈ পৰে। সীমান্ত সম্পৰ্কীয় বিৰোধ, মূল্যবৃদ্ধি, জল-বিবাদ, ভাষা আন্দোলন, জৰুৰীকালীন অৱস্থা, মন্ত্ৰী বৰ্খাস্তকৰণ ইত্যাদি বিভিন্ন ধৰণৰ ৰাজনৈতিক আন্দোলন সৈতে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ ইতিহাস সাক্ষী হৈ আছে। বিদ্রোহী দৃষ্টিভঙ্গীৰ প্ৰকাশ স্বৰূপে তেওঁলোকে প্ৰতিবাদী সমদল আৰম্ভ কৰে, বিক্ষোভ প্ৰদৰ্শন কৰে, পুলিচ আৰু কৰ্তৃপক্ষৰ সৈতে সংঘৰ্ষ আৰু হিংসাত্মক কাৰ্য্যত লিপ্ত হয়।
- **শৈক্ষিক দিশৰ উন্নতিৰ বাবে ছাত্ৰ সমাজে কৰা আন্দোলন ঃ** ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক কাৰণৰ বাবেও আন্দোলনত অৱতীৰ্ণ হোৱা দেখা যায়। প্ৰবক্তা নিযুক্তিৰ দাবী, যথেষ্ট পৰিমাণে পৰীক্ষাগাৰৰ সা-সঁজুলিযোগান আৰু গ্ৰন্থাগাৰৰ বাবে গ্ৰন্থৰ যোগান, পৰীক্ষা পদ্ধতি আৰু প্ৰশ্নকাকতসমূহৰ সংস্কাৰ সাধন, শিক্ষাৰ্থীসকলৰ স্বীকৃতি, বিশ্ববিদ্যালয়সমূহত ছাত্ৰ একতা সভাত অংশগ্ৰহণ,প্ৰশাসনিক কৰ্তৃপক্ষবোৰ,

যেনে— পৰিচালনা সমিতি, বিদ্যায়তনিক পৰিষদ সংগঠিতকৰণ, পৰীক্ষাৰ ঘোষণা ইত্যাদি বিভিন্ন দাবী পূৰণৰ অর্থে ছাত্র-ছাত্রীসকলৰ মাজত আন্দোলনৰ প্রৱণতা বৃদ্ধি পায়।

- **অনা-শৈক্ষিক কর্তৃপক্ষৰ বিৰুদ্ধে আন্দোলন ঃ** ছাত্র-ছাত্রীসকলে অনা-শৈক্ষিক আৰু অ-ৰাজনৈতিক কাৰণৰ বাবেও আন্দোলনত অংশগ্রহণ কৰা দেখা যায়। উদাহৰণ স্বৰূপে, বাছ আৰু ট্রেইন ভ্রমণৰ উপৰি ব্যৱসায়িক বিনোদনমূলক কেন্দ্রসমূহত বিশেষ ৰেহাইৰ সুবিধা বিচাৰি তেওঁলোকে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে।
- **স্বতঃস্ফূর্ত ছাত্র আন্দোলন ঃ** ছাত্র-ছাত্রীসকলক কেতিয়াবা আকস্মিকভাৱে আৰু অনাকাংক্ষিত ৰূপত আন্দোলন কৰা দেখা যায়। ছাত্র-ছাত্রীসকলে বাছ কণ্ডাক্টৰ, অটোৰিক্সা চালক, পুলিচ আৰু চৰকাৰী বিষয়াৰ বিৰুদ্ধাচৰণ কৰি ধর্ণাৰ দৰে কার্য্যসূচী ৰূপায়ণ কৰে। এনে ধৰণৰ বিক্ষোভমূলক কার্য্যসূচীক যুৱ শক্তিৰ স্বতঃস্ফূর্ত বিস্ফোৰণ বুলিব পাৰি। এনেধৰণৰ বিক্ষোভমূলক প্রৱণতাক সযতনে যদি নিয়ন্ত্রণ কৰা নহয়, তেন্তে ভৱিষ্যতে ই অধিক বিপদজনক হৈ উঠিব পাৰে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** যুৱ উচ্ছৃংখলতা মানে কি?

.....

.....

**প্রশ্ন নং ২ ঃ** যুৱ উচ্ছৃংখলতাৰ কেইটামান গুৰুত্বপূর্ণ বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

**প্রশ্ন নং ৩ ঃ** যুৱ উচ্ছৃংখলতাৰ প্রকাৰসমূহ কি কি?

.....

.....

.....

## ৫.৩ যুৱ আন্দোলন

আন্দোলন হৈছে আনক ক্ষতি কৰাৰ প্রৱণতা থকা এক শত্রুভাৱাপন্ন কার্য্য, যাৰ পৰিণতি নৈৰাশ্যজনক হ'ব পাৰে। ই হৈছে এক প্রকাৰৰ অপ্রকাশ্য আক্রমণ। ব্যক্তিগত হতাশাই এনে প্রৱণতা সৃষ্টিত সহায় কৰে। মেয়ার্ছে (১৯৮৮) আক্রামণাত্মক চিন্তাধাৰাৰ সংজ্ঞা দি কয় যে, ই হৈছে মানুহৰ এনে কিছুমান আচৰণ যিবোৰে আঘাত নাইবা ক্ষতিসাধন কৰে অথবা কোনো ধ্বংসমূলক দিশৰ বিষয়ে উনুকিয়ায়।

ইয়াৰ লগত আকস্মিক আৰু অনিচ্ছাকৃত আঘাত জড়িত হৈ থাকে যদিও নিশ্চিত ৰূপত ইয়াৰ নেপথ্যত এনে কিছু প্ৰৰোচনাকাৰী ব্যক্তি থাকে যিয়ে অন্য ব্যক্তিৰ মনস্তত্ত্বত আঘাত হানে। যুৱ আন্দোলন হ'ল যুৱক-যুৱতীৰ মাজত গা কৰি উঠা আচৰণৰ এক সমূহীয়া প্ৰকাশ। ইয়াৰ লক্ষ্য কোনো ব্যক্তিৰ অনিষ্ট সাধন কৰা অথবা ৰাজহুৱা সম্পত্তি ধ্বংস কৰাটো নহয়, ই সমাজৰ বিৰুদ্ধে এক প্ৰতিবাদী চিঞৰ। ই কোনো ধৰণৰ সহজাত প্ৰৱণতাৰ দ্বাৰা পৰিচালিত ধ্বংসমূলক কাৰ্য্যৰ ফলাফল অথবা হতাশা প্ৰকাশক কোনো সহজাত প্ৰতিক্ৰিয়া নহয়। ই হৈছে এক আৰ্জিত আচৰণ। প্ৰদৰ্শন, শ্লোগান, ধৰ্মঘট, আমৰণ অনশন, পথ অৱৰোধ, পৰীক্ষা বৰ্জন ইত্যাদিবোৰ হ'ল সমাজ জীৱনত প্ৰায়েই দেখা পোৱা যুৱ চামে কৰা আন্দোলনৰ বিভিন্ন প্ৰকাৰ। ৰাম আহুজা (২০১৪) ই তেখেতৰ গ্ৰন্থ 'Social Problems in India'ত যুৱ সমাজৰ আন্দোলনৰ কেইটামান পূৰ্ব চৰ্ত উল্লেখ কৰিছে, সেইবোৰ তলত দিয়া ধৰণৰ—

- সামাজিক সংৰচনাই কৰা দমন।
- দমন (নিপীড়ন)ৰ উৎস নিৰ্ধাৰণ।
- কোনো নেতাৰ দ্বাৰা কৰ্মত প্ৰবৃত্ত কৰোৱাৰ শক্তি প্ৰয়োগ।

ৰাম আহুজাই এই কিতাপখনত যুৱ আন্দোলনৰ কেইটামান গুৰুত্বপূৰ্ণ উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰিছে, সেইবোৰ হ'ল এনেধৰণৰ—

- সমূহীয়া সচেতনতা আৰু দলীয় সংহতি তৈয়াৰ কৰা।
- নব্য আঁচনি আৰু পৰিকল্পনাক বাবে যুৱ সমাজক সু-সংগঠিত কৰি তোলা।
- সমাজিক পৰিৱৰ্তনক প্ৰভাৱিত কৰিব পৰাকৈ নিজৰ ব্যক্তিগত অনুভৱখিনি প্ৰকাশ কৰিবলৈ প্ৰতিজন যুৱক প্ৰতিগৰাকী যুৱতীকে পৰ্য্যাপ্ত সুবিধা প্ৰদান কৰা।

## ৫.৩.১ যুৱ আন্দোলনৰ প্ৰকাৰ

যুৱ আন্দোলন সদায়েই হিংসাত্মক আৰু বলপূৰ্বক নহ'বও পাৰে। বহু সময়ত তেওঁলোকে ইয়াক পতিয়ন নিওৱাৰ কৌশল হিচাপে ব্যৱহাৰ কৰিব পাৰে। যুৱ আন্দোলনক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

- **প্ৰতিৰোধমূলক আন্দোলন ঃ** প্ৰতিৰোধমূলক আন্দোলনৰ প্ৰধান উদ্দেশ্য হ'ল ক্ষমতাধাৰী লোকসকলৰ স্বকীয় অৱস্থান অটুট ৰখা। উদাহৰণ স্বৰূপে, শিক্ষাৰ্থীসকলে আন্দোলন প্ৰক্ৰিয়াৰ মাধ্যমেৰে পুনঃ মূল্যায়নৰ সময়ত তেওঁলোকৰ প্ৰাপ্তাংক যাতে হ্ৰাস নাপায় তাৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষক পৰিষদক হেঁচা প্ৰয়োগ কৰিব পাৰে। কেতিয়াবা আকৌ প্ৰতিৰোধমূলক আন্দোলনে বিশ্ববিদ্যালয় বিভিন্ন কাৰ্য্যকলাপক লৈ বিক্ষোভ আৰু উদ্বেগ প্ৰকাশ কৰে।
- **পতিয়ন নিওৱা আন্দোলন ঃ** পতিয়ননিওৱা সম্পৰ্কীয় আন্দোলনে যুৱকসকলৰ ক্ষমতা দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন কৰে যাতে তেওঁলোক সমস্যাৰাজিৰ সমাধানৰ বাবে গভীৰৰ পৰা গভীৰতম চিন্তা কৰিব পাৰে। ইয়াৰ ফলত তেওঁলোক বাস্তৱিক

সমস্যাসমূহকলৈ আন্দোলন কৰিব পৰা হয়।এই পদ্ধতিৰ দ্বাৰা নিষ্ক্রিয় আৰু অসন্তুষ্ট যুৱক-যুৱতীসকলৰ ক্ষতিবিহীন ভাৱনাবোৰক লোকপ্রিয় কৰাৰ উপৰি বহু সময়তে খং আৰু অন্যায়ো প্রকাশ কৰা হয়।

- **বৈপ্লৱিক আন্দোলন ঃ** বৈপ্লৱিক আন্দোলনৰ মুখ্য উদ্দেশ্য হ'ল শৈক্ষিক আৰু সামাজিক ব্যৱস্থাৰ ক্ষেত্রত অভূতপূর্ব পৰিৱর্তনৰ সূত্রপাত ঘটোৱা। এনে বৈপ্লৱিক আন্দোলনৰ উদাহৰণ হিচাপে ১৯৮৭ চনৰ চীনৰ যুৱ সমাজে চলোৱা আন্দোলন, ১৯৯৪ চনত অসমত AASUৰ নেতৃত্বত চলা আন্দোলন, ১৯৯৪ চনত উত্তৰ প্রদেশত হোৱা উত্তৰাখণ্ডৰ আন্দোলন আৰু ১৯৮৯-৯৬ চনৰ সময়ছোৱাত চলা বড়ো আন্দোলন আদিৰ কথা উল্লেখ কৰিব পাৰি।

## ৫.৩.২ যুৱ আন্দোলন বৃদ্ধিৰ প্রক্রিয়া

যুৱ চামৰ অসন্তুষ্টিৰ লগত জড়িত কেতবোৰ পর্য্যায়ে বিভিন্ন ধৰণৰ আন্দোলনৰ জন্ম দিয়ে। এই পর্য্যায়বোৰ তলত উল্লেখ কৰা হ'ল—

- **সন্তোষহীনতাৰ পর্য্যায়ঃ**সন্তোষহীনতাৰ পর্য্যায় হ'ল এনে এক পর্য্যায় যিটো প্রচলিত অৱস্থিত পৰিস্থিতিসমূহক লৈ সন্তুষ্টি কমি যোৱা আৰু দ্বিধাবোধ বাঢ়ি যোৱা।
- **প্রাৰম্ভিক পর্য্যায় ঃ**প্রাৰম্ভিক পর্য্যায়ত এগৰাকী নেতাই অসন্তুষ্টিৰ কাৰণবোৰ চিনাক্ত কৰে, উত্তেজনা বাঢ়ি যায় আৰু প্রস্তাৱিত কর্ম সন্দর্ভত বিতর্কৰ সৃষ্টি হয়।
- **আনুষ্ঠানিকীকৰণৰ পর্য্যায় ঃ** এই পর্য্যায়ত আন্দোলনৰ কার্য্যসূচী বিকশিত কৰা হয়, মিত্রজোঁট গঠন হয় আৰুকেতিয়াবা বিদ্রোহী সংগঠনৰ পৰা সহায় বিচৰা হয়।
- **জনসমর্থন সংগ্রহৰ পর্য্যায় ঃ**এই পর্য্যায়ত যুৱ চামৰ সমস্যাক জনসাধাৰণৰ সমস্যা হিচাপে বিবেচনা কৰা হয়। ই কেৱল জনসাধাৰণৰ মাজত সজাগতাৰেই সৃষ্টি নকৰে, নির্দিষ্ট বিষয়ৰ ওপৰত জনসমর্থনো বিচাৰে।

## ৫.৩.৩ ভাৰতবর্ষৰ যুৱ প্রজন্মই কৰা কেইটামান আন্দোলন

স্বাধীনোত্তৰ ভাৰতবর্ষত সংঘটিত হোৱা কেইটামান তাৎপর্য্যপূর্ণ যুৱ আন্দোলনৰ দুখময় পৰিণতি সম্বন্ধে আমি সকলোৱে জ্ঞাত। সেইবোৰ হ'ল ১৯৮৫ চনত গুজৰাটত চলা আসন সংৰক্ষণ বিৰোধী আন্দোলন, ১৯৮৪ চনত অসমত সদৌ অসম ছাত্র সন্থাৰ নেতৃত্বত চলা আন্দোলন, ১৯৯০ চনত উত্তৰ ভাৰতত সংঘটিত হোৱা মণ্ডল (Mandal) বিৰোধী আন্দোলন আৰু ১৯৯৪ চনত উত্তৰ প্রদেশত চলা উত্তৰাখণ্ড বাবে ৰাজ্য গঠনৰ আন্দোলন। ইয়াৰ উপৰি ১৯৮১ চনত গুজৰাটত জাতিগত আসন সংৰক্ষণৰ বিৰুদ্ধে চলা আন্দোলনত যুৱ প্রজন্মই এক বিশেষ ভূমিকা গ্রহণ কৰিছিল। ১৯৮৫ আৰু ১৯৯৫ চনৰ মধ্যৱর্তী কালছোৱাত পঞ্জাৱ আৰু কাশ্মীৰত ঘটা সন্ত্রাসবাদী কার্য্যকলাপ আৰু বিহাৰত ঝাৰখণ্ড আন্দোলনৰ সময়ত যুৱসমাজে গ্রহণ কৰা ভূমিকা



উল্লেখনীয় ধৰণৰ আছিল।

**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** খালী ঠাই পূৰণ কৰক—

ক) 'Social Problems in India' নামৰ গ্রন্থখনৰ লেখক হ'ল .....।

খ) বৈপ্লৱিক আন্দোলনৰ মূল লক্ষ্য হ'ল .....।

গ) অসমত সদৌ অসম ছাত্র সন্থাৰ উদ্যোগত আন্দোলন ..... চনত আৰম্ভ হৈছিল।

## ৫.৪ যুৱ আন্দোলনৰ কাৰণ

যুৱ প্রজন্মই কৰা আন্দোলনৰ নেপথ্যৰ কাৰণবোৰ তলত উল্লেখ কৰা হ'ল—

- ১৯৬০ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে ছাত্র আন্দোলনৰ কাৰণবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিছে।
  - অর্থনৈতিক কাৰণ উদাহৰণ স্বৰূপে, নামভর্তিৰ মাছুল হ্রাসকৰণৰ দাবী উত্থাপন, ছাত্র-বৃত্তিৰ সুবিধাসমূহ বিকশিত কৰা ইত্যাদি।
  - নামভর্তিকৰণ, শিক্ষাদান আৰু নামভর্তিকৰণ প্রক্রিয়াৰ প্রচলিত প্রতিমানসমূহ পৰিৱর্তনৰ দাবী।
  - মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ শিথিল প্রশাসনিক ব্যৱস্থা।
  - অনুপযুক্ত শিক্ষাদান চৌহদ, আৱাস আৰু অন্যান্য আন্তঃগাঁথনিমূলক সুবিধা।
  - শিক্ষক আৰু ছাত্রৰ মাজত সংঘাতপূর্ণ সম্পর্ক।
  - শিক্ষানুষ্ঠানৰ নেতাসকলক ৰাজনৈতিক নেতাসকলে প্রৰোচিত কৰা।
- উত্তৰ প্রদেশৰ এখন বিশ্ববিদ্যালয়ৰ দিব'না নামৰ ব্যক্তি এগৰাকীয়ে কৰা আন্দোলন বিষয়ক অধ্যয়নৰ পৰা তিনিটা মুখ্য কাৰণ পোহৰলৈ আহিছে—
  - **অর্থনৈতিক কাৰণ ঃ** ই ছাত্র-ছাত্রীসকলৰ মাজত প্রকট হৈ উঠা ভৱিষ্যৎ নিৰাপত্তাহীনতাৰ মনোভাৱ আৰু দেশৰ শিক্ষা ব্যৱস্থা আৰু অর্থনৈতিক প্রয়োজনসমূহৰ মাজত থকা ব্যৱধানক সামৰি লয়। অর্থাৎ, শিক্ষাক এক কর্মজড়িতহীন প্রক্রিয়া হিচাপে বিবেচনা কৰা হয়।
  - **মনো-সামাজিক কাৰণ ঃ** মনো-সামাজিক কাৰণে ত্রুটিপূর্ণ শিক্ষা ব্যৱস্থা, আকাংক্ষা আৰু প্রাপ্তিৰ মাজৰ ব্যৱধান, শিক্ষক আৰু শিক্ষার্থীৰ মাজৰ সামাজিক ব্যৱধান, অ-প্রতিশ্রুৱদ্ধ শিক্ষক, দুর্নীতি আৰু অদক্ষতা, শ্রেণীকোঠাত অধিক ভিৰ, অনুপযুক্ত মহাবিদ্যালয় আৰু ইয়াৰ বিভাগ ইত্যাদি বিভিন্ন দিশক সামৰি লয়।

- **ৰাজনৈতিক কাৰণ ঃ** ই ৰাজনৈতিক হস্তক্ষেপ আৰু ৰাজনৈতিক নেতাসকলৰ প্ৰৰোচনামূলক কাৰ্য্যসূচীৰ কথা বুজায়। এই সকলোবোৰ উপাদান মূলতঃ ছাত্ৰ বিক্ষোভ আৰু আন্দোলনৰ বৈশিষ্ট্য যুৱক-যুৱতীসকলৰ ব্যক্তিত্বৰ লগতে সামাজিক ব্যৱস্থাটোৰ পৰা উদ্ভৱ হয়।

এই তিনিটা কাৰকৰ উপৰিও যুৱ আন্দোলনৰ লগত আন কিছুমান কাৰণো জড়িত হৈ আছে।কিন্তু সেই কাৰণবোৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইমান সহজ নহয়। তেনে কিছু কাৰণ তলত উল্লেখ কৰা পাৰি—

- অনুপযুক্ত সামাজিকীকৰণ প্ৰক্ৰিয়া আৰু পৰিয়ালকেন্দ্ৰিক সমস্যা।
- সমাজৰ সাংস্কৃতিক প্ৰত্যাশাৰ ভিত্তিত মাক-দেউতাকে ল'ৰা-ছোৱালীক প্ৰস্তুত কৰাত ব্যৰ্থহ'লে যুৱ প্ৰজন্ম বিভ্ৰান্তিত পৰে।অভিভাৱকসকলৰ বদ অভ্যাস আৰু নেতিবাচক লক্ষণে ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব বিকাশত ক্ষতিকাৰক প্ৰভাৱ পেলায়। পৰিয়াল কেন্দ্ৰিক সমস্যাই বাঢ়ি অহা ল'ৰা-ছোৱালীৰ মানসিক শান্তি বিনষ্ট কৰাৰ লগতে আবেগিক জীৱনৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়।

- **ৰাজনৈতিক সামাজিক আৰু অৰ্থনৈতিক অসমতা ঃ** যুৱ প্ৰজন্মই ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অসমতা নাইবা শোষণৰ প্ৰতি অধিক সংবেদনশীল হোৱা দেখা যায়। তেওঁলোকে এনে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰে। বিভিন্ন নেতিবাচক কাৰকে তেওঁলোকক ভৱিষ্যতৰ প্ৰতি নৈৰাশ্যৰ মনোভাৱ পোষণ কৰিবলৈ বাধ্য কৰায়।
- **ত্ৰুটিপূৰ্ণ শিক্ষাব্যৱস্থা ঃ** পৰম্পৰাগত উৎসাহবিহীন, ৰুচিবিহীন আৰু অপ্ৰাসঙ্গিক শৈক্ষিক ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক অনুশাসনৱদ্ধ আৰু দায়িত্বশীল কৰি গঢ়ি তুলিব নোৱাৰে।
- **নিবনুৱা সমস্যা ঃ** নিবনুৱা সমস্যা হ'ল যুৱ সমাজৰ উচ্ছৃংখলতাৰ অন্যতম কাৰণ। শিক্ষিত নিবনুৱাৰ ক্ৰমবৰ্ধমান সংখ্যাই এনে সমস্যাক অধিক শক্তিশালী কৰি তুলিছে। প্ৰচলিত শিক্ষাই শিক্ষাৰ্থীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাত সহায় কৰিব নোৱাৰে। আনহাতে চৰকাৰেও প্ৰয়োজন অনুসৰি সকলো শিক্ষিত যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰিব পৰা এটা অৱস্থালৈ যাব পৰা নাই। ফলস্বৰূপে যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস দুৰ্বল হৈ পৰিছে আৰু তেওঁলোক অধিক অস্থিৰ হৈ পৰিছে।
- **দুৰ্নীতি আৰু অ-সমৰ্থিত কৰ্তৃপক্ষ ঃ** যুৱ প্ৰজন্মই দুৰ্নীতি আৰু অ-সমৰ্থিত কৰ্তৃপক্ষৰ বাবে চৰম হতাশাগ্ৰস্ততাত ভুগিবলগীয়া হৈছে। দুৰ্নীতি, ক্ষমতা লিপ্সা, নৈতিকতাৰ বিসৰ্জন, সুবিধাবাদ, স্বজনপ্ৰীতি, বৈষম্য ইত্যাদি ৰাজনৈতিক আৰু সামাজিক নেতাসকলৰ সহজাত আচৰণ যেন হৈ পৰিছে। এনে নেতৃত্বই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ভাল আৰ্হি অনুকৰণৰ পথ দেখুৱাত ব্যৰ্থ হৈছে।
- **ৰাজনৈতিক নেতাৰ দ্বাৰা ছাত্ৰ শক্তিৰ অপব্যৱহাৰ ঃ** দুৰ্নীতিগ্ৰস্ত আৰু ভ্ৰষ্ট ৰাজনৈতিক নেতাসকলে ছাত্ৰ শক্তিক তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থ আগবঢ়াই নিয়াৰ বাবে ব্যৱহাৰ কৰে। ৰাজনৈতিক নেতাসকলে ন্যস্ত স্বাৰ্থ চৰিতাৰ্থ কৰাৰ বাবে ছাত্ৰসকলক হাতৰ পুতলৰ দৰে ব্যৱহাৰ কৰে।

- **প্রশাসনিক বিফলতা ঃ** প্রশাসনিক বিসঙ্গতি আৰু শিথিলতাৰ বাবে মাজে সময়ে যুৱ উচ্ছৃংখলতাই দেখা দিয়ে। বিশ্ববিদ্যালয় আৰু চৰকাৰী কর্তৃপক্ষই ছাত্রসকলৰ প্রতি দেখুওৱা উদাসীন দৃষ্টিভঙ্গী আৰু সহানুভূতিৰ অভাৱে বহু সময়ত ছাত্রসকলক বিক্ষোভ প্রকাশৰ বাবে ধর্মঘটত বহিবলৈ বাধ্য কৰায়।
- **যোগাযোগৰ ব্যৱধান ঃ** শিক্ষক আৰু ছাত্র-ছাত্রীসকলৰ মাজত, অভিভাৱক আৰু ল'ৰা-ছোৱালীৰ মাজত বুজা-বুজিৰ অভাৱ আৰু যথোপযুক্ত যোগাযোগৰ ব্যৱধানক যুৱ উচ্ছৃংখলতাৰ এক কাৰণ হিচাপে চিহ্নিত কৰা হৈছে। অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ আকাংক্ষাক বুজি নোপোৱা কথাটোৱে এই সমস্যাক অধিক সক্রিয় কৰি তুলিছে।
- **প্রমূল্যৰ মাজৰ প্রভেদ আৰু প্রমূল্য সঙ্কট ঃ** পৰিৱর্তিত সমাজ জীৱনৰ পৰিণতি স্বৰূপে পুৰণি ধ্যান-ধাৰণা, প্রমূল্য, বিশ্বাস আৰু আদর্শসমূহ আধুনিক যুৱ প্রজন্মৰ বাবে নতুন পটভূমিত অবৈজ্ঞানিক, অযুক্তিকৰ আৰু অপ্রাসঙ্গিক হৈ পৰিছে। ফলস্বৰূপে প্রমূল্যৰ মাজত প্রভেদ সৃষ্টি হৈছে আৰু প্রমূল্য সঙ্কটে যুৱ উচ্ছৃংখলতাৰ সমস্যাটোক অধিক শক্তিশালী কৰি তুলিছে। সম্প্রতি যুৱ প্রজন্ম অধিক যুক্তিবাদী হৈ পৰিছে। তেওঁলোক আধুনিক, বিজ্ঞান সন্মত আৰু যুক্তিবাদী প্রমূল্যসমূহৰ প্রতি আকর্ষিত হোৱা দেখা গৈছে। তথাপিও তেওঁলোকে পৰম্পৰাগত প্রমূল্যসমূহ সম্পূর্ণ ৰূপে বিসর্জন দিয়া বুলি ক'ব নোৱাৰি। তেওঁলোক এক সংশয়পূর্ণ অৱস্থাত থাকিবলগীয়া হৈছে। তেওঁলোকে নতুনত্বকো সম্পূর্ণ ৰূপে আঁকোৱালি ল'ব নোৱাৰে অথবা পৰম্পৰাৰ প্রতিও অৱহেলাৰ মনোভাৱ পোষণ কৰিব নোৱাৰে। এনে এক পৰিস্থিতিত তেওঁলোক যথেষ্ট পৰিমাণে অস্থিৰ হৈ পৰা দেখা গৈছে। যুৱ প্রজন্ম সাধাৰণতে ব্যক্তিবাদী আৰু গণতান্ত্রিক উভয় ধৰণৰ প্রমূল্যৰ দ্বাৰা প্রভাৱিত হোৱা দেখা যায়। সেই বাবে তেওঁলোক কেতিয়াবা পৰম্পৰাৰ বিৰুদ্ধে প্রতিবাদী হৈ উঠে। যুৱ প্রজন্মই অনুভৱ কৰে যে তেওঁলোকে যথেষ্ট পৰিমাণে পৰিপক্ক, দায়িত্বশীল আৰু সংবেদনশীল। তেওঁলোকে প্রবীণসকলক অপৰিপক্ক আৰু দায়িত্বহীন বুলি ধৰি লৈ অনুপযুক্ত আচৰণ প্রদর্শন কৰি প্রবীণসকলক ক্রোধিত কৰি তোলে। এনে এক অসহায় অৱস্থাত যুৱ প্রজন্মই বিৰক্ত আৰু বিব্রতবোধ কৰে।
- **সুবিধাৰ অভাৱ ঃ** যুৱ প্রজন্মই তেওঁলোকৰ প্রতিভাসমূহ প্রকাশৰ বাবে অভিৰুচি অনুযায়ী আগবাঢ়ি যাবলৈ আৰু ব্যক্তিত্ব বিকাশৰ বাবে প্রয়োজনীয় সা-সুবিধাসমূহৰ অভাৱ অনুভৱ কৰে। ইয়ে তেওঁলোকৰ অসন্তুষ্টিৰ মাত্রা বৃদ্ধি কৰে।
- **আকাংক্ষা আৰু প্রাপ্তিৰ মাজত থকা ব্যৱধান ঃ** যুৱক-যুৱতীসকলৰ নিজ নিজ আকাংক্ষা আৰু লক্ষ্য থকাটো তেনেই স্বাভাৱিক। কিন্তু জীৱনৰ বাস্তৱতাই তেওঁলোকক কেতিয়াবা নিৰাশ কৰে। যুৱক-যুৱতীসকল তেওঁলোকৰ বাস্তৱ ৰূপ নোলোৱা আশা-আকাংক্ষাবোৰৰ সৈতে মানসিকভাৱে সুস্থিৰ আৰু দৃঢ় হৈ থাকিব বুলি ভাবিব নোৱাৰি।

- **দৃঢ়সঙ্কল্পৱদ্ধতা আৰু আত্ম-দায়িত্বৰ অভাৱ ঃ** কিছুমান যুৱক-যুৱতীৰ মাজত ইচ্ছা শক্তি আৰু আত্মসঙ্কল্পৰ অভাৱ দেখা যায়। তেওঁলোক নিজৰ অভ্যন্তৰীণ ক্ষমতা আৰু প্ৰতিভা থকা সত্ত্বেও বহুলাংক্ষে আনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। আনক অনুকৰণ কৰাৰ প্ৰৱণতাৰ যুৱক-যুৱতীয়ে নিজৰ বাবে আত্মনিৰ্ভৰশীলতা নিজ বিকশিত কৰাত ব্যৰ্থ হয়। তেওঁলোকে প্ৰদৰ্শন কৰে দায়িত্ববোৰৰ প্ৰতি দ্বিধাবোধ। এনে যুৱক-যুৱতীক বিভিন্ন ক্ষেত্ৰত সমস্যাৰ মুখামুখি হোৱা দেখা যায়।
- **বোলছবিৰ প্ৰভাৱ ঃ** আধুনিক বোলছবিবোৰত দেখুওৱা হিংসা, বিদ্বেষ, লুণ্ঠন, ধৰ্ষণ, হত্যা, অনৈতিকতা, অপৰাধ ইত্যাদিয়ে আধুনিক যুৱ সমাজত এক নেতিবাচক প্ৰভাৱ পেলোৱা দেখা যায়। তেওঁলোকৰ নিজ সাংস্কৃতিক প্ৰমূল্যৰ প্ৰতি বিৰাগ আৰু পশ্চিমীয়া দেশসমূহৰ সংস্কৃতিৰ প্ৰতি অন্ধ অনুকৰণৰ প্ৰৱণতাই এই সমস্যা বৃদ্ধিত সহায় কৰিছে। প্ৰাপ্তবয়স্ক জগতখনেও এই কথা স্বীকাৰ কৰিছে যে যুৱ সমাজৰ সমস্যাবোৰ তেওঁলোকৰ সৈতে মিলিহে সমাধানকৰিব পৰা যাব। সেই কাৰণে অভিভাৱক শিক্ষক, শৈক্ষিক প্ৰশাসক, ৰাজনীতিবিদ আদি আটায়ে এই দিশত ছাত্ৰ আৰু যুৱকসকলৰ সহযোগিতা বিচাৰিব লাগে। ৰাজনৈতিক দলসমূহেও সহযোগিতামূলক মনোভাৱেৰে যুৱ প্ৰজন্মৰ সমস্যা অথবা আপত্তিজনক আচৰণবোৰ ভালদৰে বিচাৰ বিশ্লেষণ কৰি তেওঁলোকক যুক্তিসঙ্গত পথ নিৰ্দেশনা প্ৰদান কৰিব লাগে। বৰ্তমান বিপুল সংখ্যক যুৱ শক্তি অৱহেলিত আৰু উপেক্ষিত হৈ আছে। তেওঁলোকৰ শক্তিক সামাজিক অবিচাৰ আৰু অন্যায় প্ৰত্যাখ্যান কৰি জাতীয় কল্যাণ সাধনত প্ৰয়োগৰ পথ সূচল কৰি তুলিব পৰা যায়।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৫ ঃ** যুৱ আন্দোলনক কেইটা ভাগত ভগাব পাৰি?

.....

.....

**প্ৰশ্ন নং ৬ ঃ** যুৱ উচ্ছৃংখলতাৰ আঁৰত থকা মূল কাৰকসমূহ কি কি?

.....

.....

.....

.....

.....

.....



## ৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উচ্ছৃংখলতা হৈছে এক অস্বাস্তিকৰ পৰিস্থিতি। এনে পৰিস্থিতিয়ে অসন্তুষ্টি আৰু বিভ্রান্তিৰ কথা প্রকট কৰে।
- যুৱ উচ্ছৃংখলতা বুলিলে যুৱক-যুৱতীসকলৰ সমূহীয়া অসন্তুষ্টি, নৈৰাশ্য আৰু বিভ্রান্তিৰ প্রকাশৰ কথাকে বুজোৱা হয়।
- যুৱ উচ্ছৃংখলতা আৰু সামাজিক উচ্ছৃংখলতাৰ আন্তঃসম্পর্ক আছে।
- সামাজিক উচ্ছৃংখলতা হ'ল কোনো সম্প্রদায়, দল আৰু সমাজত সৃষ্টি হোৱা। সমূহীয়া অসন্তুষ্টি, বিভ্রান্তিকৰ পৰিস্থিতি আৰু নৈৰাশ্যৰ মনোভাৱ এইবোৰে দল অথবা সমাজখনৰ সমূহীয়া বিষয়বোৰক লৈ সৃষ্টি হোৱা উমৈহতীয়া অসন্তুষ্টিৰ কথা বুজায়।
- যুৱ প্রজন্মৰ উচ্ছৃংখলতাৰ কিছুমান বৈশিষ্ট্য হ'ল সমূহীয়া অসন্তুষ্টি, দুষ্কৃতি, ৰাজহুৱা স্বার্থ আৰু প্রচলিত প্রতিমানসমূহৰ পৰিৱর্তনৰ আকাংক্ষা।
- আন্দোলন হৈছে আনক ক্ষতি কৰাৰ প্রৱণতা থকা এক শত্রুভাৱাপন্ন কার্য্য। ইয়াৰ পৰিণতি নৈৰাশ্যজনক হ'ব পাৰে।
- যুৱ আন্দোলন হৈছে যুৱক-যুৱতীসকলৰ মাজত প্রকট হৈ উঠা এক ধৰণৰ আচৰণ। ইয়াৰ লক্ষ্য কোনো ব্যক্তিক ক্ষতিসাধন কৰাটো নহ'বও পাৰে। ই এক সামাজিক প্রতিবাদহে।



## ৫.৬ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Adams, E. M. (1971): *Youth Unrest and Our Cultural Crisis, Modern Age*, Vol. 15, No. 3pp. 259-67.
2) Ahuja, Ram (2009): *Social Problems in India*. Jaipur: Rawat Publications.
3) Ahuja, Ram (2012): *Criminology*. New Delhi: Rawat Publication.
4) But Iqbal Touseef: *Insurgency Dislocates the Social Life of Jammu and Kashmir*. Youth Unrest and Agitation.
5) *International Journal of Humanities and Social Science Invention*, Volume 3, Issue 8, August 2014.

6) Kapil, Dr. Sharmam Dev: *Modern Indian Youth: Reasons and Result of Unrest and Core Agitation*. IOSR Journal or Humanities and Social Science, Vol. 19, Issue 4, April 2014.



## ৫.৭ অগ্রগতিৰ নিৰীক্ষণ

**১নং প্রশ্নৰ উত্তৰ ঃ** যুৱ উচ্ছৃংখলতা মানে হ'ল সমাজত প্রকাশ পোৱা যুৱ প্রজন্মৰ সমূহীয়া হতাশা।

**২নং প্রশ্নৰ উত্তৰ ঃ** যুৱ উচ্ছৃংখলতাৰ বৈশিষ্ট্যবোৰ হ'ল— সমূহীয়া অসন্তুষ্টি, দুষ্কৃতি সৃষ্টিকাৰী কার্য্যকলাপ, ৰাজহুৱা স্বার্থ আৰু প্রচলিত প্রতিমানসমূহৰ পৰিৱর্তনৰ আকাংক্ষা।

**৩নং প্রশ্নৰ উত্তৰ ঃ** বিভিন্ন প্রকাৰৰ যুৱ উচ্ছৃংখলতাবোৰ হ'ল— ৰাজনৈতিক কার্য্যকলাপ আৰু আন্দোলন শৈক্ষিক কাৰণত চলা ছাত্রৰ আন্দোলন, অনা-বিশ্ববিদ্যালয় কর্তৃপক্ষৰ বিপক্ষে চলা আন্দোলন আৰু স্বতঃস্ফূর্ত ছাত্র আন্দোলন ইত্যাদি।

**৪নং প্রশ্নৰ উত্তৰ ঃ** ক) ৰাম আহুজা, খ) শৈক্ষিক আৰু সামাজিক ক্ষেত্রত আকস্মিক আৰু ব্যাপক পৰিৱর্তন কঢ়িয়াই অনা, গ) ১৯৮৪ চনত।

**৫নং প্রশ্নৰ উত্তৰ ঃ** যুৱ আন্দোলনক মূলতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি। ভাগকেইটা হ'ল— প্রতিৰোধমূলক আন্দোলন, পতিয়ন নিওৱা আন্দোলন আৰু বৈপ্লৱিক আন্দোলন।

**৬নং প্রশ্নৰ উত্তৰ ঃ** যুৱ উচ্ছৃংখলতাৰ নেপথ্যত থকা মুখ্য কাৰণবিলাক এনে ধৰণৰ— অনুপযুক্ত সামাজিকীকৰণ আৰু পাৰিয়ালকেন্দ্রিক সমস্যা, ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অসমতা, নিবনুৱা সমস্যা, দুর্নীতি আৰু অ-সমর্থিত কর্তৃপক্ষৰ অযুক্তিকৰ প্রভাৱ, ৰাজনৈতিক নেতাৰ দ্বাৰা ছাত্র শক্তিৰ অপব্যৱহাৰ, প্রশাসনিক বিফলতা, যোগাযোগৰ ব্যৱধান, প্রমূল্যৰ প্রভেদ আৰু প্রমূল্য সঙ্কট, সুবিধাৰ অভাৱ, আকাংক্ষা আৰু প্রাপ্তিৰ মাজৰ ব্যৱধান, সঙ্কল্প আৰু আত্ম -দায়িত্বৰ অভাৱ আৰু বোলছবিৰ প্রভাৱ ইত্যাদি।



## ৫.৮ আৰ্হি প্রশ্ন

**ক) অতি চুটি প্রশ্ন** (এটা বা দুটা শব্দৰ ভিতৰত লিখিব)

**প্রশ্ন ১ ঃ** যুৱ উচ্ছৃংখলতাৰ অর্থ কি?

**প্রশ্ন ২ ঃ** যুৱ আন্দোলনৰ বিভিন্ন উদ্দেশ্য উল্লেখ কৰক।

**খ) চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখিব)

**প্রশ্ন ১** ঃ চমুটোকা লিখক—

ক) যুৱ আন্দোলন বৃদ্ধিৰ প্রক্রিয়া।

খ) ভাৰতবর্ষত সংঘটিত হোৱা কেইটামান গুৰুত্বপূর্ণ যুৱা আন্দোলন।

**গ) ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্রশ্ন ১** ঃ সমসাময়িক ভাৰতীয় প্রেক্ষাপটত যুৱ উচ্ছৃংখলতাৰ কাৰণ আৰু ফলাফলবোৰ লিখক?

*** ***** ***

# অধ্যায় ৬ ঃ নাৰীকেন্দ্রিক সামাজিক সমস্যাসমূহ

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ দেহ ব্যৱসায়

৬.৩.১ দেহ ব্যৱসায়ৰ অর্থ

৬.৩.২ দেহ ব্যৱসায়ৰ প্রকাৰ

৬.৩.৩ দেহ ব্যৱসায়ৰ গ্রহণৰ কাৰণসমূহ

৬.৩.৪ দেহ ব্যৱসায়ৰ, যৌন সংক্রমণ আৰু এইছ-আই-ভিৰ দৰে ৰোগ

৬.৪ যৌতুক প্রথা

৬.৪.১ ভাৰতত যৌতুক ব্যৱস্থা

৬.৪.২ যৌতুক নিষিদ্ধকৰণ আইন

৬.৪.৩ যৌতুক প্রথাৰ কাৰণসমূহ

৬.৪.৪ যৌতুক প্রথাৰ পৰিণাম

৬.৫ নাৰী নির্য্যাতন

৬.৫.১ নাৰী নির্য্যাতনৰ অর্থ

৬.৫.২ প্রকাৰ

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতি খতিয়ান

৬.৯ আৰ্হি প্রশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নাৰীকেন্দ্রিক বিভিন্ন সামাজিক সমস্যা চিনাক্ত কৰিব পাৰিব
- নাৰীকেন্দ্রিক এক সামাজিক সমস্যা ৰূপে দেহ ব্যৱসায় সম্পর্কে আলোচনা কৰিব পাৰিব
- যৌতুক প্রথাৰ কাৰণ আৰু পৰিণতি ব্যাখ্যা কৰিব পাৰিব
- নাৰী নির্য্যাতনৰ কাৰকবোৰ বিশ্লেষণ কৰিব পাৰিব।

## ৬.২ পৰিচয়

পূর্বৰ অধ্যায়ৰ পৰা আমি নিবনুৱা সমস্যা, দৰিদ্রতা, যুৱ উচ্ছংখলতা, নিচাযুক্ত দ্রব্যৰ প্রতি আসক্তি, অপৰাধ প্রৱণতা আদি বিভিন্ন উল্লেখযোগ্য সামাজিক সমস্যাৰ বিষয়ে জানিব

পাৰিলোঁ। দৰাচলতে সমাজৰ কোনো এটা বিশেষ শ্রেণী যেতিয়া তেওঁলোকৰ প্রাপ্য সামাজিক অধিকাৰৰ পৰা বঞ্চিত হয়, তেতিয়াই সামাজিক সমস্যাৰ উদ্ভৱ হয়। সমাজৰ নাৰীসকল দমনৰ বলি অথবা নির্যাতিতা-নিপীড়িতা হ'লে সমাজব্যৱস্থাত ঘূঁণে ধৰে। এইবোৰে সমাজৰ নাৰীসকলক যি শৰীৰিক-মানসিক পীড়া দিয়ে সিও এক ভয়াৱহ সামাজিক সমস্যা। পূর্বতে ভাৰতত পৰম্পৰাগতভাৱে প্রচলিত বিভিন্ন সামাজিক সমস্যা, যেনে— সতীদাহ প্রথা, পর্দা প্রথা, বাল্য বিবাহ আদি সম্প্রতি নোহোৱা হ'লেও, দেহ ব্যৱসায় আৰু যৌতুক প্রথা আজিও প্রচলিত হৈয়েই আছে। এইবোৰ নির্মূল কৰিবলৈ বলিষ্ঠ পদক্ষেপ গ্রহণৰ প্রয়োজন আছে।

এই অধ্যায়ত আমি নাৰী সমাজে ভুগি অহা যৌতুক, নির্য্যাতন আৰু দেহ ব্যৱসায়ৰ দৰে সামাজিক সমস্যাবোৰৰ কথা আলোচনা কৰিম। এই সমস্যাসমূহৰ কাৰক আৰু পৰিণাম আদিৰ বিষয়েও অধ্যয়টিৰ পৰা জানিব পাৰিম।সমস্যাবোৰ বিষয়ে বিতং আলোচনা আৰম্ভ কৰোঁ আহক।

## ৬.৩ দেহ ব্যৱসায়

### ৬.৩.১ দেহ ব্যৱসায়ৰ অর্থ

দেহ ব্যৱসায় হৈছে অতি প্রাচীন কালৰে পৰা প্রচলিত আৰু সকলো সমাজতে অস্তিত্ব থকা এক সামাজিক সমস্যা। অথচ ইয়াৰ সংজ্ঞা দিয়াটো অতি কঠিন। জন এ মেকিঅ'নিছে এক বৃহৎ পৰিসৰ সামৰি বিষয়টো সম্পর্কত এইদৰে কৈছে— "ই হ'ল যৌন সেৱা বিক্রী কৰা ব্যৱস্থা" (সমাজবিজ্ঞান, ২০০৫)। দেহ ব্যৱসায়ৰ সংজ্ঞাটো দৰাচলতে তিনিটা চর্তসাপেক্ষ, যেনে— নির্বিচাৰ যৌনসঙ্গী নির্বাচন, নির্ধাৰিত মূল্য প্রদান আৰু সঙ্গীৰ প্রতি আৱেগহীনতা। মেৰিয়ান-ৱেবষ্টাৰ আইন অভিধান অনুসৰি দেহ ব্যৱসায় হৈছে— "যধে-মধে, বিশেষকৈ অর্থোপার্জনৰ উদ্দেশ্যেৰে যৌন ক্রিয়াকলাপত নিযুক্ত হোৱাৰ লগতে ইয়াত জড়িত হোৱাৰ অপৰাধ(১৯৯৬)।" এইদৰে চালে দেখা যায় যে দেহ ব্যৱসায় হৈছে নির্ধাৰিত মাননি আদায় দিয়াৰ বিনিময়ত লাভ কৰা যৌন সেৱা। এই সেৱা আগবঢ়োৱাসকলক দেহোপজীৱিনী বুলি কোৱা হয়। সামাজিক ব্যৱস্থাবোৰ তেওঁলোকৰ নিয়ন্ত্রণত নথকাৰ বাবেই তেওঁলোকে, এই বৃত্তি গ্রহণ কৰে বিশেষকৈ নাৰীয়ে। এই বৃত্তিৰ লগত জড়িত হোৱা মানেই সামাজিক প্রমূল্যবোধ, নীতি-নিয়ম উলংঘান কৰা। এইবাবেই, দেহ ব্যৱসায় এক সামাজিক ব্যাধি বোলা হয়।

বিশ্বৰ প্রায়বোৰ দেশতে প্রাপ্তবয়স্কৰ বাবে দেহ ব্যৱসায় এটা বৈধ বৃত্তি। কিন্তু, ভাৰত, আর্জেণ্টিনা আৰু কেইখনমান ইচলাম ধর্মাৱলম্বী তথা কমিউনিষ্ট দেশত এই বৃত্তিক অবৈধ বুলি ধৰা হয়। ইয়াৰ বিৰুদ্ধে থকা আইনী ব্যৱস্থাবোৰো দেশভেদে সুকীয়া। কোনো দেশত ইয়াক সম্পূর্ণ আইনী ব্যৱস্থাৰে নিয়ন্ত্রণ কৰিব বিচৰা হয়। আন কিছুমান দেশত এই বৃত্তিত জড়িতসকল মৃত্যুদণ্ড বিহাৰ উদাহৰণো আছে।



### জানি থোৱা ভাল

- প্রাচীন গ্রীচত পুৰুষ, মহিলা উভয়েই দেহ ব্যৱসায়ত জড়িত হৈছিল। দেহ ব্যৱসায়ৰ লগত জড়িত পুৰুষসকলক ল'ৰা ৰখীয়া, ভাৰা ল'ৰা, মধুচক্রৰ দালাল আৰু পুৰুষ বেশ্যা বোলা হৈছিল। ভাৰতত মোগল সম্রাজ্যকালত পতিতাসকলক "বাঈজী" বোলা হৈছিল। তেওঁলোকে বাস কৰা আচুতীয়া মহলত অতিথিসকলক আদৰ-সাদৰ কৰি নৃত্য-গীতেৰে আপ্যায়ণ কৰাৰ লগতে শাৰীৰিক সঙ্গসুখো প্রদান কৰিছিল।
- বর্তমান ভাৰতত প্রায় পোন্ধৰ নিযুত দেহোপজীৱিনী আছে।

## ৬.৩.২ দেহ ব্যৱসায়ৰ

দেহ ব্যৱসায় বহুপ্রকাৰৰ। দেহ ব্যৱসায়ক চাৰিটা বহল ভাগত ভাগ কৰিব পাৰি ভাগকেইটা হ'ল—

- **বাটৰ দেহোপজীৱিনী ঃ** সাধাৰণতে চহৰাঞ্চলত যিসকল দেহোপজীৱিনীয়ে ৰাজহুৱা স্থানত গ্রাহকক দৈহিক সুখ গ্রহণৰ আহ্বান জনায়, তেওঁলোকক বাটৰ দেহোপজীৱিনী বোলা হয়। হোটেলৰ কক্ষ, গ্রাহকৰ বাহন নাইবা দেহোপজীৱিনীৰ ভাৰাঘৰত তেওঁলোকে গ্রাহকক সন্তুষ্ট কৰি অর্থ উপার্জন কৰে।
- **পতিতালয়ৰ দেহোপজীৱিনী ঃ** মহানগৰবোৰত আছুতীয়াকৈ দেহোপজীৱিনী-সকলৰ বাবে নির্দিষ্ট কৰি দিয়া ৰে'ড লাইট এলেকাত দেহোপজীৱিনীসকলে গ্রাহকৰ সৈতে যৌন সম্পর্ক স্থাপন কৰিবলৈ প্রশাসনীয় অনুমতি পায়। এনেদৰে অনুজ্ঞা-পত্র লৈ দেহ ব্যৱসায় কৰি থকাসকলক পতিতালয়ৰ দেহোপজীৱিনী বোলা হয়।
- **আজ্ঞাবাহী দেহোপজীৱিনী অথৱা কলগার্ল ঃ** বিভিন্ন আজ্ঞাবাহী যোগনীয়াৰৰ দ্বাৰা নির্ধাৰিত বন্দোবস্তিৰে গ্রাহকক যোগান ধৰা দেহোপজীৱিনীসকলক আজ্ঞাবাহী দেহোপজীৱিনী নাইবা কলগার্ল বোলা হয়। এই ব্যৱস্থাত আজ্ঞাবাহীসকলে গ্রাহকৰ লগত দৰদাম কৰি মাননি আৰু স্থান নির্দিষ্ট কৰি সেৱা আগবঢ়া দেহোপজীৱিনী।
- **ধর্মীয় দেহোপজীৱিনী ঃ** প্রাচীন পৰম্পৰামতে আমাৰ দেশৰ ধর্মীয় দেহোপজীৱিনী-সকলক দেৱদাসী বুলি জনা যায়। কুমাৰী অৱস্থাতেই মন্দিৰৰ বিগ্রহৰ নামত সমর্পিত কৰা নাৰীসকলেই হ'ল দেৱদাসী। প্রায় ৩০০ খ্রীষ্টাব্দৰ পৰা ভাৰতত প্রচলিত এই ব্যৱস্থাত দেৱদাসীসকলে অবিবাহিতা হৈ মন্দিৰ প্রাঙ্গনতে জীৱন অতিবাহিত কৰিছিল। তেওঁলোকে মন্দিৰৰ পুৰোহিত, পৰিব্রাজক সকলোৰে ভোগৰ সামগ্রী ৰূপে দিন কটাইছিল। অন্ধ্রপ্রদেশ, কর্ণাটক আৰু মহাৰাষ্ট্রৰ দৰে ৰাজ্যসমূহৰ বহু মন্দিৰত বর্তমানেও দেৱদাসী প্রথা এক পৰিত্র পৰম্পৰা হিচাপে প্রচলিত হৈ আছে।

## ৬.৩.৩ দেহ ব্যৱসায় গ্রহণৰ কাৰণসমূহ

অতি সীমিত সংখ্যক ব্যতিক্রম বাদ দি, সাধাৰণতে নিজ ইচ্ছা নাইবা পছন্দ হিচাপে কোনোৱেই দেহ ব্যৱসায়ৰ বৃত্তিটো গ্রহণ নকৰে। প্রায়বোৰ ক্ষেত্রতে দেখা যায় যে বাধ্যত পৰি নাইবা বিশেষ ঘটনাৰ পাকচক্রত পৰিহে নাৰী দেহোপজীৱিনী হয়। দেহ ব্যৱসায়ৰ কাৰণবোৰ সামাজিক, অর্থনৈতিক নাইবা মনস্তাত্বিক হ'ব পাৰে।

যিসকল সৰু অৱস্থাতে যৌন আতিশয্যৰ নাৰী হয় নাইবা যাৰ মাক এগৰাকী দেহোপজীৱিনী আছিল, তেওঁলোক জীৱনৰ পৰৱর্তী সময়ত দেহ ব্যৱসায়ত নিয়োজিত হোৱাৰ সম্ভাৱনা অধিক হয়। কেতিয়াবা আর্থিক অনাটনৰ বাবেও নাৰীয়ে দেহব্যৱসায়ৰ বৃত্তি বাছি লোৱা দেখা যায়। সন্মুখত অন্য বিকল্প নাথাকিলে সহজ উপায় হিচাপে এই বৃত্তি বাচি লৈ দেহোপজীৱিনী ৰূপে শ্রমিকৰ বজাৰত যোগ দিবলৈ পৰিস্থিতিয়ে তেওঁলোকক বাধ্য কৰে। শাৰীৰিক আনন্দ, অতৃপ্ত যৌনলিপ্সা পূৰণ ইত্যাদি মনস্তাত্বিক কাৰণতো কিছুমানে দেহ ব্যৱসায়ৰ বৃত্তি গ্রহণ কৰে।

দেহ ব্যৱসায়ৰ কিছুমান সম্ভাব্য কাৰণ তলত আলোচনা কৰা হ'ল—

- দৰিদ্রতা
- সঙ্গী নাইবা সৰবৰাহকাৰীৰ দ্বাৰা হেঁচা প্রয়োগ
- শৈশৱকালত লাভ কৰা দুর্ব্যৱহাৰ অথবা হেয়জ্ঞানৰ অভিজ্ঞতা
- দেহ ব্যৱসায়ৰ পৰিয়ালকেন্দ্রিক ইতিহাস
- নিচাযুক্ত দ্রব্য অথবা আন নিচাৰ প্রতি আসক্তি
- গৃহহীনতা
- সহজ উপার্জন
- চমকদাৰ জীৱন যাপনৰ আসক্তি
- পৌৰাণিক ৰীতি অথবা সাংস্কৃতিক পৰম্পৰা
- সঙ্গদোষ

## ৬.৩.৪ দেহ ব্যৱসায়, যৌন সৰবৰাহ আৰু এইছ-আই-ভিৰ দৰে ৰোগ

মানৱ সৰবৰাহ, বিশেষকৈ দেহ ব্যৱসায়ত জড়িত কৰাৰ উদ্দেশ্যেৰে কৰা মানৱ সৰবৰাহ অক্ষমনীয় অপৰাধ। মানৱ সৰবৰাহৰ জৰিয়তে ভুক্তভোগীক দেহ ব্যৱসায়ৰ ঘৃণনীয় পথলৈ ঠেলি দিয়া হয়। যৌন সৰবৰাহ বুলিলে দেহ ব্যৱসায়ৰ কামত নিযুক্তি, আশ্রয় দান তথা ইঠাই-সিঠাইলৈ আনা-নিয়া কৰা এইবোৰৰ উপৰি ভুক্তভোগীক দেহ ব্যৱসায় চলাই যাবলৈ বাধ্য কৰোৱা আদি বিষয়বোৰো অন্তর্ভুক্ত হয়। সৰবৰাহকাৰী সকলে অত্যাচাৰ, ভীতি প্রদর্শন, ঋণগ্রস্থ কৰি নাইবা সংস্কৃতি আৰু পৰম্পৰাৰ অপব্যাখ্যা কৰি শোষণৰ জৰিয়তে ভুক্তভোগীসকলক এই বৃত্তিত নিয়োজিত হ'বলৈ বাধ্য কৰোৱায়।

দেহ ব্যৱসায়ত নিয়োজিত কৰিবলৈ যৌন সৰবৰাহকাৰীসকলে দৰিদ্র নাইবা উপান্ত পৰিয়াল আৰু বিপথগামী নাৰী বিচাৰি উলিয়ায়। তেওঁলোকক একেখন চহৰ অথবা দেশ নাইবা আন চহৰ অথবা দেশলৈ সৰবৰাহ কৰা হ'ব পাৰে। কেতিয়াবা যৌন উৎপীড়নৰ চিকাৰ হোৱা মধ্যবিত্ত পৰিয়ালৰ ছোৱালীয়েও দেহ ব্যৱসায়ত নমাৰ উদাহৰণ আছে। যৌনকর্মীসকল এইছ-আই-ভি নাইবা আন বহুতো বিপজ্জনক ৰোগৰ বাহক আৰু ভুক্তভোগী। ইয়াৰ অর্থ হৈছে এইছ-আই-ভিত আক্রান্ত দেহোপজীৱিনী এগৰাকীয়ে নিজে ভোগাৰ লগতে তেওঁৰ লগত যৌন সম্পর্ক স্থাপন কৰা অনেক গ্রাহকৰ শৰীৰত এইৰোগৰ বীজাণু বিয়পোৱাৰ সম্ভাৱনা থাকে। ভিন্ন দেশত যৌন ব্যৱসায়ত জড়িত লোকসকলৰ মাজত অত্যাধিক হাৰত এইছ-আই-ভি ৰোগী পোৱাটোৱেই ইয়াৰ প্রমাণ। মহিলা দেহোপজীৱিনীসকলক এইছ-আই-ভি আক্রান্ত ব্যক্তিৰ গাৰ বীজাণু সর্বসাধাৰণৰ মাজত বিয়পোৱাৰ মাধ্যম ৰূপে গণ্য কৰা হয়।



**অগ্রগতিৰ নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** সঁচা নে মিছা বিচাৰ কৰক—

ক) ধর্মীয় দেৱদাসীসকলক দেৱদাসী বুলি জনা যায়।

খ) দেহ ব্যৱসায় সমাজৰ বাবে আগবঢ়োৱা এক সেৱা।

গ) বাটৰ দেহোপজীৱিনীসকলক প্রশাসনে প্রায়ে অনুজ্ঞা-পত্র প্রদান কৰে।

ঘ) দেহোপজীৱিনীসকল বহুতো বিপজ্জনক ৰোগৰ বাহক।

## ৬.৪ যৌতুক প্রথা

### ৬.৪.১ ভাৰতত যৌতুক ব্যৱস্থা

আমাৰ সমাজত গভীৰভাৱে শিপাই থকা আন এক অপসংস্কৃতি হ'ল যৌতুক প্রথা। যৌতুকৰ সংজ্ঞা হ'ল— 'কইনা পক্ষই দৰা পক্ষক দিয়া নগদ ধন নাইবা অন্য সা-সামগ্রী।' আমাৰ সমাজত কইনা সন্তানক এক দায়বদ্ধতা হিচাপে গণ্য কৰা হয়। ছোৱালী এজনীক পৰিয়ালৰ খন্তেকীয়া আলহী নাইবা পৰিয়ালটোৰ প্রতি তেওঁৰ অৰিহণা অতি খন্তেকীয়া বুলি ধৰা হয়। ১৯৬১ চনৰ যৌতুক নিষিদ্ধকৰণ আইন অনুসৰি যৌতুক হৈছে প্রত্যক্ষ নাইবা পৰোক্ষভাৱে কন্যা সন্তানক কোনো সা-সম্পত্তি নাইবা মূল্যবান নিৰাপত্তা প্রদান কৰা কার্য্য। এই নিৰাপত্তা— ক) বিবাহৰ যোগে এটা পক্ষই আন এটা পক্ষক দিয়ে নাইবা খ) অভিভাৱক অথবাপৰিয়ালৰ অন্য লোকে বিয়াৰ দিনা নাইবা আগে-পিছে এটাই আনটো পক্ষক দিয়াৰ কথা বিবেচনা কৰে। কিন্তু, ইছলামৰ চৰিয়তৰ বিধি অনুসৰি দিয়া কইনাৰ নামত দিয়া গা-ধনযৌতুকৰ অন্তর্গত নহয়।

প্রাচীন কালত কইনাক মৰমৰ চিন হিচাপে লাগতিয়াল কিছু সামগ্রী বিয়াৰ সময়ত উপহাৰ দিয়াৰ নিয়ম আছিল। উচ্চ বর্গৰ পৰিয়ালবোৰত কইনাই বিয়াৰ উপহাৰ হিচাপে যৌতুক অনাৰ প্রথাৰ প্রচলন আছিল। আনহাতে, নিম্নবর্গৰ পৰিয়ালবোৰত যৌতুকৰ পৰিৱর্তে কইনাক সামাজিক প্রমূল্য, ৰীতি-নীতি আদি শিকাই আনুষ্ঠানিকতাৰে ধূমধামেৰে বিয়া পতা হৈছিল। পৰিয়ালত কইনা সন্তানৰ মাহাত্ম্য প্রকাশ কৰি। তেওঁ দৰাৰ ঘৰখনৰ এক সম্পত্তি হিচাপে মূল্য দিয়াহে পৰিলক্ষিত হৈছিল, কাৰণ নিম্নবর্গৰ পৰিয়ালৰ আর্থিক ক্ষেত্রখনলৈ বোৱাৰীসকলেও অৰিহণা আগবঢ়ায়। এই ব্যৱস্থাবোৰ জনজাতীয় কৃষ্টি-সংস্কৃতিৰ অঙ্গ হিচাপে প্রচলিত আছিল। পৰৱর্তী কালত সংস্কৃতায়ণৰ প্রভাৱত নিম্ন বর্গৰ পৰিয়ালবোৰেও উচ্চবর্গৰ পৰিয়ালবোৰৰ আচাৰ-ৰীতিৰ অন্ধ অনুকৰণ কৰিবলৈ ল'লে। পিতৃতান্ত্রিক সমাজ হিচাপে ছোৱালীবোৰে সদায় ল'ৰাৰ তুলনাত কম গুৰুত্ব পায়। সেইবাবে দৰাপক্ষই যি পৰিয়ালৰ ছোৱালী বিয়া কৰাবলৈ লয়, তেওঁলোকক সহায় কৰা অথবা উদ্ধাৰ কৰা যেন দেখুৱায়। সেই অনুগ্রহৰ বিনিময়ত কইনাপক্ষৰ পৰা দৰাপক্ষই বিভিন্ন সামগ্রী আশা নাইবা দাবী কৰে।

যৌতুক ব্যৱস্থাটো সমাজত ইমান গভীৰলৈ শিপালে যে আধুনিক তথাকথিত উন্নতআৰু শিক্ষিত পুৰুষ-মহিলা সকলেও ইয়াৰ শ্রীবৃদ্ধিত উৎসাহ যোগাবলৈ আৰম্ভ কৰিলে। সমাজৰ সর্বত্র বিভিন্ন ৰূপত ইয়াৰ উপস্থিতি পৰিলক্ষিত হয়। ভাৰত স্বাধীন হোৱাৰ সময়ত বহুতো ৰাষ্ট্রীয় নেতা আৰু সমাজ সংস্কাৰক এই ব্যৱস্থাৰ বিৰুদ্ধে ঠিয় দিছিল। পৰিতাপৰ কথা যে স্বাধীনোত্তৰ ভাৰতত যৌতুক ব্যৱস্থা নাইকিয়া হোৱাৰ পৰিৱর্তে, জনগোষ্ঠীয় সমাজবোৰতো এই সমস্যাৰ সূত্রপাতহে হ'ল। আজিকালি যৌতুক কেৱল পৰম্পৰাগত বিবাহ অনুষ্ঠানতে সীমাৱদ্ধ হৈ থকা নাই। বিবাহোত্তৰ কালত ন-বোৱাৰীজনীয়ে গর্ভধাৰণ কৰাৰ পৰত, কেঁচুৱা জন্মৰ সময়ত আৰু পতিগৃহৰ সকলো ধর্মীয় অথবা পাৰিবাৰিক অনুষ্ঠানবোৰৰ সময়তো ল'ৰাপক্ষই ছোৱালীপক্ষক যৌতুকৰ দাবী কৰে।

## ৬.৪.২ যৌতুক নিষিদ্ধকৰণ আইন

১৯৬১ চনত কেন্দ্রীয় চৰকাৰে দেশখনক যৌতুকমুক্ত কৰাৰ উদ্দেশ্যেৰে 'যৌতুক নিষিদ্ধকৰণ আইন' প্রস্তুত কৰে।এই আইনৰ অধীনত যৌতুক দিয়া, লোৱা নাইবা দিয়া-লোৱা কামত প্ররোচিত কৰা প্রত্যেককে পাঁচ বছৰ কাৰাদণ্ড আৰু ১৫,০০০ টকা নাইবা যৌতুকৰ সমমূল্যৰ ধন জৰিমনা হিচাপে শাস্তি বিহা হ'ব পাৰে। ১৯৮৬ত এই আইনখন সংশোধন কৰি ৰাজ্য চৰকাৰসমূহক এই আইন প্রয়োগৰ ক্ষেত্রত অধিক কর্তৃত্ব প্রদান কৰা হয়। পত্নীক উপদ্রৱ কৰা, নির্দয়তা দেখুওৱা পতিৰ লগতে তেওঁক সহযোগ কৰা সকলো আত্মীয়কে দোষী সাব্যস্ত কৰিব পৰাকৈ আইনখনৰ সংশোধন ঘটাই ১৯৮৩ চনত দণ্ডবিধি (ক্রিমিনেল প্রচিডিওৰ কোড)ৰ ১৯৮এ ধাৰা লগত ভাৰতীয় দণ্ডবিধি

আইনৰ ধাৰাৰ ৪৯৮এ সংযোগ কৰা হয়। ঘৰুৱা বিবাদ নিষ্পত্তি আইন, ২০০৫ খন ২০০৬ চনৰ পৰা কার্য্যকৰী কৰা হয়। এই আইনৰ সহায় লৈও এগৰাকী মহিলাই যৌতুকৰ বিৰুদ্ধে মাত মতাৰ সুযোগ লাভ কৰে।

## ৬.৪.৩ যৌতুক প্রথাৰ কাৰণসমূহ

বহু পুৰণি কালৰে পৰা প্রচলিত হৈ অহা যৌতুক প্রথা বর্তি থকাৰ কাৰণসমূহ হৈছে—

- **সামাজিক কাৰণ ঃ** যৌতুক ব্যৱস্থাটো বহু সময়ত সামাজিক পদমর্য্যাদা নাইবা সন্মানৰ সৈতে জড়িত হোৱা দেখা যায়। কইনাৰ পৰিয়ালৰ পৰা পর্য্যাপ্ত পৰিমাণে যৌতুক লৈ অহা কইনাগৰাকী দৰা ঘৰত উচ্চ প্রশংসিত হোৱা দেখা যায়। অন্যহাতেদি যৌতুকক দৰাপক্ষৰ বাবে এক সন্মানৰ বিষয় হিচাপেও গণ্য কৰা হয়। অবিবাহিত নাইবা বিবাহ বিচ্ছেদ ঘটা মহিলা সম্বন্ধে সমাজত প্রচলিত ধাৰণাটো হ'ল— নিজৰ ছোৱালীজনীক পতিৰ পৰিয়ালত নিগৃহিত হৈ মাতৃ ঘৰমুখী হোৱা অৱস্থাত দেখাতকৈ ছোৱালীজনীৰ মৃত্যুৰ খবৰটোকে সহজভাৱে ল'ব পৰা যায়।
- **অর্থনৈতিক কাৰণঃ** আর্থিকভাৱে সবল পৰিয়াল এটাই তেওঁলোকৰ ছোৱালী বিয়া দিওঁতে লগত যৌতুক দিব বিচৰা কথাটো তেনেই সাধাৰণ কথা। অর্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ দৰা অথবা তেওঁৰ পৰিয়ালৰ আন সদস্যৰ অর্থ-সম্পত্তিৰ লোভে যৌতুক ব্যৱস্থা বর্তি থকাত সহায় কৰিছে। আর্থিক দুৰাৱস্থাত ভুগি থকা বহু পৰিয়ালে অর্থনৈতিক অৱস্থা উন্নত কৰাৰ স্বার্থতে কইনা ঘৰক বিয়াৰ প্রস্তাৱ দিয়াৰ সময়তে যৌতুকৰ প্রস্তাৱো আগবঢ়ায়।
- **মনস্তাত্ত্বিক কাৰণ ঃ** যথেষ্ট পৰিমাণে যৌতুক লগত লৈ গ'লে ন-কইনাই দৰাৰ ঘৰত অধিক আদৰ সাদৰ পায়। এইবাবে কইনাৰ পৰিয়ালে কইনাৰ লগত সামর্থ অনুসৰি পর্য্যাপ্ত ধন আৰু আন সামগ্রী দিব বিচাৰে। ইয়াৰ ফলত দৰাৰ পৰিয়ালত কইনাই অধিক মৰম-চেনেহ আদায় কৰিব আৰু অৱহেলিত নহ'ব বুলি ভবা হয়।



### জানি থোৱা ভাল

- ভাৰতীয় অপৰাধ পঞ্জীয়ন সংস্থা (এন-চি-আৰ-বি)ই ২০০৫ চনত দেশত ৬,৭৮৭টা যৌতুকজনিত অপৰাধ পঞ্জীয়ন কৰে।
- ২০০৯ চনৰ এপ্রিল মাহৰ পৰা ২০১০ চনৰ জানুৱাৰী পর্য্যন্ত অসমত মুঠ ১৪৩টা যৌতুকজনিত অপৰাধ আৰু ৩,৮০৭টা ঘৰুৱা হিংসাজনিত অপৰাধ পঞ্জীয়ন কৰা হৈছে।
- প্রাপ্ত তথ্য অনুসৰি তামিলনাডুৰ টোডা জনগোষ্ঠীৰ মাজত কন্যা সন্তান হত্যাৰ অপৰাধ অবাধ গতিত আজিও প্রচলিত।

## ৬.৪.৪ যৌতুক প্রথাৰ পৰিণাম

যৌতুক ব্যৱস্থাৰ বহুতো সামাজিক পৰিণাম দেখা যায়। যৌতুকৰ লগত জড়িত এটা গুৰুত্বপূর্ণ সামাজিক সমস্যা হ'ল কন্যা ভ্রূণ হত্যা। ভাৰতত লিঙ্গবৈষম্যৰ বাবে গর্ভপাত কৰোৱা নাইবা কন্যা ভ্রূণ হত্যাৰ সমস্যাটো এক গুৰুত্বপূর্ণ বিষয়। কন্যা সন্তান জন্ম হ'লে পাছত যৌতুকৰ নামত পঞ্চাশ হাজাৰ খৰচ কৰাতকৈ পাঁচশ টকা খৰচ কৰি ভ্রূণৰ লিঙ্গ পৰীক্ষা কৰাবলৈ বিভিন্ন ব্যক্তিগত চিকিৎসক তথা পৰিয়ালৰ সদস্যই গর্ভৱতী মহিলাক প্রৰোচিত কৰে।

যৌতুকৰ আন এটা প্রতিফল হ'ল— দৰিদ্রতা। কইনাঘৰে যৌতুকৰ দাবী পূৰাবলৈ বিয়াৰ সময়ত ভীষণ ধাৰৰ বোজা সৃষ্টি কৰি লয় ইয়াৰ ফলত বিয়াৰ পাছত পৰিয়ালটো অর্থনৈতিক বোজাৰ ভৰত কোঙা হৈ পৰে।

আমাৰ সমাজত থকা ল'ৰা আৰু ছোৱালী সন্তানৰ মাজৰ বৈষম্যও যৌতুক ব্যৱস্থাৰে এক নেতিবাচক প্রভাৱ বুলিব লাগিব। এই কাৰণতে দৰিদ্র পৰিয়ালবোৰত কন্যা সন্তানক পৰিয়ালৰ বোজা বুলি গণ্য কৰা হয়। বহু সময়ত সেয়েহে জন্মৰ পাছতে কন্যা সন্তানক হত্যা কৰা হয়। আমাৰ দেশৰ লিঙ্গ অনুপাত হ্রাস হোৱাৰো ই এক মূল কাৰণ।

কইনাৰ পৰা অধিক যৌতুকৰ দাবী তুলি দৰাৰ লগতে তেওঁৰ পৰিয়ালে কৰা অত্যাচাৰ-উৎপীড়নৰ ফলতে সচৰাচৰে বহু হত্যা নাইবা আত্মহত্যাৰ ঘটনা ঘটা দেখা যায়।



### অগ্রগতিৰ নিৰীক্ষণ

**প্রশ্ন নং ২ ঃ** সঁচা নে মিছা বিচাৰ কৰক—

ক) যৌতুক নিষিদ্ধকৰণ আইন অনুসৰি চৰিয়ত প্রথা মতে গা-ধন দিয়াটো যৌতুক নহয়।

খ) যৌতুকৰ লগত গভীৰ সম্পর্ক থকা এক বিষয় হ'ল লিঙ্গভিত্তিক গর্ভপাত।

গ) ৰাজ্য চৰকাৰসমূহক অধিক কর্তৃত্ব দি ১৯৮৩ চনত যৌতুক নিষিদ্ধকৰণ আইনখনৰ সংশোধন ঘটোৱা হৈছিল।

**প্রশ্ন নং ৩ ঃ** সঁচা নে মিছা বিচাৰ কৰক—

ক) যৌতুক প্রথা নিষিদ্ধ কৰাৰ বাবে ..... চনত যৌতুক নিষিদ্ধকৰণ আইন প্রণয়ন কৰা হয়।

খ) কইনা ..... যৌতুক ব্যৱস্থাৰ লগত ঘনিষ্ঠভাৱে জড়িত।

গ) উচ্চ বর্গৰ পৰিয়ালবোৰত কইনাৰ লগত তেওঁৰ পৰিয়ালৰ পৰা ..... হিচাপে যৌতুক দিয়াৰ প্রথা প্রথমে আৰম্ভ হৈছিল।

## ৬.৫ নাৰী নির্য্যাতন

### ৬.৫.১ নাৰী নির্য্যাতনৰ অর্থ

বহু প্রাচীন কালৰে পৰা ভাৰতত নাৰী সমাজ নির্য্যাতিতা-নিষ্পেষিতা হৈ আহিছে। মহিলাসকলৰ শিক্ষাৰ বিস্তাৰ, ক্রমবর্দ্ধমান অর্থনৈতিক স্বাৱলম্বিতা, নাৰীৰ বিকাশ আৰু নিৰাপত্তাৰ বাবে গ্রহণ কৰা বিভিন্ন বিধি-বিধান প্রণয়ন কৰাৰ পাছতো নাৰী নির্য্যাতনৰ ঘটনাৰ ওৰ পৰা নাই।

নাৰী নির্য্যাতন বুলিলে নাৰীৰ বিৰুদ্ধে কৰা যিকোনো কামকে বুজায়। কেম্পৰ (১৯৮২) মতে নির্য্যাতন বুলিলে 'শাৰীৰিকভাৱে অপদস্থ কৰি কাৰোবাক আঘাতপ্রাপ্ত কৰাটো' বুজায়। বাস্তৱিকতে, নির্য্যাতনৰ অর্থ এনে হোৱা উচিত— "এগৰাকী নাৰীয়ে স্বেচ্ছাই সমর্থন নকৰা অথবা সন্মতি প্রদান নকৰা কথা অথবা বিষযত জোৰ কৰি সন্মতি আদায়ৰ চেষ্টা কৰি শাৰীৰিক তথা মানসিকভাৱে আঘাত কৰা নাইবা দুয়োধৰণে হানি কৰা।" এইদৰে লক্ষ্য কৰিলে ধর্ষণ, পত্নীক প্রহাৰ কৰা, যৌন দুর্ব্যৱহাৰ, জোকোৱা, বলপূর্বক দেহ ব্যৱসায়ত লিপ্ত কৰোৱা, মহিলাৰ গুপ্তাঙ্গক লৈ অশালীন মন্তব্য নাইবা অনিষ্ট সাধন কৰা, বলপূর্বক বৈবাহিক সম্বন্ধ কৰা, অপহৰণ, হত্যা আদিবোৰ হ'ল নাৰী নির্য্যাতনৰ কিছু উদাহৰণ।

১৯৯৩ চনৰ ৰাষ্ট্রসংঘৰ এক ঘোষণা মতে নাৰী নির্য্যাতন হ'ল— "ৰাজহুৱাই হওক নাইবা ব্যক্তিগত স্থানতে হওক, শাৰীৰিক, যৌন নাইবা মনস্তাত্বিক হানি-বিঘিনি অথবা এনেবোৰ বিষয়ত ভুগিবলগীয়া হোৱা যিকোনো লিঙ্গবৈষম্যমূলক আচাৰ-আচৰণ, কর্ম, যাৰ দ্বাৰা মহিলা গৰাকীক ব্যক্তি স্বাধীনতা উপভোগৰ সুবিধাৰ পৰা আঁতৰাই পঠিওৱা নাইবা উপেক্ষিতা কৰা কার্য্য।"

১৯৯৫ চনৰ চতুর্থ নাৰী সন্মিলনত নিদ্ধাৰিত সূত্র মতে ব্যক্তিগতভাৱে নাইবা সমূহীয়াভাৱে মহিলাৰ ওপৰত কৰা আক্রোশমূলক শাৰীৰিক আচৰণেই হ'ল নাৰী নির্য্যাতন। পক্ষপাতিত্বমূলকভাৱে শাৰীৰিক, যৌন সম্বন্ধীয় নাইবা ব্যক্তিগত অথবা সামাজিক স্বাধীনতাৰ পৰা বঞ্চিত কৰা আৰু সামৰিক সংঘাত ৰ সময়ত হোৱা মানৰ অধিকাৰ উলংঘনৰ দৰে পৰিঘটনা সৃষ্টি হ'ব পৰা লিঙ্গভিত্তিক বৈষম্যৰ যিকোনো কামেই নাৰী নির্য্যাতন (নাৰী সন্মিলন, বেইজিং ১৯৯৫ চন)।

ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ মহিলাসকলে ভাৰতৰ আন অঞ্চলতকৈ অধিক মুক্তভাৱে আত্মপ্রকাশ কৰা নাইবা চলাচল কৰাৰ সুবিধা পায়। পুৰুষ-মহিলা উভয়ে ই সম অধিকাৰ উপভোগ কৰাৰ সামাজিক বাতাৱৰণৰ এটা আছে বাবেই এই অঞ্চলত নাৰী নির্য্যাতনৰ ঘটনা যথেষ্ট কম। তথাপিও শেহতীয়াকৈ অঞ্চলটোত দুর্ভাগ্যজনকভাৱে নাৰী নির্য্যাতনৰ ঘটনা প্রতিবছৰে ক্রমে বৃদ্ধি হোৱাটো চৰম পৰিতাপৰ কথা।



**জানি থোৱা ভাল**

- ৰাষ্ট্রসংঘৰ এক সমীক্ষা মতে ২০০নিযুত পর্য্যন্ত মহিলা আৰু ছোৱালী জনগাঁথনিৰ পৰা নিৰুদ্দেশ হৈছে।
- ইউনিচেফ (UNICEF)ৰ মতে সমগ্র পৃথিৱীত ১০০ৰ পৰা ১৩০ নিযুত মহিলা যৌন শোষণৰ চিকাৰ হৈছে।
- ৰাষ্ট্রীয় গড় হিচাপতকৈ (৪০%) নাৰী নির্য্যাতনৰ ক্ষেত্রত কিছু উন্নত স্থিতি থকা (৩৭%) ৰাজ্যসমূহৰ ভিতৰত অসমো এখন।

## ৬.৫.২ প্রকাৰ

নাৰী নির্য্যাতনৰ ভিন্নতাৰ প্রতি লক্ষ্য ৰাখি ইয়াক নিম্নোক্ত প্রকাৰবোৰত শ্রেণীৰদ্ধ কৰিব পাৰি—

- **ঘৰুৱা নির্য্যাতন ঃ** পৰিয়ালৰ ভিতৰতে চলা শাৰীৰিক, মানসিক আৰু যৌন নির্যাতনেই হ'ল ঘৰুৱা নির্য্যাতন। শাৰীৰিকভাৱে প্রহাৰ কৰা, যৌতুক সম্বন্ধীয় অত্যাচাৰ, কন্যা শিশুক কৰা যৌন শোষণ, বৈবাহিক ধর্ষণ, মহিলাৰ যৌনাঙ্গক লৈ কৰা অশালীন আচৰণ আদি বিষয়বোৰ এই ধৰণৰ নির্য্যাতনৰ অন্তর্গত।
- **সামাজিক নির্য্যাতন ঃ** গোষ্ঠীগতভাৱে সংঘটিত হোৱা ধর্ষণ, যৌন অবিচাৰ নাইবা অসৎ আচৰণ; কর্মক্ষেত্র, শিক্ষানুষ্ঠান অথবা আন ৰাজহুৱা অনুষ্ঠানত হোৱা যৌন উৎপীড়ন আৰু অবিচাৰ, না ৰী সৰবৰাহ, দেহ ব্যৱসায়ত জোৰকৈ জড়িত কৰোৱা, জোকোৱা নাইবা অশালীন মন্তব্য কৰা আদি শাৰীৰিক, মানসিক আৰু যৌন নির্যাতনেই হ'ল সামাজিক নির্য্যাতন।
- **অপৰাধমূলক নির্য্যাতন ঃ** নাৰীৰ মৌলিক অধিকাৰ খর্ব কৰি আইন বিৰুদ্ধভাৱে আতিশয্য চলোৱা কার্য্যবোৰকে অপৰাধমূলক নির্য্যাতন বোলা হয়। হত্যা, অপহৰণকে ধৰি দেশৰ আইন বিৰুদ্ধ নির্য্যাতনধর্মী কার্য্যবোৰো ইয়াৰ অর্ন্তগত।

১৯৯০ দশকৰ পৰা সমাজত ক্রমে বৃদ্ধি পোৱা নাৰী নির্য্যাতনৰ ঘটনা, বিশেষকৈ ঘৰুৱা নির্য্যাতন অতি গুৰুত্বপূর্ণ বিষয়ত পৰিগণিত হৈছে। সকলো আর্থ-সামাজিক শ্রেণীৰ পৰিয়ালতেই ঘৰুৱা নির্য্যাতন সংঘটিত হয়। এনে সংক্রান্তত বিভিন্ন সমাজত মহিলাসকল নীৰৱ-নিশ্চুপ হৈ থকাটোক এটা সামাজিক প্রক্রিয়া হিচাপে সহজে গ্রহণ কৰা দেখা যায়। ১৯৮৩ চনৰ পৰাহে ঘৰুৱা নির্য্যাতন এক অপৰাধ হিচাপে গণ্য কৰা পৰিলক্ষিত হৈছিল যদিও ইয়াৰ বাবে সুকীয়া আইনৰ অভাৱ আছিল। ২০০৬ চনত **'ঘৰুৱা নির্য্যাতনৰ পৰা নাৰী সুৰক্ষা আইন, ২০০৫'** নামৰ নাৰী নির্য্যাতন বিৰোধী আইনখন সংশোধিত ৰূপ প্রৱর্তন কৰাৰ পৰা এই দিশত এক ইতিবাচক পৰিৱর্তন

আৰম্ভ হয়। এই আইনে বৈবাহিক ধর্ষণ প্রতিৰোধকে ধৰি গিৰিয়েক নাইবা যিসকল লোকে এগৰাকী মহিলাক আৱেগিক নাইবা শাৰীৰিকভাৱে উৎপীড়ন কৰিব পাৰে তেওঁলোকৰ পৰা নাৰীগৰাকীক সুৰক্ষিত ৰখাৰ ব্যৱস্থা কৰিছে।



### চিন্তা-চর্চা কৰক ৬.১

আপোনালোকৰ অঞ্চলত দেখা পোৱা নাৰীকেন্দ্রিক সামাজিক সমস্যা-সমূহৰ এখন তালিকা প্রস্তুত কৰি তাৰে যিকোনো এটাৰ বিস্তৃত বিৱৰণ দিয়ক।

.....

.....

.....



### অগ্রগতিৰ নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** সঁচা নে মিছা বিচাৰ কৰক—

ক) ব্যক্তিগতভাৱে নাইবা সমূহীয়াভাৱে মহিলাৰ ওপৰত কৰা আক্রোশমূলক ..... আচৰণেই হ'ল নাৰী নির্য্যাতন।

খ) নাৰীৰ ..... খর্ব কৰি আইন বিৰুদ্ধভাৱে আতিশয্য চলোৱা কার্য্যবোৰকে অপৰাধমূলক নির্য্যাতন বোলা হয়।

গ) পৰিয়ালৰ ভিতৰতে হোৱা শাৰীৰিক, মানসিক আৰু যৌন নির্যাতনেই হ'ল ..... নির্য্যাতন।

ঘ) গোষ্ঠীগতভাৱে সংঘটিত হোৱা নির্যাতনেই হ'ল ..... নির্য্যাতন।

ঙ) ঘৰুৱা নির্য্যাতনক এক অপৰাধ হিচাপে গণ্য কৰা হয় ..... চনৰ পৰা।



## ৬.৬ আধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন নাৰীকেন্দ্রিক সামাজিক সমস্যাৰ দ্বাৰা বিশ্বৰ নাৰী সমাজ আক্রান্ত। সমগ্র পৃথিৱীত প্রচলিত দেহ ব্যৱসায়ৰ বৃত্তি নাৰী সমাজৰ এক গুৰুতৰ সামাজিক সমস্যা।
- দেহ ব্যৱসায় হ'ল অর্থৰ বিনিময়ত আগবঢ়োৱা যৌন সেৱা।

- দেহ ব্যৱসায়ক চাৰিটা বিভিন্ন ভাগত ভাগ কৰিব পাৰি; যেনে— বাটৰ দেহোপজীৱিনী, পতিতালয়ৰ দেহপজীৱিনী, আজ্ঞাবাহী দেহপজীৱিনী বা ক'লগার্ল, ধর্মীয় দেহপজীৱিনী আদি।
- দেহ ব্যৱসায়ৰ কাৰণবোৰ সামাজিক,অর্থনৈতিক আৰু মনস্তাত্বিক হিচাপে বিভক্ত কৰা হয়। বহু সময়ত দেহ ব্যৱসায়ক এইডছ্ৰ দৰে ভয়ানক সংক্রামক ৰোগৰ বাহক হিচাপে চিনাক্ত কৰা হয়।
- প্রাচীন কালৰে পৰা আমাৰ সমাজত প্রচলিত হৈ অহা যৌতুক ব্যৱস্থাও এক ভয়াবহ সামাজিক ব্যাধি।
- যৌতুক হ'ল বিয়াৰ সময়ত 'কইনা পক্ষই মৰমৰ চিন স্বৰূপে দৰা পক্ষক দিয়া নগদ ধন নাইবা অন্য সা-সামগ্রী'। পৰিতাপৰ কথা যে বিয়াৰ পাছতো এই যৌতুক ব্যৱস্থা চলি থাকে।
- যৌতুক ব্যৱস্থা নির্মূল কৰিবৰ বাবে ১৯৬১ চনত প্রস্তুত কৰা যৌতুক প্রতিৰোধ আইনখন ক্রমে ১৯৮৪, ১৯৮৫ আৰু ১৯৮৬ চনত সংশোধন কৰা হয়।
- যৌতুকৰ কাৰণবোৰ সামাজিক,অর্থনৈতিক আৰু মনস্তাত্বিক আদি ভাগত বিভক্ত কৰা হয়। আনহাতে, দৰিদ্রতা, কন্যা ভ্রূণ হত্যা, কন্যা শিশু হত্যা, যৌতুকজনিত মৃত্যু আৰু লিঙ্গ অনুপাতৰ ক্রমহ্রাসমান হাৰ আদি হ'ল যৌতুকৰ পৰিণাম।
- মহিলাৰ সুৰক্ষাৰ বাবে আমাৰ সমাজত বিভিন্ন আইনী প্রক্রিয়া আৰম্ভ কৰাৰ লগতে স্ত্রী-শিক্ষা ব্যৱস্থা উন্নত কৰা আৰু আর্থিক স্বাৱলম্বিতাৰ ব্যৱস্থা কৰাৰ পিছতো মহিলাসকল নির্য্যাতনৰ বলি হৈ থাকিবলগীয়া হোৱাটো পৰিতাপৰ কথা।
- শাৰীৰিক প্রহাৰ কৰা, যৌতুক সম্বন্ধীয় অত্যাচাৰ, কন্যা শিশুক কৰা যৌন শোষণ, বৈবাহিক ধর্ষণ, মহিলাৰ যৌনাঙ্গক লৈ কৰা অশালীন আচৰণ আদি বিষয়বোৰেই হ'ল নাৰী নির্য্যাতনৰ উদাহৰণ।
- নাৰী নির্য্যাতন ঘৰুৱা নাইবা বাহ্যিক পৰিৱেশ উভয়তে ঘটিব পাৰে।প্রাথমিকভাৱে নাৰী নির্য্যাতন তিনি ধৰণৰ হ'ব পাৰে; যেনে— ঘৰুৱা নির্য্যাতন, সামাজিক নির্য্যাতন আৰু অপৰাধমূলক নির্য্যাতন।



## ৬.৭ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*

1) Ahuja, Ram (1987): *Crime Against Women*. Jaipur: Rawat Publications.
2) Ahuja, Ram (Second Edition, 2006) (Pages 243, 264): *Social Problems in India*. New Delhi: Rawat Publications.

3) ICSSR (1975): *Status of Women in India*. New Delhi: Allied Publications.

4) Ministry of Health and Family Welfare (2005-06): *National Family Health Survey (NFHS-3)* (Vol-I). Mumbai: International Institute of Population Sciences.

5) Prasad, B. K. (2004) (Vol. 2) (Pages 556-564): *Social Problems in India*. New Delhi: Anmol Publications Pvt. Ltd.



## ৬.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ক) সঁচা, খ) মিছা, গ) মিছা, ঘ) সঁচা

**২নং প্রশ্নৰ উত্তৰ ঃ** ক) সঁচা, খ) সঁচা, গ) মিছা

**৩নং প্রশ্নৰ উত্তৰ ঃ** ক) ১৯৬১, খ) ভ্রূণ হত্যা, গ) বিয়াৰ উপহাৰ

**৪নং প্রশ্নৰ উত্তৰ ঃ** ক) শাৰীৰিক, খ) মৌলিক অধিকাৰ, গ) ঘৰুৱা, ঘ) সামাজিক, ঙ) ১৯৮৩



## ৬.৯ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** দেহ ব্যৱসায়ৰ অর্থ কি? বিভিন্ন ধৰণৰ দেহ ব্যৱসায়ৰ বিৱৰণ দিয়ক।

**প্রশ্ন ২ ঃ** যৌতুকৰ ধাৰণাটো সম্বন্ধে কি জানে লিখক। ইয়াৰ অন্তর্নিহিত কাৰণবোৰ কি কি?

**প্রশ্ন ৩ ঃ** ভাৰতত প্রচলিত যৌতুক ব্যৱস্থাটোৰ বিষয়ে বিতংকৈ লিখক।

**প্রশ্ন ৪ ঃ** নাৰী নির্য্যাতনৰ সংজ্ঞা দিয়ক। ইয়াৰ প্রকাৰবোৰ কি কি?

**প্রশ্ন ৫ ঃ** 'ঘৰুৱা নির্য্যাতন বিৰোধী আইন, ২০০৫'ৰ মূল দিশবোৰ উল্লেখ কৰক।

**প্রশ্ন ৬ ঃ** "মহিলা দেহোপজীৱিনীসকলক এইছ-আই-ভি আক্রান্ত ব্যক্তিৰ গাৰ বীজাণু সর্বসাধাৰণৰ মাজত বিয়পোৱাৰ মাধ্যম ৰূপে গণ্য কৰা হয়।" —কথাষাৰৰ যুক্তিযুক্ততা নির্ণয় কৰক।

*** ***** ***

# অধ্যায় ৭ ঃ যৌন সংক্রামক ৰোগসমূহ

## অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ইতিহাস
৭.৪ ৰোগ আৰু লক্ষণ
৭.৫ সংক্রমণৰ কাৰণ
৭.৬ সুৰক্ষামূলক ব্যৱস্থা
৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান
৭.১০ আৰ্হি প্রশ্ন

## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যৌন সংসর্গৰ দ্বাৰা সংক্রমিত ৰোগসমূহ(Sexually Transmitted Disease/STD)ৰ ধাৰণা লাভ কৰিব
- ইয়াৰ পূর্বাৱস্থা নাইবা ইতিহাস সম্পর্কে জ্ঞান লাভ কৰিব
- এনে ৰোগৰ বিভিন্ন উপসর্গ আৰু লক্ষণৰ বিষয়ে জ্ঞান লাভ কৰিব
- এনে ৰোগৰ বিভিন্ন আনুষঙ্গিক উপসর্গ সম্পর্কে জানিব পাৰিব
- এনে ৰোগ প্রতিৰোধৰ উপায় সম্পর্কে এটা স্পষ্ট ধাৰণা লাভ কৰিব।

## ৫.২ পৰিচয়

যৌন সংক্রামক ৰোগ (STD– Sexually Transmitted Diseases , STI– Sexually Transmitted Infections) আৰু যৌন ৰোগ (VD– Venereal Diseases) হ'ল যৌন সংসর্গজনিত ৰোগ। যদিও যৌন সংক্রামক ৰোগ প্রধানকৈ যৌন সংসর্গৰ দ্বাৰা বিয়পে তথাপিও কিছুমান যৌন সংক্রামক ৰোগ অযৌন সংসর্গৰ পৰাও বিয়পিব পাৰে। দূষিত নাইবা বীজাণুযুক্ত তেজ গ্রহণ আৰু শৰীৰৰ কলা (Tissues), মাতৃদুগ্ধ নাইবা সন্তান প্রসৱৰো সময়ত এনে ৰোগ বিয়পিব পাৰে। বেছিভাগ ক্ষেত্রতে এই যৌন সংক্রামক ৰোগবোৰৰ বিশেষ লক্ষণ কোনো নাথাকে। সেয়েহে অন্য সংক্রামক ৰোগতকৈ তুলনামূলকভাৱে যৌনৰোগ অন্যলৈ সংক্রমিত হোৱাৰ সম্ভাৱণীয়তা অধিক। এই ৰোগ প্রথম ধৰা পৰাৰ সময়ত ইয়াক এক সামাজিকভাৱে

উচ্চাৰণ নিষিদ্ধ (Taboo) ৰোগ হিচাপে গণ্য কৰা হৈছিল। কিন্তু পাছলৈ ইয়াৰ প্রতিকাৰ আৰু প্রতিৰোধ ব্যৱস্থাৰ উদ্ভাৱনৰ হোৱাৰ পাছত ই সমাজত নিষিদ্ধ বিষয় হৈ নাথাকিল। অধিকাংশ লোকেই মুক্তভাৱে যৌন সংক্রামক ৰোগৰ বিষয়ে আলোচনা নাইবা এই ৰোগত জড়িত ব্যক্তিৰ লগত সম্পর্ক ৰাখিবলৈ কুণ্ঠাবোধ কৰে। পৰৱর্তী সময়ত এই ৰোগৰ বিভিন্ন ঔষধ আৰু চিকিৎসা পদ্ধতিৰ আৱিষ্কাৰ তথা ইয়াৰ প্রয়োগেৰেৰোগীয়ে আৰোগ্য লাভ কৰিবলৈ লোৱাৰ লগে লগে এই ৰোগবোৰৰ বিষয়ে ব্যক্তিৰ মানসিকতাৰো পৰিৱর্তন ঘটিল।

এজন ব্যক্তি যৌন সংক্রামক ৰোগৰ দ্বাৰা আক্রান্ত হোৱাটো নির্ণয় কৰিবলৈ বিভিন্ন পদ্ধতিৰ সহায় লোৱা হয়। যোনিপথ নিঃসৰণ (Vaginal Discharge), পুৰুষৰ লিঙ্গপথ নিঃসৰণ (Penile Discharge), জননেন্দ্রিয়ৰ চাৰিওফালে নাইবা ভিতৰত হোৱা ঘা, শ্রোণীদেশৰ (Palvic) বিষ আদি যৌন ৰোগৰ লক্ষণ। যৌন সংক্রামক ৰোগত ভোগা নাৰী এগৰাকীয়ে গর্ভধাৰণৰ ক্ষেত্রত সমস্যাৰ সন্মুখীন হোৱাৰ উপৰি প্রসৱৰ পাচত সন্তানটি দুর্বল স্বাস্থ্যৰ হ'ব পাৰে। কিয়নো, মাকৰ পৰা সন্তানটিলৈ ৰোগৰ বীজাণু সংক্রমিত হোৱাৰ সম্ভাৱনা থাকে। বিভিন্ন প্রকাৰৰ ত্রিশ বিধতকৈ অধিক জীৱাণু (Bacteria), বীজাণু (Viruses) আৰু পৰজীৱী (Parasites) আছে যিবোৰ প্রধানকৈ বিভিন্ন যৌন সংক্রামক ৰোগৰ বাবে দায়ী। জীৱাণুজনিত যৌন সংক্রামক ৰোগৰ ভিতৰত ক্লেমাইদিয়া (Chlamydia) আৰু উপদংশ নাইবা ছিফিলিছ (Syphilis) অন্যতম। বীজাণুজনিত যৌন সংক্রামক ৰোগৰ ভিতৰত জননেন্দ্রিয় (Genitals)ৰ চর্মৰোগ নাইবা বেচু (Herpes), এইছ-আই-ভি/এইডছ্, জননেন্দ্রিয়ৰ টেমুনা (Warts) আদি পৰে। পৰজীৱীজনিত যৌন সংক্রামক ৰোগৰ ভিতৰত ট্রাইক'ম'নিয়েছিছ অন্যতম। যৌন সংক্রামক ৰোগ নির্ণায়ক পৰীক্ষাসমূহ উন্নত দেশত সহজে উপলব্ধ কিন্তু উন্নয়নশীল আৰু অনুন্নত দেশসমূহত এই ব্যৱস্থা তেনেই নগণ্য বুলি ক'ব পৰা যায়।

২০০৮ চনত চলোৱা এটা সমীক্ষাৰ দ্বাৰা এইটো গম পোৱা গৈছিল যে বিশ্বৰ প্রায় পঞ্চাশ কোটি মানুহ ছিফিলিছ, গ'ন'ৰিয়া, ক্লেমাইদিয়া নাইবা ট্রাইক'ম'নিয়েছিছ ৰোগত আক্রান্ত। তেনেদৰে প্রায় পাঁচ কোটি ত্রিশ লাখ মান মানুহ জননেন্দ্রিয়ৰ বেচু নাইবা চর্মৰোগত আৰু ২৯০ কোটি মহিলা পেপিল'মেভিৰাছ (Papillomavirus) ৰোগত আক্রান্ত। যৌন সংক্রামক ৰোগৰ ভিতৰত এইছ-আই-ভি (HIV)ত আক্রান্ত হৈ ২০১০ চনতেই অকল ১,৪২,০০০ গৰাকী ব্যক্তি মৃত্যু মুখত পৰিছিল। আমেৰিকা যুক্তৰাষ্ট্রত ১৯ কোটি মানুহ যৌন সংক্রামক ৰোগত আক্রান্ত বুলি ২০১০ চনৰ এটা সমীক্ষাত প্রকাশ। আমাৰ সমাজত এই সংক্রামক ৰোগৰ লগত সদায়েই লোকলজ্জা আৰু অপবাদৰ হেঁচা জড়িত হৈ আছে। যৌন সংক্রামক ৰোগ আৰু ৰতিজ ৰোগ (Veneral Disease) বুলি কোৱাতকৈ এনে ৰোগবোৰক যৌন সংক্রমণ (Sextually Transmitted Infection) বোলা হয়। সংক্রমণ অভিধাৰে ৰোগৰ উপসর্গই দেখা নিদিয়াসকললো সামৰি ল'ব পৰা যায়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** যৌন সংক্রামক ৰোগ (STD)ৰ পৰিপূৰক হিচাপে কোন দুটা নাম ব্যৱহাৰ কৰা হয়?

.....

.....

.....

**প্রশ্ন নং ২ ঃ** যৌন সংক্রামক ৰোগ সৃষ্টি কৰিব পৰা অ-যৌন সংসর্গবোৰ কি কি?

.....

.....

**প্রশ্ন নং ৩ ঃ** জীৱাণু (Bacteria)ৰ পৰা সৃষ্টি হোৱা যৌনৰোগৰ নামবোৰ কি কি?

.....

.....

## ৭.৩ ইতিহাস (History)

১৪৯৪ ইউৰোপত প্রথম ছিফিলিছৰ প্রাদুর্ভাৱৰ আনুষ্ঠানিক অভিলেখ লিপিৱদ্ধ কৰা হৈছিল। এই যৌন সংক্রামক ৰোগ বিধ ১৪৯৪-৯৮ৰ ইটালীয়ান যুদ্ধৰ সময়ত নেপলচ্ দখল কৰা ফৰাচী সৈন্যসকলৰ গাত ধৰা পৰিছিল। এই ৰোগৰ বীজাণু সম্ভৱতঃ কলম্বিয়া (দক্ষিণ আমেৰিকা)ৰ পৰা প্রধানকৈ সংক্রমিত হৈছিল। এই ৰোগে সমগ্র ইউৰোপ চুই গৈছিল আৰু নেপলচতেই অকল পাঁচ কোটিতকৈ অধিক লোকৰ মৃত্যুৰ কাৰণ হৈছিল। যেইৰেড ডাইম'ণ্ড এ বর্ণনা কৰা মতে, "ইউৰোপত ১৪৯৫ত প্রথম ছিফিলিছৰ নিশ্চিত আবির্ভাৱ ধৰা পৰা সময়ত ৰোগীৰ মূৰৰ পৰা ভৰিলৈ তেজ-পুঁজে আৱৰি থৈছিল। ৰোগীৰ মুখৰ পৰা পচা অংশ ছিগি পৰিছিল আৰু কেইমাহমানৰ ভিতৰতে মৃত্যু হৈছিল। বর্তমান সময়তকৈ সেই সময়ত অধিক ভয়াৱহ ঘাতক ৰূপত এই ৰোগে দেখা দিছিল।" ডাইম'ণ্ডে আকৌ কয়— "১৫৪৬ চনত এই বীজাণুৱে সম্পূর্ণ ৰূপে বর্তমান আমি দেখাবলৈ পোৱা লক্ষণসমূহৰ সৈতে পূর্ণ ৰূপে বিকশিত হৈছিল।" এতিয়াৰ পৰা প্রায় সাতশ বছৰ আগতে তথ্যসহ সমাজত গন'ৰিয়াৰ উপস্থিতিৰ প্রমাণ পোৱা গৈছিল। লে চেপীয়েৰ্ছ 'Le Chapiers' নামৰ পেৰিছৰ এখন ঠাইত এই ৰোগৰ প্রাদুর্ভাৱ ঘটিছিল। সেই সময়ত এই ঠাইখন বেশ্যাবৃত্তিৰ কেন্দ্র আছিল।

আধুনিক আৰু উন্নত চিকিৎসা ব্যৱস্থাৰ প্রচলনৰ আগতে যৌন সংক্রামক ৰোগসমূহত আক্রান্ত ৰোগী সাধাৰণতে সুস্থ হৈ নুঠিছিল আৰু চিকিৎসা প্রণালীও সীমাৱদ্ধ আছিল। ১৭৪৬ত 'লণ্ডন ৰক্ হস্পিটেল' নামৰএখন স্বেচ্ছাসেৱী চিকিৎসালয় প্রথমবাৰৰ বাবে যৌন ৰোগৰ চিকিৎসাৰ বাবে স্থাপন কৰা হৈছিল। অৱশ্যে এই চিকিৎসালয়ৰ সেৱা সদায় স্বেচ্ছাসেৱী পদ্ধতিৰ নাছিল

আৰু ১৯ শতিকাৰ শেষ ভাগত'সংক্রামক ৰোগ আইন'(Contagious Disease Act)ৰ অধীনত দেহোপজীৱিনীসকলক গ্রেপ্তাৰ কৰা হৈছিল।

১৬২৪ত বহুকেইখন ৰাষ্ট্রই 'ব্রুছেলছ চুক্তি' (Brussels Agrement)ত সন্মতি প্রদান কৰিছিল আৰু এই চুক্তি অনুসৰি যৌনৰোগত আক্রান্ত নৌ ব্যৱসায়ীসকলক বিনামূলীয়া নাইবা নিম্ন মূল্যৰ চিকিৎসা সেৱা প্রদান কৰিবলৈ বহুকেইখন ৰাষ্ট্রই সন্মতি প্রদান কৰিছিল।

যৌন সংক্রামক ৰোগৰ প্রথম সফল চিকিৎসা হ'ল ছেলভার্ছান(Salvarsan)। ই আছিল প্রধানকৈ ছিফিলিছ ৰোগীসকলক আগবঢ়োৱা চিকিৎসা। প্রতিজৈৱিকছেলভার্ছান (Antibiotic) দৰৱৰ আৱিষ্কাৰৰ লগে লগে গৰিষ্ঠ সংখ্যক যৌন সংক্রামক ৰোগেই নিৰাময় কৰাটো সহজ হৈ পৰিল। যৌন সংক্রামক ৰোগ বিৰুদ্ধে জনসমাজত চলোৱা জনস্বাস্থ্যমূলক অভিযানবোৰেও পৰিৱর্তন কঢ়িয়াই আনিছিল। ১৯৬০ আৰু ১৯৭০ৰ পৰা বহু পৰিমাণে চিকিৎসা সম্বন্ধীয় বিপদৰ মাত্রা হ্রাস পাইছিল।

১৯৮০ত জননেন্দ্রিয়ৰ বেচু (Herpes) আৰু এইডছ্ (AIDS) ৰোগ ধৰা পৰে। প্রথম অৱস্থাত এই যৌন সংক্রামক ৰোগ আধুনিক চিকিৎসাৰ দ্বাৰাও নিৰাময় কৰিব পৰা নাযাব বুলি গণ্য কৰা হৈছিল। AIDSৰ ক্ষেত্রত দেখা যায় যে এক সুদীর্ঘ সময় ই ৰোগীৰ শৰীৰত লক্ষণহীনভাৱে উপস্থিত থাকে। HIV (Human Immune Deficiency Virus) বা ৰোগ প্রতিৰোধহীনকাৰী বীজাণুৰ সংক্রমণৰ ফলত এইডছ্ৰ সৃষ্টি হয়। এইডছ্ ৰূপ লোৱা বীজাণুবিধ অন্যলৈ সংক্রমিত হয়। এইডছ্ চিকিৎসা অবিহনে ৰোগীৰ মৃত্যু নিশ্চিত হৈ পৰে। ১৯৬৯ত আমেৰিকাত AIDS/HIV ৰোগে প্রথম দেখা দিয়ে আৰু ইয়াক হাইটি (কেৰিবিয়ান দেশ)ৰ পৰা বিয়পা বুলি কোৱা হৈছিল। জনস্বাস্থ্য অভিমুখী প্রচাৰ আৰু চিকিৎসা ব্যৱস্থাৰ উন্নীতকৰণেৰে HIV পূর্ণতাপ্রাপ্তিত বাধা প্রদান কৰি এইডছ্ৰ বিশ্বব্যাপী ভয়াৱহতাক যথাসম্ভৱ নিয়ন্ত্রিত কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** যৌন সংক্রামক ৰোগৰ আবির্ভাৱৰ প্রথম প্রণালীৱদ্ধ তথ্য লিপিৱদ্ধকৰণৰ কাম কেতিয়া আৰম্ভ হৈছিল?

.....

.....

**প্রশ্ন নং ৫ ঃ** ব্রুছেলছ্ চুক্তি অনুসৰি ৰাষ্ট্রসমূহৰ গোটে যৌন ৰোগত আক্রান্ত লোক-সকলক কি সুবিধা প্রদান কৰিবলৈ সন্মত হৈছিল?

.....

.....

**প্রশ্ন নং ৬ ঃ** HIVৰ সম্পূর্ণ ৰূপটো (full form) কি?

.....

## ৭.৪ ৰোগ আৰু লক্ষণ

সকলো ধৰণৰ যৌন সংক্রামক বীজাণু (STI) লক্ষণযুক্ত নহয়। সংক্রমণ ঘটাৰ লগে লগে লক্ষণসমূহে দেখা নিদিবও পাৰে। কেতিয়াবা কিছুমান বীজাণুৱে কোনো লক্ষণ নেদেখুৱাই অন্য ব্যক্তিলৈ গোপনে সংক্রমিত হয়।সংক্রমিত বীজাণুৰধৰণ অনুযায়ী কিছুমান চিকিৎসা ব্যৱস্থাৰ সহায় নললে STIয়ে ব্যক্তিক প্রজনন ক্ষমতাহীনতকৰি তোলাৰ লগতে দীর্ঘকালীন বিষ-বেদনাত ভোগাব আনকি মৃত্যু পর্য্যন্ত ঘটাব পাৰে। প্রাক্-বয়ঃসন্ধি (Pre-Pubersent) কালত যৌন সংক্রামক ৰোগ (STD)ত ভুগিলে তেনে শিশু যৌন শোষণৰ বলি হোৱাটোক সূচায়। কেইটামান প্রধান যৌন সংক্রামক ৰোগ হ'ল—

- **ক্লেমাইদিয়া ঃ** ই এবিধ যৌন সংক্রমণ ক্লেমাইদিয়াট্রেকোমেটিছ (Clamydiatrechomatis) নামৰ বীজাণু ইয়াৰ বাবে দায়ী। মহিলাৰ ক্ষেত্রত অস্বাভাৰিক যোনিজ নিঃসৰণ, প্রস্রাৱৰ জ্বলা-পোৰা, ঋতুস্রাৱৰ সময়ছোৱাত প্রচুৰ ৰক্তক্ষৰণ ইয়াৰ লক্ষণ হ'ব পাৰে। বেছিভাগ ক্ষেত্রতে পিছে মহিলাসকলৰ গাত বীজাণু সংক্রমণৰ লক্ষণ দেখা নাযায়। পুৰুষৰ ক্ষেত্রত প্রস্রাৱৰ সময়ত বিষ, পুৰুষাঙ্গৰ পৰা অস্বাভাৰিক নিঃসৰণ আদি হ'ল এই ৰোগৰ কিছুমান লক্ষণ। পুৰুষ-মহিলাউভয়েই যদি এই ৰোগৰ নিৰাময়ৰ বাবে কোনো চিকিৎসাৰ সহায় নলয়, তেনেহ'লে ক্লেমাইদিয়া আক্রান্তসকলৰ প্রস্রাৱৰ নলীত সংক্রমণ ঘটি পেলভিক ইনফ্লেমেটৰী ডিজিজ (PID) নামৰ শাৰীৰিক সমস্যাত ভুগিব পাৰে। গর্ভাৱস্থাত জৰায়ুমুখ নাইবা শ্রেণী (Pelvic) সংক্রমণত ভুগিলে মহিলাগৰাকীৰ কাৰণে যথেষ্ট উদ্বেগজনক অৱস্থাৰ সৃষ্টি হ'ব পাৰে। বহু সময়ত ইয়াৰ ফলত স্ত্রী প্রজননহীনতাৰো উদ্ভৱ হয়। বহু সময়ত ই গর্ভৱতী মহিলাৰ অ-স্থানীয় গর্ভাৱস্থা (Ectopic Pragnency)ৰো কাৰক হ'ব পাৰে। গর্ভস্থ সন্তানটি জৰায়ুৰ বাহিৰত থকা বাবে এনে অৱস্থাত গর্ভপাত হোৱাটো নিশ্চিত। অৱশ্যে ক্লেমাইদিয়া ৰোগ উপযুক্ত ঔষধৰ দ্বাৰা নিৰাময় কৰিব পাৰি।
- সচৰাচৰ দেখা দিয়া হার্পিছ বা চর্মৰোগৰ দুটা সাধাৰণ প্রকাৰ Herpes Simplex Virus (HSV)সৃষ্টি কৰে। HSV-1 মুখৰপৰা মুখলৈ বিয়পে আৰু মুখ নাইবা ওঁঠ ফুলি ফোঁহা উঠে। HSV-2 সাধাৰণতে যৌন সম্বন্ধৰ দ্বাৰা বিয়পে আৰু ইয়াৰ দ্বাৰা জননেন্দ্রিয় (Genetals) ঘাইকৈ আক্রান্ত হয়। কিছুমান ক্ষেত্রত হার্পিছৰ লক্ষণ ফুটি নুঠিব পাৰে বা সামান্য লক্ষণহে ধৰা পৰিব পাৰে। যিসকলৰ ক্ষেত্রত লক্ষণ ফুটি উঠে, তেওঁলোকে ২-২০দিনৰ ভিতৰত ইয়াক শৰীৰত দেখা পায় আৰু ই দুইৰপৰা চাৰি সপ্তাহলৈ থাকে। লক্ষণসমূহৰ ভিতৰত পানীৰ সৰু ফোহা বন্ধা, মূৰৰ বিষ, পিঠিৰ বিষ, জননকেন্দ্র আৰু পায়ুদ্বাৰত সিৰ্‌সিৰণি (Tingling), প্রস্রাৱৰ সময়ত বিষ, জ্বৰ ভাব, দেহৰ বিভিন্ন গ্রন্থি (Glands) ফুলি যোৱা আদি। হার্পিছ বীজাণুধাৰী ব্যক্তিৰ ছালৰ লগত নিৰোগী ব্যক্তিৰ সংস্পর্শ ঘটিলে বীজাণুবিধৰ সংক্রমণ ঘটে।বীজাণুৱে স্পর্শ ঘটা অংশৰে শৰীৰত প্রৱেশ কৰে। চুম্বন, যোনিজ সঙ্গম (Vaginal Intercourse), মৌখিক যৌন সম্ভোগ (Oral

Sex), পায়ু সঙ্গম (Anal Sex) আদিৰ মাজেৰে সংক্রমণ সংঘটিত হয়। এই ৰোগৰ বীজাণু সেই সময়ৰ পৰা অধিক কার্য্যক্ষম হৈ পৰে যেতিয়া ইয়াৰ চাক্ষুষ লক্ষণসমূহ দেখা যায়।লক্ষণহীন হার্পিছৰ বীজাণুও ছালৰ সংস্পর্শৰ মাজেৰে সংক্রমিত হয়। দেহৰ প্রতিৰক্ষী (Antibody) ব্যৱস্থাসমূহ সক্রিয় হৈ নাথাকে বাবে এই ৰোগৰ বীজাণুৰ প্রাৰম্ভিক আক্রমণ শৰীৰৰ বাবে জটিল হয়। এই প্রাৰম্ভিক আক্রমণৰ পাছত পুনঃ আক্রমণ ঘটিব পাৰে যদিও ই শৰীৰৰ বাবে বৰ গুৰুতৰ নহয়। বীজাণু প্রতিৰোধী ঔষধৰ সহায়ত এই ৰোগৰ লক্ষণ অনুসৰি চিকিৎসা সম্ভৱ আৰু বীজাণুৰ সংক্রমণ ৰোধ কৰিব পাৰি। HSV-হার্পিছৰ মুখ নাইবা ওঁঠত সংক্রমণ ঘটোৱা আৰু HSV-2 জননেন্দ্রিয় সংক্রমণকাৰী ৰোগ। এজন HSV-1 আক্রান্ত ব্যক্তিয়ে তেওঁৰ সঙ্গীক যৌন সম্বন্ধ স্থাপনৰ দ্বাৰাও হার্পিছত আক্রান্ত কৰিব পাৰে।

- আমেৰিকা যুক্তৰাষ্ট্রত HPV নাইবা হিউমেন পেপিল'মা ভাইৰাছ এবিধ সাধাৰণ যৌন সংক্রামক ৰোগ। এই HPVৰ ৪০ বিধতকৈ বেছি প্রকাৰ আছে আৰু ইয়াৰ অধিক সংখ্যকেই শৰীৰৰ বাবে বিশেষ সমস্যাৰ সৃষ্টি নকৰে। ৯০%ৰ ক্ষেত্রতে শৰীৰৰ ৰোগ প্রতিৰোধী ব্যৱস্থাই বীজাণু নাশ কৰে। প্রাকৃতিকভাৱে দুই বছৰৰ ভিতৰত এইৰোগৰ পৰা মুক্ত হ'ব পাৰি। কিছুমান ক্ষেত্রতৰোগী সহজে আৰোগ্য নহয় আৰু এই সংক্রমণ জননাঙ্গৰ ফোঁহা (জননাংগৰ চাৰিওফালে সৰু-ডাঙৰ, ওখ-চাপৰ ফুলকবিৰ নিচিনা ফোঁহা হয়।) নাইবা জৰায়ুমুখৰ কেন্সাৰ তথা অন্য HPV সম্বন্ধীয় কেন্সাৰ আদিৰ কাৰক হয়। লক্ষণসমূহ প্রথম অৱস্থাত দেখা নিদিবও পাৰে। মহিলাসকলে কেন্সাৰৰ অৱস্থিতি নিৰূপণৰ বাবে Pep Smear(জৰায়ুৰ কেন্সাৰ পৰীক্ষা)ৰ সহায় লোৱা উচিত। মহিলাৰ কাৰণে দুবিধ ভেক্চিন (প্রতিষেধক বেজী), ক্রমে Cervarix ত(চাৰভেৰিক্স) আৰু (Gardasil) গাৰডাছিল জৰায়ুৰ মুখৰ(Cervix) কেন্সাৰ প্রতিৰোধৰ কাৰণে HPV ধ্বংসকাৰী হিচাপে ব্যৱহাৰ কৰা হয়।যৌনসঙ্গমৰ সময়ত জননেন্দ্রিয়ৰ মাধ্যমেৰে আৰু মৌখিক যৌন সঙ্গমৰ মাধ্যমেৰে শৰীৰত HPV প্রৰেশ কৰিব পাৰে। বীজাণু সংক্রমিত যৌন সহযোগীয়ে HPVআক্রান্তৰ লক্ষণ নেদেখুৱাবও পাৰে।এইটো বিশেষ ভাৱে মন কৰিবলগীয়া কথা।
- **গ'ন'ৰীয়া** (Gonorrhoea) এবিধ যৌন ৰোগ। এই ৰোগ সংক্রমিত কৰা জীৱাণুবিধ সাধাৰণতে প্রস্রাৱনলী (ইউৰেথ্ৰা) যোনি (ৰেজাইনা), মলনলী (ৰেক্টাম), মুখ-গহ্বৰ, ডিঙিৰ ভিতৰভাগ, চকুৰ মসৃণ মিউকাছ আৱৰণত বাস কৰে। যৌন সংসর্গৰ জৰিয়তে এই ৰোগ বিয়পে আৰু অসুৰক্ষিত যৌন সম্ভোগ ইয়াৰ বাবে দায়ী। ৰোগৰ বীজাণু জননাঙ্গ, মুখ আৰু পায়ুৰ সংস্পর্শৰ দ্বাৰা বিয়পে। গ'ন'ৰীয়াৰ লক্ষণসমূহ সাধাৰণতে সহযোগীৰ লগত যৌন সম্ভোগৰ দুইৰ পৰা পাঁচ দিনৰ ভিতৰত দেখা যায়। কেতিয়াবা লক্ষণসমূহ কমেও এমাহলৈ দেখা নিদিবও পাৰে। পুৰুষৰ ক্ষেত্রত এই ৰোগৰ লক্ষণ হ'ল প্রস্রাৱৰ সময়ত জ্বলন আৰু বিষ অনুভৱ, প্রস্রাৱৰ হাৰ বৃদ্ধি, যৌনাঙ্গৰ (বগা,

সেউজীয়া, হালধীয়া) স্রাৱ, ৰঙা পৰা আৰু ফুলি উঠা অণ্ডকোষ (Testicles), যৌনাঙ্গ উখহি উঠা, ডিঙিৰ চৰ্চৰণি আদি। মহিলাৰ ক্ষেত্ৰত যৌনাঙ্গৰ পৰা স্রাৱ নিঃসৰণ, প্রস্রাৱৰ সময়ত জ্বলন আৰু বিষ, সঙ্গমৰ সময়ত বিষ অনুভৱ, তলপেটৰ প্রচণ্ড বিষ (জৰায়ুৰ ডিম্বাণু পৰিবাহী নলী আক্রান্ত হ'লে) নাইবা জ্বৰ (বীজাণুৱে ফেল'পিয়ান টিউব নাইবা ডিম্বাণু পৰিবাহী নলীত সংক্রমণ ঘটালে) আদি লক্ষণে দেখা দিব পাৰে। এণ্টিবায়'টিক ব্যৱহাৰ কৰি গ'ন'ৰীয় উপশম কৰিব পাৰি যদিও কেতিয়াবা কিছুমান ক্ষেত্ৰত ই নিৰাময়ত যথেষ্ট সময় লয়।

- **ছিফিলিছ ঃ** ছিফিলিছ জীৱাণু দ্বাৰা বিয়পা এবিধ যৌন সংক্রামক ৰোগ। সঠিক সময়ত চিকিৎসা নকৰিলে ই ৰোগীৰ মৃত্যু পর্য্যন্ত ঘটাব পাৰে। ৰোগৰ লক্ষণসমূহ এনে ধৰণৰ— যৌনাঙ্গৰ লগতে প্রস্রাৱনলীৰ ঘা, মল নলীৰ লগতে পায়ুমুখৰ ঘা আদি। বর্তমান সময়ত পশ্চিম ইউৰোপৰ দেশসমূহত ইয়াৰ প্রভাৱ কমি আহিছে যদিও পূব ইউৰোপ (আগৰ ছোভিয়েট যুক্তৰাষ্ট্ৰ)ত ইয়াৰ প্রকোপ বৃদ্ধি পাইছে। কেমেৰুণ, কেম্বোডিয়া, পাপুৱাঁ নিউ গিনী আদি দক্ষিণ আমেৰিকাৰ দেশসমূহত এই ৰোগৰ সংক্রমণ বাঢ়ি গৈছে।
- **ট্রাইক'ম'নিয়েছিছ ঃ** প্রট'জোৱাৰ পৰা সংক্রমিত ই এক সাধাৰণ যৌন ৰোগ। ট্রাইক'ম'নাছ ৰেজাইনেলিছ নামৰ পৰজীৱী প্র'ট'জোৱা ইয়াৰ মূল কাৰণ। পুৰুষ আৰু মহিলা উভয়ে এই ৰোগত আক্রান্ত হয় যদিও মহিলাসকলৰ ক্ষেত্ৰত এই ৰোগৰ লক্ষণ বেছিকৈ দেখা যায়। বেছিভাগ ক্ষেত্ৰতে ৰোগীক মেট্র'নিডাজল (Metronidazole) নামৰ এণ্টিবায়'টিক দিয়া হয়।
- **এইছ-আই-ভি** (HIV– Human Immune Deficiency Virus) ঃ এইবিধ বীজানুই মানুহৰ শৰীৰৰ ৰোগ প্রতিৰোধী ক্ষমতাক ধ্বংস কৰি পেলায়। ফলত কোনো ৰোগে আক্রমণ কৰিলে শৰীৰে প্রতিৰোধ গঢ়ি তুলিব নোৱাৰে। HIV-এ সাধাৰণতে শৰীৰত থকা 'T' নামৰ লিম্ফ'চাইটিছ ৰক্তকোষবোৰ আক্রমণ কৰি ৰোগ প্রতিৰোধকাৰী ক্ষমতা ধ্বংস কৰি পেলায়।ফলত শৰীৰটো সহজতে বেমাৰৰ বলি হৈ পৰে।বীজুণুবিধে শৰীৰৰ CD4 কোষবোৰ ভাঙি পেলায়। এইবোৰ হ'ল তেজত থকা শ্বেত ৰক্তকণিকা এইবোৰৰ কাম হ'ল শৰীৰত প্রৱেশ কৰা বীজাণু ধ্বংস কৰা। HIVৰ ফলত শৰীৰৰ ৰোগ প্রতিৰোধী ক্রিয়া দুর্বল হৈ পৰে আৰু সহজে ৰোগৰ বলি হয়। এই বীজাণু শৰীৰত তেজ তথা লিমফৰ মাধ্যমেৰে বিয়পি পৰে। যৌন সংসর্গৰ জৰিয়তে ই এজনৰ পৰা আনজনলৈ বিয়পে। ইয়াৰ উপৰি এই ৰোগত আক্রান্ত ব্যক্তিৰ তেজ গ্রহণ, মাকৰ গাখীৰ পান, মাকৰ পৰা গর্ভস্থ সন্তানলৈ HIV বিয়পিব পাৰে। এইছ-আই-ভি ৰোগ যেতিয়া অন্তিম পর্য্যায় পায়, তেতিয়া ব্যক্তিজন AIDS (Acquired Immuno Deficiency Syndrome) আক্রান্ত বুলি কোৱা হয়। এইছ-আই-ভি সংক্রমণৰ বিভিন্ন পর্য্যায় আছে। প্রাৰম্ভিক (Primary) পর্য্যায়, লক্ষণহীন (Asymptomatic Infection), লক্ষণযুক্ত (Symptopxatic) পর্য্যায় আৰু শেষত এইডছ্। প্রাথমিক পর্য্যায়ত ৰোগীৰ গাত সাধাৰণ চর্দি লগা ধৰণৰ লক্ষণে

দেখা দিয়ে আৰু মূৰৰ বিষ, ভাগৰ লগা, জ্বৰ, মাংসপেশীৰ বিষ নাইবা গাৰ বিষ আদি হোৱা দেখাযায়।প্রায় দুসপ্তাহমান ধৰি এনে লক্ষণ চলি থাকিব পাৰে। লক্ষণহীন পর্য্যায়ত ৰোগীগৰাকীয়ে সকলো লক্ষণ হেৰুৱায় আৰু এই অৱস্থা কেইবাবছৰো ধৰি থাকিব পাৰে। এইছ-আই-ভি আগবাঢ়ি গৈ লক্ষণযুক্ত (Symptomatic) পর্য্যায় পালে শৰীৰৰ ৰোগ প্রতিৰোধী ব্যৱস্থা অধিক দুর্বল হৈ পৰে আৰু শ্বেত ৰক্তকণিকাৰ CD4 কোষবোৰৰ পৰিমাণ কমিবলৈ ধৰে। এইছ-আই-ভি সংক্রমণৰ অন্তিম পর্য্যায়ত ৰোগী এইডছ্ত আক্রান্ত হৈ পৰে। এই ধৰণৰ ৰোগী এগৰাকীয়ে ৰোগ প্রতিৰোধৰ সকলো ক্ষমতা হেৰুওৱাৰ ফলত যি কোনো ধৰণৰ বেমাৰৰ বীজাণুৰ দ্বাৰা আক্রান্ত হয় আৰু মৃত্যু মুখত পৰে। ১৯৮০ শতিকাত এই ৰোগ আৱিষ্কাৰ হোৱাৰ সময়ত এই ৰোগত আক্রান্ত ৰোগী কেইবছৰমানহে বাচি আছিল। আজিকালি 'এণ্টিৰেট্রোভাইৰেল' (ARVs) ব্যৱহাৰৰ ফলত এনে ৰোগী বেছিদিনলৈ বাচি থাকে। অৱশ্যে এইটো কথা বিশেষভাৱে মন কৰিবলগীয়া যে এইডছ্ নাইবা এইছ-আই-ভিৰ সম্পূর্ণ নিৰাময়ৰ বাবে কোনো ঔষধ এতিয়ালৈ ওলোৱা নাই। কেৱল মাত্র সামূহিকভাৱে ৰোগবিধৰ অগ্রগতিত বাধাহে দি ৰাখিব পৰা গৈছে। এইদৰে সংক্রমণ ৰোধৰ প্রক্রিয়াটো দীঘলীয়া কৰি ৰোগীগৰাকীৰ জীৱন দীঘলীয়া কৰা হয়। শৰীৰত ভাইৰাছৰ মাত্রা কমাই ৰাখিলেও এনে ৰোগী কিন্তু বেমাৰৰ বাহক হৈয়ে থাকি যায় আৰু তেওঁৰ পৰা অন্যলৈ সংক্রমণ হোৱাৰ পূৰামাত্রাই সম্ভাৱনা থাকে।



## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৭ ঃ** ক্লেমাইদিয়া ৰোগ কি বীজাণুৰ দ্বাৰা হয়?

.....

**প্রশ্ন নং ৮ ঃ** আমেৰিকা যুক্তৰাষ্ট্রত আটাইতকৈ বেছি কোনবিধ যৌনৰোগ হোৱা দেখা যায়।

.....

.....

**প্রশ্ন নং ৯ ঃ** ট্রাইক'ম'নিয়েছিছৰ বাবে দায়ী প্র'ট'জ'ৱান পাৰাছাইটটো কি?

.....

.....

**প্রশ্ন নং ১০ ঃ** এইছ-আই-ভি (HIV)ৰ আটাইতকৈ শেহতীয়া পর্য্যায়টোক কি বোলা হয়?

.....

.....

## ৭.৫ সংক্রমণৰ কাৰণ

সমগ্র বিশ্বতে যৌন সংক্রামক ৰোগীৰ হাৰ অতি বেছি। যদিও নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা আৰু ঔষধৰ আৱিষ্কাৰ হৈছে, তথাপিও এই সমস্যাটো কমা নাই। যৌন সততা সম্বন্ধে থকা ধাৰণাৰ পৰিৱর্তন আৰু গর্ভনিৰোধক ঔষধৰ বহুল ব্যৱহাৰৰ ফলত যৌনাচাৰৰ সৈতে জড়িত পুৰণিকলীয়া বাধা, নীতি আদি নোহোৱা হৈছে। ইয়াৰ উপৰি বহু সময়ত চিকিৎসক আৰু ৰোগীয়ে অকপটভাৱে ৰোগৰ সমস্যা সম্বন্ধে আলোচনা কৰিবলৈ নোৱাৰে। প্রতিজৈৱিক প্রতিৰোধী জীৱাণুৰ আবির্ভাৱেও যৌন সংক্রামক ৰোগ প্রতিৰোধত বাধাৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে, পেনিছিলিন প্রতিৰোধী গ'ন'ক'কাই নামৰ জীৱানুবিধৰ বাবে যৌনৰোগ প্রতিৰোধত বাধা আহি পৰিছে। পৃথিৱীৰ বিভিন্ন ঠাইত হোৱা প্রব্রজন আৰু ভ্রমণৰ ফলত এইডছ্ (HIV-1) ৰোগৰ বীজাণু বিয়পি পৰিছে। ১৯৭০ৰ শেষার্দ্ধত ফালে আফ্রিকাৰ পৰা ইউৰোপ আৰু আমেৰিকালৈ এই ৰোগ বিয়পিছিল।

বহু সময়ত যৌনভাৱে সক্রিয় কিন্তু যৌনাঙ্গ পূর্ণৰূপে বিকশিত নোহোৱা কিশোৰ-কিশোৰীসকলৰ মাজত সঘনাই দেখা দিয়া যৌন ৰোগৰ উপস্থিতি এনে ধৰণৰ— ক্লেমাইদিয়া (১০-২৫%), গ'ন'ৰিয়া (৩-১৮%), ট্রাইক'ম'নাছ ভেগাইনেলিছ(৮-১৬%) আৰু হার্পিছ(২-১২%)। প্রস্রাৱনলীৰপূর্ণবিকাশ নঘটা কিশোৰসকলৰ আৰু মাজত ক্লেমাইদিয়া(৯-১১%), গ'ন'ৰিয়া(২-৩%)ৰ উপস্থিতি দেখা গৈছে। ২০০৮ চনৰ CDCৰ সমীক্ষামতে ২৫-৪০% আমেৰিকান কিশোৰী যৌন সংক্রামক ৰোগত আক্রান্ত।

আফ্রিকাৰ উপদেশসমূহত এইডছ্ এতিয়াও মৃত্যুৰ এক প্রধান কাৰণ। HIV/AIDSৰ প্রধান কাৰণ হ'ল অসুৰক্ষিত যৌন সম্পর্ক স্থাপন। আমেৰিকা যুক্তৰাষ্ট্রত ১.১ মিলিয়নৰো বেছি লোক এইডছ্ত আক্রান্ত। ইয়ে অসমানুপাতিকভাৱে আফ্রিকান আৰু আমেৰিকানসকলৰ ওপৰত ক্রিয়া কৰিছে। ভাৰতবর্ষতো এইডছ্ আক্রান্ত বহু ৰোগী আছে। ১৯৮৬ৰ মার্চ মাহত ভাৰতবর্ষত প্রথমবাৰৰ বাবে এইছ-আই-ভি আক্রান্ত ৰোগী ধৰা পৰে। তেনেদৰে অসমো HIV/AIDSৰ প্রভাৱৰ পৰা মুক্ত নহয়। ১৯৯০ত প্রথমবাৰৰ বাবে HIV Positive ৰোগীৰ তথ্য পোহৰলৈ আহে। অসমত HIV/AIDS আক্রান্ত ৰোগীৰ সংখ্যা বৃদ্ধিৰ এক প্রৱণতা দেখা গৈছে আৰু বহু লোক এতিয়ালৈ এই ৰোগত আক্রান্ত হৈছে। 'হেপাটাইটিছ-বি'ও যৌন সংসর্গৰ জৰিয়তে বিয়পা ৰোগ। এই ৰোগৰ সর্বাধিক হাৰ আফ্রিকা আৰু এছিয়াত আৰু সর্বনিম্ন হাৰ আমেৰিকা আৰু ইউৰোপত দেখা গৈছে। প্রায় ২ বিলিয়ন লোক গোটেই পৃথিৱীজুৰি হেপাটাইটিছ-বি ৰোগত আক্রান্ত হৈছে।

## ৭.৬ সুৰক্ষামূলক ব্যৱস্থা

যৌন সংক্রমণ প্রতিৰোধৰ আটাইতকৈ কার্য্যকৰী উপায়টো হ'ল— সংক্রমিত ব্যক্তিৰ সংস্পর্শ নাইবা এনে ব্যক্তিৰ দেহ নিঃসৰিত তৰল পদার্থ(Fluids)ৰ সংসর্গৰ পৰা নিজকে আঁতৰাই ৰখা। সকলো ধৰণৰ যৌন কার্য্যই সংস্পর্শ জড়িত নহয়। উদাহৰণ স্বৰূপে, হস্তমৈথুন, ফোনত পতা যৌনগন্ধী কথা-বতৰা, ছাইবাৰ-ছেক্স আদিত সংক্রমিত ব্যক্তিৰ লগত দৈহিক সম্পর্ক নহয়

বাবে সংক্রমণ নঘটে। কন্‌ডমৰ সঠিক প্রয়োগেও এনে সংক্রমণৰ বিপদ বহু পৰিমাণে কমায়। যদিও কন্‌ডমৰ ব্যৱহাৰ এক নির্দিষ্ট সীমালৈ নিৰাপদ, তথাপিও কিছুমান ৰোগৰ বীজাণু কন্‌ডম ব্যৱহাৰৰ পাছতো সংক্রমিত হ'ব পাৰে।

যৌন সম্বন্ধৰ আগতে দুয়োগৰাকী পুৰুষ আৰু মহিলা সঙ্গীয়ে পৰীক্ষাৰ দ্বাৰা STDৰ উপস্থিতি সম্পর্কে জানি লোৱা উচিত। তদুপৰি এজন সঙ্গীয়ে যদি ইতিমধ্যে আন কোনোবা অচিনাকি ব্যক্তিৰ লগত যৌন সংসর্গ ৰাখিছে, তেতিয়া তেনে সঙ্গীৰ লগত যৌন সম্বন্ধ ৰখা উচিত নহয়। বহু ক্ষেত্রত বীজাণুৰ আক্রমণ ধৰা নপৰিবও পাৰে। কিছুমান বীজাণুৱে সংক্রমণৰ কোনো স্থিতি তৎক্ষণাৎ নেদেখুৱায়। সেয়েহে পৰীক্ষাৰ পিছতো প্রয়োজনীয় সময়ৰ ব্যৱধান ৰাখিহে STDৰ স্থিতি নিশ্চিত কৰা ভাল। কিছুমান STD, বিশেষকৈ HPV (Human Papilomavirus Virus) বর্তমান উপলব্ধ চিকিৎসা পৰীক্ষাৰ দ্বাৰা চিনাক্ত কৰিব নোৱাৰিবও পাৰে। বহুতো ৰোগে আকৌ শৰীৰত এনেভাৱে থিতাপি লয় যে আন ৰোগৰ সংক্রমণ সহজ হৈ পৰে। কিয়নো ৰোগীয়ে প্রতিৰোধ ক্ষমতা ইতিমধ্যে বহুখিনি হেৰুৱাই পেলায়। উদাহৰণ স্বৰূপে, এইছ-আই-ভি সংক্রমণৰ সময়ত, ভাই�ৰাছৰ সংখ্যা দেহত কম থাকিলে দেহৰ ৰোগ প্রতিৰোধী ব্যৱস্থাই সংক্রমণৰ হাৰ কমাই ৰাখে। আনহাতে, যেতিয়া বেলেগ ৰোগ প্রতিৰোধত শৰীৰৰ প্রতিৰোধী ব্যৱস্থাটো ব্যস্ত হৈ থাকে তেতিয়া এইছ-আই-ভিয়ে দেহত নিজৰ স্থিতি দৃঢ় কৰে। কেতবোৰ ভাইৰেল যৌন সংক্রমণেও এইছ-আই-ভিত আক্রান্ত ৰোগীৰ মৃত্যুৰ হাৰ বঢ়াব পাৰে।

সেয়েহে এইছ-আই-ভি পৰীক্ষাৰ লগতে যৌন সংক্রামক ৰোগ (STD)ৰ পৰীক্ষা কৰাটোও জৰুৰী। আগতীয়া চিনাক্তকৰণ তথা চিকিৎসাই এনে ৰোগৰ সংক্রমণ হ্রাস কৰাত এক ধনাত্মক পদক্ষেপ ল'ব পাৰে। কেতবোৰ চিনাক্তকৰণ ব্যৱস্থা আৰু চিকিৎসা ঘৰতেই কৰিব পৰা বিধৰ হয়। ঘৰতে পৰৱর্তী পর্য্যায়ত পুনৰাই পৰীক্ষা কৰি চাব পাৰি। ইতিমধ্যে সংক্রমণত ভোগা ব্যক্তিয়ে এনে পৰীক্ষাৰ দ্বাৰা বীজাণুৰ আক্রমণ হ্রাস নাইবা বন্ধ হোৱাৰ সম্বন্ধে নিশ্চিত হ'ব পাৰে। পুনৰ পৰীক্ষাৰ বাবে ফোন নাইবা ই-মেইলৰ সহায়ত সোঁৱৰাই দিয়াৰ এক মহান প্রচেষ্টাও চলোৱা হয়।

**ভেক্‌চিন (টীকা) প্রতিষেধক ঃ** চিকিৎসা বিজ্ঞানীৰ মতে প্রতিষেধক বেজীসমূহত থকা জৈৱিক উপাদানে কোনো এটা বিশেষ ৰোগ প্রতিৰোধকাৰী হিচাপে কাম কৰে। নির্দিষ্ট ৰোগৰ প্রতিষেধক ব্যৱহাৰৰ ফলত ৰোগটো মানুহজনৰ শৰীৰত দেখা নিদিয়ে অথৱা দিলেও ইয়াৰ প্রকোপ যথেষ্ট কম হয়। এতিয়ালৈ এইছ-আই-ভিৰ কোনো প্রতিষেধক আৱিষ্কাৰ হোৱা নাই। অৱশ্যে কেতবোৰ যৌনৰোগ যেনে— হেপাটাইটিছ-এ, হেপাটাইটিছ-বি আৰু কেতবোৰ HPVৰ প্রতিষেধক ইতিমধ্যে উপলব্ধ হৈছে। সর্বাধিক সুৰক্ষাৰ বাবে যৌন সংসর্গ স্থাপনৰ আগতে এই ভেক্‌চিনসমূহ ব্যৱহাৰৰ পৰামর্শ দিয়া হয়। গ'ন'ৰিয়াৰ ভেক্‌চিনো কম দিনৰ ভিতৰতে বজাৰত উপলব্ধ হ'ব।

**কন্‌ডম ঃ** পুৰুষ আৰু মহিলা উভয়েৰে কাৰণে কন্‌ডম আছে। সঠিক ব্যৱহাৰৰ ওপৰতে কন্‌ডমৰ সুফল নির্ভৰ কৰে। অৱশ্যেএই ব্যৱস্থাত কন্‌ডমে আৱৰি থকা অংশহে সংক্রমণৰ পৰা

ৰক্ষা পৰে, উন্মুক্ত অংশত সংক্রমণৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এইছ-আই-ভিৰ ক্ষেত্রত যৌন সংক্রমণৰ মাধ্যম প্রায়েই জননাংগ হয়, কিয়নো এইছ-আই-ভি অক্ষত ছালৰ মাজেৰে সংক্রমিত হ'ব নোৱাৰে। সেয়েহে সঠিক নিয়ম অনুসৰি পুৰুষাঙ্গ ভালদৰে ঢাকি ৰাখি এইছ-আই-ভি সংক্রমণ ৰোধ কৰিব পাৰি। কোনো ব্যক্তিৰ দেহত থকা কটা-ছিঙা নাইবা ঘাঁ লগা অংশত এইছ-আই-ভি সংক্রমিত ব্যক্তিৰ গাৰ পৰা নিঃসৰিত যিকোনো জুলীয়া দ্রব্য পৰিলেও প্রথম ব্যক্তিজন এইছ-আই-ভি সংক্রমিত হ'ব পাৰে। যদিও বাস্তৰ ক্ষেত্রত এই সংক্রমণ যৌন সংসর্গজনিত নহয়, তথাপি ই যৌন সংসর্গৰ সময়ত ঘটিব পাৰে। সেয়েহে এনেকুৱা উন্মুক্ত কটা-ছিঙা বা ঘা লাগি থকা অৱস্থাত যৌন সংসর্গৰ পৰা আঁতৰি থকাই শ্রেয়।

অন্য কিছুমান যৌন সংক্রামক ৰোগ, আনকি ভাইৰেল সংক্রমণো লেটেক্স, পলিইউৰিথেন নাইবা পলিআইছ'প্রেন জাতীয় পদার্থৰে নির্মিত কন্‌ডম ব্যৱহাৰেৰে ৰোধ কৰিব পাৰি। কেতবোৰ ভাইৰাছ অথবা বীজাণু প্রাকৃতিকভাৱে নির্মিত ছালৰ কন্‌ডমৰ মাজেৰে পাৰ হৈ যাব পাৰে যদিও লেটেক্স নাইবা কৃত্রিমভাৱে তৈয়াৰী কন্‌ডমৰ মাজেৰে পাৰ হৈ যাব নোৱাৰে।

**সঠিক কন্‌ডম (পুৰুষৰ) ব্যৱহাৰৰ নিয়ম ঃ**

- কন্‌ডম ব্যৱহাৰ কৰোঁতে লিঙ্গৰ গুৰি খামুচি ধৰা ধৰণে পিন্ধিব নালাগে আৰু সমুখ ভাগত প্রায় ডেৰ মি.মি. ব্যৱধান ৰাখিব লাগে, কিয়নো এই অংশত বীর্য্য জমা হয়। অন্যথা কন্‌ডম ফাটি যোৱাৰ সম্ভাৱনা থাকে।
- অতি ঢিলাকৈ পিন্ধা কন্‌ডমে প্রয়োজনীয় সুৰক্ষা দিব নোৱাৰে।
- এবাৰ ব্যৱহাৰ কৰা কন্‌ডম বীর্য্যস্খলন নহ'লেও পুনৰাই ব্যৱহাৰ কৰা উচিত নহয়।
- এবাৰ পিন্ধাৰ পিছত যদি গম পোৱা যায় যে কন্‌ডমটো পিন্ধাত ওলোটা হৈছে তেন্তে খুলি দুনাই পিন্ধা উচিত নহয়।
- আঙুলিৰ নখ দীঘল হ'লে কন্‌ডম পিন্ধোতে সাৱধান হ'ব লাগে যাতে কন্‌ডম নখে ফুটাই নেপেলায়।
- সুগন্ধি আৰু সোৱাদযুক্ত কন্‌ডম মৌখিক সঙ্গমত ব্যৱহাৰ কৰা উচিত। যৌনাঙ্গত এনে সুগন্ধিযুক্ত কন্‌ডমে ভেঁকুৰ জাতীয় জীবাণুৰ সংক্রমণ ঘটাব পাৰে। এনে কন্‌ডমত চেনিজাতীয় পদার্থ থাকে।
- আন কোনো পিছল, তৈলজাতীয় বস্তু কন্‌ডমত ব্যৱহাৰ কৰিব নালাগে।

পুৰণি, ম্যাদ উকলি যোৱা কন্‌ডমে স্ত্রী-পুৰুষ দুয়োকে প্রতিৰক্ষা প্রদান নকৰে। সেয়েহে এনে কন্‌ডম ব্যৱহাৰ নকৰি পেলাই দিব লাগে। এনে পুৰণি কন্‌ডমৰ পৰা (ইন্‌ফেক্‌শ্বন) হ'ব পাৰে। প্রতিবাৰেই সঙ্গমৰ পাছত কন্‌ডম ব্যৱহৃতটো পেলাই দিব লাগে।

যৌন সংক্রামক ৰোগ প্রতিৰোধৰ সবাতোকৈ কার্য্যকৰী উপায়টো হ'ল— যৌন সম্বন্ধ পৰিহাৰ। কিছুমান ভেক্‌চিনৰ ব্যৱহাৰ, বিশেষকৈ হেপাটাইটিছ বি, এইছ-পি-ভি আদিৰ সংক্রমণ হ্রাসৰ বাবে নিশ্চয় ফলপ্রসূ। সুৰক্ষিত যৌনাচাৰ, কন্‌ডমৰ ব্যৱহাৰ আৰু সীমিত যৌন সঙ্গী হ'ল সংক্রমণৰ পৰা হাত সৰাৰ আন কিছুমান ব্যৱস্থা। পুৰুষৰ লিঙ্গৰ অগ্রভাগৰ ত্বক ছেদনে (চুন্নত)

যৌন ৰোগ কম কৰাত সহায় কৰে। বেছিভাগ যৌন সংক্রামক ৰোগকেই ধৰা পেলোৱা আৰু নিৰাময় কৰাৰ উপায় আছে। সচৰাচৰ ঘটিত কিছুমান যৌনৰোগ, যেনে— ছিফিলিছ, গ'ন'ৰিয়া, ক্লেমাইদিয়া, ট্রাইক'ম'নিয়েছিছৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। হার্পিছ, হেপাটাইটিছ বি, HIV/AIDS আৰু HPVৰ চিকিৎসা আছে যদিও সম্পূর্ণ আৰোগ্য লাভ কৰাটো সম্ভৱ নহয়। ইয়াৰে ভিতৰত আকৌ গ'ন'ৰীয়াৰ বীজাণু এণ্টিবায়'টিক প্রতিৰোধী ক্ষমতাৰ গৰাকী হৈ উঠিছে।



## ৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- STD মানে হ'ল যৌন সংক্রামক ৰোগ (STI– Sexually Transmitted Infection) নাইবা যৌনৰোগ (VD– Veneral Disease)
- STD সাধাৰণতে যৌন সঙ্গমৰ জৰিয়তে বিয়পে।
- অন্য অযৌন সংসর্গ, যিবোৰ STDৰ বাবে দায়ী, সেইবোৰ হ'ল— দূষিত (সংক্রামিত) ৰক্ত গ্রহণ, মাতৃ দুগ্ধ পান আৰু গর্ভৱতী মাতৃৰ পৰা শিশুলৈ বিয়পাৰ শংকা।
- STDৰ কিছুমান লক্ষণ হ'ল— যৌনাঙ্গৰ পৰা জুলীয়া পদার্থ নিঃসৰণ, পুৰুষাঙ্গৰ পৰা স্রাৱ নিঃসৰণ, জননাঙ্গৰ চাৰিওফালে নাইবা ভিতৰত ঘাঁ আৰু জৰায়ূ মুখত হোৱা বিষ।
- ত্রিশ বিধতকৈ অধিক জীবাণু (Bacteria), বীজাণু (Virueses), পৰজীৱী (Parasite) আদি STDৰ বাবে দায়ী।
- বেক্টেৰীয়াৰ দ্বাৰা সংঘটিত STD হ'ল—— ক্লেমাইদিয়া, গ'ন'ৰিয়া, ছিফিলিছ আদি।
- বীজাণুঘটিত STDৰ ভিতৰত আছে— হার্পিছ, HIV/AIDS, যৌনাঙ্গৰ ফোঁহা আদি।
- পৰজীৱী (Parasitic)ৰ পৰা হোৱা যৌন সংক্রামক ৰোগ এবিধ হ'ল ট্রাইক'ম'নিয়েছিছ।
- ২০০৪ চনৰ পৰিসংখ্যা মতে, পাঁচশ মিলিয়নতকৈও অধিক সংখ্যক লোক ছিফিলিছ, গ'ন'ৰিয়া, ক্লেমাইদিয়া নাইবা ট্রাইক'ম'নিয়েছিছ ৰোগত আক্রান্ত।
- যৌন ৰোগৰ প্রথমখন স্বেচ্ছাসেৱী চিকিৎসালয় আছিল ১৭৪৭ত স্থাপিত London Rock Hospital.
- ১৯৬৯ চনত আমেৰিকা যুক্তৰাষ্ট্রত প্রথমবাৰৰ বাবে হাইটিৰ পৰা HIV/AIDS -এ প্রৱেশ কৰে।
- ক্লেমাইদিয়া এবিধ যৌন ৰোগ।এই ৰোগ ক্লেমাইদিয়া ট্রেক'মেটিছ নামৰ জীৱাণুৰ দ্বাৰা সংঘটিত হয়। পুৰুষ আৰু মহিলাভেদে লক্ষণসমূহ বেলেগ বেলেগ হয়। এই ৰোগৰ বাবে গর্ভাৱস্থা নাইবা প্রসৱকালত সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। এণ্টিবায়'টিকৰ দ্বাৰা এই ৰোগ নিৰাময় কৰিব পাৰি।
- হার্পিছ হ'ল বীজাণুৰ দ্বাৰা হোৱা এবিধ যৌন ৰোগ। HSV হার্পিছ ছিমপ্লেক্স (Simplex) বীজাণুৰ দ্বাৰা সংক্রমিত হয়। HSV-1 হার্পিছে মুখত ঘাঁ-ফোঁহাৰ সৃষ্টি কৰে। HSV-2

বীজাণুবিধ যৌন কার্য্যৰ দ্বাৰা সংক্রমিত হয়। যৌনাঙ্গৰ ইয়াৰ বাবে চাৰিওফালে ঘাঁৰ সৃষ্টি হয়। কেতিয়াবা HSV-1 যৌনাঙ্গত আৰু HSV-2 মুখতো সংক্রমিত হ'ব পাৰে।

- HPV(হিউমেন পেপিল'মা ভাইৰাছ)জৰায়ুমুখ হোৱা কেন্সাৰৰ কাৰক হ'ব পাৰে। এই ৰোগৰ পৰা হাত সাৰিবৰ বাবে দুই ধৰণৰ প্রতিষেধক ল'ব পৰা যায়— ছাৰভিৰেক্স আৰু গাৰডাছিল।
- গ'ন'ৰিয়া এবিধ যৌন সংক্রামক ৰোগ। সঠিক সময়ত চিকিৎসা নকৰিলেএই ৰোগত আক্রান্ত মহিলাই প্রজনন ক্ষমতা হেৰুৱাব পাৰে। ইয়াক বন্ধ্যাৱস্থা বোলে।
- ছিফিলিছ জীৱাণুৰ দ্বাৰা সংক্রমিত হোৱা এবিধ যৌন ৰোগ। ইয়াৰ ফলত যৌনাঙ্গত হোৱা ঘা বিষমুক্ত হয়।
- HIV-এ মানৱদেহৰ ৰোগ প্রতিৰোধী ক্ষমতা নোহোৱা কৰি পেলায়। ই তেজত থকা CD 4 কোষবোৰ মাৰি পেলায়।
- যৌন ৰোগৰ পৰা হাত সৰাৰ ব্যৱস্থাবোৰৰ ভিতৰত প্রতিষেধক বেজী আৰু সুৰক্ষা প্রদানকাৰী কন্‌ডমৰ ব্যৱহাৰ অন্যতম। সম্পূর্ণ আৰোগ্য কৰি তুলিব নোৱাৰিলেও হেপাটাইটিছ-বি আৰু HPVৰ সংক্রমণ ই বহুখিনি হ্রাস কৰিব পাৰে।



## ৭.৮ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Faro, Sebastian (2003): *Sexually Transmitted Diseases in Women*. Philadelphia: Lippincott Williams and Wilkins.
2) Saikia, J. P. (2010): *Themes & Issues*. New Delhi: Concept Publishing Pvt. Ltd.
3) Sehgal, Virendra N. (2006): *Sexually Transmitted Diseases* (4th Edition). New Delhi: Jaypee Brothers.
4) Shoquist Jennifer (2004): *The Encycholpedia of Sexually Transmitted Diseases*. New York: Facts on File, Inc.




## ৭.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** যৌন সংক্রামক ৰোগৰ অন্য দুটা পৰিপূৰক নাম হ'ল—

i) STD– Sexually Transmitted Disease.

ii) VD– Veneral Disease.

**২নং প্রশ্নৰ উত্তৰ ঃ** যৌন সংক্রামক ৰোগ সৃষ্টি কৰিব পৰা অযৌন সংস্পর্শবোৰ— দূষিত তেজ গ্রহণ, মাতৃদুগ্ধ পান আৰু গর্ভৱতী মাতৃৰ পৰা গর্ভস্থ সন্তানলৈ বিয়পাৰ সম্ভাৱনা।

**৩নং প্রশ্নৰ উত্তৰ ঃ** জীৱাণুৰ পৰা হোৱা যৌনৰোগ কেইটামান হ'ল— ক্লেমাইদিয়া, গ'ন'ৰিয়া, ছিফিলিছ আদি।

**৪নং প্রশ্নৰ উত্তৰ ঃ** ১৪৯৪ চন প্রথমবাৰৰ বাবে যৌন সংক্রামক ৰোগৰ প্রণালীৱদ্ধ তথ্য লিপিবদ্ধকৰণৰ কাম আৰম্ভ হৈছিল।

**৫নং প্রশ্নৰ উত্তৰ ঃ** ব্রুছেলছ্ চুক্তি অনুসৰি বিভিন্ন ৰাষ্ট্রই যৌন ৰোগত আক্রান্ত নৌ ব্যৱসায়ী-সকলক বিনামূলীয়া নাইবা কম ব্যয়ৰ চিকিৎসা সেৱা আগবঢ়াবলৈ সন্মত হৈছিল।

**৬নং প্রশ্নৰ উত্তৰ ঃ** HIVৰ সম্পূর্ণ নাম হ'ল— Human Immunodeficiency Virus.

**৭নং প্রশ্নৰ উত্তৰ ঃ** ক্লেমাইদিয়া সৃষ্টিকাৰী জীৱাণু বিধ হ'ল— ক্লেমাইদিয়াট্রেক'মেটিছ।

**৮নং প্রশ্নৰ উত্তৰ ঃ** আমেৰিকা যুক্তৰাষ্ট্রত সঘনে দেখা দিয়া যৌন ৰোগটো হ'ল— HPV (Human Papiloma Virus)।

**৯নং প্রশ্নৰ উত্তৰ ঃ** ট্রাইক'ন'ম'নিয়েছিছ সৃষ্টিৰ বাবে দায়ী পৰজীৱী প্রট'জ'ৱাবিধ হ'ল— ট্রাইক'ম'নাছ ৰেগাইমেলিছ।

**১০ নং প্রশ্নৰ উত্তৰ ঃ** HIVৰ শেহতীয়া পর্য্যায়টোক AIDS (একোৱার্ড ইমিউন'ডেফিচিয়েন্সী চিনড্রম) বুলি জনা যায়।



## ৭.১০ আৰ্হি প্রশ্ন

**ক) অতি চুটি প্রশ্ন** (এটা বা দুটা শব্দৰ ভিতৰত লিখিব)

**প্রশ্ন ১ ঃ** যৌন সংক্রামক ৰোগ বিয়পাৰ সাধাৰণ পন্থাটো কি?

**প্রশ্ন ২ ঃ** যৌন সংক্রামক ৰোগ প্রথম বাৰ ধৰা পৰাৰ সময়ত ইয়াক কেনেদৰে গ্রহণ কৰা হৈছিল?

**খ) চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখিব)

**প্রশ্ন ১ ঃ** যৌন সংক্রামক ৰোগ প্রতিৰোধৰ বাবে ল'ব পৰা বিভিন্ন সুৰক্ষামূলক উপায়।

**গ) ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্রশ্ন ১ ঃ** যৌন সংক্রামক ৰোগৰ বিভিন্ন প্রকাৰ,ৰোগবোৰৰ লক্ষণ আৰু সুৰক্ষামূলক ব্যৱস্থাসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

# অধ্যায় ৮ ঃ অন্ধবিশ্বাস

## অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অন্ধবিশ্বাসৰ প্ৰকৃতি
৮.৪ অন্ধবিশ্বাস আৰু ভাৰতীয় সমাজ
৮.৫ অন্ধবিশ্বাসকেন্দ্ৰিক কু-সংস্কাৰৰ কাৰণসমূহ
৮.৬ সমাজত অন্ধবিশ্বাসৰ প্ৰভাৱ
৮.৭ অন্ধবিশ্বাস আৰু আইন
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্ৰগতিৰ খতিয়ান
৮.১১ আৰ্হি প্ৰশ্ন

## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অন্ধবিশ্বাসৰ অর্থ বুজি পাব
- অন্ধবিশ্বাসৰ কাৰণ আৰু প্ৰতিফল জানিব পাৰিব
- বর্তমানৰ প্ৰেক্ষাপটত অন্ধবিশ্বাসৰ প্ৰাসঙ্গিকতা আলোচনা কৰিব পাৰিব।

## ৮.২ পৰিচয়

সমাজত প্ৰচলিত অজানা নাই বা ব্যাখ্যাতীত ধ্যান-ধাৰণা আৰু বিশ্বাসকেই অন্ধবিশ্বাস। সাধাৰণ কিছু ধাৰণা নাইবা যুক্তিৰ বাহিৰে ব্যাখ্যা কৰিব নোৱাৰা কথা কিছুমানৰ প্ৰতি থকা ভয়েই হ'ল অন্ধবিশ্বাস। পৃথিৱীৰ প্ৰতিখন সমাজতে অন্ধবিশ্বাসী ধাৰণা থাকে।আনহাতে, কিছুমান একে ধৰণৰ অন্ধবিশ্বাস পৃথিৱীৰ প্ৰতিখন সমাজতে প্ৰচলিত অর্থাৎ, অন্ধবিশ্বাসী আচাৰ-আচৰণ প্ৰতিখন সমাজতে দেখিবলৈ পোৱা যায় আৰু ই সাধাৰণ ধ্যান-ধাৰণা প্ৰণালীটোৰ এক অংশ মাত্ৰ। এতেকে, পৰম্পৰা আৰু ৰীতি-নীতিৰ অংশ হিচাপে সমাজৰ বিভিন্ন বিষয়ত দৃষ্টিভঙ্গী গঠন প্ৰক্ৰিয়াত অন্ধবিশ্বাসে এক গুৰুত্বপূর্ণ প্ৰভাৱ পেলাই আহিছে।পুৰণি দিনৰ চয়তানৰ সাধু, মহানায়কৰ কাহিনী আৰু পৰম্পৰাৰ মাজৰ পৰা অন্ধবিশ্বাসবোৰে সাৰ-পানী লৈ আজিকোপতি জীয়াই আছে। বিভিন্ন জীৱ-জন্তু মৰিশালি, ভুত-পিঁশাচ, কিছুমান নির্জীৱ বস্তু অন্ধবিশ্বাসৰ অন্তর্ভুক্ত।

## ৮.৩ অন্ধবিশ্বাসৰ প্ৰকৃতি

ভিন্ন সমাজত অন্ধবিশ্বাসৰ প্ৰকৃতিও ভিন্ন। অন্ধবিশ্বাসৰ উৎস বহুলাংশে লুকাই থাকে সমাজৰ সাংস্কৃতিক আৰু ধৰ্মীয় বিশ্বাসৰ অন্তৰালত। সংস্কৃতিৰ ঠাল-ঠেঙুলি স্বৰূপ অন্ধবিশ্বাস বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়। বিভিন্ন সমাজৰ লোকে প্ৰাচীন কালৰে পৰা গভীৰ আস্থাৰে নাইবা সামান্য আস্থাসহকাৰে অপায়-অমঙ্গল দূৰ কৰি সৌভাগ্য মাতি আনিবলৈ, ভৱিষ্যবাণী কৰিবলৈ, দুৰ্ঘটনা নাইবা ৰোগ প্ৰতিৰোধৰ বাবে যুক্তিহীন প্ৰক্ৰিয়াৰ আচাৰ-আচৰণ কৰি আহিছে। ঈশ্বৰৰ কোপদৃষ্টিৰ প্ৰভাৱবিশ্বাস কৰা নাইবা ৰক্ষাকৱচৰ ওপৰত ভাৰসা কৰা কিছুমান লোক সাংস্কৃতিক পৰম্পৰা পৃথিৱীৰ প্ৰায়বোৰ সমাজৰে ইতিহাসত পঢ়িবলৈ পোৱা যায়। কিছুমান ধ্যান-ধাৰণা অৱশ্যে নিৰ্দিষ্ট দেশ, অঞ্চল, গাঁও, পৰিয়াল, সামাজিক অথবা কৰ্ম সম্প্ৰদায়ৰ মাজতে সীমাৱদ্ধ হৈ থকা দেখা যায়। অৰ্থাৎ অন্ধবিশ্বাসী ধ্যান-ধাৰণাবোৰৰ গুৰি ধৰ্ম, সংস্কৃতি নাইবা ব্যক্তিগত ধ্যান-ধাৰণাত সোমাই থাকে বুলি ক'ব পৰা যায়।

অন্ধবিশ্বাস প্ৰতিটো ধৰ্মৰে অঙ্গ স্বৰূপ। কেতিয়াবা, এজন লোকৰ ধৰ্ম আন এজনৰ বাবে অন্ধবিশ্বাসৰ কাৰণ হোৱা দেখা যায়। কনষ্টাণ্টিনসকলে পেগাবাদক অন্ধবিশ্বাস বোলে, টেচিটাছসকলে খৃষ্টান প্ৰথাক অনিষ্টকাৰী অন্ধবিশ্বাস বোলে। এইদৰে, ধৰ্মত বিশ্বাস নথকা লোক এজনৰ বাবে সকলো ধৰ্মীয় বিশ্বাসেই অন্ধবিশ্বাস। বেছিভাগ ক্ষেত্ৰতে অন্ধবিশ্বাসৰ সাংস্কৃতিক আৰু ধৰ্মীয় ভেটি অঙ্গাঙ্গীভাৱে সাঙোৰ খাই থকা দেখা যায়।

মানুহে ব্যক্তিগত অন্ধবিশ্বাস গঢ়ি লোৱাও দেখা যায়। যেনে— নিৰ্দিষ্ট দিনৰ বাবে নিৰ্দিষ্ট ৰঙৰ বস্ত্ৰ সৌভাগ্যৰ প্ৰতীক বুলি গণ্য কৰি সেই দিনত উক্ত ৰঙৰ পোছাক পিন্ধি দিনটোৰ শুভফলবোৰ আহৰণ কৰিব বিচাৰে। আকৌ, কোনো শিক্ষাৰ্থীয়ে নিৰ্দিষ্ট কলম একোটাক সৌভাগ্যৰ প্ৰতীক বুলি জ্ঞান কৰি পৰীক্ষাত ভাল ফল পাবলৈ সেই বিশেষ কলম টোহে ব্যৱহাৰ কৰিব পাৰে। সপ্তাহৰ কোনো এটা দিনত শুভকাংক্ষিত ফল লাভ কৰিবলৈ উপবাসে থকাটোও বহুতৰ মতে শুভকাম। একেদৰে, সপ্তাহৰ ভিন্ন দিনক ভিন্ন হিন্দু দেৱতাৰ নামত উচৰ্গা কৰি পালন কৰাটোও প্ৰণিধানযোগ্য।

ইতিহাসৰ পৃষ্ঠাতো অন্ধবিশ্বাসৰ প্ৰভাৱশালী ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ উল্লেখ পঢ়িবলৈ পোৱা যায়। তথাকথিত আধুনিক সমাজতো ঈশ্বৰৰ কোপদৃষ্টিৰ প্ৰভাৱৰ কথা সহকাৰে গুৰুত্ব মানি চলা দেখা যায়। কিছুমান লোকক জোৰ কৰি সুধিলেই তেওঁলোকে একাধিক অন্ধবিশ্বাস মানি চলাৰ কথাটো স্বীকাৰ কৰিব।



**চিন্তা-চৰ্চা কৰক ৮.১**

আপুনি বৰ্তমান নকৰিলেও পূৰ্বতে কোনো অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ কোনো কাম কৰিছিল। নেকি? যদি কৰিছিলক তাৰ এখন তালিকা প্ৰস্তুত কৰে আৰু এতিয়া সেই সম্পৰ্কত কি মন্তব্য আগবঢ়াব?

## ৮.৪ অন্ধবিশ্বাস আৰু ভাৰতীয় সমাজ

আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে পৃথিৱীৰ প্ৰতিখন সমাজতে অন্ধবিশ্বাসৰ প্ৰচলন আছে আৰু ভাৰতীয় সমাজো ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতীয় সমাজব্যৱস্থা ইয়াৰ গঠন, পদ্ধতি আৰু কাৰ্য্যাৱলীৰ ফালৰ পৰা অন্য সমাজব্যৱস্থাতকৈ পৃথক। অন্ধবিশ্বাসৰ ধ্যান-ধাৰণাবোৰ ভাৰতীয় সমাজৰ ৰীতি-নীতি, পৰম্পৰা, সামাজিক প্ৰমূল্যবোধ আৰু সামাজিক পৰিৱেশৰ অবিচ্ছেদ্য অঙ্গ স্বৰূপ।

ভাৰতীয় সমাজব্যৱস্থাত অন্ধবিশ্বাসৰ প্ৰসঙ্গ এক সাধাৰণ পৰিঘটনা। ভাৰতীয় লোকৰ গাৰ্হস্থ্য জীৱনৰ পৰা কৰ্ম জীৱনলৈকে প্ৰতিটো দিশতে অন্ধবিশ্বাসে বাহৰ পাতি আছে। প্ৰায় সৰহ সংখ্যক অন্ধবিশ্বাসৰ ভিত্তি হ'ল অপশক্তিত থকা বিশ্বাস। মানুহে ভাবে যে অপশক্তিৰ প্ৰভাৱ দূৰ নকৰিলে আমাৰ দৈনন্দিন কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াত নানা অসুবিধাৰ সৃষ্টি হ'ব। এনে কিছুমান ধ্যান-ধাৰণা পূৰ্বতে বৈজ্ঞানিক যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আছিল যদিও সময় বাগৰাৰ লগে লগে এইবোৰে বৈজ্ঞানিক ভিত্তি হেৰুৱাই পেলাইছিল আৰু অযুক্তিকৰ ব্যাখ্যাত পৰিণত হৈছিল। কোনো কাৰণ নোহোৱাকৈয়ে এই ধাৰণাবোৰ সমাজত প্ৰতিপালিত হ'বলৈ ধৰিলে। এইদৰে পূৰ্বৰ বহুতো ধ্যান-ধাৰণাই সাধাৰণ ব্যৱহাৰিক উপযোগিতা হেৰুৱাই জনসাধাৰণৰ বাবে অনাহক বোজা স্বৰূপ হৈ পৰিল। কিছুমান ধ্যান-ধাৰণাই এনে ৰূপ ল'লে যে সেইবোৰ অৱমাননা কৰা মানে পাপ নাইবা অপৰাধ কৰা বুলি সমাজে ধৰি লয়।

অন্ধবিশ্বাসক শুভ-অশুভ নাইবা মঙ্গল-অমঙ্গলৰ চিন হিচাপে গণ্য কৰিবলৈ লোৱা হ'ল। অন্ধবিশ্বাসীসকলৰ বাবে কোনো অন্ধবিশ্বাস অস্বীকাৰ কৰা মানেই যেন অদৃশ্য শক্তিৰ পৰা শাস্তি ভোগ কৰিবলৈ আগবাঢ়ি যোৱা। এই ধৰণৰ ধ্যান-ধাৰণাবোৰ ঘৰ, কাৰ্য্যালয়, বিভিন্ন স্থান আদিত সাধাৰণভাৱে বিভিন্ন ৰাজহুৱা মানুহে মানি চলা পৰিলক্ষিত হয়। এই ধ্যান-ধাৰণাবোৰ সন্দেহৰ চকুৰে নাচাই এইবোৰৰ সপক্ষে দৃঢ় সমৰ্থন আগবঢ়াই আৰু এনে বিশ্বাসপালন কৰি মানুহ বিভিন্ন অশুভ পৰিণামৰ পৰা হাত সাৰি থাকিব বিচাৰে। অন্ধবিশ্বাস বহুতো ভাৰতীয়ৰ মনত দ'কৈ শিপাই থকা বিশ্বাস কিছুমান বিশ্বাসৰ মাজত সত্যনিষ্ঠ বৈজ্ঞানিক ভিত্তি নথকাও নহয়। বিভিন্ন সামাজিক সচেতনতা সৃষ্টিৰ বাবে এসময়ত এনে বিশ্বাস প্ৰয়োগ কৰা হৈছিল। এগৰাকী মহিলাক তেওঁৰ মাহেকীয়া ঋতুকালীন সময়ত জিৰণি দিয়াৰ উদ্দেশ্যেৰে আচুতীয়াকৈ থাকিবলৈ দি বিভিন্ন ৰীতি-নীতি পালনৰ দিহা দিয়া, পুঁৱতি নিশাতেই উঠি ঘৰ-দুৱাৰ সাৰি-মচি পৰিষ্কাৰ-পৰিচ্ছন্নতা অটুট ৰখা আদি কাম কৰিবলৈ উপদেশ দি অসমৰ জাতীয় ধৰ্মগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে ঘৰুৱা কাম-বনৰ বিশৃংখলতা দূৰ কৰাৰ উপায় দিছিল। সময় বাগৰাৰ লগে লগে এইবোৰৰ লগত সংলগ্ন হৈ থকা যুক্তি-বিজ্ঞান সকলো আঁতৰি গৈ প্ৰকৃত উদ্দেশ্যৰ পৰা ফালৰি কটাৰ ফলত কথাবোৰৰ সত্য-শুদ্ধতা নোহোৱা হ'ল। বহুতো ধ্যান-ধাৰণাই পূৰ্বৰ আচল ৰূপ হেৰুৱাই, বিকৃত-অযুক্তিকৰ ৰূপত আজিও সমাজত প্ৰচলিত হৈ আছে।

একেদৰে, কাৰোবাৰ ঘৰত কাউৰীয়ে ৰমলিয়ালে ঘৰখনলৈ অতিথি আগমন ঘটিব বুলি বিশ্বাস কৰা হয়। যাত্ৰা পথত ময়ূৰ দেখাটো শুভ লক্ষণ হ'লেও ইয়াৰ মাত শুনিবলৈ পোৱাটো

অশুভ বুলি জ্ঞান কৰা হয়। ভাৰতীয়সকলে ঘৰত ঘনচিৰিকাই বাহ লোৱাটোক সৌভাগ্য আগমনৰ বার্তা বুলি গণ্য কৰে। এক প্রাচীন বিশ্বাস মতে মেকুৰী মাৰিলে ব্রাহ্মণক সোণৰ মেকুৰী দান দিব লাগে। হয়তো ব্রাহ্মণসকলেই ঘৰত নিগনি খেদিবলৈ মেকুৰীৰ প্রয়োজনীয়তাৰ, প্রতি গুৰুত্ব দি প্রাচীন কালতে মেকুৰীৰ সুৰক্ষাৰ বাবে এই নিয়মৰ প্রচলন কৰিছিল।

আকৌ, ভাৰতীয় লোকসকলে ঘৰুৱা যিকোনো শুভকামৰ বাবে জ্যোতিষীৰ কায চাপি শুভলগ্ন উলিয়াই লয়। ক'ৰবালৈ যাত্রা কৰাৰ সময়ত ধান, মাহ আদি শস্য নাইবা সদ্য বিবাহিত লোকক দেখাতো এক মঙ্গলজনক কথা বুলি বিবেচনা কৰা হয়।আনকি ভাৰতীয় সমাজত সপোনৰ ব্যাখ্যা আগবঢ়াব পৰা লোকো দেখা পাওঁ। দৰাচলতে প্রাচীন ধ্যান-ধাৰণা আৰু অন্ধবিশ্বাসেই ভাৰতীয় সমাজৰ চিৰাচৰিত দৈনন্দিন জীৱন পৰিচালিত কৰে। উদাহৰণ স্বৰূপে, মঙলবাৰে চুলি কটা আৰু বৃহস্পতিবাৰে মূৰ ধোৱাটো অমঙ্গলীয়া কার্য্য বুলি ভবা হয়।

ভাৰতীয় সমাজত অন্ধবিশ্বাসৰ ধ্যান-ধাৰণাবোৰ ইমান গভীৰভাৱে শিপাই আছে যে এইবোৰেই বিভিন্ন সমাজৰ ভেটি ৰচনা কৰিছে। ভাৰতীয় সমাজ ৰক্ষণশীল বুলি থকা সাধাৰণ ধাৰণাৰ বিপৰীতে এই বিশ্বাসবোৰ প্রতিনিয়ত পৰিৱর্তনশীল। সমাজৰ বিভিন্ন উপাদানত এই পৰিৱর্তন দেখিবলৈ পোৱা যায়। জনগোষ্ঠীয় নাইবা সাম্প্রদায়িক বিধি-ব্যৱস্থাৰ মাজতথাকোতেই পৰিয়াল, বিবাহ আদি সামাজিক অনুষ্ঠানত বহুতো পৰিৱর্তন সংঘটিত হৈছে। এই পৰিৱর্তনবোৰে পূর্বৰ ৰীতি-নীতি,পৰম্পৰাৰ ওপৰত গভীৰ প্রভাৱ বিস্তাৰ কৰি প্রচলিত ধ্যান-ধাৰণা আৰু অন্ধবিশ্বাস সলনি কৰিবলৈ লৈছে।

ভাৰতত প্রচলিত অন্ধবিশ্বাসী ধ্যান-ধাৰণাত সাধাৰণ চেতনাৰ অভাৱ স্পষ্টকৈ ধৰা পৰে। 'সাধাৰণ চেতনা' আৰু 'লোকবিশ্বাস'ৰ মাজৰ পার্থক্য হ'ল— সাধাৰণ চেতনাক ভিত্তি কৰি লোকবিশ্বাসৰ মাজত অন্ধবিশ্বাসী ধ্যান-ধাৰণা গঢ় লৈ নুঠিবও পাৰে। আনহাতে, সাধাৰণ চেতনা সদায় কার্য্যকাৰণ ভিত্তিক, যুক্তি নির্ভৰ বলিষ্ঠ পৰম্পৰা। প্রাচীন সমাজব্যৱস্থাই যুক্তি আৰু কাৰণৰ বাচ-বিচাৰ নকৰাকৈ ৰীতি-নীতি, পৰম্পৰাক ভিত্তি কৰি চলিছিল।

আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে বিশ্বৰ আন আন সমাজৰ দৰে ভাৰতীয় সমাজৰ অন্ধবিশ্বাস প্রাচীন সাংস্কৃতিক আৰু ধর্মীয় পৰম্পৰাৰ বর্হিপ্রকাশ মাত্র। সেই কাৰণে বিভিন্ন কাৰণত স্নান কৰা, উপাসনা গৃহত সোমোৱাৰ আগেয়ে জোতা-চেণ্ডেল খোলা আদি নিয়মক প্রশ্ন কৰাৰ পৰিৱর্তে সাধাৰণভাৱেই গ্রহণ কৰা হয়। বহুতো অন্ধবিশ্বাসী ধ্যান-ধাৰণাই সমাজৰ ভিন্ন গোট, শ্রেণী, গোষ্ঠীৰ মাজত বিভাজন সৃষ্টি কৰি ভাঙোন আনে বাবে ইয়াক হানিকাৰক বুলি গণ্য কৰা হয়। ভাৰতীয় সমাজত প্রচলিত জাতিভেদ প্রথাই ভিন্ন মূলৰ লোকৰ মাজত বিভেদ সৃষ্টি কৰে বাবেই সামাজৰ উন্নতিৰ অন্তৰায়। তথাকথিত ব্রাহ্মণসকলে উচ্চবর্ণ ৰূপে আন সম্প্রদায়ৰ তুলনাত আগস্থান লাভ কৰে। আনহাতে, শূদ্রসকলক সমাজতন্ত্রৰ সর্বনিম্ন পর্য্যায়ৰ জাতি হিচাপে সমাজে হেয় জ্ঞান কৰে। কিছু বছৰৰ আগলৈকে জাতিভেদৰ সীমা সুদৃঢ় আৰু অনমনীয় ৰূপত নির্ধাৰণ কৰি থোৱা আছিল আৰু বর্তমানেও এই প্রথাৰ অন্ত পৰা নাই। জাতিভেদ প্রথাক সদায় পৰিত্রতা, অস্পশ্যতা আদিৰ দৰে অন্ধবিশ্বাসী ধাৰণাবোৰে প্রৰোচিত কৰি আহিছে। উচ্চবর্ণৰ লোক এজনক

নীহকুলীয়া লোকে স্পর্শ কৰিলে চুৱা লাগে নাইবা ব্যক্তিজন অপৱিত্ৰ হৈ পৰাৰ দৰে অন্ধবিশ্বাসী ধাৰণাবোৰৰবাবে নীচ জাতৰ লোকসকলে উচ্চবৰ্ণৰ লোকৰ পৰা দূৰত্ব বজাই ৰাখি চলিব লাগে জাতীয় ধাৰণাবোৰ আজিও ভাৰতীয় সমাজত প্ৰচলিত।

অন্ধবিশ্বাসী ধ্যান-ধাৰণাবোৰ সমাজৰ কিছু বিশেষ গোটৰ মাজত বেছিকৈ প্ৰচলিত আছিল। এইবোৰৰ ভিত্তিত তেওঁলোকক শোষণ কৰি থকা হৈছিল। বিশেষকৈ মহিলাসকলক বিভিন্ন অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ সৈতে সাঙোৰা হয়। উদাহৰণ স্বৰূপে, ঋতুস্ৰাৱ হোৱা মহিলাসকলক অপৱিত্ৰ আৰু বিধৱাসকলক সমাজৰ বিভিন্ন কামৰ বাবে অশুভ বুলি ধৰা হয়। মহিলাসকলক ডাইনী আখ্যা দিয়া হয় আৰু বহুসময়ত এই সন্দেহতে অমানুষিক অত্যাচাৰ কৰি হত্যাও কৰা হয়। তন্ত্ৰ-মন্ত্ৰ, ক'লা যাদু সমৰ্থন কৰা লোক আজিও সমাজত আছে। এই কথাটোলৈ লক্ষ্য কৰিলেই অন্ধবিশ্বাসী ধ্যান-ধাৰণা আমাৰ সমাজত কিমান গভীৰলৈ শিপাই আছে সেয়া তাক অনুমান কৰিব পাৰি।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** খালী ঠাই পূৰণ কৰক—

ক) অন্ধবিশ্বাসৰ উৎস বহুলাংশে লুকাই থাকে ..... আৰু ..... আঁৰত

খ) কনষ্টাণ্টিন সকলে ..... অন্ধবিশ্বাস বোলে।

**প্ৰশ্ন নং ২ ঃ** সত্যা সত্য বিচাৰ কৰক—

ক) ভাৰতীয় মহিলাসকলক বিভিন্ন অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ সৈতে সাঙোৰা হয়।

খ) বহুতো অন্ধবিশ্বাসী ধ্যান-ধাৰণাই সমাজৰ বিভিন্ন গোট, শ্ৰেণী, গোষ্ঠীৰ মাজত বিভাজন সৃষ্টি কৰি ভাঙোন আনে বাবে ইয়াক হানিকাৰক বুলি গণ্য কৰা হয়।

## ৮.৫ অন্ধবিশ্বাস কেন্দ্ৰিক কু-সংস্কাৰৰ কাৰণসমূহ

অজ্ঞতাজনিত ভয়েই অন্ধবিশ্বাসক সাৰ-পানী যোগান ধৰে। প্ৰাচীন সভ্যতাৰ আৰম্ভণিৰ পৰা আমি উত্তৰাধিকাৰী সূত্ৰে লাভ এই অন্ধবিশ্বাসবোৰ যুগে যুগে পালন কৰি আহিছো। আজিৰ বিজ্ঞান-প্ৰযুক্তি তথা আধুনিক শিক্ষাৰ কালতো বিভিন্ন অন্ধবিশ্বাসী ধ্যান-ধাৰণা সমাজে পুহি ৰাখিছে।

অজ্ঞতাই মানুহক কাল্পনিক আৰু অযুক্তিকৰ চিন্তা-ধাৰণাৰ বলি কৰে। অজ্ঞ লোক এজনে বিজুলী-ঢেৰেকনিৰ কাৰণ ব্যাখ্যা কৰিব নোৱাৰে। তেওঁ ইয়াৰ কেৱল কাল্পনিক কাৰণহে ব্যাখ্যা কৰিব পাৰে। এনে ধৰণৰ প্ৰাকৃতিক সংঘটনৰ আঁৰত বিভিন্ন অদৃশ্য শক্তিৰ হাত থকা বুলিয়েই তেওঁ ধৰি ল'ব। মানুহে আত্মা, ভুত, চয়তান নাইবা ডাইনী থকাৰ কথা বিশ্বাস কৰে।

এই অশুভ শক্তিসমূহক বশ কৰিবলৈ তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকাইহে কাম দিয়ে বুলিও তেওঁলোকে বিশ্বাস কৰে।

সমাজৰ শিক্ষিত, জনা-বুজা লোকসকলেও বহুসময়ত অন্ধবিশ্বাসী ধ্যান-ধাৰণাক সমর্থন কৰে। এজন প্ৰসিদ্ধ হিন্দু পূজাৰীয়ে তেওঁৰ জীয়েকক তথাকথিত অন্য সম্প্ৰদায় নাইবা ধৰ্মৰ যুৱক এজনলৈ বিয়া দিয়াৰ প্ৰৱল বিৰোধিতা কৰিব। প্ৰচলিত ধ্যান-ধাৰণা উপেক্ষা কৰাৰ ফলত হ'ব পৰা কু-ফল ভোগ কৰিবলৈ মানুহে সাহ নকৰে।

**অন্ধবিশ্বাসৰ কাৰণসমূহ—**

ক) যিকোনো সংঘটনৰ বৈজ্ঞানিক কাৰণ বুজিব নোৱাৰাকৈ শিক্ষাৰ অভাৱে এজন লোকক অজ্ঞ কৰি ৰাখে।

খ) মানুহে ভাবে যে বিজ্ঞ পূৰ্বপুৰুষে প্ৰাচীন প্ৰমাণৰ ভিত্তিত প্ৰচলন কৰা অন্ধবিশ্বাসক সন্মান কৰা উচিত।

গ) কোনো যুক্তিনিষ্ঠ কাৰণ নোহোৱাকৈয়ে প্ৰাচীন পৰম্পৰাসমূহ পুৰুষানুক্ৰমে চলি আহিছে। যেনে— ধৰ্মৰ দোহাই দি কোৱা হয় যে বছৰৰ কিছুমান দিন শুভ আৰু কিছুমান অশুভ।

ঘ) বহুতো অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ উৎস হ'ল ধৰ্মগ্ৰন্থসমূহ।

ঙ) দীন-দৰিদ্ৰ লোকসকলে ব্যয়বহুল ঔষধ-পাতিৰ খৰচ বহন কৰিব নোৱাৰি অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰেই অসুখ-বিসুখৰ কাৰণ আৰু নিৰাময়ৰ উপায় বিচাৰে।

চ) প্ৰাচীন ৰীতি-নীতি, পৰম্পৰাৰ অংশ হিচাপে অন্ধবিশ্বাসী ধ্যান-ধাৰণাবোৰো সমাজে উত্তৰাধিকাৰী হিচাপে লাভ কৰিছে। সন্তানে তেওঁলোকৰ পিতৃ-মাতৃৰ ধ্যান-ধাৰণা, সামাজিক আচাৰ-আচৰণবোৰ শ্ৰদ্ধাসহকাৰে মানি চলিবলৈ চায়। শিশু অৱস্থাৰ পৰা ই মানিচলা ধ্যান-ধাৰণাবোৰৰ পৰা নিজকে আঁতৰাই আনিবলৈ মানুহে বেয়া পায়। এজন লোকৰ ব্যক্তিত্বৰ পৰিচায়ক ধ্যান-ধাৰণাবোৰক বিদ্যালয়ৰ দৰে প্ৰাথমিক সামাজিক অনুষ্ঠানত ধ্যান-ধাৰণাই যথেষ্ট প্ৰভাৱিত আহৰণ কৰে, য'ত সঙ্গতকৈ অভিভাৱকৰ প্ৰভাৱ অধিক।

ছ) ৰীতি-নীতি, ধৰ্ম, পৰম্পৰাই সমাজত সক্ৰিয় ভূমিকা পালন কৰে বাবেই অন্ধবিশ্বাসেও সমাজত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আছে। সমমনোভাৱাপন্ন এটা দলৰ সদস্য এজনে সদায় নিজকে প্ৰমূল্যবোধ সম্পন্ন আৰু শক্তিশালী হিচাপে গণ্য কৰে। সেইবাবে ধৰ্ম, সংস্কৃতি আৰু পৰম্পৰাৰ ব্যৱহাৰিক উদ্দেশ্যই এজন লোকৰ নিসঙ্গতা দূৰ কৰাৰ লগতে মাদক নাইবা নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰাই ৰখা আৰু খং, মানসিক চাপ, দুঃচিন্তা আদিৰ পৰা মানুহক নিৰাপদে ৰাখে বুলি ভবা হয়।

জ) ধৰ্মীয় নীতি-নিৰ্দেশনা মনাৰ লগতে অন্ধবিশ্বাসৰ তাগিদাত চলাৰ অৰ্থ হ'ল সুনিৰ্দিষ্ট কৰি লোৱা নৈতিক মান অনুসৰি চলা।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৩ ঃ** অন্ধবিশ্বাসী ধ্যান-ধাৰণা বর্তি থকাৰ যিকোনো তিনিটা কাৰণ উল্লেখ কৰক।

.....

**প্রশ্ন নং ৪ ঃ** অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ পৰা উদ্ভৱ হ'ব পৰা সমস্যাৰ বিষয়ে লিখক।

.....

## ৮.৬ সমাজত অন্ধবিশ্বাসৰ প্রভাৱ

সমাজৰ প্রতিটো জাতি-উপজাতি, ধর্ম, বর্ণৰ সুকীয়া সুকীয়া ৰীতি-নীতি, প্রমূল্যবোধ থাকে। প্রতিজন লোকেই এইধৰণৰ নীতি-নিয়ম আৰু প্রমূল্যবোধ মানি চলাৰ বাবেই ইয়াৰ প্রভাৱ সুদূৰ-প্রসাৰী। সামাজিক ৰীতি আৰু কার্য্যপন্থাৰ পৰিচালকসকলৰ প্রভাৱত অন্যসকলে পালন কৰি অহা এই ধ্যান-ধাৰণা, বিশ্বাসবোৰ বহুক্ষেত্রত অস্পষ্ট আৰু হাস্যস্পদ। যুগ যুগ ধৰি প্রচলিত এই ৰীতি-নীতিবোৰে সময় সলনি হোৱাৰ লগে লগে নতুন নতুন বৈশিষ্ট্যৰ সংযোজনেৰে নতুন মাত্রা লাভ কৰে। আমি ইতিমধ্যে আলোচনা কৰিছো যে এই ধৰণৰ অন্ধবিশ্বাসী ধ্যান-ধাৰণাই সমাজৰ সংস্কৃতি আৰু পৰম্পৰাত প্রাচীন কালৰে পৰা অতি গুৰুত্বপূর্ণ প্রভাৱ বিস্তাৰ কৰি আহিছে। প্রতিটো সভ্যতাৰ উত্তৰাধিকাৰীসকলে অন্ধবিশ্বাসী ধ্যান-ধৰণাসমূহ বংশানুক্রমিকভাৱে লাভ কৰে। শিক্ষাই অন্ধবিশ্বাসী ধ্যান-ধাৰণাসমূহ নির্মূল কৰিব বুলি আশা কৰা হৈছিল যদিও যে সমাজৰ সৰহসংখ্যক লোকৰ বিশ্বাসেৰে এই ধাৰণাবোৰ আজিও বর্তি হৈ আছে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে বিভিন্ন কাৰণত অন্ধবিশ্বাসী ধ্যান-ধাৰণাসমূহৰ সমাজত প্রচলন ঘটে এই ধ্যান-ধৰণাসমূহ ভুল বুলি প্রমাণিত কৰিব বিচৰা প্রচেষ্টাবোৰ বাৰে বাৰে বিফল হোৱাটোৰেই এই ধাৰণাসমূহ কিমান শক্তিশালী তাৰ প্রধান প্রমাণ। সাধাৰণ নির্দোষী লোকক কেৱল মাত্র সন্দেহৰ ভিত্তিতে ৰাজহুৱা বিচাৰ প্রক্রিয়াৰে দোষী সাব্যস্ত কৰি ডাইনী সজাই শাস্তি বিহা ঘটনাৰ পুনৰাবৃত্তি অন্ধবিশ্বাসৰ শক্তিৰ এক জলন্ত উদাহৰণ। শিক্ষাৰ পোহৰ নোপোৱা লোকসকলৰ মাজত ইয়াৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে সময়ে সময়ে বিভিন্ন প্রচেষ্টা হাতত লোৱা হৈছে যদিও এতিয়াও আশা কৰা ধৰণে সফলতা অহা নাই। এটা সাধাৰণ উদাহৰণ; ধৰি লোৱা হ'ল যে 'ঘৰৰ পৰা ওলোৱাৰ সময়ত হাঁচি মাৰিলে বেয়া' বুলি যদি এজন লোকক জনাই দিয়া হ'ল। কিবা কাৰণত তেওঁ কৰিবলৈ ওলাই যোৱা কামটো যদি সমাধা নহয়; তেন্তে ঘৰৰ পৰা ওলোৱাৰ পৰত যদি কোনোবাই হাঁচি মাৰিছিল, সেই কার্য্যটোকেই তেওঁ জগৰীয়া কৰিব আৰু এই অন্ধবিশ্বাসটো মানিবলৈ ল'ব। এইদৰেই দেখা যায়, মানুহে বিফলতা নাইবা দূৰাৱস্থা এৰাই চলিবলৈ এই ধৰণৰ অমূলক ধ্যান-ধাৰণাক সচেতনভাৱে প্রশ্রয় দি মন-মগজুত পুহি ৰাখে। নৃতত্ত্ববিদ আৰু মনস্তাত্ত্বিকসকলে ক'ব বিচাৰে যে জীৱনৰ বিভিন্ন বিফলতা আৰু

অনিশ্চয়তা এৰাই চলি এই জটিল পৃথিৱীত সূচাৰুৰূপে চলিবলৈকে মানুহে অন্ধবিশ্বাসী ধ্যান-ধৰণাসমূহ মানি চলে। সমাজৰ আর্থ-সামাজিক বিকাশৰ ক্ষেত্রত অন্ধবিশ্বাসে এক সুদূৰপ্রসাৰী নেতিবাচক প্রভাৱ পেলাব পাৰে।

অন্ধবিশ্বাসৰ প্রতিফলসমূহ আমি তলত দিয়াৰ দৰে চিহ্নিত কৰিব পাৰোঁ—

১) সাধু, সন্ত, মৌলবী শ্রেণীৰ ধর্মগুৰুসকলে বিভিন্ন যুক্তিহীন, অমূলক ৰীতি-নীতিৰ নামত জনগণক শোষণ কৰাৰ ফলত সামজিক অগ্রগতি ব্যাহত হয়।

২) ডাইনী হত্যা, সতীদাহ আদিৰ দৰে নাৰীৰ নির্য্যাতনৰ ঘটনাবোৰে সমাজত যৌন নির্য্যাতন, ধর্ষণ, হত্যাৰ দৰে অপৰাধৰ ৰূপ লয়।

৩) মানুহৰ যুক্তিশীল মনটোক আৱদ্ধ কৰি প্রগতিশীল প্রচেষ্টা আৰু নতুন আৱষ্ণিৰ বাবে কৰা প্রয়াসবোৰ প্রতিৰোধ কৰে।

৪ ) দেশৰ অর্থনৈতিক উৎপাদনশীলতাত বাধা জন্মাই জনগণক অনর্থক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান পালন কৰি সময়, শক্তি আৰু অর্থৰ অপচয় কৰিবলৈ বাধ্য কৰায়।

৫ ) অন্ধবিশ্বাসে মানুহক কর্ম আৰু চিন্তাৰ প্রমূল্যবোধ উপলব্ধিৰ পৰা বঞ্চিত কৰে। কর্ম আৰু জীৱন সম্বন্ধীয় ভ্রান্ত ধাৰণা তথা দৃষ্টিভঙ্গী সৃষ্টি কৰি ই উন্নয়নৰ এক শক্তিশালী প্রতিবন্ধকৰ ভূমিকা পালন কৰে।

সচৰাচৰ অন্ধবিশ্বাসী ধ্যান-ধাৰণাবোৰৰ কুফলেই দেখিবলৈ পোৱা যায় যদিও কিছুক্ষেত্রত ইয়াৰ ব্যতিক্রম হিচাপে কোনো কোনো লোক কাচিৎ কেতিয়াবা উপকৃতও হয়। বিলিভিং ইন মেজিক-দ্য চাইক'লজি অব্ ছুপাৰষ্টিশ্বন" গ্রন্থৰ প্রণেতা 'ষ্টুৱার্ট বাইচ'এ আঙুলিয়াই দিছে যে "আমি জীৱনত সৌভাগ্য বিচাৰি ইয়াৰ লগত সঙ্গতি নথকা ভিন্ন বিষয়ৰ যোগসূত্র টানি আনো।" অন্ধবিশ্বাসৰ এটা ইতিবাচক দিশ হ'ল ই অনিশ্চিত জটিল পৰিস্থিতিৰ মুখামুখি হ'বলৈ মানুহক মানসিক শক্তি যোগানধৰি সমর্থন আগবঢ়ায়। চিকাগো বুথ স্কুল অব্ বিজনেছ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক জেন ৰিচেনৰ মতে অন্ধবিশ্বাসে মানুহক অনুভৱ কৰিবলৈ শিকায় যে তেওঁলোকে নিজ পৰিৱেশটো ভালকৈ বুজি পায়, কিছুমান ঘটনাৰ পূর্বানুমান কৰিব পাৰে আৰু তেনে ঘটনা নিয়ন্ত্রণ কৰিব পাৰে। এয়া যেন ইতিবাচক ৰূপত আৱেগৰ সবলীকৰণ।

ভালেই হওক নাইবা বেয়াই হওক, অন্ধবিশ্বাস হ'ল অস্বীকাৰ নাইবা অৱজ্ঞা কৰিব নোৱাৰা এক বাস্তৱ সত্য। চৰম ৰূপত অন্ধবিশ্বাসে সামাজিক অস্থিৰতা আনিব পাৰে। সেয়েহে যথেষ্ট সাৱধানতা আৰু যুক্তি বিচাৰ কৰিহে প্রচলিত ধ্যান-ধাৰণাবোৰ গ্রহণ কৰাটো বাঞ্চনীয়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৫ ঃ** অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ তিনিটা প্রধান বিৰূপ প্রভাৱৰ বিষয়ে লিখক।

.....

**প্রশ্ন নং ৬ঃ** অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ সম্ভাৱ্য ইতিবাচক প্রতিফলবোৰ কি কি?

.....

.....

.....

.....

.....

## ৮.৭ অন্ধবিশ্বাস আৰু আইন

অন্ধবিশ্বাসী ধ্যান-ধাৰণাবোৰৰ দ্বাৰা ব্যাপক ৰূপত সমাজখন প্রভাৱিত হোৱালৈ লক্ষ্য ৰাখি বিভিন্ন সাংবিধানিক আৰু আইনসঙ্গত ব্যৱস্থা প্রৱর্তিত কৰা হৈছে। এইবোৰৰ উদ্দেশ্য হ'ল অসৎ চৰিত্রার্থ কৰাৰ লক্ষ্যেৰে অনিয়ন্ত্রিত ৰূপত অনুবিশ্বাসৰ অপপ্রয়োগ ৰোধ কৰা।

ভাৰতীয় সংবিধানৰ ৫১ ৪(এইছ) ধাৰা অনুসৰি "ভাৰতৰ প্রতিগৰাকী লোকৰে বিজ্ঞান মানসিসতা, মানৱতা, অনুসন্ধানমূলক তথা সংস্কাৰমূলক মানসিকতা পোষণ কৰাটো এক মৌলিক কর্ত্তব্য।" অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ বিপৰীতে ই ন্যায় আৰু যুক্তিসঙ্গত চিন্তাক দৃঢ়তাৰে সমর্থন কৰাৰো এনে চিন্তাক উদগনি যোগায়। যাদু মন্ত্রৰ বিধান আৰু ঔষধ (আপত্তিজনক প্রচাৰ) আইন, ১৯৫৪খনে যাদু-মন্ত্রৰ বিধান, বিভিন্ন ৰোগৰ বাবে তন্ত্র-মন্ত্র, তাবিজ আদি প্রদান কৰা কার্য্য বিষয়ক প্রচাৰৰ বিৰোধিতা কৰে। চৰকাৰে এনেধৰণৰ ৫৬ বিধ ৰোগৰ বিধি-বিধান চিনাক্ত কৰি, সেইবোৰৰ যাদুকৰী নিৰাময়ৰ বাবে প্রদান কৰা ঔষধ নাইবা আন সামগ্রীৰ প্রচাৰ আৰু বিক্রী দুয়োটাই নিষিদ্ধ কৰিছে। কিন্তু এনে বহুদিনৰে পৰা চলি থকা, বে-আইনী কার্য্যবোৰৰোধ কৰাত আইনী ব্যৱস্থাবোৰে সন্তুষ্টি লাভ কৰিব পৰাকৈ সফলতা পোৱা নাই। বৰঞ্চ আইনৰ বন্দোৱস্ত অতি পুতৌজনক বুলিহে প্রমানিত হৈছে। কাৰণ তালিকাখনত ১৪ বিধ ৰোগৰ পৰা বর্তমান আৰোগ্য লাভ কৰিব পৰা যায় বুলি প্রমাণিত হৈছে। আনহাতে, এইডছ্ৰ দৰে নতুন ৰোগৰ নাম তালিকাখনত অন্তর্ভুক্ত কৰাহোৱা নাই। পৰম্পৰাগত চিকিৎসা, যেনে— আয়ুর্বেদিক আদিৰ অন্তর্ভুক্তিৰ কৰিব পৰাকৈ এই আইনখন সংশোধনৰ প্রয়োজন হৈ পৰিছে।

ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৫এ ধাৰা অনুসৰি "কাৰোবাৰ ধর্মীয় চেতনাক আঘাত হানিব পৰাকৈ কোনো পক্ষই যদি উদ্দেশ্যপ্রণোদিতভাৱে উদ্ভণ্ডালি কৰে", তেন্তে তেনে লোক শাস্তিৰ যোগ্য। এই ধাৰা অনুসৰি "লিখিত নাইবা কথিত ৰূপত কোনো বক্তব্য নাইবা আনে বুজিব পৰাকৈ ডাঙি ধৰা কোনো সঙ্কেত চিন" আদিৰ বাবেও সর্বোচ্চ তিনি বছৰলৈকে শাস্তি বিহাৰ অৱকাশ ৰখা হৈছে। ১৯নং ধাৰা অনুসৰি (নাগৰিকৰ ভাব প্রকাশৰ স্বাধীনতা) এই আইন অসাংবিধানিক বুলি যুক্তি দর্শোৱা হয়। ১৯৫৭ চনৰ ৰামজী লাল মোডি বনাম উচ্চতম ন্যায়ালয় শীর্ষক গোচৰটোৰ প্রসঙ্গ এই ক্ষেত্রত বিশেষভাৱে উল্লেখযোগ্য। ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৫এ ধাৰা অনুসৰি ধর্মৰ সমালোচনা, অন্ধবিশ্বাস বিৰোধী কার্য্যকলাপ আৰু যুক্তিবাদীসকলৰ বিৰুদ্ধে মোকর্দ্দমা চলোৱাৰ সুযোগ থকালৈ চাই গোটেই বিষয়টোৱেই বেমেজালিপূর্ণ বুলি ধাৰণা হয়।

শেহতীয়াভাৱে, অন্ধবিশ্বাসী ধ্যান ধাৰণাই সমাজখন বিৰূপভাৱে প্ৰভাৱিত কৰা ঘটনা ৰোধ কৰিবলৈ কিছুমান স্থানীয় আইনী ব্যৱস্থাই বিশেষ পদক্ষেপ লোৱাটো পৰিলক্ষিত হৈছে।

বিহাৰত 'ডাইনী হত্যা প্ৰতিৰোধ আইন, ১৯৯৯' কাৰ্য্যকৰী কৰা হৈছে। ঝাৰখণ্ডতো তদ্ৰূপ আইন এখন প্ৰৱৰ্তন কৰা হৈছে। এই আইন অনুসৰি কোনো মহিলাৰ বিৰুদ্ধে ডাইনী বুলি অভিযোগ আনোতাজনক তিনিমাহ আৰু এনে অভিযোগেৰে শাৰীৰিক নাইবা মানসিক অত্যাচাৰ কৰোঁতাজনক ছয়মাহৰ কাৰাদণ্ড বিহা হ'ব পাৰে।

ছত্তিশগড় চৰকাৰেও 'টোনাহী প্ৰতাৰণা নিবাৰণ আইন, ২০১৫' প্ৰণয়ন কৰি কোনো মহিলাক সন্দেহৱশতঃ ডাইনী বুলি অভিযোগ অনাজনৰ বাবে তিনিবছৰ আৰু এনে অভিযোগেৰে শাৰীৰিকভাৱে হানি কৰাজনৰ বাবে পাঁচবছৰৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰিছে।

ৰাজস্থানত 'মহিলা (নিৰ্য্যাতন প্ৰতিৰোধী) বিধেয়ক, ২০১২' প্ৰস্তুত কৰি ডাইনী হত্যা প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে। উৰিষ্যা চৰকাৰেও ২০১৩ চনৰ ডিচেম্বৰত সৰ্বোচ্চ সাত বছৰৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থাৰে ডাইনী প্ৰথা বিৰোধী এখন আইন প্ৰস্তুত কৰিছে। একেই মাহতে মহাৰাষ্ট্ৰ চৰকাৰেও অন্ধবিশ্বাস বিৰোধী আৰু ক'লা যাদু-মন্ত্ৰ প্ৰতিৰোধকাৰী আইনখন প্ৰৱৰ্তন কৰিছে।

অসম বিধানসভায়ো ২০১৫ চনৰ আগষ্ট মাহত ডাইনী প্ৰথা (নিষিদ্ধ, প্ৰতিৰোধ আৰু সুৰক্ষা) বিধেয়কখন সৰ্বসম্মতিক্ৰমে গ্ৰাহ্য কৰি সমাজৰ পৰা অন্ধবিশ্বাস নিৰ্মূলৰ প্ৰয়াস আৰম্ভ কৰিছে এই আইনে নিষেধ কৰা কোনো কাৰ্য্য কৰিলে জামিনবিহীন, আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে তদন্ত কৰিব পৰা মোকৰ্দ্দমা আৰু মিটমাত কৰাৰ অযোগ্য অপৰাধ বুলি গণ্য কৰা হয়। ৰাজ্যখনত ক্ৰমবৰ্দ্ধিত ডাইনী হত্যাৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিক সমাজে কৰি অহা দাবীৰ ভিত্তিত এই আইনখন প্ৰণয়ন কৰা হৈছে। এইদৰে চৰকাৰ তথা প্ৰশাসনে দেশৰ পৰা অযুক্তিকৰ বিশ্বাসৰ ভেটিত সৃষ্টি হোৱা অন্ধবিশ্বাসী কাৰ্য্যবোৰ নিঃশেষ কৰিবলৈ বিভিন্ন আইন প্ৰণয়ন কৰি নিৰন্তৰভাৱে যুঁজি গৈছে।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৭ ঃ** ভাৰতীয় সংবিধানৰ কোনটো ধাৰা অনুসৰি "ভাৰতৰ প্ৰতিজন লোকৰে বিজ্ঞান মানসতা, মানৱতা, অনুসন্ধানমূলক তথা সংস্কাৰমূলক মানসিকতা পোষণ কৰাটো এক মৌলিক কৰ্তব্য"?

.....

**প্ৰশ্ন নং ৮ ঃ** কোনখন আইনে যাদু-মন্ত্ৰৰ বিধান, বিভিন্ন ৰোগৰ বাবে তন্ত্ৰ-মন্ত্ৰ, তাবিজ আদি প্ৰদান কৰা কাৰ্য্য প্ৰচাৰৰ বিৰোধিতা কৰে?

.....



## ৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অন্ধবিশ্বাস হ'ল সমাজত সাধাৰণতে দেখা পোৱা কিছুমান গভীৰভাৱে শিপাই থকা বিশ্বাস। ঘৰ, কার্য্যালয়, পথ সকলোতে যি কোনো সময়তে অন্ধবিশ্বাসৰ অস্তিত্ব বিচাৰি পোৱা যায়। প্রতিটো জাতি, গোষ্ঠী, সম্প্রদায়েই অন্ধবিশ্বাসী। ইয়াৰ ৰূপ ভিন্ন হ'লেও প্রতিখন সমাজতে অন্ধবিশ্বাসৰ উপস্থিতি অনুভৱ কৰিব পাৰি। ভাৰতীয় সমাজত সার্বজনীন ৰূপত দেখা পোৱা অন্ধবিশ্বাস সমাজৰ এক অবিচ্ছেদ্য অঙ্গ।
- যুক্তিপূর্ণ ধ্যান-ধাৰণাৰ, নিৰক্ষৰতা, বিজ্ঞান মনস্কতাৰ অভাৱৰ লগতে বিশেষ ঘটনা কিছুমান সঠিকভাৱে বুজাই দিবলৈ বিশেষজ্ঞ লোকৰ অভাৱেই অন্ধবিশ্বাসী ধ্যান-ধাৰণা বর্তি থকাৰ মূল কাৰণ। শিক্ষাৰ বিস্তাৰে অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ বাটত হেঙাৰ ঠিয় কৰালেও, জনশিক্ষা আৰু জনসচেতনতাৰ ব্যাপক প্রসাৰৰ পাছতো ইয়াৰ অস্তিত্ব থকাটো এক চিন্তনীয় বিষয়।
- ধর্মীয় চিন্তা আৰু অন্ধবিশ্বাসৰ মাজৰ প্রভেদ ৰেখাডাল অতি ক্ষীণ। সেইবাবেই যুক্তিবাদী বিশ্বাসবোৰ যেতিয়া অন্ধ হৈ পৰে তেতিয়াই ধর্মৰ দোহাই দি বিভিন্ন কৌশল প্রয়োগেৰে অন্ধবিশ্বাস বিয়পাই দিয়া হয়। অন্ধবিশ্বাসৰ দুটা ভিন্ন অংশ আছে। তাৰে এটা সৌভাগ্যৰ সৈতে আৰু আনটো দুর্ভাগ্যৰ সৈতে জড়িত। অন্ধবিশ্বাসৰ প্রতি থকা এজন লোকৰ দৃষ্টিভঙ্গীৰ ওপৰত ভিত্তি কৰি ইয়াৰ প্রভাৱ সুকীয়া সুকীয়া হয়। সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰোৱাৰ প্রয়োজন। সমাজৰ বিভিন্ন শ্রেণীৰ লোকক সামাজিক, আৱেগিক, আর্থিক আৰু ৰাজনৈতিকভাৱে প্রান্তীয়কৰণৰ ব্যৱস্থা গ্রহণ কৰি সংবিধানিক আৰু আইনী প্রক্রিয়াৰে দেশৰ চৰকাৰে নাগৰিকক অন্ধবিশ্বাসৰ কৰাল গ্রাসৰ পৰা মুক্ত কৰাৰ চেষ্টা চলাব পাৰে।



## ৮.৯ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Beteille, A. (1966): *Caste, Class and Power*. Berkeley and Los Angles.
2) Durkheim, E. (1961): *The Elementary Forms of the Religious Life*. New York: Collier Books.
3) Haralambos, M. & Read, R. M. (2015): *Sociology Themes and Perspectives*. Oxford University Press.
4) Srinivas, M. N. (2014): *Social Change in Modern India*. New Delhi: Orient Black Swan.



## ৮.১০ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ক) সংস্কৃতি; ধর্ম, খ) পেগাবাদক

**২নং প্রশ্নৰ উত্তৰ ঃ** ক) সঁচা, খ) মিছা

**৩নং প্রশ্নৰ উত্তৰ ঃ** দৰিদ্রতা, শিক্ষাৰ অভাৱ, ৰীতি-নীতি আৰু পৰম্পৰা।

**৪নং প্রশ্নৰ উত্তৰ ঃ** যুক্তিবাদী চিন্তাৰ অভাৱ, আর্থ-সামাজিক দুৰাৱস্থা আৰু অযুক্তিকৰ বিষয়ত বিশ্বাস।

**৫নং প্রশ্নৰ উত্তৰ ঃ** সর্বসাধাৰণক শোষণ কৰা, নাৰী নির্য্যাতন, মানুহৰ যুক্তিবাদী মনটোৰ ক্ষতি ইত্যাদি কৰা।

**৬নং প্রশ্নৰ উত্তৰ ঃ** অন্ধবিশ্বাসৰ এটা ইতিবাচক দিশ হ'ল ই অনিশ্চিত জটিল পৰিস্থিতিৰ সন্মুখীন হ'বলৈ মানুহক মানসিক শক্তি যোগানেৰে সমর্থনআগবঢ়ায়। চিকাগো বুথ স্কুল অব্ বিজনেছ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক জেন ৰিচেনৰ মতে যে অন্ধবিশ্বাসে মানুহক অনুভৱ কৰিবলৈ শিকায় যে তেওঁলোকে নিজ পৰিৱেশটো ভালকৈ বুজি পায়, কিছুমান ঘটনাৰ পূর্বানুমান কৰিব পাৰে আৰু তেনে ঘটনা নিয়ন্ত্রণ কৰিব পাৰে। এয়া যেন ইতিবাচক ৰূপত আৱেগৰ সবলীকৰণ।

**৭নং প্রশ্নৰ উত্তৰ ঃ** ভাৰতীয় সংবিধানৰ ৫১ ৪ (এইছ) ধাৰা।

**৮নং প্রশ্নৰ উত্তৰ ঃ** যাদু-মন্ত্রৰ বিধান আৰু ঔষধ (আপত্তিজনক প্রচাৰ) আইন, ১৯৫৪।



## ৮.১১ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** আমাৰ সমাজত প্রচলিত বিভিন্ন অন্ধবিশ্বাসৰ বিষয়ে আলোচনা কৰক। আপোনাৰ অভিজ্ঞতাৰ পৰা উদাহৰণ দিয়ক।

**প্রশ্ন ২ ঃ** উপযুক্ত উদাহৰণ দি ভাৰতীয় সমাজ আৰু অন্ধবিশ্বাসৰ মাজৰ সম্পর্কৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** অন্ধবিশ্বাসৰ কাৰণ সম্পর্কে বিতংকৈ আলোচনা কৰক।

**প্রশ্ন ৪ ঃ** অন্ধবিশ্বাসৰ গভীৰ প্রভাৱৰ বিষয়ে সংক্ষেপে আলোচনা কৰক।

**প্রশ্ন ৫ ঃ** সমাজৰ এজন লোকে অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ বাবে মুখামুখি হ'বলগীয়া হোৱা বিভিন্ন সমস্যাসমূহৰ বিশ্লেষণাত্মক আলোচনা কৰক। উপযুক্ত উদাহৰণ দিব।

**প্রশ্ন ৬ ঃ** আইনী প্রক্রিয়াৰ সহায়েৰে অন্ধবিশ্বাসী ধ্যান-ধাৰণাৰ বিৰুদ্ধে পদক্ষেপ লোৱা সম্ভৱ নে? আলোচনা কৰক।

**প্রশ্ন ৭ ঃ** অন্ধবিশ্বাসত ধর্মৰ গুৰুত্ব সম্পর্কে এটি চমু টোকা প্রস্তুত কৰক।

*** ***** ***

# অধ্যায় ৯ ঃ শিশু শ্রমিক আৰু শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰ

## অধ্যায় গাঁথনি


৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শিশু শ্রমিকৰ সমস্যা

- ৯.৩.১ শিশু শ্রমিকৰ সংজ্ঞা
- ৯.৩.২ শিশু শ্রমিকৰ প্রকাৰ
- ৯.৩.৩ শিশুৱে কাম কৰা প্রধান খণ্ডবিলাক
- ৯.৩.৪ শিশু শ্রমিকৰ কাৰণবোৰ
- ৯.৩.৫ শিশু শ্রমিক বিলোপকৰণৰ ক্ষেত্রত গ্রহণ কৰা উদ্যমসমূহ

৯.৪ শিশুৰ প্রতি দুৰ্ব্যৱহাৰ বা উৎপীড়ণৰ সমস্যা

- ৯.৪.১ অর্থ আৰু সংজ্ঞা
- ৯.৪.২ শিশুৰ প্রতি দুৰ্ব্যৱহাৰ বা উৎপীড়ণৰ প্রকাৰ
- ৯.৪.৩ শিশু উৎপীড়ণৰ কাৰণবোৰ

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন


## ৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিশু শ্রমিক আৰু শিশুৰ প্রতি দুৰ্ব্যৱহাৰৰ অর্থ চিনাক্ত কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ শিশু শ্রমিক আৰু শিশুক ব্যৱহাৰ কৰা খণ্ডবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- শিশুৰ প্রতি দুৰ্ব্যৱহাৰৰ বিভিন্ন প্রকাৰ ব্যাখ্যা কৰিব পাৰিব
- শিশু-দুৰ্ব্যৱহাৰ আৰু শিশু শ্রমিকৰ সমস্যাৰ কাৰণবোৰ চিহ্নিত কৰিব পাৰিব
- শিশু শ্রমিকৰ অৱসানৰ বাবে লোৱা পদক্ষেপসমূহ ব্যাখ্যা কৰিব পাৰিব।

## ৯.২ পৰিচয়

এই অধ্যায়টোৰ উদ্দেশ্য হৈছে ভাৰতকে ধৰি অধিকাংশ উন্নয়নশীল দেশে সন্মুখীন হোৱা সামাজিক সমস্যাবিলাকৰ সৈতে শিকাৱকলক পৰিচয় কৰি দিয়া। শিশু শ্রমিক আৰু শিশু-দুৰ্ব্যৱহাৰ তেনে এটা সমস্যা।

'শিশুৰ অধিকাৰ সন্মিলন' (Convention on the Rights of the Child) -এ শিশুৰ সংজ্ঞা এইদৰে দিছে ঃ *"ওঠৰ বছৰ বয়সৰ অনুর্ধ যিকোনো ব্যক্তি, যদিহে শিশুৰ ক্ষেত্রত প্রযোজ্য আইন মতে তাৰ পূর্বে প্রাপ্তবয়স্ক নহয়।"* অৱশ্যে, পৰিস্থিতি ভেদে ৰাষ্ট্রই গ্রহণ কৰা দায়বদ্ধতা অনুসৰি ন্যূনতম বয়স নির্ধাৰণৰ অনুমোদন কনভেনচনে দিছে। সেই অনুসৰি ভাৰতীয় বিধানতন্ত্রই শিশুৰ অধিকাৰ সুৰক্ষা সম্পর্কীয় বিভিন্ন আইনত ন্যূনতম বয়স সংজ্ঞাবদ্ধ কৰিছে।

এই অধ্যায়ত আমি ভাৰতত শিশু শ্রমিক আৰু শিশু-দুর্ব্যৱহাৰৰ সমস্যা আৰু ইয়াৰ কাৰণ সম্পর্কে আলোচনা কৰিম।

## ৯.৩ শিশু শ্রমিকৰ সমস্যা (Problems of Child Labour)

শিশু শ্রমিক বর্তমানৰ এটা প্রধান বিচার্য্য বিষয়। পৃথিৱীৰ আন দেশতকৈ ভাৰতত শিশু শ্রমিকৰ সংখ্যা সকলোতকৈ বেছি। এটা পৰিসংখ্যা অনুযায়ী ৬-১৪ বছৰৰ বয়সৰ ১৭৯ মিলিয়ন ল'ৰা-ছোৱালীৰ ভিতৰত ৯০ মিলিয়ন শিশুয়ে কেতিয়াও বিদ্যালয়ৰ মুখ দেখা নাই আৰু এওঁলোকে শ্রমিক হিচাপে বিভিন্ন কাম কৰে। অনা-চৰকাৰী সূত্র অনুযায়ী, এই সংখ্যা ১০০ মিলিয়নতকৈ বেছি হ'ব; কিন্তু প্রকৃতার্থত বহু সংখ্যক শিশু শ্রমিকে পাৰিশ্রমিক অবিহনেই কাম কৰে বা লোকপিয়লত নাম নোসোমোৱাৰ বাবে, সঠিক সংখ্যা পোৱাটো অতি কঠিন।

### ৯.৩.১ শিশু শ্রমিকৰ সংজ্ঞা (Definition of Child Labour)

সমাজতাত্বিক, উন্নয়নকর্মী, শিক্ষাবিদ আদিৰ মতে 'শিশু শ্রমিক' এটা অৱমাননাসূচক শব্দ যাৰ ভাৱার্থ হ'ল শিশু শোষণ আৰু অমানবিকতা। শিশুৱে কৰা সকলো কামকে শিশু শ্রম বুলিব নোৱাৰি। শিশুৰ বয়স, কামৰ সময়, কামৰ পৰিৱেশ আদিৰ ওপৰত এই সংজ্ঞা নির্ভৰ কৰিব। শিশুটিৰ স্বাস্থ্য, শিক্ষা বা তাৰ বিকাশৰ ক্ষেত্রত কোনো প্রভাৱ নেপেলোৱা কামক ধনাত্মক হিচাপেই ধৰা হয়। সেইদৰে, পৰিয়াল অথবা সমাজৰ হিতৰ বাবে কোনো বিদ্যা বা দক্ষতা আর্জিবলৈ কৰা আংশিক সময়ৰ কাম বা প্রায়োগিক শিক্ষা প্রদান শিশু শ্রমিকৰ গণ্ডীত নপৰে। কোনো কাম শিশু শ্রমত পৰিণত হয় যেতিয়া শিশু পূর্ণ সময়ৰ বাবে নিযুক্ত হয় বা শিক্ষা বাদ দি পৰিয়ালৰ কাৰণে ধন উপার্জন কৰে। অৱশ্যে শিশু শ্রমিকৰ সার্বজনীনভাৱে গৃহীত কোনো সংজ্ঞা নির্ধাৰণ হোৱা নাই। শিশু শ্রমিক শব্দটো সাধাৰণতে প্রয়োগ কৰা হয় এনেকুৱা কামৰ ক্ষেত্রত যি শিশুৰ পৰা তাৰ শৈশৱ কাঢ়ি লয় আৰু তাৰ দৈহিক, মানসিক বিকাশৰ ক্ষেত্রত বাধা সৃষ্টি কৰে। এই কামবোৰ হৈছে—

- শিশুৰ বাবে দৈহিক, মানসিক, সামাজিক বা নৈতিক ক্ষতিকাৰক কাম; আৰু
- শ্রেণীত উপস্থিত থাকিব নোৱাৰা।

বিদ্যালয় এৰিব লগা হোৱা বা কামৰ গধূৰ বোজাৰ সৈতে স্কুলৰ উপস্থিতি মিলাবলৈ বাধ্য হোৱা —এইবোৰে বিদ্যালয়ৰ শিক্ষা গ্রহণত বাধা প্রদান কৰে।

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংঘৰ সন্মিলন ১৩৮ (ILO Convention) (১৯৭৩) আৰু ১৮২ (১৯৯৯)ত অধিক প্ৰাঞ্জলভাৱে শিশু শ্ৰমিক সংজ্ঞাৰ ব্যাখ্যা আগবঢ়াইছে ঃ *"১২ বছৰৰ তলৰ শিশুৱে কৰা যিকোনো অৰ্থনৈতিক কাৰ্য্য, ১২-১৪ বছৰীয়া শিশুৰ ক্ষেত্ৰত লঘু কামতকৈ পৃথক কাম আৰু যিকোনো শিশুক বিপজ্জনক কাম দিয়াটো নিকৃষ্ট ৰূপৰ শিশু শ্ৰম —য'ত শিশুক দাসত্ব প্ৰদান কৰা, যোৰকৈ নিযুক্তি দিয়া, নীচ কামত ব্যৱহাৰ কৰা, শিশুক বিক্ৰী কৰা হয়।"*

**শিশুৰ নিযুক্তি পোৱাৰ ন্যূনতম বয়স সম্পৰ্কে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সন্মিলন, ১৩৮ (১৯৭৩)**

| শ্ৰেণী | কামৰ ন্যূনতম বয়স | উন্নয়নশীল দেশৰ বাবে সম্ভাব্য ব্যতিক্ৰম |
|---|---|---|
| যিকোনো কাম | ১৫ | ১৪ |
| লঘূ কাম | ১৩-১৫ | ১২-১৪ |
| বিপজ্জনক কাম | ১৮ (কঠোৰ চৰ্তসাপেক্ষে ১৬) | ১৮ (কঠোৰ চৰ্তসাপেক্ষে ১৬) |

শিশুৰ অধিকাৰ সন্মিলনৰ (১৯৮৯) দফা ৩২(১)ত শিশুৰ অধিকাৰৰ লগতে শিশুৰ যিকোনো কাম যেনে, বিপজ্জনক কাম বা দৈহিক, মানসিক, সামাজিক বিকাশৰ ক্ষতিকাৰক কামৰ স্বীকৃতি দিবলৈ কোৱা হৈছে।

**জানি থোৱা ভাল**



➢ আন্তৰ্জাতিক শ্ৰমিক সংস্থা (International Labour Organization)-ই ১৯১৯ চনৰ পৰা শিশু শ্ৰমিক সংক্ৰান্তত আন্তৰ্জাতিক আইনী কাঠামো সূত্ৰবদ্ধ কৰাৰ বাবে কাম কৰিছে।

➢ আন্তৰ্জাতিক শ্ৰমিক সংস্থাই শিশু শ্ৰমিক সম্পৰ্কত সৰ্বপ্ৰথম আন্তৰ্জাতিক চুক্তি 'ন্যূনতম বয়স সন্মিলন ১৯১৯' গৃহীত কৰে; চৈধ্য বছৰৰ তলৰ শিশুক শিল্প প্ৰতিষ্ঠানত কাম কৰাটো ইয়াৰ দ্বাৰা নিষিদ্ধ কৰা হৈছে।

➢ ১৯৭৩ চনত গৃহীত আই-এল-অ' কনভেনচন নম্বৰ ১৩৮-ত উন্নত দেশত ১৫ বছৰ কাম কৰিব পৰা ন্যূনতম বয়স ৰূপে নিৰ্ধাৰণ কৰা হৈছে। উন্নয়নশীল দেশৰ ক্ষেত্ৰত এই বয়সসীমা চৈধ্য বছৰলৈ হ্ৰাস কৰাৰ ব্যৱস্থা আছে। নিযুক্তি বা কৰ্ম-সংস্থাপনৰ ন্যূনতম বয়সৰ আটাইতকৈ সাৱলীল আৰু কৰ্তৃত্বশীল আন্তৰ্জাতিক সংজ্ঞা ৰূপে ই বিবেচিত।

## ৯.৩.২ শিশু শ্ৰমিকৰ প্ৰকাৰ (Types of Child Labour)

আই-এল-অ'ৰ মতে শিশু শ্ৰমিকক তিনিটা বৰ্গত বিভক্ত কৰিব পাৰি—

➢ **বিপদ নথকা কামত শিশু শ্ৰমিক** (Child Labour in Non-Hazardous

Work) ঃ ৰাস্তাত বা ঘৰৰ ভিতৰত কৰা বিভিন্ন কাম যেনে— জোতা পালিচ, ভিক্ষা, বিক্সা চলোৱা, জাবৰ বোটলা, কাকত বেচা, পথাৰত কাম কৰা, বেলেগৰ ঘৰুৱা কাম কৰা আদি।

- **বিপদজ্জনক কামত শিশু শ্রমিক** (Child Labour in Hazardous Work) ঃ শিশুৰ স্বাস্থ্যত প্রতিকূল প্রভাৱ পেলাব পৰা এনে সকলো কাম বা কামৰ পৰিৱেশ। বিপজ্জনক পৰিৱেশৰ ভিতৰত পৰিব দীঘলীয়া কামৰ সময় (সপ্তাহত ৪৩ ঘণ্টাতকৈ অধিক), কম পোহৰ পৰা কর্মস্থান আদি। বিপজ্জনক কামৰ ভিতৰত পৰিব কার্পেট বোৱা, বহুমূলীয়া পাথৰ পালিচ কৰা, আতচ্বাজি, বস্ত্র তৈয়াৰ আদি। এনেবোৰ কামত মাৰাত্মক ৰাসায়নিক দ্রব্যৰ সংস্পর্শ আৰু বিকিৰণৰ ফলত শিশুৰ শ্বাসৰোগ, চর্মৰোগ, দৃষ্টিশক্তি আৰু শ্রৱনশক্তি বিনাশ, আনকি মৃত্যু হোৱাৰ শঙ্কা থাকে।
- **শিশু শ্রমিকৰ নিকৃষ্টতম ৰূপ** (Unconditional Worst Form of Child Labour) ঃ ইয়াৰ ভিতৰত পৰে বলপূর্বক আৰু বন্ধোৱা শ্রম, চালান, সশস্ত্র সংঘর্ষত জড়িতকৰণ, বেশ্যাবৃত্তি, পর্ণগ্রাফী আৰু অবৈধ কার্য্যকলাপ।



**চিন্তা-চর্চা কৰক ৯.১**

আপোনাৰ এলেকাত দৃষ্টিগোচৰ হোৱা বিভিন্ন ধৰণৰ শিশু শ্রমৰ এখন তালিকা প্রস্তুত কৰক।

.....

.....

.....

## ৯.৩.৩ শিশুৱে কাম কৰা প্রধান খণ্ডবিলাক (Major Sectors Where Children Work)

কৃষি খণ্ড, শিল্পখণ্ড আৰু স্বনিয়োজিত—ঘাইকৈএই তিনিটা খণ্ডত শিশু শ্রমিক দেখা যায়।

- **কৃষি খণ্ড** (Agrarian Sector) ঃ গাঁও অঞ্চলত বৃহৎ সংখ্যক শিশুৱে বেতনভোগী বা বিনামূলীয়া হিচাপে কৃষি তথা আনুষঙ্গিক খণ্ডত কাম কৰে। ইয়াৰ ভিতৰত আছে প্রব্রজনকাৰী শ্রমিক, অপ্রকাশ্য শ্রমিক আৰু বন্ধোৱা শ্রমিক।
- **শিল্পখণ্ড** (Manufacturing Sector) ঃ উন্নয়নশীল দেশত বহু শিশুৱে কাৰখানা বা উদ্যোগ আদিত কাম কৰে। পোছাক, পুতলা, ৰাসায়নিক, কাঁচৰ সামগ্রী, পিতলৰ বাচন, আতচ্বাজি ফটকা, জুইশলা আদি বিভিন্ন সামগ্রী তেওঁলোকে প্রস্তুত কৰে। তেওঁলোকে স্থায়ী বা অস্থায়ী, আইনগত বা বেআইনী আৰু পাৰিবাৰিক বা নিয়োগকাৰীৰ অধীনত বেতনভোগী হিচাপে কাম কৰে।

➢ **স্ব-নিয়োজিত** (Self-Employed Children)ঃ এনে ধৰণৰ কৰ্মৰত শিশুৱে ঘাইকৈ শ্লাম বা বস্তি এলেকাত বাস কৰে আৰু মানুহৰ ঘৰ, হোটেল-ৰেষ্টুৰেণ্ট, দোকান, নিৰ্মাণস্থলী আদিত কৰ্মৰত হয়। ফেৰীৱালা হিচাপেও তেওঁলোকে কাম কৰে।



**জানি থোৱা ভাল**

➢ প্ৰতি বছৰ ১২ জুন তাৰিখটো 'বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস' ৰূপে পালিত হয়।

➢ ২০০২ চনত আই-এল-অ'ই প্ৰথমবাৰ এই দিৱসৰ শুভাৰম্ভ কৰে শিশু শ্ৰমিক নিৰ্মূলৰ বাবে বিশ্বজোৰা আন্দোলন গঢ়ি তোলাৰ উদ্দেশ্যে।

## ৯.৩.৪ শিশু শ্ৰমিকৰ কাৰণবোৰ (Causes of Child Labour)

শিশু শ্ৰমিক এক জটিল সমস্যা আৰু ইয়াৰ আঁৰত ভালেমান কাৰক আছে। শিশু শ্ৰমিক সমস্যাৰ কাৰণবোৰ কি কি? ইয়াৰ কাৰণ বুলিলে আমি বহুতো কাৰকৰ কথা উল্লেখ কৰিব পাৰোঁ, যেনে— নিবনুৱা, কম মজুৰি, নিম্ন মানদণ্ডৰ জীৱন-যাপন, অজ্ঞতা আৰু নিৰক্ষৰতা, সামাজিক স্থিতি, ইত্যাদি।

সাধাৰণতে, ভাৰতবৰ্ষৰ শিশু শ্ৰমিক সমস্যাৰ কাৰণ বুলিলে দৰিদ্ৰতাকে আঙুলিয়াব পাৰি। এইটো সত্য যে ভাৰতীয় সমাজৰ অতি অৱজ্ঞাসূচক শ্ৰেণীটোৱেই হ'ল দুখীয়া শ্ৰেণী আৰু এই দুখীয়া শ্ৰেণীটোৰ পৰাই শিশু শ্ৰমিকৰ সৰবৰাহ হয়। শিশু শ্ৰমিকে প্ৰকৃতাৰ্থত অন্তহীন দৰিদ্ৰতাৰ সৃষ্টি কৰে আৰু ই প্ৰাপ্তবয়স্ক কৰ্মৰ পৰা বঞ্চিত কৰে। দুখীয়া পিতৃ-মাতৃসকলে শিশুসকলক উপৰিঞ্চি উপাৰ্জনৰ বাবে কামলৈ পঠায়। কিছুমান এনে ধৰণৰ উদাহৰণত আছে যে য'ত পিতৃ-মাতৃয়ে কিছু ধনৰ বাবে তেওঁলোকৰ সন্তানসকলক বন্ধুৱা শ্ৰমিক হিচাপে বিক্ৰি কৰি দিয়ে।

অজ্ঞতা শিশু শ্ৰমিক সমস্যাৰ আন এটা প্ৰধান কাৰণ বুলি ক'ব পাৰি। এই অজ্ঞতা পিতৃ-মাতৃৰ হ'ব পাৰে, যেনে— তেওঁলোকে বিশ্বাস কৰে যে শিশুক কৰ্মত নিয়োগ কৰিলেই দৰিদ্ৰতা নিৰ্মূল হ'ব; আনহাতে, শিশু সকলকৰ অজ্ঞতা হ'ল যে তেওঁলোকে তেওঁলোকৰ অধিকাৰসমূহ নাজানে।

চমুকৈ শিশু শ্ৰমিকৰ প্ৰধান কাৰণ কেইটামান হ'ল—

- দৰিদ্ৰতা,
- পিতৃ-মাতৃৰ নিৰক্ষৰতা,
- নগৰীকৰণ আৰু জনবিস্ফোৰণ,
- বিদ্যালয়ৰ সুবিধা নথকা,
- শিশু শ্ৰমিকৰ কুপ্ৰভাৱ সম্পৰ্কে অভিভাৱকৰ অজ্ঞতা,
- ৰূপায়ণৰ ক্ষেত্ৰত শিশু শ্ৰমিক আইনবোৰৰ অসাৰতা,
- সস্তা আৰু অসংগঠিত শিশু শ্ৰমিকৰ শোষণ।

## ৯.৩.৫ শিশু শ্রমিক বিলোপকৰণৰ ক্ষেত্রত গ্রহণ কৰা উদ্যমসমূহ (Initiatives towards Elimination of Child Labour)

শিশু শ্রমিক এতিয়াও দেশৰ বাবে এটা প্রত্যাহ্বান। ভাৰত চৰকাৰে এই সমস্যাৰ মোকাবিলা কৰিবলৈ সক্রিয় পদক্ষেপ লৈছে। কেন্দ্র, ৰাজ্য উভয় স্তৰতে ভালেমান চৰকাৰ নিয়োজিত আয়োগে এই বিষয়ত দিহা-পৰামর্শ দিছে।

সংবিধানতো শিশুৰ সুৰক্ষাৰ কাৰণে ভালেমান বিধি ব্যৱস্থা ৰখা হৈছে; তাৰে এটা দফা মতে (দফা ২৩) *"চৈধ্য বছৰৰ তলৰ কোনো শিশুকে খনি, ফেক্টৰী বা অন্য বিপদজ্জনক কামত নিয়োজিত কৰিব নোৱাৰিব।"* শিশু শ্রম নিষিদ্ধ কৰি কেইবাখনো আইন গৃহীত হৈছে, যেনে— বাগিচা শ্রমিক আইন ১৯৫১, খনি আইন ১৯৫২, বিড়ি আৰু চুৰট শ্রমিক আইন ১৯৬৬।

তলত দুখন প্রধান ৰাষ্ট্রীয় আইন উল্লেখ কৰা হ'ল—

- **শিশু শ্রমিক (নিষিদ্ধ আৰু নিয়ন্ত্রণ) আইন, ১৯৮৬** (The Child Labour Act, 1986) ঃ এই আইনে ১৪ বছৰৰ বছৰৰ তলৰ শিশুক ১৩টা বৃত্তি আৰু ৫৭টা বিপদজ্জনক কার্য্যবিধিৰ পৰা বাৰণ কৰিছে। এই বিপদজ্জনক কার্য্যবিধিসমূহে শিশুসকলৰ স্বাস্থ্য আৰু জীৱনৰ ওপৰত প্রভাৱ পেলায়। এই বৃত্তিসমূহ আৰু বিপদজ্জনক কার্য্যবিধিসমূহ আইনৰ তালিকাভূক্ত কৰা হৈছে।
- **ফেক্টৰী আইন, ১৯৪৮** (The Factories Act, 1948) ঃ এই আইনে ১৮ বছৰৰ তলৰ শিশুক শ্রমৰ পৰা নিষিদ্ধ কৰিছে। ১৫ৰ পৰা ১৮ বছৰৰ প্রাপ্তবয়স্ক শিশুক কাৰখানাত নিযুক্তি দিয়া হ'ব যদিয়ে শিশুজনে চিকিৎসকৰ পৰা উপযুক্ততাৰ প্রমাণ পত্র দাখিল কৰিব পাৰে। এই আইনে ১৪ৰ পৰা ১৮ বছৰীয়া শিশুক দিনটোত চাৰে-চাৰি ঘণ্টা কামৰ সময় নির্ধাৰণ কৰিছে আৰু নিশা কাম কৰাৰ অনুমতি দিয়া হোৱা নাই।

শেষোক্ত আইনখনে শ্রমৰ সময় নির্দিষ্ট কৰি দিছে— প্রতি তিনিঘণ্টাৰ বিৰতিত এঘণ্টা বিশ্রাম আৰু সপ্তাহত ছদিন কামৰ সময় নির্ধাৰণ কৰিছে। কোনো শিশুক সন্ধ্যা সাত বজাৰ পৰা পুৱা আঠ বজালৈ অর্থাৎ নিশা কাম কৰোৱাৰ অনুমতি দিয়া হোৱা নাই।

ভাৰতৰ প্রগতিৰ উদ্দেশ্য আৰু কৌশল অনুধাবন কৰি, শিশু শ্রমিক আইন, ১৯৮৬ অনুসৰি ১৯৮৭ চনত ৰাষ্ট্রীয় শিশু শ্রমিক নীতি (NCLP, National Child Labour Policy) গ্রহণ কৰে। এই নীতিয়ে বিপদজ্জনক ঠাইত কাম কৰা শিশুক পুনৰ সংস্থাপনত সহায় কৰে।এই আঁচনিয়ে শিশু শ্রমিকৰ বাবে বিশেষ বিদ্যালয় স্থাপন কৰে। এই বিদ্যালয়সমূহত শিশুসকলক আনুষ্ঠানিক বা অনানুষ্ঠানিক শিক্ষাৰ লগতে বৃত্তিমূলক প্রশিক্ষণো দিয়া হয়। ইয়াৰ উপৰিও শিশু শ্রমিকসকলক মূল বিদ্যালয়ৰ বাবে প্রস্তুত কৰিবলৈ প্রতি মাহে এশ টকাকৈ বৃত্তি, উপৰিঞ্চি আহাৰ আৰু দৈনিক স্বাস্থ্য পৰীক্ষা কৰা হয়।

চৰকাৰে এই সমস্যাসমূহ সমাধান কৰিবলৈ আইনসমূহ কার্য্যকৰী কৰিবলৈ বহুতো প্ৰচেষ্টা চলাইছে। চৰকাৰে শিশু শ্ৰমিক দূৰ কৰিবলৈ মানৱ উন্নয়ন মন্ত্ৰালয়ৰ সর্ব শিক্ষা অভিযান মিচনৰ অন্তর্গত কৰিছে যাতে ৫-৮ বছৰ বয়সৰ শিশুসকলে অনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব পাৰে আৰু কর্মৰত শিশুসকলে ৰাষ্ট্ৰীয় শিশু শ্ৰমিক নীতিৰ অধীনত বিশেষ বিদ্যালয়ত প্ৰৱেশ কৰিব পাৰে। ১৯৯১ চনত আই-এল-অ'ই 'শিশু শ্ৰমিক নির্মূলকৰণৰ আন্তর্জাতিক কার্য্যসূচী' আৰম্ভ কৰে আৰু ইয়াত যোগদান কৰা প্ৰথম দেশ হ'ল ভাৰত (১৯৯২)। যি কি নহওক, সমস্যাটোৰ গভীৰতালৈ চাই আৰু দৰিদ্ৰতা আৰু নিৰক্ষতাৰ সৈতে এৰাব নোৱাৰা সম্পর্ক থকা এটা সামাজিক সমস্যা হোৱা বাবে সমাজৰ সর্বস্তৰৰ পৰা নেৰানেপেৰা আৰু সামগ্ৰিক প্ৰচেষ্টা চলালেহে এই ক্ষেত্ৰত প্ৰত্যাশিত ফল লাভ কৰিব পৰা যাব।কেৱল আইন প্ৰণয়ৰ দ্বাৰা ইয়াৰ সমাধান নহয়; কার্য্যকৰী হ'ব লাগিব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ঃ** শিশু শ্ৰমিক কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ২ঃ** শিশু শ্ৰমিকৰ দুটা কাৰণ উল্লেখ কৰক।

.....

## ৯.৪ শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰ বা উৎপীড়নৰ সমস্যা (Problem of Child Abuse)

শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰ এক বিশ্বজোৰা পৰিঘটনা। ই হৈছে ১৮ বছৰ তলৰ বয়সৰ শিশুক কৰা আৱেগিক, দৈহিক, আর্থিক আৰু যৌন দুব্যৱহাৰ। শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰৰ ঘটনাৰ পৰিসৰ বা সংখ্যা অনুধাৱন কৰা অসম্ভৱ। ৰাষ্ট্ৰীয় অপৰাধ খতিয়ান সংস্থা (NCRB, National Crime Records Bureau)ৰ দ্বাৰা তালিকভুক্ত তথ্যই বিশ্বাসযোগ্য। অৱশ্যে, কিছুমান তথ্য কেতিয়াবা তালিকাভুক্ত নহ'বও পাৰে। জটিল সমাজব্যৱস্থাই বিভিন্ন ধৰণৰ শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰৰ মাত্ৰা বঢ়োৱাত প্ৰধান সহায়ক হৈছে।

### ৯.৪.১ অর্থ আৰু সংজ্ঞা (Meaning and Definition)

শিশুৰ প্ৰতি দুৰ্ব্যৱহাৰ (Child Abuse) শব্দটোৰ অর্থ আর্থ-সামাজিক পৰিস্থিতি সাপেক্ষে ভিন্ন হ'ব পাৰে। সাধাৰণতে ওঠৰ বছৰৰ অনুর্ধৰ কোনো শিশুৰ প্ৰতি পিতৃ-মাতৃ, তত্ত্বাৱধায়ক বা নিয়োগকাৰীয়ে কৰা আৱেগিক, দৈহিক, আর্থিক আৰু যৌন

দুর্বব্যহাৰক শিশুৰ প্রতি দুর্ব্যৱহাৰ বুজোৱা হয়। বিশ্ব স্বাস্থ্য সংগঠন (WHO)ৰ সংজ্ঞামতে *"শিশুৰ প্রতি দুর্ব্যৱহাৰ বা উৎপীড়নৰ ভিতৰত পৰে সকলো প্রকাৰৰ আৱেগিক দুর্ব্যৱহাৰ, যৌন উৎপীড়ন, অনাদৰ-অৱহেলা আৰু বাণিজ্যিক বা অন্য ধৰণৰ শোষণ যাৰ ফলত শিশুৰ স্বাস্থ্য, জীৱনধাৰণ, বিকাশ আৰু দায়িত্ব, বিশ্বাস বা ক্ষমতাৰ সম্বন্ধৰ প্রেক্ষাপটত গঢ় লৈ উঠিব লগা ব্যক্তিত্বৰ বা গৌৰৱবোধ (Dignity)ৰ হানি হয়।"* শিশুৰ প্রতি দুর্ব্যৱহাৰ বা উৎপীড়ন হৈছে শিশুৰ মানৱাধিকাৰৰ উলংঘন যি তেওঁলোকৰ সামগ্রিক বিকাশক বাধাগ্রস্ত কৰে।

## ৯.৪.২ শিশুৰ প্রতি দুর্ব্যৱহাৰ বা উৎপীড়নৰ প্রকাৰ (Type of Child Abuse)

শিশুৰ দুর্ব্যৱহাৰক চাৰিটা প্রকাৰত ভাগ কৰিব পাৰি—

- **দৈহিক দুর্ব্যৱহাৰ** (Physical Abuse) ঃ বিশ্ব স্বাস্থ্য সংস্থাৰ সংজ্ঞা মতে শিশুৰ প্রতি উৎপীড়ন এনে এক কার্য্য যি আন্তঃক্রিয়া অথবা আন্তঃক্রিয়াৰ অভাৱৰ পৰা সম্ভাব্য বা প্রকৃত দৈহিক ক্ষতি কৰে আৰু এনে কার্য্য পিতৃ-মাতৃ বা দায়িত্বশীল, ক্ষমতাশালী বা আস্থাভাজন ব্যক্তিৰ ইচ্ছাধীন। উদাহৰণ— জ্বলোৱা, প্রহাৰ কৰা, গোৰ মৰা, চৰিওৱা, শাৰীৰিক শাস্তি দিয়া, কোবোৱা আদি।
- **যৌন উৎপীড়ন** (Sexual Abuse) ঃ যৌন কার্য্যত কোনো শিশু লিপ্ত হোৱাটো— যি কার্য্য তাৰ বা তাইৰ সম্পূর্ণ বোধগম্য নহয়, বা যি কার্য্যই সামাজিক বিধি আৰু আইন উলংঘা কৰে তাকে যৌন দুর্ব্যৱহাৰ বা উৎপীড়ন বুলি ধৰা হয়। উদাহৰণ— শিশুৰ গুপ্তাঙ্গ স্পর্শ কৰা, যৌন সম্ভোগ, ধর্ষণ, প্রদর্শনকামিতা, নিষিদ্ধ যৌন সংসর্গ আদি।
- **আৱেগিক উৎপীড়ন** (Emotional Abuse) ঃ ইয়াক সংজ্ঞাবদ্ধ কৰা অতি কঠিন। 'হু'ৰ মতে ঃ 'আৱেগিক উৎপীড়ন হিচাপে সেইবিলাক আচৰণ বিবেচিত হ'ব যাৰ দ্বাৰা কোনো শিশু তেওঁৰ সুস্থ বিকাশৰ অনুকূল, সহযোগিতামূলক আৰু সহৃদয় বাতাবৰণৰ পৰা বঞ্চিত হয়— যি বাতাবৰণত শিশুৱে বাস কৰা সমাজখনৰ প্রেক্ষাপটত নিজৰ সম্ভাৱনাক পূর্ণতা দি এক দৃঢ় আৰু সর্বতোমুখী আৱেগিক তথা সামাজিক যোগ্যতা আর্জিবলৈ সক্ষম হ'ব পাৰে। আৱেগিক উৎপীড়ণমূলক কার্য্যৰ উদাহৰণ— পিতৃ-মাতৃ বা তত্ত্বাৱধায়কে চৰম ৰূপৰ শাস্তি প্রদান কৰা, যেনে বান্ধি থোৱা, অন্ধকাৰ কোঠাত আবদ্ধ কৰি ৰখা, ভাবুকি দিয়া আদি। তাতকৈ নৰম ৰূপৰ শাস্তিৰ উদাহৰণ অৱহেলা, অবজ্ঞা, বৈষম্য, গালি শপনি— যাৰ দ্বাৰা শিশুমনত আঘাত লাগিব পাৰে আৰু শিশুৰ ওপৰত দোষ জাপি দিয়া প্রাপ্ত বয়স্কৰ বদাভ্যাস ইত্যাদি।
- **অৱহেলা** (Neglect) ঃ শিশুৰ সর্বাংগীন বিকাশ ঘটোৱাত ব্যর্থতাই হ'ল অৱহেলা। শাৰীৰিক অৱহেলা হ'ল— আহাৰ, পোছাক, চিকিৎসা বা স্বাস্থ্য সুৰক্ষাৰ পৰা বঞ্চিত

কৰা কার্য্য। শৈক্ষিক অৱহেলা হ'ল বিদ্যালয়ত শিক্ষা গ্রহণ আৰু জৰুৰী শৈক্ষিক প্রয়োজনবোৰ পুৰোৱাত ব্যর্থতা। মনস্তাত্ত্বিক বা আৱেগিক অৱহেলা বুলিলে বুজোৱা হয় আৱেগিক সহযোগিতা, মৰম-আত্মীয়তাৰ অভাৱ। লিঙ্গবৈষম্যও ইয়াৰ ভিতৰত পৰে।



**জানি থোৱা ভাল**

➢ শিশুৰ বিৰুদ্ধে হিংসা সম্পর্কে ৰাষ্ট্রসংঘৰ সচিব প্রধানৰ অধ্যয়ন মতে বিশ্বত প্রায় ১৫০ নিযুত ছোৱালী আৰু ৭৩ নিযুত ল'ৰাই ১৮ বছৰত ভৰি দিয়াৰ পূর্বেই বলপূর্বক যৌন সংগমৰ অভিজ্ঞতা লাভ কৰে।

➢ ভাৰতত ৪৪,৪৭৬ শিশু সন্ধানহীন হয় আৰু তাৰ ভিতৰত ১১,০০৪টা শিশুৰ সন্ধান কেতিয়াও পোৱা নাযায়।

(ভাৰতত মহিলা আৰু শিশুৰ চোৰাং চালান, ২০০৫)

## ৯.৪.৩ শিশু উৎপীড়নৰ কাৰণবোৰ (Causes of Child Abuse)

শিশু উৎপীড়নৰ ভালেমান কাৰণ আছে। কেৱালৰামানি (Kewalramani, ১৯৯২)ৰ মতে ইয়াৰ 'মূল কাৰণ হ'ল খাপ খোৱাৰ ক্ষেত্রত ব্যর্থতা আৰু পৰিৱেশগত অসঙ্গতি (ঘাইকৈ পিতৃ-মাতৃ আৰু নিয়োগকর্তাৰ দ্বাৰা)। অর্থাৎ শিশু উৎপীড়নৰ কাৰণ হ'ব পাৰে পিতৃ-মাতৃ, পৰিৱেশ, ছাপ আৰু শিশু সমস্যাবোৰ।

- **পিতৃ-মাতৃৰ কাৰণে ঃ**
  - সন্তান পালনৰ দক্ষতাৰ অভাৱ,
  - পিতৃ-মাতৃৰ মাজৰ কাজিয়া,
  - অবাঞ্চিত গর্ভধাৰণ,
  - পৰিয়ালৰ সামাজিক বিচ্ছিন্নতা,
  - নিজৰ শৈশৱত হিংস্রতাৰ অভিজ্ঞতা,
  - চাৰিত্রিক বৈশিষ্ট্য, যেনে— খিংখিঙিয়া স্বভাৱ, কঠোৰতা।
- **পৰিৱেশগত কাৰণ ঃ**
  - দাৰিদ্র,
  - বিবাহত সমস্যা,
  - সামগ্রীৰ অপব্যৱহাৰ
- **মানসিক চাপজনিত কাৰণঃ**
  - নিবনুৱা অৱস্থা,
  - কর্ম-অসন্তুষ্টি,

- **শিশু সমস্যা ঃ**
  - অবাধ্যতা,
  - শাৰীৰিক প্রতিবন্ধকতা,
  - মাতৃ-সন্তানৰ বান্ধোনৰ দুর্বলতা,
  - পঢ়া-শুনা বা কামত মন নিদিয়া।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৩ ঃ** আৱেগিক শিশু-উৎপীড়নৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

.....

.....

.....

.....

.....



## ৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিয়াল আৰু সামাজিক গোটে শিশুৰ যতন আৰু সুৰক্ষাৰ দায়িত্ব বহন কৰিলেও কেতিয়াবা শিশুহঁত পিতৃ-মাতৃ, তত্ত্বাৱধায়কৰ দ্বাৰা অৱহেলিত হয় বা নিয়োগকর্তাৰ উৎপীড়নৰ বলি হ'ব লগা হয়।
- শিশু শ্রমিক শব্দটো সাধাৰণতে প্রয়োগ কৰা হয় এনেকুৱা কামৰ ক্ষেত্রত যি শিশুৰ পৰা তাৰ শৈশৱ কাঢ়ি লয়, আৰু তাৰ দৈহিক, মানসিক বিকাশৰ ক্ষেত্রত বাধা সৃষ্টি কৰে।
- কৃষি খণ্ড, শিল্পখণ্ড আৰু স্বনিয়োজিত —ঘাইকৈ এই তিনিটা খণ্ডত শিশু শ্রমিক দেখা যায়।
- শিশু শ্রমৰ ঘাই কাৰণ দৰিদ্রতা আৰু নিৰক্ষৰতা। ভাৰতত ২৬ শতাংশ লোক দৰিদ্র সীমাৰ তলৰ।(২০০১লোকপিয়ল)।চৰম দৰিদ্রতাত ভোগা বহু পৰিয়ালে শিশুৰ আর্জনৰ ওপৰত নির্ভৰ কৰিবলগা হয়। শিশু শ্রম অতি সস্তা বাবে কাৰখানাত মালিকসকলে তেওঁলোকক কম মজুৰিত সৰহ কামৰ বোজা দি লাভ আহৰণ কৰে।
- ওঠৰ বছৰৰ অনুর্ধৰ কোনো শিশুৰ প্রতি পিতৃ-মাতৃ, তত্ত্বাৱধায়ক বা নিয়োগকাৰীয়ে কৰা আৱেগিক, দৈহিক, আর্থিক আৰু যৌন দুর্ব্যৱহাৰক শিশুৰ প্রতি দুর্ব্যৱহাৰ বুলিব পাৰি।

- শিশু উৎপীড়নৰ কাৰণবোৰ হ'ল পিতৃ-মাতৃগত, পৰিৱেশগত, ছাপজনিত আৰু শিশুৰ নিজা সমস্যা কিছুমান।
- ভাৰতত শিশুৰ সমস্যা বৃদ্ধিয়ে প্রত্যাহ্বান সৃষ্টি কৰিছে। শিশু শ্রমৰ বিৰুদ্ধে যুঁজাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। শিশু শ্রম বিলোপৰ বাবে ভাৰতে সাংবিধানিক, চৰকাৰী আৰু উন্নয়নমূলক পদক্ষেপ লৈছে। কিন্তু এই পদক্ষেপবোৰ প্রায়োগিক অসুবিধাবিলাকৰ বাবে বিশেষ ফলপ্রসূ হ'ব পৰা নাই।



## ৯.৬ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Government of India (2007): *Study on Child Abuse: India 2007*. Ministry of Women and Child Development.
2) Hazarika, P. (2004): *Child labour in India*. New Delhi: Akash Publishing House.
3) ILO (2002): *International Programme on the Elimination of child labour*. Geneva: ILO.
4) Sahoo, U. C. (1995): *Child Labour in Agrarian Society*. New Delhi: Rawat Publications.




## ৯.৭ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** সমাজতাত্ত্বিক, উন্নয়নকর্মী, শিক্ষাবিদ আদিৰ মতে 'শিশু শ্রমিক' এটা অৱমাননাসূচক শব্দ যাৰ ভাৱার্থ হ'ল শিশু শোষণ আৰু অমানবিকতা। কোনো কাম শিশু শ্রমত পৰিণত হয় যেতিয়া শিশু পূর্ণ সময়ৰ বাবে নিযুক্ত হয় বা শিক্ষা বাদ দি পৰিয়ালৰ কাৰণে ধন উপার্জন কৰে।

**২নং প্রশ্নৰ উত্তৰ ঃ** শিশু শ্রমিক সমস্যাৰ দুটা কাৰণ হ'ল দৰিদ্রতা আৰু অজ্ঞতা।

**৩নং প্রশ্নৰ উত্তৰ ঃ** আৱেগিক শিশু উৎপীড়ন সংজ্ঞাবদ্ধ কৰা অতি কঠিন। 'হু'ৰ মতেঃ 'আৱেগিক উৎপীড়ন হিচাপে সেইবিলাক আচৰণ বিবেচিত হ'ব যাৰ দ্বাৰা কোনো শিশু তেওঁৰ সুস্থ বিকাশৰ অনুকূল, সহযোগিতামূলক আৰু সহৃদয় বাতাবৰণৰ পৰা বঞ্চিত হয়— যি বাতাবৰণত শিশুৱে বাস কৰা সমাজখনৰ প্রেক্ষাপটত নিজৰ সম্ভাৱনাক পূর্ণতা দি এক দৃঢ় আৰু সর্বতোমুখী আৱেগিক তথা সামাজিক যোগ্যতা আর্জিবলৈ সক্ষম হ'ব

পাৰে। আৱেগিক উৎপীড়ণমূলক কার্য্যৰ উদাহৰণ— পিতৃ-মাতৃ বা তত্বাৱধায়কে চৰম ৰূপৰ শাস্তি প্রদান কৰা, যেনে বান্ধি থোৱা, অন্ধকাৰ কোঠাত আবদ্ধ কৰি ৰখা, ভাবুকি দিয়া আদি। তাতকৈ নৰম ৰূপৰ শাস্তিৰ উদাহৰণ— অৱহেলা, অবজ্ঞা, বৈষম্য, গালি শপনি— যাৰ দ্বাৰা শিশুমনত আঘাত লাগিব পাৰে আৰু শিশুৰ ওপৰত দোষ জাপি দিয়া প্রাপ্ত বয়স্কৰ বদ অভ্যাস ইত্যাদি।



## ৯.৮ আৰ্হি প্রশ্ন

**ক) চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** শিশু শ্রমিকবুলিলে কি বুজে?

**প্রশ্ন ২ ঃ** শিশুৰ প্রতি দুর্ব্যৱহাৰৰ সংজ্ঞা দিয়ক।

**খ) ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** শিশু শ্রমিকে কাম কৰা বিভিন্ন খণ্ডবিলাকৰ বিষয়ে এটা টোকা লিখক।

**প্রশ্ন ২ ঃ** শিশু শ্রমিক কেইপ্রকাৰ? ভাৰতত দৃষ্টিগোচৰ হোৱা প্রকাৰবোৰৰ আলোচনা আগবঢ়াওক।

**প্রশ্ন ৩ ঃ** শিশুৰ প্রতি দুর্ব্যৱহাৰ মানে কি বুজে? বিভিন্ন ধৰণৰ শিশুৰ প্রতি দুর্ব্যৱহাৰ সম্পর্কে আলোচনা আগবঢ়াওক।

**প্রশ্ন ৪ ঃ** শিশু শ্রমিকৰ কাৰণবোৰ আলোচনা কৰক। ইয়াক প্রতিহত কৰিবলৈ চৰকাৰে লোৱা কেতবোৰ পদক্ষেপ উল্লেখ কৰক।

প্রশ্ন ৫ ঃ শিশুৰ প্রতি দুর্ব্যৱহাৰৰ কাৰণবোৰ কি?

*** ***** ***

# অধ্যায় ১০ ঃ পিছপৰা শ্ৰেণীসমূহৰ সমস্যা

## অধ্যায় গাঁথনি


১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ পিছপৰা শ্ৰেণীসমূহ

১০.৪ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ আৰ্থ-সামাজিক সমস্যা

১০.৫ নীতি আৰু সমস্যা সমাধানৰ ব্যৱস্থা

১০.৫.১ সাংবিধানিক ব্যৱস্থা

১০.৫.২ নীতি

১০.৬ জাতিভেদৰ নিৰ্মমতা

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্ৰগতিৰ খতিয়ান

১০.১০ আৰ্হি প্ৰশ্ন


## ১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পিছপৰা শ্ৰেণীসমূহৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- পিছপৰা শ্ৰেণীসমূহে সন্মুখীন হোৱা বিভিন্ন সমস্যা বুজি পাব
- এই লোকসকলৰ উত্তৰণৰ বাবে লোৱা নীতি আৰু ব্যৱস্থাসমূহ আলোচনা কৰিব পাৰিব
- জাতিভেদৰ নিৰ্মমতাৰ সামাজিক প্ৰভাৱ বিশ্লেষণ কৰিব পাৰিব।

## ১০.২ পৰিচয়

ভাৰতীয় সংবিধানত 'পিছপৰা শ্ৰেণীসমূহৰ' সংজ্ঞা ব্যাখ্যা কৰা হোৱা নাই যদিও অনগ্ৰসৰতাৰ কিছুমান বৈশিষ্ট্য অ'ত-ত'ত বৰ্ণনা কৰা হৈছে। কেতিয়াবা অনগ্ৰসৰতাৰ নিৰ্দিষ্ট শ্ৰেণীৱদ্ধকৰণো কৰা হৈছে। তথাপিও ভাৰতীয় সংবিধানৰ অনুচ্ছেদত পিছপৰা শ্ৰেণীসমূহৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ভাৰতীয় সমাজ এনে শতসহস্ৰ লোকৰ দ্বাৰা গঠিত; যিসকলে বিভিন্ন অঞ্চল আৰু জনজাতীয় বলয়ত শোচনীয় দৰিদ্ৰতাৰ মাজত জীৱন নিৰ্বাহ কৰে। তেওঁলোক নিৰক্ষৰ আৰু নিজৰ অধিকাৰ সম্পৰ্কে অজ্ঞ। তেওঁলোকৰ প্ৰত্যয় জন্মাব পৰাকৈ ভাৰতীয় সংবিধানত সামাজিক,

অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় লাভৰ সুযোগ দিয়াৰ কথা সন্নিৱিষ্ট কৰাৰ উপৰি সকলোকে সম অৱস্থালৈ আনিবলৈ লক্ষ্য কেন্দ্ৰীভূত কৰা হৈছে।

সংবিধানৰ ধাৰা ১৬(৪)ত 'পিছপৰা শ্ৰেণী'ৰ পৰিভাষা ব্যৱহাৰ কৰি কোৱা হৈছে যে বিভিন্ন সেৱাত এনে শ্ৰেণীৰ প্ৰতিনিধিত্ব কম। ধাৰা ৪৬ত উল্লেখ কৰা হৈছে যে, সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক 'অনুসূচিত জাতি' আৰু 'অনুসূচিত জনজাতি'ৰ শিতানত অন্তৰ্ভুক্ত কৰা হৈছে। ধাৰা ৩৪০ত ৰাজ্যসমূহক পিছপৰা শ্ৰেণীৰ বিষয়ে অনুসন্ধান কৰা আৰু তেওঁলোকক সাহায্য প্ৰদান কৰাৰ ক্ষমতা দিয়া হৈছে।

ধাৰা ১৪, ১৫(১) আৰু ১৫(২)ই আইনৰ চকুত সকলো শ্ৰেণীৰ লোকক সমান বুলি ধৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু জাতি, বৰ্ণ, জন্ম ইত্যাদিৰ ভিত্তিত বৈষম্য নিষিদ্ধ কৰিছে। সংবিধানৰ ধাৰা ১৫(৪)ই দৃঢ়ভাৱে ঘোষণা কৰিছে যে সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ নাগৰিক নাইবা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ নাগৰিকসকলক বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰাত ৰাজ্যসমূহে কোনো বাধাৰ সৃষ্টি নকৰিব।

ভাৰতৰ পিছপৰা শ্ৰেণীসমূহৰ সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশেষ আৰু স্বতন্ত্ৰ ব্যৱস্থাৰ প্ৰয়োজন। তেওঁলোকৰ সহায়ৰ বাবে সংবিধানে এনে কিছুমান সা-সুবিধা প্ৰদান কৰাৰ স্বীকৃতি দিছে।

পিছপৰা শ্ৰেণী শিতানত বিভিন্ন পৰ্য্যায়ৰ লোকক সামৰি লোৱা হয়। যিসকলে গুৰুতৰভাৱে জীৱনৰ বিভিন্ন ক্ষেত্ৰত সা-সুবিধা লাভৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকৰ সমস্যাৰাজি হ্ৰাস কৰিবৰ বাবে ৰাষ্ট্ৰই সামগ্ৰিক উন্নয়নৰ পদক্ষেপ লোৱা প্ৰয়োজন।

## ১০.৩ পিছপৰা শ্ৰেণীসমূহ

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে 'পিছপৰা শ্ৰেণীসমূহ'ৰ বাবে সংবিধানৰ ধাৰা ১৫(৪), ১৬(৪) আৰু ৩৪০(১)ত বিভিন্ন কথা সন্নিৱিষ্ট কৰা আছে। অন্যহাতেদি ধাৰা ১৫(৪) আৰু১৬(৪)ত ৰাজ্যবোৰক সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ নাগৰিকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ ক্ষমতা প্ৰদান কৰা হৈছে। ধাৰা ৩৪০(১)ই পিছপৰা শ্ৰেণীসমূহৰ অৱস্থাৰ অনুসন্ধান কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আয়োগ নিযুক্তি দিবলৈও অধিকাৰ দিছে। 'পিছপৰা শ্ৰেণীসমূহ' পৰিভাষাটো ঔপনিৱেশিক কালছোৱাত বহুতো প্ৰসঙ্গত ব্যৱহাৰ কৰা হৈছিল। কিন্তু স্পষ্টভাৱে সংজ্ঞাৱদ্ধ কোনো পৰিমাপক নথকাৰ বাবে সমূহীয়াভাৱে গোষ্ঠীসমূহৰ মাজত সুমুৱাই ল'ব বা উলিয়াই পেলাব তাক নিৰ্ণয় কৰা জটিল আছিল। বাস্তৱিকতে এই পৰিভাষাটোৱে পুৰণি আচাৰ-নীতিবে পৰিবেষ্টিত হৈ থকা সকলো জাতি, যিসকলে তুলনামূলকভাৱে কম সুবিধা উপভোগ কৰাৰ সুযোগ পায় আৰু প্ৰান্তিক জাতি (Maginalised Castes), উপজাতি আৰু সম্প্ৰদায়সমূহক সূচিত কৰে।

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ শ্ৰেণীৱদ্ধকৰণ স্পষ্ট নোহোৱাৰ দৰেই, 'পিছপৰা শ্ৰেণীসমূহ' সংজ্ঞাটিও যথাযথ নহয়। ই সেইসকল অন্য শ্ৰেণীৰ লোকৰ কথা বুজায়, যিসকল সাধাৰণতে প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত আৰু প্ৰান্তিক শ্ৰেণীৰ।

সংবিধানৰ ৩৪০(১) ধাৰাৰ যোগেদি ৰাজ্যসমূহক সামাজিক আৰু শৈক্ষিকভাৱে অনুন্নত শ্ৰেণীসমূহৰ বিষয়ে অনুসন্ধান কৰিবলৈ আয়োগ নিয়োগৰ ক্ষমতা প্ৰদান কৰা হৈছে। ধাৰা ৩৪০(১)ৰ আধাৰত নিয়োগ কৰা প্ৰথমখন পিছপৰা শ্ৰেণীৰ আয়োগে ইয়াৰ প্ৰতিবেদন ১৯৫৫ চনত দাখিল কৰিছিল। এই প্ৰতিবেদনে ২৩৯৯টা জাতি আৰু সম্প্ৰদায়ক পিছপৰা বুলি উপস্থাপন কৰিছিল। ইয়াৰে ২৩৭টাক অত্যধিক পিছপৰা বুলি বিবেচনা কৰা হৈছিল আৰু বিশেষ মনোযোগৰ প্ৰয়োজন আছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছিল। এইদৰে পিছপৰা শ্ৰেণীক দুটা ভাগত বিভক্ত কৰা হৈছিল— পিছপৰা আৰু অত্যধিক পিছপৰা। এই প্ৰতিবেদনখন ৰাষ্ট্ৰীয় চৰকাৰে 'জাতি' বুলি উল্লেখ থকা আৰু পিছপৰা শ্ৰেণী চিনাক্তকৰণৰ বাবে অৰ্থনৈতিক বৈশিষ্ট্য সন্নিৱিষ্ট নকৰা বাবে অগ্ৰাহ্য কৰিছিল।

১৯৮০ চনত দ্বিতীয়খন সৰ্বভাৰতীয় পিছপৰা শ্ৰেণী আয়োগ, যিখনক জনপ্ৰিয়ভাৱে মণ্ডল আয়োগ বুলি জানে, ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। বিভিন্ন জনসমষ্টিৰ সামাজিক আৰু শৈক্ষিক অনগ্ৰসৰতাৰ ভিত্তিত জাতি আৰু শ্ৰেণী বৈশিষ্ট্যযুক্ত ১১টা সূচক আয়োগে চিহ্নিত কৰিছিল। নতুন শ্ৰেণীৰদ্ধ তালিকা অনুসৰি ৩৪৭৩টা জাতিক পিছপৰা বুলি ঘোষণা কৰা হয়। আয়োগে, এটা জাতি নাইবা কোনো সামাজিক গোষ্ঠীক অনগ্ৰসৰ ৰূপে চিনাক্ত কৰিবৰ বাবে বাস্তৱ সূচকসমূহক ক্ৰমোচ্চ শ্ৰেণী বিভাগৰ ভিত্তিত অন্তৰ্ভুক্ত কৰিছিল, যেনে— গোষ্ঠীৰ ভিতৰত বিবাহৰ নিম্নতম বয়স, কৰ্মত মহিলাৰ অধিকাৰ আৰু অংশগ্ৰহণ, বিদ্যালয় এৰাৰ সৰ্বোচ্চ হাৰ, খোৱা পানীৰ দুৰ্লভতা, পা�ৰিবাৰিক সম্পত্তিৰ ন্যূনতম গড় মূল্য, কেঁচাঘৰৰ উচ্চতম হাৰ ইত্যাদি। মণ্ডল আয়োগৰ প্ৰতিবেদন ১৯৯১ চনত আংশিকভাৱে ৰূপায়িত কৰা হয়।

১৯৯৩ চনৰ ৮ ছেপ্টেম্বৰত ভাৰত চৰকাৰৰ অধ্যাদেশ মতে দুয়োখন তালিকাভুক্ত (দ্বিতীয় সৰ্বভাৰতীয় পিছপৰা শ্ৰেণীসমূহৰ আয়োগ নাইবা মণ্ডল আয়োগ আৰু ৰাজ্য চৰকাৰৰ ব্যক্তিগত তালিকা) জাতিসমূহক অন্যান্য পিছপৰা শ্ৰেণী বুলি সংজ্ঞাৰদ্ধ কৰা হৈছে।

## ১০.৪ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ আৰ্থ-সামাজিক সমস্যা

ভাৰতত বৰ্ণ অথবা জাত হ'লএকপ্ৰকাৰৰ সামাজিক স্তৰবিন্যাস।ই একেই অৱস্থা নাইবা সামাজিক অৱস্থানৰ আৰ্থ-সামাজিক জনগোষ্ঠীসমূহক সূচায়। জাতিৰ আন একপ্ৰকাৰ সামাজিক স্তৰ বিন্যাস অনুসৰি যি জাতি নাইবা সম্প্ৰদায় এক আৱদ্ধ পদ্ধতিৰে পৰিচালিত তেনে জাতি নাইবা সম্প্ৰদায়বোৰ সি তুলনামূলকভাৱে মুক্ত জাত নাইবা বৰ্গতকৈ ভিন্ন। আৱদ্ধ পদ্ধতিক মুক্ত পদ্ধতিতকৈ স্বতন্ত্ৰ কৰি দেখুৱাব পাৰি ইয়াৰ সদস্যভুক্তিৰ নিয়মৰ ভিত্তিত। বৰ্গীয় গোষ্ঠীসমূহত ঊৰ্ধমুখী গতিশীলতাৰ প্ৰৱণতা অধিক সহজে ধৰা পৰে। কেইটামান মূল পৰিমাপক, যেনে— শিক্ষা, কৰ্মৰ অৱদান আদি সলনি হোৱাৰ লগে লগে ব্যক্তিৰ সামাজিক প্ৰস্থিতি সলনি হ'লেও কোনো এক উচ্চ জাতি অথবা গোষ্ঠীৰ সদস্য হ'ব নোৱাৰে। যিবোৰ জাতি অথবা জনগোষ্ঠীৰ

সদস্যসকল অৰ্থনৈতিক আৰু শৈক্ষিক দিশত তুলনামূলকভাৱে অন্য জাতিসমূহতকৈ কম সুবিধাপ্ৰাপ্ত, সেই শ্ৰেণীটোকেই সাধাৰণতে পিছপৰা বুলি গণ্য কৰা হয়।

ভাৰতত পিছপৰা শ্ৰেণী বুলি ক'লে ইয়াৰ বৃহৎ পৰিসৰৰ মাজত ভাৰতীয় সমাজৰ মূল বৈশিষ্ট্যযুক্ত অৱস্থাগত মিল থকা কিছুসংখ্যক গোষ্ঠীৰ কথা বুজিব লাগিব। 'পিছপৰা শ্ৰেণী'য়ে কোনো একক গোষ্ঠীক নুবুজায়। বৰং ই বিভিন্ন গোষ্ঠীৰ মানুহৰ সমষ্টি। এই সমষ্টিটোৰ সদস্যসকল ভাৰতীয় সামাজিক সংৰচনাৰ বিভিন্ন উপাদানেৰে সমৃদ্ধ।

পিছপৰা শ্ৰেণীসমূহ নানান সমস্যাৰে পীড়িত আৰু বিভিন্ন ক্ষতিকাৰক সামাজিক সমস্যাৰে পৰিৱেষ্টিত। তেওঁলোকে নানান অসুবিধা ভোগ কৰিবলগীয়া হয়। যেনে— নিম্ন সামাজিক প্ৰস্থিতি, দৰিদ্ৰতা আৰু নিৰক্ষৰতা ইত্যাদি এই শ্ৰেণীবোৰ কিবা নহয় কিবা প্ৰকাৰে সমাজ গোষ্ঠীৰ লগত জড়িত হৈ থাকে।

ভাৰতীয় সংবিধানৰ বিভিন্ন ধাৰাত অনগ্ৰসৰতাৰ বৈশিষ্ট্যসমূহৰ ৰূপৰেখা অংকিত কৰা হৈছে। উদাহৰণ স্বৰূপে, আগতে কোৱাৰ দৰে ধাৰা ১৫(৪)ত সামাজিক আৰু শৈক্ষিক অনগ্ৰসৰতা, ধাৰা ১৬(৪)ত বিভিন্ন সেৱাসমূহত পৰ্য্যাপ্ত প্ৰতিনিধিত্বৰ অভাৱ, ধাৰা ৪৬ত সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকল, যেনে— অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিক অন্তৰ্ভুক্ত কৰা হৈছে।

সংবিধানে কেৱল অনগ্ৰসৰতাৰ বৈশিষ্ট্যসমূহকেই সূচিত কৰা নাই, অনগ্ৰসৰ লোকৰ উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থাও সন্নিৱিষ্ট কৰিছে। উল্লিখিত ধাৰা ৪৬ত কোৱা হৈছে, সংবিধানে বিভিন্ন সমস্যা আৰু সামাজিক অক্ষমতা অতিক্ৰম কৰিবৰ বাবেও বিধান দিছে। ইয়াত উল্লেখ আছে যে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ উন্নতকল্পে ৰাজ্যসমূহে অৰ্থনৈতিক আৰু শৈক্ষিক অগ্ৰগতি নিশ্চিত কৰাৰ দিশত বিশেষভাৱে যত্নপৰ হ'ব পাৰিব। বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ উন্নয়নৰ বাবে বিভিন্ন ব্যৱস্থা লোৱা উচিত। ধাৰা ৩৪০ত ৰাজ্য চৰকাৰে পিছপৰা শ্ৰেণীৰ অৱস্থাৰ উন্নয়নকাৰী প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব বুলি কোৱা হৈছে।

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ অনগ্ৰসৰতা আঁতৰ কৰিবলৈ প্ৰসঙ্গতে সংবিধানে এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সংবিধানৰ ধাৰা ৪৬ৰ অধীনত এই লোকসকলৰ সামাজিক অক্ষমতাসমূহ দূৰ কৰিবলৈ কিছুমান ব্যৱস্থা সন্নিবিষ্ট কৰাৰ কথা কোৱা হৈছে। ইয়াত কোৱা হৈছে যে ৰাজ্যসমূহে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ শৈক্ষিক আৰু অৰ্থনৈতিক উন্নয়নৰ কাৰণে বিশেষভাৱে যত্নপৰ হ'ব। বিশেষতঃ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্ৰত এনে ব্যৱস্থা লোৱা উচিত। পৰিশেষত ধাৰা ৩৪০ত ৰাজ্য চৰকাৰসমূহক বিশেষ জাতি-গোষ্ঠীসমূহৰ অনগ্ৰসৰতাৰ কাৰণ অনুসন্ধানৰ বাবেও বিশেষ ক্ষমতা প্ৰদান কৰিছে। সংবিধানে প্ৰতিটো পৰ্য্যায়ৰ পিছপৰা শ্ৰেণীসমূহ, যেনে— অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ গাঁথনিকো পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছে।

ব্যাপক আৰু বৃহৎ সংমিশ্ৰিত লোকৰ দ্বাৰা পিছপৰা শ্ৰেণীসমূহ গঠিত। দেশৰ মুঠ জনসংখ্যাৰ এক গুৰুত্বপূৰ্ণ অংশক ই সামৰি লয়। মোটামুটিভাৱে দেশৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ লোক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। পিছপৰা শ্ৰেণীৰ ভিতৰত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা জাতিসমূহক সামৰি লোৱা হয়।

অনগ্ৰসৰ শ্ৰেণীসমূহৰ সমস্যাবোৰ সকলোৰে দৃষ্টিগোচৰ কৰিবলৈ আৰু সেইবোৰ আঁতৰাবলৈ প্ৰতিশ্ৰুতিৱদ্ধ হ'বলৈ তথা তেওঁলোক কিমান বঞ্চনাৰ আৰু অৱহেলাৰ সন্মুখীন হ'বলগীয়া হৈছে সেয়া বুজাবলৈ বিশ্বাসযোগ্য চৰকাৰী পৰিসংখ্যাৰ সাংঘাতিকভাবে অভাৱ। বিগত কেইবছৰমানত এই শ্ৰেণীসমূহৰ অৱস্থাৰ অৱনতি হোৱাটো পৰিলক্ষিত হৈছে। কাৰণ, তেওঁলোকৰ পৰম্পৰাগত কৰ্মক্ষেত্ৰত নিয়োগৰ সুযোগৰ অভাৱত বয়নশিল্প, মৎস্য ব্যৱসায় ইত্যাদি এই শ্ৰেণীসমূহৰ গৰিষ্ঠসংখ্যক লোকেই পৰম্পৰাগতভাৱে জড়িত। কেৱল নৱম পৰিকল্পনাৰ পাচৰে পৰা কেন্দ্ৰীয় পৰিকল্পনাত পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ আৰু উন্নয়নৰ বাবে পুঁজি আবণ্টনৰ ব্যৱস্থা প্ৰৱৰ্তিত কৰা হৈছে। যি নহওক, পিছপৰা শ্ৰেণীসমূহৰ দক্ষতা বৃদ্ধি, কল্যাণ আৰু উন্নয়ন নিশ্চিত কৰিবলৈ বুজন পৰিমাণৰ পুঁজি আবণ্টনৰ প্ৰয়োজন।



**জানি থোৱা ভাল**

**অনুসূচিত জাতি, অনুসূচিত জনজাতি ঃ কেইটামান তথ্য—**

- অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বিৰুদ্ধে থকা অস্পৃশ্যতাৰ বাধা আৰু সামাজিক নিৰ্মমতা বৰ্তমানো অক্ষুণ্ণ আছে। সংবিধানে ৫০ বছৰৰ আগতেই আইন প্ৰণয়ন কৰি অস্পৃশ্যতাৰ বিলুপ্তি সাধন কৰিছিল।
- ভূমিহীনতাৰ সমস্যা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্ৰত ক্ৰমে বাঢ়িহে গৈছে। তেওঁলোকৰ মাজত আনুপাতিকভাৱে কৃষিজীৱী মানুহৰ সংখ্যা কমি যোৱাৰ বিপৰীতে কৃষি শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছে।
- অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ আৰু উন্নয়নৰ কাৰণে আবণ্টিত ধন সাম্প্ৰতিক সময়ত যথেষ্ট নহয় আৰু যোৱা কেইবছৰমানত ইয়াৰ পৰিমাণ ক্ৰমহ্ৰাসমান হৈছে।
- কেন্দ্ৰীয় চৰকাৰৰ গ্ৰুপ 'এ' আৰু গ্ৰুপ 'বি'ৰ পদসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ প্ৰতিনিধিত্ব যথেষ্ট নহয়। এতিয়াও ইয়াৰ হাৰ একেই আছে। আনকি অনুসূচিত জনজাতিৰ ক্ষেত্ৰত গ্ৰুপ 'চি' আৰু গ্ৰুপ 'ডি'ৰ পদসমূহতো এই অভাৱ বিদ্যমান।

স্বাধীনতাৰ পাছৰে পৰা ভাৰতীয় অৰ্থনীতিৰ যথেষ্ট পৰিমাণে উন্নতি হৈছে। দ্ৰুত উদ্যোগিকীকৰণ (শিল্পায়ন),নতুন প্ৰযুক্তিৰ প্ৰৱৰ্তন, কৃষিৰ আধুনিকীকৰণ আৰু দ্ৰব্যৰ বৃহৎ পৰিমাণৰ উৎপাদন আৰু সেৱাসমূহে অৰ্থনীতিক লক্ষণীয়ভাৱে আগবঢ়াই নিছে। ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ প্ৰৱৰ্তনে চৰকাৰৰ অধীনৰ কেইটামান উদ্যোগৰ ব্যক্তিগত অনুজ্ঞা-পত্ৰৰ সংৰক্ষিত সুবিধা ৰাজ (Licence-Quota Raj) বিলোপ কৰাৰ লগতে আমদানি আৰু ৰপ্তানিৰ বাধা-নিষেধ হ্ৰাস কৰি বিত্তীয় তথা বেঙ্কিং খণ্ডক অৰ্থনৈতিক দিশেৰে আগবঢ়াই নি আলোড়নৰ সৃষ্টি কৰিলে।

যি নহওক, কেৱল অৰ্থনৈতিক উন্নয়নেই যথেষ্ট নহয়— এই অগ্ৰগতি মানৱ উন্নয়নৰ বহুমুখী দিশৰ লগত জড়িত হ'ব লাগিব। মানৱ উন্নয়নে মানুহৰ সকলো প্ৰকাৰৰ প্ৰগতিক সামৰি লয়, স্বাধীনতা আৰু মানৱ অধিকাৰ সকলোৰে কাৰণে সম্প্ৰসাৰিত কৰে, যাতে সকলোৰে জীৱনৰ

মূল্যবোধ বৰ্তাই ৰাখিব পাৰে। ই মানুহক ভয়মুক্ত স্বাধীনতা উপভোগৰ সুযোগ দিয়াৰ লগতে দমনমুক্ত, বৈষম্যহীন আৰু শোষণবিহীন জীৱন-যাপনত সহায় কৰি একোটা মুক্ত মৰ্যাদাপূৰ্ণ, ক্ষুধামুক্ত আৰু অজ্ঞতাশূন্য জীৱনৰগৰাকী কৰি তুলিব পাৰে।মানৱউন্নয়নৰ ফলত মানুহে সিদ্ধান্ত গ্ৰহণত মুক্ত, তথ্যসমৃদ্ধ আৰু বিজ্ঞভাৱে অংশগ্ৰহণ কৰিব পৰা হয়।

অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীয়ে সন্মুখীন হোৱা বিভিন্ন বিষয় আৰু সমস্যাৰ ভিতৰুৱা দিশবোৰ তেওঁলোকে সংৰক্ষণ প্ৰক্ৰিয়াৰ সুযোগ গ্ৰহণ কৰি সহজে সমাধা কৰিবলৈ সক্ষম হয়। এই শ্ৰেণীবোৰে সন্মুখীন হোৱা ৰাজনৈতিক প্ৰান্তীয়কৰণৰ সমস্যাটোৰ উপৰি অগণিত সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। এই সমস্যাবোৰে তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাত গুৰুতৰ প্ৰভাৱ পেলায়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** পিছপৰা শ্ৰেণীৰ লোকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাবোৰ কি?

.....

**প্ৰশ্ন নং ২ ঃ** ভুল নে শুদ্ধ কওক—

ক) মানৱ উন্নয়নৰ অৰ্থ হ'ল সকলো লোককে মানৱ অধিকাৰ আৰু স্বাধীনতাৰ নিশ্চিতি প্ৰদান কৰা যাতে তেওঁলোকে জীৱন-যাপনৰ ন্যূনতম মান বৰ্তাই ৰাখিব পাৰে।

খ) সংবিধান ধাৰা ৩৪০এ ৰাজ্য চৰকাৰবোৰক পিছপৰা শ্ৰেণীৰ অৱস্থাৰ অনুসন্ধান কৰাৰ ক্ষমতা প্ৰদান কৰিছে।

## ১০.৫ নীতি আৰু সমস্যা সমাধানৰ ব্যৱস্থা

### ১০.৫.১ সাংবিধানিক ব্যৱস্থা

অনুসূচিত জাতি,অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ উত্তৰণ সুনিশ্চিত কৰিবলৈ সংবিধান প্ৰণেতাসকলে গভীৰভাৱে চিন্তা কৰি বিস্তৃত সাংবিধানিক কৌশল প্ৰস্তুত কৰিছিল। তলত সংবিধানপ্ৰদত্ত ব্যৱস্থাসমূহ চমুকৈ আলোচনা কৰা হ'ল।

- ধাৰা ১৭ই অস্পৃশ্যতা বিলোপ কৰিছে।
- ধাৰা ৪৬ৰ জৰিয়তে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কাৰণে বিশেষ যত্নসহকাৰে শৈক্ষিক আৰু অৰ্থনৈতিক উন্নয়নৰ ব্যৱস্থা গ্ৰহণত গুৰুত্ব প্ৰদান কৰা হৈছে। বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। লগতে তেওঁলোকক সকলো প্ৰকাৰ শোষণৰ পৰা ৰক্ষা কৰি ন্যায় প্ৰদানৰ ব্যৱস্থা কৰাৰ কথা কোৱা হৈছে। ধাৰা ৩৩৫-এ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ

সদস্যসকলৰ কথা ধাৰাবাহিকভাৱে বিবেচনা কৰি প্ৰশাসনিক দক্ষতা বৰ্তাই ৰখাৰ প্ৰয়াস কৰিছে। কেন্দ্ৰ আৰু ৰাজ্যৰ বিষয় জড়িত কাম আৰু সেৱাবোৰত তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা ৰখা হৈছে।

- ধাৰা ১৫(৪)ত তেওঁলোকৰ উন্নতিকল্পে বিশেষ ব্যৱস্থা অথবা নিয়মৰ উল্লেখ কৰা হৈছে।
- ধাৰা ১৬(৪ক)ত কোৱা হৈছে যে ৰাজ্যৰ অধীনৰ পদ আৰু সেৱাত যিকোনো শ্ৰেণী নাইবা শ্ৰেণীসমূহৰ কৰ্মচাৰীৰ পদোন্নতিৰ ক্ষেত্ৰত অনুসূচিত জাতি আৰু অনুসূচিত জাতিৰ অনুকূলে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যিবিলাক ৰাজ্যিক সেৱাত তেওঁলোকৰ যথোপযুক্ত প্ৰতিনিধিত্ব নাই। তাত প্ৰতিনিধিৰ সংখ্যাৰ বঢ়াব লাগিব।
- ধাৰা ৩৩৮এ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে জাতীয় আয়োগ (National Commission) গঠনৰ ব্যৱস্থা কৰিছে। আয়োগৰ কৰ্তব্য হ'ব তেওঁলোকক সুৰক্ষা প্ৰদানৰ বাবে অনুসন্ধান আৰু পৰামৰ্শ দিয়া, তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে আঁচনি গ্ৰহণ প্ৰক্ৰিয়াত পৰামৰ্শ প্ৰদান কৰা আৰু তেওঁলোকৰ বিশেষ অভিযোগৰ অনুসন্ধান কৰা তথা এনে অনুসন্ধানত অংশগ্ৰহণ কৰা। সংবিধানৰ অনুচ্ছেদ ৩৩০ আৰু ধাৰা ৩৩২ত যথাক্ৰমে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কাৰণে লোকসভা আৰু বিধান সভাসমূহত আসন সংৰক্ষণৰ ব্যৱস্থা ৰখা হৈছে।
- সংবিধানৰ পঞ্চায়ত সম্পৰ্কে থকা অংশ IX আৰু পৌৰসভা সম্পৰ্কে থকা অংশ IXAত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে স্থানীয় নিকায়সমূহত সংৰক্ষণৰ ব্যৱস্থা ৰখা হৈছে।
- সংবিধানৰ অংশ IX আৰু IXA ত যথাক্ৰমে বিধানসভাৰ সদস্যসকলক পঞ্চায়ত আৰু পৌৰসভাসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ অনুকূলে আসন সংৰক্ষণৰ ব্যৱস্থা ৰখাৰ পৰামৰ্শ দিছে।
- সংবিধানৰ ধাৰা ৩৪০ত পিছপৰা শ্ৰেণীসমূহৰ অৱস্থাৰ বুজ ল'বলৈ আয়োগ গঠনৰ ব্যৱস্থা ৰখা হৈছে।
- ধাৰা ১৬(৪) আৰু ১৬(৪ক)ই যথাক্ৰমে ৰাজ্যৰ অধীনৰ সেৱাসমূহত নিয়োগ আৰু পদোন্নতিৰ ক্ষেত্ৰত যথোপযুক্তভাৱে প্ৰতিনিধিত্ব নাথাকিলে পিছপৰা শ্ৰেণীসমূহৰ কাৰণে পদ সংৰক্ষণৰ বাবে অনুমতি প্ৰদান কৰিছে।
- ধাৰা ১৫(৪)এ ৰাজ্যৰ অৰ্থনৈতিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ উন্নয়নৰ হকে বিশেষ ব্যৱস্থা গ্ৰহণৰ অনুমতি প্ৰদান কৰিছে। ইয়াৰ উপৰি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ তথা আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি হোৱাকৈ অন্য সাংবিধানিক ব্যৱস্থাৰ সুযোগো ৰখা হৈছে।
- ধাৰা ১৫ অনুসৰি ৰাজ্যবোৰে জাতি-বৰ্ণৰ ভিত্তিত নাগৰিকসকলৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। ধাৰা ১৫(৪)ত অধিক ইতিবাচকভাৱে কোৱা হৈছে যে

(সমতাৰ অধিকাৰ থকা সত্ত্বেও) শৈক্ষিক আৰু সামাজিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। সেয়েহে কোনো ৰাজ্যই যদি এনে জাতি, সম্প্ৰদায়ৰ বাবে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাক সমতাৰ অধিকাৰৰ ভিত্তিত প্ৰত্যাহ্বান জনাব পৰা নাযাব।

- ধাৰা ১৯ৰ অনুসৰি ৰাষ্ট্ৰই যুক্তিসংগত কাৰণত আৰু অনুসূচিত জনজাতিৰ স্বাৰ্থত মুক্ত চলাচল তথা বাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰিব পাৰিব।
- সংবিধানৰ ধাৰা ৪৬ই সমাজৰ দুৰ্বল শ্ৰেণীৰ কাৰণে, বিশেষতঃ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ শৈক্ষিক স্বাৰ্থৰ সুৰক্ষা প্ৰদান কৰিবলৈ ৰাজ্যক পৰামৰ্শ দিছে।
- ধাৰা ৩৩০, ৩৩২ আৰু ৩৩৪ৰ মতে ৰাষ্ট্ৰই সংসদ আৰু বিধানসভাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মুঠ জনসংখ্যাৰ আনুপাতিকভাৱে আসন সংৰক্ষণ কৰিব লাগিব।
- ধাৰা ৩৩৫ই কৈছে যে প্ৰশাসনিক দক্ষতাৰ দিশটো বিবেচনা কৰি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ সদস্যসকলে প্ৰশাসনিক সেৱাসমূহত আসন সংৰক্ষণৰ বাবে জনোৱা দাবীসমূহ বিবেচনা কৰিব লাগিব।
- ধাৰা ৩৩৩৮ (১৯৯০চনৰ ৬৫সংখ্যক সংশোধনী মতে সন্নিৱিষ্ট)ই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ উন্নয়ন হোৱাকৈ প্ৰয়োগ কৰিব পৰা সুৰক্ষা আৰু প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণৰ লগতে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ তথা অগ্ৰগতিৰ বাবে জাতীয় আয়োগ গঠনৰ সাংবিধানিক কৰি দিছে।
- ধাৰা ৩৩৯ অনুসৰি ৰাষ্ট্ৰপতিয়ে সংবিধান প্ৰচলন কৰাৰ দহ বছৰৰ পাচত অনুসূচিত অঞ্চল আৰু অনুসূচিত জাতিৰ কল্যাণৰ বাবে আয়োগ গঠনৰ ক্ষমতা লাভ কৰিব। ভাৰত চৰকাৰকো ৰাজ্যবোৰক অনুসূচিত অঞ্চল আৰু অনুসূচীত জনজাতিৰ লোকসকলৰ কল্যাণৰ অৰ্থে উপযুক্ত নিৰ্দেশ দিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।
- সংবিধানৰ ধাৰা ২৭৫(১)ত ভাৰত যুক্তৰাষ্ট্ৰক অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণৰ আঁচনি ৰূপায়িত কৰিবলৈ অনুদান দিবৰ বাবে পৰামৰ্শ দিয়া হৈছে।
- সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচীত (ধাৰা ২৪৪ৰ প্ৰসঙ্গেৰে) ধাৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্ৰত মানি চলিবলগীয়া বিশেষ প্ৰশাসনিক বিধানৰ উল্লেখ আছে।
- সংবিধানৰ ব্যৱস্থা অনুযায়ী কেইখনমান ৰাজ্যৰ বাবে পৃথক মন্ত্ৰালয় (Ministry) থাকিব। এনে ৰাজ্য কেইখনমান হ'ল— ঝাৰখণ্ড, ছত্তিশগড়, ওড়িশা ইত্যাদি। এই মন্ত্ৰালয়বোৰ সংশ্লিষ্ট ৰাজ্যখনৰ অনুসূচিত জাতিসমূহৰ কল্যাণৰ বাবে দায়ৱদ্ধ আৰু জগৰীয়া হ'ব।

- সংবিধানৰ ৮৫তম সংশোধনীমতে চৰকাৰী চাকৰিত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা বাহাল ৰখা হৈছে।

## ১০.৫.২ নীতি

ভাৰতে পৰিকল্পিত আৰু প্ৰণালীৱদ্ধ সংৰক্ষণ নীতি মানি এক ইতিবচক বৈষম্যমূলক পদ্ধতি অনুসৰণ কৰে। সাংবিধানিক ৰূপৰেখা অনুসৰি সুযোগ হ'ল সমতাৰ ধাৰণাটোৰে সম্প্ৰসাৰিত ৰূপ। সংৰক্ষণ পদ্ধতিত সুচিন্তিত, প্ৰণালীৱদ্ধ আৰু জাতিগত বৈশিষ্ট্যমূলক সুযোগ প্ৰদানৰ দিহা ৰখা হৈছে। নিৰ্দিষ্ট কেইটামান জাতি আৰু গোষ্ঠীৰ বাবে চৰকাৰী চাকৰি, উচ্চ পৰ্য্যায়ৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰাৰ সুযোগ, বিধানসভাত আসন সংৰক্ষণ আদিত ই সহায় কৰে। এনে শাসন প্ৰণালীৰ সিদ্ধান্তসমূহ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ— দুয়োখনেই দেশৰ বিভিন্ন পৰ্য্যায়ৰ প্ৰশাসনিক কাৰ্য্যৰ জৰিয়তে বাস্তৱায়িত কৰে।

সংৰক্ষণৰ মূল কথা বিভিন্ন পৰিৱৰ্তনশীল অভিজ্ঞতাৰ লগত জড়িত। পিছপৰা শ্ৰেণীসমূহে বৰ্তমান আৰু অতীতৰ সমসাময়িক কালছোৱাত সন্মুখীন হোৱা আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অসুবিধাসমূহে 'সংৰক্ষণ'ৰ নিৰ্ণায়ক উপাদানৰ ভূমিকা গ্ৰহণ কৰে। পিছপৰা শ্ৰেণীসমূহৰ নিৰ্ণায়ক কাৰক ৰূপে লিঙ্গ, জাতি, জনজাতি আৰু ভাষাগত সংখ্যালঘু স্থিতি আদিকো গণ্য কৰা হয়। সাংবিধানিক আইন, বিধিৱদ্ধ আইন, স্থানীয় ৰীতি আৰু লিখিত আইনৰ আধাৰত 'সংৰক্ষণ' কৰা হয়। সংৰক্ষণ সাংবিধানিক আইন, বিধিৱদ্ধ আইন, সামাজিক ৰীতি-নীতি আৰু বিনিময়ৰ দ্বাৰা নিৰ্ধাৰণ হয়। ইয়াত সাধাৰণতে শিক্ষা, বৃত্তি, চাকৰি আৰু পদোন্নতিৰ ক্ষেত্ৰত এজন ব্যক্তিক সুবিধা প্ৰদান কৰিবলৈ ব্যৱহৃত এক প্ৰক্ৰিয়াই হ'ল সংৰক্ষণ। এক ধৰণৰ প্ৰমাণ-পত্ৰই সংৰক্ষণৰ সুবিধা লাভত সহায় কৰে। সংৰক্ষণক সামাজিক একত্ৰকৰণৰ এক অপৰিহাৰ্য্য ব্যৱস্থা বুলি অভিহিত কৰা হয়। পিছপৰা শ্ৰেণীসমূহৰ বাবে থকা সংৰক্ষণ নীতিৰ সুবিধা লাভৰ পৰা প্ৰাথমিক হিতাধিকাৰীসকল আৰু অধিক যাতে বঞ্চিত নহয় তাৰ বাবে সংবিধানত নিয়ম সন্নিৱিষ্ট কৰা হৈছে। সংবিধানৰ নীতিগত উপাদানবোৰৰ নিয়মীয়া নবীকৰণৰ আৱশ্যকতা থাকে।

### অগ্ৰগতি নিৰীক্ষণ



**প্ৰশ্ন নং ৩ঃ** ভুল নে শুদ্ধ—

ক) সংবিধানৰ ধাৰা ৩৩০, ৩৩২ আৰু ৩৩৪ অনুসৰি সংসদ আৰু বিধানসভাত অনুসূচিত জাতি তথা অনুসূচিত জনজাতিৰ জনসংখ্যা অনুপাতে আসন সংৰক্ষণ কৰিব পাৰি।

খ) সংবিধানৰ অংশ IX আৰু অংশ IXAত যথাক্ৰমে ৰাজ্যৰ পঞ্চায়ত আৰু পৌৰসভাসমূহত পিছপৰা শ্ৰেণীৰ নাগৰিকৰ কাৰণে আসন সংৰক্ষণৰ বিধান আছে।

## ১০.৬ জাতিভেদৰ নিৰ্মমতা

আমি জানো যে সংবিধানৰ ধাৰা ১৭ত ই অস্পৃশ্যতা বিলোপ কৰিছে। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ত প্ৰণয়ন কৰা হৈছিল। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ বিৰুদ্ধে হোৱা অত্যাচাৰ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যেৰে এই আইনখন প্ৰণয়ন কৰা হৈছিল। আইনখনক জনপ্ৰিয়ভাৱে, 'পোআ' (POA), অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি অত্যাচাৰ প্ৰতিৰোধ আইন আৰু একেবাৰে সহজকৈ অত্যাচাৰ আইন বুলি জনা যায়।

১৯৯০ চনত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে জাতীয় আয়োগে এটা অধ্যয়ন চলাইছিল। শিৰোনাম আছিল 'অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ওপৰত চলা অত্যাচাৰৰ কাৰণসমূহ আৰু ইয়াৰ প্ৰতিকাৰ'— ইয়াত অত্যাচাৰৰ বিভিন্ন নৈমিত্তিক কাৰকৰ বিষয়ে আঙুলিয়াই দেখুওৱা হৈছিল। ইয়াৰ ভিতৰত আছিল ভূমি বিবাদ, ভূমি হস্তান্তৰকৰণ, বন্ধুৱা শ্ৰমিক, ঋণগ্ৰস্ততা, ন্যূনতম মজুৰি নোপোৱা, জাতিগত কুসংস্কাৰ আৰু অস্পৃশ্যতা ইত্যাদি। এই শ্ৰেণীটোৰ সৈতে অন্য শ্ৰেণীৰ সংঘাত সৃষ্টি হয় ৰাজনৈতিক চক্ৰ জড়িত হৈ পৰা বাবে। পৰম্পৰাগত কৰ্ম কৰিবলৈ, যেনে— মৃতকৰ সৎকাৰ কৰ্ম, শৰ দাহনৰ যা-যোগাৰ কৰা, মৃত পশুদেহ আঁতৰোৱা, ঢোল বজোৱা ইত্যাদি অস্বীকাৰ কৰিলেও এই শ্ৰেণীৰ লোকৰ ওপৰত অত্যাচাৰ চলিছিল।

জাতিভেদ প্ৰথাৰ বাবেই পিছপৰা শ্ৰেণীসমূহ বহুতো জ্বলন্ত অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হয় আৰু এই প্ৰথাই শ্ৰেণীটোৰ অনগ্ৰসৰতাৰ মূল কাৰণ। সামাজিক গোষ্ঠীসমূহ পৰিচালিত হয় তথাকথিত স্পৃশ্য আৰু অস্পৃশ্য নীতিৰ আধাৰত। এজন ব্যক্তিক তেতিয়াহে কোনো এক নিৰ্দিষ্ট জাতিৰ লোক বুলি গণ্য কৰা হ'ব যদিহে তেওঁ জন্মৰ পৰা মৃত্যুলৈকে সেই জাতিৰেই সদস্য হৈ থাকে।

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ এনে এখন আইন যিখন অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বিৰুদ্ধে হোৱা অত্যাচাৰ প্ৰতিৰোধ কৰিবৰ বাবে প্ৰণয়ন কৰা হৈছে। এই আইনখন পোৱা (POA) নাইবা অত্যাচাৰ প্ৰতিৰোধ আইন নাইবা অত্যাচাৰ আইন নামেৰে জনপ্ৰিয়।

**ভাৰতত সংঘটিত জাতিগত অত্যাচাৰৰ ঘটনাসমূহ ঃ** ২০১৬ চনৰ ১৮ জানুৱাৰীত আত্মহত্যা কৰা ৰোহিথ ৰেমুলা (Rohith Vemula)ৰ ঘটনাই ভাৰতজুৰি বিক্ষোভ আৰু বিদ্বেষ বিয়পাই পেলাইছিল। এই আত্মহত্যা ভাৰতৰ দলিত আৰু পিছপৰা শ্ৰেণীৰ বিৰুদ্ধে চলা বৈষম্যমূলক আচৰণৰ ফল বুলি অভিযোগ উঠিছিল আৰু ঘটনাটোৱে ব্যাপকভাৱে গণমাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিছিল। উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত পিছপৰা শ্ৰেণীৰ ছাত্ৰসকলৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণৰ স্থায়ী নিদৰ্শন ৰূপে এই ঘটনাটো তুলি ধৰা হৈছিল।

২০১৫ চনৰ ১৪ মে'ত জাট আৰু দলিত সম্প্ৰদায়ৰ লোকৰ মাজত ৰাজস্থানৰ নাগপুৰ জিলাৰ ডাঙ্গৱাজ গাঁৱত লগা সংঘৰ্ষত চাৰিজনৰ মৃত্যু আৰু তেৰজন আহত হৈছিল।

২০১২ চনৰ ডিচেম্বৰত প্ৰায় ২৬৮টা বাসগৃহ-জুপুৰিত অগ্নি সংযোগ কৰা হৈছিল। পশ্চিমাঞ্চলীয় তামিলনাড়ুৰ ধাৰ্মপুৰী জিলাৰ নৈককানকোটাইৰ ওচৰত আদি-দ্ৰাবিড় সম্প্ৰদায়ৰ জুপুৰি, খাপৰিছাল (Tiled-Roof)ৰ আৰু এক নাইবা দুটা কোঠাৰ কংক্ৰিটৰ ঘৰবোৰ উচ্চবৰ্ণৰ ৰনিয়াৰ (Vanniyar)সকলৰ সকলোতকৈ প্ৰভাৱশালী সম্প্ৰদায়টোৱে পুৰি পেলাইছিল। ঘটনাৰ বলি হোৱাসকলে অভিযোগ কৰিছে যে তেওঁলোকৰ সম্পত্তি আৰু জীৱিকাৰ সম্পদবিলাক এক 'নিয়মানুগত ধ্বংস'ৰ সন্মুখীন হৈছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** খালী ঠাই পূৰণ কৰক—

ক) ..... 'পোআ' (POA) বুলি জনা যায়।

খ) সংবিধানৰ ..... অস্পৃশ্যতা বিলোপ কৰিছে।

**প্ৰশ্ন নং ৫ ঃ** অনুসূচিত জাতিসমূহ আৰু অনুসূচিত জনজাতিসমূহ (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ চনত প্ৰণয়ন কৰিছিল অনুসূচিত জাতিসমূহ আৰু অনুসূচিত জনজাতিসমূহৰ বিৰুদ্ধে হোৱা অত্যাচাৰ প্ৰতিৰোধ কৰিবৰ কাৰণে।

(ভুল/শুদ্ধ)



## ১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জীৱনৰ বিভিন্ন ক্ষেত্ৰত সামাজিকভাৱে যিসকল লোক বেয়াকৈ উপেক্ষিত, সেইসকলকে 'পিছপৰা শ্ৰেণী'ৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকৰ সমস্যাসমূহ কম কৰিবলৈ হ'লে এক সামগ্ৰিক উন্নয়নৰ প্ৰয়োজন। ভাৰতৰ পিছপৰা শ্ৰেণীক বুজিবলৈ হ'লে ভাৰতীয় সমাজৰ জাতি-গোষ্ঠীসমূহৰ মূল বৈশিষ্ট্যবোৰৰ বিষয়ে জানিব লাগিব। এনে জাতি-গোষ্ঠীৰ লোকসকল এক আৱদ্ধ সামাজিক পৰিৱেশত বাস কৰে। 'পিছপৰা শ্ৰেণী' মাত্ৰ এটা ৰূপত গঠিত নহয়।ই বিভিন্ন সমাজ গোষ্ঠীৰ ভিন্ন পৰিৱেশ আৰু আৰ্থ-সামাজিক অৱস্থাৰ সামাজিক অধি-শ্ৰেণী।
- চৰকাৰী পৰিসাংখ্যিক তথ্যৰ অভাৱত পিছপৰা শ্ৰেণীৰ লোকে মুখামুখি হোৱা আৰু ভোগ কৰা সামাজিক বঞ্চনাৰ পৰিসৰ জ্ঞাত নোহোৱা বাবেই তেওঁলোক এতিয়াও অনগ্ৰসৰ হৈয়েই আছে। এই শ্ৰেণীসমূহৰ পৰম্পৰাগত জীৱিকাৰ ক্ষেত্ৰবোৰত কৰ্মসংস্থাপন লাভৰ সুযোগ ক্ৰমহ্ৰাসমান হৈছে। উদাহৰণ স্বৰূপে, পৰম্পৰাগতভাৱে তেওঁলোক বয়ন শিল্প, মাছ মৰা আদি জীৱিকাৰ লগত জড়িত আছিল। ইয়াত বহুতো লোকে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিছিল। পিছপৰা শ্ৰেণীসমূহৰ উন্নয়ন আৰু কল্যাণৰ বাবে কেৱল নৱম পৰিকল্পনাৰ সময়ৰ পৰাহে পুঁজি আবণ্টন কৰা হৈছে। কেন্দ্ৰৰ ফালৰ পৰা তেওঁলোকৰ কল্যাণ আৰু দক্ষতা বৃদ্ধিৰ বাবে আৰু অধিক ধন আবণ্টন কৰিব লাগিব।

- পিছপৰা শ্ৰেণীসমূহে বৃদ্ধ বয়স, নিম্ন মর্যাদা, দৰিদ্রতা আৰু নিৰক্ষৰতা আদি নানান সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰে। নিম্নজাতিত জন্ম লাভ কৰা সূত্রে তেওঁলোকে আৰু কিছুমান অসুবিধা তথা অক্ষমতাত ভুগিবলগীয়া হয়। ভাৰতীয় সংবিধানে 'পিছপৰা শ্ৰেণী'ৰ স্পষ্ট সংজ্ঞা আগবঢ়োৱা নাই।
- ভাৰতীয় সংবিধানৰ ভিন ভিন ধাৰাত পিছপৰা অৱস্থাৰ বৈশিষ্ট্যসমূহৰ বিৱৰণ দিয়া আছে। সামাজিক আৰু শৈক্ষিক অনগ্রসৰতাৰ কথা আছে ধাৰা ১৫(৪)ত। বিভিন্ন সেৱাত উপযুক্ত পৰিমাণৰ প্রতিনিধিত্ব নথকাৰ কথা আছে ধাৰা ১৬(৪)ত। সমাজৰ কোনসকল দুর্বল শ্ৰেণীৰ লোকক অনুসূচিত জাতি আৰু জনজাতিৰ অন্তর্ভুক্ত হ'ব সেই কথা আছে ধাৰা ৪৬ত।
- ভাৰতৰ সংৰক্ষণৰ পদ্ধতিৰ প্রকাৰ ইতিবাচক বৈষম্যযুক্ত। ভাৰতীয় সংবিধানৰ সমতাৰ সুযোগক এই পদ্ধতিয়ে অনুসৰণ কৰে। ভাৰতৰ প্রশাসনৰ বিভিন্ন পর্য্যায়ত, বিভিন্ন বিধান মণ্ডলীত এই শ্ৰেণীৰ লোকৰ বাবে আসন সংৰক্ষণ, শিক্ষানুষ্ঠানত নামভর্তিকৰণ আদিৰ দৰে ব্যৱস্থাই স্বতন্ত্র সংৰক্ষণ পদ্ধতিটোৰ কথা বুজায়।



## ১০.৮ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Beteille, A. (1998): *The Idia of Indegenous People, Current Anthropology*, Vol. 39. No. 2, 187-91.
2) Bhatta, A. (1990): *Proverty, Tribals and Development : A Rehabilitio*.
3) K. H. Cheluva Raju: *The Indian Journal of Political Science*, Vol. 47. No. 4 (October-December, 1986) pp. 473-485.
4) Rath, G. C. Eds. 2006: *Tribal Development in India : The Contemporary Debete*; New Delhi: Sage.

http. www. planningcommission.nic.in.

http. www.nese.nic.index asp.




## ১০.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** নিম্ন সামাজিক মান, দৰিদ্রতা আৰু নিৰক্ষৰতা।

**২নং প্রশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ, খ) ভুল

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ, খ) ভুল

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ক) অনুসূচিত জাতি আৰু জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯, খ) ধাৰা ১৭

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** শুদ্ধ।



## ১০.১০ আৰ্হি প্ৰশ্ন

**(ক) ৰচনাধৰ্মী প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** ভাৰতীয় সমাজৰ পৰিপ্ৰেক্ষিতত 'পিছপৰা শ্ৰেণীসমূহ' বুলিলে কি বুজে? এই শ্ৰেণীত কোন কোন প্ৰকাৰৰ লোকক সামৰি লোৱা হয়?

**প্ৰশ্ন ২ ঃ** 'পিছপৰা শ্ৰেণীসমূহ'ৰ উত্তৰণৰ বাবে কি কি সাংবিধানিক ব্যৱস্থা আছে? ব্যৱস্থাসমূহৰ বিষয়ে বহলাই লিখক।

**প্ৰশ্ন ৩ ঃ** আপুনি ভাবে নেকি সমাজৰ বিভিন্ন পৰ্য্যায়ৰ তথাকথিত 'পিছপৰা শ্ৰেণীসমূহ'ৰ লোকসকলে বিভিন্ন বিষয় আৰু সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়? উত্তৰ সপক্ষে মন্তব্য দিয়ক।

**প্ৰশ্ন ৪ ঃ** 'পিছপৰা শ্ৰেণীসমূহ'ৰ ভালৰ কাৰণে গ্ৰহণ কৰা বিভিন্ন নীতিৰ বিষয়ে চমুকৈ আলোচনা কৰক। উপযুক্ত উদাহৰণ দিয়ক।

**প্ৰশ্ন ৫ ঃ** বৰ্তমান সময় কিছুমান ঘটনাৰ আলমত ভাৰতত সংঘটিত হোৱা জাতিগত অত্যাচাৰ সম্পৰ্কে চমুকৈ লিখক।

*** ***** ***

# অধ্যায় ১১ ঃ সন্ত্রাসবাদ

## অধ্যায় গাঁথনি


১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সন্ত্রাসবাদৰ সংজ্ঞা আৰু অর্থ

১১.৩.১ সন্ত্রাসবাদ আৰু ইয়াৰ সমার্থক পৰিভাষা

১১.৩.২ সন্ত্রাসবাদৰ বৈশিষ্ট্য

১১.৪ সন্ত্রাসবাদ বিষয়ক দৃষ্টিভঙ্গী

১১.৫ সন্ত্রাসবাদ উৎপত্তিৰ বাবে দায়ী উপাদানসমূহ

১১.৬ সন্ত্রাসবাদীৰ দলৰ লক্ষ্য

১১.৭ সন্ত্রাসবাদৰ প্রভাৱ

১১.৮ ভাৰত চৰকাৰে সন্ত্রাসবাদৰ বিৰুদ্ধে লোৱা ব্যৱস্থাসমূহ

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১০ অধিক জানিবলৈ

১১.১১ অগ্রগতিৰ খতিয়ান

১১.১২ আৰ্হি প্রশ্ন


## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সন্ত্রাসবাদনো কি বুজিব পাৰিব
- সন্ত্রাসবাদ উৎপত্তিৰ বাবে দায়ী উপাদানসমূহ চিনাক্ত কৰিব পাৰিব
- সন্ত্রাসবাদী গোষ্ঠীৰ লক্ষ্য চিনাক্ত কৰিব পাৰিব।

## ১১.২ পৰিচয়

স্বাধীনতাৰ পাছৰ কেইটামান দশকত ভাৰতবর্ষই সন্মুখীন হোৱা এটা সমস্যা হ'ল সন্ত্রাসবাদ। ই হ'ল কোনো নির্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে সংঘটিত কৰা হিংসাত্মক কার্য্য। সন্ত্রাসবাদে লক্ষ্যত উপনীত হ'বৰ বাবে নির্দোষ জনসাধাৰণক লক্ষ্য কৰি লয় যাতে চৰকাৰৰ লগত প্রয়োজন সাপেক্ষে দৰদাম কৰিব পাৰে। এই অধ্যায়টিত আমি সন্ত্রাসবাদৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে বুজাৰ চেষ্টা কৰিম।

ৰাম আহুজাৰ মতে ৰাজনৈতিক সন্ত্রাসবাদৰ প্রথমবাৰ ১৭৯৩ চনৰ ফৰাচী বিপ্লৱৰ সময়তে অভ্যুত্থান ঘটে। সন্ত্রাসবাদী দলবোৰে ভয়ঙ্কৰ কার্য্যকলাপ, নিন্দা, অপহৰণ আৰু হত্যাকাণ্ডৰ দৰে

হিংসাত্মক ঘটনাৰাজি বিয়পাই দিছিল। সন্ত্রাসবাদী কার্য্যকলাপৰ লক্ষ্য আছিল ৰাষ্ট্রৰ ৰাজনৈতিক ঘটনাৱলীক প্রভাৱিত কৰা নাইবা ৰাষ্ট্রৰ পৰা ৰাজনৈতিক স্বাধীনতা লাভ কৰা। ফৰাচী বিপ্লৱৰ পাছত এনে সন্ত্রাসবাদী কার্য্য সংঘটিত হোৱা দেখা গৈছিল ১৯২১ চনত আয়াৰলেণ্ডত বৃটিছ ৰাজত্বৰ বিৰুদ্ধে। ১৯৬০ চনৰ পাছত প্রযুক্তিবিদ্যা আৰু যোগাযোগ ব্যৱস্থাৰ দ্রুত বিকাশৰ লগে লগে সন্ত্রাসবাদী সংগঠনবোৰে জাতীয় সীমা অতিক্রম কৰিলে। অত্যাধুনিক অস্ত্র-শস্ত্রৰ আহৰণৰ বাবে ধনৰ প্রয়োজন। আধুনিক বিজ্ঞান আৰু প্রযুক্তিয়ে এই সংগঠনবোৰক কোনো এখন ৰাষ্ট্রত আৰু ৰাষ্ট্রৰ চাৰিসীমাৰ বাহিৰত তেওঁলোকৰ কার্য্যকলাপ বিয়পোৱাৰ কামটো সহজসাধ্য কৰি তুলিলে। ই সমভাৱাদর্শ আৰু ৰাজনৈতিক স্বার্থ থকা সন্ত্রাসবাদী সংগঠনবোৰৰ মাজত সাংগঠনিক সমন্বয় স্থাপন কৰাৰ সুযোগ প্রদান কৰিলে। ইয়েই ক্রমবর্ধমান আন্তর্জাতিক সন্ত্রাসবাদৰ মূল। উন্নত যোগাযোগ ব্যৱস্থা আৰু প্রচাৰ মাধ্যমৰ বিশাল পৰিসৰে হিংসাত্মক সন্ত্রাসবাদী কার্য্যৰ প্রচাৰ সহজ কৰি তুলিলে। এনে প্রচাৰে ৰাষ্ট্রজুৰি জনসাধাৰণক মানসিকভাৱে আতঙ্কিত কৰি তুলিব পাৰে।

## ১১.৩ সন্ত্রাসবাদৰ সংজ্ঞা আৰু অর্থ

সন্ত্রাসবাদ (Terrorism) শব্দটো ফৰাছী 'Terrorisme' শব্দৰ পৰা উৎপত্তি হৈছে। কোৱা হয়, এই শব্দটি মূলতঃ লেটিন ক্রিয়া 'Terrere' পৰা অহা, যাৰ অর্থ 'কঁপাই তোলা' (to cause to tremble)। প্রথম সংগঠিত হিংসাত্মক ঘটনাক বুজাবলৈ জেকবিনে ফৰাছী বিপ্লৱৰ সময়ত এই অভিধাটো ব্যৱহাৰ কৰিছিল। অভিধাটো বুজাবলৈ তেওঁ সন্ত্রাসৰ ৰাজত্বৰ কথা উল্লেখ কৰিছিল। যি নহওক, তেওঁক শাসক পক্ষই গ্রেপ্তাৰ কৰা পাছত 'সন্ত্রাসবাদ' শব্দটোৱে অপমান বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। আধুনিক কালত সন্ত্রাসবাদ শব্দটি সাধাৰণ অপৰাধমূলক কার্য্যকলাপতকৈ বিশেষ কার্য্য বুজোৱা অর্থত ব্যৱহাৰ কৰা হয়। ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদে ২০০৪ত কৈছে, "সন্ত্রাসবাদ হ'ল এনেধৰণৰ যিকোনো কার্য্য যিটোক কোনো অঞ্চলৰ বাসিন্দাক ভীতিগ্রস্ত কৰিবলৈ, কোনো এখন চৰকাৰক কোনো কাম কৰিবলৈ বাধ্য কৰাবলৈ নাইবা কোনো এক সুনির্দিষ্ট সংগঠনক কোনো কাম কৰিবলৈ বাধ্য অথবা বাৰণ কৰিবলৈ সাধাৰণ নাগৰিক নাইবা সামৰিক কার্য্যকলাপত অংশগ্রহণ নকৰা লোকৰ মৃত্যু অথবা গুৰুতৰ শাৰীৰিক আঘাতৰ কাৰণ বুলি জগৰীয়া কৰিব পাৰি।"

সমাজ বিজ্ঞান বিশ্বকোষৰ মতে, 'সন্ত্রাসবাদ হ'ল এনে এটা পদ্ধতি যিটোৰ মাধ্যমেৰে এটা সংগঠিত গোষ্ঠী নাইবা দলে তেওঁলোকৰ প্রকাশ্য লক্ষ্যত উপনীত হ'বৰ বাবে পদ্ধতিগতভাৱে হিংসাত্মক কার্য্য সংঘটিত কৰে।

ব্রুছ হফমেন (Bruce Hoffman)ৰ মতে, 'ৰাজনৈতিক উদ্দেশ্য সাধনৰ বাবে ইচ্ছাকৃতভাৱে হিংসাত্মক কার্য্যৰ দ্বাৰা ত্রাস সঞ্চৰিত কৰা কার্য্যই হ'ল সন্ত্রাসবাদ।

এলেক্স স্কিম্ড্ (Alex Schmid) আৰু পিটাৰ জংমেন (Peter Jongman)ৰ মতে, "সন্ত্রাসবাদ হ'ল এটা উদ্বিগ্নতা সৃষ্টিকাৰী আৰু হিংসাত্মক কার্য্যকলাপৰ পুনৰাবৃত্তিৰে চলাই থকা শোষণ পদ্ধতি; মইমতালিৰে, অপৰাধমূলক নাইবা ৰাজনৈতিক কাৰণত কোনো (অর্দ্ধ)গুপ্ত ব্যক্তি, দল নাইবা ৰাষ্ট্রৰ কর্তাই সন্ত্রাসবাদী কার্য্যকলাপ চলায়... ...। হিংসাত্মক কার্য্যকলাপৰ প্রত্যক্ষ

বলিসকল আচলতে সন্ত্রাসবাদীৰ মূল লক্ষ্য নহয়। হিংসাত্মক কার্য্যকলাপৰ তাৎক্ষণিক বলি হোৱাসকলক সাধাৰণতে লক্ষ্য জনসংখ্যা এটাৰ পৰা যাদৃচ্ছিকভাৱে (সুযোগৰ লক্ষ্য) নাইবা বহুতৰ মাজৰ পৰা (প্ৰতিনিধি অথবা প্ৰতীকী লক্ষ্য) বাছি লোৱা হয় আৰু হিংসাত্মক কার্য্যৰ বলিসকলে বার্তা সৃষ্টিকাৰীৰ ভূমিকা পালন কৰে।"

ভাৰতৰ ভিতৰৰ নাইবা ভাৰতৰ বাহিৰৰ বিভিন্ন সন্ত্রাসবাদী সংগঠনৰ কার্য্যকলাপৰ সৈতে ভাৰত পৰিচিত। সন্ত্রাসবাদ (Terrorism) আৰু বিদ্রোহ (Insurgency)ৰ মাজত পার্থক্য আছে। ছাক্সেনা (Saxena)ৰ মতে, সংগঠিত সশস্ত্র বিদ্রোহীসকলৰ সমর্থনপুষ্ট হৈ স্থানীয় লোকসকলে কৰা কার্য্যকে বোলা হয় বিদ্রোহ, বিদ্রোহী গোষ্ঠীসমূহ ৰাষ্ট্ৰৰ মাজৰ পৰাই সৃষ্টি হয়। যিবিলাক সশস্ত্র গোষ্ঠীয়ে স্থানীয় লোকৰ সমর্থন নাপায় তেনেবোৰ দল নাইবা গোষ্ঠীক সন্ত্রাসবাদী বুলি কোৱা হয়। সন্ত্রাসবাদী গোষ্ঠীবোৰ যিখন দেশত সক্রিয় হৈ থাকে, গোষ্ঠীৰ সদস্যবোৰ সেইখন দেশৰ নাগৰিক নহ'বও পাৰে।

## ১১.৩.১ সন্ত্রাসবাদ আৰু ইয়াৰ সমার্থক পৰিভাষা

- **সন্ত্রাসবাদ** (Terrorism) ঃ সাধাৰণতে জনগণৰ বিৰুদ্ধে চলা হিংসাত্মক কার্য্যৰ ই এটা ৰূপ। সন্ত্রাবাদ হ'ল আন্তর্জাতিক গণ সম্প্রদায়ক প্রভাৱিত কৰিব পৰা এটা সার্বজনীন ধাৰণা। ই কোনো এক নির্দিষ্ট অঞ্চল, সম্প্রদায়, ধর্ম নাইবা ৰাষ্ট্ৰৰ মাজত সীমাৱদ্ধ নহয়। সন্ত্রাসবাদে উদ্দেশ্যত উপনীত হ'বৰ বাবে সকলোকে লক্ষ্য কৰি লয়। সেয়ে সন্ত্রাসবাদী সংগঠনত ৰাষ্ট্ৰৰ সকলো অঞ্চলৰ পৰা ভর্তি কৰা সদস্য থাকিব পাৰে।
- **যুদ্ধবাদ নাইবা জঙ্গীবাদ** (Militancy) ঃ যুদ্ধবাদ নাইবা জঙ্গীবাদৰ পৰিভাষাটোৰ অর্থ কম-বেছি পৰিমাণে সন্ত্রাসবাদৰ সৈতে একেই। 'অক্সফোর্ড' অভিধানত যুঁজাৰু (Militant) শব্দটোৰ অর্থ দিয়া হৈছে এনেদৰে, 'যি যুদ্ধ-বিগ্রহ অথবা সংঘর্ষত জড়িত থাকে।' অন্য অর্থত যুঁজাৰু হ'ল সেইসকল ব্যক্তি যিসকলে লক্ষ্যত উপনীত হ'বৰ বাবে অস্ত্র ব্যৱহাৰ কৰে। যুঁজাৰু শব্দটো সন্ত্রাসবাদী শব্দটোৰ সমার্থক ৰূপে ব্যৱহাৰ কৰা হৈছে।
- **উগ্রবাদ** (Extremism) ঃ উগ্রবাদৰ অর্থ হ'ল উগ্র নাইবা চৰম অৱস্থা। কোৱা হয় যে উগ্রবাদী আন্দোলনবোৰ বৌদ্ধিক চিন্তা-চর্চাকাৰী লোকৰ নেতৃত্বত পৰিচালিত হয়। উগ্রবাদৰ দ্বাৰা প্রচলিত সমাজব্যৱস্থা আৰু অর্থনৈতিক গাঁথনিৰ মৌলিক পৰিৱর্তন সাধন কৰিব বিচৰা হয়। উগ্রবাদত হিংসাত্মক আৰু অহিংস দুয়ো ধৰণৰ কার্য্যকলাপৰ সহায়ত নিজ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলোৱা হয়। নক্সাল আন্দোলনক উগ্রবাদৰ এটা উদাহৰণ বুলি ক'ব পাৰি।
- **বিদ্রোহ** (Insurgency) ঃ প্রচলিত চৰকাৰ নাইবা শাসন ব্যৱস্থাৰ বিৰুদ্ধে হিংসাত্মক-ভাৱে প্রতিবাদ কৰা কার্য্যই হ'ল বিদ্রোহ। এটা সন্ত্রাসবাদী সংগঠনক বিদ্রোহী সংগঠন ৰূপে চিহ্নিত কৰাৰ প্রাথমিক মাপকাঠি হ'ল স্থানীয় জনগোষ্ঠীৰ সমর্থনৰ পৰিমাণ

বাহিৰ কৰা। বিদ্রোহী সংগঠনসমূহ সহজাত দক্ষতাসম্পন্ন আকর্ষণীয় ব্যক্তিত্বৰ (Charismatic) লোকৰ নেতৃত্বত পৰিচালিত হয় আৰু সাধাৰণ মানুহে এই সংগঠনবোৰক সমর্থন কৰে। আর্থিক সাহায্য, যাতায়ত, মানৱ সম্পদ, চৰকাৰে গম নোপোৱাকৈ আশ্রয় দান আদি কার্য্য জনসাধাৰণে কৰা দেখা যায়। কেইটামান সৰবৰহী বিদ্রোহী সংগঠন হ'ল—

ক) নাগা জাতীয় পৰিষদ (Naga National Council– NNC)।

খ) নাগা সমাজবাদী পৰিষদ (Naga Socialistic Council– NSC)

গ) মিজো জাতীয় ফ্রণ্ট (Mizo National Front– MNF)

ঘ) মণিপুৰৰ পিপলছ ৰিভলুশ্যনেৰী পার্টি (People Revolutionary Party– PRA)

- **গেৰিলা** (Guerilla) ঃ বিদ্রোহী আৰু গেৰিলা দল হ'ল, ৰাজনৈতিক আত্মস্বর্ত নিয়ন্ত্রণৰ কাৰণে সংগঠিত হোৱা সমার্থক ক্ষুদ্র দল। গেৰিলা আৰু বিদ্রোহী দুয়োটাই সামৰিক নিয়মবোৰে গঠিত। ইয়াৰ প্রসাৰতা বিশ্বজনীন নহয়। সাধাৰণতে এখন ৰাষ্ট্রৰ ভিতৰতে একোটা অঞ্চলত গেৰিলা দলৰ কার্য্যকলাপ আৱদ্ধ থাকে। সেয়ে গেৰিলা দলৰ সমস্যাটো এখন ৰাষ্ট্রৰ আভ্যন্তৰীণ নিৰাপত্তাৰ লগত জড়িত।
- **সীমান্তলংঘী সন্ত্রাসবাদ** (Cross Border Terrorism) ঃ এখন দেশৰ সশস্ত্র সংগঠনবোৰে দেশৰ সীমা অতিক্রম কৰি গোপনে আনএখন দেশত সোমাই সন্ত্রাস সৃষ্টি কৰি দুয়ো দেশৰ সম্পর্ক বিনষ্ট কৰাৰ লগতে আন্তঃগাঁথনিও ধ্বংস কৰাৰ প্রয়াস কৰা কার্য্যকে সীমান্তলংঘী সন্ত্রাস বুলি ক'ব পাৰি।

## ১১.৩.২ সন্ত্রাসবাদৰ বৈশিষ্ট্য

আমি আগতেই উল্লেখ কৰিছো যে ৰাজনৈতিক লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন প্রকাৰে সন্ত্রাসবাদী কার্য্য সংঘটিত কৰা হয়। সেয়ে সন্ত্রাসবাদৰ প্রকৃতি, লক্ষ্য আৰু জন সমর্থনৰ লগতে সন্ত্রাসবাদী সংগঠনবোৰৰ উদ্দেশ্য সংগঠনবোৰ সক্রিয় হৈ থকা ভৌগোলিক অঞ্চলে নির্ণয় কৰিব, সংগঠন এটা সন্ত্রাসবাদী সংগঠন হয় নে নহয়। তেওঁলোকৰ প্রাত্যহিক চাল-চলন, কথন, কার্য্যৱলীক সাধাৰণভাৱে সন্ত্রাসবাদী কার্য্য বুলি গণ্য কৰা হয় তেওঁলোকৰ কাৰণ প্রাথমিক কৌশলেই হ'ল হিংসাত্মক কার্য্যৰ সহায়ত সন্ত্রাস বিয়পাই নিজ লক্ষ্যত উপনীত হোৱা। সেয়ে সশস্ত্র দলবোৰৰ উদ্দেশ্য, মতাদর্শ, মূল লক্ষ্য ভিন্ন হ'ব পাৰে, কিন্তু দলবোৰৰ মাজত কিছুমান সাদৃশ্য লক্ষণ বিদ্যমান। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল। ৰাম আহুজাৰ মতে তলত উল্লেখ কৰাখিনিয়েই সন্ত্রাসবাদৰ সাধাৰণ লক্ষণ।

- ৰাজনৈতিক লক্ষ্যত উপনীত হ'বৰ বাবেই সন্ত্রাসবাদৰ উত্থান ঘটে।
- এখন ৰাজ্যৰ শাসনত অধিষ্ঠিত চৰকাৰৰ বিপক্ষে সন্ত্রাসবাদৰ উত্থান ঘটে।

- দেশখনৰ আইন মতে এনে দলৰ কার্য্যকলাপ ন্যায়সঙ্গত নহয়।
- সশস্ত্র বিদ্রোহী সংগঠনে লক্ষ্যত উপনীত হ'বৰ বাবে জনসাধাৰণৰ ওপৰত মনস্তাত্ত্বিক প্রভাৱ পেলাবলৈ সন্ত্রাসবাদী কার্য্যকলাপ সংঘটিত কৰে।

## ১১.৪ সন্ত্রাসবাদ বিষয়ক দৃষ্টিভঙ্গী

পণ্ডিতসকলে সন্ত্রাসবাদী কার্য্যকলাপবোৰ বুজিবলৈ বিভিন্ন দৃষ্টিভঙ্গী বিকশিত কৰিছে। ৰাম আহুজাই সন্ত্রাসবাদ বিষয়ক চাৰিটা দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল—

- **ঐতিহাসিক দৃষ্টিভঙ্গী** (Historical Perspective) ঃ এই দৃষ্টিভঙ্গীৰ জৰিয়তে সন্ত্রাসৰ মূল আৰু ক্রমবিকাশৰ নক্সা প্রস্তুত কৰাৰ চেষ্টা চলোৱা হয়। লগতে ই বিভিন্ন পর্য্যায়ত সন্ত্রাসবাদী সংগঠনবোৰে সাধন কৰা গুণগত পৰিৱর্তনবোৰো বুজাৰ চেষ্টা কৰে।
- **ৰাজনৈতিক দৃষ্টি** (Political Perspective) ঃ এই দৃষ্টিভঙ্গীয়ে সংগঠিত ৰাজনৈতিক সংগঠনবোৰৰ দ্বাৰা পৰিচালিত হিংসাত্মক ৰাজনৈতিক আন্দোলনে আন্তর্জাতিক আৰু জাতীয় পর্য্যায়ত পেলোৱা প্রভাব বুজাৰ চেষ্টা কৰে।
- **সামাজিক দৃষ্টিভঙ্গী** (Social Perspective) ঃ জর্ডান প'ষ্ট (Jordan Paust)ৰ দৰে পণ্ডিতসকলে এই দৃষ্টিভঙ্গীৰ সপক্ষে মত পোষণ কৰে। সন্ত্রাসবাদৰ এই দৃষ্টিভঙ্গী বিশ্লেষণৰ সময়ত তলৰ কথাকেইটাত মনোযোগ দিয়া হয়।
  - সন্ত্রাসৰ লগত জড়িত লোকসকল কেনে ধৰণৰ, কোনবোৰ মানুহ এনে সন্ত্রাসৰ বলি আৰু সন্ত্রাসবাদীসকলৰ লক্ষ্য কি ইত্যাদি
  - অংশগ্রহণকাৰীসকলৰ মূল উদ্দেশ্য
  - কি কাৰণত সংঘাতৰ সৃষ্টি হৈছে
  - সন্ত্রাসবাদীয়ে কেনেধৰণৰ সম্পদ আহৰণ কৰিব বিচাৰে
  - সন্ত্রাস বিয়পোৱাৰ বাবে প্রয়োগ কৰা কৌশলসমূহ
  - সন্ত্রাসমূলক কার্য্যকলাপৰ পৰিণামৰ ইত্যাদি।
- **আইনসঙ্গত দৃষ্টিভঙ্গী** (Legal Perspective) ঃ এই দৃষ্টিভঙ্গী জৰিয়তে প্রচলিত আন্তর্জাতিক আৰু ৰাষ্ট্রীয় আইনৰ আধাৰত সন্ত্রাসবাদৰ সমস্যাটো সমাধান কৰিব পাৰি নেকি সেয়া বিশ্লেষণ কৰি চোৱা হয়।

## ১১.৫ সন্ত্রাসবাদ উৎপত্তিৰ বাবে দায়ী উপাদানসমূহ

বিভিন্ন পণ্ডিতে সন্ত্রাসবাদ বর্তি থকাৰ বাবে দায়ী বিভিন্ন কাৰকৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিছে। 'Why Men Rebel' নামৰ কিতাপখন টেড ৰ'বার্ট গুৰ (Ted Robert Gurr)এ যুক্তি দর্শাইছে যে, 'হ্রাসমান বৈষম্য (Decremental Discrimination) মানুহৰ মন সন্ত্রাসবাদী সংগঠন জন্ম দিয়াৰ প্রতি ঢাল খুৱাব পৰা অন্যতম কাৰণ। হ্রাসমান বৈষম্য এনে এটা অৱস্থাক সূচায় যেতিয়া জনসমষ্টি এটাৰ সামর্থৰ মান হ্রাস হয় কিন্তু আশা-আকাংক্ষা একেই থাকে। তেওঁ এটা

উদাহৰণ দাঙি ধৰিছে। ১৯১৭ চনত ৰাছিয়াত বলছেভিকসকলে বঞ্চনাৰ বলি হৈয়েই এসময়ত সমূহীয়া হিংসাত্মক নির্য্যাতন সংঘটিত কৰিছিল। তেওঁ এই বুলিও যুক্তি দর্শাইছে যে সন্ত্রাসবাদৰ মূল কাৰণ নিপীড়িন, বঞ্চনা নাইবা স্বাভাৱিক অবিচাৰৰ উপলব্ধি নহয়। ইয়াৰ মূল কাৰণ আৰোপিত। এই উপলব্ধিৰ সৈতে প্রত্যাশা আৰু প্রতিশ্রুতিৰ মাজৰ ব্যৱধান আৰু ৰূঢ় বাস্তৱে কৰা হতাশা বৃদ্ধিৰ সমস্যা দুটা জড়িত। এই সমস্যা দুটাই সন্ত্রাসবাদৰ বিকাশত অৰিহণা যোগায়। এনে হতাশাই আৱেগ বিকশিত কৰে আৰু মানুহে হিংসাত্মক কার্য্যকলাপৰ দ্বাৰা এই অবিচাৰৰ অৱসান ঘটাব বিচাৰে।

পণ্ডিতসকলৰ মতে বিভিন্ন আর্থ-সামাজিক কাৰণে যুৱা শক্তিক সন্ত্রাসবাদী শিবিৰত যোগদান কৰিবলৈ উদ্বুদ্ধ কৰায়। ইয়েই বর্তমানৰ সন্ত্রাসবাদী কার্য্যকলাপ অব্যাহত ৰখাত সহায় কৰিছে। তাৰে কিছুমান কাৰণ তলত উল্লেখ কৰা হ'ল।

- **দাৰিদ্র্য** (Poverty) ঃ বর্তমান সময়ৰ বহু সমাজত ধনী আৰু দুখীয়াৰ মাজত বিশাল ব্যৱধান পৰিলক্ষিত হয়। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্রাপ্ত মুখ্য ন্যায়াধীশ এ. এছ. আনন্দৰ মতে, "সন্ত্রাসবাদ বৃদ্ধিৰ অনুকুল পৰিৱেশ সৃষ্টিত অর্থনৈতিক অসমতাই বৰঙণি আগবঢ়ায়।" আকৌ, সুযোগ-সুবিধা অভাৱ আৰু বিত্তীয় সহায়ৰ অভাৱত জীৱন ধাৰণত ধাৰাবাহিকভাৱে ব্যর্থ হোৱা কিছুমান ব্যক্তিৰ মনক পথচ্যুত কৰে। এনে পৰিস্থিতিত সন্ত্রাসবাদী দল-সংগঠনৰ 'চিন্তানায়ক' (Think Tanks)সকলে বেছিকৈ যুৱ শক্তিক সম্মোহিত কৰি সন্ত্রাসবাদীৰূপে নিজ দলত সহজে অন্তর্ভুক্ত কৰি লয়।
- **নিৰক্ষৰতা** (Illiteracy) ঃ সাধাৰণতে ভবা হয় যে সাক্ষৰতাই মানুহক বিবেচনা সহকাৰে ভাবিবলৈ শিকায়। যেতিয়া জনসাধাৰণ অশিক্ষিত হয়, তেতিয়া সন্ত্রাসবাদী দল-সংগঠনৰ নেতাসকলে সহজ-সৰল ব্যক্তিৰ মগজু প্রক্ষালন কৰি দলৰ ধ্বংসাত্মক কার্য্যকলাপত জড়িত কৰাব পাৰে।
- **নিবনুৱা সমস্যা** (Unemployment) ঃ উপযুক্ত শিক্ষা থকা সত্ত্বেও যেতিয়া যুৱ শক্তিয়ে কোনো নিয়োগৰ সুযোগ নাপায়, তেতিয়া তেওঁলোকৰ মনত একধৰণৰ হতাশা আৰু বঞ্চনাৰ ভাব জাগ্রত হৈ উঠে। উদাহৰণ স্বৰূপে, ১৯৭০ৰ সময়ছোৱাত অসমত চৰকাৰী আৰু অর্দ্ধ-চৰকাৰী খণ্ডতএক বৃহৎ পৰিমাণৰ নিয়োগৰ সুযোগ গ্রহণ কৰিছিল বহিৰাগতই। ই যুৱ শক্তিৰ মনত বঞ্চনা আৰু অবিচাৰৰ ভাব জগাই তুলিলে ইয়াৰ ফলত আত্মনিয়ন্ত্রণৰ বাবে বিভিন্ন দল-সংগঠনৰ জন্ম হ'ল।
- **আঞ্চলিক বৈষম্য** (Regional Disparity) ঃ ভাৰতৰ দৰে বিশাল দেশসমূহৰ বিভিন্ন অঞ্চলত ভাৰসাম্যহীন উন্নয়ন পৰিলক্ষিত হয়। সেয়ে এনে পৰিস্থিতিত দেশৰ কিছু কিছু অঞ্চল অবিকশিত অৱস্থাত ৰৈ যায়। আকৌ, দেখা যায় যে চৰকাৰে অনগ্রসৰ অঞ্চলসমূহৰ বিকাশৰ পৰিৱর্তে উন্নয়নমূলক ব্যয় কৰাৰ বাবে 'মূল' (অর্থনৈতিক কার্য্যকলাপৰ দিশৰ পৰা প্রধান মহানগৰসমূহ) নগৰসমূহক বাছি লয়। গুৰ (Gurr)ৰ মতে ইয়েই 'উচ্চাকাংক্ষাজনিত বঞ্চনা'ৰ (Aspirational Deprivation) ভাৱ জগাই তোলে। কেন্দ্রৰ বিহাৰৰ বাৰাউনীলৈ তেল শোধনাগাৰ লৈ যোৱাৰ সিদ্ধান্তই অসমৰ

জনগণৰ মনত গভীৰ ক্ষোভৰ ভাৱ জগাই তুলিছিল। ই সংযুক্ত মুক্তি বাহিনী (আলফা)ৰ জন্মৰ প্ৰধান কাৰণবোৰৰ এটা।

- **ৰাজনৈতিক উচ্চাকাংক্ষা** (Political Aspiration) ঃ বহুধাবিভক্ত সমাজত যেতিয়া কোনো বিশেষ জনগোষ্ঠীয়ে তেওঁলোকৰ চাহিদা অনুপাতে যথোচিত সমাদৰ নাপায়, তেতিয়া অসন্তুষ্ট হৈ পৰে। ইয়াৰ লগতে, যেতিয়া কোনো এক জনগোষ্ঠীয়ে অনুভৱ কৰে যে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত তেওঁলোকৰ মঙ্গলৰ দিশটো উপেক্ষিত হৈছে, তেতিয়াই তেওঁলোকৰ মনত'উচ্চাকাংক্ষাৰ বঞ্চনা'ৰ ভাৱ উদয় হয়। এই বঞ্চনাই তেওঁলোকক হতাশাগ্ৰস্ত কৰে আৰু সন্ত্রাসবাদৰ উত্থানত সহায় কৰে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** 'Why Man Rebel' কিতাপখনৰ লেখক কোন?

.....

**প্রশ্ন নং ২ ঃ** সন্ত্রাসবাদৰ এটা উদাহৰণ দিয়ক।

.....

## ১১.৬ সন্ত্রাসবাদী দলৰ লক্ষ্য

এটা জনসমূহে তেওঁলোকৰ লক্ষ্যত উপনীত হ'বলৈ বাবে নানান হিংসাত্মক কার্য্যকলাপৰ জৰিয়তে সংগঠিত হ'লে তেনেসমূহক সন্ত্রাসবাদী দল-সংগঠন বুলি কোৱা হয়। তথাপিও প্ৰতিটো সন্ত্রাসবাদী দলৰে লক্ষ্যবস্তু বেলেগ বেলেগ।কিছুমান লক্ষ্যবস্তুৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **বিপ্লৱ** (Revolution) ঃ কিছুমান সন্ত্রাসবাদী দল নাইবা সংগঠনৰ লক্ষ্য হ'ল ধনীসকলে দৰিদ্রসকলক কৰি থকা শোষণৰ অৱসান ঘটোৱা। ছোভিয়েট ইউনিয়ন বিভাজিত হৈ পৰাৰ পাছত কিছুমান দল-সংগঠনে আৰ্জেণ্টিনা, ব্ৰাজিল, উৰুগুৱে, ক'লম্বিয়া আৰু পেৰু আদি ৰাষ্ট্ৰত সমাজবাদ পুনৰ প্ৰতিষ্ঠাৰ বাবে প্ৰচলিত শাসন ব্যৱস্থা সলনি কৰাৰ উদ্দেশ্যেৰে হিংসাত্মক কার্য্য সংঘটিত কৰিছিল।
- **পৃথক অঞ্চল গঠন (ৰাজ্য অথবা ৰাষ্ট্ৰ)** ঃ কিছুমান সন্ত্রাসবাদী দল-সংগঠনে এক 'জাতীয়ত্ব'ৰ ধাৰণাৰ অধীনত নিজকে সংগঠিত কৰে আৰু বিশেষ এটা অঞ্চলত হিংসাত্মক কার্য্য সংঘটিত কৰি তাত এখন পৃথক সার্বভৌম ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ প্ৰয়াস কৰে। পণ্ডিতসকলৰ মতে তেনে প্ৰৱণতা সৃষ্টিৰ কাৰণ হ'ল তুলনামূলকভাৱে হোৱা বঞ্চনাৰ অনুভৱ। অন্য কথাত, যেতিয়া এটা জনসমূহে অনুভৱ কৰে যে বর্তমান সময়ত তেওঁলোকৰ সম্প্ৰদায়ৰ কাৰণে উদ্বেগৰ কাৰণ হ'ব পৰা বিষয়বিলাকত যথাযথভাৱে গুৰুত্ব দিয়া হোৱা নাই; তেতিয়াই এই বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ বিকাশ ঘটে। ভাৰতত স্বায়ত্তশাসন অর্জন কৰাৰ লক্ষ্যেৰে সন্ত্রাসবাদী গোট গঠন প্ৰক্ৰিয়া একেবাৰে সাধাৰণ কথা হৈ পৰিছে। ১৯৮০ চনৰ সময়ছোৱাত পঞ্জাৱত শিখসকলে খালিস্থান নামৰ পৃথক

ৰাজ্য গঠনৰ কাৰণে বহুতো বাছযাত্রীক হত্যা কৰিছিল আৰু নিজৰ ক্রমে সমগ্র ৰাজ্যতে প্রসাৰিত কৰিছিল। উত্তৰ-পূর্বাঞ্চলত সুকীয়া ৰাজ্য গঠনৰ বাবে ভালেকেইটা সন্ত্রাসবাদী গোটৰ জন্ম হৈছে।

- **ধর্ম** (Religion) ঃ 'আমি ঈশ্বৰৰ ইচ্ছা প্রতিষ্ঠা কৰিম' এনে ধাৰণাৰ বশৱর্তী হৈ বিশ্বৰ কিছুমান সন্ত্রাসবাদী দল-সংগঠনে অন্য সম্প্রদায়ৰ লোকক হত্যা কৰে আৰু অন্য ধর্মাৱলম্বী ৰাষ্ট্রৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। উদাহৰণ স্বৰূপে, ইছলামিক ষ্টেট (IS), তালিবান (Taliban) ইত্যাদি সন্ত্রাসবাদী সংগঠনবোৰ ধর্মীয় উদ্দেশ্য লৈয়ে গঠন কৰা হৈছিল।

## ১১.৭ সন্ত্রাসবাদৰ প্রভাৱ

সন্ত্রাসবাদী কাম-কাজ চলাই নিবলৈ অর্থ আহৰণৰ বাবে হত্যা, জোৰ-জুলুম, অপহৰণ আদি কার্য্য সন্ত্রাবাদীৰ সৈতে জড়িত হৈ থাকে। সন্ত্রাসবাদী কার্য্যই এখন সমাজৰ আইন-শৃংখলাজনিত পৰিস্থিতি অৱনমিত কৰে। সকলোতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল ই জনসাধাৰণৰ মানসিক অৱস্থাক নীতিভ্রষ্ট কৰাটোক লক্ষ্য কৰি লয়।

১৯৬০ মানৰ পৰাই ভাৰত সন্ত্রাসবাদী সমস্যাৰ সন্মুখীন হৈছে। অসম, মণিপুৰ, নাগালেণ্ড, মিজোৰাম, জম্মু আৰু কাশ্মীৰ, পঞ্জাৱ আদি ৰাজ্য সন্ত্রাসবাদৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। চৰকাৰে সন্ত্রাসবাদী কার্য্যকলাপ ৰোধ কৰিবলৈ কিছুমান ব্যৱস্থা হাতত লৈছে। পাঞ্জাৱ আৰু মিজোৰামত বর্তমান সন্ত্রাসবাদ নাই বুলিয়েই ক'ব পাৰি। কিন্তু আন ৰাজ্যসমূহত বিভিন্ন ৰূপত ই বর্তি আছে। সন্ত্রাসবাদী কার্য্যই সামাজিক আৰু নিত্যনৈমিত্তিক কাম-কাজত অন্তৰায়ৰ সৃষ্টি কৰি আহিছে। বিদ্যালয়, মহাবিদ্যালয়বোৰো সন্ত্রাসবাদী কার্য্যৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। সন্ত্রাসবাদে অঞ্চলবোৰৰ উন্নয়নতো প্রতিবন্ধকতাৰ সৃষ্টি কৰে। অঞ্চল একোটা নাইবা ৰাজ্য একোখন সন্ত্রাসবাদীৰ আক্রমণৰ সম্ভাৱনাত থাকিলে বাহিৰৰ বিনিয়োগকাৰীসকল সেই বিশেষ অঞ্চলত বিনিয়োগ কৰাৰ পৰা আঁতৰি থাকে।

এন. এছ. ছাক্সেনাৰ মতে ভাৰতৰ সন্ত্রাসবাদ তলত দিয়া কৌশলেৰে নিয়ন্ত্রণ কৰিব পাৰি—

- সন্ত্রাসবাদ নির্মূলৰ এটা উপায় হ'ল ভাৰতীয় নাগৰিকক মনত সন্ত্রাসবাদ সম্পর্কীয় তথ্য অৱগত কৰি ইয়াৰ বিৰুদ্ধে প্রত্যয় জন্মাই নিয়ন্ত্রণ কৰা।
- অর্থৰ সৰবৰাহ এনেদৰে নিয়ন্ত্রণ কৰিব লাগিব যাতে সন্ত্রাসবাদীৰ হাতলৈ যোৱা অর্থৰ (ধনৰ) গতি অভাৱনীয়ভাৱে হ্রাস পায়।
- ন্যায়িক প্রক্রিয়াৰ বিলম্বতা দূৰ কৰি ক্ষিপ্রভাৱে আটকাধীন সন্ত্রাসবাদীৰ বিচাৰৰ ৰায় প্রদান কৰা।
- সন্ত্রাসবাদী সংগঠনৰ বিত্তীয় উৎসৰ সন্ধান আৰু লেনদেনৰ ধৰণ-কৰণ সম্পর্কে তথ্য সংগ্রহ পদ্ধতি ফলপ্রসূ কৰা।
- দেশৰ নিৰাপত্তা ব্যৱস্থাৰ উন্নতি সাধন কৰা।
- সন্ত্রাসবাদ ৰোধৰ বাবে নিয়োজিত নিৰাপত্তাৰক্ষী সেনাক উন্নত বিজ্ঞানসন্মত প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা।

## ১১.৮ ভাৰত চৰকাৰে সন্ত্রাসবাদৰ বিৰুদ্ধে লোৱা ব্যৱস্থাসমূহ

- **সশস্ত্র বাহিনী (বিশেষ ক্ষমতা) আইন** (AFSPA) ঃ এই আইনখন প্রথম ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলন দমন কৰিবলৈ অধ্যাদেশ ৰূপে জাৰি কৰা হৈছিল। পাছত এই অধ্যাদেশখন ১৯৪৭ চনত আভ্যন্তৰীণ নিৰাপত্তা সমস্যা সমাধান কৰিবলৈ ভাৰত বিভাজনৰ পাছত দেশত বলৱৎ কৰা হৈছিল। ইয়াক মাজতে উঠাই দিয়া যদিও হৈছিল, পুনৰ ১৯৫৭ চনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিদ্রোহী কার্য্যকলাপ বাঢ়ি অহাৰ পৰিপ্রেক্ষিতত আইন বলৱৎ কৰা হয়। ক্রমান্বয়ে ইয়াক পাঞ্জাৰ আৰু জম্মু আৰু কাশ্মীৰতো প্রণয়ন কৰা হয়। এই আইনে কেন্দ্র আৰু ৰাজ্য চৰকাৰক অশান্ত অঞ্চল বাছি উলিওৱাৰ ক্ষমতা প্রদান কৰে। সশস্ত্র বাহিনীক এই আইনে অনুমতি অবিহনেও অভিযান চলাবলৈ, গ্রেপ্তাৰী পৰোৱানা নোহোৱাকৈও গ্রেপ্তাৰ কৰিবলৈ আৰু সন্দেহৰ ওপৰত ভিত্তি কৰি গুলীচালনা কৰিবলৈ বিশেষ ক্ষমতা প্রদান কৰিছে। এই আইনে মানৱ অধিকাৰ লংঘন কৰে বুলি আপত্তি দর্শাইছে আৰু আইনখন প্রাসঙ্গিকতা সন্দর্ভত বিতর্ক চলি আছে।
- **সন্ত্রাসবাদী আৰু সংহতিনাশক কার্য্যকলাপ প্রতিৰোধ আইন** (TADA) ঃ সন্ত্রাসবাদী আৰু সংহতিনাশক কার্য্যকলাপ প্রতিৰোধ আইন (Terrorist and Disruptive Activities Prevention Act or TADA) হ'ল সন্ত্রাসবাদী সমস্যা সমাধানকল্পে ১৯৮৫ চনত ভাৰত চৰকাৰে গৃহীত কৰা এখন আইন। এই আইনখনে সন্ত্রাসবাদ আৰু অন্যান্য বিভাজনমুখী কার্য্যকলাপ নিয়ন্ত্রণ কৰিবলৈ তলত উল্লেখ কৰা ব্যৱস্থাসমূহত অনুমোদন জনাইছে।
- **সন্ত্রাসবাদী কার্য্যকলাপৰ কাৰণে শাস্তি প্রদান আইন ঃ**
  - যিসকলে আইনৰ দ্বাৰা প্রতিষ্ঠিত চৰকাৰক ভীতি প্রদর্শনৰ মানসেৰে অথবা জনগণৰ কোনো অংশৰ মাজত সন্ত্রাস সৃষ্টিকাৰী আক্রমণ কৰে অথবা জনগণৰ কোনো অংশক বিচ্ছিন্ন কৰে অথবা জনগণৰ বিভিন্ন অংশৰ মাজত থকা সংহতিত বিৰূপ প্রভাৱ পেলায় অথবা বোমা, ডিনামাইট নাইবা অন্য বিস্ফোৰক পদার্থ নাইবা দহনশীল পদার্থ নাইবা প্রাণনাশক অস্ত্র নাইবা বিষাক্ত দ্রব্য আৰু ক্ষতিকাৰক গেছীয় পদার্থ নাইবা অন্যান্য ৰাসায়নিক পদার্থ নাইবা অন্য কোনো পদার্থ (জৈৱিক বা অন্য প্রকাৰৰ) কোনো বিপজ্জনক কাৰণ, যিবোৰে মৃত্যু ঘটাব পাৰে নাইবা কোনো ব্যক্তি নাইবা ব্যক্তিসকলক আঘাত কৰিব পাৰে নাইবা অনিষ্ট কৰিব পাৰে নাইবা সম্পদৰ ধ্বংস নাইবা সৰবৰাহত কোনো প্রকাৰ বাধা প্রদান কৰিব পাৰে নাইবা কোনো সম্প্রদায়ৰ কাৰণে প্রয়োজনীয় সেৱাত বাধা হ'ব পাৰে নাইবা কোনো ব্যক্তিক আটক বা হত্যা কৰা, হুমকি প্রদান কৰি চৰকাৰক কোনো বিশেষ কাম কৰিবলৈ বাধ্য কৰিব পাৰে, নাইবা অন্য কোনো ব্যক্তিক কোনো কার্য্যৰপৰা আঁতৰাই ৰখাৰ উদ্দেশ্যেৰে হিংসাত্মক কার্য্য সংঘটিত কৰে।

- যিসকলে সন্ত্রাসবাদী কার্য্য সংঘটিত কৰে, তেওঁলোকৰ—
  - তেনে কার্য্যৰ দ্বাৰা যদি কোনো লোকৰ মৃত্যু হয়, তেতিয়া সন্ত্রাসবাদী কার্য্য সংঘটিত কৰাজনক মৃত্যুদণ্ড নাইবা আজীৱন কাৰাবাসৰ লগতে ক্ষতিপূৰণো বিহা হয়।
  - ইয়াৰ বাহিৰে অন্য সময়ত সন্ত্রাসবাদী কার্য্যত লিপ্তসকলে এনে কাৰাদণ্ডৰ সন্মুখীন হ'ব লাগিব, যি অতি কমেও পাঁচ বছৰীয়া হ'ব। কিন্তু এই দণ্ডৰ ম্যাদ বর্ধিত কৰি আজীৱন কাৰাদণ্ডলৈ পর্য্যবসিত কৰাৰ লগতে ক্ষতিপূৰণো বিহা হ'ব পাৰে।
- যিসকলে কোনো সন্ত্রাসবাদী কার্য্য নাইবা কোনো সন্ত্রাসবাদী কার্য্যৰ প্রস্তুতি চলোৱা আন কোনো কার্য্যৰ ষড়যন্ত্র ৰচনা কৰে নাইবা তেনে কার্য্য সংঘটিত কৰাৰ চেষ্টা চলায় নাইবা সমর্থন কৰে নাইবা উচটনি দিয়ে নাইবা পৰামর্শ দিয়ে নাইবা প্ৰৰোচিত কৰে নাইবা জ্ঞাতসাৰে তেনে কার্য্য সংঘটিত কৰাৰ সুযোগ দিয়ে তেনে ব্যক্তিক অতি কমেও পাঁচ বছৰৰ কাৰাদণ্ডও বিহা হ'ব পাৰে আৰু এই শাস্তি প্রয়োজন সাপেক্ষে যাৱজ্জীৱন কাৰাদণ্ডলৈ সলনি কৰা হ'ব পাৰে আৰু কাৰাদণ্ডৰ লগতে জ�ৰিমনাও বিহা হ'ব পাৰে।
- যিসকলে কোনো সন্ত্রাসবাদী কার্য্যকলাপ সংঘটিত কৰাৰ ইচ্ছা পুহি ৰাখে অথবা গোপন কৰে, নাইবা এনে ইচ্ছা প্রকাশ অথবা গোপন কৰাৰ প্রয়াস কৰে তেনে লোকক অতি কমেও পাঁচ বছৰৰ কাৰাদণ্ড বিহা হ'ব পাৰে যিটো শাস্তি প্রয়োজন সাপেক্ষে যাৱজ্জীৱন কাৰাদণ্ডলৈ সলনি কৰাৰ লগতে দোষীক জৰিমনাও বিহা হ'ব পাৰে।
- কোনো এজন ব্যক্তি যদি যিকোনো সন্ত্রাসবাদী দল নাইবা সংগঠনৰ সদস্য হয়, যিটো সন্ত্রাসবাদী কার্য্যকলাপৰ লগত জড়িত, তেন্তে তেনে ব্যক্তিক কমেও পাঁচ বছৰৰ বাবে কাৰাদণ্ড বিহা হ'ব পাৰে নাইবা এই শাস্তি আজীৱন কাৰাবাসলৈ পর্য্যবসিত কৰা হ'ব পাৰে আৰু এনে ব্যক্তিয়ে জৰিমনাও ভৰিবলগীয়া হ'ব পাৰে।
- যিসকলে কোনো সন্ত্রাসবাদী কার্য্যৰ দ্বাৰা কোনো সম্পত্তি আহৰণ কৰে নাইবা সন্ত্রাসবাদীৰ পুঁজিৰ পৰা ধন আহৰণ কৰে, তেনে লোকক কমেও পাঁচ বছৰৰ বাবে কাৰাবাসেৰে দণ্ডিত কৰা হ'ব পাৰে আৰু ইয়াৰ আজীৱন কাৰাবাসলৈও পর্য্যবসিত কৰা হ'ব পাৰে। লগতে পর্য্যবসিত জৰিমনাও ভৰিবলগীয়া হ'ব পাৰে।

- **সংহতিনাশক কার্য্যকলাপৰ বাবে শাস্তিৰ বিধান ঃ**
  - সংহতিনাশক সন্ত্রাসবাদী কার্য্যকলাপৰ বাবে সন্ত্রাসবাদী আইন নাইবা তেনে প্রকাৰৰ আইন প্রণয়নৰ ক্ষেত্রত সহায় কৰা, পৰামর্শ দিয়া, প্ৰৰোচিত কৰা বা ইচ্ছাকৃতভাৱে

সহযোগিতা কৰা সকলৰ কমেও পাঁচ বছৰৰ কাৰাবাসেৰে দণ্ডিত হ'ব। ইয়াৰ ম্যাদ আজীৱন কাৰাবাস পর্য্যন্ত বঢ়াব আৰু লগতে জৰিমনাও বিহা হ'ব পাৰে।

- উপ-শাখা (ক)ত উল্লেখ কৰা সন্দর্ভত 'সংহতিনাশক কার্য্য'ৰ অর্থ হৈছে, যিবিলাক কার্য্যৰ দ্বাৰা নাইবা উক্তিৰ দ্বাৰা প্রচাৰ মাধ্যমৰ জৰিয়তে বা অন্য যিকোনো প্রকাৰে সংহতি নষ্ট কৰিব পৰা কার্য্য।
  - যিবোৰ মন্তব্যই ভাৰতৰ সংহতি আৰু আঞ্চলিক সংহতি বিনষ্ট কৰিব পাৰে নাইবা বিপর্য্যস্ত কৰে নাইবা বিপর্য্যস্ত কৰাৰ ভাৱ প্রত্যক্ষ নাইবা পৰোক্ষভাৱে প্রকাশ কৰে।
  - যিবোৰ মন্তব্যই পৰোক্ষ আৰু প্রত্যক্ষভাৱে ভাৰত ৰাষ্ট্রৰ পৰা কোনো অংশ অপসৰণ (Secession) অথবা সমর্পণ (Cession) কৰা সম্পর্কীয় দাবী জনোৱাৰ ভাৱ প্রকাশ কৰে।

    ব্যাখ্যা— ওপৰৰ উপ-শাখাটোৰ বাবে—

    — ভাৰতৰ কোনো অংশক কোনো বিদেশী ৰাষ্ট্রৰ অংশ কৰাৰ দাবীকে 'সমর্পণ' বুলি কোৱা হয় আৰু

    — ভাৰত ৰাষ্ট্রৰ লগত ইয়াৰ কোনো অংশ থকা অথবা নথকাৰ কথা নির্ধাৰণ কৰিবলৈ জনোৱা দাবীকে 'অপসৰণ' বোলা হয়।
- উপ-শাখা (২)ৰ নীতি-নিয়মবোৰৰ সাধাৰণ ৰূপৰ কোনো পক্ষপাতিত্ব নকৰাকৈ ইয়াৰ দ্বাৰা ঘোষণা কৰা হ'ল যে হাতে-কামে নাইবা বক্তৃতাৰ মাধ্যমেৰে নাইবা যিকোনো মাধ্যমৰ জৰিয়তে নাইবা যিকোনো অন্য উপায়েৰে তলত উল্লেখ কৰা কামবোৰ সম্পাদন কৰা কার্য্যক সন্ত্রাসবাদ বুলি বিবেচনা কৰা হ'ব—
  - সংহতি নাশকাৰী পক্ষ সমর্থন কৰা, পৰামর্শ দিয়া, চুপাৰিশ কৰা নাইবা প্রৰোচিত কৰা নাইবা
  - আনুমানিক সম্ভাৱনা ব্যক্ত কৰা, ভৰিষ্যতবাণী অন্য ৰূপে ব্যক্ত কৰা যাতে প্রৰোচিত হয়, পৰামর্শ প্রদান কৰি, নির্দেশনা দি অথবা সোঁৱৰাই দি, প্রাণনাশ কৰি অথবা সংবিধানৰ শপত লৈ ভাৰতৰ সার্বভৌমত্ব আৰু সংহতিৰ ৰক্ষার্থে কর্মৰত কোনো ব্যক্তি অথবা কর্মচাৰীৰ হত্যাৰ প্রয়াস আদিৰ দৰে অপৰাধ এই শাখাৰ অন্তর্গত।
- যিসকলে কোনো সংহতি বিনষ্টকাৰীক আশ্রয় দিয়ে নাইবা লুকুৱাই ৰাখে, নাইবা আশ্রয় দিয়াৰ অথবা লুকুৱাই ৰখাৰ চেষ্টা কৰে তেনে লোক শাস্তিৰ বাবে বিবেচিত হ'ব ।শাস্তিৰ এই ম্যাদ পাঁচ বছৰতকৈ কম হ'ব নোৱাৰিব কিন্তু ই আজীৱন কাৰাবাসলৈ পর্য্যবসিত হ'ব পাৰে আৰু জৰিমনাও ভৰিবলগীয়া হ'ব পাৰে।

*উৎস ঃ* সন্ত্রাসবাদী আৰু বিচ্ছিন্নতাবাদী কার্য্যকলাপ (প্রতিৰোধ) আইন, ১৯৮৭।

*Source:* [(The) Terrorist and Disruptive Activities (Prevention) Act, 1987]



## ১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক লক্ষ্যত উপনীত হ'বৰ বাবে কোনো সংগঠিত দলে সংঘটিত কৰা আৰু হিংসাত্মক কার্য্যকলাপেই হ'ল সন্ত্রাসবাদ।
- ১৭৯৩ চনৰ ফৰাচী বিপ্লৱৰ সময়ত প্রথম সন্ত্রাসবাদৰ উত্থান ঘটে।
- সন্ত্রাসবাদী দলবোৰে ভয়ঙ্কৰ কার্য্যকলাপ, যেনে— নিন্দা, অপহৰণ, কূটাঘাতমূলক কার্য্য আৰু ইত্যাদিৰ দৰে কার্য্য বিয়পাই দিয়ে।
- উগ্রপন্থাৰ আন্দোলন হ'ল বুদ্ধিজীৱী ব্যক্তিয়ে নেতৃত্ব দিয়া আন্দোলন প্রচলিত সামাজিক আৰু অর্থনৈতিক দিশসমূহৰ বিৰুদ্ধে ব্যক্তিগত দর্শনৰ ভেটিত এনে আন্দোলন গঢ় লৈ উঠে।
- প্রচলিত শাসন ব্যৱস্থা নাইবা চৰকাৰৰ বিৰুদ্ধে কৰা হিংসাত্মক ঘটনাজড়িত বিক্ষোভেই হ'ল বিদ্রোহ।
- এটা সন্ত্রাসবাদী সংগঠনক বিদ্রোহী গোট ৰূপে চিনাক্তকৰণৰ চর্তটো হ'ল ইয়াৰ সদস্যসকলে স্থানীয় বাসিন্দাৰ পৰা পোৱা সমর্থনৰ মাত্রা চিনাক্ত কৰা।
- ৰাজনৈতিক আত্মনিয়ন্ত্রণৰ লক্ষ্যত উপনীত হ'বলৈ গঠিত সৰু সশস্ত্র গোটসমূহ কার্য্যকলাপৰ দিশেৰে বিদ্রোহী আৰু গেৰিলা (লুকাই কৰা) গোটৰ সৈতে একেই।
- সীমান্ত লংঘনকাৰী সন্ত্রাসবাদী সংগঠনবোৰ হ'ল এখন ৰাষ্ট্রত থকা সশস্ত্র গোটবোৰে যি গোপনে সীমা লংঘন কৰি অন্য ৰাষ্ট্রত প্রৱেশ কৰি সন্ত্রাসৰ সৃষ্টি কৰে।
- সন্ত্রাসবাদৰ উত্থান ঘটে তুলনামূলক বঞ্চনাৰ অনুভৱৰ পৰা।
- বাঢ়ি অহা অর্থনৈতিক বৈষম্যই দৰিদ্রতাৰ মূল বুলি ভবা হয়।
- আঞ্চলিক বিকাশৰ সামঞ্জস্যহীনতায়ো তুলনামূলক বঞ্চনাৰ ভাব জগাই তুলিব পাৰে।
- কিছুমান সন্ত্রাসবাদী সংগঠনৰ উৎপত্তিৰ মূল লক্ষ্য হ'ল ধনী শ্রেণীয়ে দুখীয়া শ্রেণীক কৰা শোষণৰ অন্ত পেলোৱা।
- সুকীয়া ৰাজ্য অথবা ৰাষ্ট্র গঠনৰ বাবেও কিছুমান সন্ত্রাসবাদী সংগঠনৰ সৃষ্টি হয়।
- কিছুমান সন্ত্রাসবাদী সংগঠন অন্য ধর্মক আঘাত কৰিবৰ বাবেও গঠন কৰা হয়।



## ১১.১০ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*

1) Ahuja, Ram (1997): *Social Problems in India*. Jaipur: Rawat

Publications.

2) Kumar, Ashok (2014): *Dynamics of Global Terrorism*; New Delhi: K. K. Publication.

3) Weinberg, Leonard (2006): *Global Terrorism Beginner's Guide*; England: Oneworld Publications.



## ১১.১১ অগ্রগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** টেড ৰবাৰ্ট গুৰ (Ted Robert Gurr)

**২নং প্ৰশ্নৰ উত্তৰ ঃ** নক্সালবাদী আন্দোলন (Naxalite Movement)



## ১১.১২ আৰ্হি প্ৰশ্ন

**ক) চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** সন্ত্রাসবাদৰ সংজ্ঞা আগবঢ়াওক।

**প্ৰশ্ন ১ ঃ** উগ্রবাদ বুলিলে কি বুজায়?

**খ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** সন্ত্রাসবাদৰ উৎপত্তিৰ বাবে দায়ী উপাদানসমূহৰ আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ২ ঃ** সন্ত্রাসবাদী দলৰ লক্ষ্যসমূহৰ ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ১২ ঃ সমাজ কল্যাণৰ অর্থ, গুৰুত্ব, প্রকৃতি আৰু পৰিসৰ

## অধ্যায় গাঁথনি


১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ সমাজ কল্যাণৰ সংজ্ঞা

১২.৪ সমাজ কল্যাণৰ ক্রমবিকাশ

- ১২.৪.১ ভাৰতবর্ষ সমাজ কল্যাণৰ ক্রমবিকাশৰ ধাৰা
- ১২.৪.১ প্রাক্-বৃটিছ যুগ
- ১২.৪.২ বৃটিছ যুগ
- ১২.৪.৩ স্বাধীনতাৰ পৰৱর্তী যুগ

১২.৫ সমাজ কল্যাণৰ গুৰুত্ব

১২.৬ সমাজ কল্যাণৰ প্রকৃতি

- ১২.৬.১ সমাজ কল্যাণ আৰু কলা
- ১২.৬.২ সমাজ কল্যাণ আৰু বিজ্ঞান

১২.৭ সমাজ কল্যাণৰ পৰিসৰ (Scope)

- ১২.৭.১ POSDCORB সম্পূর্ণ ৰূপটো কি? দৃষ্টিভঙ্গী
- ১২.৭.২ সর্বাত্মক মতবাদ

১২.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্রগতিৰ খতিয়ানৰ

১২.১১ আৰ্হি প্রশ্ন


## ১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজ কল্যাণৰ ধাৰণাটো বজি পাব
- ভাৰতবর্ষত সমাজ কল্যাণমুখী প্রশাসনৰ ইতিহাসৰ তথ্য লাভ কৰিব
- সমাজ কল্যাণৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব
- সমাজ কল্যাণৰ পৰিসৰৰ বিষয়ে জানিব পাৰিব।

## ১২.২ পৰিচয়

চৰকাৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে সমাজৰ দৰিদ্র ৰেখাৰ তলত বাস কৰা লোকসকলৰ সহায়ৰ অর্থে সমাজ কল্যাণমূলক কার্য্য কিছুমানৰ সৈতে জড়িত হয় আৰু চিকিৎসা,

সামূহিক স্বাস্থ্য সেৱা, দৈনন্দিন প্ৰয়োজনীয়তা পূৰণ, সামাজিক শৃংখলাৰক্ষাত সাহায্য আদিৰ দৰে বিভিন্ন কল্যাণমূলক কার্য্য সম্পাদন কৰে।

সমাজ সেৱা আৰু প্ৰতিষ্ঠানৰ সংগঠিত পদ্ধতি হৈছে সমাজ কল্যাণ। ব্যক্তিবিশেষৰ আৰু বিভিন্ন গোটৰ স্বাস্থ্য আৰু জীৱন আদিলৈ এক গ্ৰহণযোগ্য পৰিৱেশ অনাত সহায় কৰিবলৈ ইয়াক গঠন কৰা হয়। সমাজ কল্যাণ গোটসমূহে সমাজৰ দুৰ্বল শ্ৰেণীলৈ সহায়ৰ হাত আগবঢ়াবলৈ চেষ্টা কৰে। যিসকলে নিজে সমাজ সেৱাৰ সুবিধা উপভোগৰ পৰা বঞ্চিত হৈ আছে নাইবা পাৰম্পৰাগতভাৱে যিসকলক বঞ্চিত ৰখা হৈছে তেওঁলোকৰ কাৰণে সমাজ কল্যাণ সংস্থাসমূহে কাম কৰে।

## ১২.৩ সমাজ কল্যাণৰ সংজ্ঞা

সমাজ কল্যাণক ৰাজহুৱা প্ৰশাসনৰ (Public Administration)ৰ এটা শাখা বুলি গ্ৰহণ কৰা হয়। কাৰণ, ই সামাজিক সমস্যা সমূহ চিনাক্ত কৰে তথা সমাজৰ পিছপৰা আৰু বঞ্চিত শ্ৰেণীৰ কাৰণে কল্যাণমূলক কার্য্যসূচী গ্ৰহণ কৰি তেওঁলোকৰ সমস্যাসমূহ দূৰ কৰাৰ প্ৰয়াস কৰে। সমাজ কল্যাণৰ ভেটি হ'ল সমাজ বিজ্ঞান আৰু সেয়েহে ইয়াক এক স্বাধীন বিষয় বুলি ক'ব নোৱাৰি। (Wayne Vasey) ৱে'নি ৱাচীয়ে কৈছে যে সমাজ কল্যাণৰ দুটা প্ৰধান বৈশিষ্ট্য আছে— সমাজৰ এক প্ৰাথমিক অনুষ্ঠান হিচাপে পৰিয়ালক সামর্থ আৰু শক্তিশালী কৰি গঢ়িবলৈ কল্যাণমূলক মাধ্যমসমূহৰ ব্যৱহাৰ সূচল কৰি তোলা আৰু জীৱনৰ সমস্যা নাইবা পৰিৱেশৰ লগত নিজকে খাপখুৱাবলৈ ব্যক্তিৰ সক্ষমতাক শক্তিশালী কৰি তোলা। অধ্যাপক ফ্ৰীজ লেণ্ডাৰ (Prof. Fried Lan-der)-এ কৈছে যে সমাজ সেৱাৰ এক সু-সংহত পদ্ধতি হ'ল সমাজ কল্যাণ। সমাজ কল্যাণ অনুষ্ঠানসমূহক এনেদৰে প্ৰস্তুত কৰা হয় যাতে এইবোৰে ব্যক্তি নাইবা গোটৰ জীৱনৰ মান আৰু উন্নত কৰিব আৰু তেওঁলোকক স্বাস্থ্যকৰ জীৱন লাভত সহায় কৰিব পাৰে।

ড'লগ'ফ্ আৰু ডি. ফিল্ডষ্টেইন (Dolgoff, R. D. Feldstein)-এ সমাজ কল্যাণৰ ব্যাখ্যা আগবঢ়াই কৈছে যে, "সহজ অর্থত সমাজ কল্যাণ মানে হ'ল এনে কিছুমান স্বেচ্ছাসেৱী নাইবা চৰকাৰী অনা-লাভজনক (non-profit) কামৰ অংশীদাৰ যিবোৰৰ পূর্ণ উদ্দেশ্য হ'ল অসুবিধা নাইবা সমস্যাৰ সমাধান, ক্ষুধা প্ৰশমন আৰু সামাজিক সংঘাতসমূহ নিবাৰণ কৰা।"

ৰাষ্ট্ৰসংঘ (United Nations)-ই সমাজ কল্যাণৰ সংজ্ঞা আগবঢ়াই কৈছে যে, 'সমাজ কল্যাণ এক সংগঠিত অনুষ্ঠান যাৰ কার্য্য হ'ল ব্যক্তি, পৰিয়াল, গোট আৰু সম্প্ৰদায় (Community) সমূহক পৰিৱর্তিত সমাজৰ সামাজিক সমস্যাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম কৰি তোলা। কিছুমান বিশেষ সেৱাৰ দায়িত্ব গ্ৰহণৰ বাদেও সমাজ কল্যাণৰ এক বহল কার্য্যসূচী আছে যিবোৰেৰে ৰাষ্ট্ৰৰ সমাজ জীৱনৰ উত্তৰণঘটোৱাৰ প্ৰয়াস কৰা হয়। আন এক বহল দৃষ্টিভঙ্গী মতে, সমাজ কল্যাণে এনে এক গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰা উচিত যাতে ই ব্যক্তিগত সম্পদ আৰু বস্তুগত সম্পদৰ সংগঠন তথা প্ৰস্তুতকৰণৰ দ্বাৰা এই সম্পদসমূহক সমাজৰ

পৰিৱৰ্তিত চাহিদাৰ লগত খাপখুৱাই এইবোৰক ৰাষ্ট্ৰগঠনৰ এক অংশ বিশেষত পৰিণত কৰিব পাৰে (১৯৬৭)। এই সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্ট হয় যে সমাজ কল্যাণে ব্যক্তিক তেওঁলোকৰ সম্পূৰ্ণ সক্ষমতা উন্নীত কৰি ইয়াৰ সমন্বয়ত সৰ্বাঙ্গীন মঙ্গল সাধন কৰাৰ লক্ষ্যেৰে কাম কৰি যায়। কিন্তু এই খিনিতেই এইটো স্মৰ্তব্য যে সমাজৰ আনুষ্ঠানিক সংগঠন সমূহৰ দ্বাৰাইহে সামাজিক কল্যাণ সম্ভৱ আৰু কল্যাণমূলক কামকাজবোৰে অনুষ্ঠানসমূহৰ উন্নতিক প্ৰভাৱিত কৰে। উল্লেখযোগ্য, সামাজিক কল্যাণ বিষয়টো নিশ্চিতভাৱে জনসাধাৰণৰ দুৰ্বল, ক্ষমতাহীন, অসুবক্ষিত শ্ৰেণীটোৰ উন্নতিৰ লগতেই জড়িত। যদিও, ই সমগ্ৰ লোকৰ সৰ্বাঙ্গীন উন্নতিকো সামৰি লয়।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ঃ** খালী ঠাই পূৰণ কৰক।

ক) সমাজৰ কল্যাণৰ লগত ..... আৰু .....ৰ প্ৰচেষ্টা জড়িত হৈ থাকে।

খ) সমাজ কল্যাণ এক পৰিকল্পিত সাংগঠনিক পদ্ধতি য'ত অনুষ্ঠান-সমূহক এনেদৰে সংগঠিত কৰা হয় যাতে এইবোৰে সমাজ সেৱাৰ মাজেদি ..... আৰু .....ৰ ..... তথা ..... আদিৰ ক্ষেত্ৰত এক উন্নত পৰিৱেশ সৃষ্টি কৰিব পাৰে।

গ) সমাজ কল্যাণক .....ৰ এক শাখা বুলি গণ্য কৰা হয়।

**প্ৰশ্ন নং ২ঃ** সমাজ কল্যাণৰ লক্ষ্য কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ঃ** ৰাষ্ট্ৰসংঘই সমাজ কল্যাণৰ কি সংজ্ঞা আগবঢ়াইছে?

.....

.....

.....

.....

.....

.....

.....

.....

## ১২.৪ সমাজ কল্যাণৰ ক্ৰমবিকাশ

সকলো সময়তে সকলো সমাজতে দুখীয়া, অক্ষম আৰু অভাৱগ্ৰস্ত শ্ৰেণীটো কাৰণে উদ্বিগ্নতা সদায় এক উদ্বেগৰ বিষয় হৈ আহিছে। কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণা আৰু সু-সংবদ্ধ জনকল্যাণমুখী পদ্ধতিৰ বিকাশ ঘটাৰ বেছিদিন হোৱা নাই। পৃথিৱীৰ সকলো ৰাষ্ট্ৰতে সমাজ, অর্থনীতি, ৰাজনীতি আৰু সংস্কৃতিৰ বিৱর্তন ঘটাৰ দ্ৰুততাই সমাজ কল্যাণৰ ধাৰণাটোক প্ৰভাৱিত কৰিছিল। সমাজ কল্যাণে সেয়েহে এক নির্দিষ্ট অর্থ বহন কৰে য'ত নতুন সামাজিক প্ৰমূল্যত উপনীত হোৱাটোক লক্ষ্য হিচাপে গ্ৰহণ কৰা হয়। সেয়েহে ক'ব পাৰি, সমাজ কল্যাণ ধাৰণাটোৱে বিভিন্ন দেশত বিভিন্ন ধাৰা নাইবা পর্য্যায়ৰ মাজেদি পাৰ হৈ আহিছে।

ঔদ্যোগিক বিপ্লৱ আৰু এই বিপ্লৱে কঢ়িয়াই অনা পৰিৱর্তনে মধ্যযুগৰ ইংলেণ্ডত ১৬০১ চনৰ The Elizabethar Poor Law ofৰ নিচিনা কিছুমান আইন প্ৰণয়নৰ বাবে প্ৰশাসনক বাধ্য কৰিছিল। পাছলৈ এই আইনখন সংশোধন কৰা হৈছিল। ইংলেণ্ডৰ সমাজ কল্যাণৰ দিশত এই আইন কেইখনে গুৰুত্বপূর্ণ অৱিহণা যোগাইছিল। ১৬০১ত Poor Lawৰ প্ৰৱর্তন, ১৬৬২ত Law of Settlementৰ বর্জন, আমেৰিকাৰ বিপ্লৱ, Morrill Act আৰু Freedom's Bureauৰ প্ৰৱর্তন, Charitable Organisation Societyৰ উত্থান আৰু শেষত সমাজ সেৱামূলক কায্যৰ প্ৰশিক্ষণ দিয়া বহুকেইখন কলেজ আৰু বিশ্ববিদ্যালয় স্থাপন আদিয়ে ইংলেণ্ডত সমাজ কল্যাণৰ প্ৰগতিত অৱিহণা আগবঢ়াইছিল।

### ১২.৪.১ভাৰতবর্ষত সমাজ কল্যাণৰ ক্ৰমবিকাশৰ ধাৰা

সমাজ ব্যৱস্থাৰ আৰম্ভণি ঘটাৰপৰাই সমাজ কল্যাণৰ ধাৰণাটিয়ে ভাৰতীয় সমাজত আগস্থান পাই আহিছে। আমাৰ ভাৰতীয় সমাজত মানৱীয় দর্শনৰ এক বিশেষ স্থান আছে। ভাৰতবর্ষত সমাজ কল্যাণৰ ক্ৰমবিকাশৰ ধাৰাটোক সময়ৰ ভিত্তিত বহলভাৱে তিনিশ্ৰেণীত ভাগ কৰিব পাৰি।

### ১২.৪.২প্ৰাক্-বৃটিছ যুগ

প্ৰাক্-বৃটিছ যুগে প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতক সামৰি লয়। এই সময়ৰ পৰাই সমাজ কল্যাণ ধর্মৰ এক অবিচ্ছেদ্য অঙ্গ হিচাপে সাঙোৰ খাই পৰে। এই সময়ৰ শাসন ব্যৱস্থাও সমাজ কল্যাণৰ ধাৰণাৰে দায়বদ্ধ হৈ পৰিছিল।এই সময়ছোৱাৰ শাসনকর্তাসকলে বিভিন্ন সমাজ কল্যাণমূলক ব্যৱস্থা গ্ৰহণ কৰিছিল। দুখীয়া আৰু দুর্বল শ্ৰেণীটোৰ বাবে ভালেমান দাতব্য (Charitable) অনুষ্ঠানৰ উপৰিও মানুহ আৰু পশুৰ বাবে আচুতীয়া চিকিৎসালয় স্থাপন, ৰাষ্ট্ৰীয় ঘাইপথ নির্মাণ, আশ্ৰয় গৃহ নির্মাণ আদি ভালেমান ৰাজহুৱা উপযোগিতামূলক কর্ম শাসকসকলৰ দ্বাৰা প্ৰৱর্তিত হৈছিল। গ্ৰামাঞ্চলৰ দুখীয়া আৰু দুর্বল প্ৰজাৰ সেৱাৰ বাবে স্থানীয় গ্ৰাম্য পৰিষদ প্ৰতিষ্ঠা কৰা হৈছিল। এই পৰিষদে গ্ৰাম্য

প্রশাসনৰ দায়িত্বও পালন কৰিছিল। জনসাধাৰণৰ প্রয়োজন অনুসৰি বিনামূলীয়া চিকিৎসা সেৱা, কৃষিৰ বাবে জলসিঞ্চনৰ সুবিধা আদি গ্রাম্য পৰিষদৰ দায়িত্বৰ ভিতৰুৱা আছিল। তদুপৰি শাসকসকলে সংযোগ ব্যৱস্থাৰ প্রসাৰ ঘটাই ভালেমান ৰাস্তা-ঘাট নির্মাণ কৰাৰ লগতে বিভিন্ন সাহায্যকাৰী অনুষ্ঠান প্রদান স্থাপন কৰিছিল। প্রায় সকলো শাসকেই খেতিয়ক, অক্ষম আৰু দুর্বল নিঃকিনজনৰ সমস্যাৰ প্রতি ব্যক্তিগতভাৱে মনোনিৱেশ কৰিছিল।

## ১২.৪.৩বৃটিছ যুগ

বৃটিছ শাসনৰ যুগত ভাৰতীয় সমাজ প্রাচীন পৰম্পৰা আৰু ৰীতি-নীতিৰ বান্ধোনত আৱদ্ধ আছিল। সৰহভাগ ৰীতি-নীতি ধর্মীয় বান্ধোনেৰে বান্ধ খাই আছিল। সতীদাহ, অস্পৃশ্যতা, মন্দিৰত তিৰোতাক উৎসর্গা কৰা, জাতিগত বৈষম্য আদি কু-নীতি সমাজত প্রচলিতআছিল। বৃটিছ শাসনে যুক্তিবাদ (Rationalism), গণতন্ত্র (Democracy), উদাৰ-নৈতিকতা (Liberalism) আদিৰ দৰে নব্য ধাৰণাৰ প্রচলনেৰে এক নতুন পথৰ প্রতি জনসাধাৰণক আগ্রহী কৰি তোলাৰ প্রয়াস কৰিছিল। এইবোৰৰ দ্বাৰা অনুপ্রণিত হৈ বহুতো লোকে সামাজিক কু-প্রথাবোৰৰ বিৰুদ্ধে মাতি মাতিবলৈ মানসিকভাৱে প্রস্তুত হৈছিল। এই সময়ছোৱাত সমাজ ধাৰণা সমাজ সংস্কাৰ আন্দোলনলৈ পর্য্যৱসিত হৈছিল।

ভাৰতৰ কেইবাটাও সমাজ সংস্কাৰমুখী আন্দোলন, যেনে—ব্রাহ্ম সমাজ, আর্য্য সমাজ, ৰামকৃষ্ণ মিশ্যন আদিয়ে এই সময়তেই জন্মলাভ কৰে। সমাজৰ কু-সংস্কাৰসমূহৰ বিৰুদ্ধে এই আন্দোলনবোৰে প্রৱল জনমতৰ সৃষ্টি কৰিছিল। এই সংস্কাৰমুখী আন্দোলনবোৰৰ ফলত কিছুমান আইন প্রৱর্তন কৰি সমাজলৈ এক সুস্থ পৰিৱেশ আনিব পৰা গৈছিল। পিছলৈ জাতীয়তাবাদী আন্দোলন ঊর্ধমুখী হোৱাৰ লগে লগে জাতীয় নেতাসকলে কিছুমান সমাজ সংস্কাৰ হোৱাৰ কার্য্যক সমর্থন কৰিবলৈ লয়। এইক্ষেত্রত মহাত্মা গান্ধীৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। গান্ধীয়ে সমাজত নাৰীৰ সম-অধিকাৰ, হৰিজনসকলৰ কল্যাণ,গ্রাম্য সমাজৰ আর্থিক উন্নতি আৰু মানুহক কর্মসক্ষম কৰি তোলা এক জনমুখী শিক্ষা আদি প্রচলন কৰাৰ আহ্বান জনাইছিল। গান্ধীজীৰ সমাজ সংস্কাৰমূলক কাম-কাজবোৰ তেওঁৰ ৰাজহুৱা জীৱনৰ এটা গুৰুত্বপূর্ণ অংশ আছিল। তেওঁৰ 'গঠনমূলক কার্য্যসমূহ' অর্থনৈতিক উন্নয়ণ আৰু ব্যক্তিৰ সমাজ জীৱনৰ উন্নতি সাধনকাৰী এক আন্দোলন আছিল, এই সকলোবোৰ আন্দোলন প্রকৃততে এক সমাজ সংস্কাৰমুখী কার্য্যৰ অংশ আছিল।

## ১২.৪.৪স্বাধীনতাৰ পৰৱর্তী যুগ

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পাছত সমাজ কল্যাণমূলক কার্য্যকলাপবোৰ অধিক সু-সংবদ্ধ ৰূপত গঢ় লৈ উঠিছিল আৰু ইয়াৰ মূল ভেটি

আছিল ভাৰতীয় সংবিধান। সংবিধানে কল্যাণমুখী আঁচনিসমূহৰ পৃষ্ঠপোষকতা কৰিবলৈ ৰাষ্ট্রক অধিক ক্ষমতা প্রদান কৰিছে যাতে সমাজৰ দুর্বল শ্রেণীৰ লোকসকলে নিজৰ প্রাথমিক প্রয়োজনসমূহ ৰাষ্ট্রৰ সহায়ত পূৰণ কৰিব পাৰে।

সমাজ কল্যাণৰ কার্য্যকলাপ ৰাষ্ট্রৰ পঞ্চবার্ষিক পৰিকল্পনাৰ অন্তর্ভুক্ত আছিল আৰু পৰিকল্পনাৰ কালছোৱাতেই এইবোৰৰ কার্য্য ৰূপায়নৰ প্রচেষ্টা চলোৱা হৈছিল। প্রত্যেকটো পৰিকল্পনা কালত এটা বিশেষ লক্ষ্য গোট (Target Group) চিনাক্ত কৰা হৈছিল আৰু এই গোটৰ কল্যাণ তথা প্রয়োজনত ব্যয় কৰিব পৰাকৈ পুঁজি (fund) আবণ্টন কৰা হৈছিল। ব্যয় কৰিব পৰাকৈ ৰাজ্যিক বোর্ডৰ সহায়ত এইকার্য্যকলাপবোৰ সম্প্রসাৰণ কৰা হৈছিল। পৰৱর্তী সময়ত দেশত সমাজ কল্যাণ বিভাগ প্রতিষ্ঠা কৰা হয় আৰু এই বিভাগৰ দ্বাৰা কল্যাণমূলক আঁচনিসমূহৰ কার্য্য ৰূপায়নৰ প্রচেষ্ট লোৱা হয়। সমাজ কল্যাণ উপদেষ্টা বোর্ড (The Social Welfare Advisory Board) সকলো ৰাজ্য আৰু স্বায়ত্ত শাসিত প্রদেশতে প্রতিষ্ঠা কৰা হৈছে। এই বোর্ডসমূহৰ কাম হ'ল স্বেচ্ছামূলক প্রচেষ্টাৰ সমন্বয় ৰক্ষা কৰা। এক বুজন পৰিমাণৰ অর্থ সাহায্য এই বোর্ডৰ জৰিয়তে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহলৈ প্রদান কৰা হয়। এনেদৰেই বিভিন্ন পর্য্যায়ৰ মাজেৰে গতি কৰি ভাৰতৰ সমাজ ক্ষেত্রখনে বর্তমানৰ পর্য্যায় পাইছে।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** খালী ঠাই পূৰণ কৰক।

ক) প্রাক্-বৃটিছ সময়ছোৱাত সমাজ কল্যাণ ..... আৰু .....ৰ সৈতে অবিচ্ছেদ্য অঙ্গ হিচাপে শাসন ব্যৱস্থাৰ লগত সাঙোৰ খাই পৰিছিল।

খ) বৃটিছ যুগত ভাৰতীয় সমাজ ..... আৰু ..... বান্ধোনত বান্ধ খাই আছিল।

গ) সমাজ কল্যাণৰ কার্য্যকলাপ ৰাষ্ট্রৰ ..... অন্তর্ভুক্ত আছিল। আৰু পৰিকল্পনাৰ কালছোৱাতেই এইবোৰৰ কার্য্য ৰূপায়নৰ প্রচেষ্টা চলোৱা হৈছিল।

ঘ) প্রত্যেক পৰিকল্পনাতেই..... চিনাক্ত কৰা হৈছিল আৰু এই গোটৰ কল্যাণ তথা প্রয়োজনত ব্যয় কৰিব পৰাকৈ পুঁজি গঠন কৰা হৈছিল।

ঙ) এক বুজন পৰিমাণৰ অর্থ সাহায্য এই বোর্ডৰ জড়িয়তে ..... লৈ প্রদান কৰা হয়।

**প্রশ্ন নং ৫ ঃ** বৃটিছ যুগত আৰম্ভ হোৱা কেইটামান সংস্কাৰ আন্দোলনৰ নাম লিখক।

.....

.....

.....

.....

**প্ৰশ্ন নং ৬ ঃ** সমাজ কল্যাণত মহাত্মা গান্ধীৰ ভূমিকা আলোচনা কৰক।

.....

.....

.....

.....

.....

## ১২.৫ সমাজ কল্যাণৰ গুৰুত্ব

সমাজ কল্যাণ অনুষ্ঠানসমূহৰ গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তথাপি ইয়াৰ মানৱ সেৱা অভিযান আৰু সামাজিক উন্নয়নত উপযোগিতামূলক ভূমিকাটো বিশেষ ভাবে জনা নাযায়। সমাজ কল্যাণে সামাজিক জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, বিশেষকৈ এখন উদ্যোগপ্ৰধান সমাজত ইয়াৰ তাৎপৰ্য্য লক্ষণীয়। সামাজিক পৰিৱৰ্তনৰ লগে লগে সমাজ কল্যাণ অনুষ্ঠানসমূহেও প্ৰধানকৈ তিনি প্ৰকাৰৰ কাৰ্য্য ৰূপায়ন কৰিব বুলি ভবা হয়। কাৰ্য্যকেইটা হ'ল— তত্ত্বাৱধানমূলক কাৰ্য্য (Maintence Activities), উন্নয়নমূলক কাৰ্য্য (Development Activities) আৰু পৰিৱৰ্তনমূলক কাৰ্য্য (Change Activities)। তত্ত্বাৱধানমূলক কাৰ্য্যই ব্যক্তি নাইবা গোটৰ সমস্যাহীন আৰু স্থিৰ জীৱনৰ কাৰণেপ্ৰয়োজনীয় দিক্-নিৰ্দেশনা প্ৰদান কৰে। ব্যক্তি আৰু সমাজৰ অন্য অনুষ্ঠানসমূহৰ উন্নয়নত প্ৰয়োজনীয় সহায়-সহযোগিতামূলক কাৰ্য্যকে উন্নয়নমূলক কাৰ্য্য শিতানত অন্তৰ্ভুক্ত কৰা হয়। পৰিৱৰ্তনমূলক কাৰ্য্যই ব্যক্তি, পৰিয়াল আৰু গোটৰ উপকাৰিতালৈ লক্ষ্য ৰাখিতেওঁলোকৰ কাৰ্য্যৰ পৰিৱৰ্তনৰ নিৰীক্ষণ কৰে। এইবোৰৰ লগতে সমাজ কল্যাণে বৃদ্ধ, নিবনুৱা, বিতাড়িত আৰু বিপদগ্ৰস্থ জনৰ কাৰণে সুৰক্ষাৰ ব্যৱস্থা কৰে। সমাজ কল্যাণ পৰিপুষ্টিহীন, পৰিয়ালৰ শুশ্ৰূষা বঞ্চিত শিশুসকলৰ কাৰণে সুৰক্ষাৰ আধাৰ স্বৰূপ। এনেদৰে সমাজ কল্যাণে বিভিন্নজনৰ কাৰণে বিভিন্ন দিশেৰে এক উন্নতৰ জীৱনৰ পথ প্ৰস্তুত কৰে।

সমাজ কল্যাণ অনুষ্ঠানসমূহে আমাৰ সমাজ পদ্ধতিত উল্লেখনীয় প্ৰভাৱ পেলায়। বৰ্ধিত জনসংখ্যা, প্ৰদূষণ, দীৰ্ঘকালীন আৰু জটিল দূৰ্ভিক্ষ, ৰাজহুৱা স্বাস্থ্যজনিত সমস্যা, আদিয়ে আমাৰ বিকাশৰ পথত অন্তৰায় হৈ দেখা দিয়ে। সমাজ কল্যাণ অনুষ্ঠানসমূহ ৰ সু-প্ৰশিক্ষিত সেৱা কৰ্মীয়ে এই সমস্যাসমূহ নিৰাময়ৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। আৰু সমাজ কল্যাণ ক্ষেত্ৰত এনে কৰ্মীৰ বিশেষ প্ৰয়োজন আছে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৭ ঃ** এখন ..... সমাজত সমাজ কল্যাণৰ তাৎপর্য্য লক্ষ্যণীয়।

**প্রশ্ন নং ৮ ঃ** কি তিনিটা প্রধান কার্য্য সমাজ কল্যাণ অনুষ্ঠানসমূহে সম্পাদন কৰে বুলি কোৱা হয়?

.....

.....

.....

## ১২.৬ সমাজ কল্যাণৰ প্রকৃতি

বিজ্ঞান নাইবা কলা উভয় বিষয়তে সমাজ কল্যাণক সদায়েই গুৰুত্বপূর্ণ বিষয় বুলি বিবেচিত হৈ আহিছে। সমাজ কল্যাণৰ প্রকৃতি সম্পর্কে মতভেদ আছে। প্রত্যেকেই সমাজ কল্যাণৰ ধাৰণাটো নিজৰ দৃষ্টিভঙ্গীৰে কৰিছে। সমাজ কল্যাণৰ দুই ধৰণৰ প্রয়োগ বিধি (Usage) আছে। সমাজ কল্যাণমূলক কার্য্যসূচীসমূহ পৰিচালনা কৰাৰ পদ্ধতি অনুসৰি ইয়াক শ্রেণী বিভক্ত কৰা হয়। বৌদ্ধিক অনুসন্ধিৎসাও ইয়াৰ লগত জড়িত। অনুশীলন আৰু অধ্যয়নে সমাজ কল্যাণৰ অংশ।

### ১২.৬.১ সমাজ কল্যাণ আৰু কলা

সমাজ কল্যাণক এক কলা হিচাপে তলৰ মতবাদ কেইটাই সমর্থন কৰে—

i) ই আহৰণক্ষম (It can be acquired) ঃ সমাজ কল্যাণৰ কলা আহৰণ কৰিব পাৰি। যথাযথ প্রশিক্ষণৰ দ্বাৰা এগৰাকী বুদ্ধিমান লোকে বিচক্ষণ প্রশাসকত পৰিণত হ'ব পাৰে। সেয়েহে, আর্জিত বিদ্যাৰ ধাৰণাৰে সমাজ কল্যাণৰ প্রশাসন এক কলা (Art)।

ii) ই বিষয়নিষ্ঠ (Subjective) ঃ জ্ঞান আৰু কৌশল নাইবা পাৰদর্শিতাৰ প্রয়োগৰ দ্বাৰা এগৰাকী সমাজ কল্যাণ প্রশাসকে লক্ষণীয় পৰিৱর্তন আৰু উন্নয়ন সাধন কৰিব পাৰে। মানৱ সম্পদ আৰু বস্তু গত সম্পদৰ উন্নয়ণ, সংমিশ্রণ, চিনাক্তকৰণেৰে তেওঁ দেশৰ ভৱিষ্যতলৈ উজ্বল পৰিৱর্তন কঢ়িয়াই আনিব পাৰে। বর্তমান সময়ত সকলো কল্যাণমূলক অনুষ্ঠান আৰু কার্য্যসূচীৰ সফলতা নির্ভৰ কৰে কল্যাণমূলক কার্য্যত জড়িত প্রশাসকৰ কাম-কাজৰ গুণগত মানৰ ওপৰত।

iii) জ্ঞানৰ বাস্তৱসম্মত ব্যৱহাৰ ঃ কলা হ'ল প্রণালীৱদ্ধ জ্ঞান নাইবা অভিজ্ঞতাৰ বাস্তৱসম্মত ব্যৱহাৰ। জ্ঞানৰ বাস্তৱসম্মত ব্যৱহাৰ তত্ত্ব (Theory) নহয়, তত্ত্বৰ অনুশীলনহে। সমাজ কল্যাণ প্রশাসন মাত্র এক তাত্ত্বিক জ্ঞান নহয়, ই এক প্রয়োগ। ব্যৱহাৰিক অনুশীলনৰ দ্বাৰাইহে শ্রেষ্ঠ জ্ঞান লাভ কৰিব পাৰি।

## ১২.৬.২ সমাজ কল্যাণ আৰু বিজ্ঞান

যিসকলে সমাজ কল্যাণ প্ৰশাসনক বিজ্ঞানৰ অন্তৰ্ভুক্তী বিষয় বুলি বিশ্বাস কৰে তেওঁলোকৰ মতে কিছুমান নিৰ্দিষ্ট আৰু স্পষ্ট নীতিৰ আধাৰত সমাজ কল্যাণৰ বৰ্তমান কাৰ্য্যসূচীসমূহ পৰিচালিত আৰু প্ৰচলিত হৈ আহিছে। তেওঁলোকে জোৰ দি কয় যে এই নীতিসমূহ যুক্তিনিষ্ঠ আৰু সুস্থ নৈতিকতাৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে এইবিলাকক বিশ্বজনীন নীতি বুলি আখ্যা দিব পাৰি। তলৰ মতবাদসমূহ সমাজ কল্যাণ যে এক বিজ্ঞান ভিত্তিক বিষয় সাব্যস্ত কৰিবলৈ আগবঢ়োৱা হৈছে—

i) ৰৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ (Application of Scientific Method) ঃ সমাজ কল্যাণক বিজ্ঞান বুলি গ্ৰহণ কৰিবলৈ হ'লে এই ক্ষেত্ৰখনত বিজ্ঞানৰ প্ৰণালী বা সূত্ৰৰ প্ৰয়োগ হ'বই লাগিব। সমাজ কল্যাণক বিজ্ঞান বুলিব পাৰি। কাৰণ, সমাজ বিজ্ঞাৰ অন্য বিষয় সমূহৰ দৰে সমাজ কল্যাণ অধ্যয়ণৰো এক বিজ্ঞানসন্মত পদ্ধতি (Method) আছে।

ii) জটিল পৰীক্ষা ঃ সকলো বিজ্ঞানসন্মত অধ্যয়নৰে মূল প্ৰয়োজন হ'ল জটিল পৰীক্ষা-নিৰীক্ষা আৰু প্ৰত্যক্ষধৰ্মীতা। সমাজ কল্যাণ অধ্যয়নতো এই চৰ্তসমূহ পূৰণ হয়।

iii) সাৰ্বজনীন নীতিগত পৰামৰ্শাৱলী ঃ সমাজ কল্যাণৰ সাৰ্বজনীন নীতিসমূহে বিজ্ঞানৰ সাদৃশ্যকে দেখুৱায়।যদিও এই নীতিগত পৰামৰ্শাৱলী সকলো ক্ষেত্ৰতে একে ধৰণে প্ৰযোজ্য নহ'বও পাৰে,তথাপিও এই নীতিসমূহে নিশ্চয়কৈ সমাজ কল্যাণ কাৰ্য্যসূচীৰ ৰূপায়নত প্ৰশাসকসকলক সহায় কৰিব।

সমাজ কল্যাণ প্ৰশাসনৰ প্ৰকৃতি বিজ্ঞানসন্মত বুলি মানি লোৱা কথাটোক সমালোচনাও কৰা দেখা যায়। পৰীক্ষামূলক অভিজ্ঞতা আৰু বস্তুনিষ্ঠ ধাৰণাৰ অভাৱক ইয়াৰ বাবে দায়ী কৰা হয়।সেয়েহে সমাজ কল্যাণ প্ৰশাসনক এক বিশুদ্ধ বিজ্ঞান বোলাৰ সলনি নিজস্ব কৰ্ম পদ্ধতিৰ আধাৰত এই বিষয়টোক বিজ্ঞান আখ্যা দিয়া হৈছে। ই এক কলাও, কিয়নো ই সাধাৰণ নীতিগত পদ্ধতিৰ উপৰি প্ৰকৃত প্ৰাশসনিক কামৰ উদ্যোগেৰে সমাজ কল্যাণৰ কাৰ্য্য সম্পাদনত জোৰ দিয়ে।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৯ ঃ** খালী ঠাই পূৰণ কৰক।

ক) প্ৰকৃতিৰ জ্ঞান কোশল নাইবা আৰু পাৰদৰ্শিতাৰ সংমিশ্ৰণ ঘটাই এগৰাকী সমাজ কল্যাণ প্ৰশাসকে ..... আৰু ..... সাধন কৰিব পাৰে।

খ) নীতিগত পৰামৰ্শৱলীয়ে ..... ৰূপায়নত প্ৰশাসকসকলক সহায় কৰিব পাৰে।

## ১২.৭ সমাজ কল্যাণৰ পৰিসৰ

সমাজ কল্যাণৰ পৰিসৰৰ প্ৰকৃতি অতি বহল। পৰিৱৰ্তনশীল সমাজৰ নতুন সমস্যাসমূহ প্ৰকৃতিও নতুন। সেয়েহে এই সমস্যাসমূহৰ সমাধানৰ কাৰণে এক নতুন পদ্ধতি উদ্ভাৱন কৰা আৱশ্যক।

ইয়াৰ বাবে জনসম্পদ, অনুষ্ঠান, বিত্ত, প্ৰযুক্তি আদি সমলৰ এক পৰিৱৰ্তিত পৰিৱেশত সৰ্বোচ্চ উপযোগিতামূলক প্ৰয়োগৰ প্ৰয়োজন। সমাজ কল্যাণমূলক কাৰ্য্যসমূহত সামাজিক সমস্যাসমূহৰ সফল সমাধানৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত কিছুমান কাৰক সন্নিৱিষ্ট হৈ থাকে। ৰমেশ ভৰদ্বাজৰ মতে সমাজ কল্যাণ প্ৰশাসনক দুটা ভাগত ভাগ কৰিব পাৰি।

i) The POSDCORB দৃষ্টিভঙ্গী ঃ সমাজ কল্যাণৰ POSDCORB দৃষ্টিভঙ্গীক এক ঠেক পৰিসৰৰ দৃষ্টিভঙ্গী বুলিব পাৰি। এই দৃষ্টিভঙ্গীয়ে চৰকাৰৰ পৃষ্ঠপোষকতাত কাৰ্য্যসমূহৰ ৰূপায়নৰ প্ৰতি মনোনিৱেশ কৰে। সেয়েহে এই দৃষ্টিভঙ্গী পৰিচালনা দৃষ্টিভঙ্গীৰ সৈতে জড়িত। হেনৰী ফায়'ল (Henri Fayol), এল. উৰৱিক (L. Urwick) ফাৰ্চি এম অ'ভীন (Fercey M. Ovean) আৰু গুলিক (Gulick) এই দৃষ্টিভঙ্গীৰ পৃষ্ঠপোষক।

ii) সৰ্বাত্মক দৃষ্টিভঙ্গী ঃ নতুন সামাজিক সমস্যাসমূহৰ আবিৰ্ভাৱে সমাজ কল্যাণৰ পৰিসৰ বহলাই তুলিছে। সামাজিক সমস্যাসমূহৰ প্ৰসাৰতাই ইতিমধ্যেই সমস্যাসমূহ সমাধান কৰাত পূৰ্ববৰে পৰা দায়ৱদ্ধ চৰকাৰৰ ওপৰত প্ৰবল চাপ লোৱাৰ ফলত সমস্যাসমূহৰ সফল সমাধান দুৰূহ হৈ পৰিছে। এই সমস্যা আঁতৰ কৰিবলৈ বেচৰকাৰী অনুষ্ঠানসমূহ সমাজ কল্যাণ কাৰ্য্যসূচীসমূহৰ লগত জড়িত হৈ পৰিছে। সেয়েহে এই দৃষ্টিভঙ্গীয়ে সমাজ কল্যাণৰ বিষয়গত সমস্যাৰ লগত জড়িত হৈ নাথাকি কাৰ্য্য কৰীকৰণৰ দিশটোৰ প্ৰতিও গুৰুত্ব দিছে। POSDCORB দৃষ্টিভঙ্গীয়েও প্ৰাথমিকভাৱে একে চিন্তাই প্ৰকাশ কৰে।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১০ ঃ** খালী ঠাই পূৰণ কৰক।

ক) সমাজ কল্যাণৰ পৰিসৰ ..... প্ৰকৃতিৰ।

খ) ৰমেশ ভৰদ্বাজৰ মতে সমাজ কল্যাণৰ প্ৰশাসনক .....ত ভগাব পাৰি আৰু .....।

গ) POSDCORB দৃষ্টিভঙ্গীয়ে প্ৰধানকৈ ..... ৰূপায়নৰ প্ৰতি মনোনিৱেশ কৰে।

ঘ) সৰ্বাত্মক দৃষ্টিভঙ্গীয়ে সমাজ কল্যাণৰ বিষয়গত সমস্যাৰ লগত জড়িত হৈ নাথাকি ..... প্ৰতিও গুৰুত্ব দিয়ে।



## ১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ কল্যাণৰ লগত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্রচেষ্টা জড়িত হৈ থাকে।
- সমাজ কল্যাণ হ'ল সমাজ সেৱাৰ এক গঠনমূলক পদ্ধতি। ইয়াৰ বাবে অনুষ্ঠানসমূহক এনেভাৱে প্রস্তুত কৰা হয় যাতে এইবোৰে ব্যক্তি আৰু সম্প্রদায়বোৰক স্বাস্থ্য আৰু জীৱন যাপনৰ এক উন্নত স্তৰত উপনীত হোৱাত সহায় কৰিব পাৰে।
- সমাজ কল্যাণক ৰাজহুৱা প্রশাসনৰ এটা শাখা বুলি গণ্য কৰা হয়।
- সমাজ কল্যাণৰ ভেটি হ'ল বিশেষকৈ সমাজ বিজ্ঞান আৰু বিজ্ঞানৰ আন বিভাগবোৰ। সেয়েহে ইয়াক এক স্বাধীন বিষয় বুলি গণ্য কৰা হয়।
- সমাজ, অর্থনীতি, ৰাজনীতি আৰু সংস্কৃতিৰ দ্রুত বিকাশৰ প্রৱণতাই সমাজ কল্যাণৰ ধাৰণাটোক প্রভাৱিত কৰিছে। সমাজকল্যাণৰ ধাৰণাটোৱে যিকোনো নতুন পৰিৱেশৰ লগত সহ অৱস্থান কৰিব পাৰে।
- ভাৰতীয় সমাজ আৰম্ভণিৰেপৰাই সমাজ কল্যাণৰ ধাৰণাটোৰ সৈতে জড়িত।
- ভাৰতৰ সমাজ কল্যাণৰ ক্রমবিকাশক তিনিটা ভাগত ভগাব পাৰি— প্রাক্-বৃটিছ যুগ, বৃটিছ যুগ আৰু স্বাধীনতাৰ পৰৱর্তী যুগ।
- সমাজ কল্যাণে সামাজিক জীৱনত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। বিশেষকৈ উদ্যোগপ্রধান সামাজিক পটভূমিত ইয়াৰ প্রভাৱ অধিক।
- সমাজ কল্যাণ অনুষ্ঠানসমূহে তিনিটা প্রধান কার্য্য সম্পাদন কৰে— তত্ত্বাৱধানমূলক কার্য্য, উন্নয়নমূলক কার্য্য আৰু পৰিৱর্তনমূলক কার্য্য।
- সমাজ কল্যাণৰ প্রকৃতি অনুসৰি ইয়াক কলা নাইবা বিজ্ঞান বুলি ধৰিব পাৰি। সমাজ বিজ্ঞান দুয়ো ধৰণেই গুৰুত্বপূর্ণ।
- সমাজ কল্যাণ প্রশাসনক এক কলা বুলি গণ্য কৰা হয়। কাৰণ ই এক আর্জিত জ্ঞান, ই বিষয়নিষ্ঠ প্রকৃতিৰ ওপৰত প্রতিষ্ঠিত আৰু ইয়াত বাস্তৱসন্মত জ্ঞান প্রয়োগ কৰা হয়। আন এটা পক্ষই দাবী কৰে যে সমাজ কল্যাণ প্রশাসন এক বিজ্ঞান। কাৰণ ই বিজ্ঞানসন্মত পদ্ধতি প্রয়োগ কৰে, ইয়াত জটিল ক্রমবিকাশক স্বীকৃতি দিয়া হয় আৰু সার্বজনীন পৰামর্শ নীতি অনুসৰণ কৰা হয়।
- সমাজ কল্যাণত বিভিন্ন কাৰক সন্নিৱিষ্ট হৈ থাকে। সেইবোৰ সামাজিক সমস্যা সমাধানৰ বাবে বিশেষ গুৰুত্বপূর্ণ।
- POSDCORB এক ক্ষুদ্র পৰিসৰৰ দৃষ্টিভঙ্গী। বেছি ভাগ ক্ষেত্রতে ইয়াৰ দ্বাৰা চৰকাৰী অনুদানপ্রাপ্ত সমাজ কল্যাণ কার্য্যসূচীসমূহৰ ৰূপায়নত গুৰুত্ব আৰোপ কৰা হয়।
- প্রতিদিনে বৃদ্ধি হোৱা সামাজিক সমস্যাসমূহৰ প্রতিকাৰৰ অর্থে সমাজ কল্যাণৰ পৰিসৰ প্রসাৰিত হৈ আহিছে।

- সর্বাত্মক দৃষ্টিভঙ্গীয়ে সমাজ কল্যাণৰ বিষয়সমূহৰ ওপৰতে মনোনিৱেশ নকৰে, ই কল্যাণমূলক কার্য্যসূচী কার্য্যকাৰীকৰণৰ দিশটোতো গুৰুত্ব প্রদান কৰে।



## ১২.৯ আধিক জানিবলৈ

*অসমীয়া গ্রন্থ ঃ*

১) শইকীয়া, জে. পি. (২০০৪) ঃ *সমাজ ঃ সমস্যা আৰু সমাধান*; যোৰহাট ঃ বিদ্যা ভৱন।

*ইংৰাজী গ্রন্থ ঃ*

1) Devi, Rameshwari and Parkash, Ravi (1998): *Social Work and Social Welfare Administration, Methods and Practices* (Vol. I). Jaipur: Mangal Deep Publications.

2) Schatz, Harry A. (ed.) (1970): *Social Work Administration: A Resource Book*. Yew York: Council on Social Work Education.

3) Skidmore, Rex A. (1983): *Social Welfare Administration: Dynamic Management and Human Relations*. London: Prentice Hall Inc.



## ১২.১০ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ক) সমাজ কল্যাণৰ লগত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্রচেষ্টা জড়িত হৈ থাকে।

খ) সমাজ কল্যাণ এক পৰিকল্পিত সাংগঠনিক পদ্ধতি য'ত অনুষ্ঠানসমূহক এনেদৰে সংগঠিত কৰা হয় যাতেএইবোৰে সমাজ সেৱাৰ মাজেদি ব্যক্তি আৰু সম্প্রদায়ৰ স্বাস্থ্য আৰু জীৱন আদিৰ ক্ষেত্রত এক উন্নত পৰিৱেশ সৃষ্টি কৰিব পাৰে।

গ) সমাজ কল্যাণক ৰাজহুৱা প্রশাসনৰ এক শাখা বুলি গণ্য কৰা হয়।

**২নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণৰ লক্ষ্য হ'ল সমাজৰ দুর্বল শ্রেণীৰ লোকসকলৰ, যিসকলে সমাজ সেৱাৰ সুবিধা নিজে গ্রহণ কৰিবলৈ সক্ষম হোৱা নাই অথবা পৰম্পৰাগতভাৱে এই সুবিধাসমূহ উপভোগৰ পৰা বঞ্চিত হৈ আহিছে, তেওঁলোকক বিভিন্ন সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰা।

**২নং প্রশ্নৰ উত্তৰ ঃ** ৰাষ্ট্র সংঘই সমাজ কল্যাণৰ সংজ্ঞা আগবঢ়াই কৈছে যে, "সমাজ কল্যাণ এক সংগঠিত অনুষ্ঠান যাৰ কার্য্য হ'ল ব্যক্তি, পৰিয়াল, গোট আৰু সম্প্রদায়সমূহক পৰিৱর্তিত সমাজৰ সামাজিক সমস্যাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম কৰি তোলা। কিছুমান বিশেষ সেৱাৰ দায়িত্ব গ্রহণৰ বাদেও সমাজ কল্যাণৰ এক বহল কার্য্যসূচী

আছে যিবোৰেৰে ৰাষ্ট্রৰ সমাজ জীৱনৰ উত্তৰণ ঘটোৱাৰ প্রয়াস কৰা হয়। এক বহল দৃষ্টিভঙ্গী মতে, সমাজ কল্যাণে আন এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা উচিত যাতে ই ব্যক্তিগত আৰু বস্তুগত সম্পদৰ সংগঠন তথা প্রস্তুতকৰণৰ দ্বাৰা এই সম্পদসমূহক সমাজৰ পৰিৱর্তিত চাহিদাৰ লগত খাপ খুৱাই এইবোৰক ৰাষ্ট্রগঠনৰ এক বিশেষ অংশত পৰিণত কৰিব পাৰে।"

**৪নং প্রশ্নৰ উত্তৰ ঃ** ক) প্রাক্-বৃটিছ সময়ছোৱাত সমাজ ধর্ম আৰু দায়বদ্ধতাৰ সৈতে সমাজ কল্যাণ অবিচ্ছেদ্য অঙ্গ হিচাপে শাসন ব্যৱস্থাৰ লগত সাঙোৰ খাই পৰিছিল।

খ) বৃটিছ যুগত ভাৰতীয় সমাজ প্রাচীন পৰম্পৰা আৰু ৰীতি নীতিৰ বান্ধোনত বান্ধ খাই আছিল।

গ) সমাজ কল্যাণৰ কার্য্যকলাপ পঞ্চবার্ষিক পৰিকল্পনা অন্তর্ভুক্ত আছিল আৰু পৰিকল্পনাৰ কালছোৱাতেই এইবোৰৰ কার্য্য ৰূপায়ণ প্রচেষ্টা চলোৱা হৈছিল।

ঘ) প্রত্যেক পৰিকল্পনাতেই এক নির্দিষ্ট লক্ষ্য গোট চিনাক্ত কৰা হৈছিল আৰু এই গোটৰ কল্যাণ তথা প্রয়োজনত ব্যয় কৰিব পৰাকৈ পুঁজি গঠন কৰা হৈছিল।

ঙ) এক বুজন পৰিমাণৰ আর্থিক সাহায্য এই বোর্ডৰ জৰিয়তে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহলৈ প্রদান কৰা হয়।

**৫নং প্রশ্নৰ উত্তৰ ঃ** বৃটিছ যুগত আৰম্ভ হোৱা কেইটামান সমাজ সংস্কাৰ আন্দোলন হ'ল— ব্রাহ্ম সমাজ, আর্য্য সমাজ আৰু ৰাম-কৃষ্ণ মিশ্যন। এই আন্দোলনসমূহৰ দ্বাৰা ভাৰতীয় সমাজত প্রচলিত কু-সংস্কাৰৰ বিৰুদ্ধে জনমত গঠন কৰা হৈছিল। এই আন্দোলনবোৰৰ ফলস্বৰূপে বহুতো কু-প্রথাৰ বিৰুদ্ধে কিছুমান আইন প্রণয়ন কৰা হৈছিল আৰু ই সমাজক কিছু সুস্থিৰতা প্রদান কৰিছিল।

**৬নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণ ক্ষেত্রলৈ মহাত্মা গান্ধীৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। গান্ধীয়ে সমাজত নাৰীৰ সম-অধিকাৰ, হৰিজন সকলৰ কল্যাণ, গ্রাম্য সমাজৰ আর্থিক উন্নতি, জনমুখী শিক্ষা আদি প্রচলনৰ আহ্বান জনাইছিল। তেওঁৰ 'গঠনমূলক কার্য্যসমূহ' আচলতে ব্যক্তিৰ সমাজ জীৱন আৰু অর্থনৈতিক জীৱনৰ উন্নতিৰ কাৰণে চলা এক আন্দোলন আছিল। গান্ধীজীৰ সমাজ সংস্কাৰমূলক কর্মসমূহ তেওঁৰ ৰাজহুৱা কার্য্যকলাপৰ এটা ডাঙৰ গুৰুত্বপূর্ণ আছিল।

**৭নং প্রশ্নৰ উত্তৰ ঃ** এখন উদ্যোগ প্রধান সমাজত সমাজ কল্যাণৰ তাৎপর্য্য লক্ষণীয়।

**৮নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণ অনুষ্ঠানসমূহে তিনিটা প্রধান কার্য্য সম্পাদন কৰিব বুলি আশা কৰা হয়। কার্য্যকেইটা হ'ল— তত্ত্বাৱধানমূলক কার্য্য, উন্নয়ণমূলক কার্য্য আৰু পৰিৱর্তন-মূলক কার্য্য।

**৯নং প্রশ্নৰ উত্তৰ ঃ** ক) প্রকৃতিৰ জ্ঞান আৰু কৌশল নাইবা পাৱদর্শিতাৰ সংমিশ্রণ ঘটাই এগৰাকী সমাজ কল্যাণ প্রশাসকে লক্ষণীয় পৰিৱর্তন আৰু উন্নয়ণ সাধন কৰিব পাৰে।

খ) নীতিগত পৰামৰ্শৰলীয়ে সমাজ কল্যাণ কাৰ্য্যসূচীৰ ৰূপায়নত প্ৰশাসকসকলক সহায় কৰিব পাৰে।

**১০নং প্ৰশ্নৰ উত্তৰ ঃ** ক) সমাজ কল্যাণৰ পৰিসৰ বহল প্ৰকৃতিৰ।

খ) ৰমেশ ভৰদ্বাজৰ মতে সমাজ কল্যাণ প্ৰশাসনক POSDCORB আৰু দৃষ্টিভঙ্গী —এই দুই ভাগত বিভক্ত কৰিব পাৰি।

গ) POSDCORB দৃষ্টিভঙ্গীয়ে প্ৰধানকৈ চৰকাৰৰ পৃষ্ঠপোষকতাত সমাজ কল্যাণ কাৰ্য্যসমূহ ৰূপায়নৰ প্ৰতি মনোনিৱেশ কৰে।

ঘ) সৰ্বাত্মক দৃষ্টিভঙ্গীয়ে সমাজ কল্যাণৰ বিষয়গত সমস্যাৰ লগত জড়িত হৈ নাথাকি কাৰ্য্যকৰীকৰণৰ দিশটোৰ প্ৰতিও গুৰুত্ব দিয়ে।



## ১২.১১ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** ভাৰতবৰ্ষত সমাজ কল্যাণৰ আৰম্ভণিৰ বিষয়ে লিখক।

**প্ৰশ্ন ২ ঃ** সমাজ কল্যাণৰ প্ৰকৃতিৰ বিষয়ে চমুকৈ লিখক।

**প্ৰশ্ন ৩ ঃ** সমাজ কল্যাণৰ পৰিসৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

# অধ্যায় ১৩ ঃ সমাজ কল্যাণ সংস্থাসমূহ

## অধ্যায় গাঁথনি


১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সমাজ কল্যাণ সংস্থাসমূহৰ শ্রেণীবিভাগ

- ১৩.৩.১ সমাজ কল্যাণৰ আন্তর্জাতিক সংস্থা
- ১৩.৩.২ সমাজ কল্যাণৰ দেশীয় সংস্থা

১৩.৪ সমাজ কল্যাণ প্রশাসনৰ বিকাশ আৰু সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ

- ১৩.৪.১ সমাজ কল্যাণ প্রশাসনৰ সংজ্ঞা
- ১৩.৪.২ সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ
- ১৩.৪.৩ সমাজ কল্যাণ বিভাগ
- ১৩.৪.৪ কেন্দ্রীয় সমাজ কল্যাণ বোর্ড
- ১৩.৪.৫ আন্তর্জাতিক শিশু কল্যাণ সংস্থাসমূহ

১৩.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্রগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্রশ্ন


## ১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দেশীয় আৰু আন্তর্জাতিক সংস্থাসমূহৰ সমাজ কল্যাণত ভূমিকা সম্পর্কে জানিব পাৰিব
- সমাজ কল্যাণ ব্যৱস্থা আৰু পদ্ধতিসমূহৰ বিষয়ে অৱগত হ'ব
- সমাজ কল্যাণ প্রশাসনৰ সংজ্ঞা জানিব পাৰিব
- সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ চিনাক্ত কৰিব পাৰিব।

## ১৩.২ পৰিচয়

মানৱতাবাদী, আধ্যাত্মিক আৰু ব্যক্তিত্ববাদী প্রমূল্যবোৰৰ দ্বাৰা প্রধানকৈ ভাৰতীয় সমাজ কল্যাণ ক্ষেত্রখন প্রভাৱিত হৈ আহিছে। বর্তমান যুগত সমাজ কল্যাণমূলক কার্য্যবোৰ চৌদিশে প্রসাৰিত হৈছে। বিভিন্ন ধৰণৰ সংস্থাই সমাজ কল্যাণ কার্য্যত জড়িত হৈ জনসাধাৰণৰ সহায়কাৰীৰ ভূমিকা লৈছে। দুর্ভিক্ষ, বানপানী, ভূমিকম্প আদি প্রাকৃতিক দুর্যোগৰ সময়ত জনসাধাৰণক সাহায্য প্রদান কৰাতো সমাজ কল্যাণ সংস্থাবোৰৰ কার্য্যসূচীৰ অন্তর্ভুক্ত। সমাজ কল্যাণ সংস্থাসমূহে

এইধৰণৰ সাহায্য বহু আগৰেপৰাই প্ৰদান কৰি আহিছে। বৰ্তমান সময়ত এনে বহুতো সংস্থা গঢ় লৈ উঠিছে যিবোৰে কেৱল সাহায্য প্ৰদানতে ব্যস্ত নাথাকি সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ কল্যাণ, সামাজিক তথা অৰ্থনৈতিক সুৰক্ষা আৰু সুস্বাস্থ্য আদিৰ কাৰণেও কাম কৰিবলৈ লৈছে। এইবোৰ প্ৰধানকৈ আন্তৰ্জাতিক সমাজ কল্যাণমূলক সংস্থা। আন্তৰ্জাতিক সমাজ কল্যাণমূলক সংস্থাসমূহৰ মতে বিশ্বত শান্তি আৰু স্থিৰতা বজাই ৰাখিবলৈ হ'লে উল্লিখিত দিশবোৰত কাম কৰাটো আৱশ্যক।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** খালী ঠাই পূৰণ কৰক—

ক) ....., ..... আৰু ..... প্ৰমূল্যবোৰৰ দ্বাৰা প্ৰধানকৈ ভাৰতীয় সমাজ কল্যাণ ক্ষেত্ৰখন প্ৰভাৱিত হৈ আহিছে।

খ) সমাজ কল্যাণমূলক সংস্থাসমূহে সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ কল্যাণ, ..... আৰু সুস্বাস্থ্য আদিৰ কাৰণেও কাম কৰিবলৈ লৈছে।

## ১৩.৩ সমাজ কল্যাণ সংস্থাসমূহৰ শ্ৰেণীবিভাগ

### ১৩.৩.১ সমাজ কল্যাণৰ আন্তৰ্জাতিক সংস্থা

সমাজ কল্যাণৰ আন্তৰ্জাতিক সংস্থাসমূহ এক সাম্প্ৰতিক পৰিঘটনা। এই সংস্থাবোৰক তলৰ শ্ৰেণীসমূহত ভাগ কৰিব পাৰি—

- বেচৰকাৰী আন্তৰ্জাতিক সংস্থা
- আন্তৰ্জাতিক লক্ষণযুক্ত চৰকাৰী সংস্থা
- স্বয়ংশাসিত (Autonomous) অনুষ্ঠানেৰে প্ৰতি দেশতে সক্ৰিয় হৈ থকা বেচৰকাৰী আন্তৰ্জাতিক সংস্থাসমূহ।
- ৰাষ্ট্ৰীয় সংস্থাসমূহ যিয়ে সমাজ সেৱামূলক কাৰ্য্য আন দেশলৈ সম্প্ৰসাৰিত কৰা।
- সমাজ সেৱামূলক কাৰ্য্য অন্য দেশলৈও সম্প্ৰসাৰিত কৰা বেচৰকাৰী সংস্থা। ভাৰতবৰ্ষতো বহুতো আন্তৰ্জাতিক সংস্থা আছে যিবোৰে সক্ৰিয় ভাৱে সমাজ কল্যাণমূলক সাহায্য আগবঢ়াই আহিছে। তেনে সংস্থা কেইটামানৰ উদাহৰণ হ'ল— Red Cross, YWCA, UNESCO, UNICEF, WHO, ILO, FAO, International Conference of Social Work, International Union for Child Welfare, The Ford Foundation আদি। এই সংস্থাসমূহৰ বেছিভাগেই ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰৰ জনসাধাৰণৰ কল্যাণৰ দিশত লক্ষণীয় ৰৰঙণি আগবঢ়াইছে।

## ১৩.৩.২সমাজ কল্যাণৰ দেশীয় সংস্থাসমূহ

সমাজ কল্যাণৰ দেশী অথবা ৰাষ্ট্ৰীয় সংস্থাসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি— চৰকাৰী আৰু বেচৰকাৰী সংস্থা।

- **সমাজ কল্যাণত বেচৰকাৰী** (Non-Governmental Organisation)**সমূহৰ ভূমিকা ঃ** ভাৰতবৰ্ষৰ সমাজ সেৱাৰ ক্ষেত্ৰখনত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কাৰ্য্য পৰিচালনা সমিতিৰ এখন প্ৰতিবেদনত কোৱা হৈছে, 'সমাজ সেৱাৰ ক্ষেত্ৰখন এতিয়াও বহুল পৰিমাণে স্বেচ্ছাসেৱী কৰ্মী আৰু স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ দ্বাৰা পৰিচালিত। তেওঁলোকে সমাজ কল্যাণ কাৰ্য্যসূচীবোৰৰ মূল চালিকা শক্তি।

ভাৰতত প্ৰথম অৱস্থাত ব্ৰাহ্মসমাজ, আৰ্য্য সমাজ, থিয়'ছফিকেল ছ'চাইটি, ৰামকৃষ্ণ মিশ্যন আৰু অন্যান্য কিছুমান আগশাৰীৰ অনুষ্ঠানে সমাজ কল্যাণমূলক কাম-কাজত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। অনাথ শিশু আৰু নিৰাশ্ৰয় লোকৰ যত্ন আৰু সংস্থাপনৰ বাবে বেচৰকাৰী অনুষ্ঠানসমূহে ভালেখিনি কাম হাতত লৈছিল। বহুতো বেচৰকাৰী অনুষ্ঠান স্থাপিত হৈছিল যিবোৰে বয়স্ক, পঙ্গু, মহিলা আৰু শিশুৰ বিশেষ প্ৰয়োজন আৰু আগ্ৰহ পূৰণৰ হকে কাম কৰিছিল। বালকাঞ্জিকৰি, গীল্ড অব ছাৰ্ভিচ, চিলড্ৰেন এইড ছ'চাইটি আৰু আই-চি-চি-ডব্লিউ আদি কিছুমান অনুষ্ঠানে শিশু কল্যাণত লক্ষণীয় অৰিহণা আগবঢ়াইছিল। বয়স্কসকলৰ কাৰণে Age India আৰু Help Age India নামৰ স্বেচ্ছাসেৱী সংস্থা দুটাই বিভিন্ন কল্যাণকামী কাৰ্য্যসূচী ৰূপায়ন কৰিছিল। বৰ্তমান সময়ত ৰাজ্যসমূহত ব্যক্তিগত পৰ্য্যায়ত বহুতো বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাৰ গঠন হৈ আছে আৰু এই সংস্থাবোৰে নিচাসক্ত, কেঞ্চাৰ ৰোগী, এইডছ্ আক্ৰান্ত, সুৰাসক্ত, মানসিক বিকাৰ গ্ৰস্ত আৰু অন্যান্য বিশেষ লক্ষ্য গোট (Target Group)ক সহায় কৰাৰ কামত নিয়োজিত হৈ আছে। এনে সংস্থাবোৰে নিজা ক্ষেত্ৰত উল্লেখনীয় ৰৰঙণি আগবঢ়াইছে। বেচৰকাৰী সংস্থাসমূহে পুনৰসংস্থাপনৰ দিশটোত চৰকাৰী সংস্থাবোৰতকৈ অধিক গুৰুত্ব প্ৰদান কৰি আহিছে।

১৯৫৩ চনত Central Social Welfare Advisory Board বেচৰকাৰী সংস্থাসমূহৰ লগত সমন্বয় সাধন আৰু পথ-নিৰ্দেশনাৰ বাবে কেন্দ্ৰীয় সমাজ কল্যাণ উপদেষ্টা বোৰ্ড গঠন কৰা হৈছিল। বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহক এই বোৰ্ডে কাৰিকৰী সাহায্য প্ৰদান কৰিছিল। ইয়াৰ ফলস্বৰূপে বহুসংখ্যক স্বেচ্ছাসেৱী সংস্থাৰ জন্ম হৈছিল। ১৯৬৬ চনত কেন্দ্ৰীয় ৰাজহুৱা সহযোগিতা ক্ষেত্ৰত গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (The Central Institute of Research and Training in Public Corporation) স্থাপিত হৈছিল আৰু ইয়াৰ লগে লগে দেশৰ স্বেচ্ছাসেৱী ক্ষেত্ৰখন তথা ইয়াৰ লগত জড়িত ব্যক্তিসকলৰ সমস্যাসমূহে গবেষণাৰ পথ মুকলি

কৰিছিল। এই ব্যৱস্থাই দেশত অভিলেখ সংখ্যক স্বেচ্ছাসেৱী সংস্থাৰ জন্ম দিছিল। স্বাধীনতাৰ পূৰ্বে এনে সংস্থাৰ পৰিমাণ আছিল ১২%। স্বাধীনোত্তৰ ভাৰতত এই পৰিমাণ ৪৪% পৰ্য্যন্ত বৃদ্ধি হৈছিল।

- **সমাজ কল্যাণত চৰকাৰৰ ভূমিকা ঃ** ভাৰতবৰ্ষ বৃটিছ শাসনৰ অন্তৰ্ভুক্ত হোৱাৰ আগতে সমাজ কল্যাণমূলক কার্য্যসমূহ, যেনে— অক্ষম, বয়স্ক, নিৰাশ্রয় আৰু শিশুসকলৰ যত্নৰ ভাৰ আৰু দায়িত্ব প্রধানকৈ যৌথ পৰিয়াল, স্ব-জাতি, ধর্মীয় অনুষ্ঠানসমূহে লৈছিল। সমাজ কল্যাণৰ ক্ষেত্রত চৰকাৰ বা শাসকে মাত্র সামান্য দায়িত্বহে প্রদর্শন কৰিছিল। বৃটিছ শাসনৰ আৰম্ভণিৰ লগে লগে ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাত এক যুগান্তকাৰী পৰিৱর্তনৰ সূচনা হৈছিল। চহৰ আৰু উদ্যোগ ব্যৱস্থাৰ প্রসাৰৰ লগে লগে সংগঠিত সামাজিক কল্যাণ পদ্ধতি সমাজৰ এক অপৰিহার্য্য প্রয়োজনীয়তা হৈ পৰে।

  সমাজ সংস্কাৰৰ ক্ষেত্রত চৰকাৰে বিশেষ হস্তক্ষেপ নকৰিছিল। ইয়াৰ পৰিৱর্তে সমাজ কল্যাণৰ ক্ষেত্রত চৰকাৰে দুর্বল দায়িত্বহে প্রদর্শন কৰিছিল। সমাজ কল্যাণৰ সৰহভাগ কাম স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে নিজা প্রচেষ্টাত সম্পন্ন কৰিছিল। এই স্বেচ্ছাসেৱী সংস্থাসমূহ অৱশ্যে এটা নির্দিষ্ট সম্প্রদায় (Community)ৰ ভিতৰতে গঠিত হৈছিল আৰু প্রত্যেকটো সংস্থাই নির্দিষ্ট জাতি বা ধর্মীয় গোটৰ সীমাৰ ভিতৰত আৱদ্ধ আছিল। অৱশ্যে চৰকাৰে অপৰাধ আৰু আন হিংসাত্মক কার্য্য দমনৰ কাৰণে নীতি তথা আইন প্রণয়ন কৰিছিল। লগতে উদ্যোগখণ্ডৰ কর্মীসকলৰ কল্যাণৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা লৈছিল। কাৰণ এই ক্ষেত্রত চৰকাৰ ইংলেণ্ডৰ বস্ত্র উদ্যোগ কর্মীৰ লগতে দেশীয় মানৱকল্যাণ কর্মী আৰু ট্রেড ইউনিয়নৰ নেতাসকলৰ হেঁচাৰ সন্মুখীন হৈছিল।

  ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত নৱগঠিত পাকিস্তানৰ পৰা বিতাড়িত ভাৰতীয়-সকলৰ সংস্থাপন লৈ চৰকাৰ গুৰুত্বৰ সমস্যাৰ সন্মুখীন হৈছিল। অভাৱনীয় সমস্যাৰে জর্জৰিত দেশখনৰ চৰকাৰে সাহায্য আৰু পুনৰ নির্মাণ, সংস্থাপন ব্যৱস্থাপনাৰ বাবে বিস্তৃত ব্যৱস্থা গ্রহণ কৰিবলগীয়া হৈছিল। চৰকাৰে প্রশাসনীয় ব্যৱস্থা আৰু স্বেচ্ছাসেৱী সংস্থা আৰু সমাজসেৱক সকলৰ সাহায্যত এই সঙ্কট মোচনৰ প্রচেষ্টা কৰিছিল। ১৯৫০ চনটোৱে সমাজ কল্যাণ ক্ষেত্রত ৰাষ্ট্রৰ ভূমিকাৰ এক গুৰুত্বপূর্ণ অধ্যায়ৰ পাতনি মেলে। ভাৰতবৰ্ষৰ সংবিধান আৰু পৰিকল্পনা কমিটিৰ এই কালছোৱাতে গঠন হয়। লগতে ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰ ঘোষণা কৰা হৈছিল। সংবিধান প্রদত্ত এই নীতিয়ে সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায়ৰ দ্বাৰা নাগৰিকৰ অধিকাৰ সুপ্রতিষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুচ্ছেদ-৩৮ মতে ৰাষ্ট্রই দেশত সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায়াৰ এক সামাজিক শৃংখলা সুনিশ্চিত কৰি নাগৰিকৰ কল্যাণ সাধন তথা পৃষ্ঠপোষকতাৰ চেষ্টা চলাব। আন কথাত, সংবিধানৰ বিভিন্ন অনুচ্ছেদত ৰাষ্ট্রৰ কিছুমান বিশেষ

কার্য্যসূচীৰ উল্লেখ আছে য'ত জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্য নিহিত আছে। ৰাষ্ট্ৰৰ বৃহৎ কার্য্য পৰিচালনা নীতিৰ মূল উদ্দেশ্য হ'ল নাগৰিকৰ কল্যাণ সাধন। সকলো নাগৰিককে জীৱিকাৰ উপায় প্ৰদান, বনুৱাসকলৰ শাৰীৰিক শক্তিৰ সুৰক্ষা আৰু স্বাস্থ্যৰক্ষা, নাগৰিকৰ শক্তি আৰু সক্ষমতা বৃদ্ধি, বয়স অনুসৰি বৃত্তিত নিয়োজিত হোৱাৰ সুবিধা, শিশু আৰু কিশোৰ সকলক উচ্ছংখলতাৰ পৰা ৰক্ষা কৰা আৰু সিহঁতৰ নৈতিকতাক সুৰক্ষা প্ৰদান কৰা, কাম কৰাৰ অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰা,শিক্ষাৰ অধিকাৰ কার্য্য ৰূপায়িত কৰা, নিবনুৱা, ৰোগী আৰু বয়স্কজনক চৰকাৰী সাহায্য প্ৰদান আদি কাম সকলো নাগৰিক কল্যাণৰ অন্তর্ভুক্ত। সেয়েহে সংবিধানৰ অনুচ্ছেদবোৰত উল্লেখ থকা নীতিসমূহ পালনৰ বাবে পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাত বিভিন্ন কল্যাণমূলক কার্য্যসূচী অন্তর্ভুক্ত কৰা হৈছিল। পঞ্চবার্ষিক পৰিকল্পনা কাল চলি থকাৰ সময়তে এই কার্য্যসূচীসমূহ ৰূপায়নৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। কল্যাণমূলক সেৱাৰ ক্ষেত্ৰখনক পৰৱর্তী সময়ত সমাজ কল্যাণ বিভাগ (Department of Social Welfare) গঠনৰ দ্বাৰা অধিক সু-শৃংখলিত আৰু সংগঠিত (Organise) কৰিব বিচৰা হৈছিল। সমাজ কল্যাণ বিভাগটো কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ স্বতন্ত্ৰ বিভাগ এটাৰ দ্বাৰা পৰিচালিত হয়। এই বিভাগটোৰ জন্ম, বিভাগীয় মন্ত্ৰালয় গঠন আৰু ইয়াৰ বিকাশৰ পথ এই সকলোবোৰে ভাৰতৰ সমাজ কল্যাণ প্ৰশাসনৰ ইতিহাস বর্ণনা কৰে।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ২ঃ** আন্তর্জাতিক সমাজ কল্যাণ প্ৰশাসনক কেইটা শ্ৰেণীত ভাগ কৰিব পাৰি?

.....

.....

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ঃ** কেইটামান আন্তর্জাতিক সমাজ কল্যাণৰ সংস্থাৰ নাম লিখক।

.....

.....

.....

.....

**প্রশ্ন নং ৪ ঃ** সমাজ কল্যাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা কেইটামান ভাৰতীয় স্বেচ্ছাসেৱী অনুষ্ঠানৰ নাম লিখক।

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** শিশু কল্যাণ আৰু বয়স্ক সকলৰ কল্যাণত নিয়োজিত কেইটামান অনুষ্ঠানৰ নাম লিখক।

.....

.....

.....

**প্রশ্ন নং ৬ ঃ** ১৯৫৩ বেচৰকাৰী সংস্থাসমূহৰ লগত সমন্বয় স্থাপন আৰু পথ নির্দেশনা প্রদানৰ বাবে ..... স্থাপিত হৈছিল।

**প্রশ্ন নং ৭ ঃ** সংবিধানৰ অনুচ্ছেদ নং ৩৮ ই কি সূচায়?

.....

.....

**প্রশ্ন নং ৮ ঃ** সমাজ কল্যাণ বিভাগে কেনেদৰে অধিক সংগঠিত ৰূপ লৈছিল?

.....

.....

## ১৩.৪ সমাজ কল্যাণ প্রশাসনৰ বিকাশ আৰু সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ

### ১৩.৪.১ সমাজ কল্যাণ প্রশাসনৰ সংজ্ঞা

বর্তমান সময়ত সমাজ কল্যাণ সংস্থাসমূহ ব্যক্তিগত দাতব্য (Charity) অনুষ্ঠান হৈ নাথাকি সংগঠিত আৰু পৰিকল্পিত কার্য্য প্রণালী হৈ উঠিছে। ৰাষ্ট্ৰৰ লগতে চৰকাৰবোৰেও সমাজৰ কল্যাণ সাধনত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। সমাজ কল্যাণৰ পৰিকল্পনা, সংগঠন আৰু ৰূপায়ন— এই সকলোখিনিকে একেলগে সমাজ কল্যাণ প্রশাসন নাম দিয়া হৈছে। জ'ন চি. কিড্‌নেই (John C Kidneigh) সমাজ কল্যাণৰ সংজ্ঞা দি কৈছে যে "সমাজ কল্যাণ প্রশাসন হ'ল সামাজিক নীতি বা আঁচনিক সেৱাৰৈ ৰূপান্তৰিত কৰা এক প্রক্রিয়া আৰু অভিজ্ঞতাৰ ব্যৱহাৰেৰে এনে আঁচনিসমূহৰ মূল্যায়ন তথা উন্নীতকৰণ কৰা হয়।"

সমাজ কল্যাণ প্রশাসন এক ধাৰাবাহিক পদ্ধতি আৰু ই বিভিন্ন পর্য্যায় অতিক্রম কৰে। পৰিকল্পনা হ'ল আৰম্ভণি প্রক্রিয়া য'ত কোনো আঁচনিৰ উদ্দেশ্যসমূহ স্পষ্টভাৱে প্রকাশ পায় আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই বহলভাৱে আঁচনিসমূহ তৈয়াৰ কৰা

হয়। পৰিকল্পনাসমূহক সংস্থাৰ সদস্যসকলে নিজে দায়িত্ব লৈ বাস্তৱায়িত কৰে। সেয়েহে সমাজ কল্যাণ সংস্থাবোৰত উপযুক্ত সদস্য অন্তর্ভুক্তিত গুৰুত্ব দিয়া হয়। উপযুক্ত প্রশিক্ষণ, কর্মৰ স্বীকৃতি আৰু সু-পৰিচালনাইহে নির্দিষ্ট লক্ষ্যত উপনীত হোৱাত সহায় কৰিব পাৰে। তদুপৰি সমাজ কল্যাণ মূলতঃ এক সহযোগিতামূলক কর্ম, য'ত কার্য্য ৰূপায়নৰ বিভিন্ন পর্য্যায়ত সদস্য সকলৰ মাজত সমন্বয় ৰক্ষা কৰাৰ প্রয়োজন। আঁচনি ৰূপায়নৰ আগতে আয়-ব্যয়ৰ হিচাপ নির্ধাৰণ কৰাটো প্রয়োজনীয় কাৰণ আঁচনিসমূহৰ অন্তর্গত উদ্দেশ্য পূৰণত মেৰুদণ্ডস্বৰূপ হ'ল বিত্তৰ যোগান।শেষত সমূহ কার্য্য প্রণালীৰ বিৱৰণ বা তথ্য খতিয়ানভুক্ত কৰাটো আৱশ্যক। এই তথ্যসমূহে আঁচনিখনৰ প্রতিক্রিয়া জনাত সহায় কৰে আৰু আঁচনিখনৰ সফলতাও ইয়াৰ দ্বাৰা নির্ধাৰণ কৰিব পৰা হয়। তেনেদৰে, আঁচনিখনৰ ব্যর্থতাৰ উমান আৰু প্রয়োজনীয়তা সংশোধনৰ এই তথ্যসমূহৰ পৰাই গম পোৱা যায়।

## ১৩.৪.২সমাজ কল্যাণ প্রশাসনৰ সংস্থাসমূহ

সমাজ কল্যাণ বিভাগ (Social Welfare Department) আৰু সমাজ কল্যাণ উপদেষ্টা বোর্ড (Social Welfare Advisory Board) স্থাপনৰ দ্বাৰা ৰাষ্ট্রই সমাজ কল্যাণৰ ক্ষেত্রখনত নিজৰ স্থিতি অধিক স্পষ্টকৈ প্রকাশ কৰিছে। ৰাষ্ট্রৰ সমাজ কল্যাণ প্রশাসন এই দুই সংস্থাৰ মাধ্যমেৰে পৰিচালিত হৈ আহিছে। এই সংস্থা দুটা সামাজিক ন্যায় আৰু সৱলীকৰণ (Social justic and Empowerment) মন্ত্রালয়ৰ অধীনত স্থাপিত হৈছে। সমাজ কল্যাণ বিভাগ প্রত্যক্ষভাৱে সমাজৰ বিভিন্ন অসুৰক্ষিত গোটক সাহায্য প্রদানৰ লগত জড়িত হৈ আহিছে। কিন্তু এই ক্ষেত্রত চৰকাৰী কাম-কাজবোৰেই পর্য্যাপ্ত নহয়। সেয়েহে, এই অভাৰ পূৰণৰ উদ্দেশ্যে বেচৰকাৰী সংস্থা (Non-Governmental Organisation) সমূহ গঢ় লৈ উঠিছে। এই সংস্থাবোৰ বিভিন্ন সমাজ সেৱামূলক কার্য্যত জড়িত। চৰকাৰী আৰু বেচৰকাৰী ক্ষেত্রৰ প্রশাসনিক প্রাধিকৰণ হ'ল সমাজ কল্যাণ বিভাগ (Social Welfare Department) আৰু সমাজ কল্যাণ উপদেষ্টা বোর্ড (Social Welfare Advisory Board)।

## ১৩.৪.৩সমাজ কল্যাণ বিভাগ

১৯৫০ত ভাৰতবর্ষৰ পৰিকল্পনা আয়োগ (Planning Commission)ৰ অধীনত পঞ্চবার্ষিক পৰিকল্পনা গ্রহণৰ কাম আৰু সমাজ কল্যাণৰ দ্বাৰা ৰাষ্ট্রৰ সম্পদসমূহৰ সফল প্রয়োগৰ প্রচেষ্টা আৰম্ভ হয়। সেই সময়ৰ পৰাই প্রতিটো পঞ্চবার্ষিক পৰিকল্পনা কালতেই সমাজ কল্যাণৰ নামত এক বাজেট প্রস্তুত কৰি প্রয়োজনীয় পুঁজি আবণ্টন কৰা হৈ আহিছিল। ১৯৬৪ত সমাজ কল্যাণ বিভাগ প্রতিষ্ঠা হয়। ইয়াৰ পাছত ৰাষ্ট্রৰ সকলো ৰাজ্যতে সমাজ কল্যাণ বিভাগৰ শাখা খোলা হয়। এই বিভাগে বিভিন্ন কল্যাণমূলক আঁচনি নির্ধাৰণ আৰু কার্য্যকৰীকৰণৰ ব্যৱস্থা গ্রহণ কৰে। সমাজ কল্যাণমূলক কার্য্যৰ প্রকৃতি অনুসৰি

প্রত্যেক ৰাজ্যত বিভিন্ন ধৰণৰ কার্য্যসূচী প্রস্তুত কৰা হয়। বিভিন্ন লক্ষ্য গোট (Target Group)ৰ আনুষ্ঠানিক সেৱাত এই বিভাগবোৰ প্রত্যক্ষভাৱে জড়িত।

## ১৩.৪.৪ কেন্দ্রীয় সমাজ কল্যাণ বোর্ড (Central Social Welfare Board-CSWB)

স্বাধীন ভাৰতৰ চৰকাৰে অনুভৱ কৰিছিল যে সমাজ কল্যাণৰ ক্ষেত্রখনত স্বেচ্ছাসেৱী সংস্থাসমূহৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। চৰকাৰে এই স্বেচ্ছাসেৱী সংস্থা-সমূহৰ শক্তিবর্ধনৰ প্রয়োজনীয়তাও অনুভৱ কৰিছিল আৰু তাৰবাবে সংস্থাবোৰক সাহায্য আগবঢ়োৱাৰ প্রয়াস কৰিছিল। তাৰ ফলস্বৰূপে ১২ আগষ্ট ১৯৫৩ ভাৰত চৰকাৰে CSWB স্থাপন কৰিছিল। স্বেচ্ছাসেৱী কল্যাণমূলক সংস্থাসমূহৰ অর্থ সাহায্য প্রদান আঁচনিবোৰক প্রশাসনিক দিশেৰে সহায় আগবঢ়াবলৈ এই বোর্ডখন গঠন কৰা হৈছিল। নাৰী, শিশু আৰু শাৰীৰিকভাৱে অক্ষম লোকৰ কল্যাণৰ কামত এই বোর্ডক নিয়োজিত কৰা হৈছিল। সিদ্ধান্ত গ্রহণ আৰু প্রশাসনিক স্বাধীনতাৰে CSWB এটা স্বয়ংশাসিত (Autonomous) অনুষ্ঠান। প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাতে ইয়াক গঠন কৰা হৈছিল। সমাজ কল্যাণ মূলক কার্য্যসমূহৰ সংশোধন আৰু বিকাশত সাহায্য দান CSWB ৰ মুখ্য কাম। CSWBয়ে দাখিল কৰা প্রতিবেদন মতে এই বোর্ডৰ প্রধান কামবোৰ হ'ল—

- সমাজ কল্যাণমূলক সংস্থাসমূহৰ প্রয়োজনীয়তা বুজিবলৈ জৰীপ কৰা।
- সাহায্যকাৰী সংস্থাসমূহৰ কার্য্যাৱলী আৰু প্রকল্পৰ মূল্যায়ন।
- কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ বিভিন্ন মন্ত্রালয়ৰ অধীনস্থ সমাজ কল্যাণমূলক কার্য্যসমূহৰ সমন্বয় ৰক্ষাকাৰীৰ ভূমিকা পালন।
- সমাজ কল্যাণৰ স্বেচ্ছাসেৱী সংস্থা স্থাপনত সাহায্য প্রদান। বিশেষকৈ এনে সংস্থা নথকা ঠাইসমূহত এই বোর্ডে নিজা উদ্যোগত সমাজ কল্যাণৰ স্বেচ্ছাসেৱী অনুষ্ঠান স্থাপন কৰে।
- প্রয়োজন সাপেক্ষে সংস্থাসমূহলৈ যথোপযুক্ত আর্থিক সাহায্য প্রদান। এই আর্থিক সাহায্যৰ ক্ষেত্রত বোর্ডে নির্দিষ্ট চর্ত কিছুমান ধার্য কৰি দিয়ে।

CSWB স্থাপনৰ এবছৰৰ পাছত ১৯৫৪ চনৰ আগষ্ট মাহত ৰাজ্যিক বোর্ডবোৰ স্থাপনৰ কাম আৰম্ভ হয়। ১৯৬৪ চনত সামাজিক সুৰক্ষা বিভাগ স্থাপিত হয় আৰু CSWBক এই বিভাগৰ অধীনলৈ অনা। এই বোর্ডৰ অধীনৰ আঁচনি আৰু কার্য্য কিছুমান হ'ল— স্বেচ্ছাসেৱী সংস্থাসমূহলৈ সাধাৰণ সাহায্য প্রদান, মহিলা আৰু শিশু কল্যাণমূলক কার্য্যসূচীৰ বিস্তাৰ, সম্প্রদায় বিকাশ কার্য্যসূচী, চহৰৰ বস্তি অঞ্চলৰ মহিলা আৰু শিশু কল্যাণমূলক কার্য্যসূচীৰ বিস্তাৰ, শিশুৰ মনোৰঞ্জনৰ বাবে আবাস গৃহ নির্মাণ, সীমান্ত অঞ্চলত কল্যাণমূলক আঁচনিৰ বিস্তাৰ, প্রাক্-বিদ্যালয় আঁচনি গ্রহণ, মহিলা মণ্ডল আঁচনি গ্রহণ, গ্রাম্য মহিলাৰ বাবে চৰকাৰী সাহায্যপ্রাপ্ত প্রশিক্ষণৰ ব্যৱস্থা, অতিৰিক্ত পুষ্টিৰ যোগান আদি।

## ১৩.৪.৫আন্তর্জাতিক শিশু কল্যাণ সংস্থাসমূহ

শিশু কল্যাণৰ লগত জড়িত প্ৰধান তিনিটা আন্তর্জাতিক সংস্থা হ'ল— বিশ্ব স্বাস্থ্য সংস্থা (WHO), ইউনিচেফ (UNICEF) আৰু আন্তর্জাতিক শিশু কল্যাণ সংস্থা। WHO আৰু UNICEF —এই সংস্থা দুটাই মাতৃ আৰু শিশু স্বাস্থ্যৰ লগতে সাধাৰণ খাদ্য যোগান কার্য্যসূচী ৰূপায়ণৰ যোগেদি লক্ষণীয় অৱদান আগবঢ়াইছে। এই সংস্থা দুটাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত সমন্বয় স্থাপন কৰি সাহায্য কার্য্যত ভাগ লয়। প্ৰথম পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাত (১৯৫২-৫৭) দুয়োটা সংস্থাই বিভিন্ন ৰাজ্যত মাতৃ আৰু সন্তানৰ স্বাস্থ্য আঁচনিত সহযোগ আগবঢ়াইছিল। চিকিৎসা সংক্ৰান্তীয় উপদেশ, চিকিৎসক-নার্চ সেৱা ব্যৱস্থা আদিৰ দৰে সুবিধা আগবঢ়াইছিল WHO সংস্থাটিয়ে। তেনেদৰে UNICEFৰ উদ্যোগত মাতৃ আৰু শিশু স্বাস্থ্য (Maternal and Child Health-MCH) কেন্দ্ৰ স্থাপনৰ বাবে সা-সঁজুলিৰ যোগান, স্বাস্থ্যকেন্দ্ৰ স্থাপন, ৰাজ্যিক MCH শাখাক সাহায্য প্ৰদান আদি কার্য্য কৰা হৈছিল। শিশু কল্যাণ কার্য্যসূচী প্ৰয়োজনীয় তথ্য বিষয়ক সংবাদৰ যোগান আৰু এই বিষয়ৰ লগত জড়িত সমস্যাসমূহৰ প্ৰতি মনোযোগ আকর্ষণৰ বাবে সম্মিলনৰ আয়োজন কৰা আদি আন্তর্জাতিক শিশু কল্যাণ সংস্থাবোৰৰ কার্য্যসূচীৰ অন্তর্গত কাম। মুঠতে, ভাৰতৰ শিশু কল্যাণ ক্ষেত্ৰখনত এই সংস্থাসমূহৰ অৱদান অনস্বীকার্য্য।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৯ ঃ** সমাজ কল্যাণ প্ৰশাসনৰ সংজ্ঞা দিয়ক।

.....

.....

**প্ৰশ্ন নং ১০ ঃ** সমাজ কল্যাণ প্ৰশাসন সম্বন্ধে জ'ন চি. কিড্‌নেই কি সংজ্ঞা আগবঢ়াইছিল?

.....

.....

.....

**প্ৰশ্ন নং ১১ ঃ** পৰিকল্পনা আয়োগে কি কাম কৰিবলৈ সিদ্ধান্ত লৈছিল?

.....

.....

.....

**প্ৰশ্ন নং ১২ ঃ** সমাজ কল্যাণ বিভাগ .....ত স্থাপিত হৈছিল।

**প্ৰশ্ন নং ১৩ ঃ** সমাজ কল্যাণ বিভাগৰ কার্য্য সম্বন্ধে লিখক।

.....

.....

**প্রশ্ন নং ১৪ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ড ভাৰত চৰকাৰৰ দ্বাৰা ..... গঠন কৰা হৈছিল।

**প্রশ্ন নং ১৫ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ডে কিহৰ সৈতে সম্বন্ধ স্থাপন কৰে।

.....

.....

.....

**প্রশ্ন নং ১৬ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ডৰ আঁচনি আৰু কার্য্যৱলী সম্বন্ধে আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

**প্রশ্ন নং ১৭ ঃ** শিশু কল্যাণৰ লগত জড়িত তিনিটা আন্তর্জাতিক সংস্থাৰ নাম লিখক।

.....

.....

**প্রশ্ন নং ১৮ ঃ** আন্তর্জাতিক শিশু কল্যাণ সংস্থাই শিশু কল্যাণ বিষয়ক ..... আৰু ইয়াৰ লগত জড়িত সমস্যা সমূহৰ প্রতি মনোযোগ আকর্ষণৰ বাবে ..... আয়োজন কৰে।



## ১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱতাবাদী, আধ্যাত্মিকতা আৰু ব্যক্তিত্ববাদী প্রমূল্যৰ দ্বাৰা প্রধানকৈ ভাৰতীয় সমাজ কল্যাণৰ ক্ষেত্রখন প্রভাৱিত হৈ আহিছে।
- ভাৰতত বহুতো আন্তর্জাতিক সংস্থা আছে যিবোৰে সক্রিয়ভাৱে সমাজ কল্যাণ কার্য্যসূচী ৰূপায়ণত সহায় কৰি আহিছে।
- ভাৰতবর্ষত সমাজ কল্যাণৰ ক্ষেত্রত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- ভাৰতত প্রথম অৱস্থাত কল্যাণমূলক কার্য্যসমূহত ব্রাহ্ম সমাজ, আর্য্য সমাজ, প্রার্থনা সমাজ আদি আগশাৰীৰ অনুষ্ঠানে গুৰুত্বপূর্ণ ভূমিকা লৈছিল।

- বেচৰকাৰী সংস্থাসমূহৰ কল্যাণমূলক কামৰ বহুলাংশই অনাথ আৰু নিৰাশ্রয় লোকৰ সৈতে যত্ন আৰু পুনৰ সংস্থাপনৰ সৈতে জড়িত।
- ১৯৬৬ত ৰাজহুৱা সহযোগিতা বিষয়ক গৱেষণা আৰু প্রশিক্ষণ প্রতিষ্ঠান (Central Institute of Research and Training in Public Corporation) গঠন কৰা হৈছিল। দেশৰ স্বেচ্ছাসেৱী ক্ষেত্রখন আৰু প্রশিক্ষিত ব্যক্তিসকলৰ সমস্যাসমূহ গৱেষণাৰ বাবে এই অনুষ্ঠানটি প্রতিষ্ঠা কৰা হৈছিল।
- ১৯৫৩ কেন্দ্রীয় সমাজ কল্যাণ উপদেষ্টা বোৰ্ড গঠন কৰা হৈছিল। বেচৰকাৰী সংস্থাসমূহৰ মাজত সমন্বয় স্থাপন আৰু পথ-প্রদর্শন ইয়াৰ মূল উদ্দেশ্য আছিল। এই বোৰ্ডে স্বেচ্ছাসেৱী সংস্থা আৰু বেচৰকাৰী সংস্থাসমূহত কাৰিকৰী প্রশিক্ষণ প্রদানৰ ব্যৱস্থা কৰিছিল।
- ভাৰতবর্ষ বৃটিছৰ অধীনলৈ অহাৰ আগতে সমাজ কল্যাণমূলক কার্য্য, যেনে— বিকলাঙ্গ, বয়স্ক, নিৰাশ্রয় আৰু শিশুৰ যত্নৰ ভাৰ যৌথ পৰিয়াল, স্ব-জাতি আৰু ধর্মীয় অনুষ্ঠানসমূহে পালন কৰিছিল।
- বৃটিছ চৰকাৰে এনে এক নীতি গ্রহণ কৰিছিল যিটোৰ অধীনত সমাজ সংস্কাৰৰ কার্য্যত ন্যূনতম বাধা প্রদান কৰা হৈছিল আৰু সমাজ কল্যাণৰ দায়িত্বৰ প্রতি বিশেষ গুৰুত্ব দিয়া নহৈছিল।
- ভাৰত স্বাধীন হোৱাৰ পাছত চৰকাৰ শৰণার্থীৰ সমস্যাত ভুগিছিল। ভাৰত বিভাজনৰ পাচত বিপুলসংখ্যক শৰণার্থীয়ে ভাৰতত প্রৱেশ কৰিছিল।
- শৰণার্থীৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে এক বৃহৎ উদ্যোগ ল'বলগীয়া হৈছিল।
- পঞ্চবার্ষিক পৰিকল্পনাৰ জন্মই ১৯৫০ বছৰটোৰ পৰা ভাৰতবর্ষৰ সমাজ কল্যাণৰ ক্ষেত্রখনত চৰকাৰৰ ভূমিকা বিশেষ তাৎপর্য্যপূর্ণ কৰি তুলিছিল।
- সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায় ব্যৱস্থাৰে সাহায্য প্রদানৰ উদ্দেশ্যে ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি (DPSP)ৰ জন্ম হৈছিল।
- সংবিধানৰ লক্ষ্য বা নীতিৰ লগত খাপ খুৱাই পঞ্চবার্ষিক পৰিকল্পনাত বহুকেইখন কল্যাণমূলক কার্য্যসূচী অন্তর্ভুক্ত কৰা হৈছিল।
- সমাজ কল্যাণ বিভাগৰ প্রতিষ্ঠাৰে সমাজ কল্যাণ ক্ষেত্রখনক অধিক সংগঠিত কৰিব বিচৰা হৈছিল। সমাজ কল্যাণ বিভাগ এক স্বতন্ত্র কেন্দ্রীয় মন্ত্রালয়ৰ অধীনত স্থাপন কৰা হৈছিল।
- পৰিকল্পনা, সংগঠিতকৰণ আৰু কার্য্যকৰীকৰণ— সমাজ কল্যাণৰ এই মূল তিনিটা কার্য্যকে সমাজ কল্যাণ প্রশাসন বুলি কোৱা হয়।
- সমাজ কল্যাণ বিভাগ আৰু সমাজ কল্যাণ উপদেষ্টা বোৰ্ড প্রতিষ্ঠাৰে ৰাষ্ট্রই সমাজ কল্যাণৰ দিশত নিজৰ স্থিতি প্রকাশ কৰিছিল।
- ১৯৫৩, ১২ আগষ্টত ভাৰত চৰকাৰে কেন্দ্রীয় সমাজ কল্যাণ বোৰ্ড (Central Social Welfare Board-CSWB) প্রতিষ্ঠা কৰে।
- নাৰী, শিশু আৰু শাৰীৰিকভাৱে অক্ষম লোকসকলক কল্যাণমূলক সাহায্য প্রদানৰ সৈতে CSWB জড়িত।

- সমাজ কল্যাণমূলক কার্য্যসমূহৰ সংশোধন আৰু বিকাশত CSWBয়ে বিশেষভাৱে সহায় আগবঢ়ায়।
- CSWB প্রতিষ্ঠাৰ এবছৰৰ পাছত, ১৯৫৪ চনৰ আগষ্ট মাহত ৰাজ্যিক বোৰ্ডসমূহ স্থাপন কৰা হয়।
- WHO আৰু UNICEFৰ এই সংস্থা দুটাই ভাৰতৰ মাতৃ আৰু শিশুৰ স্বাস্থ্য তথা খাদ্য যোগান আঁচনিবোৰৰ কার্য্যৰূপায়নত উল্লেখযোগ্য ৰৰঙণি আগবঢ়াইছে।
- আন্তর্জাতিক শিশু কল্যাণ সংস্থা নামৰ আন্তর্জাতিক সংস্থাটোৱে শিশু কল্যাণ কার্য্যসূচী-সমূহৰ তথ্য প্রচাৰিত কৰাৰ উপৰিও এই সমস্যাসমূহৰ প্রতি মনোযোগ আকর্ষণ কৰাৰ বাবে বিভিন্ন সন্মিলন অনুষ্ঠিত কৰে।



## ১৩.৬ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Dixon, Johnand Shikkim, Hyung (1985): *Social Welfare in Asia*. USA: Croom Helm Ltd.
2) Friedlander, W. A. (1959): *Introduction to Social Welfare*. New York: Prientice Hall.
3) Madan, G. R. (2002): *Indian Social Problems* (6th ed., Vol. I). New Delhi: Allied Publishers.
4) Sachdeva, D. R. (1998): *Social Welfare Administration in India*. Allahabad: Kitab Mahal.
5) Turner, J. C. and Turner, F. J. (1986): *Canadian Social Welfare*. Canada: Machmillan.
6) UN, Department of Social Welfare. Training for Social Work– An International Survey (1950).




## ১৩.৭ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ক) মানৱতাবাদী, আধ্যাত্মিকবাদী আৰু ব্যক্তিত্ববাদী প্রমূল্যবোৰৰ দ্বাৰা ভাৰতীয় সমাজ কল্যাণ ক্ষেত্রখন প্রধানকৈ প্রভাৱিত হৈ আহিছে।

খ) সমাজ কল্যাণমূলক সংস্থাসমূহে সমগ্র বিশ্বৰ জনসাধাৰণৰ কল্যাণ, সামাজিক তথা অর্থনৈতিক সুৰক্ষা আৰু সুস্বাস্থ্য আদিৰ কাৰণেও কাম কৰিবলৈ লৈছে।

**২নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণমূলক আন্তর্জাতিক সংস্থাসমূহক নিম্নোক্ত শ্রেণীত ভাগ কৰিব পাৰি।

- বেচৰকাৰী আন্তর্জাতিক সংস্থা।
- আন্তর্জাতিক লক্ষণযুক্ত চৰকাৰী সংস্থা।
- স্বয়ংশাসিত অনুষ্ঠানেৰে প্রতি দেশতে সক্রিয় হৈ থকা বেচৰকাৰী সংস্থা।
- নিজৰ কাম আন দেশলৈ সম্প্রসাৰিত কৰা ৰাষ্ট্রীয় সংস্থা।
- নিজৰ সমাজ সেৱামূলক কার্য্য অন্য দেশলৈও সম্প্রসাৰিত কৰা বেচৰকাৰী সংস্থা।

**৩নং প্রশ্নৰ উত্তৰ ঃ** আন্তর্জাতিক সমাজ কল্যাণ সংস্থা কেইটামান হ'ল— Red-Cross, YMCA, YWCA, UNESCO, UNICEF, WHO, ILO, FAO, International Conference of Social Work, International Union for Child Welfare, The Ford Foundation আদি।

**৪নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা লোৱা ভাৰতীয় স্বেচ্ছাসেৱী অনুষ্ঠান কেইটামান হ'ল ব্রাহ্ম সমাজ, আর্য্য সমাজ, প্রার্থনা সমাজ, থিয়'ছফিকেল ছ'চাইটি, ৰামকৃষ্ণ মিশ্যন আদি।

**৫নং প্রশ্নৰ উত্তৰ ঃ** বালকাঞ্জিকৰি গীল্ড অব্ চার্ভিচ আৰু ICCW সংস্থা। এই সংস্থা সমূহ শিশু কল্যাণ কার্য্যসূচীৰ সৈতে জড়িত হৈ আছে। Age-India আৰু Help Age India বয়স্ক সকলৰ কল্যাণমূলক কার্য্যসূচী ৰূপায়নৰ বাবে গঠিত স্বেচ্ছাসেৱী সংস্থা।

**৬নং প্রশ্নৰ উত্তৰ ঃ** ১৯৫৩ চনত বেচৰকাৰী সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন আৰু পথ নির্দেশনা প্রদানৰ বাবে কেন্দ্রীয় সমাজ কল্যাণ উপদেষ্টা বোর্ড স্থাপিত হৈছিল।

**৭নং প্রশ্নৰ উত্তৰ ঃ** সংবিধানৰ অনুচ্ছেদ নং ৩৮-এ নাগৰিকৰ সামাজিক কল্যাণৰ কাৰণে এক সামাজিক বিন্যাসৰ সুৰক্ষা প্রদানৰ কথা সূচায়।

**৮নং প্রশ্নৰ উত্তৰ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বিভাগ প্রতিষ্ঠা দ্বাৰা আৰু সমাজ কল্যাণৰ স্বতন্ত্র মন্ত্রালয় স্থাপনেৰে সমাজ কল্যাণ বিভাগে অধিক সংগঠিত ৰূপ লৈছিল।

**৯নং প্রশ্নৰ উত্তৰ ঃ** সমাজ কল্যাণৰ পৰিকল্পনা, সংগঠন আৰু ৰূপায়ণক একেলগে সমাজ কল্যাণ প্রশাসন বুলি কোৱা হয়।

**১০নং প্রশ্নৰ উত্তৰ ঃ**জ'ন চি. কিড্নেই সমাজ কল্যাণৰ সংজ্ঞা দি কৈছে যে, সমাজ কল্যাণ প্রশাসন হ'ল সামাজিক নীতি বা আঁচনিক সেৱালৈ ৰূপান্তৰিত কৰা এক প্রক্রিয়া আৰু অভিজ্ঞতাৰ ব্যৱহাৰেৰে আঁচনি সমূহৰ মূল্যায়ন তথা উন্নীতকৰণ কৰা হয়।

**১১নং প্রশ্নৰ উত্তৰ ঃ**পৰিকল্পনা আয়োগ মার্চ ১৯৫০ চনত গঠিত হোৱাৰ পাচত সমাজ কল্যাণৰ পৰিকল্পনা হাতত লৈছিল। ৰাষ্ট্রৰ সমাজ কল্যাণ কার্য্যসূচীসমূহত ৰাষ্ট্রৰ সম্পদ সমূহৰ সফল প্রয়োগ আছিল এই পৰিকল্পনাৰ উদ্দেশ্য।

**১২নং প্রশ্নৰ উত্তৰ ঃ**সমাজ কল্যাণ বিভাগ ১৯৬৪ত স্থাপিত হৈছিল।

**১৩নং প্রশ্নৰ উত্তৰ ঃ**সমাজ কল্যাণ বিভাগৰ কার্য্য হ'ল সমাজৰ পিছপৰা শ্রেণীৰ কাৰণে কল্যাণমূলক আঁচনি প্ৰস্তুত কৰা।

**১৪নং প্রশ্নৰ উত্তৰ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ড ভাৰত চৰকাৰৰ দ্বাৰা ১২ আগষ্ট, ১৯৫৩ চনত গঠন কৰা হৈছিল।

**১৫নং প্রশ্নৰ উত্তৰ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ডে সমাজৰ পিছপৰা শ্রেণীৰ মহিলা, শিশু আৰু শৰীৰিকভাৱে অক্ষম লোকসকলৰ লগত সম্বন্ধ স্থাপন কৰে। এই বোর্ডৰ বিশেষ কার্য্য হ'ল— সমাজ কল্যাণমূলক কাম-কাজৰ সংশোধন আৰু উন্নয়নত সহযোগিতা আগবঢ়োৱা।

**১৬নং প্রশ্নৰ উত্তৰ ঃ** কেন্দ্রীয় সমাজ কল্যাণ বোর্ডৰ আঁচনি আৰু কার্য্যাৱলী কিছুমান হ'ল- স্বেচ্ছাসেৱী সংস্থাসমূহলৈ সাধাৰণ সাহায্য পুঁজি যোগান, মহিলা আৰু শিশু কল্যাণমূলক কার্য্যসূচীৰ বিস্তাৰ, সম্প্রদায় বিকাশ কার্য্যসূচী, চহৰৰ বস্তি অঞ্চলৰ মহিলা আৰু শিশুৰ বাবে বিভিন্ন কল্যাণমূলক কার্য্যসূচীৰ বিস্তাৰ, শিশুৰ মনোৰঞ্জনৰ কাৰণে আবাস গৃহ নির্মাণ, সীমান্ত অঞ্চলত কল্যাণমূলক আঁচনিৰ বিস্তাৰ, প্রাক্-বিদ্যালয় আঁচনি, মহিলাকেন্দ্রিক কার্য্যসূচীৰ বিস্তাৰ, গ্রাম্য মহিলাসকলক চৰকাৰী সাহায্যত প্রশিক্ষণ প্রদানৰ ব্যৱস্থা, অতিৰিক্ত পুষ্টিৰ যোগান আদি।

**১৭নং প্রশ্নৰ উত্তৰ ঃ** শিশু কল্যাণৰ লগত জড়িত তিনিটা প্রধান আন্তর্জাতিক সংস্থা হ'ল -WHO, UNICEF আৰু International Union for Child Welfare.

**১৮নং প্রশ্নৰ উত্তৰ ঃ** আন্তর্জাতিক শিশু কল্যাণ সংস্থাই শিশু কল্যাণ বিষয়ক তথ্য প্রচাৰ কৰে আৰু ইয়াৰ লগত জড়িত সমস্যা সমূহৰ প্রতি মনোযোগ আকর্ষণৰ বাবে সন্মিলনৰ আয়োজন কৰে।



## ১৩.৮ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** সমাজ কল্যাণৰ ক্ষেত্রত বেচৰকাৰী সংস্থা সমূহৰ ভূমিকা আলোচনা কৰক।

**প্রশ্ন ২ ঃ** সমাজ কল্যাণৰ আৰম্ভণিত চৰকাৰী অনুষ্ঠানসমূহে লোৱা ভূমিকা আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** সমাজ কল্যাণ বিভাগ আৰু কেন্দ্রীয় সমাজ কল্যাণ বোর্ড (SWB)ৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

# অধ্যায় ১৪ ঃ সমাজ কল্যাণ আঁচনি

## অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ নাৰী আৰু শিশু কল্যাণ
১৪.৪ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ
১৪.৫ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ
১৪.৬ তথ্য জনাৰ অধিকাৰ আইন আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইন, ২০০৫ (NREGA)
১৪.৭ সাম্প্ৰতিক সমাজ কল্যাণমূলক উদ্যোগ
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্ৰগতিৰ খতিয়ান
১৪.১১ আৰ্হি প্ৰশ্ন

## ১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজ কল্যাণৰ লগত জড়িত অনুষ্ঠানসমূহ চিনাক্ত কৰিব পাৰিব
- সমাজ কল্যাণ অনুষ্ঠানসমূহৰ উদ্দেশ্য, উদ্যোগ আৰু কার্য্য পদ্ধতি সম্পর্কে জানিব পাৰিব
- এই কার্য্যসূচীসমূহৰ সামাজিক প্ৰভাৱ উপলব্ধি কৰিব পাৰিব
- সাম্প্ৰতিক সমাজ কল্যাণমূলক আঁচনি কিছুমান চিনাক্ত কৰিব পাৰিব।

## ১৪.২ পৰিচয়

সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ উন্নয়ন আৰু কল্যাণ সাধনৰ প্ৰয়োজনীয়তা অনুসৰি চৰকাৰৰ দ্বাৰা বিভিন্ন খণ্ডত বহুতো সমাজ কল্যাণমূলক আঁচনি কাম চলাই থকা হৈছে। আঞ্চলিক পর্য্যায়ত সমাজ কল্যাণমূলক কার্য্যসূচীসমূহ সংশ্লিষ্ট কর্তৃপক্ষৰ দ্বাৰা চলোৱা হয় যদিও বিত্তৰ অভাৱ, দক্ষতাৰ অভাৱ, ৰাজনৈতিক সদ্-ইচ্ছাৰ অভাৱ আৰু স্থানীয় জনসাধাৰণৰ উদাসীনতাত বেছিভাগ ক্ষেত্ৰতে ব্যৱহাৰিকভাৱে মাত্ৰ পৌৰনিগম (Municipal Corporation)সমূহেহে এনে কিছুমান কার্য্যসূচীৰ কাম আগবঢ়াই লৈ গৈ আছে। এই কার্য্যসূচীসমূহ সার্থক কৰিবলৈ হ'লে স্থানীয় গোটসমূহকো কার্য্যসূচী নির্ধাৰণ, প্ৰস্তুতকৰণ আৰু ৰূপায়ণৰ প্ৰতি উৎসাহী কৰি তুলিব লাগিব।

## ১৪.৩ নাৰী আৰু শিশু কল্যাণ

বিভিন্ন কল্যাণমূলক আঁচনি অৱলম্বন কৰাৰ পাছতো ভাৰতীয় নাৰীৰ স্থিতি বহু সময়ত এক সংমিশ্রিত ৰূপত নাইবা কিছু ক্ষেত্রত শোচনীয় পর্য্যায়তে আছে। সামাজিক, অর্থনৈতিক আদি সকলো ধৰণৰ আঁচনিতে মহিলাসকলৰ গঠনমূলক ভূমিকা অবিহনে কোনো কল্যাণমূলক আঁচনিয়েই সফল হ'ব নোৱাৰে।

কেন্দ্রীয় চৰকাৰ আৰু স্বায়ত্তশাসিত ৰাজ্যসমূহকে আদি কৰি ভাৰতবর্ষৰ আন ৰাজ্যয়ো নাৰীৰ আর্থিক আৰু সামাজিক স্থিতি সবল কৰিবলৈ বিভিন্ন আঁচনি গ্রহণ কৰিছে। ৰাজ্য চৰকাৰসমূহে চৰকাৰী আর্থিক পৃষ্ঠপোষকতাত এই কল্যাণমূলক আঁচনিসমূহ ৰূপায়ণৰ ব্যৱস্থা লৈছে। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰসমূহে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহক নাৰী নিবাস, শিশু তত্ত্বাৱধান কেন্দ্র (Creche) আৰু অন্য কিছুমান কল্যাণমূলক প্রতিষ্ঠান নির্মাণৰ কাৰণে সাহায্য প্রদান কৰিছে। কেন্দ্রীয় সমাজ কল্যাণ পৰিষদ, ৰাজ্যিক সমাজ কল্যাণ পৰামর্শ কমিটি, ভাৰতীয় নাৰী কল্যাণ পৰিষদ, ৰেড ক্রছ ছ'চাইটি আদি নাৰী কল্যাণ আঁচনিসমূহৰ লগত জড়িত। তদুপৰি কেন্দ্রীয় সমাজ কল্যাণ ব'র্ডে আর্থ-সামাজিক আঁচনি কিছুমানৰ জৰিয়তে প্রশিক্ষণ প্রদান, স্বেচ্ছাসেৱী সংস্থা কিছুমানৰ পর্য্যৱেক্ষণৰ ভিত্তিত অভাৱগ্রস্ত মহিলাৰ বাবে কর্মসংস্থানৰ যোগান আদিৰ ব্যৱস্থা কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহে নিচাসক্তি, যৌতুকজনিত হত্যা, বিবাহিতা মহিলাক জ্বলাই দিয়া আদি সামাজিক অশুভ কার্য্যবোৰ আঁতৰাবলৈ প্রচেষ্টা হাতত লৈছে। চৰকাৰে সময়ে সময়ে নাৰী স্বার্থজনিত আৰু নাৰী সুৰক্ষা বিষয়ক আইন কিছুমান প্রৱর্তন কৰি আহিছে। সেইবোৰৰ ভিতৰত মহিলা কর্মজীৱীসকলে ভোগ কৰা বৈষম্যৰ বিৰুদ্ধে সম-মজুৰি আইন (Equal Remuneration Act, 1976) খন অন্যতম। বিবাহ সংশোধনী আইন, ১৯৭৬ (Marriage Laws Amendment Act, 1976), যৌতুক নিবাৰণী আইন, ১৯৬১ (The Dowry Prehibition Act, 1961), বাল্য-বিবাহ প্রতিৰোধ আইন, ১৯৭৮ (Child Marriage Restrain Act, 1978), প্রসূতি কল্যাণ আইন আদি হ'ল মহিলাৰ কল্যাণৰ বাবে প্রণয়ন কৰা কেইখনমান আইন। এই বিধিগত ব্যৱস্থাবোৰে পক্ষপাতিত্ব, সামাজিক অসমানতা, অসম সামাজিক স্থিতি আদিৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণত সহায় কৰে। The Association of Social Healthৰ তত্ত্বাৱধানত দিল্লীত Family Life Institute নামৰ অনুষ্ঠানটি গঠন কৰা হৈছে।দম্পতি, পিতৃ-মাতৃ, অবিবাহিত ডেকা-গাভৰু, কিশোৰ-কিশোৰী, বিদ্যালয় এৰা শিশু আদিৰ কাৰণে এই অনুষ্ঠানটিয়ে পৰামর্শদান আৰু পৰিয়াল কল্যাণমূলক শিক্ষা প্রদানৰ ব্যৱস্থা কৰিছে।

- **ইন্দিৰা মহিলা যোজনা ঃ** নৱেম্বৰ ১৯, ১৯৮৯ চনত এই আঁচনিৰ শুভাৰম্ভ হয়। ইয়াৰ দ্বাৰা মহিলাৰ মাজত সমঅধিকাৰ আৰু সামঞ্জস্যতা বিষয়ক সজাগতা সৃষ্টিৰ প্রয়াস কৰা হয়। চৰকাৰীভাৱে পৃষ্ঠপোষকতা কৰা ৯০খন আঁচনি এই ইন্দিৰা মহিলা যোজনাত অন্তর্ভুক্ত কৰা হৈছিল। কর্মজীৱী মহিলাৰ বেতন আৰু সংস্থাপনৰ বাবে নাৰী কল্যাণ আঁচনিৰ অধীনত টকা ব্যয় কৰা হৈছিল। স্বেচ্ছাসেৱী মহিলা কর্মী (সাথিয়াঁ)সকলে এই

আঁচনিৰ বিষয়ে নাৰীসমাজক জনাইছিল। প্ৰত্যেক গাঁৱতে পঞ্চায়তৰ অধীনত আৰু চহৰসমূহত পৌৰসভাৰ অধীনত নাৰী আৰু শিশু কল্যাণ কেন্দ্ৰ স্থাপনৰ আঁচনিও গ্ৰহণ কৰা হৈছিল।

- **মহিলা বিকাশ নিগম** (Womem Development Corporation)ঃ ১৯৮৬-৮৭ বৰ্ষত ভাৰতৰ সকলো ৰাজ্য আৰু স্বায়ত্ত শাসিত প্ৰদেশত মহিলা বিকাশ নিগম গঠন কৰা হয়। মহিলাসকলক নিয়োজন সুবিধাৰ জৰিয়তে আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাই এই আঁচনিৰ উদ্দেশ্য। সমাজৰ দুৰ্বল শ্ৰেণীৰ মহিলাসকলৰ বাবে এই আঁচনিৰ অধীনত পৰিকল্পনা যুগুত কৰা হয়।নিয়োজনৰ পথ চিনাক্তকৰণ,উদ্যোগ স্থাপনত আৰ্থিক আৰু অন্য সাহায্য প্ৰদান, উদ্যোগৰ বাবে কেঁচামালৰ যোগান, প্ৰশিক্ষণৰ সুবিধা, উৎপাদিত সামগ্ৰীৰ বজাৰৰ বাবে প্ৰয়োজনীয় মৌলিক সা-সুবিধা (Infra-Structure) গঢ়ি তোলা আদি হ'ল এই আঁচনিৰ অধীনৰ কাৰ্য্যাৱলী। মহিলা বিকাশ নিগম বৰ্তমানলৈকে ভাৰতৰ বাৰখন ৰাজ্যত স্থাপন কৰা হৈছে।
- **গ্ৰামাঞ্চলৰ মহিলা আৰু শিশু উন্নয়ন আঁচনি** (Development of Woman and Children in Rural Areas (DWCRA) ঃ ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত মহিলা আৰু শিশুৰ মঙ্গলৰ কাৰণে এই আঁচনি হাতত লোৱা হৈছে। এই আঁচনিখন ঘাইকৈ দাৰিদ্ৰ্য ৰেখাৰ তলৰ গ্ৰাম্য পৰিয়ালৰ বাবে তৈয়াৰ কৰা হৈছিল। ভাৰত চৰকাৰৰ শিশু উন্নয়ন আঁচনিৰ অন্তৰ্গত আঙ্গনবাড়ি প্ৰশিক্ষণ কেন্দ্ৰও এই আঁচনিৰ অধীনত পৰিচালিত হয়।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১** ঃ খালী ঠাই পূৰণ কৰক—

ক) সমাজ কল্যাণমূলক আঁচনিসমূহ বিভিন্ন শ্ৰেণীৰ লোকৰ .....আৰু .....ৰ বাবে চৰকাৰৰ দ্বাৰা চলোৱা হয়।

খ) ইন্দিৰা মহিলা যোজনাৰ শুভাৰম্ভ হৈছিল .....ত। এই আঁচনিৰ দ্বাৰা মহিলাসকলৰ মাজত অধিকাৰ আৰু সামঞ্জস্যতাৰ সজাগতা সৃষ্টি কৰিব বিচৰা হৈছিল।

গ) স্বেচ্ছাসেৱী মহিলা কৰ্মী, যিসকলক ..... বোলা হৈছিল তেওঁলোকে মহিলাসকলক ইন্দিৰা মহিলা যোজনাৰ অন্তৰ্গত আঁচনিসমূহৰ বিষয়ে জ্ঞান দিছিল।

ঘ) মহিলা বিকাশ নিগমৰ উদ্দেশ্য আছিল মহিলাসকলক ..... যোগান ধৰা আৰু তাৰ দ্বাৰা তেওঁলোকক ..... ৰূপে গঢ়ি তোলা।

ঙ) গ্ৰামাঞ্চলৰ মহিলা আৰু শিশু বিকাশ আঁচনি (DWCRA) অধীনত চৰকাৰৰ শিশু উন্নয়ন আঁচনিৰ অন্তৰ্গত .....খনো পৰিচালিত হয়।

## ১৪.৪ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (Health and Family Welfare)

স্বাধীনতাৰ পাছৰে পৰাই ভাৰতীয় লোকৰ স্বাস্থ্যৰ মান উল্লেখনীয়ভালে উন্নত হৈছে। মৃত্যুৰ হাৰ নিম্নমুখী হোৱাৰ লগতে গড় আয়ুসৰ হাৰ (Life Expectancy) বৃদ্ধি পাইছে। প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, চিকিৎসালয় আৰু অন্যান্য চিকিৎসা অনুষ্ঠানসমূহত চিকিৎসা সেৱাৰ বিশেষ উন্নতি সম্ভৱপৰ হৈছে। দেশীয়ভাৱে ঔষধ, ফাৰ্মাচী, প্ৰতিষেধক, চিকিৎসা সা-সঁজুলি আদি প্ৰস্তুত কৰা হয়। বিভিন্ন ৰোগ আৰু ৰোগৰ বীজাণুৰ সম্প্ৰসাৰণ প্ৰতিৰোধ কৰিব পৰা গৈছে। অৱশ্যে কিছুমান সমস্যাৰ সমাধান এতিয়াও সম্ভৱপৰ হৈ উঠা নাই। জনসংখ্যাৰ উচ্চহাৰে জীৱন-ধাৰণৰ মান আৰু স্বাস্থ্যৰ ওপৰত বেয়া প্ৰভাৱ পেলাইছে। গ্ৰাম্য অঞ্চলত বিশুদ্ধ খোৱাপানীৰ অভাৱ, প্ৰাথমিক অনাময় (Sanitation) সুবিধাৰ অভাৱ আদিয়ে ডায়েৰীয়া আৰু অন্য সংক্ৰামক, বীজাণুজনিত ৰোগৰ সৃষ্টি কৰিছে। সেয়েহে, স্বাস্থ্যসেৱা শিতানৰ পুনৰ্গঠনৰ বাবে প্ৰাথমিক স্তৰৰ পৰা স্বাস্থ্যকৰ্মীসকলক প্ৰশিক্ষণ আৰু যথাযথ শিক্ষাদানৰ আৱশ্যক।

- **পৰিয়াল কল্যাণ** (Family Welfare) ঃ পৰিয়াল কল্যাণ এক স্বেচ্ছাসেৱী কাৰ্য্যসূচী। পৰিয়ালৰ সামূহিক উন্নতি, শিশুৰ স্বাস্থ্য, মাতৃ আৰু বয়স্কসকলৰ পৰিপুষ্টি, ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি, জীৱন-ধাৰণৰ পৰিৱেশ উন্নতকৰণ, পৰিয়ালৰ আনুষঙ্গিক সমস্যাসমূহ আৰু পৰিয়াল পৰিকল্পনা আদিবোৰ হ'ল পৰিয়াল কল্যাণ আঁচনিৰ অধীন। উন্নয়নমূলক পৰিকল্পনাৰ মূল কাৰ্য্যসূচীৰ লগত এই কাৰ্য্যসূচীসমূহকো অন্তৰ্ভুক্ত কৰা উচিত। ১৯৫২ চনৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত পৰিয়াল পৰিকল্পনাৰ আঁচনিখন অন্তৰ্ভুক্ত কৰা হৈছিল। চিকিৎসাসেৱা আৰু বিভিন্ন সমস্যাৰ পৰামশদানৰ বাবে কেন্দ্ৰ স্থাপন কৰা হৈছিল। ১৯৬৬ চনত পৰিয়াল পৰিকল্পনা বিভাগ আৰম্ভ কৰা হৈছিল আৰু পৰিয়াল পৰিকল্পনাৰ কাৰ্য্যসূচীৰ পুনৰ্গঠন তথা ইয়াক লক্ষ্য পূৰণৰ উপযোগী কৰি তুলিবলৈ উদ্যোগ লোৱা হৈছিল। গণ-শিক্ষা, মানসিকতাৰ পৰিৱৰ্তন, সেৱা আৰু যোগান, কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰীক্ষামূলক অধ্যয়ন, শিক্ষা আদিত পৰিয়াল পৰিকল্পনাৰ অনুকূলকৈ আৱশ্যকীয় পৰিৱৰ্তন সাধন কৰি আঁচনিখনৰ সফলতাৰ হকে প্ৰস্তুত কৰি লোৱা হৈছিল। চিনেমা, ৰেডিঅ', টেলিভিছন, শ্ৰব্য অনুষ্ঠান, সংবাদ মাধ্যম আদিৰ মাধ্যমেৰে বিষয়টো সন্দৰ্ভত জনসাধাৰণক শিক্ষিত কৰি তোলাৰ প্ৰয়াস কৰা হৈছিল।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ২ঃ** ১৯৬৬.....ৰ শুভাৰম্ভ হৈছিল আৰু পৰিয়াল পৰিকল্পনা আঁচনিৰ পুনৰ্গঠন কৰি ইয়াক লক্ষ্য অভিমুখী কৰি তোলা হৈছিল।

**প্ৰশ্ন নং ৩ঃ** পৰিয়াল কল্যাণ আঁচনিৰ কিহৰ লগত সম্বন্ধ আছে ?

.....

.....

.....

.....

## ১৪.৫ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ

সমাজ কল্যাণ আঁচনিবোৰে অনুসূচিত জাতিসমূহৰ উন্নতিৰ উদ্দেশ্যৰে কর্ম-আঁচনি প্ৰস্তুত কৰে। সংবিধানৰ ৩৪১নং ধাৰা অনুসৰি নির্দিষ্ট পিছপৰা সম্প্ৰদায় (Community)এ সন্মুখীন হোৱা অস্পৃশ্যতাৰ প্ৰথাটো নিষিদ্ধ কৰা হৈছে। বর্তমান দেশত যিকোনো ৰূপতেই অস্পৃশ্যতাৰ অনুশীলন নিষিদ্ধ।

- **বিধানমণ্ডল আৰু চাকৰিত প্ৰতিনিধিত্বমূলক ব্যৱস্থা ঃ** অনুসূচিত জাতি (SC) আৰু জনজাতি (ST)ৰ মুঠ জনসংখ্যাৰ অনুপাত অনুযায়ী লোকসভা আৰু ৰাজ্যিক বিধান-সভাত প্ৰতিনিধিত্বমূলক আসন সংৰক্ষণৰ ব্যৱস্থা আছে। গাঁও পঞ্চায়ত আৰু আঞ্চলিক কার্য্য পৰিষদতো এই জাতি আৰু জনজাতিৰ উপযুক্ত প্ৰতিনিধিত্বৰ সুবিধাৰে আসন সংৰক্ষণ কৰা হৈছে। চাকৰিৰ ক্ষেত্ৰতো তেওঁলোকৰ অংশগ্ৰহণৰ সুবিধাৰ বাবে চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। তেওঁলোকৰ ক্ষেত্ৰত বয়সৰ উচ্চ সীমা হ্ৰাস, শিক্ষাৰ অর্হতাৰ শিথিলতা আদি ৰেহাইমূলক ব্যৱস্থাও ৰখা হৈছে।

  তলত কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় অনুদানপ্ৰাপ্ত আঁচনিসমূহ কেইখনমানৰ বিষয়ে উল্লেখ কৰা হ'ল—

  - হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ অনুসূচিত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানি।
  - নিম্ন আয় পর্য্যায়ৰ জীৱিকাৰ (Occupation)ৰ লগত জড়িত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰাক্-হাইস্কুল শিক্ষান্ত পৰীক্ষা জলপানি।
  - অনুসূচিত জাতি আৰু জনজাতিৰ চিকিৎসা আৰু আভিযান্ত্ৰিক শাখাৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ কাৰণে গ্ৰন্থ বেঙ্কৰ ব্যৱস্থা।
  - চৰকাৰী বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কৰি থকা ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় বৃত্তি।
  - বিদেশত শিক্ষাগ্ৰহণৰ বাবে ৰাষ্ট্ৰীয় জলপানি।
  - অনুসূচিত জাতি দ্বাৰা গঠিত স্বেচ্ছাসেৱী অনুষ্ঠানলৈ সাহায্য।
  - অনুসূচিত জাতিৰ উন্নয়ন পৰিষদ গঠন।
- **ৰাজ্যিক কল্যাণমূলক অনুষ্ঠান ঃ** ৰাজ্য আৰু স্বায়ত্ত শাসিত অঞ্চলবোৰৰ বাসিন্দা অনুসূচিত জাতি তথা পিছপৰা শ্ৰেণীৰ বাবে গঠিত জনকল্যাণ বিভাগসমূহে বিভিন্ন কার্য্যসূচী গ্ৰহণ কৰে। এই জনকল্যাণ আঁচনিসমূহৰ ভিতৰত শিক্ষা আৰু প্ৰশিক্ষণ কার্য্যসূচী, অর্থনৈতিক উন্নয়ন, জনস্বাস্থ্য আৰু নিবাস নির্মাণ আদি থাকে।

- **অনুসূচিত জনজাতিৰ উন্নয়ন আৰু কল্যাণৰ প্ৰয়াস ঃ** সংবিধানে অনুসূচীত জনজাতিৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে কিছুমান নীতি অন্তৰ্ভুক্ত কৰিছে। ভাৰত চৰকাৰে এই লোকসকলৰ উন্নয়নৰ বাবে পুঁজিৰ ব্যৱস্থা কৰিছে আৰু ৰাজ্য চৰকাৰসমূহৰ লগত আলোচনাৰ অন্তত বিভিন্ন আঁচনি আৰু উন্নয়নমূলক কার্য্যসূচীৰো আৰম্ভ কৰিছে। তেনে সুবিধা আৰু কার্য্যসূচীকেইটামান হ'ল—
  - সাংবিধানিক সুৰক্ষা
  - কল্যাণমূলক কার্য্যসূচীসমূহৰ ৰূপায়ণৰ বাবে আয়ুক্ত (Commissioner) নিযুক্তি।
  - ৰাজ্যত সমাজ কল্যাণ বিভাগৰ সৃষ্টি আৰু এই বিভাগৰ মন্ত্রীৰ হাতত কল্যাণমূলক দায়িত্ব ন্যস্ত।
  - পিছপৰা শ্রেণীৰ (OBC) উন্নয়নৰ বাবে আয়োগ গঠন।
  - ৰাজ্যিক বিধানসভা আৰু স্বায়ত্ত শাসিত অঞ্চলৰ বিধানমণ্ডলত আসন সংৰক্ষণ।
  - চৰকাৰত পদ সংৰক্ষণ
  - জনজাতি সংঘ নাইবা আয়োগ গঠন।
- **জনজাতি উপ-পৰিকল্পনা (Tribal Sub-Plan –TSP) ঃ** পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ৰ পৰাই জনজাতি উপ-পৰিকল্পনাসমূহ জনজাতীয় অঞ্চলৰ লোকৰ কল্যাণ সাধনৰ উদ্দেশ্যেৰে হাতত লোৱা হৈছিল। এই আঁচনিৰ মূল উদ্দেশ্য হ'ল জনজাতীয় স্বার্থৰ সুৰক্ষা আৰু উন্নয়ন। নীতিগত প্রশাসনীয় সমর্থন আৰু উন্নয়নমূলক আঁচনিসমূহৰ ৰূপায়ণৰ দ্বাৰা জনজাতীয় লোকসকলৰ জীৱন-ধাৰণৰ মান উন্নত কৰাই এই আঁচনিৰ লক্ষ্য।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** লোকসভা আৰু ৰাজ্য বিধানসভাত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে তেওঁলোকৰ ..... অনুসৰি আসন সংৰক্ষণ কৰা হয়।

**প্রশ্ন নং ৫ ঃ** অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে গ্রহণ কৰা কিছুমান কেন্দ্রীয় অনুমোদিত (Sponsored) আঁচনিৰ নাম লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

**প্রশ্ন নং ৬ ঃ** জনজাতি উপ-পৰিকল্পনা (Tribal Sub-Plan) কি?

.....

.....

.....

.....

## ১৪.৬ তথ্য জনাৰ অধিকাৰ আইন (RTI– Right to information Act) আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইন, ২০০৫ (National Rural Employment Guarantee Act, (NREGA) 2005)

তথ্য জনাৰ অধিকাৰ আইন (RTI Act) হ'ল এক সংক্ষিপ্ত আইনী ব্যৱস্থা। এই ব্যৱস্থাই সাধাৰণ নাগৰিক আৰু সামূহিক গোটসমূহক অধিকাৰৰ দাবী জনাবলৈ আৰু উন্নততৰ অনুসন্ধানৰ ক্ষমতা প্ৰদান কৰে। সমগ্ৰ ভাৰতবৰ্ষতে মানুহে RTI ব্যৱহাৰ কৰি সম-মজুৰিৰ বিভিন্ন আঁচনি আৰু পৰিকল্পনাত চৰকাৰৰ ব্যয় সংক্ৰান্তীয় স্বচ্ছতা আদিৰ দাবী জনাব পাৰে।

RTIক সেয়েহে প্ৰকৃততে এক মৌলিক অধিকাৰ বুলি গণ্য কৰিব পাৰি। অন্য মৌলিক অধিকাৰসমূহৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ হ'লে RTIৰ বিষয়ে জনা আৱশ্যক। মজদুৰ কিষাণ শক্তি সংগঠন (MKSS) আৰু 'পৰিৱৰ্তন' আদি শ্ৰমিক গোটসমূহে তেওঁলোকৰ সংঘৰ প্ৰচাৰ অভিযানত RTI ক অন্তৰ্ভুক্ত কৰিছে। খাদ্য আৰু পানীৰ অধিকাৰ, কৰ্মৰ অধিকাৰ আদি তেওঁলোকৰ দাবীৰ উদাহৰণ।

- **ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইন, ২০০৫ (National Rural Employment Guarantee Act, (NREGA) 2005) ঃ** আগষ্ট, ২০০৫ত সংসদত এনৰেগা (NREGA) গৃহীত হয়। এনৰেগা আঁচনিৰ মূল উদ্দেশ্য হ'ল ভাৰতৰ প্ৰাপ্তবয়স্ক গ্ৰাম্য যুৱক-যুৱতীসকল, যিটো অংশই শাৰীৰিক নাইবা হাতেৰে কৰা (Manual) শ্ৰমৰ সহায়ত উপাৰ্জন কৰাৰ চেষ্টা কৰে, তেওঁলোকৰ কাৰণে নিশ্চিত বিনিয়োগৰ ব্যৱস্থা কৰা। এনৰেগা আঁচনিয়ে প্ৰতিফলিত কৰা মতবাদটো হ'ল, "...নিশ্চিত নিযুক্তি এনেকুৱা এক মাধ্যম অথবা আহিলা যিটোৰ উদ্দেশ্য হ'ল দৰিদ্ৰতা, দুৰ্ভিক্ষ আৰু বানপানী নিবাৰণৰ উদ্দেশ্যে সামাজিক সম্পদৰ সৃষ্টি কৰা।" (Kulkarni 2005)। অৰ্থাৎ, আঁচনিখনৰ মূল উদ্দেশ্য হ'ল শাৰীৰিক শ্ৰম কৰিবলৈ ইচ্ছুক ব্যক্তিৰ বাবে উন্নয়ন আৰু ৰাজহুৱা শ্ৰম বিনিয়োজন আঁচনি, যেনে— জলসিঞ্চন, খৰাং প্ৰতিৰোধ, বনানিকৰণ, কৃষিভূমিৰ উন্নীতকৰণ আদিত নিয়োজনৰ ব্যৱস্থা কৰা।

## ১৪.৭ সাম্প্রতিক সমাজ কল্যাণমূলক উদ্যোগ

কেন্দ্রীয় চৰকাৰে প্রধানমন্ত্রী নৰেন্দ্র মোডীৰ নেতৃত্বত সমগ্র ৰাষ্ট্রতে অতি খৰতকীয়া ব্যৱস্থাৰে বহুতো সমাজ কল্যাণমূলক জনপ্রিয় আঁচনিৰ জন্ম দিছে। ইয়াৰে কিছুমান হ'ল—

- **ডিজিটেল ইণ্ডিয়া ঃ** ডিজিটেল ইণ্ডিয়া কার্য্যসূচীৰ আগষ্ট ২০১৪ত শুভাৰম্ভ কৰা হয় আৰু এই আঁচনিৰ দ্বাৰা ডিজিটেল তথা বৈদ্যুতিক মাধ্যমেৰে ভাৰতৰ প্রযুক্তি খণ্ডলৈ বৈপ্লৱিক পৰিৱর্তন অনা হয়। ভাৰতৰ প্রযুক্তি আৰু অর্থনীতিলৈ ই আশাৰ বতৰা কঢ়িয়াই আনে। এই আঁচনিৰ অন্তর্গত প্রচাৰ অভিযান অনুসৰি চৰকাৰৰ সকলো বিভাগ আৰু চৰকাৰী বিষয়াক পৰস্পৰৰ লগত ডিজিটেল মাধ্যমেৰে সংলগ্ন কৰা হ'ব আৰু নির্দিষ্ট সংখ্যক নাগৰিককো এই আঁচনিৰ অধীনলৈ অনা হ'ব। এই ব্যৱস্থাৰ দ্বাৰা চৰকাৰী প্রশাসনীয় যন্ত্রৰ মসৃণ কার্য্যক্ষমতা সুনিশ্চিত কৰা আৰু দুর্নীতি নিবাৰণৰ উদ্দেশ্য নিহিত আছে। এই ব্যৱস্থাৰ দ্বাৰা দেশত সফল শাসন ব্যৱস্থা আশা কৰা হৈছে।
- **প্রধানমন্ত্রী জন-ধন যোজনা ঃ** এই আঁচনিৰ অধীনত প্রত্যেক ভাৰতীয়ই একোটা বেঙ্ক লাভ কৰিব। এই জন অভিযানত ১৫০ কোটিতকৈও অধিক জমা শাখা খোলা হয় আৰু প্রায় প্রতিটো ৰাজহুৱা খণ্ডৰ বেঙ্কে এই যোজনাত ভাগ লয়। ই দেশত প্রথমবাৰৰ বাবে গ্রহণ কৰা অর্থনৈতিক অন্তর্ভুক্তি কার্য্যসূচী আৰু এই আঁচনিয়ে বর্তমান সময়লৈ কৃতকার্য্যতা লাভ কৰিছে। বেঙ্ক শাখাৰ গৰাকীয়ে ইয়াত ১৫০০ টকাতকৈ বেছি টকা জমা ৰাখিব পাৰে।
- **স্বচ্ছ ভাৰত ঃ** স্বচ্ছ ভাৰত অভিযানৰ ২০১৪ চনত প্রথমবাৰৰ বাবে পাতনি মেলা হয় আৰু সৰু-বৰ সকলো শ্রেণীৰ লোকেই এই অভিযানত অংশ লয়। ভাৰতবর্ষৰ প্রধানমন্ত্রী নৰেন্দ্র মোডী, দেশৰ মন্ত্রীসকল, বোলছবিৰ লগত যুক্ত লোকসকল আৰু জনসাধাৰণ এই অভিযানৰ লগত জড়িত হৈ আহিছে।
- **মেক ইন ইণ্ডিয়া ঃ** দেশৰ উৎপাদন ক্ষেত্রত স্ব-নির্ভৰশীলতা সৃষ্টিৰ বাবে প্রধানমন্ত্রী মোডীয়ে মেক ইন ইণ্ডিয়া শ্লোগানৰ জৰিয়তে এই আঁচনিৰ শুভাৰম্ভ কৰে। এই অভিযানৰ দৃষ্টি আছিল বিদেশী বিনিয়োগকাৰীসকলক ঘৰুৱা খণ্ডৰ উদ্যোগত বিনিয়োগ কৰিবলৈ উৎসাহিত কৰা। ইয়াৰ দ্বাৰা বিশ্ব মঞ্চত ভাৰতক উৎপাদনৰ কেন্দ্রবিন্দু হিচাপে প্রতিষ্ঠা কৰিব বিচৰা হৈছে। মেক ইন্ ইণ্ডিয়াৰ এক উদ্দেশ্য হ'ল ভাৰতীয় যুৱা শক্তিৰ কাৰণে প্রয়োজনীয় নিশ্চিত বিনিয়োগ সুবিধা সৃষ্টি কৰা। ৰাষ্ট্রৰ যুৱক-যুৱতীসকলৰ প্রত্যাশা হ'ল একোটা মর্যাদাপূর্ণ কর্মসংস্থান। মেক ইন্ ইণ্ডিয়াই এইসকলৰ কাৰণে কর্মসংস্থানৰ পথ মুকলি কৰাৰ লক্ষ্য বান্ধি লৈছে।
- **সাংসদ আদর্শ গ্রাম যোজনা ঃ** এই আঁচনিৰ অধীনত প্রত্যেক সাংসদে তেওঁৰ সমষ্টিৰ উন্নয়নৰ বাবে গঠন কৰা পুঁজিৰ সাহায্য গ্রহণ কৰে। বস্তুগত আৰু অনুষ্ঠানগত সা-সুবিধাৰ সহায়ত দেশৰ গাঁওসমূহে বিকাশৰ পথত আগুৱাব পাৰে। সাংসদ আদর্শ গ্রাম

যোজনাৰ অধীনত গাঁওসমূহৰ বিকাশৰ লক্ষ্য স্থিৰ কৰা হয়। ২০১৪ চনত আৰম্ভ কৰা এই আঁচনিখনৰ ২০১৯ চনত কৃতকার্য্যতাৰে সামৰণি পৰিব বুলি আশা কৰা হৈছে।

- **অটল পেঞ্চন যোজনা ঃ** কম খৰচী উপযোগিতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত চলা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ আঁচনিসমূহৰ মূল পৰিচালিকা নীতি। অটল পেঞ্চন যোজনাও এনে এক আঁচনি আৰু ইয়াৰ দ্বাৰা বৃদ্ধ পেঞ্চনৰ ব্যৱস্থা কৰা হয়। যিসকল লোক কোনো অৱসৰকালীন ভাট্টা অথবা পেঞ্চনৰ সেৱাৰ পৰা বঞ্চিত নাইবা অন্য কোনো চৰকাৰী সুৰক্ষা আঁচনিৰো অন্তৰ্ভুক্ত নহয় তেনে বৃদ্ধ লোকক এই আঁচনিৰ অধীনলৈ অনা হয়। অসংগঠিত উদ্যোগত সংস্থাপিতসকল আৰু পেঞ্চন সুবিধাৰ পৰা বঞ্চিতসকলক বৃদ্ধ বয়সত স্বাস্থ্য আৰু আৰামদায়ক পৰিৱেশ লাভৰ নিশ্চয়তা প্ৰদানেই এই আঁচনিৰ মূল উদ্দেশ্য।
- **প্ৰধানমন্ত্ৰী আৱাস যোজনা (PMAY) ঃ** ই মূলতঃ এক কল্যাণমূলক আঁচনি আৰু কেন্দ্ৰীয় চৰকাৰ এই আঁচনিৰ লগত জড়িত। PMAY আঁচনিৰ অধীনত ২০২২ চনৰ ভিতৰত দেশৰ সকলো নাগৰিককে নিজা আৱাসগৃহ প্ৰদানৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই আঁচনি বাস্তৱ আৰু সফল কৰিবলৈ দেশৰ ইমূৰ-সিমূৰ জুৰি প্ৰায় দুই কোটি গৃহ নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে।
- **প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা (PMJJBY) ঃ** PMJJBY এক জীৱন বীমা আঁচনি আৰু এই আঁচনি গ্ৰহণকাৰীসকলক ভৱিষ্যতত আৰ্থিক সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰা হয়। বছৰেকীয়া হাৰত কম পৰিমাণৰ সঞ্চয়ৰ আধাৰত এই জীৱন বীমাই আঁচনি প্ৰস্তুত কৰে।
- **প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা ঃ** প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাত সামাজিক সুৰক্ষাৰ লক্ষ্য বান্ধি লোৱা হৈছে। আঁচনিৰ অধীনত দুৰ্ঘটনাত মৃত্যু ঘটা নাইবা আংশিক অথবা সম্পূৰ্ণভাবে অক্ষম ব্যক্তিক সামৰি লোৱা হয়।
- **প্ৰধানমন্ত্ৰী জলসিঞ্চন যোজনা ঃ** এই যোজনাৰ অধীনত কৃষি কাৰ্য্যত জড়িতসকলক প্ৰয়োজনীয় সা-সঁজুলিৰ যোগান ধৰা হয় যাতে অধিকসংখ্যক খেতিপথাৰতেই সঠিকভাৱে জলসিঞ্চন কৰিব পৰা যায়।
- **প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা ঃ** প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত বিভিন্ন বিষয়ত প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে দেশৰ যুৱা কৰ্মশক্তিক বিশ্ব মানদণ্ডৰ কাৰিকৰী অৰ্হতাসম্পন্ন কৰি গঢ়ি তুলিব পৰা যায়।
- **প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা ঃ** এই যোজনাৰ অধীনত চৰকাৰে বহু অভিযানমূলক কাৰ্য্যসূচী হাতত লৈছে। দৰিদ্ৰসকলৰ বাবে কল্যাণমূলক আঁচনিৰ প্ৰয়োজনীয়তাক এই যোজনাৰ অধীনত পূৰণ কৰাৰ চেষ্টা চলোৱা হয়।কৰ্মসূচী ৰূপায়ণৰ বাবে বিভিন্ন কৰ্মশালা আয়োজন কৰা হয় আৰু ইয়াৰ অধীনত দাৰিদ্ৰ্য ৰেখাৰ তলৰ লোকৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি বাস্তৱায়িত কৰাৰ প্ৰয়াস চলে।

- **সুকন্যা সমৃদ্ধি যোজনা ঃ** নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন ভাৰত চৰকাৰৰ ই এক প্ৰতিশ্ৰুতিপূৰ্ণ আৰু বাস্তৱমুখী আঁচনি। সুকন্যা সমৃদ্ধি যোজনাৰ অধীনত কন্যা সন্তানসকলক আৰ্থিকভাৱে সু�ৰক্ষিত কৰাৰ উদ্দেশ্য স্থিৰ কৰি লোৱা হৈছে। এই যোজনাৰ অধীনত কন্যাসন্তানৰ পিতৃ-মাতৃয়ে দহ বছৰতকৈ কম বয়সৰ কন্যা সন্তানৰ নামত এটা সঞ্চয় একাউণ্ট খুলি কন্যাটিৰ ২১ বছৰ বয়সলৈ ইয়াৰ টকা সঞ্চয় কৰিব পাৰে।
- **প্ৰধানমন্ত্ৰী এলপিজি ৰাজসাহায্য (PAHAL) যোজনা (DBTL) ঃ** প্ৰথম পৰ্য্যায়ত ভাৰতৰ ৫৪খন জিলাত পৰীক্ষামূলকভাৱে এই আঁচনিৰ কাম হাতত লোৱা হৈছিল আৰু কৃতকাৰ্য্যতাও লাভ কৰা হৈছিল। বৰ্তমান সমগ্ৰ দেশতে এই আঁচনিৰ কাৰ্য্যসূচী ৰূপায়ণৰ ব্যৱস্থা হাতত লোৱা হৈছে। PAHAL অৰ্থাৎ, প্ৰত্যক্ষ হস্তান্তৰিত যোজনাৰ এলপিজি গ্ৰাহকসকলৰ লগত সম্বন্ধ আছে। নতুন PAHAL আঁচনি অনুসৰি প্ৰত্যেক গ্ৰাহককেই ৰাজসাহায্য (Subsidy)ৰ বাবে বিবেচিত কৰা হয়। এই সাহায্য প্ৰত্যক্ষভাৱে গ্ৰাহকৰ বেঙ্ক একাউণ্টলৈ প্ৰেৰণ কৰা হয়।



## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৭ ঃ** খালী ঠাই পূৰণ কৰক—

ক) তথ্য জনাৰ অধিকাৰ আইনক প্ৰকৃততেই এক মৌলিক অধিকাৰ বুলি গণ্য কৰিব পাৰি যিটোৱে অন্য ..... বিষয়ে জ্ঞান দিয়ে।

খ) সংসদত ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইনখন .....ত গৃহীত হয়।

গ) ডিজিটেল ইণ্ডিয়া কাৰ্য্যসূচীখনৰ ২০১৪ আগষ্টত পাতনি মেলা হয় তথা ইয়াৰ দ্বাৰা ..... আৰু ..... মাধ্যমৰ জৰিয়তে ভাৰতৰ প্ৰযুক্তিখণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই অনাৰ চেষ্টা চলোৱা হয়।

ঘ) ..... দ্বাৰা দেশৰ উৎপাদন ক্ষেত্ৰত স্বনিৰ্ভৰশীলতা নিশ্চিত কৰিবলৈ বিচৰা হৈছে।

**প্ৰশ্ন নং ৮ ঃ** প্ৰধানমন্ত্ৰী জন-ধন যোজনাখন কিহৰ লগত জড়িত?

.....

.....

.....

.....

**প্ৰশ্ন নং ৯ ঃ** স্বচ্ছ ভাৰত অভিযান কেতিয়া আৰম্ভ হৈছিল?

.....

**প্রশ্ন নং ১০ ঃ** সুকন্যা সমৃদ্ধি যোজনা কি?

.....

.....

.....

.....

.....



## ১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজৰ বিভিন্ন শ্রেণীৰ লোকৰ উন্নয়ন আৰু কল্যাণৰ বাবে চৰকাৰৰ উদ্যোগত সমাজ কল্যাণমূলক কার্য্যসূচীসমূহ চলাই থকা হৈছে।
- কেন্দ্রীয় চৰকাৰ আৰু স্বায়ত্ত শাসিত পৰিষদসমূহে দেশৰ মহিলাসকলৰ সামাজিক আৰু অর্থনৈতিক স্থিতিৰ উন্নতিৰ বাবে বিভিন্ন কার্য্যসূচী হাতত লৈছে।
- কেন্দ্রীয় সমাজ কল্যাণ বোর্ডৰ অধীনত আর্থ-সামাজিক এনে অনুষ্ঠান কিছুমান গঢ় লৈ উঠিছে য'ত প্রশিক্ষণৰ লগতে মহিলাসকলৰ বাবে কর্ম-সংস্থাপনৰ যোগান ধৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে এই অনুষ্ঠানবোৰৰ তদাৰক কৰে।
- মহিলা কর্মীসকলক পক্ষপাতিত্বৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে ১৯৭৬ চনত সম-মজুৰি আইন প্রৱর্তন কৰা হয়।
- The Association of Social Health নামৰ অনুষ্ঠানটিয়ে দম্পতি, পিতৃ-মাতৃ, অবিবাহিত যুৱক-যুৱতী, কিশোৰ-কিশোৰী, বিদ্যালয় এৰা ল'ৰা-ছোৱালী আদিৰ বাবে সেৱামূলক কার্য্যসূচী আৰু পৰিয়াল জীৱনৰ উপযোগীকৈ পৰামর্শদান অনুষ্ঠানৰ আয়োজন কৰে।
- ইন্দিৰা মহিলা যোজনা নৱেম্বৰ ১৯, ১৯৮৯ চনত আৰম্ভ হৈছিল আৰু মহিলাসকলক অধিকাৰ তথা সমমর্য্যাদা বিষয়ক জ্ঞান দি সজাগ কৰি তোলাটো হ'ল এই যোজনাৰ কাম।
- দেশৰ সকলো ৰাজ্য আৰু স্বায়ত্তশাসিত অঞ্চলত ১৯৮৬-৮৭ চনত মহিলা বিকাশ নিগম স্থাপন কৰাৰ বাবে প্রস্তাৱ লোৱা হয়।
- মহিলা বিকাশ নিগমৰ উদ্দেশ্য হ'ল মহিলাসকলক কর্মসংস্থাপনৰ সুবিধা যোগান ধৰা আৰু ইয়াৰ দ্বাৰা তেওঁলোকক আত্মনির্ভৰশীল কৰি তোলা।
- গ্রামাঞ্চলৰ মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ অধীনত গাঁও অঞ্চলৰ দৰিদ্র ৰেখাৰ তলৰ পৰিয়ালৰ মহিলা আৰু ল'ৰা-ছোৱালীৰ উন্নয়নৰ বাবে নিয়োজিত আঁচনিৰ জৰিয়তে অর্থসাহায্য দিয়া হয়।

- সমাজ কল্যাণ এটা স্বেচ্ছাসেৱী কার্য্যসূচী আৰু পৰিয়ালৰ সৰ্বাংগীন উন্নতিৰ কাৰণে ইয়াৰ দ্বাৰা বিভিন্ন ব্যৱস্থা লোৱা হয়।
- অনুসূচিত জাতি আৰু জনজাতিৰ জনসংখ্যাৰ অনুপাতে লোকসভা আৰু ৰাজ্যিক বিধানসভাত আসন সংৰক্ষণ কৰা হয়।
- জনজাতি উপ-পৰিকল্পনা (TSP) পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰ পৰা অনুসূচিত জনজাতিৰ লোকসকলৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা হৈ আহিছে।
- তথ্য জনাৰ অধিকাৰ আইন হ'ল এক সংক্ষিপ্ত আইনী ব্যৱস্থা। ই সাধাৰণ নাগৰিক আৰু সামূহিক গোটসমূহক অধিকাৰৰ দাবী জনাবলৈ আৰু উন্নতৰ অনুসন্ধানৰ ক্ষমতা প্ৰদান কৰে। সংসদত ৰাষ্ট্ৰীয় গ্ৰামীন নিয়োগ নিশ্চিতি আইন আগষ্ট ২০০৫ত গৃহীত (passed) হয় আৰু ইয়াৰ উদ্দেশ্য হ'ল ভাৰতৰ গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলৰ শাৰীৰিক তথা হস্ত কৰ্মৰ প্ৰতি আগ্ৰহীসকলক চাহিদা অনুসৰি কৰ্মসংস্থাপনৰ যোগান ধৰা।



## ১৪.৯ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Dubey, S. N. (1971): *Social Welfare Policy and Backward Classes Welfare*. Indian Council of Social Welfare (ed.), *Social Policy in Conditions of Dynamic Change*. Bombay, 20-35.
2) Kulkarni, P. D. (1965): *Social Policy in India*. Bombay: Tata Institute of Social Sciences.
3) Pathak, Shankar (1979): *Social Welfare Health and Family Planning in India*. New Delhi: Marwah Publications.



## ১৪.১০ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ক) সমাজ কল্যাণমূলক আঁচনিসমূহ বিভিন্ন শ্ৰেণীৰ লোকৰ উন্নতি আৰু কল্যাণৰ বাবে চৰকাৰৰ দ্বাৰা চলোৱা হয়।

খ) ইন্দিৰা মহিলা যোজনাৰ শুভাৰম্ভ হৈছিল নৱেম্বৰ ১৯, ১৯৮৯ চনত। এই আঁচনিৰ দ্বাৰা মহিলাসকলৰ মাজত অধিকাৰ আৰু সামঞ্জস্যতাৰ সজাগতা সৃষ্টি কৰিব বিচৰা হৈছিল।

গ) স্বেচ্ছাসেৱী মহিলা কৰ্মী, যিসকলক সাথিয়াঁ বোলা হৈছিল তেওঁলোকে মহিলা-সকলক ইন্দিৰা মহিলা যোজনাৰ অন্তৰ্গত আঁচনিসমূহৰ বিষয়ে জ্ঞান দিছিল।

ঘ) মহিলা বিকাশ নিগমৰ উদ্দেশ্য আছিল মহিলাসকলক নিয়োজন সুবিধাৰ যোগান ধৰা আৰু তাৰ দ্বাৰা তেওঁলোকক আত্মনির্ভৰশীল ৰূপে গঢ়ি তোলা।

ঙ) গ্ৰামাঞ্চলৰ মহিলা আৰু শিশু উন্নয়ন আঁচনি (DWCRA)ৰ অধীনত চৰকাৰৰ শিশু উন্নয়ন আঁচনিৰ অন্তৰ্গত সংহত শিশু উন্নয়ন আঁচনিখনো পৰিচালিত হয়।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৬৬ চনত পৰিয়াল পৰিকল্পনা বিভাগ (Development of Family Planning)ৰ শুভাৰম্ভ হৈছিল আৰু পৰিয়াল পৰিকল্পনা আঁচনিৰ পুনৰ্গঠন কৰি ইয়াক লক্ষ্য অভিমুখী কৰি তোলা হৈছিল।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** পৰিয়াল পৰিকল্পনা এক স্বেচ্ছাসেৱী কাযসূচী। ইয়াৰ অধীনত পৰিয়ালৰ সৰ্বাঙ্গীন কল্যাণ, শিশুৰ স্বাস্থ্য, মাতৃ আৰু বয়োজ্যেষ্ঠজনৰ পৰিপুষ্টি, ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি, জীৱন-নিৰ্বাহৰ মান উন্নত কৰা, পৰিয়ালৰ অন্যান্য সমস্যাসমূহৰ সমাধান আৰু পৰিয়াল পৰিকল্পনা আদিৰ বাবে উদ্যোগ লোৱা হয়।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** লোকসভা আৰু ৰাজ্য বিধানসভাত অনুসূচিত জাতি তথা জনজাতিৰ বাবে তেওঁলোকৰ জনসংখ্যা অনুসৰি আসন সংৰক্ষণ কৰা হয়।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** অনুসূচিত জাতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুদানপ্ৰাপ্ত আঁচনি কেইখনমান হ'ল—

- অনুসূচিত জাতি আৰু জনজাতিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানিৰ ব্যৱস্থা।
- নিম্ন আয়ৰ জীৱিকাত জড়িত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰাক্-হাইস্কুল শিক্ষান্ত পৰীক্ষা জলপানি।
- চিকিৎসা আৰু আভিযান্ত্ৰিক পাঠ্যক্ৰমত অনুসূচিত জাতি তথা জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে গ্ৰন্থ বেঙ্কৰ ব্যৱস্থা।
- ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়ত থকা অনুসূচিত জাতি আৰু জনজাতিৰ গৱেষক ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় বৃত্তি।
- বিদেশলৈ অধ্যয়নৰ বাবে যোৱা অনুসূচিত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি প্ৰদান।
- অনুসূচিত জাতিৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহলৈ অনুদান।
- অনুসূচিত জাতি উন্নয়ন পৰিষদ গঠন।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** জনজাতি উপ-পৰিকল্পনা (TSP) পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰ পৰাই জনজাতি অঞ্চলৰ অনুসূচিত জনজাতিৰ লোকসকলৰ উন্নতিৰ উদ্দেশ্যেৰে প্ৰৱৰ্তন কৰা হয়। বিধিগত প্ৰশাসনীয় সমৰ্থন আৰু উন্নয়ন আঁচনিসমূহৰ কাৰ্য্যকৰীকৰণৰ মাজেৰে অনুসূচিত জনজাতিৰ লোকসকলৰ স্বাৰ্থৰ সুৰক্ষা আৰু অৱস্থা উন্নীতকৰণ এই আঁচনিৰ মূল প্ৰচেষ্টা।

**৭নং প্রশ্নৰ উত্তৰ ঃ** ক) তথ্য জনাৰ অধিকাৰক প্রকৃততেই এক মৌলিক অধিকাৰ বুলি গণ্য কৰিব পাৰি। ই আমাক অন্য মৌলিক মানৱ অধিকাৰসমূহৰ বিষয়ে জনাত সহায় কৰে।

খ) সংসদে আগষ্ট, ২০০৫ চনত ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চিতি আইনখন গৃহীত কৰে।

গ) ডিজিটেল ইণ্ডিয়া কার্য্যসূচী আগষ্ট, ২০১৪ চনত আৰম্ভ কৰা হয়। ই ভাৰতবর্ষৰ ডিজিটেল আৰু বৈদ্যুতিক মাধ্যমৰ জৰিয়তে দেশৰ প্রযুক্তিখণ্ডত বৈপ্লৱিক পৰিৱর্তনৰ সূচনা কৰে।

ঘ) মেক ইন্ ইণ্ডিয়াৰ দ্বাৰা দেশৰ উৎপাদন ক্ষেত্রত স্বনির্ভৰশীলতা নিশ্চিত কৰিব বিচৰা হৈছে।

**৮নং প্রশ্নৰ উত্তৰ ঃ** প্রধানমন্ত্রী জন-ধন যোজনাই প্রত্যেক ভাৰতীয় নাগৰিককে একোটা বেঙ্ক একাউণ্টৰ গৰাকী কৰাত গুৰুত্ব প্রদান কৰে। এই সামূহিক পদক্ষেপত ১.৫ কোটিতকৈ অধিক বেঙ্ক একাউণ্ট ভাৰতৰ ইমূৰ-সিমূৰ জুৰি খোলা হয়। প্রায় সকলো ৰাজহুৱা খণ্ডৰ বেঙ্কেই এই আঁচনিত সহযোগিতা আগবঢ়ায়।

**৯নং প্রশ্নৰ উত্তৰ ঃ** স্বচ্ছ ভাৰত অভিযান ২০১৪ চনত প্রথমবাৰৰ বাবে আৰম্ভ কৰা হৈছিল।

**১০নং প্রশ্নৰ উত্তৰ ঃ** সুকন্যা সমৃদ্ধি যোজনা এক প্রতিশ্রুতিসম্পন্ন আঁচনি। এই আঁচনিয়ে কন্যা সন্তানৰ আর্থিক সুৰক্ষাৰ প্রতি বিশেষ গুৰুত্ব আৰোপ কৰে। এই আঁচনিৰ অধীনত দহ বছৰতকৈ কম বয়সৰ কন্যা সন্তানৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ কন্যা সন্তানৰ বাবে বেঙ্কত সঞ্চয় একাউণ্ট খুলিব পাৰে আৰু কন্যাটিৰ একৈশ বছৰ পর্য্যন্ত এই একাউণ্টত টকা সঞ্চয় কৰিব পাৰিব।



## ১৪.১১ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** ইন্দিৰা মহিলা যোজনা সম্পর্কে এটি চমুটোকা লিখক।

**প্রশ্ন ২ ঃ** তথ্য জনাৰ অধিকাৰ আইন আৰু ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চিতি আইন সম্পর্কে চমুটোকা লিখক।

**প্রশ্ন ৩ ঃ** সাম্প্রতিক সমাজ কল্যাণমূলক আঁচনি কেইখনমানৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

# অধ্যয় ১৫ ঃ সামাজিক সুৰক্ষা

## অধ্যায় গাঁথনি


১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫৩ সামাজিক সুৰক্ষাৰ অৱধাৰণা

১৫৩.১ সামাজিক সাহায্য

১৫৩.২ সামাজিক বীমা

১৫.৪ সামাজিক সুৰক্ষাৰ উৎপত্তি আৰু বিকাশ

১৫.৫ ভাৰতত সামাজিক সুৰক্ষাৰ গুৰুত্ব

১৫.৬ ভাৰতত সামাজিক সুৰক্ষাৰ পদ্ধতি

১৫.৬.১কর্মচাৰীৰ ক্ষতিপূৰণ আইন

১৫.৬.২ প্রসুতি সাহায্য আইন

১৫৬৩ ন্যূনতম মজুৰী আইন

১৫.৭ সামাজিক সুৰক্ষাৰ আঁচনিবোৰ

১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৯ অধিক জানিবলৈ

১৫.১০ অগ্রগতিৰ খতিয়ান

১৫.১১ আৰ্হি প্রশ্ন


## ১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক সুৰক্ষাৰ ধাৰণা চিহ্নিত কৰিব পাৰিব।
- সামাজিক সুৰক্ষাৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ বিভিন্ন সামাজিক সুৰক্ষা ব্যৱস্থাৰ আলোচনা কৰিব পাৰিব।

## ১৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত মহিলা, শিশু, যুৱ আৰু বৃদ্ধসকলৰ বিভিন্ন কল্যাণমূলক ব্যৱস্থাৰ বিষয়ে আমি আলোচনা কৰিলোঁ।

আজিৰ প্রতিখন সমাজ এটা অভূতপূর্ব পৰিস্থিতিৰ সন্মুখীন হৈছে। জনসংখ্যা বৃদ্ধিৰ প্রকোপ আৰু ভাৰসাম্যহীন ঔদ্যোগিক বিকাশে কেতবোৰ বিশেষ সমস্যা সৃষ্টি কৰিছে। জীৱনৰ নিৰাপত্তাহীনতা ব্যাপকভাৱে বাঢ়িছে আৰু অনিশ্চিত ভৱিষ্যতৰ পৰা ব্যক্তি আৰু সমাজক সুৰক্ষা

দিয়া বিষয়টো উত্থাপিত হৈছে। সামাজিক সুৰক্ষা অপৰিহার্য্য ৰাষ্ট্রীয় কার্য্যসূচী হিচাপে বিবেচিত হৈছে। সামাজিক সুৰক্ষা ধাৰণাটো, ইয়াৰ গুৰুত্ব আৰু ভাৰতত প্রচলিত সামাজিক সুৰক্ষা বন্দোবস্তবোৰৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হ'ব।

## ১৫.৩ সামাজিক সুৰক্ষাৰ ধাৰণা

সামাজিক সুৰক্ষাৰ ধাৰণাটো একমাত্রিক নহয়। পশ্চিমীয়া জগতত ঔদ্যোগিক বিপ্লৱৰ উত্থানৰ ফলত ই তদানীন্তন সামাজিক-আর্থিক গাঁথনিত বিশেষ তাৎপর্য্য লাভ কৰিছিল। ১৯৩৫ চনত বলৱৎ হোৱা আমেৰিকা যুক্তৰাষ্ট্রৰ সামাজিক সুৰক্ষা আইনত শব্দটো সর্বপ্রথমে ব্যৱহৃত হৈছিল। তেতিয়া এই শব্দটো ব্যৱহৃত হৈছিল বৃদ্ধলোক, পংগুব্যক্তি, আহত অৱস্থাত প্রাণৰক্ষা পৰা ব্যক্তি, স্বাস্থ্যবীমা আদিক বুজাবলৈ আৰু যুক্তৰাষ্ট্রীয় চৰকাৰৰ নিয়ন্ত্রণত ই কার্য্যকৰী হৈছিল।

আন্তর্জাতিক শ্রমিক সংগঠন (আই-এল-অ')ৰ সংজ্ঞানুসাৰে সামাজিক সুৰক্ষা হৈছে— "কেতবোৰ বিশেষ বিপদৰ পৰা আক্রান্ত হোৱাৰ আশঙ্কা থকা লোকসকলক উপযুক্ত সাংগঠনিক ব্যৱস্থাৰ মাধ্যমেৰে সমাজে প্রদান কৰা সুৰক্ষা। এই বিপদবোৰ এনেকুৱা ধৰণৰ যে তাৰ বিৰুদ্ধে ক্ষুদ্র সমলেৰে এজন ব্যক্তি বা এদল ব্যক্তিয়ে নিজক সুৰক্ষিত কৰাটো সম্ভৱ নহয়।"

সামাজিক সুৰক্ষাৰ অর্থ সেয়ে যুক্তিসহকাৰে পৰিকল্পিত ন্যায় আৰু পৰোপকাৰৰ প্রলেপেৰে সজ্জিত প্রতিকাৰ ব্যৱস্থা যাৰ দ্বাৰা প্রকৃতিৰ অন্ধ অন্যায় আৰু আর্থিক ক্রিয়াকলাপৰ ধ্বংসাত্মক প্রভাৱৰ হাত সাৰিব পাৰি। আই-এল-অ'ৰ এই সংজ্ঞাই দৈৱক্রমে বা অনিশ্চিত পৰিস্থিতিয়ে অনা দুর্ভাগ্যৰ বাবে দাৰিদ্র অথবা বিপদত পতিত হোৱা বা বিপদত পৰাৰ আশঙ্কা থকা লোকক সাহায্য কৰাৰ নীতি স্পষ্ট কৰিছে। আই-এল-অ'ৰ মতে এই অনিশ্চিত ঘটনাবোৰ হ'ল ৰোগাক্রান্ত হোৱা, কর্মহীনতা, মাতৃত্ব, কর্মৰত অৱস্থাত দুর্ঘটনা, শ্রমিকৰ মৃত্যু, পংগুত্ব আৰু বার্ধক্য। এই অনিশ্চিত পৰিঘটনাবোৰ মূলতঃ কর্মসংক্রান্তীয় আৰু এজন ব্যক্তি বা তেওঁৰ পৰিয়ালক সুৰক্ষা দিয়া হ'ব কেৱল তেনে ক্ষেত্রতহে যেতিয়া তেওঁ আকস্মিক ঘটনাৰ বলি হোৱাৰ পূর্বৰ পৰাই সেই কামত জড়িত থাকে। অর্থাৎ কাৰোবাৰ দ্বাৰ নিযুক্ত হোৱাটো সামাজিক সুৰক্ষা লাভৰ পূর্বচর্ত। তদুপৰি পৰিহাস্যকৰ কথা যে এই সংজ্ঞাই আগৰ পৰাই দুখীয়াসকলক সামৰি লোৱা নাই। তেওঁলোকৰ বাবে আছে সামাজিক সাহায্য কার্য্যসূচী। ইয়াত আলোচনা কৰা সামাজিক সুৰক্ষা হৈছে শ্রমিক-কর্মচাৰীক ক্ষতিপূৰণ দিয়াৰ বাবে ৰাষ্ট্রৰ নিশ্চিতি বা গেৰাণ্টী— যদিহে তেওঁ ৰুগ্নতা, ঔদ্যোগিক আঘাত, কর্মচ্যুতি, বার্ধক্যজনিত অক্ষমতা আদি কাৰণত উপার্জনবিহীন হৈ পৰে। এককালীন ধন বা পৌণঃপৌণিক পৰিশোধৰ মাধ্যমেৰে 'সামাজিক সুৰক্ষা' শিতানত এনে ব্যক্তি লৈ সুবিধা আগবঢ়োৱা হয়। সেয়েহে 'সামাজিক সুৰক্ষা'ত দুখন মূল আঁচনি অন্তর্গত— সামাজিক বীমা আৰু সামাজিক সাহায্য।

## ১৫.৩.১ সামাজিক সাহায্য

সামাজিক সাহায্য হৈছে নিঃসম্বল লোকক ন্যূনতম প্ৰয়োজনখিনি পূৰণ কৰাৰ জোখাৰে আগবঢ়োৱা সা-সুবিধা। এই ব্যৱস্থাবোৰৰ বৈশিষ্ট্য হৈছে যে চৰকাৰী ৰাজহৰ পৰা এই ধন আহে। ই হ'ল সাধাৰণ মানুহৰ সুবিধাৰ্থে ৰাষ্ট্ৰই গ্ৰহণ কৰা ব্যৱস্থা। এই আঁচনিৰ সুবিধা নিৰ্দিষ্ট চর্ত পূৰণ কৰিলেহে লাভ কৰিব পাৰে আৰু ই তেতিয়া ব্যক্তিৰ আইনগত অধিকাৰ হিচাপে সাব্যস্ত হয়। তদুপৰি এই সুবিধা প্ৰদানৰ পূৰ্বে ন্যূনতম প্ৰয়োজনবোৰ পৰীক্ষা কৰি চোৱা হয়। ইয়াৰ পৰিমাণ দেশভেদে ভিন্ন। সৰ্বপ্ৰথমে ই সামৰি লৈছিল বৃদ্ধসকলক। ক্ৰমশঃ বিকলাঙ্গ, আহত আৰু কৰ্মহীনসকলৰ বাবেও ইয়াৰ পৰিসৰ বিস্তৃত কৰা হয়। আজিকালি নিবনুৱা সাহায্য, বৃদ্ধাৱস্থা সাহায্য, ৰাষ্ট্ৰীয় সাহায্য আদি আঁচনি প্ৰৱৰ্তিত হৈছে।

## ১৫.৩.২ সামাজিক বীমা

কে. এল. বৈদ্যই সামাজিক বীমাক এনেদৰে সংজ্ঞায়িত কৰিছে— "অৱদানৰ বিনিময়ত, বর্তি থাকিব পৰাকৈ আগবঢ়োৱা সুবিধা, যাক অধিকাৰ ৰূপে ধৰা হয় আৰু সম্বল পৰীক্ষা নকৰাকৈ দিয়া হয় যাতে ব্যক্তিয়ে ইয়াক ভৰষা কৰিব পাৰি। গতিকে সামাজিক বীমা বুলিলে বুজা হয় যে ই বাধ্যতামূলক আৰু পাৰস্পৰিক।"

ইয়াক এনেদৰেও সংজ্ঞাবদ্ধ কৰিব পাৰি ঃ "সামাজিক বীমা হৈছে এক সমবায়িক পন্থা যাৰ লক্ষ্য হ'ল বীমাকাৰীলৈ বাধ্যতামূলকভাৱে আগবঢ়োৱা উপযুক্ত সা-সুবিধা; এই সুবিধা কর্মহীন, ৰুগ্ন আৰু অন্য আকস্মিক ঘটনাত আক্ৰান্ত ব্যক্তিৰ বাবে নির্ধাৰিত যাতে তেওঁলোকে ন্যূনতম মানদণ্ড এটাত জীৱন ধাৰণ কৰিবলৈ তাৰ দ্বাৰা সক্ষম হয়। কর্মচাৰী, নিয়োগকর্তা আৰু চৰকাৰৰ ত্ৰিপাক্ষিক অৱদানেৰে সৃষ্ট পুঁজিৰ পৰা এই সুবিধা আগবঢ়োৱা হয়।" ইয়াৰ বিপৰীতে সামাজিক সাহায্য সম্পূর্ণ চৰকাৰী ৰাজকোষৰ ধনেৰে আগবঢ়োৱা হয়।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** সামাজিক সুৰক্ষা কি?

.....

.....

.....

**প্ৰশ্ন নং ২ ঃ** সামাজিক সাহায্য আৰু সামাজিক বীমাৰ পার্থক্য কি উল্লেখ কৰক।

.....

.....

.....

## ১৫.৪ সামাজিক সুৰক্ষাৰ উৎপত্তি আৰু বিকাশ

সামাজিক সুৰক্ষাৰ ধাৰণাটো মানৱ ইতিহাসৰ সমানেই প্ৰাচীন। বাইবেলৰ কাহিনীত বৰ্ণিত হৈছে কেনেকৈ দুৰ্ভিক্ষৰ সময়ত যোছেফে পূৰ্বৰ ভাল বতৰত হোৱা শস্যৰ জমা কৰি ৰখা অংশেৰে মানুহৰ অনাটন দূৰ কৰিছিল। সামাজিক সুৰক্ষাৰ আটাইতকৈ পুৰণি অনুষ্ঠানটো হৈছে পৰিয়াল তথা যৌথ পৰিয়াল।ইউৰোপৰ ঔদ্যোগিক বিপ্লৱৰ ফলত চহৰ আৰু শিল্প কেন্দ্ৰৰ প্ৰসাৰতা ঘটে আৰু গ্ৰামাঞ্চলৰ যৌথ পৰিয়াল ব্যৱস্থা ক্ৰমশঃ দুৰ্বল হ'বলৈ ধৰিছিল। সামাজিক সুৰক্ষাৰ এটা প্ৰতিষ্ঠানিক ৰূপ এনেদৰে ধ্বংশৰ গৰাহত পৰিছিল।

যেতিয়া ব্যক্তিয়ে নিজৰ চাহিদা পূৰাবলৈ অক্ষম হৈছিল, তেতিয়া সমাজে তেওঁলোকক সুৰক্ষা দিয়াটো গুৰুত্বপূৰ্ণ কৰ্তব্য বুলি গণ্য কৰিছিল। গ্ৰেট বৃটেইনত দৰিদ্ৰ আইন প্ৰৱৰ্তন কৰি ন্যূনতম আহাৰ আৰু আশ্ৰয় প্ৰদানৰ পদক্ষেপ লোৱা হৈছিল। ব্যক্তিগত সঞ্চয়, নিয়োগকৰ্তাৰ যৌথ সাহায্য বা যৌথ সাহাৰ্য্য সংস্থা (মিউচুৱেল এইড্ বা মিউচুৱেল বেনিফিট ছ'চাইটি), ব্যক্তিগত বীমাকৰণ আৰু জীৱন বীমা আদি সামাজিক সুৰক্ষা প্ৰচেষ্টাৰ বিৱৰ্তন প্ৰক্ৰিয়াৰ কেতবোৰ ৰূপ।

সামাজিক সুৰক্ষা ব্যৱস্থাৰ উদ্দেশ্য হ'ল সামাজিক বা অৰ্থনৈতিক ঘটনাৰ পৰিণতিত জীৱনধাৰণৰ মানদণ্ড পতিত নহ'ব বুলি ব্যক্তি আৰু পৰিয়ালৰ লোকৰ মনত প্ৰত্যয় জন্মোৱা, সুনিৰ্দিষ্ট আকস্মিক দুৰ্য্যোগৰ সন্মুখীন হোৱা সকলক চিকিৎসা সেৱা আৰু উপাৰ্জনৰ নিশ্চিতি দিয়া, আক্ৰান্তৰ দৈহিক আৰু বৃত্তিগত পুনৰ্বাসনৰ ব্যৱস্থা কৰা, কৰ্মস্থলীত দুৰ্ঘটনা আৰু ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা, কাম সৃষ্টিৰ প্ৰক্ৰিয়া উন্নীত কৰি নিযুক্তিহীনতাৰ পৰা ৰক্ষা কৰা আৰু সকলো শিশুৰ বাবে সা-সুবিধা আগবঢ়োৱা।

## ১৫.৫ ভাৰতত সামাজিক সুৰক্ষাৰ গুৰুত্ব

ভাৰতৰ সংবিধানৰ ৪৩নং দফাত নাগৰিকক সামাজিক সুৰক্ষা প্ৰদান কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব হিচাপে সন্নিৰিষ্ট হৈছে। আধুনিকীকৰণ আৰু নগৰায়নৰ ফলত সংঘটিত আমূল পৰিৱৰ্তনে নতুন ধৰণৰ সংঘাত আৰু শঙ্কা সৃষ্টি কৰিছে আৰু তাৰ প্ৰভাৱত পৰম্পৰাগত পাৰিবাৰিক আৰু ভাতৃত্বসুলভ সুৰক্ষাৰ গড়াখহনীয়া ঘটিবলৈ ধৰিছে। আনুসঙ্গিক সঙ্কট উৎপত্তি হৈছে কৃষি নিৰ্ভৰ অৰ্থনীতিৰ পৰা ঔদ্যোগিক অৰ্থনীতিলৈ উৎক্ৰমণৰ ফলত। সামাজিক সুৰক্ষা হ'ল সমাজে, বিশেষকৈ ৰাষ্ট্ৰ আৰু নিয়োগকৰ্তাই উপযুক্ত সাংগঠনিক ব্যৱস্থাৰ মাধমেৰে প্ৰদান কৰা সুৰক্ষা। সামাজিক সুৰক্ষা ব্যৱস্থাসমূহ প্ৰত্যেকখন উন্নয়ণশীল ৰাষ্ট্ৰৰ বাবে দ্বিমুখী তাৎপৰ্য্য আছে। কল্যাণকামী ৰাষ্ট্ৰ গঠনৰ লক্ষ্য অভিমুখে ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ভৱিষ্যতৰ অনিশ্চয়তাৰ বিৰুদ্ধে জনসাধাৰণক সুৰক্ষা দিয়াৰ ই কাৰ্য্যকৰী ব্যৱস্থা।

'ৰয়েল কমিছন অন লেবাৰ'ৰ প্ৰতিবেদনত লিখা হৈছিল ঃ অধিকাংশ ঔদ্যোগিক শ্ৰমিক গাঁৱৰ পৰা প্ৰব্ৰজন কৰা লোক। নগৰাঞ্চলৰ নতুন পৰিৱেশত তেওঁলোক ভালেমান আচহুৱা সমস্যাৰ ভুক্তভোগী হয়, যেনে—পাৰিবাৰিক জীৱনৰ আনন্দৰ পৰা বঞ্চিত হোৱা, অপুষ্টি, ভেজাল খাদ্যই কৰা অপকাৰ, নিকৃষ্টমানৰ কোঠাত থেপাথেপিকৈ থাকিবলগা হোৱা, আৰু নানান ধৰণৰ ঔদ্যোগিক দুৰ্য্যোগ— এই সকলো মিলি শ্ৰমিকসকলৰ পূৰ্বৰ গাঁৱৰ সুঠাম, সবল দৈহিক অৱস্থাৰ অৱনতি ঘটাবলৈ ধৰে।শ্ৰমিকৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি অনাএই কাৰকবোৰৰ বিৰুদ্ধে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা অত্যন্ত আৱশ্যকীয়।

লেবাৰ ইনভেষ্টিগেছন কমিটীয়েও কৰ্মস্থানৰ বাহিৰত শ্ৰমিকসকলৰ স্বাস্থ্য আৰু চিকিৎসা সেৱাৰ সা-সুবিধাবোৰৰ বিষয়ে বিস্তৃত অধ্যয়ন চলাইছিল। কমিটীয়ে উল্লেখ কৰিছে যে— এই সা-সুবিধাবোৰ উপলব্ধ কৰাটো নগৰপালিকা আৰু স্থানীয় নিকায়বোৰৰ দায়িত্ব যদিও নিজৰ প্ৰতিষ্ঠানৰ শ্ৰমিকসকলক এনে সা-সুবিধা প্ৰদান কৰাৰ দায়িত্ব নিয়োগকৰ্তাৰো থাকে। কমিটীয়ে সামাজিক বীমাকৰণৰ সংহত আঁচনিৰে তিনিটা বিপৰ্য্যয়ৰ বাবে স্বাস্থ্য আৰু চিকিৎসা সেৱা আগবঢ়াবলৈ পৰামৰ্শ দিছিল— বেমাৰ, কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত হোৱা আৰু সন্তান জন্ম। প্ৰাপ্ত তথ্যমতে সেইসময়ত এনে এক আঁচনি ভাৰত চৰকাৰৰ বিবেচনাধীন হৈছিল।

সংবিধানৰ ৪১নং দফাত কৈছে ঃ "ৰাষ্ট্ৰই তাৰ সামৰ্থ্য আৰু উন্নয়ন অনুসাৰে কামৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু কৰ্মহীনতা, বাৰ্ধক্য, ৰোগ আৰু পংগুত্বৰ দৰে পৰিস্থিতিত ৰাজহুৱা সাহায্য প্ৰদান কৰাৰ যথোপযুক্ত ব্যৱস্থা ল'ব।"

সামাজিক সুৰক্ষাৰ গুৰুত্ব স্বীকাৰ কৰি আন্তৰ্জাতিক সামাজিক সুৰক্ষা সংস্থাই কৈছে, "সামাজিক ন্যায় অবিহনে শান্তি নাহে আৰু সামাজিক সুৰক্ষা অবিহনে ন্যায় প্ৰতিষ্ঠা নহয়।"

## ১৫.৬ ভাৰতত সামাজিক সুৰক্ষাৰ পদ্ধতি

পশ্চিমীয়া দেশৰ প্ৰভাৱৰ ফলতে সামাজিক সাহায্য আৰু সামাজিক বীমাৰ ব্যৱস্থাগত পদ্ধতি-বিলাক ভাৰতত ক্ৰমশঃ বিকশিত হৈ উঠিছে। এইক্ষেত্ৰত ভাৰত চৰকাৰৰ কিছুমান গুৰুত্বপূৰ্ণ আইনী পদক্ষেপ তলত উল্লেখ কৰা হ'ল।

### ১৫.৬.১ কৰ্মচাৰীৰ ক্ষতিপূৰণ আইন, ১৯২৩ (Workmen's Compensation Act, 1923)

এই আইনখন ভাৰতীয় পৰিস্থিতিৰ লগত খাপ খুৱাই ইংলণ্ডৰ আৰ্হিত প্ৰস্তুত কৰা হৈছিল। নিয়োগ কালত দুৰ্ঘটনাত পতিত হ'লে কৰ্মচাৰীক ক্ষতিপূৰণ দিবলৈ মালিকপক্ষক বাধ্য কৰাৰ উদ্দেশ্যে আইনখন বলৱৎ কৰা হৈছিল। মৃত্যু, চিৰদিনলৈ সম্পূৰ্ণ ৰূপে পংগু হোৱা, চিৰদিনলৈ আংশিকভাৱে পংগু হোৱা আৰু অস্থায়ী পংগুত্বৰ বাবে সুকীয়া সুকীয়া হাৰত ক্ষতিপূৰণ প্ৰদানৰ কথা এই আইনত উল্লেখ কৰা হৈছে। মাহিলী

তিনি হাজাৰ টকা পর্য্যন্ত দৰমহা পোৱা আৰু ফেক্টৰী, খনি, বাগিচা, পৰিৱহন, নির্মাণ কার্য্য, ৰে'লৱে আৰু কিছুমান বিশেষ বিপজ্জনক বৃত্তিত কর্মৰত সকলো শ্রমিকৰ ক্ষেত্রত এই আইন প্রযোজ্য। এই আইন ৰাজ্য চৰকাৰৰ দ্বাৰা কার্য্যকৰী হয় আৰু তাৰ বাবে আয়ুক্ত নিযুক্তি দিব লাগে। শ্রম আয়ুক্তৰ কর্তব্য হ'ল— ১) বিবাদাস্পদ দাবী নিষ্পত্তি কৰা, ২) মৃত্যু ঘটোৱা দুর্ঘটনাৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ আৰু ৩) ম্যাদভিত্তিক বেতনৰ সংশোধনী।

## ১৫.৬.২ প্রসুতি সাহার্য্য আইন, ১৯৬১ (Materinty Benefit Act, 1961)

'প্রসুতি সাহার্য্য আইন, ১৯৬১'ৰ দ্বাৰা সন্তান ওপজাৰ পূর্বৰ আৰু পৰৱর্তী অৱস্থাত নির্দিষ্ট সময়সীমাৰ বাবে কেতবোৰ বিশেষ উদ্যোগ-প্রতিষ্ঠানত মহিলাৰ নিযুক্তিৰ বিষয়টো নিয়ন্ত্রণ কৰে আৰু মাতৃত্ব আৰু অন্য বানচ দিয়াৰ ব্যৱস্থা কৰে। এই আইন প্রযোজ্য হয় খনি, কাৰখানা, চার্কাছ, উদ্যোগ, বাগিচা, দোকান আৰু দহজন বা ততোধিক ব্যক্তিক নিযুক্ত কৰা প্রতিষ্ঠানবিলাকত; ৰাজ্যিক চৰকাৰে অন্য প্রতিষ্ঠানতো ইয়াক বলৱৎ কৰিব পাৰে। এই আইন দৰমহা বা মজুৰি নির্বিশেষে সকলো মহিলাৰ ক্ষেত্রত প্রযোজ্য। সন্তান প্রসৱ কৰাৰ তাৰিখৰ পূর্বে বছৰটোৰ অন্ততঃ ১৬০ দিনৰ বাবে কাম কৰা যিকোনো মহিলা এই আইনমতে মাতৃত্ব বানচ বা সা-সুবিধা পোৱাৰ যোগ্য। সন্তানৰ পোন্ধৰ মাহ বয়স নোহোৱা পর্য্যন্ত শিশুটিৰ পৰিচর্যাৰ বাবে মাতৃগৰাকীয়ে নির্ধাৰিত সময়সীমাৰ দুটা বিৰতি আৰু নিয়মীয়া বিশ্রামৰ বিৰতি পাব। কাৰখানা পৰিদর্শকসকলৰ ওপৰত ৰাজ্যত এই আইনৰ যথাযথ বলৱৎকৰণ পৰীক্ষা কৰাৰ দায়িত্ব ন্যস্ত থাকে। কয়লা খনিত কল্যাণ আয়ুক্ত আৰু অন্য খনিত 'খনি সুৰক্ষাৰ সঞ্চালক প্রধান'গৰাকী আইনখনৰ যথাযথ প্রয়োগৰ বাবে দায়বদ্ধ।

## ১৫.৬.৩ ন্যূনতম মজুৰি আইন, ১৯৪৮ (Minimum Wages Act, 1948)

'ন্যূনতম মজুৰি আইন, ১৯৪৮'ৰ প্রধান লক্ষ্য হৈছে কিছুমান নির্দিষ্ট নিযুক্তিৰ ক্ষেত্রত ন্যূনতম মজুৰিৰ হাৰ নির্ধাৰণ কৰা। ই সমগ্র ভাৰতবর্ষত প্রযোজ্য আৰু এই আইনৰ অধীনত মজুৰিৰ হাৰ নির্ধাৰিত হোৱা নির্দিষ্ট নিযুক্তিবোৰৰ ক্ষেত্রত ই কার্য্যকৰী হয়। সংশ্লিষ্ট চৰকাৰে ন্যূনতম মজুৰিৰ হাৰ নিৰূপণ কৰে। সর্বাধিক পাঁচ বছৰ বা তাৰ পূর্বে এই হাৰৰ পুনৰীক্ষণ কৰা হয় আৰু প্রয়োজন সাপেক্ষে তাৰ সংশোধনী ঘটোৱা হয়। ন্যূনতম মজুৰি হাৰ নির্ধাৰণ কৰা হয় ন্যূনতম সময় নিৰিখ, বা কামৰ নিৰিখ বা সুনিশ্চিত সময় নিৰিখৰ হিচাপত। নিয়োগকর্তাই প্রতিজন তালিকাভুক্ত কর্মচাৰীক এই হাৰত মজুৰি দিবলৈ বাধ্য। আইনখনৰ কর্মচাৰীক হাৰতকৈ কম মজুৰি দিয়া বা লেনদেন সম্পর্কীয় যিকোনো বিবাদ-গোচৰৰ মীমাংসা কৰিবলৈ উপযুক্ত কর্তৃপক্ষ নিয়োগ কৰাৰ ব্যৱস্থাও ইয়াত দিয়া হৈছে। এনে কর্তৃপক্ষ হৈছে শ্রম আদালতৰ প্রিজাইডিং অফিচাৰ আৰু শ্রম উপাযুক্তসকল।

## ১৫.৭ সামাজিক সুৰক্ষাৰ আঁচনিবোৰ

শ্রমিকসকলক আকস্মিক দুর্য্যোগৰ সময়ত সামাজিক সুৰক্ষা প্রদান কৰিবলৈ নিম্নোক্ত আঁচনিসমূহ ৰূপায়ণ কৰি থকা হৈছে—

১) কর্মচাৰীৰ ৰাজ্যিক বীমা আঁচনি (ESI)
২) কর্মচাৰীৰ ভৱিষ্যনিধি (EPF)
৩) কর্মচাৰীৰ জমা-সম্পর্কিত বীমা আঁচনি
৪) গ্রেচুইটি বা অৱসৰকালীন ভাট্টা
৫) ডেথ ৰিলিফ বা মৃতকৰ পৰিয়াললৈ সাহায্য
৬) পাৰিবাৰিক পেন্সন
৭) কয়লা খনি ভৱিষ্যনিধি
৮) কর্মৰত সাংবাদিক আইন
৯) কয়লা খনি ভৱিষ্যনিধি জমা-সম্পর্কীয় বীমা আঁচনি
১০) কয়লা খনি (উপস্থিতি) বোনাছ।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৩ঃ** শ্রমিকৰ ক্ষতিপূৰণ আইন কেতিয়া প্রণয়ন কৰা হৈছিল ?

.....

.....

**প্রশ্ন নং ৪ঃ** প্রসুতি সাহার্য্য আইন কিয় গ্রহণ কৰা হৈছিল ?

.....

.....

**প্রশ্ন নং ৫ঃ** সামাজিক সুৰক্ষাৰ অন্যান্য আঁচনিবোৰৰ উল্লেখ কৰক।

.....

.....

.....



## ১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক সুৰক্ষা হৈছে সমাজে বিশেষভাৱে ৰাষ্ট্র আৰু নিয়োগকর্তাসকলে যথাবিহিত সংগঠনৰ জড়িয়তে কিছুমান নির্দিষ্ট বিপদৰ সন্মুখীন হোৱা ব্যক্তিসকলক প্রদান কৰা সুৰক্ষা।

- সামাজিক বীমা আৰু সামাজিক সাহায্য দুখন প্ৰধান সামাজিক সুৰক্ষা আঁচনি।
- অধিকাংশ ঔদ্যোগিক শ্ৰমিক গাঁৱৰ পৰা প্ৰব্ৰজন কৰা লোক। সেইবাবে কৃষি অৰ্থনীতিৰ পৰা ঔদ্যোগিক অৰ্থনীতিলৈ হোৱা উৎক্ৰমণৰ ফলত বিশেষ কেতবোৰ সমস্যাৰ উদ্ভৱ হৈছে যাৰ বাবে সামাজিক সুৰক্ষাৰ আৱশ্যক।
- শ্ৰমিকৰ ক্ষতিপূৰণ আইনৰ প্ৰধান উদ্দেশ্য হ'ল নিয়োজিত অৱস্থাত হোৱা দুৰ্ঘটনাৰ বাবে শ্ৰমিকক ক্ষতিপূৰণ দিবলৈ নিয়োগকৰ্তাক বাধ্য কৰা।
- 'প্ৰসুতি সাহায্য আইন, ১৯৬১' (মেটাৰ্নিটী বেনিফিট এক্ট)ৰ দ্বাৰা নিৰ্দিষ্ট প্ৰতিষ্ঠানত কৰ্মৰত মহিলাসকলক সন্তান জন্মৰ নিৰ্ধাৰিত সময়কালৰ বাবে মাতৃত্ব সম্পৰ্কীয় আৰু অন্য সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰা হৈছে।
- 'ন্যূনতম মজুৰি আইন, ১৯৪৮'ৰ মতে তালিকাভুক্ত নিযুক্তি দিয়া শ্ৰমিকসকলক নিয়োগকৰ্তাই দিবলগা মজুৰিৰ ন্যূনতম হাৰ চৰকাৰে বান্ধি দিয়ে।



## ১৫.৯ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Bhattacharya, V. R. (1970): *Some Aspects of Social Security Measures in India*. Metropolitan Book Co.
2) Gri, V. V. (1962): *Labour Problems in Indian Industry*. Asia Publising House.
3) International Labour Office (1984): *Introduction to Social Security*.
4) Tyagi, B. R. (2000): *Labour Economics and Social Wellfare*. Meerut: Jai Prakash Nath and Co.



## ১৫.১০ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** সামাজিক সুৰক্ষা হ'ল সমাজে, ঘাইকৈ ৰাষ্ট্ৰ আৰু নিয়োগকৰ্তাই যথাবিহিত সাংগঠনিক ব্যৱস্থাৰ মাধ্যমত কেতবোৰ বিশেষ বিপদৰ সন্মুখীন হোৱা ব্যক্তিগত সদস্যসকলক আগবঢ়োৱা সুৰক্ষা।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** সামাজিক সাহায্য আঁচনিবোৰ চৰকাৰী ৰাজহৰ ধনেৰে পৰিচালিত হয়, সেয়ে ই সম্পূৰ্ণ ৰূপে এক চৰকাৰী পৰিক্ৰমা। সামাজিক বীমাৰ ক্ষেত্ৰত নিয়োগকৰ্তা, চৰকাৰ আৰু কৰ্মচাৰীৰ দ্বাৰা এটা উমৈহতীয়া নিধি গঠন কৰা হয় আৰু তাৰ পৰা নগদ বা অন্যধৰণৰ সুবিধা আগবঢ়োৱা হয়।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** শ্ৰমিকৰ ক্ষতিপূৰণ আইনখন ১৯২৩ চনত প্ৰণয়ন কৰা হৈছিল।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ভাৰতবৰ্ষত মাতৃত্বজনিত মৃত্যুৰ হাৰ সৰ্বোচ্চ। সেয়ে বহু ৰাজ্য চৰকাৰে মাতৃত্ব বানছৰ গুৰুত্ব উপলব্ধি কৰি আইনগত ব্যৱস্থা লৈছে।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** সামাজিক সুৰক্ষাৰ অন্যান্য আঁচনিবোৰ হ'ল— কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনি, কৰ্মচাৰী ভৱিষ্যনিধি, কৰ্মচাৰী জমা-সম্পৰ্কিত বীমা আঁচনি, গ্ৰেচুইটি আঁচনি, পাৰিবাৰিক বীমা, কয়লাখনি ভৱিষ্যনিধি, কয়লাখনি বোনাছ।



## ১৫.১১ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** সামাজিক সুৰক্ষাৰ সংজ্ঞা কি? ভাৰতত সামাজিক সুৰক্ষাৰ তাৎপৰ্য্য আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** সামাজিক সাহায্য আৰু সামাজিক বীমাৰ বিষয়ে এটা টোকা লিখক।

**প্ৰশ্ন ৩ ঃ** সামাজিক সুৰক্ষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৪ ঃ** শ্ৰমিকৰ ক্ষতিপূৰণ আইন আৰু প্ৰসুতি সাহাৰ্য্য আইনৰ মূল দিশবোৰ উল্লেখ কৰক।

**প্ৰশ্ন ৫ ঃ** ভাৰতত সামাজিক সুৰক্ষা আঁচনিবোৰ ব্যাখ্যা কৰক।

*** ***** ***



## প্ৰসঙ্গ পুথি


*অসমীয়া গ্ৰন্থ ঃ*

১) শইকীয়া, জে. পি. (২০০৪) ঃ *সমাজ ঃ সমস্যা আৰু সমাধান*; যোৰহাট ঃ বিদ্যা ভৱন।

*ইংৰাজী গ্ৰন্থ ঃ*

1) Adams, E. M. (1971): *Youth Unrest and Our Cultural Crisis, Modern Age*, Vol. 15, No. 3pp. 259-67.
2) Ahuja, Ram (1987): *Crime Against Women*. Jaipur: Rawat Publications.
3) Ahuja, Ram (2009): *Social Problems in India*. Jaipur: Rawat Publications.
4) Ahuja, Ram (2012): *Criminology*. New Delhi: Rawat Publication.
5) Atal, Yogesh (2006): *Changing Indian Society*. Jaipur: Rawat Publications.
6) Barlow, Hugh D. (1978): *Introduction to Criminology*. Boston: Little, Brown.
7) Beteille, A. (1966): *Caste, Class and Power*. Berkeley and Los Angles.
8) Beteille, A. (1998): *The Idia of Indegenous People, Current Anthropology*, Vol. 39. No. 2, 187-91.
9) Bhatta, A. (1990): *Proverty, Tribals and Development : A Rehabilitio*.
10) Bhattacharya, V. R. (1970): *Some Aspects of Social Security Measures in India*. Metropolitan Book Co.
11) But Iqbal Touseef: *Insurgency Dislocates the Social Life of Jammu and Kashmir*. Youth Unrest and Agitation.
12) Caldwell, R. G. (1956): *Criminology*. New York: Ronald Press Co.
13) Chanddran, E. (1990): *Social Problems of India*. New Delhi: Cosmos Bookhive (P.) Ltd.
14) Devi, Rameshwari and Parkash, Ravi (1998): *Social Work and Social Welfare Administration, Methods and Practices* (Vol. I). Jaipur: Mangal Deep Publications.
15) Dixon, Johnand Shikkim, Hyung (1985): *Social Welfare in Asia*. USA: Croom Helm Ltd.

16) Dubey, S. N. (1971): *Social Welfare Policy and Backward Classes Welfare*. Indian Council of Social Welfare (ed.), *Social Policy in Conditions of Dynamic Change*. Bombay, 20-35.
17) Durkheim, E. (1961): *The Elementary Forms of the Religious Life*. New York: Collier Books.
18) Faro, Sebastian (2003): *Sexually Transmitted Diseases in Women*. Philadelphia: Lippincott Williams and Wilkins.
19) Friedlander, W. A. (1959): *Introduction to Social Welfare*. New York: Prientice Hall.
20) Ghosh, Biswanath (1988): *Contemporary Social Problems of India*. New Delhi: Himalaya Publishing House.
21) Government of India (2007): *Study on Child Abuse: India 2007*. Ministry of Women and Child Development.
22) Gri, V. V. (1962): *Labour Problems in Indian Industry*. Asia Publising House.
23) Hazarika, P. (2004): *Child labour in India*. New Delhi: Akash Publishing House.
24) Haralambos, M. & Read, R. M. (2015): *Sociology Themes and Perspectives*. Oxford University Press.
25) Horton, Paul B. & Gerald. R. Leseie (1955): *The Sociology of Social Problems*. New Jersey: Prentice-hall, Inc., Englewood Cliffs.
26) ICSSR (1975): *Status of Women in India*. New Delhi: Allied Publications.
27) ILO (2002): *International Programme on the Elimination of child labour*. Geneva: ILO.
28) *International Journal of Humanities and Social Science Invention*, Volume 3, Issue 8, August 2014.
29) International Labour Office (1984): *Introduction to Social Security*.
30) Kapil, Dr. Sharmam Dev: *Modern Indian Youth: Reasons and Result of Unrest and Core Agitation*. IOSR Journal or Humanities and Social Science, Vol. 19, Issue 4, April 2014.
31) K. H. Cheluva Raju: *The Indian Journal of Political Science*, Vol. 47. No. 4 (October-December, 1986) pp. 473-485.

32) Kulkarni, P. D. (1965): *Social Policy in India*. Bombay: Tata Institute of Social Sciences.
33) Kumar, Ashok (2014): *Dynamics of Global Terrorism*; New Delhi: K. K. Publication.
34) Madan, G. R. (1990): *Indian Social Problems*. New Dras Nagpur, Ahmedabad, Bangalore Hyderabad, Lukhnow: Allied Publishers Limited.
35) Madan, G. R. (2002): *Indian Social Problems* (6th ed., Vol. I). New Delhi: Allied Publishers.
36) Ministry of Health and Family Welfare (2005-06): *National Family Health Survey (NFHS-3)* (Vol-I). Mumbai: International Institute of Population Sciences.
37) Pathak, Shankar (1979): *Social Welfare Health and Family Planning in India*. New Delhi: Marwah Publications.
38) Prasad, B. K. (2004) (Vol. 2) (Pages 556-564): *Social Problems in India*. New Delhi: Anmol Publications Pvt. Ltd.
39) Rath, G. C. Eds. 2006: *Tribal Development in India : The Contemporary Debete*; New Delhi: Sage.
40) Sachdeva, D. R. (1998): *Social Welfare Administration in India*. Allahabad: Kitab Mahal.
41) Sahoo, U. C. (1995): *Child Labour in Agrarian Society*. New Delhi: Rawat Publications.
42) Saikia, J. P. (2010): *Themes & Issues*. New Delhi: Concept Publishing Pvt. Ltd.
43) Schatz, Harry A. (ed.) (1970): *Social Work Administration: A Resource Book*. Yew York: Council on Social Work Education.
44) Sehgal, Virendra N. (2006): *Sexually Transmitted Diseases* (4th Edition). New Delhi: Jaypee Brothers.
45) Sharma, R. N. (1993): *Criminology and Penology*. New Delhi, Kamala Nagar: Surjee Publications.
46) Shoquist Jennifer (2004): *The Encycholpedia of Sexually Transmitted Diseases*. New York: Facts on File, Inc.

47) Skidmore, Rex A. (1983): *Social Welfare Administration: Dynamic Management and Human Relations*. London: Prentice Hall Inc.

48) Srinivas, M. N. (2014): *Social Change in Modern India*. New Delhi: Orient Black Swan.

49) Turner, J. C. and Turner, F. J. (1986): *Canadian Social Welfare*. Canada: Machmillan.

50) Tyagi, B. R. (2000): *Labour Economics and Social Wellfare*. Meerut: Jai Prakash Nath and Co.

51) UN, Department of Social Welfare. Training for Social Work– An International Survey (1950).

52) Weinberg, Leonard (2006): *Global Terrorism Beginner's Guide*; England: Oneworld Publications.

http. www. planningcommission.nic.in.

http. www.nese.nic.index asp.

| |
|---|
| কাকতৰ নাম ..... |
| পাঠ্যবিষয়ৰ সাঙ্কেতিক সংখ্যা ..... |

**আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)**

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্য্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-৭৮১০০৬

## পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

**প্ৰিয় শিক্ষার্থী,**

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

**সঞ্চালক, আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**
**হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-৭৮১০০৬**
**ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in**

১) পাঠ্যবিষয়ৰ অন্তর্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে? ☐☐☐

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক) ঃ

| ক্ৰমাঙ্ক | প্ৰবিৱৰণ | দৃঢ়ভাৱে একমত | একমত | একমতো নহয় অসন্মতো নহয় | অসন্মত | দৃঢ়ভাৱে অসন্মত |
|---|---|---|---|---|---|---|
| I) | পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধার্য্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে | | | | | |
| II) | স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে | | | | | |
| III) | অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে | | | | | |
| IV) | অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে | | | | | |
| V) | অধ্যায়বোৰত কার্য্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্য্যাপ্ত সুযোগ আছে | | | | | |
| VI) | ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্য্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে | | | | | |
| VII) | পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসঙ্গিক আৰু শেহতীয়া তথ্যভিত্তিক | | | | | |
| VIII) | 'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী | | | | | |
| IX) | 'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে | | | | | |

**অতিৰিক্ত মন্তব্য** (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

.....

.....

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনে ধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

.....

.....

*প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।*